


১৯৪৫-১৯৫০

অসম

অসম





Assam : Vol-I (1945-1950)

By Mrinal Talukdar & Kishor Kumar Kalita

First Published at Guwahati in September 2014
by Nanda Talukdar Foundation, Guwahati
www.nandatalukdarfoundation.org
Ph.0361-3556853

First Edition - 2014
Second Editon - 2021
Price Rs. 3500 (full set of seven volumes)
ISBN-978-81-905752-8-7

Published by
Ankur Agency Publication
J. B. Road, Jorhat-785001
Ph. : +91 6002306353

Research Support
BKRI-KKSHOU, Assam, Guwahati

Organisational Support
Anundoram Borooah Academy, Pathsala

আৰ্হি : চন্দন কলিতা
অক্ষৰ বিন্যাস : প্ৰশান্ত লহকৰ, বিৰিঞ্চি দাস
অলংকৰণ : পংকজ শইকীয়া
বেটুপাত : ছাজাহান আহমেদ

মুদ্ৰণ : ভৱানী অফছেট প্ৰাইভেট লিমিটেড
গুৱাহাটী-৭৮১০২৬

অসম

(১৯৪৫-১৯৫০)

গৱেষণা সহযোগী

কৃষ্ণ কান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, অসম

নন্দ তালুকদাৰ ফাউণ্ডেচন

পাতনি

অসমীয়া ভাষাত ইতিহাস প্ৰণয়নৰ যি গৌৰৱোজ্জ্বল ধাৰা প্ৰৱৰ্তিত তাৰ মাজত বিশেষকৈ স্বৰাজোত্তৰ অসমৰ ইতিহাস প্ৰণয়ন এক কঠিন কাম বুলি আমি বিবেচনা কৰোঁ। আহোম শাসন কালত ৰচিত লিখিত বুৰঞ্জী, বৃটিছ শাসনকালৰ বিভিন্ন চৰকাৰী নথি, প্ৰতিবেদন, চৰকাৰী ৰাজপত্ৰ, বিভিন্ন পণ্ডিত, পৰিব্ৰাজকৰ লেখা আদি ইতিমধ্যে থকা উৎসৰ বাবে মধ্যযুগ আৰু বৃটিছ শাসন কালৰ ভালেমান বুৰঞ্জী গ্ৰন্থ প্ৰণয়ন সম্ভৱ হৈ উঠিছিল। পৰৱৰ্তী সময়ত, বিশেষতঃ স্বৰাজোত্তৰ সময়ৰ ইতিহাস ৰচনাৰ কামৰ বিষয়ে চিন্তা-চৰ্চা কৰা বা যথাযথ ৰূপত এই বিষয়ত আগবঢ়াটো এক প্ৰত্যাহ্বানমূলক কাম। বুৰঞ্জী ৰচনাৰ

প্ৰণালীবদ্ধ শিক্ষণ নথকাকৈ এনে ইতিহাস প্ৰণয়নত ভালেমান আসোঁৱাহ ৰৈ যোৱাৰ সম্ভাৱনা থাকে। এই সময়ছোৱাত চৰকাৰী অভিলেখাগাৰ, বিভিন্ন পুথিভঁৰাল, গৱেষণামূলক গ্ৰন্থ, বাতৰি কাকত আদি পৰ্যাপ্ত হোৱাৰ বাবে প্ৰয়োজন দীৰ্ঘদিনীয়া অধ্যয়ন, অধ্যৱসায় আৰু যথাসম্ভৱ বিকৃত নোহোৱাকৈ নথিবোৰ লিপিবদ্ধ কৰা।

সেই অৰ্থত আমাৰ এই প্ৰচেষ্টা এক দুঃসাহসিক অভিযান। কাৰণ আমি দুয়ো বুৰঞ্জীৰ ছাত্ৰ নহয় আৰু প্ৰণালীবদ্ধ বুৰঞ্জী অধ্যয়ন বিষয়তো আমাৰ জ্ঞান সীমিত। তৎসত্ত্বেও ২০১১ চনৰ জানুৱাৰী মাহৰ কোনোবা এটা শীতৰ সেমেকা ৰাতি অংকুৰণ ঘটিছিল ইতিহাস ৰচনাৰ এক বীজৰ। সেই বীজৰে ফচল হৈছে 'অসম'।

আমাৰ উপলব্ধি হৈছিল যে অসমীয়া ভাষাত ৰচিত ইতিহাস বিষয়ক বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আদিত স্বৰাজোত্তৰ অসমৰ বিশেষকৈ ১৯৫০ ৰ দশকৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী দশকসমূহৰ সামাজিক আৰু ৰাজনৈতিক ভালেমান ঘটনাক্ৰম বা ঘটনাপ্ৰৱাহ অনুপস্থিত। স্বাধীনতাৰ সময়লৈকে অসমৰ সামাজিক-ৰাজনৈতিক ঘটনাপ্ৰৱাহক শৃংখলিত-প্ৰণালীবদ্ধভাৱে নথিকৰণ কৰাৰ এক প্ৰচেষ্টা চলিছিল যদিও কিবা এক অজান কাৰণত স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ বিভিন্ন গুৰুত্বপূৰ্ণ সামাজিক, ৰাজনৈতিক, আৰ্থিক, সাংস্কৃতিক সংঘটন, ঘটনা বা প্ৰক্ৰিয়াৰ বিষয়ে অসমীয়া ভাষাত লিখিত সমলৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। গৱেষণামূলক গ্ৰন্থ, গৱেষণা পত্ৰিকা আদিয়ে এনে বিষয়বোৰ সামৰিছে বা সামৰাৰ যৎসামান্য প্ৰয়াস কৰিছে যদিও সাধাৰণ পাঠকৰ বাবে বহু ঐতিহাসিক ঘটনা-পৰিক্ৰমা আদিৰ বিষয়ে লিখিত বিৱৰণ আজিও দুষ্প্ৰাপ্য বুলি ক'ব পাৰি।

আমি অকপটে স্বীকাৰ কৰো যে ১৯৪৫ চনৰ আগৰ সময়খিনিৰ বিষয়ে লেখত ল'বলগীয়া অসংখ্য অধ্যয়ন হৈছে যদিও তাৰ পাছৰ সময়খিনিৰ ক্ষেত্ৰত তেনে অধ্যয়ন অসমীয়া ভাষাত হোৱা নাই আৰু হৈছে যদিও তেনে অধ্যয়ন আহি সাধাৰণ পাঠকৰ হাতত পৰা নাই। অসংখ্য ঘটনাৰ সাময়িক বিশ্লেষণ তদানীন্তন আলোচনী-বাতৰি কাকত আদিত প্ৰকাশ পাইছিল যদিও তাৰ সামগ্ৰিক নথিভুক্তকৰণ যথাযথভাৱে কৰা নহ'ল।

পাতনি

সমসাময়িক ঘটনাক্রমক নথিকৰণ কৰা, তাৰ বিশ্লেষণ কৰাক এক প্ৰত্যাহ্বানমূলক কাৰ্য বুলি বিবেচনা কৰা হয় বাবেই হয়তো স্বৰাজোত্তৰ অসমৰ এই কাহিনী, ঘটনা, ঐতিহাসিক দৃষ্টিকোণৰ পৰা অতি সংবেদনশীল বুলি বিবেচিত বহু বিষয়ৰ লিখিত বিৱৰণ আজি আমাৰ মাজত সহজতে পাব পৰা অৱস্থাত নাই।

সেয়েহে মূলতঃ এই সময়খিনিৰ বিভিন্ন ঘটনা, ৰাজনৈতিক-সামাজিক-আৰ্থিক পৰিঘটনা আদিক নথিভুক্তকৰণ কৰাৰ উদ্দেশ্যেৰে আমি 'অসম' প্ৰকাশৰ কাম হাতত লৈছিলো। আমি জানো যে যোৱা দশককেইটাত আনে কৰিবলৈ সাহ নকৰা এই কাম আমি কৰিবলৈ ওলাইছো। আমাৰ এই কামত হয়তো অসংখ্য ভুল-ত্ৰুটি ৰৈ যাব পাৰে। কিন্তু আমি বিশ্বাস কৰিছিলো যে নথিভুক্তকৰণৰ প্ৰাথমিক কামখিনিও স্বৰাজোত্তৰ অসমৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত হৈ উঠা নাই। ইতিমধ্যে বহু গুৰুত্বপূৰ্ণ ঐতিহাসিক সমল, নথি, অসমৰ আটাইতকৈ পুৰণি বাতৰি কাকত, আলোচনী আদি সংৰক্ষণৰ অভাৱত জহি-খহি গৈছে। চল্লিশ-পঞ্চাশৰ দশকৰ এনে বহু কাকত-আলোচনীৰ অৱস্থা ইমানেই বেছি বেয়া যে সেইবোৰৰ পুনঃসংৰক্ষণ হয়তো আৰু সম্ভৱপৰ নহ'ব। তেনে কাকত-আলোচনী আদি কোন কাহানিবাই যথাযথ আৰু বৈজ্ঞানিক উপায়েৰে সংৰক্ষণ কৰিব লাগিছিল যদিও তেনে প্ৰচেষ্টা লোৱা দেখা নগ'ল।

তথ্য বিচৰাৰ কামটো আছিল আমাৰ বাবে অতি কঠিন। সংবাদপত্ৰৰ পৰা আৰম্ভ কৰি বিভিন্ন স্থান, প্ৰান্তত সিঁচৰতি হৈ থকা ঐতিহাসক তথ্যসমূহ গোটাই লোৱাটো আছিল এক ডাঙৰ প্ৰত্যাহ্বান। সি যি কি নহওক, তেনে তথ্য সংগ্ৰহৰ কামত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল কৃষ্ণা তালুকদাৰ আৰু উদ্দীপ্ত হাজৰিকাই। সম্পূৰ্ণ ২৫ টা মাহ তেওঁলোকে কটাইছে অসমৰ বিভিন্ন পুথিভঁৰালত। ১৯৪৫ চনৰ পৰা ২০২০ লৈ প্ৰায় প্ৰতিখন বাতৰি কাকত, আলোচনীৰ পাত লুটিয়াই চোৱা হৈছে আৰু তাৰপৰাই প্ৰস্তুত কৰা হৈছে সুদীৰ্ঘ প্ৰায় ৭৫ বছৰৰ সময়ানুক্ৰম। তেওঁলোকৰ এই পৰিশ্ৰম আৰু কষ্ট অবিহনে হয়তো এই খণ্ডকেইটাৰ প্ৰণয়ন সম্ভৱ হৈ নুঠিলেহেঁতেন।

প্ৰথম খণ্ড ঃ 'অসম'ৰ প্ৰথম খণ্ডটোত (১৯৪৫-৫০) যদিও মাথোঁ পাঁচটা

বছৰ সামৰি লোৱা হৈছে তথাপি এই সময়খিনি আছিল অসমৰ সমাজ আৰু ৰাজনৈতিক জীৱনৰ আটাইতকৈ বৈচিত্র্যপূর্ণ আৰু কৌতূহলপূর্ণ বছৰ। দ্বিতীয় বিশ্বযুদ্ধই সমগ্র পৃথিৱীকে আক্রান্ত কৰাৰ দৰে আক্রান্ত কৰিছিল ভাৰতবর্ষৰ এই প্রান্তৰর্তী প্রদেশখনকো।

বিশ্বযুদ্ধৰ সমান্তৰালভাৱে অসমত চলিছিল গ্রুপিঙৰ ৰাজনীতি। অসমৰ ৰাজনীতিৰ আটাইতকৈ তাৎপর্যপূর্ণ ৰাজনৈতিক সংঘটনো হৈছিল এই সময়খিনিতে। অসমলৈ ব্যাপক হাৰত প্রব্রজনকাৰীৰ আগমনৰপৰা আৰম্ভ কৰি চিলেট বিচ্ছেদ আছিল এই সময়ৰ আটাইতকৈ স্পর্শকাতৰ বিষয়। অসমৰ জনসাধাৰণ বাৰুকৈ ত্রাসিত হৈছিল প্রস্তাৱিত পাকিস্তানত চামিল হোৱাক লৈ। বৰভূঁইকঁপে জোকাৰি গৈছিল সমগ্র অসম। সেয়েহে এই খণ্ডটোত সামৰা হৈছে মুঠ চৈধ্যটা অধ্যায়। এই অধ্যায়কেইটা হৈছে— দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ অসম; অসমত পমুৱাৰ আগমন আৰু অসমৰ নেতৃত্ব; বৰদলৈ মন্ত্রীসভা; কেবিনেট মিছন আৰু গ্রুপিং; কেবিনেট মিছন বিৰোধী প্রতিৰোধপর্ব; অসমৰপৰা চিলেট বিচ্ছেদ; স্বাধীনতা; সংবিধান সভা আৰু অসম; গুৱাহাটী বিশ্ববিদ্যালয়; জাতীয় সংগীত আৰু অসমত বিৰোধিতা; বৰভূঁইকঁপ; উত্তৰ-পূবৰ পাহাৰীয়া জনগোষ্ঠীৰ মাজত ৰাজনৈতিক অভ্যুত্থান; ষষ্ঠ অনুসূচী আৰু স্বায়ত্তশাসন; ৰাজ্যভাষা বিতর্ক আৰু কোচবিহাৰ।

দ্বিতীয় খণ্ড ঃ পঞ্চাশৰ দশকটো আছিল স্বৰাজোত্তৰ অসমৰ ৰূপান্তৰৰ সময়। স্বাধীন ভাৰতবর্ষৰ প্রথম সাধাৰণ নির্বাচন, ৰাজ্যভাষা আন্দোলন, কমিউনিষ্ট আন্দোলনৰ উত্থানকে ধৰি ভাৰতীয় নাগৰিকৰ সপোন পূৰণৰ প্রাথমিক পদক্ষেপ লোৱা হৈছিল উল্লিখিত সময়ছোৱাত। 'অসম'ৰ দ্বিতীয় খণ্ড (১৯৫১-৬০) ত সন্নিৱিষ্ট ১৩ টা অধ্যায় হৈছে— অসমত কমিউনিষ্ট আন্দোলনৰ উত্থান; জমিদাৰীৰ বিলোপ; কার্বি আংলং, উত্তৰ-কাছাৰত স্বায়ত্তশাসন; মিজো পাহাৰ; নাগালেণ্ড; ভাৰত আৰু উত্তৰ-পূবৰ যাতায়াত ব্যৱস্থা; নেফা; শোধনাগাৰ আন্দোলন আৰু অসম; স্বাধীন ভাৰতবর্ষৰ অসম মন্ত্রীসভা আৰু প্রথম সাধাৰণ নির্বাচন; ৰাজ্যভাষা আন্দোলন; জাতীয় মহাসভা আৰু অম্বিকাগিৰী; আৰু ৰাজ্য পুনর্গঠন আয়োগ।

তৃতীয় খণ্ড ঃ ষাঠিৰ দশকটোত উকমুকনি ঘটিছিল সশস্ত্ৰ বিদ্ৰোহ, স্বায়ত্তশাসনৰ দাবী, খাদ্য আন্দোলন; কংগ্ৰেছ দলৰ আভ্যন্তৰীণ বিদ্ৰোহ আৰু সৰ্বোপৰি চীন-ভাৰতৰ যুদ্ধ। 'অসম'ৰ তৃতীয় খণ্ড (১৯৬১-১৯৭০) টোৱে সামৰি লোৱা ১১ টা অধ্যায় হৈছে— চীন-ভাৰতৰ যুদ্ধ; নাগালেণ্ডৰ আত্মপ্ৰকাশ; মিজোৰামৰ সশস্ত্ৰ বিদ্ৰোহ; কংগ্ৰেছৰ আভ্যন্তৰীণ ৰাজনীতি; বৰাকৰ ভাষা আন্দোলন; সদৌ অসম ছাত্ৰ সন্থা; কমিউনিষ্ট পাৰ্টীৰ বিভাজন; উদয়াচল আৰু আহোম ৰাজনীতি; খাদ্য আন্দোলন; ১৯৬৮ চনৰ ভূমিনীতি; আৰু স্বায়ত্তশাসিত অসমৰ ৰাজ্য।

চতুৰ্থ খণ্ড ঃ কেৱল ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ ক্ষেত্ৰতে নহয় সত্তৰৰ দশকটো আছিল বৃহৎ ৰাজনৈতিক উত্থান-পতনৰ সময়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পূব পাকিস্তানক 'বাংলাদেশ' নামৰ নতুন ৰাষ্ট্ৰখনলৈ ৰূপান্তৰিত কৰাৰ একক কৰ্তৃত্ব যেনেদৰে ইন্দিৰা গান্ধী নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে লৈছিল, একেদৰে তেখেতৰ শাসনকালতে 'জৰুৰীকালীন শাসন' আৰোপ কৰাৰ নিচিনা লজ্জাজনক পৰিঘটনা ঘটিছিল। অসমৰ জাতীয় জীৱনৰ সৰ্ববৃহৎ ভূঁইকঁপস্বৰূপ অসম আন্দোলনৰো সূচনা ঘটিছিল সত্তৰৰ দশকতে। 'অসম'ৰ চতুৰ্থ খণ্ড (১৯৭১-৮০) সেয়েহে ঐতিহাসিক দৃষ্টিকোণৰপৰা অতিকৈ গুৰুত্বপূৰ্ণ। এই খণ্ডটোত থকা ১৪ টা অধ্যায় হৈছে ক্ৰমে— বাংলাদেশৰ জন্ম; মেঘালয় জন্ম; দ্বিতীয় শোধনাগাৰ আন্দোলন; মাধ্যম আন্দোলন; জৰুৰীকালীন শাসন আৰু অসম; অসমৰ ৰাজনৈতিক অস্থিৰতা আৰু জনতা দল; অসম আন্দোলনৰ সূত্ৰপাত; ভগনীয়া বিতাড়ন আৰু শৰণাৰ্থীৰ পুনৰ্সংস্থাপন; উদয়াচল; অসমীয়া চলচ্চিত্ৰৰ এটা দশক; আলফাৰ জন্ম; দিছপুৰলৈ ৰাজধানী; কংগ্ৰেছত বিসম্বাদ; আৰু উত্তৰ-পূব পৰিষদ।

পঞ্চম খণ্ড ঃ আশীৰ দশকজুৰি অসম অশান্ত হৈ আছিল অসম আন্দোলনক লৈ। অসম আন্দোলনৰ পাছত অসমৰ মানুহে ইতিবাচক প্ৰত্যাশাৰে চাই ৰৈছিল সমাগত সময়লৈ। অসমত চৰকাৰ গঠন কৰিছিল এটি নকৈ জন্মা আঞ্চলিক দলে। তাৰ পিছত আৰম্ভ হৈছিল অন্য এক ৰক্তাক্ত সময়ৰ। 'অসম'ৰ

পঞ্চম খণ্ড (১৯৮১-৯০) টোত সন্নিৱিষ্ট কৰা হৈছে ৮ টা অধ্যায়। এই অধ্যায়কেইটা হৈছে— অসম আন্দোলন; অসম চুক্তি; অসম গণ পৰিষদ; অসম আন্দোলন আৰু আলফা; নাগালেণ্ডৰ লগত সীমা বিবাদ; বড়ো আন্দোলন; নেলীৰ হত্যাকাণ্ড; আৰু ১৯৮৩ ৰ নিৰ্বাচন।

ষষ্ঠ খণ্ড ঃ বিগত শতিকাৰ শেহৰ দশকটোৰ ইতিহাস আছিল ৰক্তাক্ত। আলফাৰ সশস্ত্ৰ বিদ্ৰোহ; সামৰিক অভিযান; গুপ্তহত্যা আদি হিংসাত্মক ঘটনাৰে জৰ্জৰিত আছিল এই দশক। 'অসম'ৰ ষষ্ঠ খণ্ড (১৯৯১-২০০০)ত সামৰি লোৱা হৈছে এই ৰক্তাক্ত সময়ৰ বিভিন্ন ঘটনাক্ৰম, সংঘটন। এই খণ্ডত সন্নিৱিষ্ট অধ্যায় ১০ টা হৈছে— ৰাষ্ট্ৰপতি শাসন আৰু সামৰিক অভিযান; আলফাৰ মত বিভাজন আৰু কংগ্ৰেছ চৰকাৰ; অপাৰেচন ৰাইনো আৰু পৰৱৰ্তী সময়ৰ অসম; মানৱ অধিকাৰ সংগ্ৰাম সমিতি; এল অ' চি কেলেংকাৰী; আদালত আৰু সশস্ত্ৰ বাহিনী আইন; বড়ো আন্দোলন; অগপৰ বিভাজন-পুনৰ্মিলন; পৰাগ কুমাৰ দাসৰ হত্যাকাণ্ড আৰু ইউনিফাইড কামাণ্ড; আৰু গুপ্তহত্যা।

সপ্তম খণ্ড ঃ 'অসম'ৰ সপ্তম খণ্ডত সৰ্বমুঠ ১০ টা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। 'অসম'ৰ সপ্তম খণ্ড (২০০১-২০২০)ত সন্নিৱিষ্ট অধ্যায়বোৰ হৈছে আলফা; তৰুণ গগৈৰ ১৫ বছৰীয়া শাসন; অসমত বিজেপিৰ উত্থান; বড়ো ৰাজনীতি; সৰ্বানন্দ সোণোৱাল চৰকাৰ; ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী; 'কেব'ৰ পৰা 'কা' লৈ; অসম চুক্তিৰ ৬ নং দফা; নতুন আঞ্চলিক ৰাজনৈতিক শক্তিৰ উত্থান; আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু কাৰ্বি আংলঙৰ তিনিটা দশক।

প্ৰথম ছটা খণ্ডৰে 'অসম' প্ৰকাশ পাইছিল ২০১৪ চনৰ অক্টোবৰ মাহত। তাৰ পিছত অসমৰ বুকুত ঘটিল আৰু অলেখ উত্থান-পতন। সেয়েহে আমি মন মেলিলো বিগত দুটা দশক সামৰি পুনৰ এটা খণ্ডৰ সংযোজন কৰা। এয়া সম্ভৱ হৈছিল প্ৰকাশক গোষ্ঠী অংকুৰ এজেন্সীৰ স্বত্বাধিকাৰী প্ৰীতম বৰুৱা আৰু পৰীক্ষিত বৰুৱাৰ কাৰণেহে। সাতোটা খণ্ডৰ এই ব্যয়বহুল কাম তেওঁলোকে আগবাঢ়ি আহি প্ৰকাশ কৰিম বুলি কোৱাৰ কাৰণেহে আমি সাহস গোটাব পাৰিলো।

পাতনি

ইয়াৰ পাছতেই আমাক গৱেষণাৰ কাৰণে উদগনি যোগাই আৰ্থিকভাৱে সহায় কৰিলে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়খনৰে বাণীকান্ত কাকতি গৱেষণা কেন্দ্ৰই। তাৰ কাৰণে বিশ্ববিদ্যালয়খনৰ সন্মানীয় উপাচাৰ্য ড° কন্দৰ্প দাস, পঞ্জীয়ক ড° অৰূপজ্যোতি চৌধুৰী আৰু ড° দীপক কলিতাৰ ওচৰত আমি কৃতজ্ঞ।

দীৰ্ঘকালীন এই প্ৰকল্পত আমাক সকলোৱে যিধৰণে সহায়ৰ হাত আগবঢ়াইছিল সেই সকলোৰে ওচৰত আমি চিৰ ঋণী। এই প্ৰকল্পত আমাক অসংখ্য লোকে সহায় কৰিছে। পোনতেই নাম ল'ব লাগিব ৰাজ্যিক পুথিভঁৰাল আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৰ্মচাৰীসকল। আমাৰ গৱেষণাৰ দলটোৱে প্ৰায় ২৫ টা মাহ ধৰি তেওঁলোকক আমনি দিছিল। তাৰ কাৰণে আমি তেওঁলোকক পুনৰবাৰ ধন্যবাদ জনাইছো।

আনুষ্ঠানিক সহায়ৰ বাবে পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ প্ৰতি আমি চিৰকৃতজ্ঞ। লগতে কাৰ্বি আৰু ডিমাৰাজী পাহাৰৰ ৰক্তাক্ত ইতিহাসৰ কথাখিনি গত লগাই দিয়াৰ বাবে দিগন্ত দাসলৈ কৃতজ্ঞতা যাচিলো।

কিন্তু আমি সকলোতকৈ কৃতজ্ঞ অসমৰ পঢ়ুৱৈ সমাজৰ ওচৰত। এনেকুৱা এখন সুবৃহৎ ছটা খণ্ডৰ অসম বুৰঞ্জী অসমৰ পাঠক সমাজে যে আদৰি ল'ব তাক আমি প্ৰথমতে ধৰিবই পৰা নাছিলো। কিন্তু এবাৰ নহয় দুবাৰকৈ ছপা কৰাৰ পাছত এইবাৰ সাতোটা খণ্ডৰে দ্বিতীয় সংস্কৰণ কৰিবলৈ আগবাঢ়িছো। আশা কৰো পঢ়ুৱৈ ৰাইজে তাক আদৰি ল'ব।

আমি বুৰঞ্জীৰ ছাত্ৰ নহয়। আমাৰ ভুল-ক্ৰুটি হোৱাটো স্বাভাৱিক। আমাৰ ভুল-ক্ৰুটিবোৰ সোঁৱৰাই দিলে আমি কৃতাৰ্থ হ'ম। পৰৱৰ্তী সংস্কৰণত সিসমূহৰ শুধৰণিৰ বাবে আমি চেষ্টা কৰিম।

মৃণাল তালুকদাৰ
কিশোৰ কুমাৰ কলিতা
২.২.২০২১

আগকথা

প্ৰয়াত নন্দ তালুকদাৰ আছিল আমাৰ অগ্ৰজপ্ৰতিম বন্ধু। বিংশ শতিকাৰ সত্তৰৰ দশকত এক বিশেষ ঘটনাসূত্ৰে তেখেতৰ লগত আমাৰ চিনাকি হৈছিল। তালুকদাৰ আছিল অসমীয়া সাহিত্য-সংস্কৃতি তথা বৌদ্ধিক জগতৰ এজন নীৰৱ সাধক। তেখেতৰ অকাল মৃত্যু আছিল অসমীয়া বৌদ্ধিক ক্ষেত্ৰখনৰ বাবে এক অপূৰণীয় ক্ষতি। সেই ক্ষতিৰ সামান্য পূৰণৰ বাবে আৰু তেখেতৰ চিন্তা-চেতনাৰ গৱেষণামূলক ধাৰাটো সঞ্জীৱিত কৰি ৰাখিবলৈ তেখেতৰ সুযোগ্য পুত্ৰ বিশিষ্ট সাংবাদিক মৃণাল

তালুকদাৰৰ নেতৃত্বত তেখেতৰ পৰিয়ালবৰ্গ আৰু গুণমুগ্ধ কেইজনমান ব্যক্তিৰ সহযোগত গঢ়ি উঠিছিল 'নন্দ তালুকদাৰ ফাউণ্ডেচন'। নন্দ তালুকদাৰৰ এজন গুণমুগ্ধৰূপেই আমিও এসময়ত এই প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰিছিলো।

আমাৰ এই ফাউণ্ডেচন এটি সৰু প্ৰতিষ্ঠান। হাতত ধন-বিত নাই। পুঁজি সংগ্ৰহৰ বাবে আনৰ ওচৰত হাত পাতিবলৈ আমাৰ অহমিকাত লাগে। কিন্তু আমাৰ মনবোৰ বহল। উচ্চাকাংক্ষাৰো সীমা নাই। সৰু-সুৰা প্ৰকাশনৰ মাজেদিয়েই সেই উচ্চাকাংক্ষাক বান্ধিবলৈ আমি যত্নপৰ হওঁ। কিন্তু কেইবছৰমান আগতে যেতিয়া আধুনিক অসমৰ বুৰঞ্জী এখন প্ৰণয়নৰ প্ৰস্তাব আহিছিল, দুঃসাহস, আস্পৰ্দ্ধা যিয়েই আখ্যা নিদিয়ক কিয় আমি পিচ-হোঁহকাৰ কথা এবাৰলৈও নাভাবিলো। আমাৰ দৰে নিঃকিন প্ৰতিষ্ঠানৰ বাবে বাস্তৱিক অৰ্থতে এই কাৰ্য আছিল দুৰূহ কাম। কিন্তু অৰ্থ-সম্বলৰ বাধাতকৈ যিজন ব্যক্তিৰ স্মৃতিত আমাৰ ফাউণ্ডেচন প্ৰতিষ্ঠিত হৈছিল, সেইজনৰ অনুপ্ৰেৰণা আছিল অধিক অদমনীয়। নন্দ তালুকদাৰে ইতিহাসৰ মণি-মুকুতা বুটলি ওৰেটো জীৱন অতিবাহিত কৰিছিল। আমাৰ ধাৰণা হ'ল— সেইজন বুৰঞ্জীমনস্ক ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ আধুনিক অসমৰ বুৰঞ্জী এখন প্ৰণয়নতকৈ আন কি কাম ডাঙৰ হ'ব পাৰে। সিদ্ধান্ত হ'ল যিমানেই কঠোৰ কাৰ্য নহওক, কামটো ফাউণ্ডেচনে কৰিবই। সেই কাৰণেই মনত সাহ লৈ কামত আগবাঢ়িল মৃণাল আৰু তেওঁৰ সৰু দলটো। দলটোত মৃণালৰ লগত আছিল কিশোৰ, কৃষ্ণা আৰু উদ্দীপ্ত। এই কেউজনৰ ভিতৰত কৃষ্ণাৰ বাহিৰে এজনো বুৰঞ্জীৰ ছাত্ৰ নহয়। কিন্তু প্ৰতিজনৰে ইতিহাস-চেতনা ঈৰ্ষণীয়। বিগত দুটা বছৰে এই দলটোৱে যি অসাধাৰণ কষ্ট-সাধনা কৰিছে তাৰ তুলনা নাই। নিজস্ব বৃত্তিগত দায়িত্বৰ উপৰি তেওঁলোকে নিয়াৰিকৈ কৰি গৈছে বুৰঞ্জী প্ৰণয়নৰ কাম। ছটা খণ্ডত প্ৰস্তুত কৰি উলিয়াইছে স্বৰাজোত্তৰ অসমৰ পাৰ হৈ যোৱা ছটা দশকৰ বুৰঞ্জী। একোটা খণ্ডই সামৰি লৈছে একোটা দশক। আমি জনাত স্বৰাজোত্তৰ অসমৰ বুৰঞ্জী এনেভাৱে কোনেও প্ৰস্তুত কৰি উলিওৱা নাই। অসমীয়া

আগকথা

বুৰঞ্জী সাহিত্যৰ পৰম্পৰা প্ৰাচীন যদিও নথিভুক্তকৰণ (Documentation) খুবেই কম। এইলানি বুৰঞ্জী প্ৰস্তুত কৰোতে আমি এই দিশটোক গুৰুত্বসহকাৰে গ্ৰহণ কৰিছো। স্বৰাজোত্তৰ অসমৰ আৰ্থ-সামাজিক আৰু ঐতিহাসিক দলিলসমূহ প্ৰণালীবদ্ধভাৱে ইয়াত সন্নিৱিষ্ট কৰাৰ প্ৰয়াস কৰা হৈছে। সেয়ে এই গ্ৰন্থই ভৱিষ্যতে অসমীয়া সাহিত্য-সংস্কৃতি-ইতিহাসৰ গৱেষকসকলক প্ৰভূত সহায় কৰিব বুলি আমাৰ বিশ্বাস। আমাৰ এই অভিনৱ প্ৰচেষ্টাত হয়তো ভুল-ভ্ৰান্তি থাকি গৈছে। কিছু প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ নথিও বাদ পৰিব পাৰে। আমাৰ সকলো ত্ৰুটি-বিচ্যুতি পঢ়ুৱৈয়ে আঙুলিয়াই দিলে বাধিত হ'ম।

নিত্য বৰা
অধ্যক্ষ,
নন্দ তালুকদাৰ ফাউণ্ডেচন, গুৱাহাটী

তাং ঃ ১১ এপ্ৰিল, ২০১৪ চন

সুচীপত্ৰ

দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ অসম

সাধাৰণ গ্ৰাম্য সমাজৰ সমলেৰে চহকী অসম ভাৰতৰ আন ৰাজ্যবোৰৰ লগত কোনোধৰণৰ প্ৰতিদ্বন্দ্বিতাত নানামি নিজৰ গতিতেই আগবাঢ়ি গৈ আছিল বিংশ শতিকাৰ প্ৰথম চাৰিটা দশকত।

ব্ৰিটিছ শাসন তেতিয়া ভৰপকত। খাৰুৱা তেল, চাহপাত, কয়লা আৰু কাঠেৰে অসম হৈ পৰিছে ব্ৰিটিছ ভাৰতৰ নয়নৰ মণি। নিজৰ বেগত আগবাঢ়িছে অসম। সেয়া ৰে'ললাইন, পথ, শাসন, শিক্ষা, উদ্যোগ, স্বাস্থ্য বা ৰাজনীতিয়েই নহওক কিয়। স্বাধীনতা সংগ্ৰামৰ কাঁচিয়লি ৰ'দ

১৯৪৫

১৬ জানুৱাৰী ঃ পতিত মাটি বন্দৱস্তি কৰিবৰ বাবে অসম চৰকাৰে এক নতুন প্ৰস্তাৱ গ্ৰহণ কৰে।

২৮ জানুৱাৰী ঃ গুৱাহাটীত প্ৰাদেশিক মুছলিম লীগ কাউঞ্চিলৰ এখন সভা মৌলানা আব্দুল হামিদ খানৰ সভাপতিত্বত বহে আৰু তাত ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাৰ ৫২৫জন প্ৰতিনিধিয়ে যোগ দিয়ে।

৬ ফেব্ৰুৱাৰী ঃ বৰপেটা মহকুমাৰ কাৰৈমাৰী চৰণীয়া পথাৰত স্থানীয় লোক আৰু পমুৱা মুছলমানৰ মাজত সংঘাত লগাত আৰক্ষীয়ে গুলীচালনা কৰে। আৰক্ষীৰ গুলীত দুগৰাকী পমুৱা মুছলমান নিহত হয়। ইয়াৰ পিচতে অঞ্চলটিত সাম্প্ৰদায়িক অশান্তিৰ উত্তেজনা বিয়পি পৰে।

১৯ ফেব্ৰুৱাৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাষ্ট ব'ৰ্ডৰ এখন অধিৱেশনত নিম্নোক্তসকলক ট্ৰাষ্ট ব'ৰ্ডৰ সদস্য কৰি লোৱা হয়—

(১) ভুৱনেশ্বৰী দেৱী (স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ সহধৰ্মিণী)

(২) কুলধৰ চলিহা

(৩) নীলমণি ফুকন

(৪) ৰামনাথ দাস, ভূতপূৰ্ব শিক্ষা মন্ত্ৰী

(৫) সত্যেন্দ্ৰমোহন লাহিড়ী, এম এল চি

(৬) মিঃ জি এ স্মল, ভূতপূৰ্ব শিক্ষা বিভাগৰ ডাইৰেক্টৰ।

২২ ফেব্ৰুৱাৰী ঃ শিৱসাগৰৰ বন্দী বিষ্ণু প্ৰসাদ চলিহাক মুক্তি দি শিৱসাগৰৰ নগৰৰ ভিতৰত অন্তৰীণ কৰা হৈছে। অসম চৰকাৰে জানুৱাৰী মাহৰ ২৩ তাৰিখেই আদেশটো দিছিল যদিও শ্বিলঙৰ পৰা শিৱসাগৰ পাওঁতে প্ৰায় এমাহ সময়ৰ প্ৰয়োজন হ'ল।

২৩ ফেব্ৰুৱাৰী ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ মহিলা বিভাগৰ সম্পাদিকা পুষ্পলতা দাসক অন্তৰীণ আদেশ ভংগ কৰি গুৱাহাটীৰ পৰা তেজপুৰলৈ যাওঁতে উত্তৰ গুৱাহাটীত পুলিচে গ্ৰেপ্তাৰ কৰে। আজিৰ দিনটোতে তেওঁক ছিনিয়ৰ ই এ চি মৌলবী তাহেৰ আলীয়ে বিচাৰ কৰি দুমাহ বিনাশ্ৰম কাৰাদণ্ড বিহে। দাসে ১৯৪২ চনৰ পৰা ছিকিউৰিটি বন্দী হৈ থাকি ১৯৪৪ চনৰ ১৫ ডিচেম্বৰ

তেতিয়া অসমৰ চোতালত পৰিছেহে মাথোঁ।

সকলো আগবাঢ়িছিল নিজৰ গতিত— ডিগবৈ শোধনাগাৰৰ পৰা শ্বিলঙৰ ৰাজধানী চৌহদলৈ।

এনেতে নামি আহিছিল দ্বিতীয় বিশ্বযুদ্ধৰ অমানিশা। লাহে লাহে চাওঁতে চাওঁতে ক'ব নোৱৰাকৈয়ে অসম হৈ পৰিছিল মিত্ৰ পক্ষৰ কাৰণে জাপানক প্ৰতিৰোধ কৰাৰ মূল সংগ্ৰামথলী।

ভৰি পৰিছিল মিত্ৰ পক্ষৰ সেনা মধ্য আৰু উজনি অসমত। তাৰ পিচত বুৰঞ্জীৰ চকৰি খৰকৈ ঘূৰিবলৈ আৰম্ভ কৰিছিল। সেয়া যি আৰম্ভ হ'ল— আৰু ৰখা নাই। মাথোঁ ঘূৰিয়ে আছে, ঘূৰিয়ে আছে। কেতিয়াবা খৰকৈ, কেতিয়াবা অলপ কম খৰকৈ।

বিংশ শতিকাৰ প্ৰথমডোখৰত যিবোৰ ঘটনাই বিশ্বৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি অথবা সাংস্কৃতিক জীৱনৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধিছিল, সেইসমূহৰ ভিতৰত প্ৰথম (১৯১৪-১৯১৯) আৰু দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫) প্ৰভাৱেই সৰ্বাত্মক বুলি ক'ব পাৰি। প্ৰথম বিশ্বযুদ্ধই পৃথিৱীত শক্তিৰ মেৰুকৰণ ঘটোৱা পৰ্বৰ আৰম্ভণি ঘটায় আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত পৃথিৱীৰ বিভিন্ন শক্তিশালী দেশবোৰে নিজ নিজ শক্তিবলয়বোৰ গঢ়ি তোলে। সমান্তৰালভাৱে পৃথিৱীৰ বিভিন্ন প্ৰান্তত ঔপনিৱেশিকতাবাদবিৰোধী স্বাধীনতা সংগ্ৰামবোৰে পূৰ্ণতা লাভ কৰাৰ দিশত অগ্ৰসৰ হৈছিল। এছিয়া তথা আফ্ৰিকা মহাদেশৰ সৰহভাগ উপনিৱেশ দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ সময়ছোৱাত স্বাধীনতা লাভৰ দিশত অগ্ৰসৰ হয়। ভাৰতবৰ্ষৰ স্বাধীনতাপ্ৰাপ্তিৰ ক্ষেত্ৰতো দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত ঘটা ঘটনাৱলীয়ে যুগান্তকাৰী ভূমিকা লৈছিল।

দ্বিতীয় বিশ্বযুদ্ধত ভাৰতবাসীৰ অনিচ্ছাসত্ত্বেও ভাৰত হৈ পৰিছিল মিত্ৰ পক্ষৰ অংগ আৰু জাপানৰ ধাৰাবাহিক বিজয়ে অসমক কৰি দিছিল এই যুদ্ধৰ মূল পৃষ্ঠভূমি।

তাৰিখে মুক্তি পায় আৰু লগে লগে তেওঁক গুৱাহাটী নগৰৰ চাৰিসীমাৰ ভিতৰত অন্তৰীণ কৰি ৰাজহুৱা সভা-সমিতিত যোগ নিদিবলৈ আৰু বাতৰিকাকতত বিবৃতি নিদিবলৈ আদেশ দিয়া হৈছিল। দাসে এই অসন্মানজনক আদেশ মানি ল'বলৈ অস্বীকাৰ কৰি অসম চৰকাৰৰ চীফ ছেক্ৰেটাৰীলৈ এই আদেশ তুলি ল'বলৈ এখন চিঠি দিছিল। গৱৰ্ণমেণ্ট তাত সন্মত নোহোৱাত দাসে অসুস্থ গাৰেই অন্তৰীণ আদেশ ভাঙিবলৈ সিদ্ধান্ত কৰে।

১১ ফেব্ৰুৱাৰী ঃ মহীশচন্দ্ৰ বৰাদেৱৰ এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰী ছাৰ মহম্মদ ছাদুল্লাই কয় যে ১৯৪৫ চনৰ ১৫ ফেব্ৰুৱাৰীলৈ তলত লিখামতে জিলাই প্ৰতি আটক, অন্তৰীণ আৰু বহিষ্কাৰ বন্দী আছে—

জিলা	আটক	অন্তৰীণ	বহিষ্কাৰ
চিলেট	১৪	২৬	২
শিৱসাগৰ	৩৩	২৯	৮
কাছাৰ	×	৬	৬
কামৰূপ	৬	২৫	৩
দৰং	২	৮	৩
গোৱালপাৰা	×	১	×
খাছীয়া-জয়ন্তীয়া	×	×	৪
টিৰাপ ফ্ৰণ্টিয়াৰ	×	১	×
নগাঁও	৩৩	২৩	১
লখিমপুৰ	৪	১১	৪৪
মুঠ	৯২	১৩০	৭১

শ্বিলং হৈ পৰিছিল South East Asian Commandৰ মুখ্য হে'ড কোৱাৰ্টাৰ আৰু তাৰ পৰাই পৰিচালিত হৈছিল ব্ৰিটিছ আৰু আমেৰিকাৰ মিত্ৰবাহিনী। জাপানী সৈন্য ব্ৰহ্মদেশ জয় কৰি আগবাঢ়িছিল মণিপুৰ হৈ ডিমাপুৰ অভিমুখে। লগত আছিল সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত আজাদ হিন্দ ফৌজ।

ইফালে অসমীয়া ৰাজনৈতিক সমাজখন দোমোজাত পৰিছিল। এফালে জাতীয় কংগ্ৰেছৰ যুদ্ধৰ লগত অসহযোগ আৰু সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজৰ প্ৰতি মৰম। যদি জাপানী সৈন্যৰ কাষে কাষে আজাদ হিন্দ ফৌজ আহে, তেতিয়া অসমবাসীয়ে কি কৰিব?

ইপিনে ভাৰতৰ জাতীয় কংগ্ৰেছৰ সিদ্ধান্ত সন্দৰ্ভত আলোচনা কৰিবলৈ ১৯৩৯ চনৰ ১৭ ছেপ্টেম্বৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যনিৰ্বাহক সমিতিৰ এখন সভা গুৱাহাটীত অনুষ্ঠিত হয় আৰু সভাই যুদ্ধ সম্পৰ্কে জাতীয় কংগ্ৰেছে লোৱা সিদ্ধান্তক স্বাগতম জনায়। যি সময়ত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে যুদ্ধত ব্ৰিটেইনে জোৰ-জবৰদস্তিকৈ ভাৰতবৰ্ষক জড়িত কৰোৱাৰ তীব্ৰ নিন্দা কৰিছিল সেই সময়ত চৈয়দ মহম্মদ ছাদুল্লা নেতৃত্বাধীন অসম মিলিত দলে (Assam United Party) ব্ৰিটেইনৰ মহাৰাজাধিৰাজৰ আনুগত্য বিনাবাক্যে মানি লৈছিল আৰু হিটলাৰ তথা নাজী বাহিনীৰ বিৰুদ্ধে ব্ৰিটিছ বাহিনীয়ে চলোৱা যুদ্ধক গণতন্ত্ৰ আৰু স্বাধীনতাৰ সংগ্ৰাম বুলি অভিহিত কৰিছিল।

অসমত তেতিয়া চৈয়দ মহম্মদ ছাদুল্লা নেতৃত্বাধীন মুছলিম লীগ আৰু গোপীনাথ বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছৰ মাজত ক্ষমতাৰ যুঁজ চলিছে। ১৯৩৫ৰ পৰা ১৯৪৫লৈকে এই দুই নেতাই নেতৃত্ব দিছিল দুটা বিপৰীত মেৰুৰ পৰা অসমৰ ৰাজনৈতিক নেতৃত্বক।

দুয়োজনেই দিগ্‌গজ নেতা। গোপীনাথ বৰদলৈ যদি ব্ৰহ্মপুত্ৰ উপত্যকাৰ নেতা আছিল, ছাদুল্লা গোলাঘাটৰ লোক আছিল যদিও হৈ পৰিছিল সুৰমা

১১ মাৰ্চ ঃ অসম চৰকাৰে যুদ্ধৰ পিচৰ পৰিকল্পনাৰ ব্যয় ৮৪ কোটি টকা ধাৰ্য কৰে। ইয়াৰ ভিতৰত আলিবাট সজাত ৫৪ কোটি, শিক্ষাত ৮ কোটি, জনস্বাস্থ্যৰ বাবে ৮ কোটি, খেতি আৰু পশুপালনৰ কাৰণে ২,৮৩,৭৬,০০০, সমবায়ৰ বাবে ২,৭৪,৪২,৫০০, ঘৰ-দুৱাৰত ১,৫৫,০২,০৩৯, পশু চিকিৎসাত ১,০৬,৮১,৬৫০, জংঘলী বিভাগৰ বাবে ৬৬ লাখ, মিউনিচিপালিটীৰ পানীকল আৰু নৰ্দমা ইত্যাদিত ৬৫,৯৫,১৫৯, গাঁও সংস্কাৰত ৫৩,৪৪,১৬৮ আৰু শিল্পৰ বাবে ২,৩৫,১১,৮৫০ টকা খৰচ হ'ব।

১৮ মাৰ্চ ঃ অসমত সকলো দলৰ মন্ত্ৰীসভা গঠনৰ চেষ্টা ঃ অসম ব্যৱস্থা পৰিষদৰ সকলো দলৰ আস্থাভাজন এখন নতুন মন্ত্ৰীসভা পুনৰ্গঠনৰ কাৰণে ১৮ মাৰ্চৰ সন্ধিয়া গোপীনাথ বৰদলৈৰ সভাপতিত্বত কংগ্ৰেছ কোৱালিচন দলৰ এখন সভাত যি আলোচনা হয় তাকে পিচত কংগ্ৰেছ দলপতি ৰোহিণী কুমাৰ চৌধুৰীয়ে এখন চিঠিৰে ছাৰ মহম্মদ ছাদুল্লাৰ হাতত দাখিল কৰে। ছাৰ মহম্মদক চিঠিৰে ঘোষণা কৰিবলৈ পিচদিনা আবেলিলৈকে সময় দিয়া হয়। গোপীনাথ বৰদলৈ আৰু ৰোহিণী কুমাৰ চৌধুৰী স্বাক্ষৰিত চিঠিখনৰ বিবৃতিসমূহ হৈছে— (১) নতুন মন্ত্ৰীসভাৰ গঠনৰ লগে লগে প্ৰদেশৰ সকলো ৰাজনৈতিক বন্দীকে জে'লৰ পৰা খালাচ দিব লাগিব। সকলো ৰাজনৈতিক অন্তৰীণ আৰু বহিষ্কৃত বন্দীৰ গতি-বিধি নিয়ন্ত্ৰণমূলক সকলো নিষেধাজ্ঞা আৰু ৰাজনৈতিক সন্মিলন, সাধাৰণ সভা, শোভাযাত্ৰা আদিৰ নিষেধাজ্ঞা ৰহিত কৰিব লাগিব। (২) জনসাধাৰণক যথেষ্ট পৰিমাণে যোগান ধৰিবলৈ, দুৰ্নীতি দমন কৰিবলৈ আৰু সমৰ্থন আৰু সহযোগিতা পাবলৈ চৰকাৰে যোগনীয়া ব্যৱস্থাৰ সংশোধন কৰিব লাগিব। (৩) (ক) যোৱা ১৫ জানুৱাৰীত চৰকাৰে ঘোষণা কৰা মাটি নীতিৰ প্ৰস্তাৱ তলত লিখামতে সংশোধন কৰিব লাগিব। (৪) ৮ নং দফাটো এইদৰে সলনি কৰিব লাগিব ঃ মাটি বন্দৰস্ত কৰোঁতে নিজৰ নামত বা ৫জন মানুহৰ পৰিয়ালৰ কৰোবাৰ নামত ৩০ বিঘাতকৈ কম খেতিৰ

উপত্যকাৰ অপ্রতিদ্বন্দ্বী নেতা। এজন কংগ্রেছৰ যদি, আনজন মুছলিম লীগৰ।

১৯৩৭ চনৰ নির্বাচনৰ পিচত উদ্ভৱ হোৱা ৰাজনৈতিক অনিশ্চয়তা আঁতৰাবলৈ আৰু লগতে অসমৰ গণতান্ত্রিক অৱস্থাটোক আগুৱাই নিবলৈ গৱৰ্নৰ ছাৰ ৰবাৰ্ট ৰেইডে চৈয়দ মহম্মদ ছাদুল্লাক অসমৰ প্ৰথম মুখ্যমন্ত্রী পাতিব বিচাৰিলে।

ছাৰ ছাদুল্লাই দাবী কৰিছিল যে মুছলমান, ইউৰোপীয়, পিচপৰা জনজাতীয় আৰু অন্যান্যসকলৰ সমৰ্থনত তেওঁ বিধানসভাৰ আস্থাভাজন হৈ চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। ছাদুল্লা অসম উপত্যকা মুছলিম পাৰ্টীৰ সদস্য হিচাপে বিধানসভালৈ নির্বাচিত হৈছিল।

ব্ৰিটিছ চৰকাৰৰ অধীনত ছাদুল্লাৰ এক দশকৰ প্ৰশাসনিক অভিজ্ঞতা আছিল— ১৯২৪ চনৰ পৰা ১৯৩৪ চনলৈ প্ৰথমে মন্ত্রী আৰু পিচত কাৰ্যবাহী পৰিষদৰ সদস্য হিচাপে।

কাৰ্যকালৰ প্ৰথমৰে পৰাই ছাদুল্লাই ব্ৰিটিছ চৰকাৰৰ সকলো কাৰ্যৰ সমৰ্থন কৰি সহযোগ কৰি আহিছিল আৰু সেয়ে ব্ৰিটিছৰ চকুত তেওঁ এজন মধ্যমপন্থী আৰু যুক্তিবাদী নেতা আছিল।

ব্ৰহ্মপুত্ৰ আৰু বৰাক উভয় উপত্যকাৰ তুলনামূলকভাৱে উচ্চ শ্ৰেণীৰ মুছলমানসকলক প্ৰতিনিধিত্ব কৰিব পৰা ব্যক্তিত্ব তেওঁৰ আছিল আৰু অসমৰ খিলঞ্জীয়া মুছলমানসকলক প্ৰতিনিধিত্ব কৰিছিল।

কংগ্রেছৰ ব্ৰহ্মপুত্ৰ উপত্যকাত দপ্‌দপনি থাকিলেও সুৰমা উপত্যকাত মুছলিম লীগৰ আছিল প্ৰভূত জনপ্ৰিয়তা।

বৰদলৈৰ কংগ্রেছ সংযুক্ত মন্ত্রীসভা

১৯৩৮ চনৰ ছেপ্টেম্বৰত অসমত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্রেছ সংযুক্ত মন্ত্রীসভা গঠন হয়। কংগ্রেছ দলৰ সদস্যৰ লগতে সুৰমা উপত্যকাৰ মিলিত মুছলিম দল, সুৰমা উপত্যকাৰে স্বতন্ত্ৰ দল, অসম উপত্যকাৰ ট্ৰাইবেল সংঘৰ সদস্য অন্তৰ্ভুক্ত কৰি এই মন্ত্রীসভা গঠন কৰা হৈছিল। ১৯৩৮ চনৰ

মাটি থকা মানুহকে মাটি নোহোৱা বুলি ধৰা হ'ব আৰু আগতে সেই পৰিমাণতকৈ কম মাটি থকা মানুহক বাকীখিনি মাটি পাবলৈ অগ্ৰাধিকাৰ দিয়া হ'ব। এই নিয়ম স্থানীয় মানুহ বা ১৯৩৮ চনৰ ১ জানুৱাৰীৰ আগতে অহা পমুৱা লোকৰ ক্ষেত্ৰতো খাটিব। (খ) ১৫ আৰু ৩নং দফাত স্পষ্টকৈ ক'ব লাগিব যে মাটি বন্দৱস্তি আঁচনিমতে ট্ৰাইবেলসকলৰ কাৰণে তেওঁলোকৰ বসতি ঠাইতে অইন সম্প্ৰদায়ৰ বাবে কৰা 'ব্লক'বোৰৰ আশে-পাশে ব্লক গঠন কৰা হ'ব লাগিব। (গ) চৰকাৰী প্ৰস্তাৱৰ ১৮ (গ) দফাৰ প্ৰফেছনেল গ্ৰেজিং ৰিজাৰ্ভ সম্বন্ধীয় প্ৰস্তাৱৰ ১৯৩৮ চনৰ পিচত অহা পমুৱাবিলাকক মাটি দিয়া বিষয়ক কনফাৰেঞ্চৰ সন্মতিৰ বিৰোধিতা কৰা অংশ উঠাই দিব লাগিব। সংশোধিত প্ৰস্তাৱ আৰু দলপতিসকলৰ স্মাৰকপত্ৰমতে ব্যৱস্থা কৰিবলৈ আমি অনুৰোধ কৰোঁ যে ৰাজহ মন্ত্ৰী নিৰ্বাচন কৰিবলৈ আমাৰ সন্মতি লোৱা হ'ব পাৰে। (৪) পুনৰ্গঠিত পৰিষদে লোকেল ব'ৰ্ডৰ আসন বিতৰণত চৰকাৰৰ বিৰুদ্ধে হোৱা বহুল সমালোচনা অন্ত পেলাবলৈ পুনঃ বিবেচনা কৰিব। এই চৰ্তমতে মন্ত্ৰীসভা গঠন কৰিবলৈ ৰাজি হ'লে প্ৰধানমন্ত্ৰীক ১৯ মাৰ্চৰ ভিতৰত তাৰ এক ঘোষণা দিবলৈ কোৱা হয়। লগতে ২০ মাৰ্চৰ আগতে প্ৰধানমন্ত্ৰীৰ পদত্যাগ আৰু নতুন মন্ত্ৰীসভা গঠনৰ দিন ধাৰ্য কৰিবলৈ আহ্বান জনোৱা হয়।

১৯ মাৰ্চ ঃ অন্তৰীণ আদেশ ভংগ কৰা অপৰাধৰ বাবে দৰং জিলাৰ এডিছনেল ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেট মিঃ মাৰেই তেজপুৰৰ কংগ্ৰেছ নেতা কামাখ্যা প্ৰসাদ ত্ৰিপাঠীক এমাহ বিনাশ্ৰম ফাটেকৰ নিৰ্দেশ দিয়ে।

২২ মাৰ্চ ঃ প্ৰধানমন্ত্ৰী ছাৰ মহম্মদ ছাদুল্লা চাহাবে বিৰোধী দলৰ পৰা দিয়া চৰ্তকেইটা মানি লোৱা বুলি ঘোষণা আগবঢ়ায় আৰু সেই অনুসাৰে মন্ত্ৰীসভা সালসলনি কৰাৰ বাবে সিদ্ধান্ত লয়।

২৩ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদত নতুন মন্ত্ৰীসভাৰ বিভাগ নিম্নোক্ত ধৰণে বিতৰণ কৰা হয়—

(১) ছাৰ মহম্মদ ছাদুল্লা (প্ৰধানমন্ত্ৰী, স্বৰাষ্ট্ৰ আৰু যোগনীয়া বিভাগ)

২১ ছেপ্টেম্বৰত গোপীনাথ বৰদলৈ আৰু আন চাৰিজন মন্ত্ৰীয়ে শপত গ্ৰহণ কৰে আৰু ইয়াৰ তিনি দিনৰ পিচতে অৰ্থাৎ ২৪ ছেপ্টেম্বৰত ছাদুল্লাৰ নেতৃত্বত ৫৬জনীয়া অসম মিলিত দল গঠন হয়। ইউৰোপীয় গোট আৰু অন্যান্য সদস্য মিলি গঠিত এই দলটোৱে কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন হোৱাৰ দিন ধৰি চৰকাৰখনক শ'লঠেকত পেলাবলৈ চেষ্টা কৰিছিল আৰু ৮ ডিচেম্বৰৰ দিনা বৰদলৈ মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱত নতুন মন্ত্ৰীসভাখন চাৰিটা ভোটত (৫৪ ঃ ৫০) নিজিকালৈকে বিধানসভাৰ পৰিস্থিতি উত্তেজিত হৈয়ে থাকিল।

ছাদুল্লা নেতৃত্বাধীন গোটটোৱে বৰদলৈ মন্ত্ৰীসভাখন অস্থিৰ কৰিবলৈ বাৰম্বাৰ চেষ্টা কৰি থাকিল যদিও ১৯৩৯ চনৰ ১৬ নৱেম্বৰত স্বইচ্ছাৰে মন্ত্ৰীসভাই ইস্তফা নিদিয়াপৰ্যন্ত চৰকাৰখন শক্তিশালী ৰূপত টিকি থাকিল। এই সময়ছোৱাত চৰকাৰৰ বিৰুদ্ধে কেইবাবাৰো অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হ'ল যদিও বিৰোধী তেওঁলোকৰ প্ৰচেষ্টাত সফল হ'ব নোৱাৰিলে। ১৪ মহীয়া কাৰ্যকালত বৰদলৈ মন্ত্ৰীসভাই কেইটামান গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছিল। এনে পদক্ষেপসমূহ হ'ল ১৯৩৯-৪০ বৰ্ষৰ বাবে মাটিৰ খাজনা ক্ষুদ্ৰ পৰ্যায়ত মাটিৰ পট্টাধাৰীসকলৰ বাবে ৫০ শতাংশ হ্ৰাস আৰু বৃহৎ পৰিসৰৰ মাটিৰ পট্টাদাৰসকলৰ ক্ষেত্ৰত ২০-৩০ শতাংশ হ্ৰাস কৰা; নতুন শাসনতন্ত্ৰ ধ্বংস কৰি পূৰ্ণ স্বাধীনতালৈ বাট মুকলি কৰা, মন্ত্ৰী আৰু অধ্যক্ষৰ বেতন হ্ৰাস, দ্বিতীয় পৰিষদ বাতিল কৰা, সকলোপ্ৰকাৰৰ অনাৱশ্যকীয় ব্যয় হ্ৰাস আদি। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে অসমত থকা ইউৰোপীয় চাহ খেতিয়কসকলৰ ৰাজনৈতিক প্ৰতিপত্তি বৃদ্ধিৰ বাবে লণ্ডনৰ হাউছ অব কমন্‌ছৰ লেখীয়াকৈ এখন পৰিষদ প্ৰতিষ্ঠাৰ যো-জা ১৯৩৫ চনতে আৰম্ভ হৈছিল।

বৰদলৈ মন্ত্ৰীসভাই ইয়াৰ শাসনকালছোৱাত ভালেমান প্ৰত্যাহ্বান গ্ৰহণ কৰিব লগা হৈছিল আৰু এই সময়ছোৱাত ডিগবৈত হোৱা শ্ৰমিক ধৰ্মঘটে

(২) খান বাহাদুৰ ছৈয়দুৰ ৰহমান (শিক্ষা)

(৩) মিঃ মুনৱাৰ আলী (জংঘলী)

(৪) মিঃ আব্দুল মতিন চৌধুৰী (পুনৰ্গঠন, গড়কাপ্তানী)

(৫) খান চাহেব মুদাববীৰ হুছেইন চৌধুৰী (দেশৰক্ষা, চিকিৎসা, জনস্বাস্থ্য)

(৬) ৰোহিণী কুমাৰ চৌধুৰী (ৰাজহ, বিচাৰ, জে'ল)

(৭) বৈদ্যনাথ মুখাৰ্জী (অৰ্থ, যান-বাহন, প্ৰচাৰ)

(৮) অক্ষয় কুমাৰ দাস (শিল্প, সমবায়)

(৯) সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই (আবকাৰী, শ্ৰম আৰু স্বায়ত্ত শাসন)

(১০) ৰূপনাথ ব্ৰহ্ম (কৃষি, পশু-চিকিৎসা)

২৭ মাৰ্চ ঃ অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ ভূতপূৰ্ব সভাপতি বিষ্ণুৰাম মেধি, ভূতপূৰ্ব ৰাজহ মন্ত্ৰী ফখৰুদ্দিন আলী আহমদক তেজপুৰ জে'লৰ পৰা মুক্তি দিয়া হয়। ১৯৪২ চনৰ ৯ আগষ্ট তাৰিখৰ পৰা তেখেতসকল ছিকিউৰিটী বন্দী হৈ গুৱাহাটী, যোৰহাট আৰু তেজপুৰ জে'লত আছিল। একেদৰে আজি নিশা তেজপুৰ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি অমিয় কুমাৰ দাসক গুৱাহাটী জে'লৰ পৰা মোকলাই দিয়া হয়।

● অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় বিচাৰি অসম কাউঞ্চিলত প্ৰস্তাৱ গৃহীত ঃ

অসম কাউঞ্চিলত যোগেন্দ্ৰ নাথ গোহাঁইদেৱে অতি সোনকালে অসমৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয় পাতিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰি এটি প্ৰস্তাৱ দাঙি ধৰে। প্ৰস্তাৱটো সমৰ্থন কৰিছিল সত্যেন্দ্ৰ মোহন লাহিড়ীয়ে। খান চাহেব আব্দুৰ ৰহিম চৌধুৰীয়ে গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপন হ'লে আৰু সুৰমা উপত্যকাক তাৰ অন্তৰ্ভুক্ত কৰিলে সেই উপত্যকাৰ জনগণে সমৰ্থন কৰিব নোৱাৰিব বুলি কয়। তাৰ উত্তৰত শৰৎ চন্দ্ৰ ভট্টাচাৰ্যই বিশ্ববিদ্যালয় কনভেনছনৰ অভ্যৰ্থনা সমিতিৰ চেয়াৰমেন ৰোহিণী কুমাৰ চৌধুৰী ডাঙৰীয়াৰ বক্তৃতাৰ পৰা মাতি শুনাই দেখুৱায় যে বঙালী ভাষাভাষী অঞ্চলবিলাকে কলিকতা বিশ্ববিদ্যালয়ৰ লগত সম্পৰ্ক ৰাখিবলৈ ইচ্ছা কৰিলে

গোটেই মন্ত্রীসভাখনক অস্থিৰতাৰ মাজলৈ ঠেলি দিয়াত বাৰুকৈয়ে অৰদান যোগাইছিল। ১৯৩৯ চনৰ ১৮ এপ্রিলত ডিগবৈৰ শ্রমিকৰ ওপৰত হোৱা গুলীচালনাৰ ফলত তিনিজন শ্রমিকৰ মৃত্যু হৈছিল আৰু ঘটনাৰ এক নিৰপেক্ষ ন্যায়িক তদন্ত কেৱল শ্রমিক সংগঠনবোৰেই নহয় খোদ বৰদলৈয়েও কামনা কৰিছিল।

সি যি নহওক, ৱাৰ্ধাত বহা কংগ্রেছ কার্যনির্বাহক কমিটীৰ সিদ্ধান্ত কার্যকৰী কৰিবৰ বাবে সমগ্র দেশৰে কংগ্রেছ বা কংগ্রেছ সংযুক্ত মন্ত্রীসভাবোৰে ইস্তফা দিয়াৰ প্রস্তুতি চলাইছিল। এইক্ষেত্রত মন্ত্রীসভাবোৰে বিধানসভাবোৰত ইস্তফা দিয়াৰ ক্ষেত্রত ৱর্কিং কমিটীয়ে লৈ যোৱা প্রস্তাৱটোক আধাৰ ৰূপে লৈ বিবৃতি দিয়াৰ কথা আছিল যদিও কেন্দ্রীয় কংগ্রেছ আৰু বৰলাটৰ মাজত আলোচনা চলি থকাত প্রস্তাৱটোৰ ভিত্তিত কোনো কার্য গ্রহণ নকৰিবলৈ কেন্দ্রীয় সংসদীয় উপ-সমিতিৰ সভাপতি চৰ্দাৰ বল্লভভাই পেটেলে প্রদেশসমূহৰ কংগ্রেছ মন্ত্রীসভাসমূহক সকীয়াই থাকিব লগা হৈছিল। ফলত বৰদলৈ মন্ত্রীসভাৰ ইস্তফাৰ দিনটো পিচুৱাই নিব লগা হৈছিল।

এইখিনিতে অসমত ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি গঠন হোৱা চৰকাৰসমূহৰ এক সংক্ষিপ্ত ইতিহাস চমুকৈ উল্লেখ কৰা হ'ল। অসমত অনুষ্ঠিত সৰ্বপ্ৰথম নিৰ্বাচনত কংগ্ৰেছে সৰ্বমুঠ ১০৮খন আসনৰ ভিতৰত ৩৩খন আসন লাভ কৰিছিল। মুছলিম সদস্য ৩৪জন, ১১জন ইংৰাজ সদস্য আৰু অন্যান্য বিশেষকৈ ৰোহিণী কুমাৰ চৌধুৰীৰ সমর্থনত ছাৰ চৈয়দ মহম্মদ ছাদুল্লাই অসমৰ প্রথম প্রধানমন্ত্রী হিচাপে ১৯৩৭ চনৰ ১ এপ্রিলত চৰকাৰ গঠন কৰে। ১৯৩৮ চনৰ ৪ ফেব্রুৱাৰীত ছাদুল্লাই প্রধানমন্ত্রী পদৰ পৰা ইস্তফা দি ৫ ফেব্রুৱাৰীত মন্ত্রীসভা নকৈ গঠন কৰে। এই দ্বিতীয় মন্ত্রীসভাত মুছলিম লীগৰ আব্দুল মতিন চৌধুৰী আৰু মনৱাৰ আলীৰ লগতে ৰোহিণী কুমাৰ চৌধুৰী, নিকল্‌ছ ৰয় আৰু অক্ষয় কুমাৰ

তাত হকা-বধা কৰা নহ'ব। প্ৰস্তাৱটো বিনাভোটে আৰু সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

১৩ মাৰ্চ ঃ গুৱাহাটীত জাতীয় সপ্তাহৰ শেষ দিন জালিয়ানৱালা দিৱস মহাসমাৰোহেৰে পালন কৰা হয়। সভাপতিৰ আসন গ্ৰহণ কৰে প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মহম্মদ তৈয়বুল্লা চাহেবে।

১৪ মাৰ্চ ঃ ছাত্ৰ ইউনিয়নৰ কৰ্মীসকলে ৰাজনৈতিক নিৰ্যাতিতসকলৰ সাহায্য ভাণ্ডাৰৰ কাৰণে টকা তোলে।

● অসম সম্পাদক আৰু সাংবাদিক সন্মিলন ঃ

গুৱাহাটীত অসম সম্পাদক আৰু সাংবাদিক সন্মিলন আৰম্ভ হয়। সন্মিলনীখন উদ্বোধনী কৰি ফখৰুদ্দিন আলী আহমেদে দেশত বাতৰিকাকতৰ স্বাধীনতা এদিন প্ৰতিষ্ঠা হ'ব বুলি দৃঢ়তাৰে কয়। সন্মিলনীত সভাপতিত্ব কৰে 'অসমীয়া'ৰ ভূতপূৰ্ব সম্পাদক হৰেন্দ্ৰনাথ বৰুৱাই। সভাত 'বাঁহী'ৰ সম্পাদক মাধৱ চন্দ্ৰ বেজবৰুৱাদেৱে নিখিল ভাৰত সম্পাদক সন্মিলনৰ ষ্টেণ্ডিং কমিটীত অসমীয়া প্ৰতিনিধি এজন ল'বৰ কাৰণে কৰা যত্নৰ এটি বিৱৰণী দিয়ে। অভ্যৰ্থনা সমিতিৰ সভাপতি 'অসমীয়া'ৰ সম্পাদক দেৱকান্ত বৰুৱাদেৱে অসমত বাতৰিকাকত চলোৱাত অসুবিধা আৰু চৰকাৰৰ বাধা-নিষেধৰ বিষয়ে কয়। অসম চৰকাৰে বাতৰিকাকতৰ প্ৰতি থকা আওহেলাৰ কথা উল্লেখ কৰি বৰুৱাই কয় যে চৰকাৰৰ প্ৰচাৰ বিভাগৰ হতুৱাই বাহি খবৰ কেতবোৰ যোগান দিয়াৰ বাহিৰে তেওঁলোকৰ নীতি বা শাসন কাৰ্যৰ বিষয়ে একো শুংসূত্ৰ বাতৰিকাকত বিলাকক জানিব নিদিয়ে। অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে অসমৰ দৰে স্বায়ত্তশাসিত প্ৰদেশ এখনত এখন দৈনিক বাতৰিকাকত নোহোৱাটো অসমীয়া জাতিৰ কলংকৰ কথা বুলি কয়। সন্মিলনে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে আৰু তলত নাম দিয়া সদস্যসকলৰ এখন ষ্টেণ্ডিং কমিটী নিৰ্বাচন কৰে— লক্ষ্মীনাথ ফুকন (সভাপতি), দেৱকান্ত বৰুৱা আৰু হৰেন্দ্ৰ নাথ বৰুৱা (সহকাৰী সভাপতিদ্বয়) অম্বিকাগিৰী ৰায়চৌধুৰী, মাধৱচন্দ্ৰ বেজবৰুৱা, গৌৰীশংকৰ

দাসক অন্তৰ্ভুক্ত কৰা হৈছিল।

১৯৩৮ চনৰ ১২ ছেপ্টেম্বৰত ছাদুল্লা মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনা হয় আৰু প্ৰস্তাৱটোৰ বিতৰ্ক আৰম্ভ হোৱাৰ আগতে ছাদুল্লাই ৰাজ্যপালৰ ওচৰত পদত্যাগপত্ৰ দাখিল কৰে। গোপীনাথ বৰদলৈ নেতৃত্বত কংগ্ৰেছ সংযুক্ত মৰ্চাৰ মন্ত্ৰীসভা ১৯ ছেপ্টেম্বৰত গঠন হয় আৰু এই মন্ত্ৰীসভা ১৯৩৯ চনৰ ১৬ নৱেম্বৰলৈ টিকি থাকে।

বৰদলৈ মন্ত্ৰীসভাই ১৬ নৱেম্বৰত ইস্তফা দিয়াৰ পিচত ১৯৩৯ চনৰ ১৭ নৱেম্বৰত তৃতীয়বাৰৰ বাবে ছাদুল্লাৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হয়। এই মন্ত্ৰীসভাত ৰূপনাথ ব্ৰহ্মৰ লেখীয়া জনজাতীয় নেতাৰো অন্তৰ্ভুক্তি ঘটিছিল। ১৯৪১ চনৰ ডিচেম্বৰত যুদ্ধ পুঁজি সংগ্ৰহক লৈ কটন কলেজ ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু ছাত্ৰৰ এই প্ৰতিবাদক চৰকাৰে নিষ্ঠুৰভাৱে দমন কৰিছিল। ছাত্ৰৰ ওপৰত কৰা লাঠীচালনাক লৈ চৰকাৰৰ মাজত পুনৰ সংকটৰ সৃষ্টি হয় আৰু কংগ্ৰেছৰ সমৰ্থনত ৰোহিণী কুমাৰ চৌধুৰীৰ নেতৃত্বত মন্ত্ৰীসভা গঠনৰ যো-জা চলে। ইয়াকে লৈ কংগ্ৰেছৰ ভিতৰত এক দলীয় কন্দলৰ সূত্ৰপাত ঘটিবলৈ আৰম্ভ কৰে। ১২ ডিচেম্বৰত ছাদুল্লাই ৰাজ্যপাল ৰবাৰ্ট নীল ৰেইডৰ হাতত পদত্যাগ দাখিল কৰাত এক সাংবিধানিক অচলাৱস্থাৰ সৃষ্টি হয়। ১৮ ডিচেম্বৰত বৰদলৈক মন্ত্ৰীসভা গঠনৰ বাবে আহ্বান জনোৱা হৈছিল যদিও যুদ্ধ সম্পৰ্কত কংগ্ৰেছৰ স্থিতিৰ ক্ষেত্ৰত ব্ৰিটিছে সমৰ্থন নিদিয়াৰ পৰিপ্ৰেক্ষিতত তেওঁ সেই আহ্বান স্বীকাৰ নকৰিলে। ৰোহিণী কুমাৰ চৌধুৰীৰ নেতৃত্বত যদি এখন বিকল্প চৰকাৰ গঢ়ি উঠে তেন্তে তাৰ প্ৰতি সমৰ্থন জনাব বুলি বৰদলৈয়ে মত প্ৰকাশ কৰিলে। অৱশ্যে এই সমৰ্থন যুদ্ধৰ প্ৰতি সমৰ্থন নহয় বুলি তেওঁ সতৰ্ক কৰি দিয়ে। অৱশেষত এখন বিকল্প চৰকাৰ গঢ়াৰ সম্ভাৱনা নাকচ কৰি ১৯৪১ চনৰ ২৫ ডিচেম্বৰত ভাৰত চৰকাৰ আইনৰ ৯৩ অনুচ্ছেদ অনুসৰি অসমত ৰাজ্যপালৰ শাসন প্ৰৱৰ্তন কৰা হয়।

১৯৪২ চনৰ ৮ আগষ্টত জাতীয় কংগ্ৰেছৰ বোম্বাই অধিৱেশনত

ভট্টাচাৰ্য, চক্ৰেশ্বৰ ভট্টাচাৰ্য, ইন্দুভূষণ চক্ৰৱৰ্তী, সতীশচন্দ্ৰ কাকতী (সম্পাদক)। সভাত গোপীনাথ বৰদলৈ, ডাঃ হৰিকৃষ্ণ দাস, গৌৰীকান্ত তালুকদাৰ, তৰুণ কুমাৰ আগৰৱালা, বিৰিঞ্চি কুমাৰ বৰুৱা, ডাঃ ঘনশ্যাম দাস আদি নিমন্ত্ৰিতসকলৰ লগতে কৃষ্ণনাথ ভূঞা (সম্পাদক, ভৱিষ্যত অসম), প্ৰভাত চন্দ্ৰ বৰুৱা (অসমীয়া), চক্ৰেশ্বৰ ভট্টা চাৰ্য (সম্পাদক, জয়ন্তী), ৰমেশ চন্দ্ৰ চাংকাকতী (ষ্টেটছমেন), মহেশ চন্দ্ৰ দেৱগোস্বামী (অসমীয়া), নিৰণ ভূঞা (সহকাৰী সম্পাদক, অসমীয়া), সতীশ চন্দ্ৰ কাকতী (হিন্দুস্থান ষ্টেণ্ডাৰ্ড আৰু আনন্দ বাজাৰ), গৌৰীশংকৰ ভট্টাচাৰ্য (আছাম ট্ৰিবিউন), মহেশ্বৰ নেওগ প্ৰভৃতি সংবাদজগতৰ প্ৰতিনিধিবৰ্গ উপস্থিত আছিল।

২৩ মাৰ্চ ঃ পঞ্চম ছাদুল্লা মন্ত্ৰীসভা গঠন।

২১ জুলাই ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মাদেৱে ৯ আগষ্টত অসমত 'আগষ্ট দিৱস' পালন কৰিবলৈ আহ্বান জনায়।

৩০ জুলাই ঃ দুৰ্নীতি তদন্ত কমিটী গঠন ঃ তেজপুৰ মিউনিচিপাল ব'ৰ্ডৰ সভাপতি বাবু সুৰেন্দ্ৰ কুমাৰ বসুৰ সভাপতিত্বত তেজপুৰ টাউন হলত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। চোৰাং বজাৰ, দুৰ্নীতি, খাদ্যবস্তুৰ দুষ্প্ৰাপ্যতা, কাপোৰ বিতৰণত বেমেজালি আদিৰ প্ৰতিকাৰৰ কাৰণে সভাত আলোচনা হয়। বিজয় চন্দ্ৰ ভাগৱতীদেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। মহাদেৱ শৰ্মা আৰু অন্নদাকুমাৰ পদ্মপতি ডাঙৰীয়াই চাকৰিয়ালসকলৰ কামৰ তীব্ৰ সমালোচনা কৰি একোটি বক্তৃতা দিয়ে। সভাত চৰকাৰৰ একচেতীয়া কাৰবাৰ দিয়া নীতিৰ কঠোৰ সমালোচনা কৰা হয়। পাঁচিশ হেজাৰ মোন পোকে খোৱা চাউল ষ্টীল ব্ৰাদাৰ্ছে মিলত কাঁৰি বজাৰত উলিয়াবৰ ব্যৱস্থা কৰা আৰু ৰঙাপৰা ষ্টেচনত বিড়িৰ বাকচত চোৰাং কাপোৰ ধৰা পৰা ঘটনাক লৈ সভাত চাঞ্চল্যৰ সৃষ্টি হয়। সভাই এই কাৰ্যৰ নিন্দা কৰি চাউলখিনি বজাৰত চলোৱা বন্ধ কৰিবলৈ চৰকাৰক দাবী কৰে। সভাই সৰ্বসম্মতিক্ৰমে চোৰাং বজাৰ আৰু

ঐতিহাসিক 'ভাৰত ত্যাগ' (Quit India) প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু গান্ধীজীয়ে দেশবাসীৰ উদ্দেশ্যে এই মন্ত্ৰ ঘোষণা কৰে— 'কৰিম নহ'লে মৰিম' (কৰেংগে য়া মৰেংগে)। 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগে লগে ব্ৰিটিছ চৰকাৰ সক্ৰিয় হৈ উঠিল আৰু প্ৰস্তাৱ গ্ৰহণৰ পৰৱৰ্তী দিনাখন অৰ্থাৎ ৯ আগষ্টত মহাত্মা গান্ধী আৰু বহু কংগ্ৰেছ নেতাক কাৰাৰুদ্ধ কৰা হ'ল। আন্দোলনটো মষিমূৰ কৰি দিয়াৰ স্বাৰ্থত কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰা হ'ল।

ইপিনে ধুবুৰীৰ ৰে'ল ষ্টেচনত গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক গ্ৰেপ্তাৰ কৰা হয়। অসমৰ সকলো বিশিষ্ট কংগ্ৰেছ নেতাক কাৰাৰুদ্ধ কৰাৰ পিচত ছাদুল্লাৰ নেতৃত্বত মন্ত্ৰীসভা গঠনৰ সুবিধা হোৱাত ১৯৪২ চনৰ ২৫ আগষ্টত ৰাজ্যপালে ৯৩ ধাৰা উঠাই লয়। কংগ্ৰেছ নেতাসকলক আটক কৰাৰ পিচত ভাৰত ত্যাগ আন্দোলনটো হিংসাত্মক হৈ উঠিল আৰু এই হিংসাৰ প্ৰভাৱ দেশৰ সকলো প্ৰান্ততে বিয়পিল। একেদৰে চৰকাৰৰ দমন নীতিয়েও চূড়ান্ত পৰ্যায় পালেগৈ। চৰকাৰে বিক্ষোভকাৰীসকলক স্তব্ধ কৰিবলৈ মুঠ ৫৩৮-বাৰ পুলিচ আৰু সৈন্যবাহিনীক গুলীবৰ্ষণৰ আদেশ দিব লগা হৈছিল। ৯০০তকৈও অধিক বিক্ষোভকাৰী নিহত হৈছিল।

অসমতো হিংসাৰ প্ৰাবল্য দেশৰ বেলেগ অঞ্চলতকৈও পৃথক নাছিল। নগাঁও জিলাত আগষ্টৰ দ্বিতীয় পষেকত তিনি ঠাইত ৰে'ললাইন উঠোৱা হৈছিল। দুজনকৈ অৰ্ধসামৰিক বাহিনীৰ বিষয়াক আক্ৰমণ কৰাৰ লগতে কেইবাখনো সুৰা বিপণী, কঠীয়াতলী পৰিদৰ্শন বঙলা আৰু ৰহাৰ মণ্ডল কাৰ্যালয় জ্বলাই দিয়া হয়। অসমৰ আন আন জিলাতো এনেধৰণৰ হিংসাত্মক কাৰ্য বিয়পি পৰে। গোৱালপাৰাত এখন মালবাহী ৰে'লত লুণ্ঠন চলোৱা হয় আৰু কামৰূপ জিলাৰ পলাশবাৰীত সৈন্যবাহিনীৰ এটা মালখানাত অগ্নিসংযোগ কৰা হয়।

১৯৪২ চনৰ ২৬ আগষ্টত সৰভোগৰ ছপনাত নিৰ্মাণ কৰি থকা এটি

দুৰ্নীতি তদন্ত কৰিবলৈ আৰু খোৱা-পিন্ধা বস্তুৰ সমস্যালৈ চকু ৰাখিবৰ কাৰণে দুখন কমিটী গঠনৰ সিদ্ধান্ত কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ বাহিৰেও সভাই আৰু ভালেমান প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰ কেইটামান হ'ল—

(১) যুদ্ধৰ সংকটত বিতৰণ কাৰ্যত কৃতিত্ব দেখুওৱা সমবায় দোকানবিলাকক চৰকাৰে এতিয়া বস্তুৰ যোগান নিদি পংগু কৰাৰ প্ৰতিবাদ কৰি সভাই দোকানবিলাকক কাপোৰ আৰু আন বস্তু যথেষ্ট পৰিমাণে দিবলৈ দাবী কৰে।

(২) কাপোৰ আৰু খাদ্যবস্তু বিতৰণৰ কমিটীবিলাকত খৰিদ্দাৰ আৰু ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি ল'বলৈ চৰকাৰৰ ওচৰত দাবী কৰে।

(৩) সভাই দাবী কৰে যে মালবস্তুবিলাক কোনো ব্যক্তি বিশেষ বা ফাৰ্মৰ গুদামত নাৰাখি চৰকাৰৰ নিজৰ জিম্মা আৰু তত্বাৱধানত ৰাখিব লাগে আৰু বস্তুবিলাক ৰাইজৰ প্ৰতিনিধি থকা এখন কমিটীয়ে পৰীক্ষা কৰাৰ অধিকাৰ থাকিব লাগে।

(৪) ৰাজহুৱা প্ৰতিষ্ঠানৰ সহায়ত চৰকাৰে সৰ্বসাধাৰণ খেতিয়ক বনুৱা ৰাইজৰ অভাৱ-অভিযোগ জানিব আৰু তাৰ প্ৰতিকাৰ কৰিব লাগে ইত্যাদি।

৯ আগষ্ট ঃ কংগ্ৰেছ সভাপতি মৌলানা আজাদৰ নিৰ্দেশমতে গুৱাহাটীত যথানিয়মে ৯ আগষ্টৰ দিন পালন কৰা হয়। পুৱা কংগ্ৰেছ কৰ্মী, ছাত্ৰ আৰু মহিলাসকলে মিলি জুবিলী গাৰ্ডেনত তিনিবৰণীয়া জাতীয় পতাকা উত্তোলন কৰে। নগৰৰ ঘাই আলিবিলাকেদি এটা ডাঙৰ শোভাযাত্ৰা উলিওৱা হয়। আবেলি গুৱাহাটী কংগ্ৰেছ কমিটী আৰু সদৌ অসম ছাত্ৰ ইউনিয়নৰ উদ্যোগত গৌৰীকান্ত তালুকদাৰৰ সভাপতিত্বত জুবিলী গাৰ্ডেনত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়।

১১ আগষ্ট ঃ ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু ঃ

আজি নিশা ৯ বজাত গুৱাহাটীত ডাঃ ভুবনেশ্বৰ বৰুৱাৰ ঘৰত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ভূতপূৰ্ব সভাপতি হেমচন্দ্ৰ বৰুৱাৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ। ১৮৯৪ চনত তেজপুৰত জন্মগ্ৰহণ

বিমানকোঠ ধ্বংস কৰা হয়। ইয়াৰ নেতৃত্ব লৈছিল ব্ৰজনাথ শৰ্মাই। উত্তেজিত জনতাই এটা সামৰিক অভিযান্ত্ৰিক কাৰ্যালয়, এটা ডাকঘৰ তথা টেলিগ্ৰাফ কাৰ্যালয় আৰু এটা পৰিদৰ্শন বঙলা জ্বলাই দিয়ে। ১৯৪২ চনৰ ২৪ নৱেম্বৰত কামৰূপ জিলাৰ পানীখাইতী আৰু পাণবাৰীৰ মাজত সৈন্য কঢ়িয়াই নিয়া এখন ৰে'ল লাইনচ্যুত কৰা হয়। এই ঘটনাত ৰে'লখনৰ চালক, ফায়াৰমেন আৰু চাৰিজন সৈন্য নিহত হয় আৰু ৪১জন লোক আহত হয়। সুৰমা উপত্যকাৰ বিভিন্ন প্ৰান্ত, শিৱসাগৰ, গোলাঘাট আদিতো হিংসাৰ প্ৰাবল্য আছিল অতি তীব্ৰ। ব্ৰিটিছ চৰকাৰে এনে হিংসাত্মক কাৰ্যক নিষ্ঠুৰভাৱে দমন কৰিছিল। ঢেকীয়াজুলি আৰু গহপুৰত সত্যাগ্ৰহীৰ ওপৰত আৰক্ষীয়ে চলোৱা গুলীচালনাৰ ঘটনাত ঢেকীয়াজুলিত ১৩জন আৰু গহপুৰত দুজনৰ মৃত্যু ঘটিছিল। গহপুৰত পুলিচৰ গুলীত কনকলতা বৰুৱা নামৰ এগৰাকী ১৫ বছৰীয়া কিশোৰীৰ মৃত্যু ঘটিছিল। বৰপেটা মহকুমাৰ পাটাছাৰকুছি, গোৱালপাৰাৰ ফকিৰাগ্ৰাম আদিতো পুলিচৰ গুলীত আন্দোলনকাৰীৰ মৃত্যু ঘটিছিল। কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে আৰক্ষীৰ গুলীত ২৭জন লোকৰ মৃত্যু হৈছিল। তিনি হাজাৰ লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। হিংসাত্মক কাৰ্যত জড়িত থকাৰ অপৰাধত চাৰিজনক ফাঁচি দিয়া হৈছিল আৰু তাৰে ভিতৰত আছিল ১৯৪২ চনৰ ১০ অক্টোবৰত সৰুপথাৰৰ ৰে'লগাড়ী বগৰোৱা ঘটনাত জড়িতৰ অপৰাধত অভিযুক্ত কুশল কোঁৱৰ।

অসমত জাপানী আক্ৰমণৰ সম্ভাৱনা

১৯৪১ চনৰ ডিচেম্বৰত জাপানে জাৰ্মানীৰ পক্ষত স্থান লৈ দ্বিতীয় মহাসমৰত অৱতীৰ্ণ হয় আৰু আকস্মিকভাৱে আমেৰিকাৰ পাৰ্ল হাৰ্বাৰ আক্ৰমণ কৰে। চীনক যুদ্ধত সহায় কৰাৰ স্বাৰ্থত ব্ৰিটিছে অসমত যুদ্ধৰ ঘাটি পতা বিষয়টোৱে গোপীনাথ বৰদলৈৰ নিচিনা নেতাক চিন্তান্বিত কৰি তুলিছিল আৰু অসম আৰু পূব এছিয়াৰ মাজত যোগাযোগ স্থাপনৰ বিষয়টোৱে অঞ্চলটোৰ নিৰাপত্তা দুৰ্বল কৰিব বুলি তেওঁ ভয় খাইছিল।

কৰা বৰুৱাই তেজপুৰ হাইস্কুলত ছাত্ৰ জীৱন আৰম্ভ কৰে আৰু ১৯১৫ চনত বৰপেটা হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা ১৯১৯ চনত ইংৰাজীত অনাৰ্চ লৈ বি এ পাছ কৰি ল কলেজত নাম লগায়। তেখেতে কটন কলেজ ইউনিয়নৰ আৰ অসম ছাত্ৰ সন্মিলনৰো সম্পাদক আছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি তেখেতে পাঁচ মাহকাল সশ্ৰম কাৰাদণ্ড লাভ কৰে। ১৯২৬ চনত বৰুৱাদেৱে বি এল পৰীক্ষা পাছ কৰি গুৱাহাটীত ওকালতি আৰম্ভ কৰে। অমিয় কুমাৰ দাসৰে সৈতে তেখেত পাণ্ডু কংগ্ৰেছৰ প্ৰচাৰ বিভাগৰ সম্পাদক আছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনৰ সময়ছোৱাত অসমৰ মুখিয়াল নেতাসকলে আন্দোলনত যোগ দিবলৈ অমান্তি হোৱাত বিষ্ণুৰাম মেধিদেৱৰ সভাপতিত্বত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী গঠন কৰি বৰুৱাদেৱে অসমীয়া ডেকাসকলক সংগ্ৰামৰ কাৰণে আহ্বান জনায়। আইন অমান্য আন্দোলনৰ এগৰাকী মূল হোতা বৰুৱাক গ্ৰেপ্তাৰ কৰা হৈছিল যদিও প্ৰমাণৰ অভাৱত তেখেতক মুক্তি দিয়া হৈছিল। ১৯৩৩ চনত ব্যক্তিগত আইন অমান্য আন্দোলনত কানিৰ দোকানত পিকেটিং কৰিবলৈ এখন চাৰ্কুলাৰ দিয়া অপৰাধত তেখেতৰ ১৮ মাহ কাৰাদণ্ড হয়। ১৯৩০ চনত জুলাই মাহত জে'লৰ পৰা মুক্তি পায় আৰু অসম প্ৰাদেশিক কংগ্ৰেছৰ দায়িত্ব লয়। অসমত কংগ্ৰেছৰ অনুষ্ঠান সাৱলীল কৰাত অহোপুৰুষাৰ্থ কৰা বৰুৱাদেৱে ১৯৩১ চনত শিৱসাগৰৰ দিখৌ নৈৰ গৰাৰ পৰা পৰি কঁকালত বৰ দুখ পায়। এই ঘটনাৰ পিচৰে পৰা তেওঁৰ স্বাস্থ্য ভাগি পৰে আৰু ভগ্নস্বাস্থ্যৰ কাৰণে ১৯৪০ চনত গান্ধীজীয়ে তেখেতক সত্যাগ্ৰহ কৰিবলৈ নিদিলে। ১৯৪১ চনত তেখেতৰ পিঠিত নাৰেঙা হৈ অস্ত্ৰোপচাৰ কৰিবলগীয়া হয়। ১৯৪২ চনৰ ৯ আগষ্টত মুখিয়াল নেতাসকলক গ্ৰেপ্তাৰ কৰাত নৰিয়া দেহাৰেই অসম কংগ্ৰেছৰ গুৰুভাৰ তেখেতে ল'বলগীয়া হৈছিল।

বাৰ্মা আৰু মণিপুৰৰ পথেদি সৈন্য আৰু সামগ্ৰী ব্ৰহ্মদেশলৈ পঠিওৱা ব্ৰিটিছৰ পৰিকল্পনাটোৰ প্ৰতি শংকা প্ৰকাশ কৰি বৰদলৈয়ে ব্ৰিটিছৰ এই সকলো পথ নিৰ্মাণকাৰ্যই জাপানক অসম আক্ৰমণ কৰিবলৈ উচটাব বুলি যুক্তি দৰ্শাইছিল।

১৯৪২ চনৰ ৭ মাৰ্চত ৰেংগুন জাপানৰ হাতত পৰাত হাজাৰ হাজাৰ লোক ব্ৰহ্মদেশৰ পৰা পলাই অসমৰ মাজেৰে ভাৰতৰ বিভিন্ন ঠাইলৈ গতি কৰিবলৈ ধৰিলে। ইতিমধ্যে পমুৱাৰ আগ্ৰাসনত জৰ্জৰিত অসমবাসীৰ মনত এই কাৰ্যই অধিক শংকাৰ জন্ম দিবলৈ আৰম্ভ কৰে। অসমৰ বিভিন্ন স্থানত জাপান সমৰ্থিত সুভাষ বসুৰ আই এন এৰ এক স্থিতি গঢ় লৈ উঠিছিল যদিও সুভাষ বসুৱে অৱলম্বন কৰা পন্থাক লৈ কংগ্ৰেছ বহুধাবিভক্ত হৈ পৰিছিল। সুভাষ বসুৰ প্ৰতি গভীৰ শ্ৰদ্ধা পোষণ কৰি ৰখা গোপীনাথ বৰদলৈৰ বাবে মহাত্মা গান্ধীৰ স্থিতিও আছিল অধিক আদৰণীয়। কংগ্ৰেছ ছ'চিয়েলিষ্টসকলে বৰদলৈৰ স্থিতিক নামানিলে যদিও বৰদলৈয়ে দৃঢ়তাৰে দোহাৰি থাকিল যে দেশখনক জাপানীৰ চাতুৰিৰ বলি হ'বলৈ এৰি দিব নোৱাৰি। তদুপৰি জাপানৰ নিচিনা এখন দেশৰ সাহায্যত ভাৰতবৰ্ষক স্বাধীন কৰিব বিচৰাটোও এক অমূলক ধাৰণা বুলি বৰদলৈয়ে গণ্য কৰিছিল। এইক্ষেত্ৰত গান্ধীজীয়ে কৈছিল— 'জাপানে ভাৰতীয়ক দিয়া স্বাধীনতাৰ প্ৰস্তাৱটোৰ কোনো সততা নাই। মই নিজে ইয়াক একেবাৰে বিশ্বাস নকৰোঁ। যদি মই তেওঁলোকৰ প্ৰস্তাৱত কণমানো সততা দেখিলোঁহয় মই ৰাজহুৱাভাৱেই তেওঁলোকৰ পক্ষ ল'লোঁহয়।'

১৯৪৪ চনৰ জুলাইৰ আদিভাগত জাপানী সৈন্যই আই এন এৰ সৈতে আগবাঢ়ি আহি ইম্ফল, কোহিমা আৰু ডিমাপুৰ পায় আৰু ইয়াৰ ফলত অসমত যুদ্ধভীতি তীব্ৰ হৈ পৰে। জাপানী সৈন্যৰ এই আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰত্যক্ষ যুদ্ধৰ সম্ভাৱনা তীব্ৰতৰ হৈ পৰে। কিন্তু জাপানী সৈন্য কহিমা পাৰ হ'ব নোৱাৰিলে। জাপানী সৈন্যই

ৰাজনৈতিক কামৰ উপৰি অমিয় কুমাৰ দাসৰ সৈতে লগ লাগি কেইবাখনো ৰাজনৈতিক কিতাপ ৰচনা আৰু প্ৰকাশ কৰিছিল। তদুপৰি এসময়ত মাহেকীয়া 'বাঁহী', তেওঁলোক দুয়োয়ে যুটীয়াকৈ চলাইছিল। 'অসমীয়া' আৰু 'অসম সেৱক'তো বৰুৱাদেৱে নিয়মিতভাৱে প্ৰবন্ধ লিখিছিল।

১৪ আগষ্ট ঃ কংগ্ৰেছ সন্মিলিত দল আৰু স্বতন্ত্ৰ মুছলমান দলৰ মাজত আলোচনা সভা অনুষ্ঠিত।

১৯ আগষ্ট ঃ স্বায়ত্ত শাসন বিভাগৰ মন্ত্ৰী সুৰেন্দ্ৰ নাথ বুঢ়াগোঁহায়ে কংগ্ৰেছ কোৱালিচন দলপতি গোপীনাথ বৰদলৈলৈ এখন চিঠি লিখি আহোম সম্প্ৰদায়ক কংগ্ৰেছে সংখ্যালঘিষ্ঠ সম্প্ৰদায় বুলি স্বীকাৰ নকৰাৰ বাবে আৰু আহোম সভাই দাবী কৰা মতে সুকীয়া নিৰ্বাচন মানি নোলোৱাৰ কাৰণে কংগ্ৰেছ কোৱালিচন দলৰ পৰা পদত্যাগ কৰে।

৩১ আগষ্ট ঃ সদৌ অসম ছাত্ৰ ইউনিয়নৰ উদ্যোগত দেশ গৌৰৱ সুভাষ চন্দ্ৰ বসুৰ আকস্মিক মৃত্যুত শোক প্ৰকাশ কৰিবলৈ আৰু কোচবিহাৰ কলেজত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ ওপৰত মিলিটেৰীয়ে কৰা আমানুষিক অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ গুৱাহাটীবাসী ৰাইজৰ এখন ৰাজহুৱা সভা কাৰ্জন হলৰ চোতালত বহে। প্ৰিঞ্চিপাল হেমকান্ত বৰুৱাদেৱৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত ডাঃ ভুৱনেশ্বৰ বৰুৱা, গৌৰীকান্ত তালুকদাৰ, দেৱকান্ত বৰুৱা আদিয়ে বক্তৃতা দিয়ে।

১৮ ছেপ্টেম্বৰ ঃ অহা ১ অক্টোবৰৰ পৰা অসম ব্যৱস্থা পৰিষদ ভাঙি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শাসনতন্ত্ৰৰ ৫১/২ ধাৰা অনুসৰি নতুন নিৰ্বাচনৰ পিচত নতুন চৰকাৰ গঠন নোহোৱালৈকে বৰ্তমান মন্ত্ৰীমণ্ডলীৰ কাম চলি থাকিব।

২২ ছেপ্টেম্বৰ ঃ নগাৰাণী গাইদালুক চৰ্তাধীনত মুক্তি দিয়া হৈছে। দ্বৈত শাসন প্ৰৱৰ্তনৰ সময়ত ৰাজনৈতিক কাৰণত তেওঁক গ্ৰেপ্তাৰ কৰি আটকবন্দিনী ৰূপে ৰখা হৈছিল। পণ্ডিত জৱাহৰলাল নেহৰুকে আদি কৰি বিভিন্ন ৰাজনৈতিক অনুষ্ঠান-

পিচ হুঁহকিবলৈ আৰম্ভ কৰিলে। নাগাছাকি আৰু হিৰোচিমাৰ আণৱিক বোমা বৰ্ষণৰ পিচত দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিৰ লগতে যুদ্ধৰ শংকাও অসমত নোহোৱা হৈ পৰে আৰু ক্ৰমাগতভাৱে ভাৰতবৰ্ষৰ স্বাধীনতাৰ সপোনটোৱে বাস্তৱ ৰূপ পাবলৈ আৰম্ভ কৰে।

স্বাধীনতাৰ আগৰ পাঁচ বছৰ

ভাৰত ত্যাগ আন্দোলনে অসমত ভৰপক লোৱা অৱস্থাতে ১৯৪২ চনৰ ২৫ আগষ্টত ছাদুল্লাৰ নেতৃত্বত চতুৰ্থ মন্ত্ৰীসভাখন গঠন হয় আৰু এই মন্ত্ৰীসভা ১৯৪৫ চনৰ ২৩ মাৰ্চপৰ্যন্ত বাহাল থাকে। ২৩ মাৰ্চত ছাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰি নকৈ মন্ত্ৰীসভা গঠন কৰে। এই পঞ্চম ছাদুল্লা মন্ত্ৰীসভাত আগৰ মন্ত্ৰীসভাৰ পাঁচগৰাকী মুছলমান সদস্য, জনজাতীয় দলবোৰে পছন্দ কৰি দিয়া এগৰাকী জনজাতীয় মন্ত্ৰী আৰু চাৰিজন অমুছলমান মন্ত্ৰী সন্নিৱিষ্ট হৈছিল। এই অমুছলমান মন্ত্ৰী চাৰিজনৰ এজনক আকৌ মনোনীত কৰি দিছিল স্বয়ং কংগ্ৰেছ দলে। ছাদুল্লা মন্ত্ৰীসভা গঠন হোৱাৰ পিচতো ৰাজনৈতিক অস্থিৰতা অব্যাহত থাকে আৰু ১৯৪৬ চনৰ ১১ ফেব্ৰুৱাৰীত গোপীনাথ বৰদলৈৰ নেতৃত্বত দ্বিতীয়খন কংগ্ৰেছ মন্ত্ৰীসভা গঠন হয় আৰু এই মন্ত্ৰীসভা ১৯৪৭ চনৰ ১৪ আগষ্টপৰ্যন্ত শাসনত থাকে।

প্ৰতিষ্ঠানে তেওঁৰ মুক্তিৰ দাবী জনাই আহিছিল।

১ অক্টোবৰ ঃ পঞ্চম ছাদুল্লা মন্ত্ৰীসভা ভংগ ঘোষণা।

৮ অক্টোবৰ ঃ গুৱাহাটী কংগ্ৰেছ ভৱনত অসম প্ৰাদেশিক কংগ্ৰেছ ৱৰ্কিং কমিটীৰ এখন জৰুৰী অধিবেশন অনুষ্ঠিত হয়। বিজয় চন্দ্ৰ ভাগৱতীৰ প্ৰস্তাৱমতে অসমত অহা নিৰ্বাচনত জয়লাভ কৰি কংগ্ৰেছ দলে যাতে পৰিষদত সংখ্যাগৰিষ্ঠ হ'ব পাৰে তাৰ বাবে কংগ্ৰেছৰ পক্ষৰ পৰা নিৰ্বাচন চলাবৰ কাৰণে এখন নিৰ্বাচনী ছাব কমিটী গঠন কৰা হয়। গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি তৈয়বুল্লা চাহেব, প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মা, ফখৰুদ্দিন আলী আহমেদ, ডাঃ ভুৱনেশ্বৰ বৰুৱা, অক্ষয় কুমাৰ দাস, বিমলা প্ৰসাদ চলিহা আৰু অমিয় কুমাৰ দাস এইকেইজন ছাব কমিটীৰ সদস্য নিৰ্বাচিত হয়।

১ নৱেম্বৰ ঃ কেন্দ্ৰীয় পৰিষদৰ অসম উপত্যকাৰ নিৰ্বাচন সমষ্টিৰ পৰা ৰোহিণী কুমাৰ চৌধুৰী আৰু সুৰমা উপত্যকা আৰু শ্বিলং সমষ্টিৰ পৰা অৰুণ কুমাৰ চন্দ অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হৈছে বুলি ঘোষণা কৰা হয়। এওঁলোক দুয়ো কংগ্ৰেছ প্ৰাৰ্থী আছিল।

৬ নৱেম্বৰ ঃ ছাত্ৰ ইউনিয়নৰ উদ্যোগত গুৱাহাটীত বিৰাট ৰাজহুৱা সভা ঃ

আজি আবেলি চাৰে পাঁচ বজাত গুৱাহাটীৰ কাৰ্জন হলৰ চোতালত ভাৰতীয় জাতীয় বাহিনীৰ মুক্তি দাবী কৰিবলৈ সদৌ অসম ছাত্ৰ ইউনিয়নৰ উদ্যোগত জাতীয় পতাকাৰ তলত এখন বিৰাট ৰাজহুৱা সভা বহে। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ভূতপূৰ্ব সভাপতি বিষ্ণুৰাম মেধিয়ে সভাপতিৰ আসন গ্ৰহণ কৰে। মেধি ডাঙৰীয়াই তেখেতৰ অভিভাষণত ভাৰতীয় জাতীয় বাহিনীৰ মানুহ আৰু বিষয়াসকলক 'ৰাজদ্ৰোহী' বুলি বিচাৰ কৰিবলৈ যোৱাটো ব্ৰিটিছ চৰকাৰৰ এক কাপুৰুষালি বুলি অভিহিত কৰে। প্ৰিঞ্চিপাল হেমকান্ত বৰুৱাই এই প্ৰসংগত কয় — 'ভাৰতীয় জাতীয় কংগ্ৰেছে আজি তিনিকুৰি বছৰে যি উদ্দেশ্যৰ কাৰণে

অসমত পমুৱাৰ আগমন আৰু অসমৰ নেতৃত্ব

অসমৰ সমাজ তথা ৰাজনৈতিক জীৱনত দ্বিতীয় বিশ্বযুদ্ধই যি বিভীষিকা নমাই আনিছিল সি ভালদৰে নিৰ্বাপিত হ'বলৈ নৌপাওঁতেই আন এটা আশংকাই অসমৰ ৰাজনীতিত ক্ৰমান্বয়ে তীব্ৰ ৰূপত ভুমুকি মাৰিছিল আৰু সেয়া হ'ল পূব বংগৰ (বৰ্তমান বাংলাদেশ) পৰা অহা প্ৰব্ৰজনকাৰীসকলৰ অসমৰ ৰাজনীতিত ক্ৰমবৰ্ধমান ৰূপত বাঢ়ি অহা দপ্‌দপনি। তেনে সময়তে ১৯৪৪ চনৰ ১০ জুলাইত কংগ্ৰেছ সভাপতি ৰাজাগোপালাচাৰী আৰু মহম্মদ আলী জিন্নাৰ আলোচনামৰ্মে উত্থাপিত চি আৰ ফৰ্মূলাটোৱে অসমীয়া মানুহৰ মনৰ জ্বলা জুইকুৰা

যুঁজি আহিছে, আজাদ হিন্দ ফৌজৰ বীৰ যুঁজাৰুসকলে তাৰ কাৰণেই মুঠি বান্ধিছিল। ভাৰতৰ স্বাধীনতা এটা জীৱন্ত দাবী। ব্ৰিটিছ প্ৰচাৰ কাৰ্যক ধন্যবাদ যে ভাৰতৰ স্বাধীনতাৰ কাৰণে এনে এটা বীৰ যুঁজাৰুৰ দল গঠিত হৈছে বুলি ইমানদিনে আমি নজনাকৈ আছিলো। কিন্তু এনে দিন আহিব লাগিছে— যেতিয়া এনে প্ৰচাৰ কাৰ্যই আৰু আমাৰ চকুত ধূলি দি ৰাখিব নোৱাৰিব।' হৰেশ্বৰ গোস্বামী, অম্বিকাগিৰী ৰায়চৌধুৰীয়েও সভাত নিজৰ বক্তব্য দাঙি ধৰে। সভাত সৰ্বসন্মতিক্ৰমে তলৰ প্ৰস্তাৱ দুটি গৃহীত হয়।

(১) এই সভাই বিভিন্ন বন্দীশালত থকা ভাৰতীয় জাতীয় বাহিনীৰ লোকসকলৰ প্ৰতি কৰা অমানুষিক অত্যাচাৰৰ তীব্ৰ নিন্দা কৰে আৰু অবিলম্বে তেওঁলোকৰ মুক্তি কামনা কৰে। সভাই তেওঁলোকক ৰাজদ্ৰোহী বুলি আখ্যা দিয়াৰ তীব্ৰ নিন্দা কৰে আৰু মাতৃভূমিৰ কাৰণে 'আত্মনিয়োগ' কৰা এই বীৰসকলক 'দেশ-প্ৰেমিক' বুলি ঘোষণা কৰে।

(২) এই সভাই অসমৰ একনিষ্ঠ দেশসেৱক শংকৰ চন্দ্ৰ বৰুৱা, লক্ষ্মীপ্ৰসাদ গোস্বামী আৰু সুৰেন্দ্ৰ নাথ ফুকনৰ ওপৰত থকা গ্ৰেপ্তাৰী পৰোৱানা প্ৰত্যাহাৰ আৰু মহেন্দ্ৰ হাজৰিকা আদি সকলো ৰাজনৈতিক বন্দীৰ মুক্তি দাবী কৰে। সদৌ অসম ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক বিশ্বনাথ গোস্বামীয়ে ভাৰতীয় জাতীয় বাহিনীৰ 'ডিফেঞ্চ' সম্পৰ্কীয় কামৰ কাৰণে এটি পুঁজি সংগ্ৰহ কৰিবলৈ মনস্থ কৰি ৰাইজৰ ওচৰত সহায়ৰ আবেদন জনায়।

১৩ নৱেম্বৰ ঃ আজিৰে পৰা শ্বিলঙত ১৪৪ ধাৰা জাৰি কৰা হয়। ছাত্ৰ কংগ্ৰেছৰ উদ্যোগত পতা আজাদ হিন্দ বাহিনী দিৱস উপলক্ষে শ্বিলঙত হোৱা শোভাযাত্ৰাত অভূতপূৰ্ব জনজাগৰণ দেখি অসম চৰকাৰে ১৪৪ ধাৰা জাৰি কৰি শ্বিলঙত ৰাজহুৱা সভা আৰু শোভাযাত্ৰা বন্ধ কৰি দিয়ে। উল্লেখ্য যে এই শোভাযাত্ৰা আৰু ৰাজহুৱা সভাত অসমীয়া, বঙালী, খাছীয়া, শিখ, নেপালী আদি সকলো সম্প্ৰদায়ৰ

অধিক যেন জ্বলাই তুলিছিল। চি আৰ ফৰ্মূলাৰ দ্বিতীয় দফাটোত কোৱা হৈছিল— 'যুদ্ধৰ শেষত এখন কমিছন পতা হ'ব, যি ভাৰতৰ উত্তৰ, পশ্চিম আৰু পূব অংশৰ মুছলমান সংখ্যাগৰিষ্ঠভাৱে একেলগ হৈ থকা অংশ দুটা চিনাক্ত কৰিব। এনেকৈ চিনাক্ত কৰি উলিওৱা এলেকা দুটাৰ প্ৰাপ্তবয়স্ক সকলো লোকৰে ভাগ লোৱা গণভোটৰ আধাৰত বিচাৰ হ'ব ভাৰত বিভাজনৰ বিষয়টো। যদি সংখ্যাগৰিষ্ঠ লোকে হিন্দুস্থানৰ পৰা বিচ্ছেদ হৈ এনে সুকীয়া সাৰ্বভৌম দেশ বিচাৰে, তেনেহ'লে সেই সিদ্ধান্তই মানি লোৱা হ'ব। দাঁতিকাষৰীয়া জিলাবোৰৰো অধিকাৰ থাকিব দুয়োখন দেশৰ কোনো এখনক বাছি ল'বলৈ।'

যি সময়ত পূব বংগৰ পৰা অহা হিন্দু-মুছলমান প্ৰব্ৰজনকাৰীসকলে অসমৰ খিলঞ্জীয়া লোকসকলক নিজ ভূমিতে সংখ্যালঘু কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল, সেই সময়ত এনেধৰণৰ এটা ফৰ্মূলাই অসমৰ থলুৱা মানুহক সন্দিহান কৰি তোলাটো স্বাভাৱিক কথা। বিশেষকৈ মুছলিম লীগৰ প্ৰত্যক্ষ উচটনিত পমুৱা মুছলমানসকলে গাৰ বলেৰে অসমৰ চৰণীয়া পথাৰ আৰু পতিত মাটি দখল কৰি অঞ্চলবিশেষে সংখ্যাগৰিষ্ঠ হৈ পৰিছিল। গণভোটৰ আধাৰত নিজৰ দেশ ঠিক কৰাৰ অধিকাৰ পালে এইসকলে যে পাকিস্তানৰ পক্ষ ল'ব, সি নিশ্চিত আছিল। এই শংকাটোৱে অসমৰ খিলঞ্জীয়া লোকসকলৰ ভৱিষ্যৎ অনিশ্চিত কৰি তুলিছিল। লাইন প্ৰথাই দিব নোৱৰা ভূমি সুৰক্ষা, ৰাজনৈতিক উদ্দেশ্যত হোৱা ভূমিপট্টন আদি বিষয়বোৰক কেন্দ্ৰ কৰিয়েই স্বাধীনতাৰ আগৰ সময়ছোৱাৰ বছৰকেইটাত অসমৰ ৰাজনীতি উত্তাল হৈ আছিল।

চতুৰ্থ ছাদুল্লা মন্ত্ৰীসভাৰ শেষৰ সময়ছোৱা

চতুৰ্থ ছাদুল্লা মন্ত্ৰীসভাই ক্ষমতালৈ অহাৰ ঠিক এবছৰৰ পিচতে, অৰ্থাৎ ১৯৪৩ চনৰ ২৪ আগষ্টৰ দিনা মাটিপট্টন সম্পৰ্কে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। দেখাত এই প্ৰস্তাৱটোৰ উদ্দেশ্য অধিক খাদ্য উৎপাদন কৰা আছিল যদিও কিছুমান লোকৰ মতে ইয়াৰ প্ৰকৃত কাৰণটো আছিল মুছলমান পমুৱাৰ বাবে অসমলৈ অহাৰ বাট অধিক সুচল কৰা। প্ৰস্তাৱটোৰ গুৰুত্বপূৰ্ণ অংশকেইটা

লোকে যোগ দিছিল। শ্বিলঙত কংগ্ৰেছ প্ৰাৰ্থীৰ জয়ৰ আশংকাতে চৰকাৰে এই আদেশ জাৰি কৰা হৈছে বুলি ঠাৱৰ কৰা হৈছে।.

৯ ডিচেম্বৰ ঃ কিষাণগঞ্জ আৰু উত্তৰ অসমলৈ শিলিগুৰিৰ মাজেৰে ৰে'ল লাইন মুকলি। উত্তৰ-পূৰ্বাঞ্চলক সংযোগ কৰা এয়া প্ৰথম ৰে'লৰে লাইন।

১২ ডিচেম্বৰ ঃ ১০ ডিচেম্বৰত অসম এছেম্বলীৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময় উকলি যোৱাৰ পিচত এতিয়ালৈ ১৩জন কংগ্ৰেছ প্ৰাৰ্থীক অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। সেইসকল হ'ল— (১) হৰেশ্বৰ দাস, (২) সিদ্ধিনাথ শৰ্মা, (৩) গৌৰীকান্ত তালুকদাৰ, (৪) বিষ্ণুৰাম মেধি, (৫) মহেন্দ্ৰমোহন চৌধুৰী, (৬) কামেশ্বৰ দাস, (৭) অমিয় কুমাৰ দাস, (৮) বিজয় চন্দ্ৰ ভাগৱতী, (৯) ধীৰসিং দেউৰী, (১০) পুৰন্দৰ শৰ্মা, **সুৰমা উপত্যকা-** (১১) অক্ষয় কুমাৰ দাস (১২) বসন্ত কুমাৰ দাস আৰু (১৩) গোপেশ চন্দ্ৰ দাস।

১৪ ডিচেম্বৰ ঃ 'বৰ্তমান ব্ৰিটিছ নীতি সলনি কৰি অবিলম্বে ভাৰতক স্বাধীনতা নিদিলে আৰু দুবছৰৰ ভিতৰতে ভাৰতত বিপ্লৱৰ ধুমুহা সৃষ্টি হ'ব। মই ডাঠি ক'ব পাৰো যে, সেই ধুমুহা দমন কৰিব পৰা বিধৰ নহ'ব। মই ক'ব নোৱাৰো তাৰ ফলাফল কি হয়।' —গুৱাহাটীৰ জুবিলী গাৰ্ডেনত পঁচিশ হেজাৰ লোকৰ উপস্থিতিত হোৱা এখন সভাত বক্তৃতা দিওঁতে পণ্ডিত জৱাহৰলাল নেহৰুৱে আজি এনেদৰে কয়। তেখেতে আৰু কয়, 'অহা নিৰ্বাচনৰ দ্বাৰা ভাৰতৰ স্বাধীনতা নাহে। ইয়াৰ দ্বাৰা প্ৰকাশ পাব ভাৰতৰ জনসাধাৰণৰ দেশৰ স্বাধীনতালৈ কিমান আগ্ৰহ আছে সেইটো। মাথোন কংগ্ৰেছেই ভাৰতৰ স্বাধীনতাৰ কাৰণে প্ৰকৃতপক্ষে যুঁজি আহিছে। সেই দেখি মই হিন্দু-মুছলমান, খ্ৰীষ্টান, ট্ৰাইবেল সকলো অসমবাসীক অহা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান কৰো। আশাকৰো কোনো মানুহৰ বুজিবলৈ বাকী নাই

আছিল এনেধৰণৰ— (১) নগাঁও জিলাত পতিত হৈ থকা মাটি আৱশ্যক বুজি বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত বিতৰণ কৰা আৰু সেই অৰ্থে চৰণীয়া পথাৰবোৰৰো কিছু অংশ খেতি আৰু বসতিস্থানলৈ ৰূপান্তৰ কৰা, (২) কামৰূপ আৰু দৰং জিলাতো প্ৰয়োজনতকৈ অধিক চৰণীয়া পথাৰ যদি আছে তেন্তে সেইবোৰো বসতিৰ কাৰণে খুলি দিয়া আৰু (৩) শিৱসাগৰ আৰু লখিমপুৰ জিলাৰ পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত মাটিহীন থলুৱা লোকৰ বসতিৰ বাবে নতুনকৈ ঠাই উলিওৱা। ১৯৪৩ চনত অসমলৈ অহা ভাৰতৰ বৰলাট লৰ্ড ৱাভেলে এই প্ৰস্তাৱটোৰ জৰিয়তে অসমত 'অধিক মুছলমান গজোৱা' বুলি তিৰ্যক মন্তব্য দিছিল যদিও ছাদুল্লাৰ সমৰ্থনত এচামে ক'ব খোজে যে সেই সময়ত সমগ্ৰ বিশ্বতে খাদ্য সংকটে যি ভয়ানক ৰূপ ধাৰণ কৰিছিল, তাৰ পৰা পৰিত্ৰাণ পাবলৈ পৰিশ্ৰমী পমুৱা লোকসকলে খাদ্য শস্য উৎপাদনৰ কাৰণেই অসমত সোমাই পৰিছিল। চিলেট যিহেতু অসমৰ অন্তৰ্গত আছিল, সেয়েহে ছাদুল্লাৰ বাবে সেই প্ৰব্ৰজনক বাধা দিয়াৰ আন উপায়ো হাতত নাছিল।

এফালে ছাদুল্লা মন্ত্ৰীসভাৰ এনেধৰণৰ ভূমিপট্টনৰ প্ৰস্তাৱ আৰু আনফালে চি আৰ ফৰ্মূলাই অসমক পূব পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনাটো প্ৰবল কৰি তুলিলে। তদুপৰি যুদ্ধৰ পৰিপ্ৰেক্ষিতত অসম ব্যৱস্থা পৰিষদৰ (Assam Legislative Assembly) পৰা আনুষ্ঠানিক অৰ্থত প্ৰায় তিনি বছৰ কাল আঁতৰত থকা কংগ্ৰেছ দলৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্তৰ বিৰোধিতা কৰাৰো বাস্তৱ সুযোগ নাছিল। যি নহওক, ১৯৪৪ চনৰ ছেপ্টেম্বৰত অসম চৰকাৰে ইতিমধ্যে জে'লৰ পৰা মুক্তিলাভ কৰা কংগ্ৰেছ বিধায়কসকলে যাতে বিধানসভাৰ অধিৱেশনত অংশ ল'ব পাৰে তাৰ বাবে তেওঁলোকৰ গতি-বিধি নিয়ন্ত্ৰণ কৰাত শিথিলতা আৰোপ কৰে। চৰকাৰে গোপীনাথ বৰদলৈ তথা কংগ্ৰেছী বিধায়কসকলক বিধানসভাত অংশ ল'বৰ বাবে আৱেদন জনাবলৈও আহ্বান জনায়। অৱশেষত ৩১জন কংগ্ৰেছী বিধায়কৰ ভিতৰত মাত্ৰ ১৬জনেহে

যে কংগ্ৰেছৰ বিৰুদ্ধে ভোট দিয়াৰ অৰ্থ গোলামিক স্বীকাৰ কৰা।'

১৫-২০ ডিচেম্বৰ ঃ নেহৰুৰ অসম ভ্ৰমণ। বৰপেটা, গুৱাহাটী, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, নগাঁও, নাজিৰা, শ্বিলং আৰু শিলচৰত ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ।

২৯ ডিচেম্বৰ ঃ অসম প্ৰাদেশিক কংগ্ৰেছ ৱৰ্কিং কমিটী আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য কুলধৰ চলিহাক তিনি বছৰৰ বাবে কংগ্ৰেছ দলৰ পৰা বহিষ্কাৰ কৰা হয়। উল্লেখ্য যে অসম ব্যৱস্থা পৰিষদৰ সদস্য পদৰ কাৰণে কংগ্ৰেছৰ মনোনয়ন বিচৰা চলিহাই মনোনয়ন নাপালে স্বতন্ত্ৰভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি কথা দিছিল যদিও তেওঁ সেই প্ৰতিশ্ৰুতি ৰক্ষা নকৰি যোৰহাট উত্তৰ সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰ বিপক্ষে প্ৰতিদ্বন্দ্বিতা কৰে। দলীয় শৃংখলা ভংগৰ অপৰাধতে চলিহাক এনেদৰে বহিষ্কাৰ কৰা হয়।

বিধানসভাৰ অধিৱেশনত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ল।

১৪ নৱেম্বৰত গোপীনাথ বৰদলৈয়ে ঘোষণা আগবঢ়ালে যে কংগ্ৰেছ দলৰ বিধায়িনী সক্ৰিয়তা আগৰ দৰেই থাকিব আৰু দলটোৱে ভূমিপট্টনৰ বিষয়টোৰ ক্ষেত্ৰত থলুৱা ভূমিহীন লোক আৰু ১৯৩৮ চনৰ আগতে অসমত প্ৰৱেশ কৰা লোকসকলকহে বিবেচনা কৰাত গুৰুত্ব দিব। ১৯৪৪ চনৰ ১৬-১৯ ডিচেম্বৰত মহম্মদ ছাদুল্লাৰ সভাপতিত্বত এখন সৰ্বদলীয় সভা অনুষ্ঠিত হয়। সভাখন অনুষ্ঠিত কৰাৰ উদ্দেশ্য আছিল ভূমি বন্দৱস্তৰ ক্ষেত্ৰত এটা উপযুক্ত নীতি বাহিৰ কৰা। ছাদুল্লাই এই সভাখনত ভূমিনীতিৰ ক্ষেত্ৰত মুছলিম লীগৰ স্থিতিৰ পৰা ফালৰি কাটি আহি কংগ্ৰেছৰ স্থিতিৰ প্ৰতি নিজৰ সমৰ্থন প্ৰকাশ কৰিলে। সভাই ভূমি বন্দৱস্তৰ ক্ষেত্ৰত নিম্নোক্ত নীতিসমূহ গ্ৰহণ কৰিলে—

(১) থলুৱা লোকৰ বাবে পতিত মাটিৰ ৩০ শতাংশ সংৰক্ষণ কৰা।

(২) ভূমিহীন থলুৱা আৰু ১৯৩৮ চনৰ আগতে অসমলৈ প্ৰব্ৰজন কৰা লোকসকলৰ বাবে অৱশিষ্ট পতিত মাটি পট্টন দিয়াৰ এক পৰিকল্পিত বন্দৱস্ত কৰা।

(৩) জনজাতীয় লোকৰ বাবে গঠন কৰি দিয়া বেষ্টনীবোৰত (Belts) জনজাতীয় লোকসকল যাতে সুৰক্ষিত হৈ থাকিব পাৰে তাৰ বাবে এক বিশেষ সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা আৰু

(৪) চৰণীয়া পথাৰবোৰ যাতে দখলৰ পৰা মুকলি হৈ থাকে, তাৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰি অবৈধ দখল উচ্ছেদ কৰা।

সৰ্বদলীয় সভাৰ এই সিদ্ধান্তবোৰে কংগ্ৰেছৰ কৌশলগত বিজয় সাব্যস্ত কৰিছিল যদিও সকলোৱে একমুখে প্ৰস্তাৱবোৰ সমৰ্থন কৰা নাছিল। প্ৰব্ৰজনকাৰীসকলক প্ৰতিনিধিত্ব কৰা দুগৰাকী অংশগ্ৰহণকাৰীয়ে ইয়াৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। সৰ্বদলীয় এই সভাৰ প্ৰস্তাৱবোৰ কাৰ্যকৰী কৰিবলৈ ১৯৪৫ চনৰ ১৬ জানুৱাৰীত অসম চৰকাৰে এটা নতুন প্ৰস্তাৱ গ্ৰহণ কৰে। এই

১৯৪৬

৯ জানুৱাৰী ঃ অসমত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছৰ ৫৮খন আসন লাভ।

২৬ জানুৱাৰী ঃ গুৱাহাটীত স্বাধীনতা দিন পালন ঃ

আজি আবেলি ৫ বজাত জুবিলী পথাৰত কেইবাহেজাৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ সমবেত হৈ তিনি বৰণীয়া জাতীয় পতাকাৰ তলত থিয় হৈ ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰে। গোপীনাথ বৰদলৈৰ নেতৃত্বত স্বাধীনতাৰ এই সংকল্প গ্ৰহণ কৰা হয়। এই সভাত ৰাইজৰ মাজত হৰিকৃষ্ণ দাস, সিদ্ধিনাথ শৰ্মা, অমিয় কুমাৰ দাস, জগদীশচন্দ্ৰ মেধি, লক্ষীধৰ বৰা, পুষ্পলতা দাস, অমলপ্ৰভা দাস আদিৰ নিচিনা নেতা আৰু নেত্ৰীবৃন্দ উপস্থিত আছিল।

৩১ জানুৱাৰী ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা তৈয়বুল্লা চাহাবৰ সভাপতিত্বত অসম পৰিষদ ঘৰত কংগ্ৰেছ দলৰ বৈঠক বহে। তাত মুঠ ৫৮জন কংগ্ৰেছী সদস্যৰ ভিতৰত ৫৬জন সদস্য উপস্থিত থাকে। বসন্ত কুমাৰ দাসৰ প্ৰস্তাৱ আৰু গোপেশচন্দ্ৰ পালৰ সমৰ্থনত গোপীনাথ বৰদলৈ সৰ্বসন্মতিক্ৰমে কংগ্ৰেছ দলৰ দলপতি নিৰ্বাচিত হয়।

৮ ফেব্ৰুৱাৰী ঃ কংগ্ৰেছ প্ৰেছিডেণ্ট মৌলানা আব্দুল কালাম আজাদ কলিকতা মেইলযোগে পুৱা ৮ বজাত পাণ্ডুত উপস্থিত হয়। তেখেতক অভিবাদন জনাবলৈ আমিনগাঁৱত অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি মৌলানা তৈয়বুল্লা, অসম কংগ্ৰেছৰ সাধাৰণ সম্পাদক সিদ্ধিনাথ শৰ্মা, ভূতপূৰ্ব মন্ত্ৰী ফখৰুদ্দিন আলী আহমদ, দেৱেশ্বৰ শৰ্মা আদি নেতাসকল উপস্থিত থাকে। অসম ছাত্ৰ ইউনিয়নৰ তৰফৰ পৰা কংগ্ৰেছ সভাপতি মৌলানা আজাদক নেহৰু ব্ৰিগেড, সুভাষ ব্ৰিগেড, কনকলতা ব্ৰিগেড আৰু লক্ষ্মী ব্ৰিগেডে অভিবাদন জনায়। গুৱাহাটীলৈ আহি আজাদে অসম কংগ্ৰেছৰ নেতাসকলৰ লগত মটৰেৰে শ্বিলঙলৈ যাত্ৰা কৰে।

১০ ফেব্ৰুৱাৰী ঃ আজি গধূলি ৭ বজাত প্ৰধানমন্ত্ৰী বৰদলৈয়ে গৱৰ্ণমেণ্ট হাউছত

প্ৰস্তাৱমৰ্মে গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাঁও জিলাৰ পতিত মাটিসমূহ সকলো শ্ৰেণীৰ ভূমিহীন লোকৰ মাজত বিতৰণ কৰাৰ আঁচনি লোৱা হয়। সকলো শ্ৰেণীৰ ভূমিহীন লোক শীৰ্ষক কথাযাৰে ১৯৩৮ চনৰ আগতে অসমলৈ প্ৰব্ৰজন কৰা লোকসকলক সামৰি লৈছিল। এনেদৰে আবণ্টন কৰা মাটিৰ সৰ্বোচ্চ সীমা পৰিয়ালে প্ৰতি ৩০ বিঘা (১০ একৰ) নিৰ্ধাৰণ কৰি দিয়া হৈছিল। যদিহে উল্লিখিত জিলাকেইখনত আবণ্টন দিবলৈ পৰ্যাপ্ত মাটি নাথাকে তেনেহ'লে লখিমপুৰ মহকুমাৰ পতিত মাটিবোৰ এইসকল লোকৰ বাবে মুকলি কৰা হ'ব বুলিও সিদ্ধান্ত লোৱা হৈছিল। যিজন মানুহৰ হাতত পাঁচ বিঘাতকৈও কম কৃষি ভূমি থাকিব সেইজনকহে ভূমিহীন বুলি গণ্য কৰা হ'ব। এই ঘোষণাৰ আন গুৰুত্বপূৰ্ণ প্ৰস্তাৱবোৰ আছিল এনেধৰণৰ—

(১) জনজাতিৰ বাবে আছুতীয়া এলেকা বা বেষ্টনী গঠন কৰা হ'ব আৰু এই এলেকা বা বেষ্টনীবোৰৰ মাটিৰ পৰিমাণ জনজাতিৰ হাতত তেতিয়াপৰ্যন্ত থকা মাটিৰ পৰিমাণৰ দুগুণ হ'ব। ইয়াৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ জনজাতিৰ বাবে আছুতীয়াকৈ ভূমি সংৰক্ষণ কৰি ৰখা হ'ব।

(২) ১৯৪০ চনতেই ঠিক কৰা অনুসৰি সকলো জিলাতেই অন্ততঃ শতকৰা ৩০ ভাগ মাটি ভৱিষ্যৎ প্ৰজন্মৰ বাবে ৰখা হ'ব।

(৩) আচল গ্ৰেজিং ৰিজাৰ্ভৰ মাটি অতিৰিক্ত হৈ থাকিলেও সেইবোৰত মানুহ বহুওৱা নহ'ব। অৱশ্যে ইতিমধ্যে যিসকল বহিছে তেওঁলোকক উচ্ছেদ কৰা নহ'ব।

(৪) কোনো সম্প্ৰদায়ে যদি তেওঁলোকক দিয়া মাটি দুবছৰৰ ভিতৰত দখল কৰিবলৈ অপাৰগ হয় তেনেহ'লে সেই মাটি অন্য সম্প্ৰদায়ৰ মাজত বিতৰণ কৰা হ'ব।

(৫) সৰ্বদলীয় সভাৰ লোকসকলেৰে গোটেই ৰাজ্যখনত আৰু তিনিখন প্ৰধান জিলাত একোখনকৈ উপদেষ্টা সমিতি পতা হ'ব আৰু

(৬) গ্ৰেজিং এলেকাৰ অতিৰিক্ত ভূমিত মাটিপট্টন দিবলৈ কৰা চৰকাৰৰ

গৱৰ্ণৰৰ লগত এঘণ্টাকাল আলোচনা কৰে। তাৰ পিচতে সংবাদ মাধ্যমৰ আগত মন্ত্ৰীসভাৰ সদস্যসকলৰ তলত দিয়া ধৰণে বিভাগ বিতৰণ কৰা হয়—

(১) প্ৰধানমন্ত্ৰী ঃ গোপীনাথ বৰদলৈ, শিক্ষা আৰু প্ৰচাৰ বিভাগ।

(২) বসন্ত কুমাৰ দাস ঃ স্বৰাষ্ট্ৰ, আইন, লেজিছলেটিভ আৰু সাধাৰণ।

(৩) বিষ্ণুৰাম মেধি ঃ অৰ্থ আৰু ৰাজহ বিভাগ।

(৪) বৈদ্যনাথ মুখাৰ্জী ঃ যোগনীয়া, যুদ্ধোত্তৰ, পৰিকল্পনা, যান-বাহন।

(৫) জে জে এম নিকলছ ৰয় ঃ গড়কাপ্তানি, জংঘলী, শিল্প আৰু সমবায় বিভাগ।

(৬) ৰামনাথ দাস ঃ চিকিৎসা, জনস্বাস্থ্য, আবকাৰী আৰু বনুৱা বিভাগ।

(৭) মৌলবী আব্দুল মতলিব মজুমদাৰ ঃ স্বায়ত্তশাসন, কৃষি আৰু ভেটেৰিনাৰী বিভাগ।

নতুন মন্ত্ৰীসকলে কাইলৈ ১০ বজাত শপত গ্ৰহণ কৰিব। আনহাতে আজি ব্যৱস্থা পৰিষদৰ কংগ্ৰেছ দলৰ সদস্যসকলৰ সভাত দেৱেশ্বৰ শৰ্মাক সৰ্বসন্মতিক্ৰমে পৰিষদৰ স্পীকাৰ পদৰ কাৰণে কংগ্ৰেছ দলৰ প্ৰাৰ্থী মনোনীত কৰা হয়। ডেপুটী স্পীকাৰ পদৰ কাৰণে শ্ৰীমতী বমেলী খংমেনক দলৰ প্ৰাৰ্থী কৰা হয়। বৰ্তমানৰ স্পীকাৰ বসন্ত কুমাৰ দাসে আজি পদত্যাগ কৰে।

১১ ফেব্ৰুৱাৰী ঃ বৰদলৈ মন্ত্ৰীসভাৰ সদস্যসকলে দিনৰ ১০ বজাত শপত গ্ৰহণ কৰে।

১৬ ফেব্ৰুৱাৰী ঃ অসমৰ কংগ্ৰেছ মন্ত্ৰীসভাই সকলো ৰাজনৈতিক মোকৰ্দমা আৰু গ্ৰেপ্তাৰী পৰোৱানা প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। শংকৰচন্দ্ৰ বৰুৱাদেৱৰ ওপৰত চলি থকা মোকৰ্দমা প্ৰত্যাহাৰ কৰি বৰুৱাদেৱক মুক্তি দিবলৈ আদেশ দিয়া হয়। নগাঁৱৰ লক্ষ্মীপ্ৰসাদ গোস্বামীৰ ওপৰত থকা গ্ৰেপ্তাৰী পৰোৱানাও প্ৰত্যাহাৰ হৈছে বুলি জানিব পৰা গৈছে। সৰুপথাৰত ৰে'ল বগৰোৱা মোকৰ্দমাত দণ্ডিত বন্দীসকলেও অচিৰে মুক্তি পাব বুলি সিদ্ধান্ত লোৱা হয়।

১৯ ফেব্ৰুৱাৰী ঃ আজাদ হিন্দ ফৌজৰ

পুৰণি আঁচনিৰ কিছু অংশ বাতিল হ'ব।

এই ঘোষণাই সমগ্ৰ ৰাজ্যৰ লাইন প্ৰথা উচ্ছেদ কৰিবলৈ উঠি-পৰি লগা মুছলিম লীগকতো সন্তুষ্ট কৰিব নোৱাৰিলেই বৰঞ্চ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া তথা কংগ্ৰেছী লোকসকলো এই সিদ্ধান্তত খৰ্গহস্ত হৈ পৰিল। ১৯৪৫ চনৰ ২৮ জানুৱাৰীত গুৱাহাটীত প্ৰাদেশিক মুছলিম লীগ কাউঞ্চিলৰ এখন সভা মৌলানা আব্দুল হামিদ খানৰ সভাপতিত্বত বহে আৰু সভাই চৰকাৰে কেতিয়া কোন অসমলৈ আহিছিল সেই বিষয়ে সময়ৰ কোনো বাছ-বিচাৰ নকৰাকৈয়ে সকলো মাটিহীন প্ৰব্ৰজনকাৰীক মাটি দিয়াৰ দাবী তোলে। অসমীয়া সমাজ তথা কংগ্ৰেছে আপত্তি প্ৰদৰ্শন কৰি ক'লে যে যিহেতু প্ৰায়বোৰ থলুৱা খেতিয়কৰ হাততে পাঁচ বিঘাতকৈ অধিক মাটি আছে সেয়েহে নতুন ঘোষণা অনুসৰি তেওঁলোকক এতিয়া ভূমিহীন বুলি ধৰা নহ'ব। এই ঘোষণাৰ জৰিয়তে ছাদুল্লা চৰকাৰে মৈমনসিং জিলাৰ লোকক মাটি দিবৰ কাৰণে অধিক তৎপৰ হোৱা বুলি আৰু একে সময়তে জনজাতীয় এলেকা কমাই অনা তথা অসমীয়াক মাটি দিয়াৰ কথা আওকাণ কৰা বুলি কংগ্ৰেছীসকল সন্দিহান হৈ উঠিল। তদুপৰি সৰ্বদলীয় সভাৰ সিদ্ধান্তৰ বিপৰীতে এই ঘোষণাই এতিয়া তিনি বছৰতকৈ অধিক কাল অবৈধভাৱে চৰণীয়া পথাৰত খেতি কৰি থকা অবৈধ দখলকাৰীক উচ্ছেদ নকৰিবলৈ স্থানীয় বিষয়াক যথেষ্ট পৰিমাণে ক্ষমতা দিয়া বুলিও কংগ্ৰেছীসকলে অনুভৱ কৰিছিল। ইয়াৰ অৰ্থ আছিল এয়ে যে ১৯৩৭ চনৰ পিচত অসমত প্ৰৱেশ কৰা প্ৰব্ৰজনকাৰীসকলে চৰণীয়া পথাৰবোৰত অবৈধভাৱে হ'লেও তিনি বছৰ কাল দখল ৰখা বুলি প্ৰমাণ কৰিব পাৰিলে সিবিলাকে মাটি লাভ কৰিব পাৰিব। এই ঘোষণাই অসমৰ থলুৱা লোকক সকাহ দিয়াৰ সলনি অধিক বিপদতহে পেলাব পাৰে বুলি শংকা প্ৰকাশ কৰি অৱশেষত কংগ্ৰেছে এই সিদ্ধান্তক সমৰ্থন নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

মুছলিম লীগ আৰু কংগ্ৰেছ উভয়ে জানুৱাৰী মাহৰ প্ৰস্তাৱ নাকচ কৰাৰ

অসমীয়া লেফটেনেণ্ট উমেশ চৌধুৰীয়ে বিচাৰত মুক্তি পায়। ২২ ফেব্ৰুৱাৰীত তেওঁ লাহোৰৰ পৰা অসমলৈ যাত্ৰা কৰিব। চৌধুৰীৰ ঘৰ বজালীত।

২৫ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰৰ ৰাজহ আৰু অৰ্থ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে বৰপেটা মহকুমাৰ গ্ৰেজিং ৰিজাৰ্ভত দখলৰ বিষয়ে তদন্ত কৰি মহকুমাধিপতিক দখলকাৰীবিলাকে যাতে কোনো প্ৰকাৰৰ উপদ্ৰৱ কৰিব নোৱাৰে আৰু ১৮ ফেব্ৰুৱাৰীত চৰকাৰে দিয়া নিৰ্দেশমতে সিহঁতক তৎক্ষণাৎ উচ্ছেদ কৰিবলৈ নিৰ্দেশ দিয়ে।

২ মাৰ্চ ঃ 'অসমীয়া'ৰ সম্পাদক দেৱকান্ত বৰুৱাক গুণ্ডাবাহিনীয়ে আক্ৰমণ কৰি আহত কৰে। তেওঁৰ মুৰ ফাটি যায় আৰু কেইবাটাও দাঁত লৰি যায়। আৰক্ষীয়ে গুণ্ডা দলৰ ভিতৰত ডাঃ জ্যোতিষচন্দ্ৰ দাসৰ পুতেক দেবেন্দ্ৰ দাস আৰু সত্য দাসক গ্ৰেপ্তাৰ কৰি পিচত এহেজাৰ টকাৰ জামিনত মুক্তি দিয়ে। পুলিচে আন দুজন গুণ্ডাৰ সন্ধান লাভ কৰা নাই।

৩ মাৰ্চ ঃ মুছলিম লীগৰ বৰদলৈ চৰকাৰৰ দখলকাৰী উচ্ছেদ অভিযানৰ নিন্দা। তেওঁলোকৰ মতে দখলকাৰীসকল হৈছে পমুৱা মুছলমান। জিন্নায়ো উচ্ছেদ বন্ধ কৰাৰ দাবী তোলে।

৫ মাৰ্চ ঃ নিখিল ভাৰত মুছলিম লীগৰ সভাপতি মহম্মদ জিন্না শ্বিলঙৰ পৰা গুৱাহাটী পায়হি। তেওঁৰ লগত মিঃ ইশাহানি, মৌলানা আব্দুল খান, ছাৰ ছাদুল্লা আৰু মতিন চৌধুৰীও আহে। কাইলৈ আবেলি জুবিলী পথাৰত ৰাজহুৱা সভাত জিন্নাই বক্তৃতা প্ৰদান কৰিব।

৭ মাৰ্চ ঃ গুৱাহাটী জুবিলী পথাৰত প্ৰায় ১০ হেজাৰ মানুহ সমবেত হোৱা এখন ৰাজহুৱা সভাত অৰুণা আছফ আলীয়ে বক্তৃতা প্ৰদান কৰি 'ভাৰত ত্যাগ' প্ৰস্তাৱ কাৰ্যকৰী কৰাই কংগ্ৰেছ মন্ত্ৰীসভাৰ প্ৰধান কৰ্তব্য বুলি ঘোষণা কৰে। সন্ধিয়া আলীয়ে 'অসমীয়া' কাকতৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে।

২৩ মাৰ্চ ঃ অসমৰ গৱৰ্ণৰ এন্ড্ৰি বেলাই কেবিনেট মিছনৰ সৈতে সাক্ষাৎ কৰে।

১ এপ্ৰিল ঃ কেবিনেট মিছনে

পিচত জানুৱাৰী মাহৰ শেষৰ ফাললৈ অসমৰ প্ৰচাৰ মাধ্যমত ছাদুল্লা-চৌধুৰী সন্মিলিত মন্ত্ৰীসভাৰ কথা উচ্চাৰণ হ'বলৈ ধৰে।

১৯৪৫ চনৰ মাৰ্চত অনুষ্ঠিত বিধানসভাৰ অধিৱেশনত গোপীনাথ বৰদলৈয়ে ক্ৰমান্বয়ে নিজৰ শক্তি বৃদ্ধি হোৱাৰ কথাটো প্ৰমাণ কৰাৰ সুযোগ লাভ কৰিলে। বৰদলৈৰ অনুপস্থিতি সত্ত্বেও ১৪ মাৰ্চত মাটিপট্টন বিষয়ক কৰ্তন প্ৰস্তাৱ (cut motion) এটাত বিৰোধী কংগ্ৰেছ দল জিকিব নোৱাৰিলেও ৩৬গৰাকী সদস্যই সেইফালে ভোট দিলে। ১৭ মাৰ্চত চৰকাৰৰ বিৰুদ্ধে তোলা অনাস্থা প্ৰস্তাৱ এটাত পক্ষ আৰু বিপক্ষই সমানেই (৩৯ ঃ ৩৯) সমৰ্থন পালে আৰু অধ্যক্ষ বসন্ত কুমাৰ দাসে নিজৰ মতৰ বলেৰে চৰকাৰক হৰুৱাবলৈ ইচ্ছা নকৰাতহে ছাদুল্লা চৰকাৰ ক্ষমতাত বৰ্তি থাকিল। এনে এক পৰিস্থিতিত কংগ্ৰেছৰ সন্মুখত তিনিটা পথ খোলা থাকিল—

(১) ছাদুল্লাবিহীন এখন কংগ্ৰেছ সমৰ্থিত সন্মিলিত মন্ত্ৰীসভা, য'ত কোনো কংগ্ৰেছীয়ে কোনো পদ গ্ৰহণ নকৰিব।

(২) ছাদুল্লাৰ নেতৃত্বত এখন সন্মিলিত চৰকাৰ, য'ত কংগ্ৰেছী লোককো সন্নিৱিষ্ট কৰা হ'ব আৰু চৰকাৰখনৰ এক উমৈহতীয়া ন্যূনতম কাৰ্যসূচী থাকিব।

(৩) এখন পূৰ্ণ পৰ্যায়ৰ কংগ্ৰেছ নেতৃত্বাধীন সন্মিলিত চৰকাৰ।

ইয়াৰ আগতে অসমৰ পৰিস্থিতিৰ সবিশেষ উল্লেখ কৰি ১৪ মাৰ্চত গান্ধীজীলৈ বৰদলৈয়ে এখন দীঘলীয়া পত্ৰ প্ৰেৰণ কৰিছিল আৰু এই পত্ৰখনৰ প্ৰত্যুত্তৰত গান্ধীজীয়ে বৰদলৈক এই বিষয়ত নিজাববীয়া সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছিল। ১৮ মাৰ্চত গোপীনাথ বৰদলৈ আৰু ৰোহিণী কুমাৰ চৌধুৰীয়ে যুটীয়াভাৱে এখন পত্ৰ ছাদুল্লালৈ প্ৰেৰণ কৰে, য'ত পাঁচটা প্ৰস্তাৱ সন্নিৱিষ্ট কৰা হৈছিল। এই প্ৰস্তাৱমৰ্মে বৰদলৈ আৰু চৌধুৰীয়ে ছাদুল্লাক এখন কংগ্ৰেছ সমৰ্থিত চৰকাৰ পুনৰ গঠন কৰিবলৈ আহ্বান জনায়। ১৯ মাৰ্চৰ দিনাখন বৰদলৈ আৰু চৌধুৰীৰ লগত আলোচনা কৰি সিদ্ধান্তলৈ আহিবলৈ ছাদুল্লাক তেওঁৰ দলে পূৰ্ণ ক্ষমতা প্ৰদান কৰে। ২২ মাৰ্চত তিনিওগৰাকী

গোপীনাথ বৰদলৈক লগ ধৰে। নতুন দিল্লীত ব্ৰিটিছ মন্ত্ৰীসভাৰ প্ৰতিনিধিসকলৰ সৈতে সাক্ষাৎ কৰোতে অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে অসমৰ যিকোনো অংগচ্ছেদক মানি নলওঁ বুলি দৃঢ়তা প্ৰকাশ কৰে। বৰদলৈদেৱে অসমক পূব পাকিস্তানৰ অন্তৰ্গত কৰিবলৈ মুছলিম লীগৰ কোনো হক নাই বুলি দাবী কৰে। চিলেটক পূব বংগৰ সৈতে চামিল কৰাত মান্তি হ'ব পাৰি বুলিও তেওঁ মত দোহাৰে।

২ এপ্ৰিল ঃ অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি মুছলিম লীগৰ ছাদুল্লাই কেবিনেট মিছনক লগ কৰে।

● অসম ব্যৱস্থা পৰিষদৰ প্ৰথম বাজেট অধিৱেশন সমাপ্ত ঃ

অসম ব্যৱস্থা পৰিষদৰ প্ৰথম বাজেট অধিৱেশনৰ আজি সামৰণি পৰে। পৰিষদৰ আলোচনা সময়ত চৰকাৰী মুখপাত্ৰই পৰিষ্কাৰভাৱে ঘোষণা কৰে যে কংগ্ৰেছৰ মন্ত্ৰীসকল ক্ষমতালোভী নহয়, তেওঁলোক ৰাইজৰ সেৱকহে মাথোঁ। আজি পৰিষদে তলত দিয়া বিলকেইখন গ্ৰহণ কৰে—

(১) ১৯৪৬ চনৰ অসম বন-আইন সংশোধনী বিল।

(২) ১৯৪৬ চনৰ অসম মটৰ স্পিৰিট আৰু লুব্ৰিকেটিং তেল বিক্ৰী কৰ সংশোধনী বিল।

(৩) ১৯৪৬ চনৰ অসম আমোদ-প্ৰমোদ কৰ সংশোধনী বিল।

গোলাঘাট মহকুমাৰ অন্তৰ্গত মিকিৰ পাহাৰ ট্ৰেক্টৰ ভিতৰত পৰা সৰুপথাৰ আৰু বৰপথাৰ মৌজা সাধাৰণ দেৱানী আৰু ফৌজদাৰী আদালতৰ অধীনলৈ আনিবৰ ব্যৱস্থা কৰিব লাগে বুলি দণ্ডেশ্বৰ হাজৰিকাই অনা প্ৰস্তাৱটো আজি পৰিষদত গৃহীত হয়।

৬ এপ্ৰিল ঃ কামৰূপ সমষ্টিৰ পৰা অসম লেজিছলেটিভ কাউন্সিলৰ বাবে হোৱা উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী উপেন্দ্ৰ নাথ নবীশ নিৰ্বাচিত হয়। তেওঁ ৬২৭টা আৰু ডাঃ জ্যোতিষ চন্দ্ৰ দাসে ২০টা ভোট পায়। ডাঃ দাসে কংগ্ৰেছৰ নিৰ্দেশমতে আগেয়ে প্ৰাৰ্থীপদ প্ৰত্যাহাৰ কৰিছিল। আনহাতে পৰ্বতীয়া অঞ্চলসমূহৰ সাধাৰণ সমষ্টিৰ পৰা অসম লেজিছলেটিভ কাউন্সিলৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী সত্যেন্দ্ৰ মোহন

নেতাই এখন চুক্তিত স্বাক্ষৰ কৰিলে আৰু চুক্তিখনে নিম্নোক্ত বিষয়সমূহ সামৰি ল'লে—

(১) নাগৰিক স্বাধীনতা সম্বন্ধে প্ৰস্তাৱ, (২) আধিপ্ৰাপ্তি আৰু যোগান, (৩) মাটিপট্টন, (৪) লোকেল ব'ৰ্ড সমষ্টিৰ গঠন আৰু (৫) মন্ত্ৰীসভাৰ পুনৰগঠন।

মন্ত্ৰীসভা গঠন সম্পৰ্কে চুক্তিখনত উল্লেখ থাকিল যে ২৩ মাৰ্চত মন্ত্ৰীসভাই ইস্তফা দিব আৰু ছাৰ চৈয়দ মহম্মদ ছাদুল্লাই এখন নতুন মন্ত্ৰীসভা গঠন কৰিব আৰু সেই মন্ত্ৰীসভাৰ সদস্যই সদনত ২৪ মাৰ্চত আসন ল'ব পাৰিব। মন্ত্ৰীসভাখন এনেদৰে পুনৰগঠন কৰা হ'ব—

(১) মুখ্যমন্ত্ৰীকে ধৰি পাঁচজন মুছলমান মন্ত্ৰী নিৰ্ধাৰণ কৰিব ছাৰ মহম্মদ ছাদুল্লাৰ দলে।

(২) পাঁচজন অমুছলমান মন্ত্ৰী বাছিব বিপক্ষ দলে আৰু এওঁলোক হ'ব এনেধৰণৰ— তিনিজন বৰ্ণ হিন্দু, এজন জনজাতীয় আৰু এজন তপছিলভুক্ত।

(৩) যদি মন্ত্ৰীসভাৰ সদস্যৰ সংখ্যা ১১জন কৰা হয়, তেনেহ'লে পৰ্বতীয়া অঞ্চলৰ জনজাতি আৰু ভাৰতীয় খ্ৰীষ্টানক প্ৰতিনিধিত্ব কৰিবৰ কাৰণে সেই লোকসকলে এজনক বাছি দিব।

চুক্তি অনুসাৰে ২৩ মাৰ্চৰ দুপৰীয়া ছাদুল্লাই মন্ত্ৰীপদ ত্যাগ কৰে আৰু নকৈ মন্ত্ৰীসভা গঠন কৰে।

পঞ্চম ছাদুল্লা মন্ত্ৰীসভা
(২৩ মাৰ্চ, ১৯৪৫ৰ পৰা ১১ ফেব্ৰুৱাৰী, ১৯৪৬লৈ)

ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ হোৱাৰ পিচত অসমৰ কংগ্ৰেছীসকলে ইয়াক এক ডাঙৰ বিজয় বুলি গণ্য কৰিছিল আৰু গোপীনাথ বৰদলৈয়ে 'এক নৱযুগৰ আৰম্ভণি' ঘটা বুলি মুকলিভাৱে ঘোষণা কৰিছিল। অৱশ্যে সকলো ভৱা ধৰণে নঘটিল। ২৭ মাৰ্চত তৈয়বুল্লাই কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি হিচাপে এক প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ

লাহিড়ীয়ে লালা বিজয় কুমাৰ সেনক পৰাস্ত কৰি নিৰ্বাচিত হয়।

- এজনো অসমীয়া জীয়াই থাকে মানে অসম পাকিস্তানত নোসোমায় ঃ

'এজন অসমীয়া জীয়াই থকালৈকে অসমক পাকিস্তানৰ ভিতৰুৱা কৰাৰ প্ৰতিবাদ কৰা হ'ব। কংগ্ৰেছেও এই দাবী কেতিয়াও মানি নলয়'— আজি প্ৰধানমন্ত্ৰী বৰদলৈয়ে দিল্লীত মন্ত্ৰী-প্ৰতিনিধিৰ লগত দেখা কৰি ঘূৰি আহি কলিকতাৰ ছাত্ৰ সভা এখনত বক্তৃতা দিওঁতে জিন্নাই অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা দাবীৰ উল্লেখ কৰি এইবুলি কয়। বৰদলৈয়ে জিন্নাক এগৰাকী ফেচিষ্ট মনোভাবী বুলি উল্লেখ কৰি এনে দাবীক হিটলাৰৰ চেকোশ্লভেকীয়া দাবীৰ লগত তুলনা কৰে। জিন্নাৰ যুক্তিসংগত দাবীবোৰ মানিবলৈ কংগ্ৰেছ সাজু বুলি উল্লেখ কৰি তেওঁ কয় যে কিছুমান বাতৰিকাকতে অসমৰ কংগ্ৰেছ মন্ত্ৰীসভাই বংগদেশৰ পমুৱা মুছলমানসকলক বলেৰে খেদি দিব বুলি অপপ্ৰচাৰ চলাইছে। এই প্ৰসংগত তেওঁ কয় যে মুছলিম লীগৰ উচটনিত পূব বংগৰ যিবোৰ মুছলমানে অসমৰ গ্ৰেজিং ৰিজাৰ্ভবোৰ বলেৰে দখল কৰি বসতি কৰিছিল আৰু অসমৰ স্থায়ী বাসিন্দাসকলৰ মাটিত বহিছিল সেই দখলকাৰীবোৰক উঠাবৰ কাৰণে ছাদুল্লা মন্ত্ৰীসভাই যি নীতি গ্ৰহণ কৰিছিল কংগ্ৰেছ মন্ত্ৰীসভাই মাথোন তাকেই দৃঢ়তাৰে হাতত লৈছে।

২১ এপ্ৰিল ঃ সাহিত্যিক পেন্সনাৰ পদ্মনাথ গোহাঞিঁ বৰুৱাৰ পৰলোক ঃ

আজি পুৱা ৯ বজাত সাহিত্যিক পেন্সনাৰ তথা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিঁ বৰুৱাৰ মৃত্যু হয়। তেজপুৰত তেখেতৰ নিজাঘৰত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ পৰলোকপ্ৰাপ্তি হয়। ফুল-মালাৰে সজাই তৰুণ অসম ক্লাব, জিলা ছাত্ৰ ইউনিয়ন, পাৰিজাত সংঘ, বঙালী যুৱক সংঘ আদি অনুষ্ঠানবোৰে তেখেতৰ মৃতদেহ মৰাভৰলী শ্মশানলৈ লৈ যায়। মাননীয় মন্ত্ৰী বিষ্ণুৰাম মেধিক অভ্যাৰ্থনা কৰিবলৈ আয়োজন কৰা স্বেচ্ছাসেৱকসকলৰ গাৰ্ড অৱ্ অনাৰ স্থগিত ৰখা হয়। স্থানীয় কংগ্ৰেছ কৰ্মীসকলৰ সভাত মন্ত্ৰীজনাই

কৰে। এই ত্ৰিপাক্ষিক চুক্তিৰ প্ৰতি তীব্ৰ বিযোদ্গাৰ প্ৰকাশ কৰি তৈয়বুল্লাই কয় যে কংগ্ৰেছৰ নামত বৰদলৈয়ে চৌধুৰী তথা ছাদুল্লাৰ নিচিনা দুগৰাকী যুদ্ধ সহযোগীৰ সৈতে চুক্তি স্বাক্ষৰ কৰাৰ কোনো নৈতিক অধিকাৰ নাই। তৈয়বুল্লাই বৰদলৈৰ বিৰুদ্ধে নেহৰু আৰু কালাম আজাদৰ ওচৰতো গোচৰ তৰিলেগৈ। তেওঁ বিষয়টো বিচাৰৰ কাৰণে অসম প্ৰাদেশিক কংগ্ৰেছৰ পূৰ্ণ অধিৱেশন এখন পতাৰ অনুমতি বিচাৰিলে। অৱশ্যে জৱাহৰলাল নেহৰু আৰু আব্দুল কালাম আজাদে তৈয়বুল্লাৰ এই অভিযোগক বিশেষ গুৰুত্ব সহকাৰে গ্ৰহণ নকৰিলে।

১৯৪৫ চনৰ মাৰ্চৰ ত্ৰিপাক্ষিক চুক্তিখন এক অৰ্থত অসমত বিৰাজ কৰা আতংক আৰু নিৰাপত্তাহীন অৱস্থাটোক নিৰসন কৰাৰ এক প্ৰতিশ্ৰুতি স্বৰূপ আছিল বুলি ক'ব পাৰি। এই চুক্তিখনৰ জৰিয়তে বৰদলৈয়ে তেওঁ দেখা প্ৰদেশখনৰ তেতিয়াৰ আটাইবোৰ প্ৰধান সমস্যা, যেনে— ১৯৪৫ চনৰ জানুৱাৰীৰ মাটিপট্টন সম্পৰ্কীয় ঘোষণা, খাদ্য যোগান, আধিপ্ৰাপ্তিৰ সমস্যা, ৰাজনৈতিক বন্দীৰ মুক্তি আৰু নাগৰিক স্বাধীনতা, লোকেল ব'ৰ্ডৰ আসন বিতৰণ আদি বিষয়ত ছাদুল্লাৰ পৰা তেওঁ বিচৰা ধৰণে প্ৰতিশ্ৰুতি পালে। ইয়াৰ বিনিময়ত ছাদুল্লাই লাভ কৰিলে তেওঁৰ এখন নতুন মন্ত্ৰীসভা আৰু সংসদীয় ৰাজনীতিৰ এক অনুকূল পৰিৱেশ।

কিন্তু ত্ৰিপাক্ষিক চুক্তিয়ে ভবা ধৰণে এটা কামো কাৰ্যকৰী কৰিব নোৱাৰিলে। চুক্তিৰ নাগৰিক স্বাধীনতা সম্পৰ্কীয় প্ৰস্তাৱ অনুসৰি ১৯৪৫ চনৰ এপ্ৰিলৰ ভিতৰতে তিনিভাগৰ দুভাগ ৰাজনৈতিক বন্দীৰ খালাচ কৰাৰ কথা আছিল তথা ১৯৪৫ চনৰ জুনৰ ভিতৰত আন সকলো ৰাজনৈতিক বন্দীক মুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও বাস্তৱত সি কাৰ্যকৰী নহ'ল। ১২ জুলাইত ছাদুল্লালৈ লেখা এখন চিঠিত বৰদলৈয়ে প্ৰায় সত্তৰজন ৰাজনৈতিক বন্দীয়ে যাতনা ভোগ কৰিবলগীয়া হোৱাৰ কাৰণে, খাদ্য আৰু বস্ত্ৰ যোগানত দেখা দিয়া আসোঁৱাহ তথা মাটিপট্টন সংক্ৰান্তত ১৬ জানুৱাৰীৰ

গোহাঞিও বৰুৱাৰ দেহাৱসানে জাতীয় জীৱনৰ অপূৰণীয় ক্ষতিসাধন কৰিলে বুলি এক শোক প্ৰস্তাৱ দাঙি ধৰে।

২৭ এপ্ৰিল ঃ শিলচৰৰ তাৰাপুৰত কাছাৰৰ বিভিন্ন সম্প্ৰদায়ৰ প্ৰতিনিধিসকলে পতা এখন ৰাজহুৱা সভাত কাছাৰ অসমৰ পৰা আঁতৰি নাযায় বুলি ঘোষণা কৰা হয়। এমুঠি বঙালীয়ে কাছাৰবাসীৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে বুলিও কোৱা হয়। সভাত সভাপতিত্ব কৰে অসম পৰিষদৰ সদস্য নিবাৰণ চন্দ্ৰ লস্কৰে।

৩০ এপ্ৰিল ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মাই বংগ পৰিষদৰ কংগ্ৰেছ দলৰ নেতা কিৰণশংকৰ ৰায়ে অসমৰ গোৱালপাৰা আৰু কাছাৰ জিলা দুখনক বংগদেশৰ ভিতৰুৱা কৰিবলৈ দিয়া বিবৃতিৰ ঘোৰ প্ৰতিবাদ কৰি কংগ্ৰেছ সভাপতি মৌলানা আব্দুল আজাদলৈ এখন চিঠি প্ৰেৰণ কৰে।

৩ মে' ঃ অসম প্ৰদেশ কংগ্ৰেছ সংসদীয় দলৰ সাধাৰণ সম্পাদক মহেন্দ্ৰ মোহন চৌধুৰীয়ে সমষ্টি গঠনৰ বিৰোধিতা কৰি মৌলানা আব্দুল কালাম আজাদলৈ এক টেলিগ্ৰাম প্ৰেৰণ কৰে।

৭ মে' ঃ চিমলাত অধিৱেশন চলি থকা সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ফালৰ পৰা সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক জে বি কৃপালনীক এক টেলিগ্ৰাম প্ৰেৰণ কৰি সমষ্টি গঠন অসমৰ প্ৰাদেশিক স্বতন্ত্ৰতাৰ বাবে ভয়ংকৰ হ'ব বুলি কোৱা হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গোপীনাথ বৰদলৈ আৰু তৈয়বুল্লাক দিল্লীলৈ আমন্ত্ৰণ কৰি নি অসমৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈও কৃপালনীক অনুৰোধ জনায়।

১৬ মে' ঃ কেবিনেট মিছনে ভাৰতৰ ভৱিষ্যৎ সংবিধান সম্পৰ্কে তেওঁলোকৰ আঁচনি ঘোষণা কৰে। কেবিনেট মিছন আঁচনিয়ে ভাৰতৰ প্ৰদেশ বা অঞ্চল কেইটাক 'ক', 'খ' আৰু 'গ' নামৰ তিনিটা অংশ বা ছেকচনত ভগালে আৰু তাৰে 'খ' আৰু 'গ' অংশ মুছলমান প্ৰধান কৰাৰ প্ৰয়াস কৰিলে যাতে ভৱিষ্যতে সেই অঞ্চল দুটাৰ ধাৰ্মিক, সাংস্কৃতিক বা ৰাজনৈতিক উৎকৰ্ষ মুছলমান সম্প্ৰদায়ে বিচৰাৰ

ঘোষণা বলৱৎ হৈ থকা কাৰণে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। ইয়াৰ উপৰি বনুৱা সংগঠনৰ লোকৰ ওপৰত চলি থকা নিষেধাজ্ঞা, সুৰমা উপত্যকাৰ কৃষকে শস্য ৰপ্তানিৰ ক্ষেত্ৰত পোৱা বাধা-বিঘিনি আদিক লৈ বৰদলৈয়ে ছাদুল্লাৰ মন্ত্ৰীসভাক দোষাৰোপ কৰিবলৈ আৰম্ভ কৰিলে। কংগ্ৰেছৰ অভ্যন্তৰত চুক্তিখনক লৈ হোৱা অসন্তুষ্টি, চুক্তিখনক লৈ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি তৈয়বুল্লাৰ বিৰূপ মনোভাব আদিয়েও বৰদলৈৰ মনত ভালেমান নেতিবাচক মনোভাবৰ জন্ম দিছিল।

ইপিনে কংগ্ৰেছৰ লেখীয়াকৈ মুছলিম লীগৰ বৰমূৰীয়াসকল ত্ৰিপাক্ষিক চুক্তিৰ মাটিৰ পট্টন বিষয়ক লৈ জ্বলি-পকি উঠিছিল। লীগৰ কেন্দ্ৰীয় সংসদীয় ব'ৰ্ডৰ পৰা ছাদুল্লালৈ উপদেশ আহিল যে মহম্মদ আলী জিন্নাৰ লগত আলচ নকৰাকৈ চুক্তিখন কাৰ্যকৰী কৰাটো উচিত নহ'ব। তেওঁলোকে চুক্তিখনৰ সংশোধনীৰ বাবেও প্ৰস্তাৱ ৰাখিলে। ২৮ জুলাইত ছাদুল্লাই ৰাজহ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰি প্ৰস্তাৱিত সংশোধনীৰ বিষয়ে উল্লেখ কৰিলে। এই সংশোধনীৰ সাৰমৰ্ম আছিল এয়ে যে যিসকল প্ৰব্ৰজনকাৰীয়ে ইতিমধ্যে এবাৰ বীজ সিঁচিছে তেওঁলোকক ব্ৰহ্মপুত্ৰ উপত্যকাত ভৰি দিয়াৰ সময় বিবেচনা নকৰি মাটিপট্টন দিব লাগে। ২৮ জুলাইত ৰোহিণী কুমাৰ চৌধুৰীয়ে এই চিঠিখন অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ হাতত অৰ্পণ কৰে।

এই চিঠিখন পোৱাৰ পিচত কংগ্ৰেছ আৰু ছাদুল্লা মন্ত্ৰীসভাৰ মাজত বিৰোধ তীব্ৰতৰ হৈ উঠে। ছাদুল্লাৰ হাতত পৰিস্থিতি উন্নত কৰাৰ বিশেষ উপায় নথকাত তেওঁ বৰদলৈক পতিয়ন নিয়াবলৈ চেষ্টা কৰি কয় যে অসমেই হৈছে প্ৰথম প্ৰদেশ, যিয়ে নেকি কংগ্ৰেছৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লৈছিল আৰু সত্তৰজন বন্দীক মোকলাই দিছিল। আগষ্টৰ ১৪ আৰু ১৫ তাৰিখে কংগ্ৰেছ সন্মিলিত দল আৰু স্বতন্ত্ৰ মুছলমান দলৰ মাজত এখন সভা অনুষ্ঠিত হয়, য'ত দুয়ো দলৰ ২৫জন সদস্যই অংশগ্ৰহণ কৰে। সভাত

দৰে হয়। এই আঁচনি মতে অসম বংগৰে সৈতে 'গ' ছেকচনত পৰিল।

১৯ মে' ঃ অসমৰ প্ৰধানমন্ত্ৰী বৰদলৈয়ে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ আগত স্মাৰকপত্ৰ প্ৰদান কৰি মন্ত্ৰী মিছনৰ প্ৰস্তাৱবিলাক গ্ৰহণ নকৰিবলৈ অনুৰোধ জনায়।

২১ মে' ঃ অসমক বংগদেশৰ লগত জাপি দি এটা সুকীয়া সমষ্টি গঠন কৰিবলৈ মন্ত্ৰী মিছনে যি প্ৰস্তাৱ দাঙি ধৰিছে তাৰ বিৰোধিতাত ২৪ মে'ৰ দিনটো সমষ্টি গঠন বিৰোধী দিন হিচাপে পালন কৰিবলৈ অসমৰ বিভিন্ন জিলা আৰু শাখা ইউনিয়নলৈ অসম ছাত্ৰ ইউনিয়নে গোহাৰি জনায়। ইউনিয়নৰ প্ৰধান সম্পাদক বিশ্বনাথ গোস্বামীয়ে এই গোহাৰিযোগে অসমৰ সকলো জনসাধাৰণক সভা-শোভাযাত্ৰা আদিৰে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

২২ মে' ঃ স্বাধীন ভাৰতত স্বাধীন অসম গঢ়ি তুলিবলৈ অসমবাসী দৃঢ়প্ৰতিজ্ঞ ঃ

ভাৰতৰ ভৱিষ্যৎ শাসনতান্ত্ৰিক সমস্যা সমাধানৰ বাবে মন্ত্ৰী প্ৰতিনিধিসকলে ঘোষণা কৰা বিবৃতিত অসম আৰু বংগক লগ কৰি এটি সমষ্টি গঠন কৰিবলৈ যি প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱ অসমৰ জাতীয় স্বাৰ্থৰ সম্পূৰ্ণ বিৰোধী বুলি ৰাজহুৱা প্ৰতিবাদ কৰিবৰ কাৰণে গোৱালপাৰা জিলা কংগ্ৰেছ কমিটীয়ে স্থানীয় 'আছাম ক্লাব' হলত এখন ৰাজহুৱা সভা পাতে। সভাত সভাপতিত্ব কৰে বিজয়চন্দ্ৰ ভাগৱতীয়ে। এই সৰ্বনশীয়া পৰিস্থিতিয়ে অসমৰ স্বাৰ্থ জলাঞ্জলি দিব বুলি উল্লেখ কৰি তেওঁ কয় যে অসম আৰু বংগই একেলগে প্ৰত্যেকৰে প্ৰাদেশিক শাসনতন্ত্ৰ গঠন কৰাৰ পিচত অসম প্ৰস্তাৱিত সমষ্টিৰ পৰা ওলাই যোৱা-নোযোৱাৰ কোনো বিশেষ পাৰ্থক্য নাথাকিব। শাসনতন্ত্ৰ ৰচনা হোৱাৰ লগে লগে অসমৰ হ'ব লগা গোটেইখিনি সৰ্বনাশ হৈ যাব। অসম-বংগৰ মুঠ ৭০জন প্ৰতিনিধিৰ ভিতৰত ১০জন অসমৰ থাকিব। তাৰে ৩জন মুছলমান লীগপন্থী আৰু এজন বা দুজন সুৰমা উপত্যাকাৰ। গতিকে অসম উপত্যকাৰ ৫ বা ৬জন প্ৰতিনিধিহে অসমৰ স্বাৰ্থৰক্ষাৰ কাৰণে

মুছলিম লীগৰ ফালৰ পৰা অহা ভূমিপট্টন সম্পৰ্কীয় সংশোধনৰ বিষয়ে আলোচনা কৰা হয় আৰু সভাই এনে সংশোধনী নাকচ কৰে। অৱশেষত সভাই ত্ৰিপাক্ষিক চুক্তি কাৰ্যকৰী নকৰা বিষয়টোক কেন্দ্ৰ কৰি এই বিষয়ত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বৰদলৈক ক্ষমতা প্ৰদান কৰে আৰু সেই অনুসাৰে ২১ আগষ্টত বৰদলৈয়ে ছাদুল্লালৈ এখন প্ৰতিবাদপত্ৰ প্ৰেৰণ কৰে। অৱশেষত ত্ৰিপাক্ষিক চুক্তি কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত বৰদলৈয়ে ছাদুল্লা মন্ত্ৰীসভাৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰে আৰু ১৯৪৫ চনৰ ১ অক্টোবৰত মন্ত্ৰীসভা ভংগ কৰি দিয়া হয়। অৱশ্যে ১৯৪৬ চনৰ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা নিৰ্বাচনলৈ তত্ত্বাৱধায়ক (care-taker) চৰকাৰখনৰ মুৰব্বীৰ ভাৰ চলাই নিবলৈ ছাদুল্লাক অনুমতি প্ৰদান কৰা হয়।

১৯৪৫ চনৰ ত্ৰিপাক্ষিক চুক্তিখন কাৰ্যকৰী নহ'ল যদিও কংগ্ৰেছৰ তৰফৰ পৰা বাছি দিয়া মন্ত্ৰীসকল গুৰুত্বপূৰ্ণ পদবীত থকা বাবে মুছলিম লীগে বিচাৰিলেও মাটিপট্টনৰ ক্ষেত্ৰত পমুৱাৰ সহায়ক সংশোধন সংঘটিত নহ'ল। ১৯৪৫ৰ আগষ্টৰ প্ৰথম ভাগত দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পিচত অসমৰ বিভিন্ন কাৰাগাৰত বন্দী হৈ থকা কংগ্ৰেছীসকল মুকলি হ'বলৈ আৰম্ভ কৰে আৰু ফলত প্ৰদেশখনত কংগ্ৰেছৰ শক্তি বৃদ্ধি হ'বলৈ ধৰে। যুদ্ধৰ অন্তত ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত অসমত কংগ্ৰেছ দলে সংখ্যাগৰিষ্ঠতা লাভ কৰিলে আৰু ফলত অসমত প্ৰথম সম্পূৰ্ণ কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠা হ'ল।

যুঁজিব লাগিব। কিন্তু ৭০জনৰ পৰিষদত ৫ বা ৬জনৰ কোনো কথাই নিটিকিব অৰ্থাৎ অসম আৰু অসমীয়াৰ সকলো স্বাৰ্থ বঙালীৰ হাতৰ মুঠিলৈ গুচি যাব আৰু অসমীয়াৰ স্বাৰ্থ চিৰদিনলৈ লোপ পাব।

আনহাতে ২৪ মে'ত উজান বজাৰ বালিকা বিদ্যালয় প্ৰাংগণত গুৱাহাটীৰ জনতা সেৱিকাই সংঘৰ তৰফৰ পৰা ব্ৰিটিছ মন্ত্ৰী প্ৰতিনিধি দলৰ অসমক বংগদেশৰ লগত চামিল কৰি 'গ' সমষ্টিত পেলোৱা আঁচনিৰ প্ৰতিবাদত এখন সভা অনুষ্ঠিত হয় আৰু সমগ্ৰ ভাৰতৰ স্বাধীনতা আনিবৰ কাৰণে অসমে কেতিয়াও নিজৰ স্বাধীনতাক বলি দিব নোৱাৰে বুলি দোহৰা হয়।

২৪ মে' ঃ গুৱাহাটীত সমষ্টি গঠন বিৰোধ দিন ঃ

বংগদেশৰ সৈতে 'গ' সমষ্টিত অসমক জাপি দি মন্ত্ৰী প্ৰতিনিধি দলে অসমৰ অনুকূলে শাসনতন্ত্ৰ ৰচনাত বাধা দিয়া বুলি অভিযোগ তুলি অসম ছাত্ৰ ইউনিয়নৰ আহ্বানমৰ্মে গুৱাহাটীৰ কাৰ্জন হলত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। নিৰ্দিষ্ট বক্তা বিজয় চন্দ্ৰ ভাগৱতীয়ে অসমক বংগদেশৰ লগত 'গ' সমষ্টিত সাঙুৰি দিয়াৰ বিৰুদ্ধে সকলো কথা ফঁহিয়াই দেখুৱায়। তেওঁ কয় যে অসমৰ ভাষা, ঐতিহ্য আদি সকলো বংগদেশৰ পৰা পৃথক। বংগদেশৰ লগত অসমক জাপি দিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে। ভাগৱতীয়ে আৰু কয় যে মন্ত্ৰী প্ৰতিনিধিসকলৰ এই প্ৰস্তাৱৰ দ্বাৰা অসমৰ আত্মনিয়ন্ত্ৰণাধিকাৰ অস্বীকাৰ কৰা হৈছে। অতীতৰ অৱস্থালৈ আঙুলিয়াই তেওঁ কয় যে ইষ্ট ইণ্ডিয়া কোম্পানীৰ দিনতো অসম জাতীয় সংকটৰ সন্মুখীন হৈছিল। তেতিয়া অসমত বংগ ভাষা চলোৱাৰ ব্যৱস্থা হৈছিল। তাৰ পিচত ব্ৰিটিছৰ নিগাজি শাসনৰ দিনতো অসমৰ বিৰুদ্ধে বহুতো ষড়যন্ত্ৰ চলিল। অসমৰ বুকুৰ পৰা পাহাৰীয়া ভাইসকলক কাঢ়ি নিবৰ কাৰণে ব্ৰিটিছ চৰকাৰে শাসন বহিৰ্ভূত অঞ্চল আৰু আংশিকভাৱে শাসন বহিৰ্ভূত অঞ্চল আদি বিভাগ কৰি অসমীয়া জাতিক খণ্ড-বিখণ্ড কৰিলে।

'দৈনিক অসমীয়া'ৰ সম্পাদক দেৱকান্ত বৰুৱাই কয় যে কেবিনেট

বৰদলৈ মন্ত্ৰীসভা

১৯৪৫ চনত বিশ্বক আচৰিত কৰি লেবাৰ পাৰ্টীয়ে ব্ৰিটেইনৰ ক্ষমতা দখল কৰাৰ পিচত ভাৰতৰ স্বাধীনতাৰ পথ সুগম হৈ পৰে। ১৯৪৫ চনৰ আগষ্ট মাহত ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ঘোষণা হ'ল। যিহেতু দ্বিতীয় বিশ্বযুদ্ধৰ বাবে এনে নিৰ্বাচন অনুষ্ঠিত হ'ব পৰা নাছিল, সেয়েহে ব্ৰিটিছ চৰকাৰে ঘোষণা কৰিলে যে ১৯৪৫ চনৰ শেষৰ ফালে ভাৰতবৰ্ষত নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। ভাৰতবৰ্ষৰ ভাইচৰয় লৰ্ড ৱাভেলক লণ্ডনলৈ মাতি পঠিওৱা হ'ল আৰু ভাৰতবৰ্ষলৈ প্ৰত্যাৱৰ্তন কৰাৰ পিচত ১৯৪৫ চনৰ ১৯ ছেপ্টেম্বৰত সংবিধান সভা গঠন সম্পৰ্কে

মিছ্নৰ প্ৰস্তাৱবোৰৰ দ্বাৰা ভাৰতৰ স্বাধীনতাৰ দাবী স্বীকৃত হৈছেনে নাই তাৰ বিচাৰ কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে কৰিব। আমাৰ সমস্যা হৈছে তাৰ পৰা অসমৰ কি লাভ-লোকচান হ'ব সেইটো। কেবিনেট মিছ্নৰ প্ৰস্তাৱিত শাসনতন্ত্ৰ— বিশেষকৈ অসম আৰু বংগদেশক লৈ সমষ্টি শাসনতন্ত্ৰ গঠিত হ'লে যে অসমৰ অস্তিত্ব ঘোৰ বিপদগ্ৰস্ত হ'ব সেই সম্পৰ্কে দ্বিমত নাই। তেওঁ পুনৰ দোহাৰে যে যদিও কেবিনেট মিছ্নৰ প্ৰস্তাৱত প্ৰাদেশিক স্বায়ত্ততাৰ কথা উল্লেখ আছে তথাপি মিছ্নৰ বিবৃতি আৰু কুপলেণ্ড ৰিপ'ৰ্টৰ পৰা এইটো বুজিব পাৰি যে যুদ্ধোত্তৰ পৰিকল্পনা আদি আৱশ্যকীয় বিষয়বোৰ চৰকাৰৰ হাতলৈ যাব। অসমৰ প্ৰাকৃতিক সম্পদ ব্যৱহৃত হ'ব বংগদেশৰ মানুহৰ কাৰণে। লগে লগে বংগদেশৰ বিপুল লোক সংখ্যাৰ হেঁচাত অসমীয়াৰ অস্তিত্বও নৰ'বগৈ।

সমজুৱাৰ মাজৰ পৰা মৌঃ মুহবুদ্দিন আহমেদে কয় যে অসমে আগতেই দুটা 'পাকিস্তান' পাইছে। এটা হৈছে বি-এ ৰে'লৱে আৰু আনটো হৈছে ডাক আৰু তাঁৰ বিভাগটো। এই দুয়োটা বিভাগ অসম আৰু বংগৰ কাৰণে উমৈহতীয়া। কিন্তু দুয়োটাতে অসমীয়া মানুহ নায়েই। মন্ত্ৰীসকলৰ প্ৰস্তাৱত অসমক তেনেধৰণৰ পাকিস্তানেই দিব খোজা হৈছে। অসমৰ হিন্দু-মুছলমান সকলোৰে বাবে এনে প্ৰস্তাৱ অনিষ্টকাৰক বুলি তেওঁ কয়। সভাত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমৰ এই দুৰ্যোগৰ সময়ত ২ লাখ ডেকাক কাৰ্যক্ষেত্ৰত নামিবলৈ আহ্বান জনায়। ধীৰেশ্বৰ কলিতা আৰু ভূপেন ফুকনেও সভাত বক্তৃতা দিয়ে।

২৬ মে'ঃ 'অসম আজি গুৰুতৰ বিপদৰ সন্মুখীন। এই বিপদ হিন্দু, মুছলমান, ট্ৰাইবেল, খ্ৰীষ্টান সকলো অসমবাসীৰে। আমি স্বাধীন হ'বৰ যোগ্য নহয়— যদি দেশৰ এই সন্ধিক্ষণত সকলোৱে মুঠি বান্ধি এই দুৰ্যোগ খণ্ডাব নোৱাৰো। মই জানো — অসমবাসী কাপুৰুষ নহয়'— মিছ্নৰ অন্যায় প্ৰস্তাৱৰ বিৰুদ্ধে আজি প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে এখন ৰাজহুৱা সভাত এনে অভিমত ব্যক্ত কৰে। এনে অন্যায়ৰ বিৰুদ্ধে অসমে অকলে হ'লেও যুঁজিব

এটা ঘোষণা আগবঢ়ালে। ছেপ্টেম্বৰ মাহত বোম্বাইত অনুষ্ঠিত সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ অধিৱেশনত এই ব্ৰিটিছ প্ৰস্তাৱ সম্পৰ্কে গভীৰভাৱে আলোচনা হ'ল। যিহেতু তেওঁ ঘোষিত প্ৰস্তাৱত ভাৰতৰ স্বাধীনতা বিষয়ক কোনো কথা নাছিল, সেয়েহে ব্ৰিটিছৰ প্ৰস্তাৱৰাজিক অস্পষ্ট তথা সন্তোষজনক নহয় বুলি কোৱা হ'ল। অৱশ্যে ভাৰতৰ জনসাধাৰণৰ সামগ্ৰিক আকাংক্ষালৈ লক্ষ্য ৰাখি দলটোৱে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত ল'লে আৰু নিৰ্বাচনী ইস্তাহাৰত অন্যান্য বিষয়ৰ লগতে স্বাধীনতাপ্ৰাপ্তিৰ বিষয়টোক মূল বিষয় হিচাপে লোৱা হ'ল।

কংগ্ৰেছ আৰু মুছলিম লীগে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱাৰ পিচত অসমত দুয়োটা দলে নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰি উলিয়ালে। ১৯৪৫ চনৰ ছেপ্টেম্বৰৰ পৰা অসমৰ ব্ৰহ্মপুত্ৰ আৰু সুৰমা (বৰ্তমানৰ বৰাক) উপত্যকাত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাবলৈ ধৰিলে। কংগ্ৰেছ আৰু মুছলিম লীগৰ বাদেও হিন্দু মহাসভা, ভাৰতৰ কমিউনিষ্ট পাৰ্টী (চি পি আই), জমিয়ত-উল-উলেমা, আহোম সংঘ আৰু ট্ৰাইবেল লীগেও নিৰ্বাচনত অংশগ্ৰহণ কৰিলে। কংগ্ৰেছ আৰু লীগৰ বাদে বাকী দলবোৰৰ সাংগঠনিক ভেটি মজবুত নাছিল আৰু আদৰ্শগত ফালৰ পৰাও এইসমূহৰ সাৰ্বজনীন জনপ্ৰিয়তা নাছিল। তৎসত্ত্বেও কংগ্ৰেছ আৰু মুছলিম লীগ দুয়োটা দলেই এই ক্ষুদ্ৰ দলবোৰৰ সৈতে এক আপোচ কৰিবলৈ প্ৰয়াস কৰিছিল।

অসমৰ পটভূমিত কংগ্ৰেছ আৰু চি পি আই দলৰ মাজত বুজা-পৰা হোৱাৰ ক্ষেত্ৰত ভালেমান প্ৰতিবন্ধকে দেখা দিছিল। ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ সময়তে চি পি আই দলে কংগ্ৰেছৰ আদৰ্শৰ প্ৰতি বিৰোধ ভাব দেখুৱাইছিল। বহুতো কমিউনিষ্ট মনোভাবাপন্ন সদস্যাই কংগ্ৰেছৰ সংস্পৰ্শ ত্যাগ কৰিছিল আৰু অসমৰ সুৰমা উপত্যকাত কংগ্ৰেছ-চি পি আইৰ মাজত থকা বিৰোধে পূৰ্ণ ৰূপ ধাৰণ কৰিছিল। চি পি আইৰ অসম প্ৰাদেশিক কমিটীয়ে সুৰমা উপত্যকাৰ যিবোৰ ঠাইত তেওঁলোকৰ স্থিতি সবল, সেই

বুলি তেওঁ দৃঢ়তা প্ৰদৰ্শন কৰে।

● অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ৱৰ্কিং কমিটীয়ে সমষ্টি বিৰোধী আন্দোলনৰ যাৱতীয় কাম পৰিচালনা কৰিবলৈ এখন কৰ্ম পৰিষদ গঠন কৰে। কৰ্ম পৰিষদৰ সদস্যসকল হ'ল— জগদীশচন্দ্ৰ মেধি, লক্ষীধৰ বৰা, হেমকান্ত বৰুৱা আৰু প্ৰধান সম্পাদক। কমিটীয়ে আগেয়ে নিযুক্ত কৰা সঁজাতী দলৰ লগতে কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, হৰেশ্বৰ গোস্বামী, নীলমণি ফুকন, ৰোহিণী কুমাৰ চৌধুৰী আৰু ফখৰুদ্দিন আলী আহমেদৰ নামো যোগ দিয়ে।

২৭ মে' ঃ শতকৰা ৯৯জন কাছাৰবাসীয়ে কাছাৰ জিলা অসমত থকাটো বিচাৰে বুলি অভিমত ব্যক্ত কৰি কাছাৰ জিলা যোগী সন্মিলনৰ সম্পাদক চূড়ামণি নাথে লিখা এখন চিঠি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মাৰ হাতত পৰে।

২৮ মে' ঃ ১৬ মে'ত ব্ৰিটিছ মন্ত্ৰীদূতসকলে ভাৰতৰ শাসনতন্ত্ৰ সম্পৰ্কে যি আঁচনি দাঙি ধৰিছে সেই আঁচনিয়ে অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱন বিপন্ন কৰি তোলাৰ শংকা ব্যক্ত কৰি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে ৫ জুনত অসমবাসীক সমষ্টি মিছনৰ আঁচনি বিৰোধী দিন পালন কৰিবলৈ আহ্বান জনায়।

২৯ মে' ঃ মন্ত্ৰী মিছনৰ প্ৰস্তাৱৰ বিৰুদ্ধে আৰু অসমৰ জাতীয় দাবীৰ সপক্ষে জনমত গঠন কৰাৰ উদ্দেশ্যে এটি সঁজাতী দল কলিকতা অভিমুখে যাত্ৰা কৰে। দলটোৰ সদস্যসকল হৈছে— হৰেন্দ্ৰনাথ বৰুৱা, হৰেশ্বৰ গোস্বামী, পুষ্পলতা দাস, নবীন চন্দ্ৰ গোস্বামী আৰু কামাখ্যা প্ৰসাদ ত্ৰিপাঠী। এওঁলোকে বংগ, উৰিষ্যা, বিহাৰ, যুক্ত প্ৰদেশ আদি ঘূৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলক লগ ধৰিব আৰু অসমৰ সমস্যাৰ প্ৰতি তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিব।

৩১ মে' ঃ নটা ৰিজাৰ্ভত উচ্ছেদ কাৰ্য চলোৱা হয়। ইয়াৰে চাৰিটা মঙলদৈৰ আৰু তিনিটা বৰপেটা আৰু বাকী দুটা বৰপেটা মহকুমাৰ অন্তৰ্গত।

● মঙলদৈ মহকুমাত অসম মুছলিম লীগৰ সভাপতি আব্দুল হামিদ খান

আটাইবোৰ আসনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত ল'লে। অৱশ্যে দলটোৱে কংগ্ৰেছৰ সৈতে এক বুজা-পৰালৈ আহিব খুজিছিল যদিও কংগ্ৰেছ দলটোৱে এইক্ষেত্ৰত নিৰাসক্তি প্ৰদৰ্শন কৰাত যুটীয়া ফ্ৰন্ট এটা গঠনৰ আশাত চেঁচাপানী পৰিল।

চি পি আইৰ ক্ষেত্ৰত কংগ্ৰেছে নিজৰ নিৰাসক্ত মনোভাব প্ৰকট কৰিছিল যদিও আহোম সংঘ বা ট্ৰাইবেল লীগৰ ক্ষেত্ৰত দলটোৰ মনোভাব আছিল সম্পূৰ্ণ সুকীয়া। কংগ্ৰেছে দুয়োটা দলৰ লগত বুজা-পৰালৈ আহিব খুজিছিল অথচ বাস্তৱত সি সম্ভৱ হৈ নুঠিল আৰু তেওঁলোকে নিৰ্বাচনত নিজাববীয়াকৈ যুঁজাৰ সিদ্ধান্তত অটল হৈ থাকিল।

অসমত দীৰ্ঘদিনৰ বাবে মুছলিম লীগে শাসন চলাই আহিছিল যদিও দলটোৰ বাবে জমিয়ত-উল-উলেমাই প্ৰত্যাহ্বান কঢ়িয়াই আনিলে। সুৰমা উপত্যকাত জমিয়তৰ যথেষ্ট প্ৰভাৱ আছিল অথচ ব্ৰহ্মপুত্ৰ উপত্যকাত জমিয়তৰ প্ৰভাৱ আছিল তেনেই সীমিত। গোৱালপাৰা, কামৰূপ আৰু নগাঁও জিলাৰ অভিবাসী মুছলমানসকলৰ মাজত লীগৰ প্ৰভাৱ সৰ্বাত্মক আছিল বাবে এইবোৰ আসনত জমিয়তৰ সম্ভাৱনা আছিল তেনেই ক্ষীণ।

১৯৪৫ৰ ৮ অক্টোবৰত গুৱাহাটীত বৰদলৈৰ সভাপতিত্বত কংগ্ৰেছ সংসদীয় উপ-কমিটীখন গঠন কৰা হয়। ফখৰুদ্দিন আলী আহমেদ, বিষ্ণুৰাম মেধি, ভুৱনেশ্বৰ বৰুৱা, অমিয় কুমাৰ দাস, অক্ষয় কুমাৰ দাস, বিমলা প্ৰসাদ চলিহাক কমিটীত সদস্য হিচাপে আৰু সিদ্ধিনাথ শৰ্মা আৰু তৈয়বুল্লাক পদেন সদস্য হিচাপে মনোনীত কৰা হয়। এই সমিতিৰ সিদ্ধান্ত অনুযায়ী চিলেট আৰু কাছাৰ জিলা কংগ্ৰেছৰ চাৰিগৰাকী সদস্যকো এই সমিতিত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হয়। সুৰমা উপত্যকাক ইতিমধ্যে বংগীয় প্ৰাদেশিক কমিটীৰ সৈতে সংযোজিত কৰা হৈছিল বাবে এই তৎপৰতা গ্ৰহণ কৰা হৈছিল। অৱশ্যে প্ৰাৰ্থী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত সুৰমা উপত্যকাৰ কংগ্ৰেছীসকলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সৈতে অসহযোগিতা প্ৰদৰ্শন কৰিলে আৰু এইক্ষেত্ৰত

উপস্থিত হৈ উচ্ছেদ বিৰোধী প্ৰচাৰ অভিযান চলায়।

৫ জুন ঃ গুৱাহাটীত সম্পূৰ্ণ সফলতাৰে সমষ্টি বিৰোধী দিন পালন কৰা হয়। পুৱা ৮ বজাত জুবিলী পথাৰৰ পৰা এটি সমদলে 'স্বাধীন ভাৰতত স্বাধীন অসম', 'স্বতন্ত্ৰতা আমাৰ দাবী', 'সমষ্টি গঠন হ'বই নোৱাৰে' আদি ধ্বনিৰে নগৰৰ ঘাই ঘাই আলিবাটবোৰ পৰিভ্ৰমণ কৰে। সন্ধিয়া কাৰ্জন হলত পৱিত্ৰ কুমাৰ গুপ্তৰ সভাপতিত্বত হেজাৰ হেজাৰ লোকৰ এক বিৰাট ৰাজহুৱা সভা হয়। সভাত ৰোহিণী কুমাৰ চৌধুৰী, মৌঃ হেৰাছত উল্লা, নিখিল ভাৰত কংগ্ৰেছৰ ৱৰ্কিং ছেক্ৰেটাৰী পি এম যোশী, কেদাৰ নাথ ব্ৰানিল, মৌঃ মহিবুদ্দিন আহমেদ, চৰ্দাৰ লাল সিং, শংকৰ তিৱাৰী আদিয়ে বক্তৃতা প্ৰদান কৰে। বংগৰ কমিউনিষ্ট পাৰ্টিৰ বিশ্বনাথ মুখাৰ্জীয়ে প্ৰাদেশিক স্বতন্ত্ৰতা ক্ষুণ্ণ কৰি অসমক ইচ্ছাৰ বিৰুদ্ধে সমষ্টিভুক্ত কৰাটো কমিউনিষ্ট দলে সমৰ্থন নকৰে বুলি কয়। সকলো প্ৰদেশৰ ভাষা-সংস্কৃতি সুকীয়াভাৱে গঢ়ি উঠিবলৈ দিব লাগে বুলি উল্লেখ কৰি বংগৰ কমিউনিষ্টসকলে এই সমষ্টি গঠন নামানে বুলি কয়।

- অসমক 'গ' সমষ্টিৰ অন্তৰ্ভুক্ত কৰাৰ তীব্ৰ প্ৰতিবাদ জনাই অসম পৰিষদৰ কংগ্ৰেছ দলৰ সদস্য ট্ৰাইবেল নেতা ধৰণীধৰ বসুমতাৰীয়ে এক বিবৃতিযোগে ট্ৰাইবেলসকলে এই চক্ৰান্তৰ বিৰুদ্ধে শেহলৈ যুঁজ দিব বুলি উল্লেখ কৰে। বিবৃতিটোত তেওঁ কয় যে যদি অসম 'গ' সমষ্টিত থকিবলগীয়া হয় তেন্তে অসমৰ পতিত মাটি ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰিব। মৈমনসিঙীয়া পমুৱাবোৰৰ মাটি-বাৰী নাই বুলি তেওঁলোকৰ কাৰণে সকলো পতিত মাটি খুলি দিবলগীয়া হ'ব। ফলত গোটেই অসমত চৰুৱা মুছলমান ভৰি পৰিব আৰু অসমৰ হোজা ট্ৰাইবেলসকলে এওঁসকলৰ লগত একেলগে বাস কৰিব নোৱাৰিব। ছাদুল্লা চৰকাৰৰ সময়ত বহুতো ট্ৰাইবেলে ঘৰ-বাৰী এৰি পলাবলগীয়া হৈছিল বুলিও তেওঁ উল্লেখ কৰে।

৬ জুন ঃ আজি সন্ধিয়া দিল্লীত অনুষ্ঠিত এক বৈঠকত গৃহীত হোৱা প্ৰস্তাৱ অনুসৰি নিখিল ভাৰত মুছলিম লীগ

তেওঁলোকে বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ নিৰ্দেশনা মানি চলাটো ঠিক কৰিলে।

ইপিনে কেন্দ্ৰীয় বিধায়িনী পৰিষদৰ প্ৰাৰ্থী মনোনীত কৰাক কেন্দ্ৰ কৰিও অসমত এক সংকটৰ সৃষ্টি হৈছিল যদিও অক্টোবৰৰ মাজভাগত ৰোহিণী কুমাৰ চৌধুৰীয়ে কংগ্ৰেছত যোগ দিয়াত দলটোৱে এক ডাঙৰ সকাহ লাভ কৰিলে। নৱেম্বৰ মাহত ৰোহিণী কুমাৰ চৌধুৰী আৰু অৰুণ কুমাৰ চন্দ বিনাপ্ৰতিদ্বন্দ্বিতাৰে কেন্দ্ৰীয় পৰিষদলৈ অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ পৰা নিৰ্বাচিত হয়। মুছলমানৰ বাবে থকা আসনখনৰ বাবে মুছলিম লীগে আলী আজগৰ খানক মনোনীত কৰে আৰু ইউৰোপীয়সকলৰ পৰা কেন্দ্ৰীয় পৰিষদলৈ মনোনীত হয় পি জে গ্ৰিফিথ।

১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত মুছলিম লীগে ইয়াৰ নিৰ্বাচনী প্ৰচাৰত পাকিস্তানৰ দাবীটো প্ৰধান বিষয় কৰাত কংগ্ৰেছে ভাৰতৰ পূৰ্ণ স্বতন্ত্ৰতা আৰু দেশৰ শাসনভাৰৰ পৰা ব্ৰিটিছ আঁতৰি যোৱাৰ দাবীটো সজোৰে তুলিলে। এই দাবীৰ লগতে অসমৰ নিজাববীয়া কিছু সমস্যা আছিল বাবে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ৰাজ্যখনৰ সুকীয়া সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত অসমৰ পৰা চিলেটক পৃথক কৰাৰ দাবী তুলিলে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ৰাইজলৈ এনেদৰে আহ্বান জনালে— 'যদিহে অসম প্ৰদেশখন অসমীয়া আৰু সংস্কৃতিৰ আধাৰত গঠন কৰিব পৰা নাযায় তেন্তে অসমীয়া জাতি আৰু সংস্কৃতিৰ অস্তিত্ব অসম্ভৱ হৈ পৰিব। বাংলাভাষী চিলেট আৰু কাছাৰ (সমতলভূমি) অসমত অন্তৰ্ভুক্ত কৰাৰ বাবে তথা পতিত মাটিত বহুৱাবৰ বাবে প্ৰব্ৰজন কৰা বা আমদানি কৰা লাখ লাখ বঙালীয়ে অসমৰ স্বতন্ত্ৰতা নোহোৱা কৰি পেলাইছে। ইয়াৰ ফলত প্ৰদেশখনৰ প্ৰশাসনতো ভালেমান উচ্ছৃংখলতাই বিৰাজ কৰিছে। ইয়াৰ এক সঠিক সমাধানৰ বাবে আৰু অসমবাসীৰ আগত দেখা দিয়া এই বৃহৎ সমস্যা সমাধান কৰাৰ বাবে কংগ্ৰেছ দলক বিধানসভাত সৰ্ববৃহৎ দল

কাউঞ্চিলে মন্ত্ৰী মিছনৰ আঁচনি গ্ৰহণ কৰিবলৈ আৰু শাসনতন্ত্ৰ ৰচনাকাৰী পৰিষদত যোগদান দিবলৈ সন্মত হয়।

● ১৬৪৬জন পমুৱাই মঙলদৈ মহকুমাৰ দুটা ৰিজাৰ্ভত আকৌ পঁজাঘৰ সাজে। ইতিমধ্যে মুছলিম লীগৰ কেন্দ্ৰীয় নেতৃবৃন্দ লিয়াকৎ আলী খান আৰু খালিকুক জামান মঙলদৈত উপস্থিত হয়।

৮ জুন ঃ অসম চৰকাৰে কংগ্ৰেছৰ ওপৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে।

৯ জুন ঃ 'অসমক বংগদেশৰ লগত সাঙুৰি দিয়াৰ কোনো যুক্তি নাই। এইদৰে প্ৰদেশবিলাকৰ সৈতে সমষ্টি গঠন কৰা ঘোৰ অন্যায়। এনে কৰা মন্ত্ৰী মিছনৰ স্পষ্ট ঘোষণাৰ ১৫ (৫) দফাৰ সম্পূৰ্ণ বিৰোধী। যিয়েই নহওক মোৰ বিশ্বাস যে অসমীয়া ৰাইজে স্পষ্টভাৱে তেওঁলোকৰ মনোভাৱ প্ৰকাশ কৰি সমষ্টিৰ পৰা ওলাই আহিব পাৰিব। অসমতকৈ পঞ্জাবৰ অৱস্থা আৰু শোচনীয়। আপোনালোকৰ অৱস্থা সহজে উপলব্ধি কৰিছো আৰু আমি পৰস্পৰৰ প্ৰতি সহানুভূতিশীল।' — পঞ্জাব পৰিষদৰ কংগ্ৰেছ দলৰ নেতা ভীমসেন ছাচাৰে অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী দলৰ ছেক্ৰেটাৰী মহেন্দ্ৰ মোহন চৌধুৰীলৈ এনেদৰে লিখা এক পত্ৰ প্ৰেৰণ কৰে।

২৬ জুন ঃ বৰদলৈ চৰকাৰৰ উচ্ছেদ অভিযানৰ বিৰোধ কৰি মঙলদৈত মুছলিম লীগৰ বিশাল বিক্ষোভ। আয়োজিত সভাত দখলকাৰীসকলক স্থানীয় কৰ্তৃপক্ষৰ কৰ্তৃত্ব আৰু আদেশ অমান্য কৰিবলৈ উত্তেজিত কৰোৱা হয়। ইয়াৰ পিচত আন পমুৱা মুছলমানে নাৱেৰে, ৰে'লেৰে বা খোজকাঢ়ি আহি নামনি অসমৰ আটাইবোৰ নদী কাষৰীয়া মাটি দখল কৰে।

● বংগদেশৰ মুখ্যমন্ত্ৰী খালিকুক জামান অসমলৈ অহাৰ সংবাদ পাই মুছলিম লীগৰ নেতাসকলে মঙলদৈ মহকুমাত ক্ষোভ প্ৰদৰ্শন কৰিবৰ বাবে এক অনুষ্ঠানৰ আয়োজন কৰে।

৯ জুলাই ঃ অসম মুছলিম লীগ পাৰ্লিয়ামেণ্টেৰী দলৰ সাধাৰণ সম্পাদক খান বাহাদুৰ, নৰুল হুছেইন খান, মুছলিম লীগ দলৰ চীফ হুইপ খান চাহেব মুজাব্বিৰ হুছেইন চৌধুৰী

হিচাপে প্ৰতিষ্ঠা কৰক।'

কংগ্ৰেছে অসমৰ ৰাইজলৈ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত দিয়া এই আহ্বানৰ ফলত দলটো অসমীয়া জাতীয়তাবাদৰ ধ্বজাবাহকলৈ ৰূপান্তৰিত হ'ল আৰু অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী নেতৃত্বাধীন অসম জাতীয় মহাসভাৰ লগত দলটোৰ আদৰ্শগত পাৰ্থক্য কমি আহিল। উল্লেখ্য যে অসম জাতীয় মহাসভাই অসমত বংগীয় প্ৰব্ৰজনকাৰীৰ পৰা হোৱা ভাষিক আৰু সাংস্কৃতিক আগ্ৰাসনক সকলোধৰণে প্ৰত্যাহ্বান জনাবলৈ অসমবাসীক মাৰবান্ধি থিয় দিবলৈ আহ্বান জনাইছিল আৰু অসমৰ অস্তিত্ব ৰক্ষা কৰাৰ স্বাৰ্থত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো খিলঞ্জীয়া লোকক এক হ'বলৈ বাৰম্বাৰ অনুৰোধ জনাইছিল। অসমৰ মাটি, সংস্থাপন আদি সকলো ক্ষেত্ৰতে প্ৰব্ৰজনকাৰীসকলে যিধৰণে আগ্ৰাসন চলাইছিল তাৰ বিৰুদ্ধে অসম আৰু অসমৰ সমূহ জাতি-জনগোষ্ঠীৰ ৰক্ষকৰ ৰূপত অৱতীৰ্ণ হৈছিল অম্বিকাগিৰী ৰায়চৌধুৰী আৰু তেওঁৰ নেতৃত্বাধীন অসম জাতীয় মহাসভা। আহোম সংঘ আৰু আৰু ট্ৰাইবেল লীগে এই নিৰ্বাচনত পৃথক নিৰ্বাচকমণ্ডলী (separate electorate) আৰু তেওঁলোকৰ সম্প্ৰদায়ৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপন কৰিছিল।

বৰদলৈ নেতৃত্বাধীন দ্বিতীয় মন্ত্ৰীসভা

১৯৪৬ চনৰ ৯ জানুৱাৰীত অসমত হোৱা সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে ৫৮খন, মুছলিম লীগে ৩১খন, ইউৰোপীয় লোকে ৯খন, জমিয়ত-উল-উলেমাই ৩খন আৰু অন্যান্যই ৭খন আসন দখল কৰিলে। ১০৮জনীয়া অসম বিধানসভাৰ আসনৰ ভিতৰত কংগ্ৰেছ দলে সাধাৰণ আসন ৪০খনৰ আটাইকেইখন লাভ কৰে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ৭খন আসন দলটোৱে লাভ কৰাৰ লগতে মহিলাৰ বাবে সংৰক্ষিত এখন, ভাৰতীয় চাহ খেতিয়কৰ বাবে সংৰক্ষিত দুখন, সমতলৰ পিচপৰা জনজাতিৰ দুখন, পাৰ্বত্য এলেকাৰ পিচপৰা জনজাতিৰ বাবে সংৰক্ষিত ৫খন আসনৰ দুখন, চাহ বাগিচাৰ

আৰু অসম ব্যৱস্থাপক সভাৰ সদস্য মিঃ আব্দুল মজিদে স্বতন্ত্ৰভাৱে মনোনয়নপত্ৰ দাখিল কৰে। জমিয়ৎ-উল দলৰ প্ৰাৰ্থী কেৰামৎ আলীয়েও মনোনয়নপত্ৰ দাখিল কৰে। লীগ কৰ্তৃপক্ষৰ বাছনিৰ বিৰুদ্ধে কৰা এই মনোনয়নপত্ৰ দাখিল প্ৰক্ৰিয়াই লীগৰ বিভাজনৰ ইংগিত বহন কৰা বুলি সন্দেহ কৰা হৈছে।

১৬ জুলাই ঃ সমষ্টি গঠন প্ৰশ্নত অসমৰ মত ব্যৱস্থা পৰিষদে প্ৰকাশ কৰে ঃ

অসমৰ ভৱিষ্যৎ শাসনতন্ত্ৰৰ ৰচনা সম্পৰ্কে গণ পৰিষদলৈ নিৰ্বাচিত হ'ব লগা অসমৰ প্ৰতিনিধি দহজনে কি নীতি অৱলম্বন কৰিব লাগিব তাৰ নিৰ্দেশ দি প্ৰধানমন্ত্ৰী বৰদলৈদেৱে আজি অসম ব্যৱস্থা পৰিষদত এটি প্ৰস্তাৱ দাঙি ধৰে আৰু প্ৰস্তাৱটি বিনাভোটে গৃহীত হয়। বিৰোধী দলৰ নেতা ছাৰ মহম্মদ ছাদুল্লা আৰু ইউৰোপীয় দলপতি মিঃ হুইটেকাৰে প্ৰস্তাৱটোৰ প্ৰতিবাদ কৰে যদিও ভোট গ্ৰহণ কৰিবলৈ তেওঁলোকে সাহস নেদেখুৱালে। বৰদলৈয়ে দাঙি ধৰা প্ৰস্তাৱটো এনেধৰণৰ— 'মন্ত্ৰী মিছন আৰু বৰলাটে যোৱা ১৬ মে'ত (১৯৪৬) দিয়া ঘোষণাটো অতি সাৱধানতাৰে বিবেচনা কৰি চোৱাৰ পিচত এই পৰিষদৰ সুচিন্তিত অভিমত এই যে অসমৰ শাসনতন্ত্ৰ গণ পৰিষদলৈ নিৰ্বাচিত হোৱা নিজৰ প্ৰতিনিধিকেইজনৰ দ্বাৰাহে ৰচিত আৰু নিৰ্ধাৰিত কৰাই ল'বলৈ এই প্ৰদেশৰ নিশ্চিত অধিকাৰ আছে আৰু অসমৰ শাসনতন্ত্ৰ ৰচনা কৰিবৰ উদ্দেশ্যে ব্ৰিটিছ ভাৰতৰ আন কোনো প্ৰদেশৰ লগত লগ হৈ যিকোনো প্ৰকাৰৰ 'ছেকচন' বা 'সমষ্টি' গঠন কৰিলে অসমৰ স্বাৰ্থত আঘাত পৰিব। এই পৰিষদৰ সুচিন্তিত অভিমত এই যে অসমক অন্তৰ্ভুক্ত কৰি কোনো সমষ্টি চৰকাৰৰ শাসনতন্ত্ৰ ৰচিত হ'ব নালাগে আৰু অসম প্ৰদেশৰ লগত সম্পৰ্ক থকা বা অসমৰ স্বাৰ্থজড়িত থকা কোনো প্ৰাদেশিক বিষয় কোনো সমষ্টি-চৰকাৰৰ হাতলৈ যাব নোৱাৰে। গতিকে ১৬ মে'ৰ ঘোষণা অনুসৰি গণ পৰিষদলৈ অসমৰ পৰা নিৰ্বাচিত কৰি পঠোৱা প্ৰতিনিধি দহজনৰ কাৰ্যপদ্ধতি এই পৰিষদে তলত দিয়া

বনুৱাৰ বাবে সংৰক্ষিত দুখন আসনৰ এখন কংগ্ৰেছ দলে লাভ কৰিলে। মুছলমানৰ বাবে সংৰক্ষিত ৩৪খন আসনৰ ভিতৰত কংগ্ৰেছ দলে এখনো আসন লাভ কৰিবলৈ সক্ষম নহ'ল। অসমৰ ২,৭২,৮৭১ মুছলমান ভোটৰ ৬৯ শতাংশই মুছলিম লীগে লাভ কৰিলে। বৈদ্যনাথ মুখাৰ্জী আৰু নিকল্ছ ৰয়ে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে ব্যৱস্থা পৰিষদলৈ নিৰ্বাচিত হৈ অহাটোও আছিল কংগ্ৰেছৰ বাবে এক ডাঙৰ বিজয়।

বৰদলৈ মন্ত্ৰীসভা গঠনৰ আটাইতকৈ ডাঙৰ বিপদটো দেখা দিছিল দলটোৰ আভ্যন্তৰীণ ভাগত। উপত্যকাকেন্দ্ৰিক বিবাদে প্ৰদেশখনৰ সকলো ক্ষেত্ৰতে গা কৰি উঠাৰ লেখীয়াকৈ এই প্ৰভাৱে কংগ্ৰেছ দলৰ আভ্যন্তৰীণ সাংগঠনিক ক্ষেত্ৰকো চুই গৈছিল। সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ কংগ্ৰেছী সদস্যসকলৰ মাজত ক্ষমতাক লৈ বিবাদ সৃষ্টি হোৱাৰ সময়তে মৌলানা আব্দুল কালাম আজাদ অসমলৈ আহে আৰু মন্ত্ৰীসভা গঠনৰ ক্ষেত্ৰত বিশেষ তৎপৰতা প্ৰদৰ্শন কৰে। সুৰমা উপত্যকাৰ কংগ্ৰেছ সদস্যসকলে বৰদলৈ মন্ত্ৰীসভাত দুয়ো উপত্যকাৰ সম-প্ৰতিনিধিত্ব দাবী কৰিছিল। কেৱল মুছলমান আৰু অনুসূচিত জনজাতিৰ প্ৰতিনিধিৰে সুৰমা উপত্যকাৰ প্ৰতিনিধিত্ব ঠিক কৰা বিষয়টোতো তেওঁলোকে আপত্তি দৰ্শাইছিল। অসম চৰকাৰৰ আঁচনিবিষয়ক কথাবোৰ বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটী আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ যুটীয়া প্ৰতিনিধিৰে ঠিক কৰা উচিত বুলিও তেওঁলোকে দাবী তুলিছিল। অৱশেষত আজাদৰ পৰামৰ্শ অনুযায়ী দুয়োটা উপত্যকাৰ সম-প্ৰতিনিধিত্বৰে বৰদলৈৰ কেবিনেট মন্ত্ৰীসভা গঠন কৰা হ'ল। সুৰমা উপত্যকাৰ বসন্ত কুমাৰ দাসক স্বৰাষ্ট্ৰ মন্ত্ৰীৰ দায়িত্ব দিয়াৰ বিপৰীতে অনুসূচিত জাতিৰ বাবে কেবিনেটত ঠিক কৰি থোৱা মন্ত্ৰীজনক ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা লোৱা হ'ল। ১১ ফেব্ৰুৱাৰীত বসন্ত কুমাৰ দাস, বিষ্ণুৰাম মেধি, আব্দুল মতলিব মজুমদাৰ, বৈদ্যনাথ মুখাৰ্জী, জে জে এম নিকল্ছ ৰয় আৰু ৰামনাথ দাসক পোনতে মন্ত্ৰীসভাত লৈ সম্পূৰ্ণ কংগ্ৰেছী মন্ত্ৰীসভা এখন বৰদলৈয়ে গঠন কৰে। আজাদ

মতে নিৰ্দিষ্ট কৰি দিয়ে—

(১) অসমৰ শাসনতন্ত্ৰ ৰচনাকাৰী বৈঠকত অসম ব্যৱস্থা পৰিষদৰ দ্বাৰা নিৰ্বাচিত হোৱা প্ৰতিনিধি দহজনৰহে আসন থাকিব।

(২) অসমৰ শাসনতন্ত্ৰ ৰচনা কৰিবৰ নিমিত্তে অসমৰ প্ৰতিনিধিসকলে প্ৰদেশবোৰৰ কোনো সমষ্টিগত বৈঠকত যোগ দিব নোৱাৰিব।

(৩) অসমৰ স্বাৰ্থ জড়িত থকা বা অসমৰ লগত সম্পৰ্ক থকা কোনো বিষয়কে যিকোনো সমষ্টি-চৰকাৰৰ হাতলৈ নিব খোজা সকলো প্ৰচেষ্টাকে বা কোনো সমষ্টিয়ে ভোটাধিকাৰ ভিত্তিত এনেধৰণৰ কিবা প্ৰশ্নৰ সমাধান কৰিবলৈ ওলোৱাত অসমৰ প্ৰতিনিধিসকলে বাধা দিব।

(৪) ইউনিয়ন শাসনতন্ত্ৰ ৰচনা আৰু প্ৰাদেশিক শাসনতন্ত্ৰ সম্পৰ্কীয় সকলো প্ৰশ্নৰে নিষ্পত্তিৰ কাৰণে অসমৰ প্ৰতিনিধিসকলে গণ পৰিষদৰ বৈঠকত যোগ দিব।

১ আগষ্ট ঃ ডাক-তাঁৰ-ফোন আৰু আৰ এম এছ ধৰ্মঘটৰ সমৰ্থনত গুৱাহাটীত সাধাৰণ ৰাইজে অভূতপূৰ্ব ধৰ্মঘট পালন কৰে। পুৱাৰে পৰা নগৰৰ দোকান-বজাৰবোৰ বন্ধ থাকে আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰি শোভাযাত্ৰাত যোগ দিয়ে।

২২ আগষ্ট ঃ যোৰহাটত কংগ্ৰেছ সমাজতন্ত্ৰী নেতা ডাঃ ৰামমনোহৰ লোহিয়াই প্ৰায় চাৰি হেজাৰ মানুহ উপস্থিত থকা এখন ৰাজহুৱা সভাত বক্তৃতা দি সমষ্টি গঠনৰ দ্বাৰা ভাৰতৰ ঐক্য নষ্ট কৰিবলৈ কৰা অভিসন্ধিৰ বাবে মন্ত্ৰী মিছনৰ আঁচনিৰ তীব্ৰ নিন্দা কৰে। কৃত্ৰিম সীমা পাতি অসমক কোনেও ভাৰতৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰে বুলি তেওঁ কয়। হিন্দুস্তানীৰাজ বুলিলে হিন্দুৰাজো নুবুজে আৰু মুছলিমৰাজো নুবুজায় বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

২৩ আগষ্ট ঃ ১৯৪৭ চনৰ জানুৱাৰী মাহৰ পৰা ডিব্ৰুগড় মেডিকেল স্কুলখন কলেজৰ খাপলৈ তুলিবলৈ ৰায় কমিটীয়ে অনুমোদন জনায়। কমিটীয়ে জানুৱাৰী মাহৰ পৰা ডিব্ৰুগড়ত মেডিকেল কলেজৰ কাম আৰম্ভ কৰিবলৈ চৰকাৰক পৰামৰ্শ প্ৰদান কৰিছে। জানুৱাৰী মাহৰ পৰা

নিৰ্দেশিত মন্ত্ৰীসভা গঠনৰ পৰামৰ্শই সুৰমা উপত্যকাৰ কংগ্ৰেছীসকলক সন্তুষ্ট কৰিলেও ইয়ে ব্ৰহ্মপুত্ৰ উপত্যকাত জন্ম দিছিল আন এক অশান্তিৰ। যিহেতু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা দুই-তৃতীয়াংশ সদস্য নিৰ্বাচিত হৈছিল, সেয়েহে মন্ত্ৰীসভাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰহ প্ৰতিনিধি বিচৰাৰ দাবীটো যুক্তিযুক্ত বুলি উপত্যকাৰ কংগ্ৰেছী সদস্যসকলে দাবী তুলিছিল। তদুপৰি যুটীয়া সংসদীয় ব'ৰ্ড গঠনৰ প্ৰস্তাৱটোৰ প্ৰতিও বৰদলৈ তথা তেওঁৰ সতীৰ্থসকলে ভাল দৃষ্টি পোষণ কৰা নাছিল। এনেধৰণৰ ব'ৰ্ডে চৰকাৰ পৰিচালনাৰ ক্ষেত্ৰত অহেতুক প্ৰভাৱ পেলোৱাৰ এক শংকাও প্ৰকট হৈ উঠিছিল। গোপীনাথ বৰদলৈয়ে পিচপৰা জনজাতি তথা সমতলৰ জনজাতিসকলৰ প্ৰতিনিধিত্ব তেওঁৰ মন্ত্ৰীসভাত মনে-প্ৰাণে কামনা কৰিছিল যদিও বাস্তৱত ইয়াক কৰিব পৰা নগ'ল। চৰ্দাৰ বল্লভভাই পেটেলে বৰদলৈ মন্ত্ৰীসভাত সমতলৰ জনজাতীয় লোকৰ প্ৰতিনিধিত্ব নেদেখি আচৰিত হৈছিল আৰু জনজাতীয় লোকৰ মন্ত্ৰীসভাত প্ৰতিনিধিত্ব বিচাৰি বৰদলৈলৈ পত্ৰ লিখিছিল। অৱশ্যে এনে এক দোমোজা চলি থকাৰ মাজতে কংগ্ৰেছ আৰু ট্ৰাইবেল লীগৰ মাজত এক বুজা-পৰা সম্ভৱ হ'ল। ট্ৰাইবেল সংঘৰ ভীমবৰ দেউৰীক বৰদলৈ মন্ত্ৰীসভাত সন্নিৱিষ্ট কৰা হ'ল। সুৰমা উপত্যকাৰ আব্দুৰ ৰছিদকো মন্ত্ৰীসভাত স্থান দিয়াৰ পিচত ১৯৪৬ৰ ছেপ্টেম্বৰ মাহত বৰদলৈৰ কেবিনেটত মন্ত্ৰীৰ সংখ্যা ৯জনলৈ বৃদ্ধি পালে।

ত্ৰিপাক্ষিক চুক্তি আৰু উচ্ছেদ অভিযান

মন্ত্ৰীসভা গঠন কৰাৰ পিচতে বৰদলৈয়ে ত্ৰিপাক্ষিক চুক্তিয়ে চিনাক্ত কৰি যোৱা অবৈধ পমুৱাসকলক বহিষ্কাৰ কৰাৰ বাবে পদক্ষেপ হাতত লয়। চুক্তি অনুসৰি পূৰ্বৰ ছাদুল্লা চৰকাৰে কামৰূপ জিলাৰ ডকনিয়া, ভাঙোনমাৰী, কুৰিহামাৰী, লক্ষেশ্বৰী ৰিজাৰ্ভত এৰা-ধৰাকৈ উচ্ছেদৰ কাম কৰিছিল যদিও নিৰ্বাচন অহাৰ আগে আগে এইবোৰ ঠাইত উচ্ছেদৰ কাম ঢিলাই দিয়া হ'ল। এখন পূৰ্ণ পৰ্যায়ৰ কংগ্ৰেছ চৰকাৰ গঠন হোৱাৰ পিচত বৰদলৈ চৰকাৰে আগৰ ছাদুল্লা চৰকাৰে গ্ৰহণ কৰা পদ্ধতি অনুসৰণ কৰি ১৯৪৫ চনৰ ত্ৰিপাক্ষিক

লাইচেঞ্চিয়েটসকলৰ কাৰণে এম বি খাপৰ শিক্ষাৰ বন্দৱস্ত কৰা হ'ব। তাৰ পিচত ১৯৪৭ চনৰ আগষ্ট মাহৰ পৰা মেডিকেল কলেজৰ ছাত্ৰ ভৰ্তি কৰা হ'ব। প্ৰথমতে ৭৫জনৰ পৰা ১০০জনলৈ ছাত্ৰ ভৰ্তি কৰা হ'ব আৰু ডিব্ৰুগড় মেডিকেল কলেজৰ নাম হ'ব বেৰী হোৱাইট মেডিকেল কলেজ।

৩ ছেপ্টেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধিৱেশনৰ সামৰণি পৰে। অসম মন্ত্ৰীসভাৰ বিষয় বিতৰণ, শিল্প জাতীয়কৰণৰ বাবে লগা মূলধন, চাহ বাগিচাৰ অন্তৰ্ভুক্ত হৈ থকা জংঘলী ব্লকবোৰ আৰু চাহ খেতিৰ বাহিৰে আন খেতি লগোৱা মাটিবোৰ চাহ বাগিচাৰ পৰা কাটি চৰকাৰী কৰিব লাগে আদি কেইবাটাও প্ৰস্তাৱ অধিৱেশনৰ সময়ছোৱাত আলোচনা কৰা হয়।

৯ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ অধিৱেশন সদস্য আৰু দৰ্শকবৃন্দৰ উপস্থিতিত শান্তিপূৰ্ণভাৱে আৰম্ভ হয়। বসন্ত কুমাৰ দাসে 'অসম তদন্ত কমিটী সাক্ষ্য বিল ১৯৪৬' নামৰ বিল এখন পৰিষদত দাঙি ধৰে। বিষয়টো আলোচনা নকৰি ছিলেক্ট কমিটীলৈ প্ৰেৰণ কৰা হয়। 'চাৰ্কুলেচন বিল'ৰ সংশোধনী হিচাপে মিঃ ডব্লিউ আৰ ফল্টে অনা প্ৰস্তাৱটো ৫০-২৮ ভোটত নাকচ হয়। বিষ্ণুৰাম মেধিৰ মাটি আৰু খাজনা সংশোধনী বিলখন (১৯৪৬) দাঙি ধৰাৰ পিচত পৰিষদত আলোচনা কৰা হয়। লীগ দলৰ পৰা এটি সংশোধনী প্ৰস্তাৱ আহিছিল যদিও কোনো ডিভিজন নোহোৱাকৈয়ে এই সংশোধনী প্ৰস্তাৱটো নাকচ হয়।

১০ অক্টোবৰ ঃ বানপানীৰ কবলত পৰাৰ ফলত অসমৰ কেইবাঠাইতো বহু লোকে গৃহহীন হৈ ৰে'লৰ দাঁতিত আশ্ৰয় গ্ৰহণ কৰে। বানপানীৰ ফলত চাপৰমুখ আৰু জাগীৰোডৰ মাজত থকা ৰে'ললাইনত পানী উঠি ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ পৰে।

১৮ নৱেম্বৰ ঃ শান্তি-শৃংখলা অক্ষুণ্ণ ৰাখিবৰ কাৰণে অসম চৰকাৰে 'অসম শান্তি আৰু আইন-শৃংখলা ৰক্ষা' আইন জাৰি কৰে। উচ্ছেদ নীতি কাৰ্যকৰী কৰিবলৈ বৰদলৈৰ সহযোগ কামনা।

১৯ নৱেম্বৰ ঃ অসম চৰকাৰৰ উচ্ছেদ

চুক্তিখন কাৰ্যকৰী কৰিব বিচাৰিলে। বৰদলৈ চৰকাৰে অনুসৰণ কৰা এই পদ্ধতি আছিল এনেধৰণৰ যে 'অৰক্ষিত' মানে সম্পূৰ্ণ অবৈধ পমুৱাক বুজোৱা হৈছিল আৰু এই পদ্ধতিৰ লক্ষ্য আছিল সম্পূৰ্ণ অবৈধ পমুৱাসকলৰ দখলৰ পৰা ৰিজাৰ্ভবোৰ মুক্ত কৰি ভৱিষ্যতলৈও দখলকাৰীসকলৰ পৰা মুক্ত কৰি ৰখা। অবৈধ দখলকাৰীসকলৰ শতকৰা ৩০জনকেই ১৯৪৫ চনৰ মাটি বন্দৱস্তি প্ৰস্তাৱ অনুযায়ী 'ৰক্ষিত' (protected) বুলি ধৰা হৈছিল, যাতে তেওঁলোকে আন ঠাইত মাটি নোপোৱালৈকে উচ্ছেদ নহয়। বৰদলৈ চৰকাৰে ধৰ্ম, জাতি অথবা মতবাদৰ ভিত্তিত দখলকাৰীক চিনাক্ত তথা উচ্ছেদ কৰা কাৰ্যক সমৰ্থন কৰা নাছিল আৰু এইক্ষেত্ৰত সকলো 'অৰক্ষিত' দখলকাৰীক উচ্ছেদ কৰাৰ পোষকতা কৰিছিল। ১৯৩৮ চনৰ বা তাৰ আগেয়ে মাটি দখল কৰা পমুৱাসকলক আৰু গৰাখহনীয়া বা সামৰিক বাহিনীৰ মাটি অধিগ্ৰহণৰ ফলত ভূমিহীন হোৱা খিলঞ্জীয়া দখলকাৰীক উচ্ছেদ কৰা নহ'ব বুলি বৰদলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল। বৰদলৈ চৰকাৰে অসম উপত্যকাৰ জিলাসমূহত থকা খেতিৰ উপযোগী পতিত মাটিৰ হিচাপ এটা কৰিবলৈ জিলা কৰ্তৃপক্ষসমূহক নিৰ্দেশ জাৰি কৰিলে আৰু এনে নিৰ্দেশৰ উদ্দেশ্য আছিল অসমৰ বিভিন্ন প্ৰান্তত ওপৰঞ্চি হৈ ওলোৱা খেতি উপযোগী মাটি খিলঞ্জীয়া মাটিহীন লোকৰ মাজত ভগোৱা।

বৰদলৈ চৰকাৰৰ এই উচ্ছেদ কাৰ্যৰ প্ৰধান বাধা আশা কৰা ধৰণে মুছলিম লীগৰ পৰাই আহিল। ১৯৪৬ চনৰ ৩ মাৰ্চৰ দিনা গুৱাহাটীৰ পৰা এই সম্পৰ্কত মহম্মদ আলী জিন্নাৰ বিবৃতি ওলাল আৰু ইয়াৰ দুদিনৰ পিচত অসম প্ৰাদেশিক মুছলিম লীগে অসমত বহিষ্কাৰ হ'বলগীয়া অবৈধ দখলকাৰী পমুৱাৰ ভৱিষ্যৎ সম্পৰ্কে গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিলে। উচ্ছেদ ব্যৱস্থা ততালিকে উঠাই ল'বলৈ জিন্নাই অসম চৰকাৰক ভাবুকি দিলে আৰু উচ্ছেদ হ'বলগীয়া লোকসকলৰ সাহায্যৰ বাবে সমগ্ৰ ভাৰতত ধন সংগ্ৰহ কৰিবৰ কাৰণে মুছলিম লীগৰ ৱৰ্কিং কমিটীৰ উপ-সমিতি এখন স্থাপন কৰা হ'ল।

নীতি আৰু পমুৱা সমস্যা সম্পৰ্কে অসম কংগ্ৰেছ সমাজতন্ত্ৰী দলৰ সংগঠন সমিতিয়ে এক ঘোষণা প্ৰকাশ কৰে। উচ্ছেদ নীতি সুপৰিকল্পিত মাটি বন্দৱস্তিৰ প্ৰথম স্তৰ বুলি ঘোষণা কৰি দখল উচ্ছেদৰ লগত সাম্প্ৰদায়িক প্ৰশ্নৰ কোনো সম্পৰ্ক নাই বুলি এই ঘোষণাত কোৱা হয়।

১৯ ডিচেম্বৰ ঃ 'এটা জাতিৰ জীৱন-মৰণৰ সমস্যা ফেডাৰেল কৰ্ট বা কোনো আদালতৰ বিচাৰৰ বিষয় হ'ব নোৱাৰে। কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে কি কৰে তাক চাবলৈ আমাৰ সময় নাই। সমগ্ৰ পৃথিৱীৰ বিৰুদ্ধে হ'লেও আমি আমাৰ জন্মগত স্বায়ত্ত শাসনাধিকাৰ অক্ষুণ্ণ ৰাখিবৰ কাৰণে থিয় দিব লাগিব। আজি আমি দৃঢ়সংকল্প গ্ৰহণ কৰিব লাগিব যে এজন অসমীয়া জীয়াই থকালৈকে, দেহত শেষটোপা শোণিত থকালৈকে মন্ত্ৰী মিছনৰ আঁচনিৰ সমষ্টি গঠন প্ৰস্তাৱ বিৰোধ কৰিম'— স্থানীয় জুবিলী গাৰ্ডেনত হোৱা এক বিৰাট ৰাজহুৱা সভাত বক্তৃতা দি বিজয় চন্দ্ৰ ভাগৱতীয়ে এনেদৰে কয়। ব্ৰিটিছৰ ব্যাখ্যা অসমে নামানে বুলিও তেওঁ কয়।

অসম বিধানসভাৰ বিৰোধী দলপতি ছাদুল্লা আছিল এই সমিতিৰ ধনভঁৰালী।

লীগৰ উচ্ছেদবিৰোধী অভিযানক একপ্ৰকাৰ উপেক্ষা কৰি বৰদলৈ চৰকাৰে নিজ কামত লাগি গ'ল। ১৯৪৬ৰ এপ্ৰিল আৰু মে' মাহত উচ্ছেদ চলোৱা ৰিজাৰ্ভবোৰৰ সুগম অঞ্চলবোৰ মুকলি কৰাৰ কাম হাতত লোৱা হয়। দৰং জিলাৰ ৰিজাৰ্ভবোৰৰ পৰাও 'অৰক্ষিত' বেদখলকাৰী আৰু নকৈ অহা পমুৱা উচ্ছেদ কৰাৰ কাম হাতত লোৱা হয়। ১৯৪৬ চনৰ ৩১ মে'ৰ আগে আগে ৯খন ৰিজাৰ্ভত উচ্ছেদ কাৰ্য চলোৱা হয়। ইয়াৰে চাৰিখন মঙলদৈৰ, তিনিখন বৰপেটাৰ আৰু বাকী দুখন গুৱাহাটী মহকুমাৰ অন্তৰ্গত। এই ৯খন ৰিজাৰ্ভৰ ২,৮৮৯জন অবৈধ দখলকাৰীৰ ভিতৰত ৬৭২জনেই ত্ৰিপাক্ষিক চুক্তিৰ প্ৰস্তাৱ অনুযায়ী 'ৰক্ষিত' বুলি ধৰা হয় আৰু এওঁলোকক উচ্ছেদ কৰা নহয়। ২,২১৪জন উচ্ছেদ হোৱা লোকৰ ভিতৰত গৰিষ্ঠসংখ্যকেই আছিল মুছলমান সম্প্ৰদায়ৰ, ২৯৩জন জনজাতি তপছিলভুক্ত আৰু হিন্দু সম্প্ৰদায়ৰ লোক আছিল।

বৰদলৈ মন্ত্ৰীসভাৰ এই উচ্ছেদ অভিযান যদিও দেখাত এক আইন-শৃংখলাজনিত সমস্যা আছিল ইয়াৰ অন্তৰ্নিহিত তাৎপৰ্য আছিল অধিক গভীৰ। বিশেষকৈ ১৯৪৬ৰ ১৬ মে'ত কেবিনেট মিছনে যিবোৰ প্ৰস্তাৱ ৰাখিছিল, সিয়ে অসমৰ ভৱিষ্যৎ সম্পৰ্কে অধিক শংকা আৰু সন্দেহ সৃষ্টি কৰিছিল। ততাতৈয়াকৈ উচ্ছেদ কাৰ্য সমাপ্ত কৰিব নোৱাৰিলে অসমক পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াসটো অধিক তীব্ৰ হ'ব বুলি বৰদলৈয়ে ভয় খাইছিল; আৰু সঁচা অৰ্থত ক'বলৈ গ'লে মুছলিম লীগে উচ্ছেদ অভিযানৰ বিৰোধিতা কৰাৰ ক্ষেত্ৰত মূলতঃ পাকিস্তান গঠন কৰাৰ অভিপ্ৰায়টোৱে মূল কাৰক হিচাপে ক্ৰিয়া কৰিছিল। বৰদলৈ চৰকাৰৰ উচ্ছেদ অভিযানৰ বিৰোধিতা কৰিবলৈ আইনগত একো পন্থা হাতত নথকাত লীগ আৰু দখলকাৰীসকলে অসমৰ প্ৰায় সকলো ঠাইতে আইন ভংগ কৰিবলৈ আৰম্ভ কৰিলে আৰু বহু ঠাইত ই হিংসাত্মক ৰূপ ল'লে। ১৯৪৬ চনৰ ৩১ মে'ত মঙলদৈ মহকুমাত অসম মুছলিম লীগৰ সভাপতি আব্দুল হামিদ খান (পিচলৈ এওঁ মৌলানা ভাছানি নামে জনাজাত হৈছিল) উপস্থিত হয়

১৯৪৭

২৭ জানুৱাৰী ঃ দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে অসম সত্ৰ সংঘৰ সম্পাদকসকললৈ লিখা এখন পত্ৰৰ জৰিয়তে অস্পৃশ্য আৰু অনুন্নতসকলক সত্ৰীয়া নামঘৰত প্ৰৱেশৰ অনুমতি দিবলৈ আহ্বান জনায়।

১ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ পাণ্ডুৰ ওচৰত নিৰ্দিষ্ট কৰি থোৱা ঠাইডোখৰতে গুৱাহাটী বিশ্ববিদ্যালয় নিৰ্মাণ হ'ব বুলি গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষী সমিতিৰ সভাপতি প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে মত ব্যক্ত কৰে।

• নিখিল ভাৰত মুছলিম লীগে কৰাচীত বহা সভাত অসম চৰকাৰৰ উচ্ছেদ কাৰ্যক অমানুষিক আখ্যা দি ইয়াক বন্ধ কৰিবলৈ আহ্বান জনায়।

২ ফেব্ৰুৱাৰী ঃ অসমৰ প্ৰবীণ কংগ্ৰেছী নেতা কৃষ্ণনাথ শৰ্মাৰ পৰলোক।

৬ ফেব্ৰুৱাৰী ঃ অসম প্ৰাদেশিক কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে যোৱা ১৭ জানুৱাৰীত গ্ৰহণ কৰা শাখা আৰু সমষ্টি সম্পৰ্কীয় প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰি কমিটীয়ে জিলা কংগ্ৰেছ কমিটীবোৰক যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সাজু থাকিবলৈ আহ্বান জনায়। বাহিৰৰ কোনো হস্তক্ষেপ বা বাধ্যবাধকতা নোহোৱাকৈ নিজৰ তন্ত্ৰ ৰচনা কৰিবলৈ প্ৰত্যেক প্ৰদেশৰ জনসাধাৰণৰ অখণ্ডনীয় অধিকাৰ আছে আৰু অসমৰ শাসনতন্ত্ৰ নিজৰ প্ৰতিনিধিসকলৰ দ্বাৰাই ৰচনা হ'ব লাগিব বুলি প্ৰস্তাৱটোত কোৱা হয়।

৭ ফেব্ৰুৱাৰী ঃ মহিলা সমিতিৰ নিৰ্দিষ্ট কৰ্মপন্থাৰে গুৱাহাটীত সমষ্টি বিৰোধী নাৰী দিৱস সফলতাৰে পালন।

৮ ফেব্ৰুৱাৰী ঃ ৰে'লৰে বিভাগত অসমীয়া মানুহে যথেষ্ট পৰিমাণে চাকৰি আৰু ঠিকা পাব লাগে বুলি দিয়া আবেদনৰ ভিত্তিত পি আৰ এল এৰ চাৰ্কোলাৰ।

বেংগল-আছাম ৰে'লৱেৰ পি আৰ এল অ' মিঃ এছ এ ছাকি চাহাবে ডি টি এছ আৰু এ টি এছসকললৈ অসমীয়া ৰাইজৰ

আৰু উচ্ছেদবিৰোধী প্ৰচাৰ অভিযান আৰম্ভ কৰে। এনে অভিযানত উচটনি লাভ কৰি ৬ জুনত ১,৬৪৬জন পমুৱাই মঙলদৈ মহকুমাৰ দুখন ৰিজাৰ্ভত আকৌ পঁজাঘৰ সাজে।

মুছলিম লীগৰ উচ্ছেদবিৰোধী কাৰ্য ১৯৪৭ চনৰ স্বাধীনতাপৰ্যন্ত অব্যাহত থাকে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল কেবিনেট মিছনৰ জৰিয়তে অনা সমষ্টি গঠনৰ বিষয়টোৱে যি সময়ত অসমবাসীক শংকিত কৰি ৰাখিছিল, সেই সময়ত বৰদলৈ মন্ত্ৰীসভাৰ উচ্ছেদ অভিযানৰ বিৰুদ্ধাচৰণ কৰিবলৈ মুছলিম লীগে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাইছিল। ভাৰতীয় মুছলিম লীগে ১৯৪৭ চনৰ ১ ফেব্ৰুৱাৰীত কৰাচীত বহা সভাত অসম চৰকাৰৰ উচ্ছেদকাৰ্য অমানুষিক বুলি আখ্যা দিয়ে আৰু ইয়াক স্থগিত ৰাখিবলৈ আহ্বান জনায়। অসম মুছলিম লীগে ফেব্ৰুৱাৰীৰ মাজভাগত আইন অমান্য আঁচনি ঘোষণা কৰি অসমৰ সকলো মুছলমান লোকক কংগ্ৰেছ চৰকাৰৰ বিপক্ষে যুঁজ দি জে'ললৈ যাবলৈ সাজু হ'বলৈ আহ্বান জনালে। ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰীত ব্ৰিটিছ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এটলীয়ে 'হাউছ অব কমন্‌ছ'ত ভাৰতবৰ্ষৰ স্বাধীনতা ১৯৪৮ চনৰ জুন মাহৰ আগতেই ঘোষণা হ'ব বুলি বিবৃতি দিয়াত ভাছানিয়ে উচ্ছেদৰ বিৰুদ্ধে চলি থকা যুদ্ধখনৰ উদ্দেশ্যই সলাই পেলালে। উচ্ছেদ বিৰোধিতাৰ উদ্দেশ্য হৈ পৰিল অসমক পূব পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা। দৰং, গোৱালপাৰা আৰু বৰপেটাত আইন অমান্য আন্দোলন তীব্ৰতৰ কৰি তোলা হ'ল। মুছলিম লীগৰ আইন অমান্য আঁচনিৰ বিষয়বোৰ আছিল— (১) লীগৰ সদস্যই বিধানসভা ত্যাগ কৰা, (২) চলিত আইন ভংগ কৰি লীগে পতা সভা আৰু শোভাযাত্ৰাত যোগ দিয়া, (৩) বংগৰ অনুপ্ৰৱেশকাৰীয়ে বলেৰে অসমৰ ৰিজাৰ্ভ দখল কৰা আৰু (৪) মুছলিম লীগৰ পতাকাৰ তলত একত্ৰিত হৈ সকলো মুছলমানে যিকোনো উপায়েৰে অসমক পাকিস্তানলৈ ৰূপান্তৰ কৰিবলৈ চেষ্টা কৰা। লীগৰ এই আইন অমান্য আঁচনি অনুসাৰে অসম বিধানসভাৰ মুছলিম লীগৰ সদস্যই ১৯৪৭ চনৰ ১০ মাৰ্চৰ পৰা বিধানসভা ত্যাগ কৰে।

লীগৰ আঁচনি অনুযায়ী মৌলানা ভাছানিয়ে যেতিয়া দৰং জিলাত ১০

প্ৰতিনিধিসকলৰ আবেদনৰ সঁহাৰি স্বৰূপে এখন চাৰ্কোলাৰ প্ৰেৰণ কৰে। চাৰ্কোলাৰখনত তেওঁ লিখিছে— ৰে'লৰে বিভাগত যথাযোগ্যভাৱে চাকৰিৰ ভাগ বা ঠিকা আদি নোপোৱাত অসমীয়া মানুহ ক্ষুণ্ণ হৈছে আৰু অচিৰে ইয়াৰ প্ৰতিকাৰ হ'ব লাগে।

১১ ফেব্ৰুৱাৰী ঃ ৰছিদ আলী আৰু সকলো ৰাজনৈতিক বন্দীৰ মুক্তিৰ দাবীত বিভিন্ন ছাত্ৰ অনুষ্ঠানৰ সন্মিলিত উদ্যোগত গুৱাহাটীত 'ৰছিদ আলী' দিন পালন।

১৩ ফেব্ৰুৱাৰী ঃ চোৰাং কানিৰ মাৰাত্মক প্ৰভাৱৰ পৰা অসমবাসীক উদ্ধাৰ কৰিবৰ কাৰণে ১৫ ফেব্ৰুৱাৰীৰ পৰা অসম চৰকাৰে আৰম্ভ কৰিব লগা কানি নিবাৰণী সপ্তাহৰ প্ৰাকক্ষণত প্ৰধানমন্ত্ৰী বৰদলৈয়ে অসমবাসীক আহ্বান জনায়।

১৫ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰৰ দ্বাৰা আজিৰ পৰা আৰম্ভ হোৱা কানি নিবাৰণী সপ্তাহলৈ ৰাইজৰ বিপুল সঁহাৰি।

১৮ ফেব্ৰুৱাৰী ঃ মঙলদৈ অঞ্চলৰ গদৰীমাৰি আৰু মোৱামাৰি ৰিজাৰ্ভত স্থানীয় খেতিয়কসকলৰ ওপৰত পমুৱাৰ অত্যাচাৰ। গাঁৱৰ অসমীয়া মানুহৰ নাঙল, হালৰ গৰু আদি চুৰ কৰি পমুৱাৰ আগ্ৰাসন আৰম্ভ।

১৯ ফেব্ৰুৱাৰী ঃ কহিমাত বহা নগা জাতীয় কাউঞ্চিলৰ অধিৱেশনে 'নগাসকলৰ আত্মনিয়ন্ত্ৰণৰ দাবী' হিচাপে অস্থায়ী চৰকাৰ প্ৰতিষ্ঠাৰ দাবীৰ প্ৰস্তাৱটো গ্ৰহণ কৰিছে।

২০ ফেব্ৰুৱাৰী ঃ ১৯৪৮ চনৰ জুন মাহৰ ভিতৰত ব্ৰিটিছ চৰকাৰে ক্ষমতা হস্তান্তৰ কৰিব বুলি ব্ৰিটিছ প্ৰধানমন্ত্ৰী এটলীৰ লণ্ডনত ঘোষণা। লৰ্ড লুই মাউণ্টবেটেনক বৰলাট হিচাপে নিযুক্তি। এতিয়াৰে পৰা অসম আৰু সীমান্ত প্ৰদেশক বলেৰে শাখা সমষ্টিত যোগ দিবলৈ চেষ্টা কৰা নহ'ব বুলি আশা ব্যক্ত। দুইখন প্ৰদেশে নতুন চৰকাৰী ঘোষণা অনুসৰি পোনে পোনে কেন্দ্ৰত যোগ দিব পৰাৰ সম্ভাৱনা।

২৩ ফেব্ৰুৱাৰী ঃ মাৰ্চ মাহমানৰ পৰা গুৱাহাটীত প্ৰথমবাৰৰ বাবে চিঠি

মাৰ্চত ১৪৪ ধাৰা ভংগ কৰে তেতিয়া বৰদলৈ চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হয়। লীগৰ সদস্যৰ দ্বাৰা অসমত হিংসাত্মক কাৰ্যৰ প্ৰসাৰ ঘটাত কেন্দ্ৰীয় মধ্যকালীন অস্থায়ী মন্ত্ৰীসভাৰ প্ৰতিৰক্ষা সদস্য বলদেৱ সিঙলৈ বৰদলৈয়ে ২০ মাৰ্চত এখন পত্ৰ প্ৰেৰণ কৰি কেন্দ্ৰৰ সামৰিক সহায় বিচাৰে। অসমৰ এই সংকট কালত চৰ্দাৰ বল্লভভাই পেটেলে বৰদলৈৰ পক্ষত থিয় দিলেহি আৰু তেওঁ বৰলাট ৱাভেললৈ পত্ৰৰে জনালে যে অসম চৰকাৰে এনে অৱস্থাত সামৰিক সাহায্য পাব লাগে। উল্লেখ্য যে উচ্ছেদ অভিযানত বৰদলৈ মন্ত্ৰীসভাই পেটেলৰ পৰা যেনেধৰণৰ সমৰ্থন পাইছিল সেই একেধৰণৰ সমৰ্থন আহিছিল মহাত্মা গান্ধীৰ পৰাও। ১৯৪৭ৰ ২২ জানুৱাৰীত শ্ৰীৰামপুৰৰ পানীআলা নামৰ ঠাই এখন ভ্ৰমণ কৰি থাকোঁতে গান্ধীজীৰ প্ৰাৰ্থনা সভাৰ এজন দৰ্শকে তেওঁক অসমৰ উচ্ছেদ সন্দৰ্ভত এটা প্ৰশ্ন সুধিছিল। এই প্ৰশ্নৰ উত্তৰত গান্ধীজীয়ে কৈছিল— 'অসম চৰকাৰৰ তৰফৰ পৰা মাথোন বিনানুমতিত বিভিন্ন ঠাইত বসতি কৰিবলৈ লোৱা লোকৰ প্ৰতিহে ব্যৱস্থা লোৱা হৈছে। খালী পৰি আছে বুলিয়েই কোনো লোকে নিজৰ প্ৰদেশতেই হওক বা অন্য প্ৰদেশতেই হওক তেনে মাটি দখল কৰাৰ অধিকাৰ নাই। এইটো হিন্দু-মুছলমান সাম্প্ৰদায়িক প্ৰশ্ন নহয়।' সি যি নহওক, লীগ আৰু বৰদলৈ মন্ত্ৰীসভাৰ উচ্ছেদবিষয়ক সংঘাতে অসমৰ ৰাজনীতি পৰৱৰ্তী আৰু কেইবাটাও বছৰলৈ উত্তপ্ত কৰি ৰাখিছিল।

বাছ প্ৰচলনৰ সম্ভাৱনা। গুৱাহাটীত আৰম্ভ হ'ব লগা এই বাছবোৰৰ দুখন শুভ চন্দ্ৰ বৰুৱাই আৰু নলিনী চৌধুৰী, আব্দুল হায়ে তথা পূৰ্ণ চন্দ্ৰ শৰ্মাই এখনকৈ চলোৱাৰ অনুমতি পাইছে।

২৭ ফেব্ৰুৱাৰী ঃ অসম ব্যৱস্থা পৰিষদৰ গাৰোপাহাৰ সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী জংগীন লস্কৰে জয়লাভ কৰে।

৪ মাৰ্চ ঃ চতিয়াত তিনিগৰাকী মুছলিম লীগৰ সদস্যক গ্ৰেপ্তাৰ কৰা হয়। পিচত তেওঁলোকক জামিনত এৰি দিয়া হয়।

১০ মাৰ্চঃ অসম ব্যৱস্থা পৰিষদৰ বাজেট অধিৱেশন আৰম্ভ। অসম ব্যৱস্থা পৰিষদৰ বাজেট অধিৱেশন ১০ মাৰ্চৰ পৰা শ্বিলঙত অনুষ্ঠিত হয়। এই অধিৱেশনত কংগ্ৰেছ মন্ত্ৰী সভাৰ দ্বিতীয় বছৰৰ বাজেট দাঙি ধৰা হয়। বাজেট উত্থাপন কৰি অৰ্থ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ১৯৪৭-৪৮ চনৰ বাজেটত অসম চৰকাৰৰ ৩২,২৮,০০০ ঘাটি পৰাৰ হিচাপ দেখুৱায়। অসম চৰকাৰৰ ১৯৪৭-৪৮ বছৰ ১,৫৩,৬৪,০০০ টকা বাকীৰে আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। আনুমানিক আয় ৩১,৭৮,৫১,০০০ (ৰাজহৰ পৰা আয় ৯,৪৩,১৬,০০০ টকা, মূল আয় ২২,৩৫,৩৫,০০০ টকা)। ব্যয়ৰ আনুমানিক হিচাপ ৩১,৪৮,৮৪,০০০ (ৰাজহৰ ব্যয় ১১,৮০,৬১,০০০; মূল ব্যয় ১৯,৬৮,২৩,০০০ টকা) সামৰণি বাকী ১,৮৩,৩১,০০০ টকা। ৰাজহৰ ২,৩৭,৪৫,০০০ টকা ঘাটি পৰিব বুলি আশা কৰা হৈছে।

- মুছলিম লীগে সদৌ অসম পাকিস্তান দিন পালন কৰালৈ লক্ষ্য ৰাখি ধুবুৰী, মানকাচাৰ আদিত ১৪৪ ধাৰা জাৰি।
- অনুপ্ৰৱেশকাৰীসকলক মুছলিম লীগে মোজাহিদিন আখ্যা প্ৰদান কৰে। বিধানসভাৰ সকলো সদস্যই বিধানসভা ত্যাগ কৰে আৰু মৌলানা হামিদ খান ভাছানীৰ আন্দোলন আৰম্ভ। দৰং আৰু গোৱালপাৰাত আন্দোলন তীব্ৰতৰ।
- অসম ব্যৱস্থা পৰিষদত 'অসম জন-নিৰাপত্তা বিল ১৯৪৬' নামৰ বিলখন উত্থাপন কৰে স্বৰাষ্ট্ৰ মন্ত্ৰী

কেবিনেট মিছন আৰু গ্ৰুপিং

বৰদলৈ নেতৃত্বাধীন দ্বিতীয় মন্ত্ৰীসভাই যি সময়ত অসমৰ সমূহ থলুৱা লোকৰ এক সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত অসমৰ চৰণীয়া পথাৰবোৰত অবৈধভাৱে বসতি স্থাপন কৰা পমুৱাসকলক উচ্ছেদ কৰা কামত ব্যস্ত আছিল, সেই সময়তে কেবিনেট বা মন্ত্ৰী মিছনে ঘোষণা কৰা আঁচনিখনে অসমৰ মানুহৰ মনলৈ আশংকা নমাই আনিলে। বিভিন্ন বাধা-বিঘিনি নেওচি গোপীনাথ বৰদলৈ তথা তেওঁৰ সতীৰ্থসকলে অসমৰ ভূমি-সম্পত্তিৰ সুৰক্ষাৰ বাবে যি সময়ত অহোপুৰুষাৰ্থ কৰিছিল সেই সময়তে কেবিনেট মিছন আঁচনিৰে অসমক বংগৰ সৈতে একেটা সমষ্টিত ৰাখি পূব

বসন্ত কুমাৰ দাসে।

● কলিকতা হাইকৰ্টত অসমৰ মোকৰ্দমাবোৰ চলাবৰ বাবে এটি সুকীয়া বন্দৱস্ত কৰিবলৈ থিৰ কৰি অসম চৰকাৰে এইবাৰ বাজেটত ১০,০০০ টকা খৰচৰ বাবে স্থিৰ কৰে।

১১ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদৰ দ্বিতীয় দিনৰ অধিৱেশনত কেইবাখনো বিল উত্থাপন হয়। কেইখনমান বিলৰ প্ৰথম পাঠ অধিৱেশনে গৃহীত কৰে। এই বিলবোৰ হৈছে ১৯৪৭ চনৰ 'অসম নতুন মটৰ কাৰ বিল', ১৯৪৭ চনৰ 'অসম ৰাজহ ট্ৰিবিউনেল বিল', ১৯৪৬ চনৰ 'অসম তদন্ত কমিটীৰ বিল, ১৯৪৬ চনৰ 'শ্বিলং অসামৰিক আদালত আৰু আইন বিল' আৰু ১৯৪৭ চনৰ 'বিশুদ্ধ খাদ্য বিল'।

১৩ মাৰ্চ ঃ অসম বাজেট পৰিষদৰ বাজেট অধিৱেশনৰ তৃতীয় দিনা লীগৰ সদস্যসকল অনুপস্থিত।

● বংগ আৰু অসম প্ৰদেশৰ মুছলিম লীগৰ যুটীয়া কৰ্ম পৰিষদে কলিকতাত বহা এখন সভাত অসম চৰকাৰৰ উচ্ছেদ নীতিৰ বিৰোধিতা কৰে আৰু উচ্ছেদ নীতি উলাই কৰি বিভিন্ন অঞ্চলত বিয়পি পৰিবৰ কাৰণে তালৈ বহুসংখ্যক মানুহ পঠিয়াবলৈ সিদ্ধান্ত কৰে। কৰ্ম পৰিষদৰ এই সিদ্ধান্তটো অসম প্ৰাদেশিক মুছলিম লীগৰ ধুবুৰীত বহা সন্মিলনৰ সিদ্ধান্তৰ ঠাচত লোৱা হৈছে। ইয়াৰ উপৰি কৰ্ম পৰিষদে অসম চৰকাৰৰ উচ্ছেদ নীতিৰ দ্বাৰা উচ্ছেদিত পমুৱাবোৰক সহায় কৰিবৰ বাবে এটা পুঁজি তুলিবলৈ থিৰাং (এই পুঁজি অন্ততঃ এক লাখ টকাৰ হ'ব লাগিব) কৰে আৰু তাৰ দ্বাৰা মামলা-মোকৰ্দমাৰ খৰচ বহন কৰিবৰ দিহা কৰে। কৰ্ম পৰিষদৰ সম্পাদক গিয়াছুদ্দিন পাঠান এম এল চিয়ে কলিকতাত কয় যে এদল সৰহীয়াকৈ স্বেচ্ছাসেৱক লৈ তেওঁ শীঘ্ৰে অসমলৈ আহিব আৰু শিবিৰত জীৱন নিৰ্বাহ কৰা উচ্ছেদিত মানুহবোৰক দান কৰিব। তদুপৰি অসম চৰকাৰে জাৰি কৰা ১৪৪ ধাৰা আইন অমান্য কৰিবৰ বাবে কৰ্মপৰিষদে আঁচনি লোৱাৰ কথা সদৰী কৰে।

১৫ মাৰ্চ ঃ নতুন দিল্লীৰ পৰা প্ৰকাশিত

পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ গভীৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। অসমৰ ৰাজনৈতিক ইতিহাসৰ আটাইতকৈ জটিল তথা সংকটপূৰ্ণ এই সময়ছোৱাতে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, আজাদ, পেটেল আদি ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলৰ অসমৰ প্ৰতি থকা মনোভাৱ প্ৰকট হৈছিল আৰু সৰ্বোপৰি প্ৰকট হৈছিল অসম আৰু অসমৰ থলুৱাসকলক সুৰক্ষা দিবলৈ গোপীনাথ বৰদলৈয়ে দেখুওৱা দৃঢ়তা আৰু অবিচল ৰাজনৈতিক প্ৰজ্ঞাও।

দ্বিতীয় বিশ্বযুদ্ধৰ অৱসানৰ পিচতে সমগ্ৰ বিশ্বতে ক্ষমতা বিন্যাস অথবা অথবা গাঁথনিৰ পৰিবৰ্তন ঘটিবলৈ আৰম্ভ কৰে। যুদ্ধৰ পিচত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাছিয়াৰ বিশ্বৰ দুই অন্যতম শক্তি হিচাপে উত্থান ঘটে আৰু গ্ৰেট ব্ৰিটেইনৰ পূৰ্বৰ ক্ষমতা আৰু আধিপত্য দ্ৰুত হাৰত কমি আহিবলৈ ধৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাছিয়া দুয়োখন দেশৰ শাসকবৰ্গই ভাৰতৰ স্বাধীনতাক মুকলিভাৱে সমৰ্থন দিছিল আৰু ইয়াৰ বাবে ব্ৰিটেইনক যথেষ্ট হেঁচা দিছিল। ইফালে যুদ্ধৰ ফলত ইংলেণ্ডৰ অৰ্থনৈতিক সচ্ছলতা আৰু সামৰিক ক্ষমতা ক্ষতিগ্ৰস্ত হোৱাত যুদ্ধক্লান্ত ব্ৰিটিছ সৈন্যসকলেও ভাৰতবৰ্ষত ব্ৰিটিছ সাম্ৰাজ্য ৰক্ষা কৰাত মুঠেও আগ্ৰহ দেখুওৱা নাছিল। বিশ্বযুদ্ধৰ পিচত অনুষ্ঠিত ইংলেণ্ডৰ সাধাৰণ নিৰ্বাচনত ভাৰতৰ স্বাধীনতাবিৰোধী 'ৰক্ষণশীল দল' (Conservative Party) ক্ষমতাচ্যুত হয় আৰু শ্ৰমিক দলে (Labour Party) শাসন ক্ষমতা লাভ কৰে। উল্লেখ্য যে এই লেবাৰ পাৰ্টী ভাৰতবৰ্ষৰ স্বাধীনতাৰ প্ৰতি সহানুভূতিশীল আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ পিচৰ পৰ্যায়ত হোৱা বিভিন্ন ঘটনাপ্ৰবাহ, আজাদ হিন্দ ফৌজৰ বীৰত্বপূৰ্ণ অভ্যুত্থান, বোম্বাইৰ ভাৰতীয় নৌবাহিনীৰ ১৯৪৬ চনৰ বিদ্ৰোহ, ভাৰতীয় বিমানবাহিনীৰ কৰ্মচাৰীসকলৰ ধৰ্মঘট, বিহাৰ আৰু দিল্লীৰ পুলিচবাহিনীৰ ধৰ্মঘট, ১৯৪৬ চনৰ জুলাই মাহৰ ডাক আৰু তাঁৰ বিভাগৰ কৰ্মীসকলৰ সৰ্বভাৰতীয় ধৰ্মঘট, অগণন শ্ৰমিক বিদ্ৰোহ আদিয়েও ব্ৰিটিছ কৰ্তৃপক্ষক ভাৰত ত্যাগ কৰিবলৈ

বাজেট অধিৱেশনত 'অসম জন শৃংখলা ৰক্ষা' বিলখন তিনিটা সংশোধনীসহ গৃহীত হয়। বিলখন উত্থাপন কৰি ৰাষ্ট্ৰ সচিব বসন্ত কুমাৰ দাসে কয় যে বিলখনৰ উদ্দেশ্য হৈছে ততালিকে আৰু খৰকৈ প্ৰতিষেধক ব্যৱস্থা লোৱাৰ সুবিধা কৰা। আজিৰ অধিৱেশনত অসম মটৰ স্পিৰিট বিক্ৰী বিল, লুব্ৰিকেণ্ট কৰ (সংশোধনী) বিল ১৯৪৭, শ্বিলং অসামৰিক আদালত আৰু আইন বিল ১৯৪৬ যথাক্ৰমে গ্ৰহণ কৰা হয়। স্বাস্থ্য মন্ত্ৰী ৰামনাথ দাসে অসম বিদ্যুৎ শক্তি (জৰুৰী ক্ষমতা) বিল ১৯৪৭ খন উত্থাপন কৰে যদিও বিলখন পৰিষদৰ বিবেচনা-সাপেক্ষে ৰখা হয়।

- বৰপেটা আৰু মঙলদৈ মহকুমাৰ পতিত মাটি দখল কৰিবলৈ মুছলিম লীগৰ নেতৃত্বত পূৰ্ববংগৰ মুছলমান লোকসকলে চলোৱা প্ৰচেষ্টা ব্যাহত কৰিবলৈ কেন্দ্ৰীয় মধ্যকালীন অস্থায়ী মন্ত্ৰীসভাৰ প্ৰতিৰক্ষা সদস্য বলদেৱ সিঙলৈ পত্ৰ প্ৰেৰণ কৰি গোপীনাথ বৰদলৈয়ে কেন্দ্ৰৰ পৰা সামৰিক সাহায্য দাবী কৰে। বৰদলৈয়ে ৫,০০০ ভাৰতীয় সৈন্য বিচাৰিছিল।

২১ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদত 'পাব্লিক একাউণ্টছ কমিটী'ৰ ৰিপৰ্ট আৰু ভালেমান বিষয়ৰ মঞ্জুৰিৰ দাবী গৃহীত। আৰ্থিক ক্ষতিৰ কাৰণে জগৰীয়া কৰ্মচাৰীক চৰকাৰে শাস্তি বিহিব বুলি ৰাজহ মন্ত্ৰীৰ ঘোষণা।

২৩ মাৰ্চ ঃ বৰপেটাৰ মহকুমাধিপতিয়ে বৰপেটা নগৰ, বৰপেটাৰোড, হাউলী, সৰভোগ আৰু তাৰাবাৰীত ১৪৪ ধাৰা জাৰি কৰে। মুছলিম লীগে আজি মহকুমাৰ বিভিন্ন ঠাই আৰু ৰিজাৰ্ভ অঞ্চলত সভা আৰু শোভাযাত্ৰা কৰি পাকিস্তান দিন পালনৰ আয়োজন কৰিছিল। ২২ মাৰ্চৰ দিনাখন বৰপেটাৰোডত হেজাৰ হেজাৰ পমুৱাই হাতত অস্ত্ৰ লৈ এক অশান্তিকৰ পৰিৱেশ সূচনা কৰে। মন্দিয়া ৰিজাৰ্ভত পুলিচৰ গুলীচালনাত ৯জন লোকৰ মৃত্যু তথা ৮জন আহত হয়।

২৮ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদৰ অধিৱেশনত প্ৰাথমিক শিক্ষা বিল, ১৯৪৬খন গৃহীত হয়। বিলখন

বিশেষতঃ মুছলমান নেতাসকল একমাত্ৰ পাকিস্তানৰ বিষয়টোক লৈহে সজাগ। উল্লেখ্য যে'Montagu Chelmsford সংস্কাৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিত ১৯১৯ চনত The Government of India Act, 1919 প্ৰণয়ন কৰা হৈছিল, য'ত ১৯১৫ চনৰ The Government of India Actখনৰ সংশোধন ঘটাই ৫২ (ক) ধাৰাটো সন্নিৱিষ্ট কৰা হৈছিল। ১৯১৯ চনৰ সংশোধিত আইনখনৰ এই নতুন ধাৰাটোৰ মতে দেশৰ কোনো এটা অঞ্চলক পিচপৰা এলেকা (Backward Tract) বুলি ঘোষণা কৰা আৰু তেনে অঞ্চলত দেশৰ আইনসভাই গ্ৰহণ কৰা কোনো আইন প্ৰযোজ্য নহ'ব বুলি নাইবা কিছু প্ৰয়োজনীয় ব্যতিক্ৰম বা সংশোধনীসহহে প্ৰযোজ্য হ'ব বুলি ঘোষণা কৰাৰ কৰ্তৃত্ব গৱৰ্ণৰ জেনেৰেলৰ পৰিষদৰ (Governor General in Council) হাতত দিয়া হৈছিল।' তাৰ ভিত্তিতেই গৱৰ্ণৰ জেনেৰেলে অসম প্ৰদেশৰ নিম্নোল্লেখিত অঞ্চলবোৰক পিচপৰা এলেকা বুলি ঘোষণা কৰিছিল—

(১) গাৰো পাহাৰ জিলা,

(২) শ্বিলং পৌৰ সভা এলেকা আৰু কেণ্টনমেণ্টক বাদ দি ব্ৰিটিছশাসিত খাচী আৰু জয়ন্তীয়া পাহাৰ জিলা,

(৩) মিকিৰ পাহাৰ (নগাঁও আৰু শিৱসাগৰ জিলাভুক্ত),

(৪) উত্তৰ কাছাৰ পাহাৰ (কাছাৰ জিলাভুক্ত),

(৫) নগা পাহাৰ জিলা,

(৬) লুচাই পাহাৰ জিলা,

(৭) শদিয়া ফ্ৰণ্টিয়াৰ অঞ্চল,

(৮) বালিপৰা ফ্ৰণ্টিয়াৰ অঞ্চল,

(৯) লখিমপুৰ ফ্ৰণ্টিয়াৰ অঞ্চল।

উল্লেখযোগ্য যে পৰৱৰ্তী সময়ত ভাৰতবৰ্ষৰ সংবিধান ৰচনা কৰোঁতে এই অঞ্চলবোৰকে জনজাতীয় অঞ্চল (Tribal Areas) বুলি নামকৰণ কৰা

উত্থাপন প্ৰসংগত প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত অসম চৰকাৰৰ দৃঢ় সংকল্পৰ কথা উল্লেখ কৰে।

৩০ মাৰ্চ ঃ অসমজুৰি আইন অমান্য আন্দোলন কৰাৰ বাবে প্ৰাদেশিক মুছলিম লীগ ৱৰ্কিং কমিটীয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

৪ এপ্ৰিল ঃ মুছলিম লীগৰ উপস্থিতি অবিহনেই অসম ব্যৱস্থা পৰিষদৰ বাজেট অধিৱেশনৰ সামৰণি। অহিংস আন্দোলনৰ নামত মুছলিম লীগে অবাধ আইনহীনতাক প্ৰশ্ৰয় দিছে বুলি প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ বিবৃতি প্ৰদান।

- বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত অসম সাহিত্য সভাৰ বিংশ অধিৱেশন আৰম্ভ।

৬ এপ্ৰিল ঃ অসম চৰকাৰৰ উচ্ছেদ নীতিৰ সমৰ্থনত তেজপুৰত মহাসমাৰোহেৰে গোৰ্খা লীগৰ অধিৱেশন আৰম্ভ।

১০ এপ্ৰিল ঃ মুছলিম লীগৰ অসম আক্ৰমণৰ পৰিকল্পনা এক অবাস্তৱ ধাৰণা বুলি অভিহিত কৰি অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি মৌলানা তৈয়বুল্লাই কয় যে অসমৰ চৰণীয়া গ্ৰেজিং ৰিজাৰ্ভবোৰ বে-দখলকাৰীসকলৰ পৰা মুক্ত কৰিবলৈ ছাদুল্লাৰ লীগ চৰকাৰেই উচ্ছেদ নীতি প্ৰৱৰ্তন কৰিছিল আৰু কোনোধৰণৰ সাল-সলনি নকৰাকৈ ১৯৪৫ চনৰ কংগ্ৰেছ লীগ চুক্তিমতে কংগ্ৰেছ চৰকাৰে সেই একেখিনি নীতি গ্ৰহণ কৰিছে। অসমৰ লীগ দলৰ নেতা মৌলবী ছৈয়দ মহম্মদ ছাদুল্লাই সেই চুক্তিত অংশগ্ৰহণ কৰি চহী কৰিছিল বুলি তৈয়বুল্লাই মত প্ৰকাশ কৰে।

১২ এপ্ৰিল ঃ ৰূপনাথ ব্ৰহ্মাৰ মন্ত্ৰীসভাৰ অন্যতম মন্ত্ৰী ৰূপে শপত গ্ৰহণ। বন বিভাগৰ দায়িত্ব লাভ কৰা ব্ৰহ্মাক ভীমবৰ দেউৰীয়ে শাৰীৰিক অসুস্থতাৰ বাবে পদত্যাগ কৰাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

১৩ এপ্ৰিল ঃ গুৱাহাটীৰ জুবিলী গাৰ্ডেনত হোৱা এক ৰাজহুৱা সভাত বক্তৃতা দি অসমৰ অৰ্থ আৰু ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ঘোষণা কৰে যে অসম চৰকাৰে ১৯৪৫ চনৰ মাৰ্চ মাহত হোৱা ত্ৰিদলীয় চুক্তি ভংগ

হৈছিল আৰু সেইবোৰৰ প্ৰশাসনৰ বাবেই ষষ্ঠ অনুসূচী প্ৰণয়ন কৰা হৈছিল। The Government of India Act, 1919ৰ ৫২ (ক) (২) ধাৰাৰ কৰ্তৃত্বৰে পিচপৰা অঞ্চলবোৰক সম্পূৰ্ণ বহিৰ্ভূত আৰু আংশিকভাৱে বহিৰ্ভূত অঞ্চল বুলি চিনাক্ত কৰা হৈছিল। সম্পূৰ্ণ বহিৰ্ভূত অঞ্চলবোৰত কেন্দ্ৰীয় বা প্ৰাদেশিক চৰকাৰবোৰৰ কোনো আইন প্ৰযোজ্য নহৈছিল। এইবোৰ অঞ্চলত ব্যয় হোৱা অথবা হ'বলগীয়া ধনৰ বাবে বিধানসভাৰ কোনো অনুমোদনৰ প্ৰয়োজন নহৈছিল আৰু সেই অঞ্চলবোৰ সন্দৰ্ভত বিধানসভাত কোনো প্ৰশ্ন উত্থাপন কৰিব পৰা নগৈছিল। আনহাতে আংশিকভাৱে বহিৰ্ভূত এলেকাবোৰত গৱৰ্নৰ কাউঞ্চিলে কোনো আইন প্ৰয়োজনীয় সংশোধনীসহ প্ৰয়োগ কৰাৰ অধিকাৰ পাইছিল।

পুনৰ ঘূৰি আহোঁ কেবিনেট মিছনৰ প্ৰসংগলৈ। অসমৰ গৱৰ্নৰে কেবিনেট মিছনৰ আগত কৈছিল যে পাকিস্তান প্ৰসংগত অসমৰ থলুৱা মুছলমানসকল তেনেই নিৰাসক্ত। কিন্তু যিসকল মুছলমান বংগৰ পৰা অসমলৈ প্ৰব্ৰজন কৰিছে তেওঁলোকৰ আগ্ৰাসনক লৈহে অসম চৰকাৰৰ চিন্তা বৃদ্ধি হৈছে। ১ এপ্ৰিলত মিছনে গোপীনাথ বৰদলৈৰ সাক্ষাৎ গ্ৰহণ কৰে। বৰদলৈয়ে এই সাক্ষাৎকাৰত দৃঢ়তাৰে কয় যে প্ৰতিখন প্ৰদেশৰে স্বতন্ত্ৰতা আৰু স্বায়ত্ততা অক্ষুণ্ণ থাকিব লাগে আৰু প্ৰদেশবোৰ ভাষা আৰু সংস্কৃতিৰ আধাৰতহে গঠন কৰিব লাগে। অসমৰ আদিৰে পৰা এক সুকীয়া আৰু স্বতন্ত্ৰ সত্তা আছে আৰু ভৱিষ্যতৰ ভাৰতবৰ্ষৰ সংবিধানতো প্ৰদেশখনৰ এই সত্তা বৰ্তি থাকিব লাগিব বুলি তেওঁ জোৰ দিয়ে। কেবিনেটৰ আগত তেওঁ চিলেট জিলাখনক অসমৰ পৰা পৃথক কৰাৰ দাবী তোলে আৰু জিন্নাই অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা প্ৰয়াসটোক অসম্ভৱ আৰু অবাস্তৱ বুলি কয়।

২ এপ্ৰিলত অসম বিধানসভাৰ বিৰোধী পক্ষৰ দলপতি মুছলিম লীগৰ ছাদুল্লাই মিছনক লগ ধৰে। ছাদুল্লাই মিছনক কয় যে প্ৰকৃততে অসমৰ

কৰা বুলি মুছলিম লীগে যি অভিযোগ আনিছে সি একেবাৰে ভিত্তিহীন। তেওঁ কয় যে অসমত মুছলিম লীগ আন্দোলনৰ উদ্দেশ্য হৈছে অসমক পাকিস্তানৰ ভিতৰুৱা কৰিবলৈ চেষ্টা কৰা।

১৬ এপ্ৰিল ঃ উত্তৰ কাছাৰৰ ভিন ভিন উপজাতিসমূহে ট্ৰাইবেল পৰিষদৰ সন্মিলনত সমবেত হৈ গণ পৰিষদৰ উপদেষ্টা সমিতিৰ উত্তৰ-পূব ট্ৰাইবেল আৰু শাসন বহিৰ্ভূত অঞ্চলৰ শাখা সমিতিৰ সভাপতিৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উক্ত স্মাৰকপত্ৰত তেওঁলোকে তেওঁলোকৰ আশা-অভিলাশা পূৰণৰ কাৰণে স্থানীয় স্বতন্ত্ৰ শাসন ব্যৱস্থাৰ দাবী জনাই ইউনিয়ন চৰকাৰৰ তলত থকাৰ সিদ্ধান্ত লয়।

২২ এপ্ৰিল ঃ প্ৰধানমন্ত্ৰী বৰদলৈ, নিকলছ ৰয় আৰু ঠক্কৰ বাবাই শিলচৰ পাওঁতে লীগপন্থী দল এটাই বিক্ষোভ প্ৰদৰ্শন কৰে। নিষেধাজ্ঞা অমান্যকাৰী জনতাৰ ওপৰত পুলিচে মৃদু লাঠীচালনা কৰে তথা ৬জনক গ্ৰেপ্তাৰ কৰে।

২৩ এপ্ৰিল ঃ শ্বিলঙৰ কনষ্টিটিউচন হলত অসমৰ মাটি-নীতি সম্পৰ্কে বৰদলৈ-ছাদুল্লাৰ আপোচ আলোচনা আৰম্ভ হয়। ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধি, স্বৰাষ্ট্ৰ মন্ত্ৰী বসন্ত কুমাৰ দাস, মৌঃ আব্দুল বাৰি এম এল এ, মৌলবী আব্দুল হাই এম এল এ-এ আলোচনাত যোগ দিয়ে।

২৪ এপ্ৰিল ঃ অসমত লীগ আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ বৰলাটে জিন্নালৈ অনুৰোধ জনায়। অসম আৰু সীমান্ত প্ৰদেশত যদি লীগ আন্দোলন প্ৰত্যাহাৰ কৰা নহয় তেন্তে গান্ধী আৰু জিন্না স্বাক্ষৰিত যুটীয়া আবেদনখনৰ কোনো ফলপ্ৰসূ সমাধান নোলাব বুলিও তেওঁ মন্তব্য কৰে।

- পুৱা ১০.৩০ বজাৰ পৰা শ্বিলঙৰ কনষ্টিটিউচন হলত বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ আৰু অসম পৰিষদৰ বিৰোধী দলৰ দলপতি মহম্মদ ছাদুল্লাৰ মাজত অসমৰ মাটি বন্দৱস্তি সমস্যা সম্পৰ্কে আলোচনা আৰম্ভ হয়। আলোচনাত প্ৰধানমন্ত্ৰী বৰদলৈ,

সংখ্যাগৰিষ্ঠ লোকেই হৈছে মুছলমান। লোকপিয়লত অসমৰ জনজাতীয় লোকসকলক হিন্দু বুলি ধৰাৰ বাবেহে অসমক হিন্দু সংখ্যাগৰিষ্ঠ বুলি ধৰা হয়। কেৱল চিলেটক অসমৰ পৰা পৃথক কৰি পাকিস্তানত জোৰা দিয়াৰ বিৰোধিতা কৰি তেওঁ কয় যে এনে কৰিলে অসম প্ৰদেশত মুছলমান লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ ৪০ শতাংশতকৈ কমি আহি ২০ শতাংশ হ'বগৈ। চিলেটক সন্নিৱিষ্ট কৰাৰ সলনি সমগ্ৰ প্ৰদেশখনকে বংগৰ সৈতে চামিল কৰিব লাগে বুলি ছাদুল্লাই মিছনৰ আগত মত ব্যক্ত কৰে। মিছনৰ আগত ছাদুল্লাই দাঙি ধৰা বক্তব্যৰ ফলত ৱাভেলে ছাদুল্লাৰ পাকিস্তান সম্পৰ্কীয় দৃষ্টিভংগী অপৰিচ্ছন্ন বুলি বিবেচনা কৰিছিল যদিও অসমক বংগৰ সৈতে লগ লগাই দিয়া বিষয়ত ভাৰতৰ গৃহ সচিবজনে আন এক ধাৰণা লৈছিল। অসমৰ লগত বংগৰ থকা ঐতিহাসিক সম্পৰ্কৰ কথা বিবেচনা কৰি গৃহ সচিবজনে অসমক বংগৰ পৰা পৃথক কৰা অসম্ভৱ বুলি ধৰি লৈছিল আৰু ভৱিষ্যতৰ পাকিস্তানখনত বংগক সন্নিৱিষ্ট কৰি অসমক পূব পাকিস্তান গোটৰ অন্তৰ্ভুক্ত কৰাটো অৱশ্যম্ভাৱী বুলি ধৰি লৈছিল।

যিমানেই কেবিনেট মিছনে কংগ্ৰেছ তথা মুছলিম লীগৰ নেতাসকলৰ সৈতে দেশখনৰ স্বাধীনতা সম্পৰ্কীয় বিষয়বোৰত আলাপ-আলোচনাত মিলিত হ'বলৈ ধৰিলে, সিমানেই অসমৰ কংগ্ৰেছ সদস্যসকলৰ মনত শংকা বৃদ্ধি পাবলৈ ধৰিলে। কেবিনেট মিছনে কেন্দ্ৰ আৰু প্ৰদেশবোৰৰ মাজত উপ-সংহতি সমষ্টি (Sub-Federation) গঠন কৰাৰ যি প্ৰস্তাৱ ৰাখিছিল, সিয়েই আছিল এই শংকাৰ মূল কথা। উপ-সংহতি অথবা সমষ্টি গঠন হ'বলৈ পালে এইবোৰ হিন্দু আৰু মুছলমান সংখ্যাগৰিষ্ঠতাৰ আধাৰত গঠিত হ'ব আৰু নিঃসন্দেহে অসমক মুছলমান সমষ্টিৰ ভিতৰত পেলোৱা হ'ব। অসমক পৰিকল্পিতভাৱে পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰ আগতে ৰচিত হৈছিল বাবে কেবিনেট মিছনে অসমক বংগত পেলোৱাৰ বাবে অধিক তৎপৰ হোৱা দেখা গৈছিল। অসমক পাকিস্তানত নাপালেই জিন্না অসন্তুষ্ট

ছাদুল্লা, ৰাজহ মন্ত্রী বিষ্ণুৰাম মেধি, প্রাদেশিক মুছলিম লীগৰ অস্থায়ী সভাপতি মৌঃ নুৰুল হক, মৌঃ আব্দুল হাই, এম এল এ, মৌলানা আব্দুল বাৰি চৌধুৰী, এম এল এ আৰু ভাৰত চৰকাৰৰ শাসনতান্ত্রিক উপদেষ্টা ছাৰ বি এ ৰাও ডাঙৰীয়া উপস্থিত থাকে।

২৬ এপ্রিল ঃ বৰদলৈ-ছাদুল্লাৰ আপোচ চৰ্তত লীগ কর্ম পৰিষদৰ অসন্মতি ঃ মাটি-নীতি সম্পর্কত বৰদলৈ আৰু ছাদুল্লাৰ মাজত হোৱা সিদ্ধান্তক মুছলিম লীগ কর্ম পৰিষদে অগ্রাহ্য কৰে। লীগপন্থী তথা কংগ্রেছী মহলে বিষয়টি সন্দৰ্ভত এক আপোচৰ মনোভাব লৈছিল যদিও এই আপোচক লৈ পূৰ্বৰে পৰা বিভিন্ন প্রতিক্রিয়াৰ সৃষ্টি হৈছিল। হিন্দু মহাসভাৰ ভূতপূর্ব সভাপতি বীৰ বিনায়ক দামোদৰ সৱাৰকাৰে বৰদলৈ দেৱলৈ কৰা এখন টেলিগ্রামত এই ক্ষোভ পূৰাকৈ প্রকাশ কৰে। সৱাৰকাৰে লিখিছে— আক্রমণকাৰীৰ লগত কৰিব খোজা এই কাপুৰুষতাসূচক আপোচৰ ওপৰত হিন্দু সংগঠনৰ সমর্থনকাৰীসকল তেনেই নাৰাজ। এনে আপোচে মাত্র আক্রমণৰ মাত্রাহে বৃদ্ধি কৰিব। পুৰণাই হওক বা নতুনেই হওক মুছলমান দখলকাৰী মাত্রকে উচ্ছেদ কৰিব লাগিব; অসমৰ মাটি ধনিষ্ঠামানো সিহঁতক দিয়া অনুচিত। অতীতত সিহঁতক একো চিকটাকে দিওঁতে দিওঁতে আজি হিন্দুসকলে আহি গোটেই হিন্দুস্থানকে সিহঁতৰ হাতত সপি দিব লগা অৱস্থাত পৰিছেহি। অসমৰ হিন্দুসকল ঔৰংগজেৱৰ বিশাল বাহিনী পৰাজয় কৰি পঠোৱা বীৰৰ সতি-সন্ততি। আজি বিশৃংখলাকাৰী লীগ-পন্থীকেইটাৰ গুৰিতে তেওঁলোকে আত্মসমর্পণ কৰিব লগা হ'ল নে? অতীতৰ ঐতিহ্য অটুট ৰাখি অখণ্ড হিন্দুস্থানৰ পূবপ্রান্ত ৰক্ষা কৰি অসম এখন শৌর্য-বীর্যৰ আধাৰ হিন্দু প্রদেশ স্বৰূপেই থাকিব লাগিব।

আনহাতে বৰদলৈ-ছাদুল্লাৰ আপোচ চৰ্ত অগ্রাহ্য কৰি প্রাদেশিক মুছলিম লীগ কর্ম পৰিষদে এক প্রস্তাৱযোগে জনায় যে আলোচনা

হ'ব আৰু এনে অসন্তুষ্টিৰ ফলত জিন্নাই সমগ্ৰ কেবিনেট মিছন আঁচনি নাকচ কৰিব বুলি ব্ৰিটিছ কৰ্তৃপক্ষই ভয় খাইছিল আৰু সেয়েহে অসমীয়াৰ প্ৰতি অবিচাৰ কৰি হ'লেও প্ৰদেশখনক প্ৰথমে বংগৰ সৈতে একেটা অংশ বা ছেকচনত ভৰ্তি কৰাৰ সমগ্ৰ প্ৰচেষ্টা ৰচনা কৰা হৈছিল। এটা ছেকচনৰ সমূহীয়া সাধাৰণ সংখ্যাগৰিষ্ঠ ভোটেৰেই যে প্ৰদেশ এখন সমষ্টি বা গ্ৰুপত সোমোৱা-নোসোমোৱাটো নিৰ্ণয় হ'ব, এই কথাটো প্ৰথমৰে পৰাই খাটাং আছিল।

ছেকচন আৰু সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ দোমোজাত অসম সোমাব নে নোসোমাব সেই লৈ অসমৰ কংগ্ৰেছ নেতা তথা অসমীয়াসকল চিন্তান্বিত হৈ থকাৰ সময়তে মুছলিম লীগৰ বিধায়িনী সদস্যসকলৰ অধিৱেশন দিল্লীত অনুষ্ঠিত হয়। এপ্ৰিল মাহত অনুষ্ঠিত এই অধিৱেশনত লীগে ছখন প্ৰদেশ ক্ৰমে উত্তৰ-পূবত বংগ আৰু অসম, পঞ্জাব, উত্তৰ-পশ্চিম সীমান্তৱৰ্তী প্ৰদেশ, উত্তৰ-পশ্চিমৰ সিন্ধ আৰু বেলুচিস্তানক মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ বুলি দাবী কৰে। ২৭ এপ্ৰিলত পেথিক লৰেঞ্চে আজাদ আৰু জিন্নালৈ পত্ৰ প্ৰেৰণ কৰি জনায় যে কেবিনেট মিছনৰ মূল লক্ষ্যই হৈছে ভাৰতবৰ্ষত প্ৰদেশসমূহৰ দুটা সমষ্টি গঠন কৰা। ইয়াৰে এটা সমষ্টি হ'ব মুছলমান আধিপত্য থকা প্ৰদেশবোৰক লৈ আৰু আনটো হ'ব হিন্দু সংখ্যাগৰিষ্ঠ প্ৰদেশবোৰক লৈ। জিন্নাই মিছনৰ এই অভিলক্ষ্যকে স্বাগতম জনাই অসমক মুছলমান সমষ্টিত অন্তৰ্ভুক্ত কৰাৰ দাবীটো দোহাৰে। ইয়াৰ বিপৰীতে আজাদে মিছনৰ এই প্ৰকল্প সাম্প্ৰদায়িক মনোভাবাপন্ন বুলি কৈ ইয়াৰ বিৰোধিতা কৰে আৰু এনে কৰিলে প্ৰদেশবোৰৰ স্বতন্ত্ৰতা সমূলি নাইকিয়া হৈ পৰিব বুলি কয়।

অসমৰ ভৱিষ্যতক লৈ চিন্তা কৰাতকৈ জাতীয় কংগ্ৰেছে আন এক বিষয়ক লৈহে অধিক চিন্তান্বিত হৈছিল। সমষ্টি গঠন প্ৰক্ৰিয়াৰ ফলত এখন দুৰ্বল কেন্দ্ৰীয় চৰকাৰ গঠন হ'ব আৰু সংসদীয় চৰিত্ৰৰ এখন কেন্দ্ৰীয়

চলি থকাৰ সময়তো শিলচৰত কৰ্ম পৰিষদৰ এজন সভ্যক গ্ৰেপ্তাৰ কৰা হৈছে আৰু কোনো ন্যায্যতা নোহোৱাকৈ শান্তিপ্ৰিয় বিক্ষোভ প্ৰদৰ্শনকাৰীসকলৰ ওপৰত শ্ৰীহট্ট আৰু মানকাচাৰত পুলিচে গুলীচালনা কৰি বহু লোকক আঘাত হানিছে। সেয়েহে চৰকাৰে আলোচনাৰ বাবে সঁচা অৰ্থত ইচ্ছুক যে সেই সম্পৰ্কত সন্দেহ আছে। মহম্মদ ছাদুল্লাই এই প্ৰস্তাৱটো বাতৰিকাকতত প্ৰকাশৰ বাবে মুকলি কৰি দিয়ে।

২৭ এপ্ৰিল ঃ বৰদলৈ আৰু ছাৰ আকবৰ হাইদৰীৰ দিল্লীত সাক্ষাৎ। ভাবী ৰাজ্যপাল হাইদৰীয়ে উচ্ছেদ কাৰ্যৰ মীমাংসাৰ নতুন সূত্ৰ আগবঢ়ায়।

২৮ এপ্ৰিল ঃ অসম প্ৰাদেশিক মুছলিম লীগৰ কৰ্ম পৰিষদে বৰদলৈ-ছাদুল্লাৰ আলোচনাৰ ফলত গৃহীত সিদ্ধান্ত নাকচ কৰাত অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে আপোচ-আলোচনা সংক্ৰান্ত সকলো দলিল প্ৰকাশ কৰিবলৈ অনুমতি বিচাৰি অসমৰ গৱৰ্নৰলৈ তাঁৰ বাৰ্তা প্ৰেৰণ কৰে। আপোচৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ ক্ষেত্ৰত যে চৰকাৰ পক্ষ নহয়, বৰঞ্চ লীগ কৰ্তৃপক্ষহে জগৰীয়া তাক সৰ্বসাধাৰণৰ ওচৰত প্ৰতিপন্ন কৰিবলৈ এই আবেদন কৰা হৈছে বুলি বৰদলৈয়ে জনায়।

● যোৰহাটত অনুষ্ঠিত অসম মহিলা সমিতিৰ গুৰুত্বপূৰ্ণ অধিৱেশনত অসমৰ নাৰী সমাজে লীগ অভিযানৰ বিৰুদ্ধে যুঁজিব বুলি সিদ্ধান্ত গ্ৰহণ। এই অধিৱেশনত মহিলা সমিতিৰ আত্মৰক্ষা বাহিনী গঠনৰো সিদ্ধান্ত লোৱা হয়।

৩০ এপ্ৰিল ঃ গণ পৰিষদৰ সংশোধনী প্ৰস্তাৱ সম্পৰ্কে বক্তৃতা প্ৰসংগত ৰেভাৰেণ্ড নিকলছ ৰয়ে ট্ৰাইবেলসকলৰ ৰক্ষণাবেক্ষণৰ উপযুক্ত ব্যৱস্থা লোৱাৰ প্ৰস্তাৱ আগবঢ়ায়। ৰয়ৰ অনুৰোধত পণ্ডিত নেহৰুৱে এই সম্পৰ্কত আশ্বাস প্ৰদান কৰে।

১ মে' ঃ অসমক পাকিস্তানৰ ভিতৰত সুমুৱাই ল'বৰ কাৰণে দাবী কৰি জিন্নাই শেহতীয়াভাৱে দিয়া এক বিবৃতিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গোৰ্খা হেড কোৱাৰ্টাৰৰ পৰা ঘোষণা কৰা

চৰকাৰক (Federal Centre) সমষ্টি বা উপ-সংহতিবোৰে (Sub-Feceration) দুৰ্বল কৰি ৰাখিব বুলি কংগ্ৰেছী নেতাসকলে ভাবিছিল। আজাদে এই বিষয়ে আপত্তি জনোৱাৰ পিচত ভাৰতৰ গৃহ সচিবে ২৭ এপ্ৰিলত আজাদক এখন পত্ৰযোগে সমষ্টি গঠনৰ বিষয়টো ৫ মে'ৰ পৰা হ'ব লগা ছিমলা অধিৱেশনত খৰচি মাৰি আলোচনা কৰিব বুলি কয়।

১৯৪৬ চনৰ ৩ মে'ত অসম প্ৰদেশ কংগ্ৰেছ সংসদীয় দলৰ (Congress Parliamentary Party) সাধাৰণ সম্পাদক মহেন্দ্ৰ মোহন চৌধুৰীয়ে সমষ্টি গঠনৰ বিৰোধিতা কৰি আজাদলৈ এখন টেলিগ্ৰাম প্ৰেৰণ কৰে। ৫ মে'ৰ পৰা ছিমলাত কেবিনেট মিছন, ভাৰতবৰ্ষৰ ভাইচৰয় বা বৰলাট, কংগ্ৰেছ আৰু মুছলিম লীগৰ প্ৰতিনিধিসকলক লৈ আলোচনা আৰম্ভ হয়। কংগ্ৰেছে সমষ্টিত প্ৰদেশবোৰে বাধ্যতামূলকভাৱে প্ৰৱেশ কৰিব লগাৰ বিৰোধিতা অব্যাহত ৰখাৰ বিপৰীতে জিন্নাই পৰামৰ্শ দিয়ে যে সমষ্টি গঠনৰ ১০ বছৰৰ পিচত কোনো এখন প্ৰদেশে জনসাধাৰণৰ গণভোটৰ জৰিয়তে সমষ্টিৰ পৰা ওলাই অহাৰ ব্যৱস্থা ৰাখিব পৰা যায়। কংগ্ৰেছে সমষ্টি গঠনৰ প্ৰতি সমৰ্থন জনালে যদিও মুছলমান অধ্যুষিত সমষ্টিত অসমৰ অন্তৰ্ভুক্তি কৰাত বিৰোধিতা প্ৰদৰ্শন কৰিলে। কংগ্ৰেছৰ ফালৰ পৰা কোৱা হ'ল যে সমষ্টি গঠনৰ আগতে প্ৰদেশবোৰৰ সন্মতি লোৱাটো অতি প্ৰয়োজনীয়। অৱশেষত ছিমলা সন্মিলনে এক গ্ৰহণযোগ্য সমাধানসূত্ৰ উলিওৱাত ব্যৰ্থ হ'ল আৰু ১৩ মে'ত ইয়াৰ অন্ত পৰিল।

ছিমলা সন্মিলনৰ সামগ্ৰিক ব্যৰ্থতাৰ পিচতো কেবিনেট মিছন কিন্তু থমকি নৰ'ল। ১৯৪৬ চনৰ ১৬ মে'ত কেবিনেট মিছনে তেওঁলোকৰ আঁচনি ঘোষণা কৰিলে। এই আঁচনিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আছিল এক তিনি খলপীয়া সংবিধানৰ গঠন; য'ত থাকিব কেন্দ্ৰ, সমষ্টি আৰু প্ৰদেশসমূহ আৰু সংবিধান প্ৰস্তুত হৈ নুঠালৈকে মূল ৰাজনৈতিক দলবোৰৰ সমৰ্থনত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন। মিছনে অনুমোদন কৰা এই

হয় যে যদি মুছলিম লীগৰ বাঢ়ি অহা আক্ৰোশৰ পৰা অসমক ৰক্ষা কৰিবৰ প্ৰয়োজন হয় তেনেহ'লে অসমত বাস কৰা ৩০ হেজাৰ গোৰ্খাই আগৰণুৱা হৈ নিজৰ জীৱন উছৰ্গা কৰিব। মণিপুৰী আৰু আন পৰ্বতীয়া জাতিসকলেও অনুৰূপ সংকল্প গ্ৰহণৰ বাতৰি প্ৰকাশ পায়।

২ মে' ঃ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে ইউনাইটেড প্ৰেছলৈ দিয়া বিবৃতিত অসমক মুছলমানৰ জাতীয় ঘৰ বুলি জিন্নাই কৰা দাবীটো এটা উৎকট কল্পনাৰ বাহিৰে আন একো নহয় বুলি আখ্যা দিয়ে।

৩ মে' ঃ নতুন দিল্লীত মহাত্মা গান্ধীক অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে সাক্ষাৎ কৰে। সাক্ষাৎ প্ৰসংগত বৰদলৈয়ে গান্ধীজীক ১ মে'ত বৰলাটৰ লগত হোৱা কথা-বতৰাৰ এক আভাস দিয়ে। বৰদলৈয়ে অসম চৰকাৰৰ পমুৱা উচ্ছেদ নীতি সম্পৰ্কে মৌলবী ছৈয়দ মহম্মদ ছাদুল্লা আৰু তেওঁৰ ভিতৰত হোৱা চুক্তিৰ চৰ্ত, লীগ কৰ্ম পৰিষদে ছাদুল্লা চাহেবে সন্মতি জ্ঞাপন কৰা সত্ত্বেও এই চৰ্তাৱলী অগ্ৰাহ্য কৰাৰ কাৰণ আদিৰ বিষয়ে গান্ধীক অৱগত কৰায়।

● অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা তৈয়বুল্লা চাহেবে কয় যে জিন্নাৰ দাবীৰ আগত অসমে কেতিয়াও আত্মসমৰ্পণ নকৰিব। অসমে ভাৰতীয় সাধাৰণতন্ত্ৰৰ অংশ হিচাপে আত্মনিয়ন্ত্ৰণ আৰু স্বায়ত্ত শাসনৰ মৌলিক অধিকাৰৰ ভেটিত নিজৰ শাসনতন্ত্ৰ ৰচনা কৰিব। অসমত জিন্নাৰ কাৰণে কোনো ঠাই নাই বুলি তেওঁ ঘোষণা কৰে।

৪ মে' ঃ ছাৰ আকবৰ হাইদৰী অসম প্ৰদেশৰ ৰাজ্যপাল নিযুক্ত।

৮ মে' ঃ অসম চৰকাৰৰ উচ্ছেদ নীতি নিচেই সাধাৰণ কথা যদিও স্বাৰ্থান্বেষী মুছলিম লীগৰ নেতাসকলে কথাটো জটিল কৰি তুলিছে বুলি অসমৰ স্বায়ত্ত শাসন বিভাগৰ মন্ত্ৰী মৌলবী আব্দুল মতলিব মজুমদাৰে এক প্ৰেছ বিবৃতি জাৰি কৰে। অকল সুৰমা উপত্যকাতে নহয় অসম উপত্যকাৰো অধিবাসীসকলে মাটিৰ অভাৱত

সংবিধানৰ মূল বৈশিষ্ট্যবোৰ এনেধৰণৰ আছিল—

(১) ব্ৰিটিছশাসিত ভাৰতবৰ্ষ আৰু ৰাজ্যবোৰক লৈ ভাৰত সংঘ (Union of India) গঠন কৰা হ'ব আৰু ইয়ে নিম্নোক্ত বিষয়বোৰ চাব— বৈদেশিক সম্পৰ্ক, প্ৰতিৰক্ষা আৰু যোগাযোগ। এই বিষয়বোৰৰ বাবে প্ৰয়োজনীয় বিত্ত সংগ্ৰহ কৰিবৰ বাবে সংঘৰ হাতত ক্ষমতা থাকিব।

(২) ভাৰত সংঘত ব্ৰিটিছশাসিত ভাৰতবৰ্ষ আৰু ৰাজ্যসমূহৰ প্ৰতিনিধিসকলক লৈ এখন কাৰ্যবাহী আৰু বিধান মণ্ডল গঠন হ'ব। বিধানমণ্ডলীত উত্থাপিত কোনো সাম্প্ৰদায়িক বিষয়ত সিদ্ধান্ত ল'বৰ বাবে উপস্থিত প্ৰতিনিধিসকলৰ গৰিষ্ঠসংখ্যকৰ তথা দুয়োটা মূল সম্প্ৰদায়ৰ ভোট আৰু লগতে উপস্থিত তথা ভোট দিয়া সমূহ সদস্যৰ গৰিষ্ঠসংখ্যক ভোটৰ প্ৰয়োজন হ'ব।

(৩) সংঘৰ হাতত থকা বিষয়বোৰৰ বাদে বাকী বিষয় তথা অৱশিষ্ট সকলো বিষয় প্ৰদেশবোৰৰ হাতত থাকিব।

(৪) ভাৰত সংঘৰ হাতত হস্তান্তৰিত কৰা বিষয়বোৰক বাদ দি বাকী সকলো বিষয় তথা ক্ষমতা প্ৰদেশবোৰৰ হাতত থাকিব।

(৫) কাৰ্যবাহী আৰু বিধায়িনীৰে সৈতে সমষ্টি গঠন কৰিবলৈ প্ৰদেশবোৰ স্বাধীন হ'ব আৰু প্ৰতিটো সমষ্টিয়েই প্ৰদেশবোৰৰ সমূহীয়া বিষয়বোৰ ঠিক কৰিব পাৰিব।

(৬) সংঘ আৰু সমষ্টিৰ সংবিধানত এক উপবন্ধ থাকিব, যাৰ জৰিয়তে প্ৰদেশ এখনে ইয়াৰ বিধানসভাৰ গৰিষ্ঠসংখ্যক ভোটৰ জৰিয়তে প্ৰাৰম্ভিক ১০ বছৰৰ পিচত তথা তাৰ পিচত প্ৰতি ১০ বছৰৰ বিৰতিত সংবিধানৰ উপবন্ধবোৰ পুনৰ বিবেচনা কৰাৰ আহ্বান জনাব পাৰিব।

সংঘীয়বাদৰ (Federalism) ধাৰণাটি ভাৰতবৰ্ষৰ ক্ষেত্ৰত অধিক ফলপ্ৰসূ আৰু মজবুত কৰিবলৈ কেবিনেট মিছন আঁচনিয়ে যিবোৰ আঁচনি ৰাখিলে, তাত গোপীনাথ বৰদলৈ অথবা অসমৰ কংগ্ৰেছী নেতাসকলে

হাহাকাৰ কৰি থকা অৱস্থাত চৰকাৰে বাহিৰৰ পৰা অহা পমুৱাসকলক বলেৰে মাটি দখল কৰিবৰ কাৰণে এৰি দিব নোৱাৰে বুলি তেওঁ কয়। তেওঁ কয় যে আলোচনাৰ জৰিয়তে বিষয়টোৰ এক মীমাংসা উলিয়াব পৰা গ'লহেঁতেন যদিও কিছুমান লীগ নেতাই নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে ইয়াক হ'বলৈ দিয়া নাই।

১৪ মে' ঃ তেজপুৰৰ কুমলীয়া ৰিজাৰ্ভত পুলিচৰ গুলীত তিনিজন লীগপন্থী বিক্ষোভকাৰী নিহত।

১৯ মে' ঃ অসম চৰকাৰৰ ট্ৰেন্সপৰ্ট বিভাগৰ ভূতপূৰ্ব একাউনটেণ্ট মিঃ বাৰলোকক অসম ট্ৰেন্সপৰ্টৰ ১৪ হেজাৰ টকা আত্মসাৎ কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰি অসম উপত্যকাৰ জিলা আৰু ছেছন জজে শ্বিলঙৰ আদালতত তিনি বছৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়ে।

২২ মে' ঃ বালিপৰা সীমান্তৰ ৰাজনৈতিক অঞ্চলত বাস কৰা অকা, ডফলা, নেপালী আৰু অসমীয়া অধিবাসীসকলে চেঙেলীমৰাত বহা এক ৰাজহুৱা সভাত ভৈয়ামৰ অধিবাসীসকলে ভোগ কৰা সুবিধা আদি লাভ কৰি ভাৰতীয় ইউনিয়নৰ অধীনতে থকাৰ ইচ্ছা ব্যক্ত কৰে। তেওঁলোকে কৃত্ৰিম সীমাবোৰ গুচাই দিয়াৰো পোষকতা কৰে।

২৫ মে' ঃ পযেকীয়া ৰেচন কমাই দিয়া, ঘৰবিলাক মেৰামতি কৰি নিদিয়া আদি অভিযোগবোৰৰ যথাযোগ্য প্ৰতিবিধান দাবী কৰি টিংখাং অঞ্চলৰ প্ৰায় দুহেজাৰ চাহ বনুৱা, কেৰাণী, মহৰী আদিয়ে অনিৰ্দিষ্ট কালৰ বাবে ধৰ্মঘট আৰম্ভ কৰে।

২৬ মে' ঃ আহমেদাবাদত অনুষ্ঠিত এক সংবাদ মেলত কংগ্ৰেছৰ প্ৰধান সম্পাদক শংকৰ ৰাও দেওৱে অসম পাকিস্তানত অন্তৰ্ভুক্ত কৰা বিষয়টোত তীব্ৰ বিষোদ্গাৰ প্ৰকাশ কৰে। তেওঁ কয় যে অসম মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ নহয়, গতিকে অসমক পাকিস্তানৰ অন্তৰ্গত কৰিবলৈ মুছলিম লীগে কৰা দাবী কংগ্ৰেছে কোনো প্ৰকাৰেই মানি ল'ব নোৱাৰে।

২৭ মে' ঃ নিখিল ভাৰত গোৰ্খা লীগে দাৰ্জিলিং আৰু জলপাইগুৰিক অসমৰ সৈতে চামিল কৰাৰ দাবী

কেন্দ্ৰ-ৰাজ্য সম্পৰ্কত যিবোৰ কথা ভাবিছিল সেইবোৰেই সন্নিৱিষ্ট আছিল আৰু প্ৰকৃত অৰ্থত তেওঁলোকে এনে এখন সংবিধান পাবলৈয়ে আশা কৰিছিল। বৰঞ্চ ১৯৪০ চনৰ ২৪ ডিচেম্বৰৰ পৰা ১৯৪১ চনৰ ৮ মাৰ্চলৈকে এই সময়ছোৱাত কাৰাগাৰত বৰদলৈ, গৌৰীকান্ত তালুকদাৰ, বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমেদ আৰু দেৱেশ্বৰ শৰ্মাই ভাৰত আৰু অসমৰ ভৱিষ্যতৰ সংবিধান সম্পৰ্কে প্ৰতিদিনে যি এঘণ্টীয়া মেল পাতিছিল তাতো বৈদেশিক, প্ৰতিৰক্ষা আৰু যাতায়াত-সংযোগৰ বিষয় তিনিটাৰ বাদে কেন্দ্ৰক আন কোনো অধিকাৰ দিয়া হোৱা নাছিল। কেন্দ্ৰৰ হাতত নপৰা ক্ষমতাৰ একমাত্ৰ অধিকাৰ ৰাজ্যবোৰৰ হাতত ন্যস্ত কৰা হ'ব বুলি কেবিনেট মিছনে যি প্ৰস্তাৱ আনিছিল, সিয়ে বৰদলৈ আৰু তেওঁৰ সতীৰ্থসকলৰ ৰাজনৈতিক সপোনটোকে যেন পূৰণ কৰিব বিচাৰিছিল। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কীয় কেবিনেট মিছনৰ প্ৰস্তাৱ অতি মনঃপুত হোৱা সত্বেও এই আঁচনিয়ে অসমৰ বাবে অশনি সংকেত আনিছিল আন এটা দিশৰ পৰাহে।

কেবিনেট মিছন আঁচনিয়ে ভাৰতৰ প্ৰদেশ বা অঞ্চলকেইটাক 'ক', 'খ' আৰু 'গ' (A, B আৰু C) নামৰ তিনিটা অংশ বা ছেকচনত ভগালে। আঁচনি অনুসৰি ভাৰতৰ জনসাধাৰণক হিন্দু, মুছলমান আৰু শিখ —এই তিনি ধৰ্মীয় সম্প্ৰদায়ত বিভক্ত কৰা হ'ল। 'ক' অংশ হিন্দুপ্ৰধান হোৱাৰ বিপৰীতে 'খ' আৰু 'গ' অংশক মুছলমানপ্ৰধান আৰু বংগ আৰু অসমক 'গ' অংশত পেলোৱা হ'ল। 'খ' অংশ মুছলমানপ্ৰধান হোৱাৰ লগতে যেতিয়াই বংগৰ সৈতে অসমক 'গ' অংশত পেলাই দিয়া হ'ল, তেতিয়াই এই অংশটোক যে মুছলমানপ্ৰধান কৰিব বিচৰা হৈছে সেই ষড়যন্ত্ৰটো ওলাই পৰিল। বংগৰ লীগ চৰকাৰৰ মুৰব্বী ছুহৰাৱৰ্দী আৰু অসমৰ মুছলিম লীগৰ নেতাসকলেও তাকে বিচাৰিছিল। মিছন আঁচনিৰ যিকেইটা দফা অসমৰ বাবে সৰ্বনশীয়া বুলি বিবেচিত হৈছিল, সেইকেইটা হ'ল— ১৫(৫), ১৯(৫) আৰু ১৯(৭)। ১৫(৫) দফা অনুসৰি কোনো এক অংশ বা

তোলে। বৰলাট আৰু কংগ্ৰেছৰ উৰ্ধ্বতন কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা স্মাৰক লিপিত সংগঠনটোৱে কয় যে যিহেতু বংগ বিভক্ত হ'লে দাৰ্জিলিং আৰু জলপাইগুৰি জিলা পশ্চিম বংগৰ হিন্দু সংখ্যাগৰিষ্ঠ অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ পৰিব আৰু যিহেতু বংগদেশৰ অন্যান্য হিন্দু জনসাধাৰণৰ সৈতে দাৰ্জিলিঙৰ বাসিন্দাৰ শতকৰা ৭২.৮জনৰ একো সাংস্কৃতিক, ভাষামূলক কিম্বা পৰম্পৰাগত সাদৃশ্য নাই, সেয়েহে জলপাইগুৰিৰ দুৱাৰ্হ অংশ সমন্বিতে গোটেই দাৰ্জিলিং জিলাখন অসমৰ অন্তৰ্গত কৰিব লাগে।

- অসমৰ লীগ সদস্যসকলে মুছলমান মাছমৰীয়াৰ প্ৰতিনিধিত্ব নকৰে বুলি চৰকাৰৰ ওচৰত অসম মুছলমান ব্যৱসায় সংঘৰ স্মাৰকপত্ৰ।

২৯ মে'ঃ গণ পৰিষদ সদস্য ধৰণীধৰ বসুমতাৰীয়ে বাতৰিকাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে উত্তৰ বংগৰ তিনিখন জিলা অসমৰ লগ লাগিব খোজা বিষয়টোত আগ্ৰহ প্ৰকাশ কৰা নাই বুলি অভিযোগ আনে।

৩ জুন ঃ অল ইণ্ডিয়া ৰেডিঅ'ৰ নতুন দিল্লী কেন্দ্ৰৰ পৰা আজি বৰলাটে অনাতাঁৰ বক্তৃতাত কয় যে তেওঁৰ পৰামৰ্শ অনুসৰি ব্ৰিটেইনৰ শাসনতন্ত্ৰই ব্ৰিটিছ ভাৰতৰ ভিতৰত থকা এটা বা দুটা চৰকাৰক ক্ষমতা শোধাই দিবলৈ থিৰাং কৰিছে। বৰলাটে লগতে ঘোষণা কৰে যে চিলেট বাদে অসমৰ বাকী অংশই বৰ্তমান গণ পৰিষদত যোগ দিয়েই ভৱিষ্যৎ শাসনতন্ত্ৰ ৰচনা কৰিব পাৰিব। চিলেট জিলাৰ নিৰ্বাচক সমষ্টিবোৰৰ পুনৰ ভোট গ্ৰহণ কৰা হ'ব। এই ভোটেই ঠিক কৰিব চিলেট অসমত থাকিবনে মুছলমান বংগত থাকিব।

৪ জুন ঃ সমাজতন্ত্ৰী কৰ্মী নিবাৰণ বৰা আৰু মদন শৰ্মাৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি। এই কাৰ্যৰ প্ৰতিবাদ জনাই নাহৰকটীয়া বাগানত সহানুভূতিসূচক ধৰ্মঘট অনুষ্ঠিত হয়।

৬ জুন ঃ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে এক সাক্ষাৎকাৰত ৩ জুনৰ বৰলাটৰ

ছেকচনত পৰা প্ৰদেশবোৰে ইচ্ছা কৰিলে মিলাই সমষ্টি বা গ্ৰুপ কৰি সেই সমষ্টিৰ হাতত কাৰ্যনিৰ্বাহক আৰু আইন প্ৰণয়ন ক্ষমতা অৰ্পণ কৰিব পাৰিব। আনহাতে ১৯(৫) দফা অনুসৰি প্ৰদেশবোৰে নিজা সংবিধান প্ৰস্তুত কৰাৰ লগতে আৰু সমষ্টিভুক্ত প্ৰদেশবোৰে সমষ্টিৰ বাবে এক সমূহীয়া সংবিধান প্ৰণয়ন কৰিব পাৰিব [These sections shall proceed to settle provincial constitutions for the provinces included in each section and shall also decide whether any group constitution shall be set up for those provinces and if so with what provincial subjects the group should deal. Section 19(5)]। ১৯(৫) দফাই প্ৰদেশবোৰক কোনো এক সমষ্টিৰ পৰা ওলাই অহাৰ ক্ষমতা প্ৰদান কৰিছিল যদিও ১৯(৮) দফাই এইক্ষেত্ৰত এক চৰ্ত আৰোপ কৰিছিল। নতুন সংবিধান মতে হোৱা সাধাৰণ নিৰ্বাচনৰ পিচতহে কোনো এক সমষ্টিৰ পৰা ওলাই আহিব পাৰিব আৰু প্ৰাদেশিক বিধানসভাত সেই উদ্দেশ্যে এটি প্ৰস্তাৱ গৃহীত হ'ব লাগিব [As soon as the new constitutional arrangements have come into operation it shall be open to any province to elect to come out of any group in which it has been placed. Such a decision shall be taken by the legislature of the province after the first general election under the new constitution. 19(viii)]।

কেবিনেট মিছন আঁচনিৰে গঠন কৰা অংশবোৰত পৰা প্ৰদেশসমূহ আছিল এনেধৰণৰ—

'ক' অংশ— মাদ্ৰাজ, বোম্বাই, ইউনাইটেড প্ৰভিঞ্চেছ, বিহাৰ, চেণ্ট্ৰেল প্ৰভিঞ্চেছ আৰু উৰিষ্যা।

'খ' অংশ— পঞ্জাব, নৰ্থ-ৱেষ্ট ফ্ৰন্টিয়াৰ প্ৰভিঞ্চেছ আৰু সিন্ধ।

'গ' অংশ— বংগ আৰু অসম।

ঘোষণা সম্পৰ্কে তেখেতৰ মতামত ব্যক্ত কৰে। তেওঁ মন্ত্ৰী মিছনৰ আঁচনিখনতকৈ এই আঁচনিত এক স্পষ্ট উন্নতি দেখা বুলি কয়। বৰদলৈয়ে কয় যে গোটেই আঁচনিখনত এটা কথা দেখি তেওঁৰ ভাল লাগিছে আৰু সেয়া হ'ল স্বায়ত্ত শাসনৰ অধিকাৰ মানি লোৱা কথাটো। ভাৰতবৰ্ষক অখণ্ড অৱস্থাত ৰাখিও এনেধৰণৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব পৰা গ'লহেঁতেন বুলি তেওঁ মত দাঙি ধৰে।

৭ জুন ঃ ৩ জুনৰ ঘোষণাত বিভক্ত ভাৰতৰ চিত্ৰ পৰিস্ফুট ঃ

মহামান্য সম্ৰাট চৰকাৰৰ ৩ জুনৰ ঘোষণা সম্পৰ্কে অসমৰ এডভোকেট জেনেৰেল মিঃ ফখৰুদ্দিন আলী আহমেদে কয় যে এই ঘোষণাত অখণ্ড ভাৰতত বিশ্বাসীসকল আনন্দিত হ'ব নোৱাৰে। তেওঁ কয়, 'ওপৰৰ পৰা জাপি দিয়াৰ দৰে ব্ৰিটিছ চৰকাৰৰ ৩ জুনৰ ঘোষণাত বিভক্ত ভাৰতৰ চিত্ৰ পৰিস্ফুট হৈ উঠিছে। যিসকলে স্বাধীন অখণ্ড ভাৰতৰ কাৰণে অভিলাস কৰি সেই উদ্দেশ্যেৰে কাম কৰি আহিছে, তেওঁলোকৰ কোনেও এই ঘোষণাত আনন্দত উৎফুল্ল হ'ব নোৱাৰে। অখণ্ড ভাৰতৰ ভেটিত আমাৰ মাজত এটা আপোচ মীমাংসা কৰিবলৈ অসমৰ্থ হোৱাত আমাৰ ৰাজনৈতিক বিচক্ষণতা কিমান ফোঁপোলা তাকেই স্পষ্ট হৈ ফুটি ওলাইছে। ইয়াৰ ফলত প্ৰতিক্ৰিয়াশীলতা আৰু গোড়ামিৰ জয়লাভ ঘোষণা কৰা হৈছে মাত্ৰ।'

৮ জুন ঃ অসম প্ৰাদেশিক মুছলিম লীগৰ সভাপতি নুৰুল হকে এছ'চিয়েটেড প্ৰেছক জনায় যে প্ৰাদেশিক মুছলিম লীগ কৰ্ম পৰিষদে আগত ১০ জুনৰ পৰা আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰিব।

● জন নিৰাপত্তা ৰক্ষা আইনৰ বলত নিখিল ভাৰত মুছলিম লীগ কাউঞ্চিলৰ যি দহজন সভ্যক অন্তৰীণ কৰি ৰখা হৈছিল তেওঁলোকক অসম চৰকাৰে অস্থায়ীভাৱে খালাচ কৰি দিয়ে। ৯ জুনত দিল্লীত বহিব লগা কাউঞ্চিলৰ সভাত যাতে যোগদান কৰিব পাৰে সেই অৰ্থে তেওঁলোকক

মিছনৰ আঁচনি অনুসৰি প্ৰতিখন প্ৰদেশত জনসংখ্যা অনুপাতে বিধানসভাৰ সমষ্টি নিৰ্ধাৰণ কৰি দিয়া হৈছিল আৰু প্ৰতি ১০ লক্ষৰ বাবে এখন আসন ঠিক কৰা হৈছিল। 'গ' অংশত পৰা প্ৰদেশ দুখনৰ প্ৰতিনিধিৰ অংকটো আছিল—

প্ৰদেশ	প্ৰতিনিধি সাধাৰণ সমষ্টি	প্ৰতিনিধি মুছলমান সমষ্টি	প্ৰতিনিধি সৰ্বমুঠ
বংগ	২৭	৩৩	৬০
অসম	৭	৩	১০
	৩৪	৩৬	৭০

বৰদলৈ আৰু অসম কংগ্ৰেছৰ সদস্য তথা অসম জাতীয় মহাসভাৰ অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰমুখ্যে লোকসকলে ধৰি ল'লে যে হিন্দু সংখ্যাগৰিষ্ঠ অসম প্ৰদেশখন যিহেতু মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ বংগৰ সৈতে একেটা অংশতে পৰিব, গতিকে অংশ বা ছেকচনত ভৰ্তি হোৱাটোৱেই আপোনা-আপুনি গ্ৰুপত বা সমষ্টিত ভৰ্তি হোৱাত বাধ্য কৰাব। 'গ' অংশৰ দুয়োখন প্ৰদেশৰ সংখ্যাগৰিষ্ঠ সভ্যই (দুয়োখন প্ৰদেশত সন্মিলিতভাৱে মুছলমানসকলেই সংখ্যাগৰিষ্ঠ আছিল) অসমৰ সংবিধান আৰু গ্ৰুপ সংবিধানৰ বিষয়ে শেষ মন্তব্য দিব পাৰিব, সেয়েহে এই আশংকা গঢ়ি উঠাটো তেনেই স্বাভাৱিক আছিল। যদিও কেবিনেট আঁচনিত গ্ৰুপিং বাধ্যতামূলক বুলি স্পষ্টভাৱে উল্লেখ নাছিল তথা জিন্না তথা মুছলিম লীগে ই বাধ্যতামূলক বুলি ব্যাখ্যা আগবঢ়াইছিল। আনফালে কংগ্ৰেছে এই বিষয়ত প্ৰতিবাদ জনোৱাত বৰলাট ৱাভেলে আজাদক জনাইছিল যে গ্ৰুপিং বাধ্যতামূলক নহয়। প্ৰদেশবিলাকৰ প্ৰতিনিধিসকলে ছেকচন বা অংশত মিলিহে সিদ্ধান্ত ল'ব— তেওঁলোকে গ্ৰুপ গঠন কৰিবলৈ বিচাৰিব নে নিবিচাৰিব। কিন্তু এনেধৰণৰ আশ্বাসৰ পিচতো

মুকলি কৰি দিয়া হৈছে বুলি অসম চৰকাৰে জনায়।

১৪ জুন ঃ চিলেটৰ মুছলমানসকলক ভেদাভেদ পাহৰি নিজৰ মংগলৰ কাৰণে চিলেটখন পূব পাকিস্তানৰ লগত লগ লগোৱাৰ সপেক্ষে ভোট দিবৰ কাৰণে অনুৰোধ জনাই অসম প্ৰাদেশিক মুছলিম লীগৰ সভাপতি নুৰুল হকে বাতৰিকাকতত প্ৰকাশৰ বাবে এক বিবৃতি প্ৰেৰণ কৰে।

১৬ জুন ঃ মুছলিম লীগৰ আইন অমান্য আন্দোলনত যোগদান কৰাৰ বাবে যিসকল লোকক অসমৰ বিভিন্ন জে'লত আটক কৰি ৰখা হৈছিল তেওঁলোকক মুক্ত কৰি দিবলৈ অসম চৰকাৰে নিৰ্দেশ জাৰি কৰে।

১৭ জুন ঃ মৈমনসিংহ জিলাৰ পাৰ্বত্য অঞ্চলত বসবাস কৰা হাজং আৰু অন্যান্য উপজাতীয় লোকসকলৰ প্ৰতিনিধি দল এটিয়ে কংগ্ৰেছ সভাপতি আচাৰ্য কৃপালনিক দেখা কৰি তেওঁলোকৰ বসতিপ্ৰধান অঞ্চলবোৰ অসমৰ সৈতে চামিল কৰাৰ দাবী তোলে।

২০ জুন ঃ বংগ বিভাজনৰ ঐতিহাসিক সিদ্ধান্ত গৃহীত ঃ

আজি বংগ ব্যৱস্থা পৰিষদৰ মুছলমান প্ৰধান আৰু অমুছলমান প্ৰধান ভাগ দুটাৰ সদস্যসকলৰ পৃথক বৈঠকে প্ৰকাশ কৰা ৰায় অনুসৰি বংগদেশ বিভাগ হোৱাৰ সিদ্ধান্ত লোৱা হয়। অমুছলমান প্ৰধান ভাগে ৫৮-২১ ভোটত বংগ বিভাগ আৰু চলিত গণ পৰিষদ শাসনতন্ত্ৰ ৰচনা কৰাৰ সপক্ষে ৰায় দিয়ে। আনহাতে মুছলমান প্ৰধান ভাগে ১০৬-৩৫ ভোটত বংগ বিভাগৰ বিপক্ষে আৰু ১০৭-৩৪ ভোটত নতুনকৈ হ'ব লগা সুকীয়া গণ পৰিষদখনত যোগ দিয়াৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰে।

পৰিষদৰ মুছলমান প্ৰধানভাগে ১০৫-৩৫ ভোটত গৃহীত হোৱা আন এটা প্ৰস্তাৱৰ দ্বাৰা চিলেট জিলাক পূব বংগ প্ৰদেশৰ লগত সামৰি লোৱাত সন্মতি প্ৰকাশ কৰে। মুছলমান সংখ্যাগৰিষ্ঠ ভাগৰ বৈঠকে আৰু সিদ্ধান্ত কৰে যে চিলেট জিলাৰ সাধাৰণ ভোটৰ সিদ্ধান্ত যদি নতুন পূব বংগ প্ৰদেশৰ লগত চামিল হোৱাৰ সপক্ষে হয় তেন্তে পূব বংগ

অসমীয়াৰ ভয় আঁতৰা নাছিল। যিহেতু ‘গ’ ছেকচনত অসমীয়া সংখ্যালঘু আছিল সেয়েহে সংখ্যাগৰিষ্ঠ মুছলমান প্ৰতিনিধিয়ে বিচাৰিলে ‘গ্ৰুপ’ নিশ্চিত আছিল। এবাৰ গ্ৰুপ গঠন হোৱা মানে বংগসহিত অসম পাকিস্তানৰ বুকুত জীন যোৱাৰ পথ প্ৰশস্ত হোৱা। গতিকে বৰদলৈৰ নেতৃত্বত আৰম্ভ হ’ল মিছনবিৰোধী সংগ্ৰাম। সেয়া আছিল প্ৰতিৰোধৰ আন এক অধ্যায়।

চিলেট জিলাক সামৰি লোৱাত সন্মত হ'ব। এই সিদ্ধান্তৰ সপক্ষে ১০৫ জন আৰু বিপক্ষে ৩৫জনে ভোট দিয়ে।

২১ জুন ঃ লখিমপুৰৰ বৰ চাহাবে নিবাৰণ বৰা আৰু মদন শৰ্মাৰ ওপৰত অনা অভিযোগ প্ৰত্যাহাৰ কৰে।

২৩ জুন ঃ অসম মন্ত্ৰীসভাৰ আজিৰ বৈঠকে চিলেটৰ জনমত গ্ৰহণৰ বিষয়টো সন্দৰ্ভত আলোচনা কৰে। এই আলোচনা অনুসৰি ৬ আৰু ৭ জুলাইত জনমত গ্ৰহণৰ দিন তথা ১৫ জুলাইৰ ভিতৰত ফলাফল ঘোষণাৰ দিন খাটাং কৰা হৈছে। চিলেটৰ চাহ বনুৱাসকলক এই জনমত গ্ৰহণত ভোট দিবলৈ অনুমতি দিয়া নহ'ব বুলি বৈঠকে সিদ্ধান্ত লয়।

২৪ জুন ঃ চিলেটৰ জনমত গ্ৰহণঃ

চিলেটৰ জনমত গ্ৰহণ কমিছনাৰ মিঃ এইচ চি ষ্টৰ্কে এখন প্ৰেছ ইস্তাহাৰত চিলেটৰ জনমত গ্ৰহণৰ তাৰিখ ৬ আৰু ৭ জুলাই কৰা হৈছে বুলি ঘোষণা কৰে। ইস্তাহাৰখনত কোৱা হৈছে যে গোটেইখন জিলাৰ আটাইবোৰ সাধাৰণ আৰু মুছলমান সমষ্টিত বৰ্তমান অসম ব্যৱস্থা পৰিষদৰ ভোটাৰ তালিকাৰ ভিত্তিতে জনমত গ্ৰহণৰ ভোট লোৱা হ'ব। এই জিলাৰ ভিতৰত পৰা ভাৰতীয় খ্ৰীষ্টান সম্প্ৰদায়েও ভোটদানত অংশ গ্ৰহণ কৰিব পাৰিব। জিলাখন অসমত থাকিব লাগে বুলি ক'ব খোজা ভোটাৰসকলে 'জুপুৰি ঘৰ'ৰ ছবি আৰু পূব বংগৰ লগত চামিল হ'ব লাগে বুলি ক'ব খোজা ভোটাৰসকলে 'কুঠাৰ'ৰ ছবি থকা ভোটৰ বাকচত ভোট দিব।

২৬ জুন ঃ অসমৰ গৱৰ্নৰে 'অসম (চিলেট) ৰেফাৰেণ্ডাম অফেন্সেছ অৰ্ডিনেন্স ১৯৪৭' নামৰ অৰ্ডিনেঞ্চ এখন জাৰি কৰে। গোটেই অসমৰ বাবে বলৱৎ হোৱা এই অৰ্ডিনেঞ্চ অনুসৰি ভোট দিয়া, অবাঞ্চিত প্ৰভাৱ বিস্তাৰ কৰা বা ফুচুলনিৰ দ্বাৰা মানুহ ভাঙোৱা অপৰাধত অপৰাধী বুলি প্ৰমাণিত হোৱা যিকোনো লোককেই ৭ বছৰপৰ্যন্ত সশ্ৰম বা বিনাশ্ৰম কাৰাদণ্ড বা জৰিমনা বা দুয়োপ্ৰকাৰৰ শাস্তিৰ ব্যৱস্থা কৰা হয়।

৩ জুলাই ঃ অসম প্ৰাদেশিক কংগ্ৰেছ

কেবিনেট মিছনবিৰোধী প্ৰতিৰোধপৰ্ব

১৯৪৬ চনৰ ১৬ মে'ৰ কেবিনেট মিছন আঁচনিয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীক দিশহাৰা কৰি তোলাৰ লগতে সমগ্ৰ অসমতে অনুভূত কৰাইছিল এক ভয়ানক শংকাৰ। এই শংকা আছিল পৰিকল্পিতভাৱে অসমক বংগৰ সৈতে চামিল কৰি সৰ্বশেষত প্ৰদেশখনক পাকিস্তানৰ সৈতে চামিল কৰাৰ। এনে এক জাতীয় দুৰ্ভাৱনাৰ ফলত অসম আৰু অসমৰ সমূহ থলুৱা মানুহৰ হকে চূড়ান্ত প্ৰতিৰোধ আৰু সাহসৰ স্বাক্ষৰ দেখুৱাই থৈ গ'ল গোপীনাথ বৰদলৈয়ে। ১৬ মে'ৰ দিনাখনেই গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ

কমিটীৰ প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মাই গৱৰ্নৰ জেনেৰেল, পণ্ডিত নেহৰু, চৰ্দাৰ পেটেল, মহাত্মা গান্ধী, মৌলানা আব্দুল কালাম আজাদ, আচাৰ্য কৃপালনি, ৰাজেন্দ্ৰ প্ৰসাদ, অসমৰ গৱৰ্নৰ ছাৰ হাইদৰী আৰু অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈলৈ অসমৰ বাবে স্বতন্ত্ৰীয় সীমা কমিছন দাবী কৰি টেলিগ্ৰাম প্ৰেৰণ কৰে। টেলিগ্ৰামখনত এনেদৰে উল্লেখ কৰা হৈছে 'চিলেট যদি পূব বংগলৈ যাবলৈকে থিৰ কৰে, তেন্তে চিলেট সমন্বিতে গোটেই বংগদেশৰ বাবে এটা মাত্ৰ সীমা কমিছন নিয়োগ আৰু বৰ্তমানে নিৰ্ধাৰিত কৰা অনুক্ৰমৰ চৰ্ত— এই দুয়োটা ব্যৱস্থা ৩জুনৰ ঘোষণাৰ ১৩নং ছেদত উল্লিখিত ব্যৱস্থাৰ প্ৰকাশ্যভাৱে পৰিপন্থী; চিলেট জিলাৰ মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চল আৰু তাৰ লগালগি জিলাকেইখনৰ মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলৰ সীমা থিৰ কৰিবলৈ অসমৰ বাবে পঞ্জাব আৰু বংগৰ অনুৰূপ এটা তৃতীয় সুকীয়া সীমা নিৰ্ধাৰক কমিছন নিয়োগহে উক্ত ছেদৰ যথাবিহিত ব্যৱস্থা।'

৬ জুলাই ঃ চিলেটত হোৱা ৰেফাৰেণ্ডামৰ প্ৰথম দিন শান্তিৰে অতিবাহিত। বৰষুণ সত্ত্বেও দলে দলে ভোটাৰৰ সমাবেশ ঘটে।

৭ জুলাইঃ চিলেটৰ ভোট গ্ৰহণৰ দ্বিতীয় দিনা দুই-এঠাইত অশান্তিজনক পৰিস্থিতি। কেইবাঠাইতো গুলীবৰ্ষণ সংঘটিত হয়।

১৩ জুলাই ঃ চিলেট পাকিস্তানত অন্তৰ্ভুক্ত ঃ

নতুন দিল্লীত বৰলাটে চিলেট জিলাই পাকিস্তানত যোগ দিবলৈ সিদ্ধান্ত কৰিলে বুলি চৰকাৰীভাৱে ঘোষণা কৰে। বৰলাট ভৱনৰ পৰা প্ৰকাশিত এখন প্ৰেছ ইস্তাহাৰৰ মতে তলত দিয়াটোৱেই হৈছে চিলেট জিলাৰ জনমত গ্ৰহণৰ ফলাফল—

পূব বংগত যোগ দিয়াৰ সপক্ষে শুদ্ধ (ভেলিড) ভোট ঃ ২,৩৯,৬১৯

অসমত থকাৰ সপেক্ষে শুদ্ধ ভোট ঃ ১,৮৪,০৪১

পাকিস্তানৰ পক্ষে অধিক ভোটৰ সংখ্যা ঃ ৫৫,৫৭৮

এই ভোট গ্ৰহণত দিয়া শুদ্ধ ভোট

কমিটীৰ এখন পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হৈছিল। কাৰ্যনিৰ্বাহক কমিটী গঠনৰ উদ্দেশ্যে বহা এই পূৰ্ণাংগ অধিৱেশনত মিছনৰ প্ৰস্তাৱবোৰৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হয়। বংগৰ সৈতে একেটা অংশ বা ছেকচনত যোগ দিয়াৰ ফলত অসমে নিশ্চিতভাৱে সমষ্টিত অন্তৰ্ভুক্ত হ'ব লাগিব বুলি শংকা ব্যক্ত কৰি এচাম কংগ্ৰেছীয়ে মিছনৰ প্ৰস্তাৱৰ এই 'অংশ' সম্পৰ্কীয় বিষয়টো বাদ দিয়াৰ দাবী তুলিলে। অৱশ্যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তৈয়বুল্লাকে আদি কৰি গৰিষ্ঠসংখ্যক কংগ্ৰেছী সদস্যই মিছন প্ৰস্তাৱৰ প্ৰতি সন্মতি দেখুৱাইছিল বাবে 'অংশ' নাকচ কৰাৰ দাবীটো আনুষ্ঠানিকভাৱে উত্থাপন কৰিব পৰা নগ'ল। তৎসত্ত্বেও অসমীয়া মানুহৰ মনত সৃষ্টি হোৱা শংকা তথা মিছন প্ৰস্তাৱবিৰোধী অসন্তোষৰ কথা উল্লেখ কৰি প্ৰদেশ কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ ফালৰ পৰা সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ সভাপতি আব্দুল কালাম আজাদলৈ এক টেলিগ্ৰাফিক সংবাদ প্ৰেৰণ কৰা হ'ল।

অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ তেতিয়া কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকৰ বাবে নতুন দিল্লীত আছিল। কেবিনেট মিছন আঁচনিৰ প্ৰতি তীব্ৰ বিৰোধিতা প্ৰদৰ্শন কৰি বৰদলৈয়ে ১৯ মে'ত কাৰ্যনিৰ্বাহক কমিটীৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰে। কেন্দ্ৰীয় কংগ্ৰেছে যাতে অসমৰ আপত্তিক তুচ্ছ বুলি গণ্য নকৰে তাক সতৰ্ক কৰি দি তেখেতে স্মাৰকপত্ৰখনত এনেদৰে উল্লেখ কৰিলে— 'অসমে অসমক লঘুভাৱে ল'বলৈ নিদিব আৰু যদিহে কেন্দ্ৰীয় কংগ্ৰেছে অসমৰ আপত্তিলৈ কাণসাৰ নকৰে তেন্তে অসমৰ বহু লোকে ইয়াক বিৰাট বিশ্বাসঘাতকতা বুলি ভাবিলেও একো আচৰিত কথা নহ'ব।'

কেবিনেট মিছনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱটোৱেই আছিল গ্ৰুপিঙৰ অথচ ই আছিল তেনেই দ্ব্যৰ্থমূলক আৰু অস্পষ্ট। ১৫ (৫) দফাটোত কোৱা হৈছিল— 'প্ৰদেশবোৰ গ্ৰুপ গঠন কৰিবনে নকৰিব সেই সম্পৰ্কে

তালিকাভুক্ত সৰ্বমুঠ ভোটৰ শতকৰা ৭৭.৩৩ শতাংশ। আনহাতে অসম চৰকাৰে ১৪জুলাইত এক ইস্তাহাৰযোগে ৰেফাৰেণ্ডামৰ ফলাফলৰ বিস্তৃত বিৱৰণ প্ৰকাশ কৰিছে। বিভিন্ন ভোট লোৱা কেন্দ্ৰত চিলেট অসমত থকাৰ সপক্ষে দিয়া ভোটৰ সংখ্যা নিম্নোক্ত ধৰণৰ—

(১) চিলেট সদৰ ৩৮৮৭১, (২) কৰিমগঞ্জ ৪০৫৩৬, (৩) হবিগঞ্জ ৩৬,৯৫২, (৪) দক্ষিণ চিলেট ৩৩,৪৭১, (৫) সুনামগঞ্জ ৩৪,৩১১ চিলেট পূব বংগলৈ যোৱাৰ সপক্ষে (১) চিলেট সদৰ ৬৮,৩৮১, (২) কৰিমগঞ্জ ৪১,২৬২, (৩) হবিগঞ্জ ৫৪,৫৪৩, (৪) দক্ষিণ চিলেট ৩১,৭১৮, (৫) সুনামগঞ্জ ৪৩,৭১৫। প্ৰত্যেক মহকুমাতে সাধাৰণ আৰু মুছলিম ভোটাৰৰ মুঠ সংখ্যা

সাধাৰণ ঃ (১) চিলেট সদৰ ৪৮,৮৬৩, (২) কৰিমগঞ্জ ৪৬২২১, (৩) হবিগঞ্জ ৬০,২৫২, (৪) দক্ষিণ চিলেট ৪১,৪২৭, (৫) সুনামগঞ্জ ৩৯,০৫৫।

মুছলমান ঃ (১) চিলেট সদৰ ৯২,২৬৮, (২) কৰিমগঞ্জ ৫৪,০২২, (৩) হবিগঞ্জ ৭৫,২৭৪, (৪) দক্ষিণ চিলেট ৩৮,২৯৭, (৫) সুনামগঞ্জ ৫১,৮৪৬।

ভোট দিবৰ অধিকাৰ থকা ভাৰতীয় খ্ৰীষ্টানৰ সংখ্যা সমগ্ৰ জিলাতে হ'ল মুঠ ৩৪৭জন।

১৪ জুলাই ঃ খাছীয়া ৰাজ্যৰ কেইবাজনো ছিয়েমে অসমৰ গৱৰ্ণৰক সাক্ষাৎ কৰি খাছীয়া ৰাজ্যবিলাকক সম্পূৰ্ণ সাৰ্বভৌম ক্ষমতা দিব লাগে বুলি আৰু খাছীয়া পাহাৰক স্বাধীন বুলি ঘোষণা কৰাৰ এক দাবী উত্থাপন কৰে।

- ভাৰত ডমিনিয়নৰ মন্ত্ৰীসভাত অসমৰ প্ৰতিনিধি লাগে বুলি অস্থায়ী চৰকাৰৰ ওচৰত তেজপুৰৰ কেইজনমান বিশিষ্ট লোক বিজয় ভাগৱতী, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, কমলা প্ৰসাদ আগৰৱালা আৰু মহীকান্ত দাসে স্মাৰকপত্ৰ প্ৰদান কৰে।

২০ জুলাই ঃ নতুন দিল্লীত নগা প্ৰতিনিধি দল উপস্থিত। ১৫ আগষ্টত ব্ৰিটিছে ভাৰত ত্যাগ কৰাৰ লগে লগেই 'তেওঁলোকৰ স্বাধীনতা লাভৰ দাবী' সম্পৰ্কে যথাযোগ্য কৰ্তৃপক্ষ আৰু

সম্পূৰ্ণ স্বাধীন হ'ব।' অথচ ১৯ (৫) দফাটোৱে ছেকচন অন্তৰ্ভুক্ত প্ৰদেশবোৰে সমষ্টি অথবা গ্ৰুপ গঠন কৰাটো বাধ্যতামূলক কৰিছিল। বৰদলৈয়ে দিয়া স্মাৰকপত্ৰত প্ৰকাশ হোৱা শংকা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কাৰ্যনিৰ্বাহক কমিটীয়ে বৰদলৈক বুজালে যে অসমে সমষ্টিত যোগ দিবনে নাই সেই অধিকাৰটো ঐচ্ছিক (optional) আৰু এই অধিকাৰটো প্ৰয়োগ কৰি অসমে গ্ৰুপত অন্তৰ্ভুক্ত নোহোৱাকৈও থাকিব পাৰিব। কিন্তু কংগ্ৰেছ কাৰ্যনিৰ্বাহকৰ এই প্ৰত্যয়ক অসাৰ বুলি প্ৰতিপন্ন কৰি পেথিক লৰেঞ্চে দিয়া এখন সংবাদমেলৰ বক্তব্যত অসমৰ শংকাটোৱেই সঁচা বুলি সাব্যস্ত হ'ল। ১৭ মে'ত ভাৰতবৰ্ষৰ গৃহ সচিবে কোনো এখন প্ৰদেশে সমষ্টি গঠন কৰাৰ বিষয়ত সৃষ্টি হোৱা দোমোজা সম্পৰ্কে এনেদৰে স্পষ্টীকৰণ দিলে— 'ঘোষণাত উল্লেখ কৰা অনুসৰি প্ৰদেশবোৰ স্বয়ংক্ৰিয়ভাৱে ক, খ আৰু গ অংশত (section) অন্তৰ্ভুক্ত হ'ব। প্ৰাৰম্ভিকভাৱে প্ৰদেশবোৰ ঘোষণা অনুযায়ী কোনো এটা অংশত পৰিব আৰু সেই বিশেষ অংশটোৱেহে সমষ্টি গঠন হ'বনে নহয় অথবা সংবিধান কি ধৰণৰ হ'ব তাক নিৰ্ণয় কৰিব। কোনো অংশৰ দ্বাৰা গঠিত সমষ্টিৰ পৰা প্ৰদেশ ওলাই অহাৰ অধিকাৰটো সংবিধান প্ৰস্তুত কৰাৰ পিচত তথা প্ৰথম বিধানমণ্ডলীৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিচতহে উদ্ভৱ হ'ব। প্ৰদেশবোৰে ইয়াৰ আগতে সমষ্টিৰ পৰা ওলাই অহাৰ কথাটো উঠিবই নোৱাৰে।'

পেথিক লৰেঞ্চৰ এই সংবাদমেলৰ পিচত এইটো নিশ্চিত হৈ পৰিল যে প্ৰদেশবোৰ পূৰ্বনিৰ্ধাৰিত সমষ্টিবোৰত অন্তৰ্ভুক্ত হোৱাটো বাধ্যতামূলক আৰু সেই নিৰ্দিষ্ট সমষ্টিটোৰ সংবিধান প্ৰণয়ন হোৱাৰ পিচতহে সেই গ্ৰুপৰ পৰা ওলাই আহি পছন্দৰ আন সমষ্টিত যোগ দিব পাৰিব। এনে এক অধিকাৰ প্ৰদেশখনে লাভ কৰিব গ্ৰুপৰ সংবিধান প্ৰণয়নৰ দহ বছৰৰ পিচতহে। অসমৰ বৰদলৈ প্ৰমুখ্যে নেতাসকলৰ শংকা আছিল এনেধৰণৰ যে এবাৰ বংগৰ সৈতে একেটা অংশত ('গ' অংশ) অন্তৰ্ভুক্ত হ'লে উক্ত 'গ' অংশৰ সংখ্যাগৰিষ্ঠ প্ৰতিনিধিৰ ভোটেৰে অসম মুছলমানপ্ৰধান সমষ্টিত যোগ দিবলৈ

ভাৰতীয় নেতাসকলৰ লগত আলোচনা কৰাই নগা প্ৰতিনিধি দলৰ উদ্দেশ্য।

২১ জুলাই ঃ অসম চৰকাৰৰ অধীনস্থ মুছলমান কৰ্মচাৰীৰ প্ৰায়বিলাকেই পাকিস্তানলৈ যাবলৈ টোপোলা বান্ধিছে বুলি এক সূত্ৰত প্ৰকাশ। চিলেটীয়া হিন্দু কৰ্মচাৰীসকলে এতিয়ালৈ কোনো সিদ্ধান্তলৈ আহিব পৰা নাই।

২২ জুলাই ঃ গণ পৰিষদ দুখনলৈ অসম আৰু চিলেট জিলাৰ প্ৰতিনিধি নিৰ্বাচনৰ পদ্ধতি নিৰ্ধাৰণ ঃ

আজি ওলোৱা এখন প্ৰেছ নোটত কোৱা হৈছে যে চিলেট গণভোটৰ ফলাফল মতে পূব বংগত যোগ দিয়াৰ সিদ্ধান্ত কৰাত গৱৰ্নৰ জেনেৰেলে পাকিস্তান গণ পৰিষদলৈ আৰু অৱশিষ্ট অসম প্ৰদেশৰ পৰা ভাৰতীয় গণ পৰিষদলৈ সদস্য নিৰ্বাচন সম্বন্ধে কি পদ্ধতি গ্ৰহণ কৰা হ'ব তাক বান্ধি দিছে।

অসমৰ অৱশিষ্ট অংশৰ নিৰ্বাচক মণ্ডলীৰ প্ৰতিনিধিত্ব কৰা সদস্যসকলক 'ক সমষ্টিৰ সদস্য' আৰু চিলেটৰ নিৰ্বাচক মণ্ডলীৰ প্ৰতিনিধিত্ব কৰা সদস্যসকলক 'খ সমষ্টিৰ সদস্য' বুলি পৰিচিত কৰা হ'ব। 'ক' আৰু 'খ' সমষ্টিৰ সদস্যসকলৰ নিৰ্বাচকমণ্ডলীক সাময়িকভাৱে প্ৰতিনিধিত্ব কৰা অসম পৰিষদৰ সদস্যসকলে বৰ্তমান গণ পৰিষদ আৰু নতুন গণ পৰিষদলৈ সদস্য নিৰ্বাচন কৰিব।

১৯৪৬ চনৰ ১৬ মে'ৰ মন্ত্ৰী মিছনৰ আঁচনিত থকা নীতি অনুসৰি হস্তান্তৰ কৰিব পৰা গুটীয়া ভোটৰ দ্বাৰা আনুপাতিক প্ৰতিনিধিত্বৰ পদ্ধতিৰে তলত দিয়া সংখ্যক সদস্য নিৰ্বাচিত কৰা হ'ব।

'ক' সমষ্টিৰ সদস্যসকল ঃ ৬জন সাধাৰণ আৰু ২ জন মুছলমান প্ৰতিনিধি।

'খ' সমষ্টিৰ সদস্যসকল ঃ ১জন সাধাৰণ আৰু ২জন মুছলমান প্ৰতিনিধি।

গণ-পৰিষদ দুখনলৈ সদস্য নিৰ্বাচন সম্বন্ধে যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিব লগা আৱশ্যক সেইবোৰ লোৱাৰ দিহা অসমৰ গৱৰ্নৰে কৰিব। যি তাৰিখে 'ক' সমষ্টিৰ সদস্যসকলে

বাধ্য হ'ব আৰু এবাৰ সমষ্টিৰ সংবিধান প্ৰণয়ন হোৱাৰ পিচত অসমে সমষ্টিৰ পৰা ওলাই অহাটো অসম্ভৱ হৈ পৰিব। ইয়াৰ স্বাভাৱিক পৰিণতি হ'ব জিন্নাৰ পৰিকল্পনাৰ পাকিস্তানত অসম লীন যোৱা।

২৪ মে'ত কেবিনেট মিছন আঁচনি সম্পৰ্কে কেন্দ্ৰীয় কংগ্ৰেছে প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উক্ত দিনা কংগ্ৰেছে আঁচনিখন সন্দৰ্ভত শেষ সিদ্ধান্তত উপনীত হ'বৰ বাবে কিছু সময় বিচাৰিলে। কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক শেষ হোৱাৰ পিচত বৰদলৈ অসমলৈ উভতি আহে আৰু ২৬ মে'ত অসম প্ৰদেশ কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক অনুষ্ঠিত হয়। কাৰ্যনিৰ্বাহক কমিটীয়ে কেন্দ্ৰীয় কংগ্ৰেছৰ ওচৰত বৰদলৈয়ে দাখিল কৰা স্মাৰকপত্ৰখন অনুমোদন কৰিলে আৰু গ্ৰুপিং আঁচনিৰ লগত সম্পূৰ্ণ অসহযোগিতা ঘোষণা কৰিলে। ইয়াৰ সমান্তৰালভাৱে অসম কংগ্ৰেছে প্ৰদেশখনৰ সৰ্বস্তৰত গ্ৰুপিংবিৰোধী আন্দোলন চলোৱাৰ পোষকতা কৰিলে। জগদীশ চন্দ্ৰ মেধিৰ নেতৃত্বত পাঁচজনীয়া গ্ৰুপিংবিৰোধী এখন কমিটীও গঠন কৰা হ'ল। ৫ জুনৰ দিনা ব্ৰহ্মপুত্ৰ উপত্যকাৰ চহৰ আৰু ভিতৰ অঞ্চলতো সভা-সমিতি পাতি 'গ্ৰুপিংবিৰোধী দিৱস' পালন কৰা হয়। এই গণ আন্দোলন জুলাই মাহলৈকে চলিল।

জুন মাহত অসমৰ নেতাসকলৰ দুটা সঁজাতী দলে গ্ৰুপিংবিৰোধী প্ৰচাৰৰ কাৰণে অসমৰ বাহিৰলৈ যাত্ৰা কৰিলে। এই সঁজাতী দল দুটাৰ প্ৰধান উদ্দেশ্য আছিল কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ সদস্যসকল আৰু উত্তৰ ভাৰতৰ কেইখনমান প্ৰদেশৰ প্ৰধান কংগ্ৰেছী নেতাসকলক লগ ধৰি অসমৰ বিশেষ বিশেষ সমস্যাৰ বিষয়ে অৱগত কৰোৱা। প্ৰথম দলটোত আছিল হৰেন্দ্ৰনাথ বৰুৱা, হৰেশ্বৰ গোস্বামী, দেৱকান্ত বৰুৱা, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী আৰু পুষ্পলতা দাস। বংগৰ প্ৰায়বোৰ কংগ্ৰেছ নেতাই নিজ প্ৰদেশৰ স্বাৰ্থত অসম 'গ' ছেকচনত থকাটো বিচাৰিলে, যাতে পিচলৈ অসমৰ সহায়ত বংগত মুছলমান হেঁচাৰ পৰা ৰক্ষা পাব পৰা যায়। অসমৰ সমস্যাটোৰ প্ৰতি

তেওঁলোকৰ প্ৰতিনিধিসমূহ নিৰ্বাচন কৰি অঁতাব, সেইদিনাৰে পৰা অসম পৰিষদে বৰ্তমান গণ পৰিষদলৈ নিৰ্বাচিত কৰা মানুহখিনি উক্ত গণ পৰিষদৰ সদস্য হিচাপে থাকিব নোৱাৰিব।

২ আগষ্ট ঃ পাকিস্তান গণ পৰিষদলৈ তিনিজন সদস্য (দুজন মুছলমান আৰু এজন অমুছলমান) নিৰ্বাচন কৰিবৰ কাৰণে আজি বহা অসম ব্যৱস্থা পৰিষদৰ 'খ' শাখাৰ সভাত মুছলমান আসন দুখনত মুছলিম লীগ প্ৰাৰ্থী মৌঃ আব্দুল হামিদ আৰু মৌঃ আব্দুল মতিন চৌধুৰী অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হয়। অমুছলমান আসনখনৰ কাৰণে অসমৰ ভূতপূৰ্ব মন্ত্ৰী অক্ষয় কুমাৰ দাস আৰু বৰ্তমান স্বৰাষ্ট্ৰ মন্ত্ৰী বসন্ত কুমাৰ দাসে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অক্ষয় কুমাৰ দাসে নিৰ্বাচনত জয় লাভ কৰে।

৬ আগষ্ট ঃ অসমত স্বাধীনতা দিৱস পালন কৰিবলৈ অসম চৰকাৰে এখন নিজাববীয়া আঁচনি গ্ৰহণ কৰে। এই আঁচনি অনুসৰি ১৪ আগষ্টৰ সন্ধিয়াৰ লগে লগে ইউনিয়ন জেক নমোৱা হ'ব আৰু পিচদিনা পুৱা পতাকা উত্তোলন কৰা হ'ব।

৭ আগষ্ট ঃ বংগদেশ বিভক্ত হোৱাত আৰু চিলেট অসমৰ পৰা পূব বংগৰ হাতলৈ যোৱাত পূব বংগ, পশ্চিম বংগ আৰু অসমত এখনকৈ আইন সভা থাকিব লাগে বুলি সিদ্ধান্ত গ্ৰহণ। ১৫ আগষ্টৰ পৰা বংগ আৰু অসমৰ বৰ্তমান থকা ব্যৱস্থাপক সভা উঠাই দিয়া হ'ব বুলি সিদ্ধান্ত লোৱা হৈছে।

৯ আগষ্ট ঃ গুৱাহাটীত আৱশ্যকীয় ব্যৱস্থা হৈ নুঠালৈ অস্থায়ীভাৱে শ্বিলঙতে হাইকৰ্ট পতাৰ সিদ্ধান্ত। ১৫ আগষ্টৰ পৰা অসম ব্যৱস্থাপক সভা উঠি যাব বাবে ব্যৱস্থাপক সভাৰ ভৱনতে হাইকৰ্ট বহুওৱাৰ সিদ্ধান্ত গ্ৰহণ।

১০ আগষ্ট ঃ অসম ব্যৱস্থা পৰিষদৰ কংগ্ৰেছ দলৰ বৈঠক অনুষ্ঠিত। গণ পৰিষদত থকা অসমৰ ছখন সাধাৰণ আসনৰ ভিতৰত পাঁচখনৰ বাবে গণ পৰিষদলৈ যোৱা আগৰ সদস্য পাঁচজনকে পৰিষদৰ কংগ্ৰেছ দলে

আন্তৰিকতাৰে সহানুভূতি দেখুৱাইছিল একমাত্ৰ শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে। বাকী প্ৰদেশবোৰৰ পৰা এই সঁজাতী দলটোৱে বিশেষ সমৰ্থন আদায় কৰিব নোৱাৰিলে। বৰঞ্চ বিজয়লক্ষ্মী পণ্ডিতৰ নিচিনা কংগ্ৰেছৰ প্ৰভাৱশালী নেত্ৰীয়ে অসমে গ্ৰুপিঙৰ বিৰোধিতা কৰা কাৰ্যক সমগ্ৰ ভাৰতৰ স্বাৰ্থৰ পৰিপন্থী বুলি মন্তব্য দিছিল।

প্ৰথম সঁজাতী দলটোৱে লাভ কৰা অভিজ্ঞতাৰ বিপৰীতে দ্বিতীয় সঁজাতী দলটোৱে কিছু পৰিমাণে সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। এই দলটোত আছিল মৌলানা তৈয়বুল্লা, ফখৰুদ্দিন আলী আহমেদ, অমিয় কুমাৰ দাস, বিজয় চন্দ্ৰ ভাগৱতী, নীলমণি ফুকন আৰু অম্বিকাগিৰী ৰায়চৌধুৰী। ৮ জুনত দলটোৱে দিল্লীত জৱাহৰলাল নেহৰুক সাক্ষাৎ কৰে। নেহৰুৱে দলটোক কয় যে অসমৰ ওপৰত কোনেও এখন সংবিধান ওপৰৰ পৰা জাপি দিব নোৱাৰে। চৰ্দাৰ বল্লভভাই পেটেল, আজাদ আদিৰ নিচিনা নেতায়ো দলটোক কেন্দ্ৰীয় কংগ্ৰেছৰ সাহায্যৰ আশ্বাস প্ৰদান কৰিলে। সঁজাতী দলটোৱে আটাইতকৈ গুৰুত্বপূৰ্ণ সঁহাৰি লাভ কৰিলে মহাত্মা গান্ধীৰ পৰা। গান্ধীজীয়ে ক'লে যে কেবিনেট আঁচনি সম্পৰ্কে ব্ৰিটিছসকলে যি ব্যাখ্যা আগবঢ়াইছে, সিয়ে জিন্নাৰ পক্ষ লৈছে আৰু অসমবাসীয়ে অনুভৱ কৰা মূল শংকাৰ কাৰণো সেইটোৱেই। অসমৰ ওপৰত যদি গ্ৰুপিং জাপি দিয়া হয়, তেনেহ'লে অসমৰ নেতৃবৰ্গই গণ পৰিষদক অৱজ্ঞা কৰা উচিত বুলি গান্ধীজীয়ে মত দাঙি ধৰিলে।

ইপিনে অসমত গ্ৰুপিংবিৰোধী আন্দোলন অধিক শক্তিশালী কৰাৰ স্বাৰ্থত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অসমবাসীলৈ এই আন্দোলনৰ প্ৰতি সহযোগিতা আগবঢ়াবলৈ আহ্বান জনালে। অসম প্ৰদেশ কংগ্ৰেছে এই আন্দোলনৰ জৰিয়তে সৰ্বভাৰতীয় কংগ্ৰেছক সতৰ্ক কৰি দিব বিচাৰিছিল যে যদিহে কেবিনেট মিছন সফল হয়গৈ তেন্তে গোটেই দেশখনৰ ভিতৰত একমাত্ৰ অসমেই বলিৰ পঠা হ'ব লগাত পৰিব। যদি কংগ্ৰেছ হাইকমাণ্ডে এই

প্ৰাৰ্থী মনোনীত কৰে। বাকী থকা আসনখনৰ বাবে কাছাৰৰ নিবাৰণ লস্কৰক প্ৰাৰ্থী মনোনীত কৰা হয়। গণ পৰিষদত থকা সদস্যসকল হৈছে— প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ, গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ৰেভাৰেণ্ড জে জে এম নিকলছ ৰয়, ৰোহিণী কুমাৰ চৌধুৰী, অমিয় কুমাৰ দাস আৰু ধৰণীধৰ বসুমতাৰী।

১১ আগষ্ট ঃ স্বাধীনতা দিনৰ সোঁৱৰণী হিচাপে অসম চৰকাৰে ট্ৰাইবেল তপছিলভুক্ত আৰু অন্যান্য অনুন্নত সম্প্ৰদায়বোৰৰ ছাত্ৰসকলক বৃত্তি আৰু সাহায্য দিবৰ বাবে ৩০ হেজাৰ টকা মঞ্জুৰ কৰে।

১২ আগষ্ট ঃ অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী পাৰ্টিৰ সম্পাদক মহেন্দ্ৰ মোহন চৌধুৰীয়ে জমিদাৰী উচ্ছেদ আৰু চাহবাগানৰ মাটি সম্পৰ্কীয় বন্দৱস্তি সালসলনিৰ কাম অনতিবিলম্বে হাতত লোৱাৰ ওপৰত গুৰুত্ব দিয়ে।

- অসম ব্যৱস্থা পৰিষদৰ 'ক' শাখাৰ অধিৱেশনত গণ পৰিষদৰ সদস্যৰে পুনৰ নিৰ্বাচন হয়। অমুছলমান আসনত আগৰ পাঁচজন আৰু নতুনকৈ নিবাৰণ লস্কৰ নিৰ্বাচিত হয়।

১৫ আগষ্টঃ সমগ্ৰ ভাৰতবৰ্ষতে স্বাধীনতা লাভৰ হৰ্ষোল্লাস। আজি ভাৰতীয় গণ পৰিষদে ভাৰত শাসনৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰা আৰু ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰা সময়ত ১৪ আগষ্টৰ নিশা ১.১ মিনিটত শংখ, ঘণ্টা, তাল বন্দুকৰ গুলী আদিৰ মাংগলিক ধ্বনি আৰু উৰুলিৰে গুৱাহাটী নগৰৰ আকাশ-বতাহ মুখৰিত হৈ পৰে। মাজৰাতি শংখ, ঘণ্টা, তাল বন্দুকৰ গুলী আদিৰে স্বাধীনতা ঘোষণাৰ মাংগলিক উৎসৱেৰে আৰম্ভ হোৱা স্বাধীনতা উৎসৱ সমগ্ৰ অসমতে পূৰ্ণোদ্যমে চলি থাকে। ১৫ আগষ্টৰ পুৱা ৮ বজাত দোকান-পোহাৰ, বেংক, কাৰখানা, স্কুল-কলেজ, ৰাজহুৱা, ভৱন আৰু মানুহৰ ঘৰত অসংখ্য জাতীয় পতাকা উৰুওৱা হয়। গুৱাহাটীত পুৱাৰে পৰা অসংখ্য পুৰুষ-নাৰী, ছাত্ৰ-ছাত্ৰীয়ে হাতত জাতীয় পতাকা লৈ নগৰৰ

আঁচনি গ্ৰহণ কৰে তেন্তে অসমৰ ওপৰত স্বয়ংক্ৰিয়ভাৱে গ্ৰুপিং জাপি দিয়া হ'ব। কংগ্ৰেছৰ এই আন্দোলনৰ প্ৰতি সঁহাৰি জনাবলৈ অসম জাতীয় মহাসভা আৰু সদৌ অসম ছাত্ৰ ইউনিয়ন (All Assam Student's Union) আগবাঢ়ি আহিল। অসম জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমক জোৰ-জবৰদস্তি সমষ্টিৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰতিবাদ জনাই আমৰণ অনশন আৰম্ভ কৰিলে। ভাৰতৰ কমিউনিষ্ট দলে (CPI) কেবিনেট মিছন আঁচনিৰ বিৰোধিতা প্ৰদৰ্শন কৰি ক'লে যে প্ৰতিখন প্ৰদেশে সাংস্কৃতিক তথা ভাষিকভাৱে সমৰূপীয় গোটৰ (Homogenous) হোৱা উচিত। এনে প্ৰতিটো গোটৰ মানুহে আত্মনিয়ন্ত্ৰণ কৰিবলৈ পূৰ্ণ অধিকাৰ পোৱা উচিত।

মিছন আঁচনিক লৈ অসমৰ মুছলমানসকলক দুটা ভাগত ভাগ হোৱা দেখা পোৱা গৈছিল। সুৰমা বা বৰাক উপত্যকাৰ লীগৰ দ্বাৰা প্ৰভাৱিত মুছলমানসকলে এই আঁচনিক আদৰণি জনাইছিল। ইয়াৰ বিপৰীতে অসমৰ খিলঞ্জীয়া মুছলমানসকলে পোনছাটেই এই প্ৰস্তাৱ নাকচ কৰিছিল। অসমীয়া মুছলমানৰ এই দৃষ্টিভংগীৰ পৰিপন্থী এক দৃষ্টিভংগী লৈছিল মহম্মদ ছাদুল্লাই। এগৰাকী অসমীয়া মুছলমান হোৱা সত্ত্বেও ছাদুল্লাই ৬ জুনত নিখিল ভাৰত মুছলিম লীগ পৰিষদে মিছন আঁচনি গ্ৰহণ কৰাৰ পিচত ছাদুল্লাই এই সিদ্ধান্তক আদৰণি জনালে। ছাদুল্লাই মুকলিভাৱে ঘোষণা কৰিলে যে অসম বহুক্ষেত্ৰত বংগৰ ওপৰত নিৰ্ভৰশীল আৰু সেয়েহে বংগৰ সৈতে অসমক সাঙুৰিব খোজা বিষয়টো অসংগত নহয়। ছাদুল্লাই গ্ৰহণ কৰা এই দৃষ্টিভংগীটো অৱশ্যে বহু পৰিমাণে সৰ্বভাৰতীয় মুছলিম লীগৰ দ্বাৰা আৰোপিত সিদ্ধান্তবোৰৰ দ্বাৰা প্ৰভাৱিত বুলি বহুতে ক'ব খোজে।

অসমত গ্ৰুপিংবিৰোধী শক্তিশালী আন্দোলন চলি থকাৰ সময়তে মহম্মদ আলী জিন্নাই কেবিনেট মিছনৰ আগত সংবিধান সভাত অসমৰ অ-মুছলমান প্ৰতিনিধিৰ সংখ্যা সাতৰ পৰা ছয়লৈ হ্ৰাস কৰিব লাগে বুলি এটা প্ৰস্তাৱ ৰাখে। অসমৰ বহিৰ্ভূত এলেকাৰ (Excluded Areas) জনজাতীয় লোকসকলক

চাৰিওফালৰ পৰা দলে দলে আহি জজ ফিল্ডত সমবেত হয়। ‘বন্দে মাতৰম’ সংগীতৰ পিচত ১০ বজাত সেই ঠাইত প্ৰায় ৩০ হেজাৰ জনতাৰ মাজত প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা তৈয়বুল্লা চাহাবে পতাকা উত্তোলন কৰে আৰু কংগ্ৰেছ সেৱা দল, মিলিটেৰী, পুলিচ, নাৰী সেৱাদল, ছাত্ৰ সেৱাদল আৰু ৰাইজে পতাকাক অভিবাদন জনায়। গিৰিজা দাসৰ নেতৃত্বত কেইবাগৰাকী ছোৱালীয়ে ‘বন্দে মাতৰম’ আৰু ‘বিজয়ী বিশ্ব ত্ৰিৰংগা’ গীত দুটি পৰিবেশন কৰে। ইয়াৰ পিচতে জজ ফিল্ডৰ পৰা এক বিশাল শোভাযাত্ৰা আৰম্ভ হয়। কংগ্ৰেছ সেৱাদলৰ দুজন সেৱকে হাতত জাতীয় পতাকা লৈ শোভাযাত্ৰাৰ আগত যায়। প্ৰায় ৫০ খন মটৰ আৰু ভালেমান ঘোঁৰা গাড়ীয়েও শোভাযাত্ৰাত যোগ দিয়ে। উজান বজাৰৰ পৰা ভৰলুমুখলৈকে পৰিভ্ৰমণ কৰাৰ পিচত শোভাযাত্ৰাটো দুই বজাত জজ ফিল্ডত ভংগ কৰা হয়। মৌলানা তৈয়বুল্লা, সিদ্ধিনাথ শৰ্মা, ডেপুটী কমিছনাৰ নগেন্দ্ৰনাথ ফুকন আদিয়েও শোভাযাত্ৰাত ভাগ লয়। দুপৰীয়া কামৰূপ একাডেমীত সকলো বৰ্ণ সম্প্ৰদায়ৰ এটি সহভোজৰ আয়োজন কৰা হয়। মৌলানা তৈয়বুল্লা, সিদ্ধিনাথ শৰ্মা আৰু ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে এই ভোজনত অংশ গ্ৰহণ কৰে।

আবেলি ৪ বজাত মৌলানা তৈয়বুল্লাৰ সভাপতিত্বত জজ ফিল্ডত এখন বিৰাট ৰাজহুৱা সভা বহে। প্ৰাদেশিক কংগ্ৰেছৰ সাধাৰণ সম্পাদক সিদ্ধিনাথ শৰ্মাই সভাত বক্তৃতা দিওঁতে স্বাধীনতা লাভ কৰাৰ পিচত নতুন অসম গঢ়ি তুলিবলৈ হিন্দু-মুছলমান, ট্ৰাইবেল, অনুন্নত নিৰ্বিশেষে সকলোকে আহ্বান জনায়। কাকা কালেলকাৰ চাহাবে সেই দিনা গুৱাহাটীত আহি সভাত আছিল। তেওঁ সভাত বক্তৃতা দিওঁতে মহাত্মাজীৰ অহিংস বিপ্লৱৰ জয় আৰু অসমৰ ভৱিষ্যতৰ গুৰুত্বৰ কথা কয়। তেওঁ কয় যে স্বাধীন ভাৰতত অসমৰ অৱস্থিতি বিশেষ গুৰুত্বপূৰ্ণ হ’ব,

অন্তৰ্ভুক্ত কৰাৰ বাবেহে অ-মুছলমান প্ৰতিনিধিৰ সংখ্যা বৃদ্ধি ঘটিছে বুলি অভিযোগ আনি জিন্নাই কয় যে যিহেতু অসম বিধানসভাত এইসকল জনজাতীয় লোকৰ কোনো প্ৰতিনিধি নাই আৰু অ-মুছলমান প্ৰতিনিধিসকলে এইসকল জনজাতীয়ক প্ৰতিনিধিত্ব নকৰে, সেয়েহে সংবিধান সভাৰ 'গ' অংশৰ বাবে অ-মুছলমানসকলে এই জনজাতিসকলৰ হকে প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ নাই। যদিহে অসমৰ সৰ্বমুঠ জনসংখ্যাৰ পৰা জনজাতিসকলক বাদ দিয়া হয়, তেন্তে সংবিধান সভাত প্ৰদেশখনৰ হিন্দুসকলৰ বাবে মাথোঁ চাৰিখন আসনহে থাকিব বুলি জিন্নাই কয়।

প্ৰাৰম্ভিক অৱস্থাত সুৰমা উপত্যকাৰ বঙালীসকলে গ্ৰুপিং ব্যৱস্থাৰ প্ৰতি সমৰ্থন জনাইছিল আৰু বংগৰ সৈতে অসম সংলগ্ন হ'ব বুলি জানি এক অহেতুক উৎসাহবোধ প্ৰদৰ্শন কৰিছিল। এই সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটী আৰু চিলেট জিলা কংগ্ৰেছ কমিটীৰ মাজত এটা বিষয়ক লৈ তীব্ৰ মতানৈক্য আৰম্ভ হয়। বংগ বিধানসভাৰ কংগ্ৰেছ দলৰ নেতা কিৰণ শংকৰ ৰয়ৰ এটা প্ৰস্তাৱক লৈ এই মতানৈক্যৰ সূত্ৰপাত ঘটিছিল। ৰয়ে কেবিনেট মিছনৰ আগত চিলেটৰ বাদেও অসমৰ কাছাৰ আৰু গোৱালপাৰা জিলাক বংগৰ সৈতে চামিল কৰাৰ আৱেদন জনাইছিল। এই আৱেদনে সমগ্ৰ অসম তথা গোৱালপাৰা জিলাত তুমুল বিক্ষোভৰ জন্ম দিয়ে আৰু জিলাখনৰ সৰ্বত্ৰ আন্দোলন আৰম্ভ হয়। কাছাৰ আৰু গোৱালপাৰা জিলাৰ গৰিষ্ঠসংখ্যক লোক বাংলাভাষী হোৱাৰ দোহাই দি জিলা দুখনক বংগৰ সৈতে চামিল কৰাটো যুক্তিযুক্ত বুলি ৰয়ে যি প্ৰস্তাৱ আনিছিল তাৰ বিপৰীতে গোৱালপাৰা জিলাৰ ৯০ শতাংশ লোকৰ মাতৃভাষা আছিল অসমীয়া। গতিকে এনে প্ৰেক্ষাপটত কংগ্ৰেছৰ ভিতৰতে সংঘাত হৈ পৰিছিল তেনেই স্বাভাৱিক। বংগৰ সৈতে চামিল হোৱা বিষয়টোৱে সুৰমা উপত্যকাৰ হিন্দু কংগ্ৰেছীসকলক ইমানেই উৎফুল্ল কৰি তুলিছিল যে তেওঁলোকে ভৱিষ্যৎ দশা কি হ'ব তাক পৰ্যালোচনা কৰাৰ

কিয়নো চীন-বাৰ্মা আদি দেশৰ লগত অসমেই প্ৰথমে সংযোগ স্থাপন কৰিব লাগিব।

সভাপতি মৌলানা তৈয়বুল্লা চাহাবে ১৫ আগষ্ট উপলক্ষে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বিবৃতিটো পঢ়ি শুনায় আৰু তেওঁৰ আহ্বানমতে সভাই দুই মিনিট সময় নীৰৱে থিয় দি স্বাধীনতা সংগ্ৰামত সৰ্বস্ব ত্যাগ কৰাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়ায়। গধূলি ঘৰে ঘৰে বন্তি জ্বলোৱা হয়।

২০ আগষ্টঃ অসম মন্ত্ৰীসভাৰ তিনিজন মন্ত্ৰীয়ে পদত্যাগ কৰাৰ ফলত তলত দিয়া ধৰণে বিভিন্ন বিভাগবোৰ বিতৰণ কৰা হয়।

প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ — শিক্ষা, নিয়োগ, স্বৰাষ্ট্ৰ, প্ৰচাৰ আৰু গাঁও উন্নয়ন, যান-বাহন শিল্প আৰু সমবায়।

বিষ্ণুৰাম মেধি — অৰ্থ, ৰাজহ, লেজিছলেটিভ আৰু জে'ল।

ৰেভাৰেণ্ড নিকলছ ৰয় — গড়কাপ্তানি আৰু যোগান।

ৰামনাথ দাস — চিকিৎসা, জনস্বাস্থ্য, আবকাৰী, বনুৱা আৰু বিদ্যুৎ।

ৰূপনাথ ব্ৰহ্ম — বন, জুডিচিয়েল — সাধাৰণ আৰু ৰেজিষ্ট্ৰেচন।

মতলিব মজুমদাৰ — কৃষি, স্বায়ত্ত শাসন আৰু পশু চিকিৎসা।

- সীমা কমিছনাৰৰ ৰায় অনুসৰি অসম পৰিষদত চিলেটে তিনিখন আসন পাব।

- সমগ্ৰ ভাৰতীয় ডমিনিয়নৰ ভিতৰত অসম প্ৰদেশেই পোনপ্ৰথমে সুকীয়া নিৰ্বাচন প্ৰথাৰ বিলুপ্তি ঘটাই তাৰ ঠাইত যুটীয়া নিৰ্বাচনী প্ৰথাৰ সূচনা কৰে। ১৫ আগষ্টৰ পৰা বলবৎ হোৱা এই আদেশ অনুসাৰে ভৱিষ্যতে হ'ব লগা সকলো নিৰ্বাচন যুটীয়া নিৰ্বাচনৰ ভিত্তিতেই হ'ব।

২৩ আগষ্টঃ মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিমলা প্ৰসাদ চলিহাক অসম চৰকাৰৰ পাৰ্লিয়ামেণ্টেৰী ছেক্ৰেটাৰী হিচাপে নিযুক্তি দিয়া হয়।

২৬ আগষ্টঃ অসমৰ গৱৰ্নৰে 'অসম গণ্ডগোলীয় অঞ্চল জৰুৰী আইন'ৰ ধাৰামতে সমগ্ৰ কাছাৰ জিলা, পাথাৰকান্দি থানা, ৰাতাবাৰী থানা, বদৰপুৰ থানা আৰু কৰিমগঞ্জ থানাৰ অসমৰ অন্তৰ্ভুক্ত অংশক গণ্ডগোলীয়া

অৱকাশ উলিয়াব পৰা নাছিল। কিন্তু সময়ৰ লগে লগে গ্ৰুপিঙৰ আচল উদ্দেশ্যও এইসকল নেতাৰ সন্মুখত স্পষ্ট হৈ পৰিল। মিছনৰ আঁচনি মানি লোৱা তথা বংগৰ সৈতে চামিল হোৱাৰ অৰ্থ যে পাকিস্তানত অন্তৰ্ভুক্ত হোৱা, সেই কথা বুজাৰ লগে লগে সুৰমা উপত্যকাৰ কংগ্ৰেছী নেতা যেনে— বসন্ত কুমাৰ দাস, বৈদ্যনাথ মুখাৰ্জী আদিয়ে অসমৰ স্বাৰ্থৰ হকে মাত মাতিবলৈ আৰম্ভ কৰিলে।

১০ জুনত অনুষ্ঠিত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বৈঠকে অসমৰ সঁজাতী দলৰ সদস্যসকলক আশ্বাস দিলে যে কাৰ্যনিৰ্বাহক কমিটীয়ে কংগ্ৰেছ প্ৰদেশবিলাকক গ্ৰুপত নোসোমাবৰ কাৰণে নিৰ্দেশ দিব। সঁজাতী দলটোক আশ্বাস দিবৰ বাবেহে যে এনেধৰণৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল, তাৰ প্ৰমাণ ওলাল কিছুদিনৰ পিচতেই। কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীয়ে 'গ' ছেকচনত অসমক অন্তৰ্ভুক্ত নকৰিবৰ বাবে ব্ৰিটিছ চৰকাৰৰ সৈতে কোনো আলাপ-আলোচনা নচলালে, বৰঞ্চ জৱাহৰলাল নেহৰুৱে মিছন আঁচনিৰ ১৫ (৫) দফা সম্পৰ্কে নিজাববীয়া ব্যাখ্যা দি অসমৰ কংগ্ৰেছীসকলক বেছি বিপদতহে পেলালে।

১৬ জুলাইৰ ঐতিহাসিক প্ৰস্তাৱ

অসম বিধানসভাৰ জৰিয়তে ব্যৱস্থাপক পৰিষদত এটি প্ৰস্তাৱ অনুমোদন প্ৰসংগত অসমৰ পৰা যোৱা সঁজাতী দলটোৱে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ পৰামৰ্শ বিচাৰিছিল। অথচ এইক্ষেত্ৰত আজাদ আৰু কাৰ্যনিৰ্বাহক কমিটীয়ে বিশেষ সহায়ৰ হাত আগবঢ়োৱা নাছিল। শেষত গোপীনাথ বৰদলৈয়ে শৰৎ চন্দ্ৰ বসুৰ সহায়ত এটা খচৰা কৰিলে আৰু সেইটো আজাদৰ হতুৱাই অনুমোদন কৰাই ল'লে। ১৬ জুলাইত সংবিধান সভাৰ (Constituent Assembly) সদস্য নিৰ্বাচন কৰিবৰ কাৰণে অসম ব্যৱস্থাপক পৰিষদৰ বিশেষ অধিৱেশন বহিল আৰু সেই অধিৱেশনৰ আৰম্ভণিতে বৰদলৈয়ে প্ৰস্তুত কৰা ঐতিহাসিক

অঞ্চল বুলি ঘোষণা কৰে।

২৯ আগষ্ট ঃ অসম বিভাগ কাউঞ্চিলত প্ৰতিনিধিত্ব কৰিবলৈ অসমৰ গৱৰ্নৰে প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ আৰু ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিক মনোনীত কৰে।

১ ছেপ্টেম্বৰ ঃ ত্ৰিৰংগ জাতীয় পতাকাৰ তলত অসম ব্যৱস্থা পৰিষদৰ অধিৱেশন আৰম্ভ ঃ

ভাৰতে স্বাধীনতা পোৱাৰ ১৬ দিনৰ পিচত প্ৰথমবাৰৰ কাৰণে অসম ব্যৱস্থা পৰিষদৰ অধিৱেশন স্পীকাৰ দেৱেশ্বৰ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হয়। পৰিষদ ভৱনৰ দুৱাৰমুখ বিলাকত সভা বিজয় তোৰণ, বতাহত কঁপি থকা তিনি বৰণীয়া জাতীয় পতাকা আৰু পৰিষদ ভৱনৰ সুসজ্জিত ভিতৰচ'ৰাত উমি উমি জ্বলি থকা ধূপ-ধূনাৰ গোন্ধে এক অভিনৱ পৰিবেশৰ সৃষ্টি কৰে। 'বন্দে মাতৰম' আৰু 'অ' মোৰ আপোনাৰ দেশ' শীৰ্ষক জাতীয় সংগীতেৰে পৰিষদৰ কাম আৰম্ভ আৰু শেষ কৰা হয়। স্পীকাৰ শৰ্মা ডাঙৰীয়াই মহাত্মা গান্ধীৰ নেতৃত্ব আৰু স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এটি প্ৰস্তাৱ দাঙি ধৰে আৰু সদস্যসকলে সৰ্বসন্মতিক্ৰমে নীৰৱে থিয় দি সেই প্ৰস্তাৱ গ্ৰহণ কৰে। কংগ্ৰেছ সদস্যসকলৰ বাহিৰে পৰিষদৰ আজিৰ বৈঠকত পাঁচজন মুছলিম লীগৰ আৰু আন কেইজনমান অন্যান্য দলৰ সদস্যও উপস্থিত আছিল। গৱৰ্নৰ ছাৰ আকবৰ হাইদৰী আৰু লেডী হাইদৰীৰেও পৰিষদত যোগ দিছিল।

বিজয় চন্দ্ৰ ভাগৱতীয়ে পৰিষদত ইংৰাজী ভাষাৰে কথা কোৱাত আপত্তি জনায়। তেওঁ কয় যে পৰিষদত নিজৰ মাতৃভাষা ব্যৱহাৰ কৰিবই লাগিব। প্ৰধানমন্ত্ৰী বৰদলৈয়ে পৰিষদৰ আগত 'গুৱাহাটী বিশ্ববিদ্যালয় বিল'খন দাঙি ধৰে আৰু দহজন সদস্যৰে গঠিত এখন বাছনি কমিটীৰ দ্বাৰা বিলখনৰ বিষয়ে আলোচনা কৰা হ'ব লাগে বুলি প্ৰস্তাৱ কৰে।

● অসম বিধানসভাত গুৱাহাটী বিশ্ববিদ্যালয় বিধেয়ক উপস্থাপন।

৩ ছেপ্টেম্বৰ ঃ অসম ৰে'লৰ নাম সলোৱা আৰু ঘাই কাৰ্যালয় স্থানান্তৰণ

খচৰা প্ৰস্তাৱটি উত্থাপন কৰিলে। এই প্ৰস্তাৱটিৰ জৰিয়তে অসমৰ পৰা সংবিধান সভালৈ নিৰ্বাচিত হ'ব লগা সদস্যসকলক কেইটামান নিৰ্দিষ্ট চৰ্তৰে বান্ধি ৰখাৰ ব্যৱস্থা কৰা হ'ল। প্ৰস্তাৱটোৰ মতে সংবিধান সভালৈ নিৰ্বাচিত অসমৰ সকলো সদস্যই (কংগ্ৰেছ অথবা মুছলিম লীগ নিৰ্বিশেষে)—

(১) মাথোন অসম প্ৰদেশৰ সংবিধান প্ৰস্তুতিতহে ভাগ ল'ব পাৰিব।

(২) তেওঁলোকে ছেকচনসমূহৰ বা কোনো গ্ৰুপৰ সভা-সমিতিত ভাগ ল'ব নোৱাৰিব।

(৩) প্ৰদেশবোৰৰ উমৈহতীয়া বিষয় সম্পৰ্কে আয়োজিত গ্ৰুপ সংবিধান প্ৰস্তুতিৰ সভাত ভাগ ল'ব নোৱাৰিব আৰু

(৪) ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ কাৰণে আয়োজিত সভা-সমিতিত ভাগ ল'ব পাৰিব।

বৰদলৈয়ে উত্থাপন কৰা এই নিৰ্দেশনাসূচক প্ৰস্তাৱটোৱে মুছলিম লীগৰ সমগ্ৰ পৰিকল্পনাকে অসাৰ কৰি পেলোৱাৰ শংকা অনুভৱ কৰি ছাদুল্লাই এই প্ৰস্তাৱৰ বিৰোধিতা কৰি ব্যৱস্থা পৰিষদৰ সভাত বক্তব্য দাঙি ধৰিলে। মুছলিম লীগে বিষয়টো সন্দৰ্ভত আলোচনা তথা ভোট দিয়া প্ৰক্ৰিয়াৰ পৰা বিৰত থকাত প্ৰস্তাৱটো পৰিষদত গৃহীত হয়। প্ৰস্তাৱটো গ্ৰহণ হোৱাৰ পিচত পৰিষদৰ মুছলমান অংশটোৱে ছাদুল্লা, আব্দুল হামিদ, আব্দুল মতিন চৌধুৰীক আৰু পৰিষদৰ সাধাৰণ অংশটোৱে গোপীনাথ বৰদলৈ, ৰোহিণী কুমাৰ চৌধুৰী, বসন্ত কুমাৰ দাস, জে জে এম নিকল্‌ছ ৰয়, অমিয় কুমাৰ দাস, ধৰণীধৰ বসুমতাৰী আৰু অক্ষয় কুমাৰ দাসক সংবিধান সভালৈ নিৰ্বাচিত কৰে।

অসম ব্যৱস্থা পৰিষদৰ এই সিদ্ধান্তক লৈ জৱাহৰলাল নেহৰু কিছু পৰিমাণে দ্বিধাগ্ৰস্ত আছিল আৰু বৰদলৈয়ে ছেকচনভুক্তিৰ সম্ভাব্য বিপদলৈ চাইহে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিছিল বুলি মত ব্যক্ত কৰিছিল। ১৯৪৬ চনৰ জুলাই মাহত নেহৰু সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ সভাপতি নিৰ্বাচিত হয়

কৰাৰ প্ৰচেষ্টাৰ প্ৰতিবাদত অসম জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীয়ে যান-বাহন মন্ত্ৰী ডাঃ জন মাথাইলৈ এখন টেলিগ্ৰাম প্ৰেৰণ কৰে। টেলিগ্ৰামত তেওঁ নিম্নোক্তভাৱে প্ৰতিবাদ কৰে— 'কিছুমান লোকে অসম ৰে'লৰ নাম সলাবলৈ আৰু ঘাই কাৰ্যালয় পাণ্ডুৰ পৰা বংগলৈ উঠাই নিবলৈকে অন্যায় প্ৰচেষ্টা কৰা বুলি বাতৰি কাকতত যি খবৰ ওলাইছে তাত গোটেইটো অসমীয়া জাতি জিকাৰ খাই উঠিছে। এই ৰে'লৰে বিভাগত গোটেইটো অসমীয়া জাতি যোৱা ৭০ বছৰমানৰ পৰা শোষিত আৰু বঞ্চিত হৈ আহিছে। আজি স্বাধীনতা লাভ কৰাৰ ফলত অসমে এই ৰে'লৰ পাবলগীয়া খণ্ড নিজস্বভাৱে পাই সেই শোষণৰ পৰা মুক্ত হোৱাৰ আশা লৈ মনত সান্ত্বনা পাইছিল। সেই অধিকাৰৰ পৰা যেন শোষিত অসমীয়া জাতিক বঞ্চিত কৰা নহয়। বাতৰিত ওলোৱা মতে ৰে'লবিলাক লগ লগাবলৈ যি সন্মিলন বহিব বুলি কোৱা হৈছে তাত যেন অসমীয়া জাতীয় স্বাৰ্থৰ প্ৰতিনিধিত্ব থাকে, এয়ে নিবেদন।'

● অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ২ আৰু ৩ ছেপ্টেম্বৰত শ্বিলঙত বহা মুকলি অধিৱেশনে অসমৰ পৰা জমিদাৰী প্ৰথা উচ্ছেদ কৰিবৰ কাৰণে শীঘ্ৰে ব্যৱস্থা হাতত ল'বলৈ অসম চৰকাৰক নিৰ্দেশ দিয়ে। আন আন প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰৰ চাকৰি আৰু অসমৰ প্ৰধান শিল্পজাত বস্তু পেট্ৰ'ল আৰু চাহ শুল্কৰ ন্যায্য অংশ অসমক দিবলৈ, অসম ৰে'লৱেৰ পাণ্ডুত পতা সদৰ কাৰ্যালয়টো সম্পূৰ্ণভাৱে স্থায়ীকৈ প্ৰতিষ্ঠা কৰিবলৈ, জাতীয়কৰণৰ নীতি অনুসৰি আৱশ্যকমতে সংশোধন আৰু সংকোচন কৰি অসম ট্ৰেন্সপৰ্ট অনুষ্ঠানটো চলাই ৰাখিবলৈ আৰু প্ৰদেশত বৰ্তমানে খাদ্যবস্তুৰ অভাৱত যি আকালৰ সম্ভাৱনা দেখা দিছে তাৰ পৰা ৰক্ষা পাবলৈ অসম চৰকাৰে সৰহ শস্য উৎপাদন কৰিবলৈ আৰু ধান-চাউলৰ চোৰাং ৰপ্তানি বন্ধ কৰিবলৈ ব্যৱস্থা ল'বৰ কাৰণে দাবী আৰু অনুৰোধ জনোৱা হয়।

৮ ছেপ্টেম্বৰ : গুৱাহাটী

আৰু ইয়াৰ পিচতে গ্ৰুপিং সন্দৰ্ভত নিজাববীয়া মন্তব্য মুকলিকৈ ৰাখিবলৈ আৰম্ভ কৰে। ৮ আগষ্টৰ দিনা কেন্দ্ৰীয় কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীয়ে কেবিনেট মিছনৰ ১৬ মে'ৰ আঁচনিখন সম্পূৰ্ণভাৱে গ্ৰহণ কৰিলে বুলি ঘোষণা কৰে যদিও কংগ্ৰেছে আঁচনিখনৰ নিজা ব্যাখ্যা দিব বুলি কয়। বিশেষকৈ ১৫ (৫) দফাটো সন্দৰ্ভত কংগ্ৰেছে ব্যাখ্যা আগবঢ়ালে যে গ্ৰুপত ভৰ্তি হ'বৰ বাবে প্ৰদেশবোৰৰ সম্পূৰ্ণ স্বাধীনতা থাকিব আৰু গ্ৰুপত ওলোৱা-সোমোৱা নিয়ম-কানুন অন্য দফাবোৰৰ শীৰ্ষত থাকিব। কাৰ্যনিৰ্বাহকে সংবিধান সভাৰ সাৰ্বভৌমত্বৰ কথাও দোহাৰিলে। কাৰ্যনিৰ্বাহকৰ এই সিদ্ধান্তক অসমৰ কংগ্ৰেছ নেতৃবৰ্গই বৰ উষ্মাৰে গ্ৰহণ নকৰিলে— কিয়নো এই সিদ্ধান্তবোৰৰ ক'তো প্ৰদেশ এখনৰ সংবিধান প্ৰদেশখনেহে মাথোন গঢ়িব লাগিব বুলি স্পষ্টকৈ কোৱা নহ'ল।

ইয়াৰ পিচত গ্ৰুপিং সম্পৰ্কে নেহৰুৱে দিয়া বিবৃতি আৰু সংবিধান সভাক লৈ কংগ্ৰেছে প্ৰদৰ্শন কৰা স্থিতিক লৈ সমগ্ৰ দেশৰ ৰাজনৈতিক পৰিস্থিতি নাটকীয়ভাৱে পৰিৱৰ্তন হ'বলৈ ধৰে। কেবিনেট মিছন আঁচনি সাদৰে গ্ৰহণ কৰা মহম্মদ আলী জিন্নাই ক্ৰমান্বয়ে কংগ্ৰেছৰ স্থিতিৰ প্ৰতি সন্দেহ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে। জিন্নাই ব্যাখ্যা আগবঢ়ালে যে সংখ্যাগৰিষ্ঠতাৰ বলত কংগ্ৰেছে সংবিধান সভাত মিছন আঁচনিৰ সংশোধন আনিব আৰু ফলত মিছন আঁচনিৰ উদ্দেশ্যই বিফল হ'ল। ২৯ জুলাইত মুছলিম লীগে কেবিনেট মিছন গ্ৰহণ কৰাৰ পূৰ্বৰ সিদ্ধান্তৰ ওলোটা স্থিতি লয় আৰু মিছন আঁচনিৰ সলনি পাকিস্তান লাভৰ বাবে প্ৰত্যক্ষ আঁচনি (Direct Action) গ্ৰহণ কৰে। ১২ আগষ্টত জিন্নাই এটা বিবৃতিযোগে অসম ব্যৱস্থা পৰিষদে ১৬ জুলাইত লোৱা নিৰ্দেশনাসূচক প্ৰস্তাৱটোৰ বৈধতাক লৈ প্ৰশ্ন তুলিছিল আৰু বাধ্যতামূলক গ্ৰুপিঙৰ বিৰুদ্ধে লোৱা এনে প্ৰস্তাৱে মিছন আঁচনিৰ প্ৰকৃত উদ্দেশ্য অৰ্থহীন কৰিব বুলি কৈছিল। এই সময়ছোৱাতে বৰলাটে অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ যো-জা চলায় আৰু লীগে ২৯ জুলাইত লোৱা স্থিতিৰ কথা মনত ৰাখি কংগ্ৰেছক

বিশ্ববিদ্যালয়ৰ বিলখনৰ বিষয়ে খৰচী মাৰি বিবেচনা কৰিবলৈ এখন ছিলেক্ট কমিটীৰ আগত বিলখন উত্থাপন কৰা হৈছে। এই ছিলেক্ট কমিটীত তলত দিয়া সদস্যসকল আছে— মৌলবী ছৈয়দুৰ ৰহমান, মৌলবী আবুৱাল মজিদ জিয়াউছ শ্বামছ, মি চি ডব্লিউ মলি, কামেশ্বৰ দাস, মতিৰাম বৰা, ডেপুটী স্পীকাৰ বনেলী খংমেন, লক্ষেশ্বৰ বৰুৱা, যতীন্দ্ৰ মোহন দেৱ, ধীৰসিং দেউৰী আৰু শিক্ষা মন্ত্ৰী গোপীনাথ বৰদলৈ।

৯ ছেপ্টেম্বৰ ঃ অসমৰ কাৰণে এটা হাইকৰ্ট স্থাপন কৰা সম্বন্ধে প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো অসম ব্যৱস্থা পৰিষদত সবসন্মতিক্ৰমে গৃহীত হয়।

১০ ছেপ্টেম্বৰ ঃ ডিমাপুৰ ট্ৰাইবেল ইউনিয়নৰ জৰুৰী অধিৱেশন ডিমাপুৰ নিম্ন প্ৰাইমাৰী স্কুলত শংকৰ চন্দ্ৰ বৰুৱা দেৱৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু সভাই ডিমাপুৰ মৌজাখন শিৱসাগৰ জিলাত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়। সভাই নগা জাতীয় কাউঞ্চিলৰ স্বেচ্ছাচাৰী মনোভাবৰো তীব্ৰ প্ৰতিবাদ কৰে।

১১ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত প্ৰদেশৰ চানেকী শাসনতন্ত্ৰৰ আলোচনা হয়। আজিৰ পৰিষদত চানেকী শাসনতন্ত্ৰৰ প্ৰথমছেদৰ পৰা নৱম ছেদলৈকে আলোচনা চলে। প্ৰস্তাৱিত প্ৰাদেশিক শাসনতন্ত্ৰৰ ওপৰত বিভিন্ন দলৰ সদস্যসকলে ৪৫ টা সংশোধনী, প্ৰস্তাৱ আৰু দিহা-পৰামৰ্শৰ জাননী দিয়ে। ইয়াৰে ১৮ টাৰ বিষয়ে আলোচনা হয়।

১৩ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত নিভাঁজ খাদ্য দ্ৰব্য বিলখনৰ কোনো সংশোধনী নোহোৱাকৈ প্ৰথম সাতোটা ছেদ গৃহীত হয়।

- অসম ব্যৱস্থা পৰিষদত গুৱাহাটী বিশ্ববিদ্যালয় বিল সৰ্বসন্মতিক্ৰমে গৃহীত হয়। মুছলিম লীগৰ সদস্যসকলে বিলখনৰ ওপৰত উত্থাপন কৰা বিভিন্ন সংশোধনীবোৰ প্ৰত্যাহাৰ কৰা হয়। বিলখন গৃহীত হোৱাৰ ফলত গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষা সমিতিখন ভাগি যায় আৰু বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে চৰকাৰে প্ৰদেশৰ ৰাজহৰ পৰা ৫

চৰকাৰ গঠন কৰিবৰ বাবে আহ্বান জনায়। ইফালে জিন্নাই অন্তৰ্ৱৰ্তীকালীন চৰকাৰ গঠনত লীগ জড়িত হোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে বুলি কৈ ১৬ আগষ্টত 'প্ৰত্যক্ষ আঁচনিৰ দিন' আহ্বান কৰিলে। পাকিস্তান গঠনৰ বাবে দিয়া এই মুকলি আহ্বানৰ পিচতে সমগ্ৰ দেশতে প্ৰচণ্ড সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হয় আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ স্বাৰ্থত ভাৰতৰ বৰলাট ৱাভেলে লীগ আৰু কংগ্ৰেছক এক শান্তিপূৰ্ণ সমাধানৰ পথ উলিয়াবলৈ আহ্বান কৰে। ২৭ আগষ্টত ৱাভেলে নেহৰু আৰু গান্ধীজীক ক'লে যে এক শান্তিপূৰ্ণ ক্ষমতা হস্তান্তৰ তেতিয়াহে সম্ভৱ হ'ব, যদিহে কংগ্ৰেছে এই বিষয়ত নিজৰ স্থিতি সুস্পষ্টভাৱে ঘোষণা কৰে। আঁচনি অনুসৰি নতুন সংবিধান অনুযায়ী প্ৰথম নিৰ্বাচন নোহোৱালৈকে প্ৰদেশবোৰ ছেকচনত থাকিব লাগিব বুলি ক'লেহে পৰিস্থিতিৰ শাম কাটিব বুলি তেওঁ কয়।

গান্ধীজীয়ে মিছন আঁচনি কংগ্ৰেছে নিজা ধৰণে ব্যাখ্যা কৰিব বুলি কোৱাৰ পিচত নেহৰুৱে ৱাভেলৰ প্ৰস্তাৱটো কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীত উত্থাপন কৰে। প্ৰস্তাৱটো উত্থাপন কৰি তেওঁ কয় যে কংগ্ৰেছ গ্ৰুপিং সম্পৰ্কত নিজৰ স্থিতিত অলৰ থাকিব যদিও বিবদমান দফাবোৰৰ বিষয়ে সুমীমাংসালৈ আহিবৰ বাবে সেইবোৰ ফেডাৰেল ক'ৰ্টলৈ প্ৰেৰণ কৰা হ'ব। অৰ্থাৎ মিছন আঁচনিৰ বিবদমান বিষয়বোৰৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব ফেডাৰেল ক'ৰ্টেহে। কেন্দ্ৰীয় অন্তৰ্ৱৰ্তীকালীন মন্ত্ৰীসভাৰ মুৰব্বীৰ দায়িত্ব লোৱাৰ ছদিনৰ পিচত ৭ ছেপ্টেম্বৰত নেহৰুৱে এটা অনাতাঁৰ বিবৃতিত এনেদৰে ঘোষণা কৰিলে— 'ছেকচনত বহাৰ কথাটো আমি গ্ৰহণ কৰিছোঁ আৰু তাত বহিবলৈ আমি সম্পূৰ্ণ প্ৰস্তুত। এই ছেকচনতে সমষ্টি গঠনৰ বিষয়টো বিবেচনা কৰা হ'ব।' মুছলিম লীগক ভালৰি লগাবলৈ কৰা এই ঘোষণাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মাজত সংশয় আৰু অবিশ্বাসৰ জন্ম দিলে। কেবিনেট মিছনত ফেডাৰেল ক'ৰ্টৰ কথা উল্লেখ নাছিল যদিও ইয়াক নেহৰুৱে নতুনকৈ সন্নিৱিষ্ট কৰাৰ নিচিনা হ'ল। তদুপৰি অসমৰ সমস্যাটো নেহৰুৱে সামান্যভাৱেও গুৰুত্ব নিদিয়া বুলি অসমৰ

লাখ টকা এককালীন সাহায্য হিচাপে মঞ্জুৰ কৰে। বিলৰ মতে গুৱাহাটী বিশ্ববিদ্যালয় এখন 'ৰেছিডেঞ্চিয়েল' প্ৰণালীৰ 'এফিলিয়েটিং' আৰু শিক্ষণ ('টিচিং) বিশ্ববিদ্যালয় হ'ব। আজিৰ পৰিষদে ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে উত্থাপন কৰা 'অসম কমিছনাৰ ক্ষমতা হস্তান্তৰ' বিলখনো গ্ৰহণ কৰে।

১৫ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত প্ৰাদেশিক শাসনতন্ত্ৰ সম্পৰ্কে পুনৰ আলোচনা আৰম্ভ হয় আৰু পৰিষদে শাসনতন্ত্ৰৰ ঊনবিংশ ছেদলৈকে বিবেচনা কৰে। সিদ্ধিনাথ শৰ্মাই শাসনতন্ত্ৰত বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা থাকিব লাগে আৰু গাঁও পঞ্চায়ত অনুষ্ঠানসমূহৰ ওপৰত ক্ষমতা ন্যস্ত কৰিব লাগে বুলি এক প্ৰস্তাৱ উত্থাপন কৰে।

১৬ ছেপ্টেম্বৰ ঃ শ্বিলঙত হোৱা অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টৰী দলৰ সভাত গোপীনাথ বৰদলৈ পুনৰ দলৰ নেতা নিৰ্বাচিত হয়। ডেপুটী লীডাৰ হিচাপে বিষ্ণুৰাম মেধি নিৰ্বাচিত হয় তথা মহেন্দ্ৰ মোহন চৌধুৰী পাৰ্লিয়ামেণ্টেৰী ছেক্ৰেটাৰী হোৱা বাবে তেওঁৰ ঠাইত হলধৰ ভূঞাক কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী দলৰ সম্পাদক পতা হয়।

১৭ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ স্পীকাৰ দেৱেশ্বৰ শৰ্মাক মণিপুৰত ভাৰতীয় ডমিনিয়ন চৰকাৰৰ এজেণ্ট ৰূপে নিযুক্তি দিয়া হয়।

১৮ ছেপ্টেম্বৰ ঃ বহিষ্কাৰৰ আদেশ অমান্য কৰা বাবে অসম ছ'চিয়েলিষ্ট পাৰ্টিৰ এটি প্ৰতিনিধি দলক ইম্ফলত গ্ৰেপ্তাৰ। মণিপুৰত সোমাবলৈ প্ৰৱেশ পত্ৰ লগা ব্যৱস্থাটোক সন্মানহানিকৰ বুলি গণ্য কৰি ব্যৱস্থাটোৰ বিৰুদ্ধে অসমৰ ছ'চিয়েলিষ্ট পাৰ্টিৰ প্ৰতিনিধি দলে ইয়াৰ বিৰুদ্ধাচৰণ কৰি মণিপুৰত প্ৰৱেশ কৰিছিল। দলটিৰ সদস্যসকল হ'ল— শংকৰ চন্দ্ৰ বৰুৱা, হেমকান্ত বৰুৱা, লক্ষ্মী প্ৰসাদ গোস্বামী, হৰেশ্বৰ গোস্বামী, বিপিন পাল দাস, সুবোধ হাজৰিকা, শশীকান্ত গগৈ, মহেন্দ্ৰ হাজৰিকা, অনুৰূপা বৰুৱা, মহেন্দ্ৰ নাথ কোঁৱৰ, গোলোক কাকতী, দেবেন বেজবৰুৱা আৰু ডাঃ

কংগ্ৰেছীসকলে অপমানবোধ কৰিলে।

কেবিনেট মিছন অনুসৰি গঠন হোৱা অন্তৰ্বৰ্তীকালীন চৰকাৰত মুছলিম লীগে অংশগ্ৰহণ কৰা নাছিল বাবে ৱাভেল এই কথাটোক লৈ মুঠেও সন্তুষ্ট নাছিল। অক্টোবৰ মাহত লীগে চৰকাৰত যোগ দিয়ে যদিও সংবিধান সভাত যোগ নিদিওঁ বুলি ঘোষণা আগবঢ়ায়। ১৯ নৱেম্বৰত ৱাভেলে জিন্নাক বুজালে যে 'গ' ছেকচনে অসমৰ মতৰ অবিহনে অসমৰ সংবিধান তৈয়াৰ কৰিব নোৱাৰিব আৰু একেদৰে নেহৰুকো বুজোৱা হ'ল যে মুছলিম লীগ অবিহনে সংবিধান প্ৰস্তুত হ'ব নোৱাৰিব। ৱাভেলৰ সিদ্ধান্তৰ পিচত নেহৰুৱে অসমৰ স্থিতিক লৈ সজাগ হৈ পৰিল আৰু লীগক সন্তুষ্ট কৰাৰ স্বাৰ্থতে যে ব্ৰিটিছে অসমক পৰিকল্পিতভাৱে 'গ' ছেকচনত ভৰাব বিচাৰিছে তাক অনুভৱ কৰিব পাৰিলে।

৬ ডিচেম্বৰত লণ্ডনত ব্ৰিটিছ চৰকাৰে ভাৰতীয় নেতাসকলৰ লগত কৰা আলোচনাৰ অন্তত যিটো ঘোষণা আগবঢ়ালে, সিয়ে অসমৰ কংগ্ৰেছীসকলক আৰু বেছি বিপদৰ মাজলৈ ঠেলি দিলে। এই সিদ্ধান্তত কোৱা হ'ল—

(১) কেবিনেট মিছনে আৰম্ভণিৰে পৰা পোষণ কৰা অনুযায়ী ছেকচনত লোৱা সিদ্ধান্তবোৰ সংখ্যাগৰিষ্ঠ ভোটেৰে লোৱা হ'ব। অৰ্থাৎ সহমতত উপনীত হ'ব পৰা নগ'লে ছেকচনত থকা প্ৰতিনিধিসকলৰ গৰিষ্ঠসংখ্যকৰ ভোটেৰে বিবদমান বিষয়বোৰ নিষ্পত্তি কৰা হ'ব।

(২) যদিহে সংবিধান সভাই বিচাৰে যে এনে এক বুনিয়াদী বিষয় ফেডাৰেল কৰ্টলৈ প্ৰেৰণ কৰিব লাগে, তেন্তে ইয়াক আগতীয়াকৈ প্ৰেৰণ কৰিব লাগিব।

গ্ৰুপিং সন্দৰ্ভত গান্ধী

মুছলিম লীগৰ সন্তুষ্টিৰ বাবে দিয়া এই ঘোষণাৰ পিচত ৯ ডিচেম্বৰত বৰদলৈয়ে কেন্দ্ৰীয় কংগ্ৰেছৰ ওচৰত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰি কয় যে

হোমেশ্বৰ চৌধুৰী।

২২ ছেপ্টেম্বৰ ঃ অসম চৰকাৰৰ শিক্ষা বিভাগে ইন্সপেক্টৰ আৰু ডেপুটী ইন্সপেক্টৰসকললৈ জাৰি কৰা এখন চাৰ্কুলাৰত অসম উপত্যকাৰ সকলো স্কুলতে শিক্ষাৰ মাধ্যম অসমীয়া বাধ্যতামূলক হ'ব বুলি এক নিৰ্দেশ দিয়ে। আই টি এৰ দ্বাৰা পৰিচালিত স্কুলসমূহতো এই নিয়ম চলিব। য'ত স্থানীয় কথিত ভাষাই শিক্ষাৰ মাধ্যম সেইবোৰ ঠাইত অসমীয়া 'ছেকেণ্ড লেংগুৱেজ' স্বৰূপে শিক্ষা দিয়া হ'ব যাতে উচ্চ শিক্ষা লাভত ছাত্ৰসকলে অসুবিধা নাপায়। গাৰো পাহাৰতো অসমীয়া ভাষাক 'ছেকেণ্ড লেংগুৱেজ' হিচাপে শিক্ষা দিয়াৰ বন্দৱস্ত কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত লয় আৰু এই উদ্দেশ্যে শিক্ষক নিযুক্ত কৰিবলৈ আৰু অসমীয়া পুথিভঁৰাল ৰাখিবলৈ ধন মঞ্জুৰ কৰে।

- ভাৰতীয় ইউনিয়ন আৰু খাছীয়া ষ্টেট ফেডাৰেচনৰ মাজত দুবছৰৰ কাৰণে অপৰিবৰ্তিত চুক্তি (ষ্টেণ্ড ষ্টীল এগ্ৰিমেণ্ট) স্বাক্ষৰিত হয়। সকলো খাছীয়া দেশী ৰাজ্যক প্ৰতিনিধিত্ব কৰা খাছীয়া ষ্টেট ফেডাৰেচনৰ লগত হোৱা এই চুক্তিমতে খাছীয়া দেশীয় ৰাজ্যসমূহ অসম আৰু ভাৰতীয় ইউনিয়নৰ মাজত চলি থকা সকলো শাসনতান্ত্ৰিক ব্যৱস্থা দুবছৰৰ কাৰণে চলি থাকিব। অৱশ্যে এই চুক্তিত কিছুমান সুকীয়া ব্যৱস্থা যেনে এখন কাৰ্যদক্ষ আদালতৰ ব্যৱস্থাও সন্নিৱিষ্ট কৰা হৈছে।

১ অক্টোবৰ ঃ অসম চৰকাৰে প্ৰদেশখনত ভগনীয়াসকলক আশ্ৰয় দিয়াত অনেক অসুবিধা হয় বুলি কেন্দ্ৰীয় চৰকাৰলৈ বহু অনুৰোধ কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে পঞ্জাবৰ পৰা অসমলৈ ভগনীয়া পঠোৱা প্ৰস্তাৱ স্থগিত ৰাখে।

২ অক্টোবৰ ঃ অসমৰ গৱৰ্নৰে ১৯৪৭ চনৰ অসম হোম গাৰ্ড জৰুৰী আইন নামে এখন আইন জাৰি কৰে। এই আইনৰ দ্বাৰা প্ৰদেশৰ কোনো কোনো অংশত সাধাৰণ পুলিচ বাহিনীক সহায় কৰিবৰ কাৰণে হোম গাৰ্ড গঠন কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

৪ অক্টোবৰ ঃ আজি আবেলি গুৱাহাটীৰ এদল ডেকাৰ উদ্যোগত

যদিহে এই ঘোষণা মানি লোৱা হয় তেন্তে অসম প্ৰদেশৰ সংবিধান তথা গ্ৰুপিং নিশ্চিত হ'ব 'গ' ছেকচনত থকা সংবিধান সভাৰ সংখ্যাগৰিষ্ঠৰ ভোটেৰে। যিহেতু 'গ' ছেকচনৰ সংখ্যাগৰিষ্ঠ প্ৰতিনিধিয়েই মুছলমান, সেয়েহে অসমৰ সংবিধান আৰু গ্ৰুপিং মুছলিম লীগৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হ'ব। এনে এক পৰিস্থিতিত কংগ্ৰেছ কাৰ্যনিৰ্বাহক সমিতি তথা কংগ্ৰেছ নেতৃবৰ্গৰ পৰা বিশেষ সঁহাৰি লাভ কৰিব নোৱাৰি সৰ্বশেষ সিদ্ধান্তৰ বাবে বৰদলৈয়ে বিজয় চন্দ্ৰ ভাগৱতী আৰু মহেন্দ্ৰ মোহন চৌধুৰীক গান্ধীজীৰ ওচৰলৈ প্ৰেৰণ কৰে। গান্ধীজীয়ে সেই সময়ত সাম্প্ৰদায়িক অশান্তি নাশ কৰিবৰ বাবে নোৱাখালিত উপস্থিত হৈছিল। ১৯৪৬ চনৰ ১৫ ডিচেম্বৰত গান্ধীজীক লগ ধৰি তেওঁলোকে বৰদলৈৰ পত্ৰখন গান্ধীজীৰ হাতত অৰ্পণ কৰে। গান্ধীজীয়ে বৰদলৈৰ চিঠিখনৰ প্ৰত্যুত্তৰত ভাগৱতী আৰু চৌধুৰীক খোলাখুলিকৈ ক'লে যে যদিহে কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীয়ে কোনো স্পষ্ট নিৰ্দেশনা দিব নোৱাৰে তেন্তে অসমে ছেকচনত অন্তৰ্ভুক্ত হ'ব নালাগে। অসমে ইয়াৰ প্ৰতিবাদ জনাব লাগে আৰু সংবিধান সভাৰ পৰা ওলাই আহিব লাগে।

সংকটৰ এই ক্ষণত গান্ধীজীৰ দৃঢ় আৰু অটল উপদেশে বৰদলৈক দিছিল আশাতীত উৎসাহ আৰু প্ৰতিৰোধৰ প্ৰবল উদ্যম। গান্ধীজীৰ অনুপ্ৰেৰণাত অসম কংগ্ৰেছে সংবিধান সভাৰ পৰা ওলাই অহাৰ ভয়টো নেহৰু আৰু কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটী উভয়ে অনুভৱ কৰিছিল। অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰচণ্ড বিৰোধিতাক কেন্দ্ৰীয় কংগ্ৰেছ নেতা কৃপালনি, পেটেল আদিয়ে ভেঙুচালি কৰিবলৈ আৰম্ভ কৰিলে। ১৯৪৭ চনৰ ৫ জানুৱাৰীত কংগ্ৰেছ অধিৱেশনত 'নেহৰু প্ৰস্তাৱ' গৃহীত হয়। এই প্ৰস্তাৱে ব্ৰিটিছ চৰকাৰৰ ৬ ডিচেম্বৰৰ ঘোষণা গ্ৰহণ কৰে আৰু এখন প্ৰদেশে আন এখন প্ৰদেশৰ ওপৰত সংবিধান জাপি দিয়াৰ বিপক্ষে মত প্ৰকাশ কৰে। ৯৯:৫২ ভোটত জয়ী হোৱা 'নেহৰু প্ৰস্তাৱ'টোৰ বিপক্ষে অসমৰ ৮জন

পাণবজাৰ আৰু ফাঁচীবজাৰৰ দোকানসমূহৰ প্ৰায় আটাইবোৰ বঙালী ছাইনব'ৰ্ডকে নমাই পেলোৱাৰ কাম শান্তিপূৰ্ণভাৱে আৰু সুকলমে সমাধা হয়। এমাহমান আগৰ পৰা গুৱাহাটীৰ স্থানীয় ৰাইজে দোকানীসকলক বঙালী ভাষাত লিখা ছাইনব'ৰ্ডবোৰ গুচাই তাৰ ঠাইত অসমীয়া ভাষাত ছাইনব'ৰ্ড দিবলৈ অনুৰোধ জনাই আহিছিল। কিন্তু কামটো হৈ নুঠাত আজি এদল ডেকাৰ তৎপৰতাত কামটো সমাপন হয় আৰু ডেকা দলটিৰ অনুৰোধত দোকানীসকলে নিজেও ছাইনব'ৰ্ড নমায়।

৫ অক্টোবৰ ঃ গুৱাহাটীৰ কাৰ্জন হলত অসম ৰে'লৱে দিন পালনৰ বাবে ৰাইজৰ উদ্যোগত হোৱা এখন বিৰাট ৰাজহুৱা সভাই অসম ৰে'লৱেৰ প্ৰধান কাৰ্যালয়টো অসমৰ পৰা বাহিৰলৈ উঠাই নিবলৈ কৰা প্ৰচেষ্টাৰ তীব্ৰ প্ৰতিবাদ কৰে। অসমৰ নিৰাপত্তাৰ কাৰণে আৰু অৰ্থনৈতিক, শিল্পনৈতিক আদি সকলো স্বাৰ্থৰ ফালৰ পৰা সেই কাৰ্যালয় অসমতে ৰাখিবলৈ সভাই দৃঢ়ভাৱে দাবী জনায়।

৭ অক্টোবৰ ঃ সমবায় ফাৰ্ম খুলিবলৈ অসম চৰকাৰে মিছামাৰী বিমান কোঠৰ মাটিবোৰ ৭০,০০০ টকাত কিনি লয়। এনে আঁচনি অসমৰ প্ৰত্যেক জিলা আৰু অসমৰ ভাগত পৰা চিলেটীয়া অঞ্চলত কাৰ্যকৰী কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত লয়।

৯ অক্টোবৰ ঃ অসম বংগ ৰে'লৱেসমূহৰ পুনৰ সংগঠন সম্পৰ্কে আলোচনা ঃ

ৰেডক্লিফ কমিছনৰ ৰায়ৰ পিচত ৰে'লৱে ছিষ্টেমবোৰ পুনৰ সংগঠিত কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, পশ্চিমবংগ চৰকাৰ আৰু অসম চৰকাৰৰ প্ৰতিনিধিসকলৰ মাজত এখন সন্মিলন বহে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা যান-বাহন বিভাগৰ মন্ত্ৰী ডাঃ জন মাথাই আৰু ভাৰতৰ ৰে'লৱে চীফ কমিছনাৰ মিঃ বাকলী, অসমৰ তৰফৰ পৰা প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে সন্মিলনত যোগ দিয়ে। সন্মিলনৰ সভাপতিত্ব কৰে ডাঃ মাথায়ে। অসমৰ প্ৰধানমন্ত্ৰীয়ে সন্মিলনত

কংগ্ৰেছ প্ৰতিনিধিৰ ভিতৰত ৬জনেই ভোট দিয়ে। নেহৰুৰে কাৰ্যনিৰ্বাহক সমিতিত লোৱা ফখৰুদ্দিন আলী আহমেদ নিৰপেক্ষ হৈ থাকে আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে 'নেহৰু প্ৰস্তাৱ'ৰ পক্ষে ভোট দিয়ে। অসমৰ স্বাৰ্থক ৰক্ষণাবেক্ষণ দিবলৈ ব্যৰ্থ 'নেহৰু প্ৰস্তাৱ'টো কংগ্ৰেছ অধিৱেশনত গৃহীত হোৱাৰ পিচত ১৭ জানুৱাৰীত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে গুৱাহাটীত সিদ্ধান্ত লয় যে ১৬ জুলাইৰ অসম বিধানসভাৰ নিৰ্দেশৰ পিচত পৰিস্থিতিৰ কোনো সলনি হোৱা নাই। 'অসমৰ সংবিধান মাথোন অসমৰ সদস্যসকলেহে ৰচনা কৰিব' —এই সিদ্ধান্তত অটল থকা অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰায় অকলশৰীয়াভাৱে গ্ৰুপিংবিৰোধী যুঁজখন চলাই নিয়াৰো সিদ্ধান্ত লয়। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল অসমৰ এই সংকটৰ সময়ত কেন্দ্ৰীয় কংগ্ৰেছ কাৰ্যনিৰ্বাহকে অসমৰ সমস্যাটোক সুকীয়াকৈ বিবেচনা কৰাৰ সলনি প্ৰকাশ্যে অগ্ৰাহ্য কৰিছিল। বৰঞ্চ বল্লভভাই পেটেলৰ নিচিনা নেতাই মত ব্যক্ত কৰি মাথোন অসমৰ বাবেই গোটেই ভাৰতক এখন গৃহযুদ্ধত বুৰাব নোৱাৰি বুলি মত ব্যক্ত কৰিছিল। ইয়াৰ বিপৰীতে আশাৰ এচমকা কিৰণ হিচাপে অসমৰ নেতাসকলক সাহস প্ৰদান কৰিছিল জাতিৰ পিতা মহাত্মা গান্ধীয়ে।

অসম কংগ্ৰেছৰ কেবিনেট মিছনবিৰোধী স্থিতি, গ্ৰুপিঙৰ বিৰুদ্ধে হোৱা প্ৰবল আন্দোলন আদিৰ ফলত ১৯৪৭ চনৰ পহিলা ভাগত ব্ৰিটিছ চৰকাৰ নিশ্চিত হ'ল যে কেবিনেট মিছন অনুযায়ী ভাৰতবৰ্ষৰ ক্ষমতা হস্তান্তৰ কৰিব পৰা নাযাব। ক্ষমতা হস্তান্তৰ কৰাৰ কাৰণে ব্ৰিটিছে নতুন আঁচনি এখন প্ৰস্তুত কৰাৰ কথা ভাবিলে আৰু ১৯৪৭ চনৰ মাৰ্চত ৱাভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনক বৰলাট হিচাপে ভাৰতলৈ প্ৰেৰণ কৰিলে। জিন্নাৰ প্ৰতি মাউণ্টবেটেনৰ দৃষ্টিভংগী একেবাৰে নৰম নাছিল। তেওঁ জিন্নাক পূব পাকিস্তানৰ ভিতৰত অসমক পোৱাৰ আশা বাদ দিবলৈ তথা পাকিস্তানৰ পূব ভাগত বিচাৰিলে শ্ৰীহট্টকো

উত্থাপন কৰিব লগা বিষয়বোৰ হৈছে— (১) অসম ৰে'লৱেৰ লাইন বঢ়াই নি শিলিগুৰিত ভাৰতীয় ইউনিয়নৰ ৰে'লৱে ছিষ্টেমৰ লগত লগ লগোৱা, (২) অসমৰ সীমাৰ ভিতৰৰ পৰা ৰে'লৱে লাইনবিলাক গোটাই পুনৰ সংগঠিত কৰা, (৩) ৰণ-কৌশল আৰু বাণিজ্যৰ সুবিধাৰ কাৰণে উত্তৰ কোচবিহাৰেদি ৰে'লৱে লাইন এটা খোলা আৰু (৪) গুৱাহাটীত পুনৰ সংগঠিত অসম ৰে'লৱেৰ স্থায়ী কেন্দ্ৰীয় অফিচ পতা।

সন্মিলিত অসমক কোচবিহাৰ আৰু শিলিগুৰিৰ মাজেদি কিযাণগঞ্জৰ ৰে'ল বাটৰ সৈতে সংযুক্ত কৰিবৰ কাৰণে অনতিপলমে দুশ মাইল মিটাৰগজ ৰে'লবাট প্ৰস্তুত কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

১৬ অক্টোবৰ ঃ আৰ্থিক সাহায্য মঞ্জুৰিত অসমে ন্যায় পোৱা নাই ঃ

টকা-পইচাৰ অভাৱৰ বাবে আমাৰ প্ৰদেশে বৰ অসুবিধা ভোগ কৰিছে; ইমান দিনে কেন্দ্ৰই আমাক এই বিষয়ে মাহী আইৰ মৰমহে দৰ্শাই আহিছে; এতিয়া টকা ভগাওঁতে কেন্দ্ৰই আমাৰ প্ৰতি আৰু অন্যায় নকৰিব বুলি আশা কৰিছোহঁক।' প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে বাতৰিকাকতলৈ দিয়া বিবৃতি এটাৰ আৰম্ভণিতে এনেদৰে মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে বৰ্তমান অসম চৰকাৰে তেওঁলোকৰ সম্পদৰাশিৰ পৰা প্ৰায় ১০ কোটি টকা কেন্দ্ৰীয় চৰকাৰলৈ দান দিছে। ইয়াৰ বদলি অসমক বছৰি মাত্ৰ ৩০ লাখ টকাহে কেন্দ্ৰীয় চৰকাৰে সাহায্য দিয়ে।

২৬ অক্টোবৰ ঃ গুৱাহাটীৰ কংগ্ৰেছ ভৱনত অসম প্ৰাদেশিক কংগ্ৰেছ ৱৰ্কিং কমিটীৰ অধিৱেশনত অসম ব্যৱস্থা পৰিষদৰ দৰং মুছলমান সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰাদেশিক কংগ্ৰেছ সভাপতি মৌলানা তৈয়বুল্লা চাহাবক কংগ্ৰেছৰ প্ৰাৰ্থী মনোনয়ন কৰে।

২৭ অক্টোবৰ ঃ অসমৰ গৱৰ্নৰে গুৱাহাটী বিশ্ববিদ্যালয় আইন, ১৯৪৭ খন অনুমোদন কৰে।

৩১ অক্টোবৰ ঃ কাছাৰ কংগ্ৰেছৰ আহ্বানত বহা ৰাজহুৱা সভাত বঙালী আৰু অন্যান্য ভাষাবোৰ দমন কৰিব

অসমৰ পৰা ঘূৰাই পাব পাৰে বুলি ক'লে। মাউণ্টবেটেনৰ এই স্থিতিয়ে অসমক পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ দুঃস্বপ্নৰ অৱসান ঘটায়।

মৌলানা ভাছানিৰ ৰাজনৈতিক তৎপৰতা

অসমৰ ৰাজনৈতিক ইতিহাসৰ এগৰাকী গুৰুত্বপূৰ্ণ ব্যক্তি মৌলানা আব্দুল হামিদ খান ভাছানিৰ জন্ম হৈছিল গোৱালপাৰা জিলাৰ ঘাগমাৰী গাঁৱত। খেতিয়কক কৰা শোষণ আৰু দমনৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰা মৌলানা ভাছানি পৰৱৰ্তী সময়ত প্ৰব্ৰজনকাৰী মুছলমানসকলৰ সুৰক্ষাৰ বাবে সৰৱ হৈ পৰা এগৰাকী নেতালৈ পৰ্যবসিত হৈছিল। ভাছানি আছিল কৃষক আৰু প্ৰজা আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা। ১৯৩২ চনত সদৌ বংগ প্ৰজা সমিতিৰ সৈতে জড়িত থকাৰ বাবে ভাছানিক মৈমনসিং জিলাৰ পৰা আঁতৰাই পঠিওৱা হয়। অসমত যেতিয়া ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি প্ৰাদেশিক স্বায়ত্তশাসিত চৰকাৰ গঠন কৰা হ'ল, তেতিয়া ভাছানিয়ে বংগৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা মুছলমান খেতিয়কসকলৰ ত্ৰাণকৰ্তাৰ ৰূপত থিয় দিলেহি। অসম বিধানসভাত ১৯৩৬ চনত লাইন ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ নুৰুদ্দিন আহমেদে এক প্ৰস্তাৱ উত্থাপন কৰিছিল আৰু তাৰ পিচৰে পৰা বিধানসভাৰ বাহিৰে-ভিতৰে লাইন প্ৰথা প্ৰত্যাহাৰ কৰাৰ দাবীত আন্দোলন আৰম্ভ হৈছিল। ব্ৰিটিছবিৰোধী স্থিতিৰে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত নামি পৰা ভাছানিয়ে হিন্দু-মুছলমানৰ একতাৰ বাবেও চেষ্টা কৰিছিল যদিও একেসময়তে তেওঁৰ লাইন প্ৰথাবিৰোধী স্থিতিয়ে ক্ৰমাগতভাৱে তেওঁক থলুৱাবিদ্বেষী কৰি তুলিছিল।

১৯০৬ চনত সৰ্বভাৰতীয় মুছলমান লীগ জন্ম হোৱাৰ পিচত অসমত পোনতে চিলেট জিলাত ইয়াৰ সাংগঠনিক তৎপৰতা আৰম্ভ হয়। অসম বিধানসভাৰ প্ৰথম নিৰ্বাচনত জিলাখনৰ পৰা লীগৰ চাৰিজন সদস্যই অসম বিধানসভাত প্ৰৱেশ কৰে যদিও তেতিয়ালৈ ব্ৰহ্মপুত্ৰ উপত্যকাত লীগৰ অস্তিত্ব

খোজা প্ৰচেষ্টাৰ বিৰুদ্ধে থিয় দিবলৈ আৰু সকলোকে নিজ নিজ মাতৃভাষাত শিক্ষাৰ সুবিধা দিবলৈ তথা দুটা ভাষাৰ নীতি স্বীকাৰ কৰি অনা-অসমীয়া জিলাত অসমীয়া ভাষাক বাধ্যতামূলক ভাষা নকৰিবলৈ অসমৰ গণতান্ত্ৰিক জনগণলৈ আবেদন জনোৱা হয়।

১ নৱেম্বৰ ঃ অসমৰ ৰাজহ বিভাগৰ ১৯৪৫-৪৬ চনৰ ৰিপৰ্ট প্ৰকাশ। এই ৰিপৰ্ট অনুসৰি বংগদেশৰ পমুৱাবিলাকক মাটি-বাৰীত বসতি দিয়া সম্পৰ্কে কৰিব লগা কাম ভালেখিনি কম হৈ পৰিছে বুলি প্ৰকাশ।

● অসমৰ খাদ্য আৰু যোগনীয়া মন্ত্ৰী অমিয় কুমাৰ দাসে গণ পৰিষদৰ সদস্যপদ ত্যাগ কৰে।

৩ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী বৰদলৈৰ দ্বাৰা ডিব্ৰুগড়ৰ বৰবাৰীত অসম মেডিকেল কলেজ মুকলি। পুৱা ৯ বজাত ডিব্ৰুগড় চহৰত অসমৰ প্ৰথম মেডিকেল কলেজৰ দুৱাৰ মুকলি কৰা হয়। অসম মেডিকেল কলেজৰ দুৱাৰ মুকলি কৰি প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে কয় যে এই কলেজখন পতাৰ প্ৰধান উদ্দেশ্যে হৈছে গাঁৱৰ অজ্ঞ আৰু দুৰ্দশাগ্ৰস্ত জনসাধাৰণৰ মাজত ৰোগ নিবাৰণ আৰু চিকিৎসা সেৱা কৰিব পৰাকৈ আটাইতকৈ ভাল ধৰণৰ শিক্ষাদান কৰা। এই উপলক্ষে অসমৰ গৱৰ্নৰ, ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী, ৰাজকুমাৰী অমৃত কৌৰ, ডাঃ বিধান চন্দ্ৰ ৰায় আদিৰ পৰা শুভেচ্ছাবাণী পোৱা যায়।

৪ নৱেম্বৰ ঃ দৰং মুছলমান সমষ্টিৰ উপ-নিৰ্বাচনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা তৈয়বুল্লা অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হয়।

৫ নৱেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ শীতকালীন অধিৱেশন আৰম্ভ। লক্ষেশ্বৰ বৰুৱা স্পীকাৰ হিচাপে নিৰ্বাচিত।

৬ নৱেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ অধিৱেশনত প্ৰধানমন্ত্ৰী বৰদলৈয়ে 'অসম হোম গাৰ্ডছ বিল ১৯৪৭' পৰিষদৰ আগত দাঙি ধৰে। এই বিল আলোচনা কৰিবৰ বাবে দাঙি ধৰা প্ৰস্তাৱটো পৰিষদত গৃহীত হয়।

নাছিল বুলিয়েই ক'ব পাৰি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা বিধানসভালৈ নিৰ্বাচিত মহম্মদ ছাদুল্লা, ফখৰুদ্দিন আলী আহমেদ, চৈয়দুৰ ৰহমান আৰু কেৰামত আলী স্বতন্ত্ৰ প্ৰাৰ্থী আছিল। বিধানসভালৈ স্বতন্ত্ৰভাৱে নিৰ্বাচিত হোৱা মৌলানা ভাছানিয়ে নগাঁৱৰ এখন গাঁৱত মুছলিম লীগৰ এটা শাখা প্ৰতিষ্ঠা কৰি অসমত মুছলিম লীগৰ গুৰিব'ঠা ধৰিছিলহি। অসমৰ ৰাজনীতিত মহম্মদ ছাদুল্লা আৰু ভাছানিৰ মাজত থকা আদৰ্শগত তফাতৰ বিষয়ে এইক্ষেত্ৰত উনুকিয়াই থোৱাটো প্ৰয়োজনীয়। ছাদুল্লাই ১৯৩৭ চনত কেইবাবাৰো অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হোৱাৰ বাবে বাধ্য হৈহে মুছলিম লীগত যোগ দিছিল। ১৯৪৬ চনৰ আগষ্ট মাহত পূৰ্ববংগ আৰু অসমৰ পমুৱা মুছলমানসকলে তথা মুছলিম লীগৰ সদস্যসকলে যেতিয়া 'লড়কে লেংগে পাকিস্তান' শীৰ্ষক ধ্বনি দি অসম আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল, তেতিয়া ছাদুল্লা আৰু লীগৰ অসমীয়া মুছলমান সভ্যসকলে লীগৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছিল। ছাদুল্লাই প্ৰত্যক্ষ আন্দোলনৰ (Direct Action) বিৰোধিতা কৰি আইনসংগতভাৱে সমস্যা সমাধান কৰিবলৈ ওলোৱাত মুছলিম লীগৰ মাজত দুটা শিবিৰৰ সৃষ্টি হৈছিল। পাকিস্তানৰ সমৰ্থনত থকা শিবিৰটোৰ নেতৃত্বত আছিল মৌলানা ভাছানি।

ব্ৰিটিছবিৰোধী আন্দোলনৰ সময়ছোৱাত আব্দুল হামিদ খান ভাছানিয়ে অসমৰ সকলো শ্ৰেণীৰ খেতিয়কক সংঘবদ্ধ কৰি ব্ৰিটিছৰ বিৰুদ্ধে আন্দোলনত নামি পৰে আৰু অসমৰ কৃষি উৎপাদন বৃদ্ধিৰ স্বাৰ্থত বংগৰ পৰা প্ৰব্ৰজিত দুখীয়া খেতিয়কসকলক মাটি দিবৰ বাবে সকলোকে নিৱেদন জনায়। ১৯৩৯ চনৰ ৪ নৱেম্বৰত যেতিয়া অসম চৰকাৰে ১৯৩৭ চনৰ ১ এপ্ৰিলৰ পূৰ্বে অসমলৈ প্ৰব্ৰজন কৰা লোকসকলক মাটি দিয়াৰ সিদ্ধান্ত ঘোষণা কৰে, তেতিয়া ইয়ে পমুৱা মুছলমানসকলৰ মনত ব্যাপক ক্ষোভৰ সৃষ্টি কৰে। ১৯৩৯ চনৰ ১৮ নৱেম্বৰত অসম প্ৰাদেশিক মুছলিম লীগৰ প্ৰথমখন অধিৱেশন ঘাগমাৰীত (গোৱালপাৰাত) অনুষ্ঠিত হয়, য'ত ভাছানিয়ে এলানি উত্তেজক বক্তৃতা প্ৰদান কৰে। এই বক্তৃতাই প্ৰব্ৰজনকাৰী মুছলমানসকলক মুছলিম লীগৰ অধীনত সংগঠিত

অসম স্বায়ত্ত শাসন সংশোধনী বিল, ১৯৪৭; অসম মিউনিচিপাল সংশোধনী বিল ১৯৪৭; অসম ক'ৰ্ট ফিজ সংশোধনী বিল ১৯৪৭, আৰু অসম ৰেভিনিউ ট্ৰিবিউনেল ক্ষমতা হস্তান্তৰ বিল, ১৯৪৭ আলোচনা কৰিবৰ বাবে পৰিষদত প্ৰস্তাৱ লোৱা হয়।

৮ নৱেম্বৰ ঃ মণিপুৰৰ প্ৰজা আন্দোলন দমনত চতুৰ্থ অসম ৰাইফলছ প্ৰয়োগ কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ছ'চিয়েলিষ্ট নেতা হৰেশ্বৰ গোস্বামীয়ে এক প্ৰেছ বিবৃতি দিয়ে। বিবৃতিত তেওঁ কয় যে অসম ৰাইফলছৰ প্ৰয়োগ কেৱল যে আমাৰ শক্তিৰ এটা অপব্যৱহাৰেই এনে নহয় বৰঞ্চ গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ কোনো দেশীয় ৰাজ্যত হোৱা জনপ্ৰিয় আন্দোলন দমন কৰাত ভাৰতৰ সামৰিক শক্তি কেতিয়াও নিয়োজিত নহ'ব বুলি দিয়া প্ৰতিশ্ৰুতিৰো ই এক স্পষ্ট বিৰুদ্ধাচৰণ। মণিপুৰৰ সত্যাগ্ৰহ দমনত অসম ৰাইফলছ বাহিনী ব্যৱহাৰ কৰা বন্ধ কৰিবলৈও তেওঁ দাবী জনায়।

১১ নৱেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত বিনাভোটে '১৯৪৭ চনৰ অসম হোম গাৰ্ডছ বিল', '১৯৪৭ চনৰ অসম বিক্ৰী কৰ বিল', '১৯৪৭ চনৰ অসম মিউনিচিপাল সংশোধনী বিল', '১৯৪৭ চনৰ আদালতৰ মাচুল সংশোধনী বিল' আৰু '১৯৪৭ চনৰ অসম ৰেভিনিউ ট্ৰিবিউনেলৰ ক্ষমতা হস্তান্তৰ বিল' গৃহীত হয়।

১৩ নৱেম্বৰ ঃ কলিকতা বিশ্ববিদ্যালয়ৰ মেট্ৰিক পৰীক্ষাত ননীধৰ কলিতা নামৰ তেজপুৰ হাইস্কুলৰ ছাত্ৰ এজনে প্ৰথম স্থান অধিকাৰ কৰে। দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে ক্ৰমে অমিতাভ দাসগুপ্ত (বৰিশাল) আৰু মনোজ কুমাৰ পাল (হাতবুলিয়া)।

১৬ নৱেম্বৰ ঃ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ শিলচৰ ভ্ৰমণকালত মুছলিম লীগ, কমিউনিষ্ট পাৰ্টিকে ধৰি সকলো ৰাজনৈতিক দলৰ মনোভাৱ জনাই তেওঁৰ হাতত এখন স্মাৰকপত্ৰ দাখিল কৰা হয়। স্মাৰকপত্ৰত সকলোবিলাক ভাষা

হ'বলৈ উচটনি যোগায়। সভাত ভাছানিয়ে এনেদৰে কয় যে অসমৰ কংগ্ৰেছ চৰকাৰখনে লাখ লাখ লোকক জ্বলাই মাৰিব বিচাৰিছে আৰু সেইবাবে অসমৰ পমুৱা মুছলমানসকলে আল্লাৰ শপত লৈ এই লাইন ব্যৱস্থাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব লাগে। লাইন ব্যৱস্থাৰ বিৰুদ্ধে আন্দোলন ব্যাপক কৰি তুলিবলৈ ভাছানিয়ে তেওঁৰ নিজ গাঁও গোৱালপাৰাৰ ঘাগমাৰীত ১৯৪২ চনৰ ৮ আৰু ৯ ফেব্ৰুৱাৰীত অসম বংগ প্ৰজা সন্মিলন আৰু অসম বংগ প্ৰব্ৰজনকাৰীৰ সন্মিলন আয়োজন কৰে, য'ত বিহাৰৰ আজাদ ছোভানিয়ে সভাপতিত্ব কৰে। সন্মিলনত ভাছানিয়ে চৰকাৰক ১৯৪২ চনৰ ৩১ মাৰ্চৰ ভিতৰত লাইন প্ৰথা বিলুপ্ত কৰিবলৈ কয়; ইয়াৰ অন্যথা অসহযোগ আন্দোলন গঢ়ি তোলা হ'ব বুলি সতৰ্ক কৰি দিয়ে। ১৯৪২ চনৰ ২৮ ফেব্ৰুৱাৰীত ভাছানিয়ে অসম চৰকাৰৰ পৰা এখন হুকুমনামা লাভ কৰে, যাৰ দ্বাৰা তেওঁক এবছৰৰ বাবে কোনো ৰাজহুৱা সভা আয়োজন কৰা তথা সভাত বক্তৃতা দিয়াৰ ক্ষেত্ৰত তেওঁৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয়।

ভাছানিয়ে অসম ব্যৱস্থাপক পৰিষদতো লাইন প্ৰথা উঠাই দিয়াৰ পোষকতা কৰিছিল আৰু ১৯৪২ চনৰ ১৪ নৱেম্বৰত অসমৰ বন মন্ত্ৰী আব্দুল মতিন চৌধুৰীৰ বিৰুদ্ধে অসমৰ পমুৱা মুছলমানক বিশ্বাসঘাতকতা কৰা বুলি অভিযোগ আনিছিল। ১৯৪৩ চনৰ ২৪ আগষ্টত ভাছানিয়ে অসম চৰকাৰে গ্ৰহণ কৰা ভূমিপট্টন নীতিৰ বিৰোধিতা কৰি পমুৱাৰ মাজত আন্দোলন সংগঠিত কৰিবলৈ এখন কমিটী গঠন কৰে। এই কমিটীৰ সভাপতি নিৰ্বাচিত হৈ ভাছানিয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পৰিভ্ৰমণ কৰে আৰু প্ৰব্ৰজনকাৰীৰ মাটিপট্টন বিষয়টো জনপ্ৰিয় কৰি তোলে। ১৯৪৪ চনৰ ৭ আৰু ৮ এপ্ৰিলত বৰপেটাত অসম প্ৰাদেশিক মুছলিম লীগৰ তৃতীয় বাৰ্ষিক সন্মিলন আয়োজন কৰা হয় আৰু ইয়াতে ভাছানি সভাপতি নিৰ্বাচিত হয়। ইয়াতে তেওঁ ঘোষণা কৰে যে যেতিয়ালৈ ব্ৰিটিছ সাম্ৰাজ্য উচ্ছন্ন কৰিব পৰা নাযাব আৰু স্বাধীন পাকিস্তানৰ দাবী বাস্তৱায়িত কৰিব পৰা নাযাব, তেতিয়ালৈ অসমৰ মুছলমানসকলে নিজৰ অধিকাৰ সাব্যস্ত

আৰু সংস্কৃতি ৰক্ষা কৰিবলৈ দাবী জনোৱা হয় আৰু কাছাৰৰ অসমীয়া ভাষা নোকোৱা জনসাধাৰণৰ ওপৰত অসমীয়া ভাষা জাপি দিয়াৰ প্ৰতিবাদ কৰা হয়।

১৮ নৱেম্বৰ ঃ 'মণিপুৰ দিন' পালনৰ বাবে ছাত্ৰ কংগ্ৰেছৰ আহ্বানত জুবিলী গাৰ্ডেনত বহা সভাই মণিপুৰৰৰ প্ৰজা আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায় আৰু তাত থকা অসম ৰাইফলছৰ সৈন্যসকলে ঘৰ অফিচ আদি পহৰা দিয়াটোও অশোভনীয় বুলি তেওঁলোকক অবিলম্বে আঁতৰ কৰাৰ দাবী জনায়। হৰেশ্বৰ গোস্বামীয়ে সভাত সভাপতিত্ব কৰে আৰু নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ প্ৰধান সম্পাদক ৰামকৃষ্ণ সিংহই সভাত বক্তৃতা দিয়ে।

২০ নৱেম্বৰ ঃ ভাৰতীয় ডমিনিয়নৰ প্ৰথম ৰে'লৱে বাজেটত তিনিটা ৰে'লবাট খোলাৰ সিদ্ধান্ত। ইয়াৰ ভিতৰত এটা নতুন ৰে'লবাটে অসমক ভাৰতীয় ইউনিয়নৰ বাকী অংশৰ সৈতে লগ লগাব।

- অসম চৰকাৰৰ বন্ধ কমিটীয়ে অসমত বন্ধৰ সংখ্যা ৪৬ দিনৰ পৰা ৩০ দিনলৈ কমাই দিয়ে।

১ ডিচেম্বৰ ঃ শ্বিলং আৰু গুৱাহাটী দুয়ো ঠাইতে একোটাকৈ অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক স্পষ্ট নিৰ্দেশ প্ৰদান কৰে।

২ ডিচেম্বৰ ঃ অসমলৈ কেন্দ্ৰৰ পৰা ১ কোটি ৯৭ লাখ টকা সাহায্য মঞ্জুৰ। অসমৰ বিভিন্ন উন্নয়ন আঁচনি অবিলম্বে হাতত ল'বলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৪৮ চনৰ মাৰ্চ মাহত শেষ হোৱা বছৰটোৰ কাৰণে অলপ দিনীয়া সাহায্য হিচাপে অসম চৰকাৰলৈ ১ কোটি ৯৭ লাখ টকা মঞ্জুৰ কৰে। অসম চৰকাৰৰ অনুৰোধক্ৰমে কেন্দ্ৰীয় আৰ্থিক কমিটীৰ চেয়াৰমেনে অসমৰ অৰ্থনৈতিক সম্পদ অনুসন্ধান কৰি তাৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ এখন ব'ৰ্ড গঠন কৰা সম্পৰ্কে অসম চৰকাৰে যি প্ৰস্তাৱ দিছে তাক সহানুভূতিৰে বিবেচনা কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

৩ ডিচেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ

কৰিবলৈ সক্ষম নহ'ব। মৌলানা ভাছানি প্ৰাদেশিক মুছলিম লীগৰ সভাপতি নিৰ্বাচিত হোৱাটো আন এটা দিশৰ পৰাও তাৎপৰ্যপূৰ্ণ। ইয়াৰ আগলৈকে অসম প্ৰাদেশিক মুছলিম লীগে কেৱল লাইন প্ৰথা বিলোপ কৰাৰ হকেহে মাত মাতি আহিছিল। ভাছানি সভাপতি হোৱাৰ পিচত সমগ্ৰ অসমতে মুছলিম লীগৰ সাংগঠনিক তৎপৰতা বৃদ্ধি পাবলৈ ধৰে আৰু লীগে লাইন প্ৰথা বিলোপ কৰাৰ সলনি মুকলিভাৱে পাকিস্তানৰ দাবী উঠাবলৈ আৰম্ভ কৰে। লীগৰ দ্বিতীয় অধিৱেশনতো (১৯৪১ চনৰ ৩০-৩১ জানুৱাৰী) পাকিস্তানৰ দাবী তোলা হৈছিল যদিও অসমক পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ দাবীটো ব্যাপক ৰূপ লাভ কৰে ভাছানিৰ নেতৃত্বতহে।

প্ৰকৃত কৃষক নেতা ভাছানি স্বাধীনতাৰ পিচত পূব পাকিস্তানলৈ যায় যদিও তাত মুছলিম লীগৰ প্ৰতি বীতশ্ৰদ্ধ হয় আৰু কমিউনিষ্ট কৃষক আন্দোলনৰ প্ৰতি আকৃষ্ট হয়। স্বাধীনতাৰ পিচত তেখেতে পাকিস্তান আৱামী মুছলিম লীগ প্ৰতিষ্ঠা কৰে, যিয়ে পিচলৈ আৱামী লীগ নাম লয়। পিচলৈ পূব পাকিস্তানৰ স্বৰাজৰ কাৰণে তেওঁ আৱামী লীগৰ পৰা আঁতৰি আহি ৰাষ্ট্ৰীয় আৱামী লীগ খোলে। ১৯৬৯ চনত তেওঁৰ পাকিস্তানীবিৰোধী স্থিতিয়ে বাংলাদেশৰ জাতীয়তাবাদ উত্থানত সহায় কৰে। বাংলাদেশ যুদ্ধৰ সময়ত তেওঁ কিছুদিনৰ কাৰণে অসমলৈ ঘূৰি আহিছিল। জীৱনৰ শেষ কাললৈকে তেওঁ বাংলাদেশৰ অতি শ্ৰদ্ধাৰ নেতা হিচাপে পৰিগণিত হৈ আহিছিল। ৯৬ বছৰ বয়সত পশ্চিম বংগৰ ফাৰাক্কা বান্ধৰ বিৰুদ্ধে ১০০ কিলোমিটাৰজোৰা লং মাৰ্চ উলিয়াইছিল আৰু সেই বছৰেই তেওঁৰ ঢাকাত মৃত্যু হৈছিল।

দ্বাৰা নিযুক্ত নৱ কমিটীৰ সদস্যসকলে তেওঁলোকৰ সভাত ইংৰাজীৰ সলনি অসমীয়াই ৰাষ্ট্ৰভাষা বুলি সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত লয়। ইয়াৰ ফলত ভাষা সম্পৰ্কে প্ৰাদেশিক পৰিষদৰ চলিত নিয়ম-কানুনৰ ভিতৰত এক সংশোধনী সন্নিৱিষ্ট হয়। এই সংশোধনী অনুসাৰে যদি কোনো সদস্যই অসমীয়া ভাষাৰ লগত অপৰিচিত তেনেহ'লে তেওঁ প্ৰদেশৰ যিকোনো এটি পৰিগণিত ভাষাত বক্তৃতা দিব পাৰিব। অৱশ্যে এই ক্ষেত্ৰত স্পীকাৰে তেওঁক সেই ভাষাত বিজ্ঞ বুলি বক্তৃতা দিবলৈ আহ্বান জনাব লাগিব। এই পৰিগণিত ভাষাবোৰৰ ভিতৰত বঙালী, হিন্দুস্থানী আৰু ইংৰাজী ভাষাক ধৰা হৈছে।

৯ ডিচেম্বৰ ঃ ১৪ আগষ্টৰ পিচত যিসকল চাকৰিয়ালে তেওঁলোকৰ পূৰ্বসংকল্প সলনি কৰি পাকিস্তানত কাম কৰিম বুলি লিখি দিছিল সেইসকলক পূব বংগ চৰকাৰে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাত অসম চৰকাৰেও ১৪ আগষ্টৰ পিচত মন সলনি কৰি ভাৰতত চাকৰি কৰিবলৈ ওলোৱা চাকৰিয়ালসকলক গ্ৰহণ নকৰে বুলি ইস্তাহাৰযোগে প্ৰকাশ কৰে।

১৩ ডিচেম্বৰঃ ছ'চিয়েলিষ্ট নেতা জয়প্ৰকাশ নাৰায়ণৰ অসমত প্ৰথম পদাৰ্পণ। যোৰহাটত বহা সন্মিলনত যোগ দিয়াৰ উদ্দেশ্যে অহা নাৰায়ণে অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰাৰ কথা।

১৪ ডিচেম্বৰঃ 'এয়াৰৱেজ ইণ্ডিয়া' কোম্পানীৰ বিমান এখনে প্ৰথমবাৰৰ বাবে কলিকতাৰ পৰা ডাক-টোপোলা লৈ গুৱাহাটীৰ কাঁহিকুছি বিমান বন্দৰত অৱতৰণ কৰেহি। এই বিমান ডাক ছাৰ্ভিচ উদ্বোধন কৰিবৰ বাবে পোষ্ট আৰু টেলিগ্ৰাফ বিভাগৰ আহ্বানত বিমান কোঠত বহা বিৰাট ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে প্ৰথম ডাক টোপোলাটো উন্মোচন কৰে।

২৯ ডিচেম্বৰ ঃ অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত এখন ইস্তাহাৰত গুৱাহাটী বিশ্ববিদ্যালয়ে অনতিপলমে হাতত ল'বলগীয়া কামৰ বিস্তৃত বিৱৰণ

অসমৰ পৰা চিলেট বিচ্ছেদ

১৯৪৭ চনৰ ২৪ মাৰ্চত ভাৰতৰ বৰলাটৰ দায়িত্ব লোৱাৰ পিচতে মাউণ্টবেটেনে অনুভৱ কৰিছিল যে কেবিনেট মিছনৰ জৰিয়তে ক্ষমতা হস্তান্তৰৰ যি প্ৰস্তাৱ অনা হৈছিল সি বাস্তৱত কাৰ্যকৰী নহয় আৰু সেয়েহে তেওঁ দেশ বিভাজনৰ পোষকতা কৰিলে, যিয়ে নেকি মুছলিম লীগে বিচাৰি অহা সাৰ্বভৌম 'পাকিস্তান'ৰ স্বপ্নক সাকাৰ ৰূপ দিয়াটো নিশ্চিত কৰিলে। ১৯৪৭ চনৰ ৩ জুনত মাউণ্টবেটেনে ভাৰতবৰ্ষৰ স্বাধীনতা বিষয়ক এখন গুৰুত্বপূৰ্ণ আঁচনি দাঙি ধৰিলে। মাউণ্টবেটেন আঁচনিৰ মূল বিষয়বোৰ হ'ল— (১) ভাৰতক দ্বিখণ্ডিত কৰি ভাৰত প্ৰজাতন্ত্ৰ আৰু

দাণ্ডি ধৰা হয়। ইস্তাহাৰখনত কোৱা হয় যে ১ জানুৱাৰীৰ দিনাখন স্থাপন হ'ব লগা এই বিশ্ববিদ্যালয়খনৰ অধীনত এতিয়াৰে পৰা স্কুল-কলেজ আৰু বিশ্ববিদ্যালয় পৰীক্ষাৰ্থীসকলৰ বাৰ্ষিক পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব।

৩১ **ডিচেম্বৰ** ঃ ভাৰতৰ সহকাৰী প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে সদলবলে নতুন দিল্লীৰ পৰা বিমানযোগে আহি গুৱাহাটীত উপস্থিত হয়। আবেলি জজ ফিল্ডত হোৱা এক ৰাজহুৱা সভাত পেটেলে ৰাইজক এখন শক্তিশালী আৰু সমৃদ্ধ অসম গঢ়িবলৈ আহ্বান জনায়।

পাকিস্তান— এই দুখন ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হ'ব। (২) বংগ আৰু পঞ্জাবৰ কোন কোন অংশ পাকিস্তানৰ সৈতে সংযুক্ত হ'ব, তাক নিৰ্ধাৰণৰ বাবে এখন সীমা নিৰ্ধাৰণ আয়োগ নিয়োগ কৰা হ'ব। (৩) মুছলিম সংখ্যাগৰিষ্ঠ অসমৰ চিলেট জিলা আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ পাকিস্তানৰ লগত সংযোজিত হ'বনে নহয় সেইটো এই অঞ্চলবোৰৰ জনসাধাৰণৰ গণভোটৰ (referendum) দ্বাৰা থিৰাং হ'ব। (৪) সিন্ধু প্ৰদেশৰ বিধানসভাই ভোটৰ দ্বাৰা যোগদানৰ সিদ্ধান্ত ল'ব। (৫) দেশীয় ৰাজ্যবিলাকে স্ব-ইচ্ছাই যিকোনো এখন দেশত যোগদান কৰিব পাৰিব অথবা ইচ্ছা কৰিলে স্বাধীনভাৱে থাকিব পাৰিব।

মাউণ্টবেটেনৰ এই আঁচনিখনে ব্ৰিটিছ কেবিনেটৰ অনুমোদন লাভ কৰাৰ পিচত বৰলাটজনে মুছলিম লীগ আৰু কংগ্ৰেছ নেতৃবৃন্দক আঁচনিখন গ্ৰহণ কৰিবলৈ সৈমান কৰে। সেই সময়ৰ পৰিস্থিতিত 'মাউণ্টবেটেন আঁচনি' (Mountbatten Plan) গ্ৰহণ কৰাৰ বাদে আন কোনো বিকল্প ব্যৱস্থা লীগ তথা কংগ্ৰেছ উভয়ৰে সন্মুখত নাছিল। আঁচনিয়ে ভাৰতবৰ্ষক বিভাজন কৰা কথাটো কংগ্ৰেছ নেতৃবৃন্দই মানি ল'ব খোজা নাছিল যদিও ইতিমধ্যে সাম্প্ৰদায়িকতাৰ ভিত্তিত দেশীয় জনসাধাৰণক বিভাজিত কৰাত সফল হোৱা গৈছিল বাবে কংগ্ৰেছৰ আন কোনো গত্যন্তৰো নাছিল। ১৯৪৭ চনৰ জুলাই মাহত 'ভাৰতৰ স্বাধীনতা আইন-১৯৪৭'খন ব্ৰিটিছ সংসদত উত্থাপন কৰা হয় আৰু ১৮ জুলাইত সংসদে ইয়াক অনুমোদন কৰে। এই আইন অনুসৰি ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনা 'পাকিস্তান' আৰু ১৪ আগষ্টৰ শেষ তথা ১৫ আগষ্টৰ আৰম্ভণিৰ ঠিক মাজনিশা 'ভাৰত' —এই দুখন ৰাষ্ট্ৰ জন্ম দিয়াৰ সিদ্ধান্ত লোৱা হ'ল। মাউণ্টবেটেনৰ আঁচনি গ্ৰহণ হোৱাৰ লগে লগে অসমত গ্ৰুপিংবিৰোধী আন্দোলনৰ অৱসান ঘটিল আৰু ইয়াৰ পিচতে আঁচনিত প্ৰস্তাৱ কৰা চিলেটৰ গণভোটৰ বিষয়টোৱে অসমৰ সমাজ তথা ৰাজনৈতিক জীৱনত এক গুৰুত্বপূৰ্ণ ঘটনা হৈ পৰিল।

১৮৭৪ চনত ব্ৰিটিছে অসমৰ লগতে শ্ৰীহট্ট বা চিলেট, কাছাৰ আৰু

১৯৪৮

২ জানুৱাৰী : ভাৰতৰ ডেপুটী প্ৰধানমন্ত্ৰী চৰ্দাৰ পেটেলে শ্বিলং আৰু শ্বিলঙৰ দাঁতি-কাষৰীয়া অঞ্চলৰ নাগৰিকসকলৰ এখন ৰাজহুৱা সভাত অসমীয়া জাতিক ঐক্যবদ্ধ হ'বলৈ আৰু ভাটৌৰ দৰে সমাজতন্ত্ৰবাদ বা আন যিকোনো 'বাদ'ৰ শ্লোক আওৰাবলৈ হাক দি অসমৰ সম্পদৰাশিক পৰিপূৰ্ণভাৱে কামত লগাবলৈ আবেদন জনাই এক বক্তৃতা প্ৰদান কৰে।

৩ জানুৱাৰী : তুৰা টাউন হলত সমবেত হোৱা গাৰো প্ৰতিনিধি আৰু নেতৃস্থানীয় লোকসকলৰ সভাত দিয়া এক বক্তৃতাত অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে তুৰা নগৰৰ শাসন নিৰ্বাহৰ বাবে টাউন কমিটী শিতানত এখন আৰু সমগ্ৰ গাৰো পৰ্বতৰ গাঁওবোৰৰ শাসনৰ বাবে 'জিলা ব'ৰ্ড' শিতানত আন এখন স্বায়ত্তশাসিত প্ৰতিষ্ঠান গঠনৰ কথা ঘোষণা কৰে।

১২ জানুৱাৰী : অসম চৰকাৰে নিয়োগ কৰা স্পেচিয়েল ৰেভিনিউ কমিটীয়ে চৰকাৰক অহা ছেপ্টেম্বৰ মাহৰ পৰা অসমত জমিদাৰী প্ৰথা উচ্ছেদ কৰিবৰ বাবে পৰামৰ্শ প্ৰদান কৰে।

২০ জানুৱাৰী : অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী পাৰ্টিৰ একজিকিউটিভ কমিটীৰ আজিৰ সভাই প্ৰস্তাৱিত 'অসম খেতিজীৱী ৰায়ত ৰক্ষা আৰু নিয়ন্ত্ৰণ বিল, ১৯৪৮ (Assam Cultivating Tenants Protection and Regulation Bill, 1948)ৰ মূল সূত্ৰাৱলী অনুমোদন কৰে। এই বিল অনুযায়ী জমিদাৰী প্ৰথাৰ অন্ত পৰিব।

২৩ জানুৱাৰী : অসমৰ শিল্প জাতীয়কৰণ সম্পৰ্কত নিজস্ব মত দাঙি ধৰি জয়প্ৰকাশ নাৰায়ণে পেট্ৰ'লিয়াম শিল্পটো অবিলম্বে জাতীয়কৰণ কৰাৰ পোষকতা কৰে।

২৫ জানুৱাৰী : গুৱাহাটী বিশ্ববিদ্যালয় আইন (১৯৪৭) অনুসৰি আজিৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ন্যাসৰক্ষী সমিতিখন ভংগ কৰি দিয়া হয় আৰু লগে লগে ব'ৰ্ডৰ হাতত

গোৱালপাৰা জিলাক বংগৰ প্ৰশাসনৰ পৰা পৃথক কৰি এইকেইখনক সামৰি অসম নামকৰণ কৰে। এগৰাকী চীফ কমিছনাৰৰ হাতত এই প্ৰদেশখন শাসিত হোৱাৰ পিচৰে পৰা চিলেটৰ বঙালীসকলে পুনৰ বংগৰ লগত সংযোগ হ'বলৈ আন্দোলন চলাই থাকিল। পোনতে চিলেটত বাস কৰা হিন্দু-মুছলমান উভয় বাংলাভাষীসকলে অসমৰ সৈতে চামিল হোৱা সিদ্ধান্তটোৰ প্ৰতিবাদ কৰিছিল আৰু এনে প্ৰতিবাদ ১৯০৫ চনপৰ্যন্ত অব্যাহত আছিল। ১৯০৫ চনত বংগ বিভাজন (১৮৫৪ চনত বংগ, বিহাৰ, উৰিষ্যা আৰু অসমক লৈ বিশাল বংগ প্ৰেছিডেঞ্চী গঠন হৈছিল আৰু এগৰাকী লেফটেনেণ্ট গৱৰ্নৰৰ হাতত ইয়াৰ শাসনৰ দায়িত্ব আছিল) হোৱাৰ পিচৰে পৰা অসমক লৈ মুছলমান সম্প্ৰদায়ৰ দৃষ্টিভংগী সলনি হ'বলৈ আৰম্ভ কৰে।

উল্লেখ্য যে কাৰ্জনৰ বংগ ভংগৰ পৰিকল্পনা অনুযায়ী উত্তৰ বংগ আৰু পূব বংগক অসমৰ লগত লগ লগাই 'পূৰ্ব বংগ আৰু অসম' নামৰ এখন নতুন প্ৰদেশ গঠন কৰাৰ উদ্দেশ্য আছিল আৰু বাকী অংশটো আগৰ দৰেই 'বংগদেশ' কৰি ৰখাৰ সিদ্ধান্ত লোৱা হৈছিল। ঢাকাক ৰাজধানী হিচাপে গঠিত হ'ব লগা 'পূৰ্ব বংগ আৰু অসম' প্ৰদেশখনৰ ৩১ নিযুত জনসংখ্যাৰ সংখ্যাগৰিষ্ঠই হ'ল মুছলমান। আকৌ বংগদেশৰ বাকী অংশৰ মুঠ জনসংখ্যাৰ ১৮ নিযুতহে বঙালী আছিল, বাকী ৩৬ নিযুতেই আছিল বিহাৰী আৰু উৰিয়া। অৰ্থাৎ কাৰ্জনৰ এই আঁচনিয়ে বিভাজিত বংগৰ দুয়োখন প্ৰদেশতে হিন্দু বঙালীসকলক সংখ্যালঘু কৰিব বিচাৰিছিল, যাতে ভাৰতীয় জাতীয়তাবাদৰ বিকাশ ৰুদ্ধ হৈ পৰে আৰু ইয়াত সাম্প্ৰদায়িক ৰাজনীতি লহপহকৈ গঢ়ি উঠে। এই খিনিতে উল্লেখ কৰা ভাল যে আধুনিক শিক্ষা-দীক্ষাৰে দীক্ষিত হৈ যিসকল ভাৰতীয়ই ভাৰতীয় জাতীয়তাবাদৰ ভেটি মজবুত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল সেইসকলৰ ভিতৰত কিছুসংখ্যক বাংলাভাষী হিন্দুৰ ভূমিকা আছিল তাৎপৰ্যপূৰ্ণ।

কাৰ্জনৰ বংগ ভংগৰ প্ৰতিবাদত বংগদেশত স্বৰাজ আৰু স্বদেশীক লৈ

থকা সকলো সা-সম্পত্তি, পুঁজি, বেংকৰ হিচাপ-পত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হাতলৈ হস্তান্তৰিত হয়। গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষা সমিতিয়ে এইমৰ্মে এটি প্ৰস্তাৱ গ্ৰহণ কৰে আৰু গধূলি স্থানীয় কামৰূপ একাডেমী হলত বহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৃতীয় আৰু শেষ কনভেনচনত এটি প্ৰস্তাৱ জনোৱা হয়। আজিৰ পৰা এই কনভেনচনৰ কাৰ্যকালো অন্ত পৰে আৰু কাইলৈ গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্টৰ প্ৰথম সভা বহিব।

২৬ জানুৱাৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সক্ৰিয় জীৱন আৰম্ভ ঃ

গুৱাহাটীৰ ছুডমাৰ্ছন হলত গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্টৰ প্ৰথমখন সভা অনুষ্ঠিত হয়। ইয়াৰ লগে লগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী জীৱনৰ শুভাৰম্ভ ঘটে। ক'ৰ্টৰ অনুমোদন আৰু চেঞ্চেলাৰৰ শলাগনিক্ৰমে যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈক গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য হিচাপে নিয়োগ কৰা হয়। ইয়াৰ বাহিৰেও ভাৰতৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ কাকা কালেলকাৰক গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য হিচাপে পোৱাটো এক সৌভাগ্যৰ কথা বুলি বিবেচনা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ ১৪জন সদস্যৰ ভিতৰত ৯জন সদস্য নিয়োজিত হৈছে। তেওঁলোক হ'ল— ভাইচ চেঞ্চেলৰ, ৰেজিষ্ট্ৰাৰ, ট্ৰেজাৰাৰ, অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ, অধ্যক্ষসকলৰ পৰা দুজন ক'ৰ্টৰ নিৰ্বাচিত সদস্য (কটন কলেজৰ অধ্যক্ষ ড° বাণীকান্ত কাকতি আৰু আৰ্ল ল কলেজৰ অধ্যক্ষ শৰৎ কুমাৰ দত্ত) দুজন মনোনীত সদস্য (অমলপ্ৰভা দাস আৰু ডাঃ সূৰ্য কুমাৰ ভূঞা), এজন ক'ৰ্টৰ সদস্য (কাকা কালেলকাৰ)। বিশ্ববিদ্যালয় ক'ৰ্টৰ ৮জন মনোনীত সদস্যৰ ভিতৰত এতিয়ালৈকে তলৰ কেইজনক লোৱা বুলি জনা গৈছে — ডাঃ জাকিৰ হুছেইন আৰু কাকা কালেলকাৰ, মিঃ আৰ আৰ টমাছ, মৌঃ ফখৰুদ্দিন আলী আহমদ আৰু মিঃ আও।

এক তীব্ৰ জাতীয়তাবাদী আন্দোলনৰ জোৱাৰ উঠে আৰু এই আন্দোলনৰ ফলত বংগত কেইটামান চৰমপন্থী দলৰো জন্ম হয়। সন্ত্ৰাসবাদী পন্থা ব্যৱহাৰ কৰা এই দলবোৰে হিন্দু ধৰ্মীয় প্ৰতীক ব্যৱহাৰ কৰিছিল বাবে মুছলমান সম্প্ৰদায়ে লাহে লাহে বংগ ভংগ আন্দোলনৰ পৰা আঁতৰি আহিবলৈ ল'লে। ১৯১১ চনত ডিচেম্বৰত বহা দিল্লী দৰবাৰৰ পিচত যেতিয়া অসম আৰু বংগ পুনৰ গঠন কৰা হ'ল, তেতিয়া বংগৰ বাকী অংশ অসমৰ পৰা আঁতৰ হ'ল যদিও ১৮৭৪ চনৰ দৰে চিলেট বা শ্ৰীহট্টক অসমৰ লগত সংযোগ কৰি ৰখা হ'ল। চিলেটৰ হিন্দু সম্প্ৰদায়ৰ নিচিনাকৈ মুছলমানসকলেও প্ৰথমতে এনে সংযোগ হোৱাৰ বিৰোধ প্ৰদৰ্শন কৰিছিল। অৱশ্যে বিষয়টোৰ ক্ষেত্ৰত হিন্দু জাতীয়তাবাদীসকলৰ দপ্‌দপনি বাঢ়ি অহাৰ ফলত অতি কম দিনৰ ভিতৰত চিলেটৰ মুছলমানসকলৰ অসমৰ প্ৰতি দৃষ্টিভংগী সদয় হ'বলৈ ধৰে। তদুপৰি চিলেট অসমৰ লগত যোগ হোৱাৰ ফলত অঞ্চলটোৰ আৰ্থিক শ্ৰীবৃদ্ধিহে ঘটিছিল। বংগৰ লগত থকাৰ সময়ছোৱাত অধিক হাৰৰ চৌকিদাৰী কৰ, নাও-ভূৰ ইত্যাদিৰ কৰ আদিৰ লগতে চিলেটৰ মুছলমানসকলে সহিব লগা হৈছিল হিন্দু ধৰ্মাৱলম্বী মাটিৰ মালিকসকলৰ অবৰ্ণনীয় অত্যাচাৰ। লগতে আছিল বংগৰ ৰায়তী আইনসমূহৰ বিভিন্ন মেৰপাক। তদুপৰি বংগত বিনামূলীয়া মাতৃভাষা শিক্ষা ব্যৱস্থাৰ প্ৰচলন নাছিল বাবে এইসকল লোকে বহু পৰিমাণে স্কুল মাচুল ভৰিব লগাত পৰিছিল। অসমত অন্তৰ্ভুক্ত হোৱাৰ পিচত আৰ্থিকভাৱে অনগ্ৰসৰ মুছলমানসকলে কেইবাটাও দিশত সকাহ লাভ কৰিব পাৰিছিল।

চিলেটৰ মুছলমানসকলৰ অসমৰ প্ৰতি দৃষ্টিভংগী পৰিৱৰ্তন হোৱাৰ বিপৰীতে ইয়াৰ হিন্দুসকলে আৰম্ভণিৰে পৰা অসমৰ পৰা বিচ্ছেদ হোৱাৰ চিন্তাত লাগি আছিল। অসমৰ সৰ্বাত্মক উন্নয়নৰ সৈতে জড়িত হৈ পৰাৰ বিপৰীতে বংগ ভূমিৰ সপোনটোৱে এওঁলোকক খেদি ফুৰিছিল বাবে অসমত থকা কালছোৱাত এওঁলোক সদায়ে অসমৰ বিৰোধিতা প্ৰদৰ্শন কৰি থাকিল। অসমত বিশ্ববিদ্যালয় অথবা উচ্চ ন্যায়ালয় আদি স্থাপনৰ বিষয়তো এওঁলোকে

৩১ জানুৱাৰী ঃ জাতিৰ পিতা মহাত্মা গান্ধীক ৩০ জানুৱাৰীত গুলীয়াই হত্যা কৰা ঘটনাই সমগ্ৰ অসমবাসীক ম্ৰিয়মাণ কৰি তোলে। গুৱাহাটী, শ্বিলং আৰু অসমৰ অন্যান্য নগৰবোৰত আজি জাতীয় শোকৰ দিন পালন কৰা হয়। স্কুল-কলেজ, অফিচ-অনুষ্ঠান, দোকান-বজাৰ, বেংক-কাৰখানা আদি বন্ধ থাকে। মানুহে দিনটো অনশন কৰে আৰু গান্ধীজীৰ দেহ সংকাৰৰ সময়ত হোৱা সমূহীয়া প্ৰাৰ্থনাত যোগ দিয়ে।

৫ ফেব্ৰুৱাৰী ঃ আজি প্ৰকাশ হোৱা অসম গেজেটৰ এটি বিশেষ সংখ্যাত অসম চৰকাৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ নামে প্ৰদেশত থকা যিকোনো অনুষ্ঠানকে বে-আইনী বুলি ঘোষণা কৰে।

৯ ফেব্ৰুৱাৰী ঃ অসম প্ৰাদেশিক মহিলা সমিতিৰ উদ্যোগত আজি স্থানীয় জুবিলী গাৰ্ডেনত জাতীয় শোকৰ দিন উপলক্ষে মহিলাসকলে গোট খাই সূতা কাটে আৰু সমূহীয়াকৈ প্ৰাৰ্থনা কৰে। প্ৰাৰ্থনাৰ পিচত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে 'মহাত্মা আৰু আত্মশুদ্ধি'ৰ বিষয়ে বক্তৃতা দিয়ে।

১২ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাটত অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে মহাত্মা গান্ধীৰ পবিত্ৰ চিতাভস্ম ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়ে।

১৬ ফেব্ৰুৱাৰী ঃ আজি ডমিনিয়ন পাৰ্লিয়ামেণ্টত ৰে'লৱে বাজেট উত্থাপন কৰি ৰে'লৱে সচিব ডাঃ জন মাথায়ে ঘোষণা কৰে যে অসমক ভাৰতৰ অৱশিষ্ট অংশৰ সৈতে সংলগ্ন কৰি এটি ৰে'লপথ খুলিবৰ বাবে ২ কোটি ৫০ লাখ টকা ব্যয় ধাৰ্য কৰা হৈছে।

২৩ ফেব্ৰুৱাৰী ঃ ভাৰতীয় ডমিনিয়নৰ দুৰ্গম আৰু পিচপৰা অঞ্চলত থকা প্ৰায় এক কোটি ৫০ লাখ ট্ৰাইবেলৰ কাৰণে গণ পৰিষদৰ দ্বাৰা নিযুক্ত শাখা কমিটী দুখনে নতুন ব্যৱস্থা গঢ়াৰ পোষকতা কৰে। দেশৰ পৰিবৰ্তিত ৰাজনৈতিক অৱস্থাত এই অঞ্চলবোৰৰ শাসন ব্যৱস্থা সম্পৰ্কে বিবেচনা কৰিবলৈকে এই কমিটী দুখন ভাৰতীয় গণ পৰিষদে গঠন কৰি দিছিল। ভাৰতৰ পূব আৰু উত্তৰ-পূব

মুকলি বিৰোধিতা কৰিছিল। এইসকল হিন্দু বঙালীয়ে অসমৰ সৈতে গঢ় লৈ উঠা সম্পৰ্কক তেনেই কমদিনীয়া বুলি বিবেচনা কৰি অসমখনক এখন উপনিৱেশ বুলি গণ্য কৰিছিল আৰু সেই উদ্দেশ্যেৰেই 'ছেটলাৰ্ছ এছ'চিয়েচন' (Settlers Association) গঠন কৰিছিল। কেবিনেট মিছনৰ গ্ৰুপিং নাকচ হোৱাৰ পিচত যেতিয়া চিলেট পূব বংগৰ লগত চামিল হোৱাৰ কথা ওলাল, তেতিয়াই চিলেটৰ হিন্দুসকলৰ জাতিগত স্বাভিমান আৰু দাম্ভিকতাৰ অন্ত পৰিল। বংগ নহয় বৰঞ্চ পাকিস্তানত লীন যোৱাৰ ভয়টো যিমানেই এওঁলোকৰ মনত শিপাবলৈ ধৰিলে সিমানেই এওঁলোকৰ অনুনয়-বিনয়ৰ মাত্ৰা বাঢ়িল। চিলেটক অসমৰ সৈতে ধৰি ৰাখিবলৈ এওঁলোকৰ প্ৰয়োজন হ'ল অসম প্ৰদেশ কংগ্ৰেছ কমিটী আৰু অসমীয়াৰ সমৰ্থন।

১৯২৪ চনৰ জুলাইত আৰু ১৯২৬ চনৰ জানুৱাৰীত অসম ব্যৱস্থাপক সভাত শ্ৰীহট্ট অসমৰ পৰা বিচ্ছেদ হৈ বংগৰ লগত যোগ হ'ব লাগে বুলি দুটা প্ৰস্তাৱ গৃহীত হয়। ১৯২৬ চনত তেনে এটা প্ৰস্তাৱ বংগৰ ব্যৱস্থাপক সভাতো গৃহীত হয়। ১৯২৮ চনত ছাইমন কমিছন নিযুক্ত নোহোৱাপৰ্যন্ত বিষয়টোত সাম্প্ৰদায়িক মনোভাব সোমোৱা নাছিল আৰু চিলেটৰ মুছলমানসকলেও বংগীয় ভাষা তথা কৃষ্টিগত ভাবাৱেগক উলাই কৰিব পৰা নাছিল। ছাইমন কমিছনৰ পিচত শ্ৰীহট্ট অথবা চিলেট সন্দৰ্ভত এটা নতুন ভাবনাৰ জন্ম হয়। অসম উপত্যকাত ছাদুল্লাৰ নিচিনা নেতাই ভাবিছিল যে যদিহে চিলেট অসমৰ লগত থাকি যায় তেন্তে অসম প্ৰদেশখনৰ জনসংখ্যাৰ তিনিভাগৰ এভাগ মুছলমান হ'ব আৰু মুছলমানসকলে এক সন্মানজনক সংখ্যালঘু জনগোষ্ঠী হিচাপে অসমৰ নিৰ্বাচনী ৰাজনীতিত ভাগ ল'ব পাৰিব। এনে এটা চিন্তাৰ প্ৰসাৰ ঘটাৰ ফলতে ১৯২৮ চনৰ ১৭ ছেপ্টেম্বৰত চিলেট আৰু কাছাৰ বংগত সোমাব নালাগে বুলি অসম ব্যৱস্থাপক সভাত সুৰমা উপত্যকাৰ খান বাহাদুৰ বখৎ মজুমদাৰে এটা প্ৰস্তাৱ উত্থাপন কৰিছিল।

ইয়াৰ বিপৰীতে অসমৰ পৰা চিলেট বিচ্ছিন্ন হোৱাৰ দাবীত অটল হৈ

সীমান্তত থকা অসমৰ ট্ৰাইবেল অঞ্চলবিলাকত স্বায়ত্ত শাসনৰ ব্যৱস্থা দি সেইবোৰ অঞ্চল কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰাই শাসিত হৈ থাকিব লাগে আৰু অসম চৰকাৰে তাত ভাৰত চৰকাৰৰ এজেণ্ট হিচাপে কাম চলাব লাগে বুলি কমিটীয়ে অনুমোদন জনায়। অসমৰ পাৰ্বত্য জিলাকেইখনক স্বায়ত্ত শাসিত জিলা হিচাপে ধৰি সেই জিলাবোৰত গঠিত বিশেষ জিলা কাউঞ্চিলবোৰক আইন প্ৰণয়নৰ কিছু ক্ষমতা দিব লাগে বুলিও অনুমোদন কৰা হৈছে।

৫ মাৰ্চ ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা মহম্মদ তৈয়বুল্লাই আজি অসম মন্ত্ৰীসভাৰ অন্যতম মন্ত্ৰী হিচাপে কনষ্টিটিউচন হাউছত শপত গ্ৰহণ কৰে। অসমৰ অষ্টমজন মন্ত্ৰী হিচাপে শপত লোৱা তৈয়বুল্লাক আবকাৰী, জে'ল আৰু প্ৰচাৰ বিভাগৰ দায়িত্ব দিয়া হৈছে। তেওঁ অসম পৰিষদৰ দৰঙৰ মুছলমান সমষ্টিৰ অলপতে হৈ যোৱা উপ-নিৰ্বাচনত অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হৈছিল।

● অলপতে অসম সীমান্তৰ অশাসিত অঞ্চলৰ এখন গাঁৱত এদল নগাই আক্ৰমণ চলাই গাঁওখনত থকা ৪০০ মানুহৰ আটাইখিনিকে হত্যা কৰে। সম্প্ৰদায়ৰ উন্নতি আৰু খেতি ভালকৈ চপাবৰ আশা কৰি নগাসকলে দেৱতাসকলক সন্তুষ্টিৰ অৰ্থে মানুহৰ তেজ দান কৰে বুলি জানিব পৰা গৈছে। নগাসকলৰ মূৰ কটা কাৰ্য ৰুধিবলৈ তথা অপৰাধীসকলক শাস্তি দিবলৈ শান্তি বিধায়ক সৈন্য বাহিনী এদল অঞ্চললৈ ইতিমধ্যে যাত্ৰা কৰিছে।

১১ মাৰ্চ ঃ স্বাধীন ভাৰতৰ অসমৰ প্ৰথম বাজেট দাখিল ঃ

অসম ব্যৱস্থা পৰিষদত অৰ্থ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ১৯৪৮-৪৯ চনৰ বাবে দাঙি ধৰা অসম চৰকাৰৰ বাজেটত ১,৪৯,৫৯,০০১ টকা ঘাটি পৰিব বুলি ঘোষণা কৰে। চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ নিৰিখ উন্নত কৰাৰ ফলত চৰকাৰে অবিলম্বে বহন কৰিবলগীয়া প্ৰায় ২৫ লাখ টকাৰ ওপৰঞ্চি খৰচৰ হিচাপ ধৰিলে ঘাটি পৰা টকাৰ মুঠ পৰিমাণ প্ৰায় ১ কোটি

ৰৈছিল গোপীনাথ বৰদলৈ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটী। গণভোটৰ আগলৈকে কংগ্ৰেছে এনে এটা দৃঢ় মতকে পোষণ কৰিছিল। ১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে ভাষাৰ ভেটিতেই প্ৰদেশ গঠনত গুৰুত্ব আৰোপ কৰাত অসমীয়া ভাষাৰ আধাৰত অসম প্ৰদেশখন গঢ় দিয়াৰ সপোন যেন পূৰ্ণ হৈ উঠিছিল। এইক্ষেত্ৰত একমাত্ৰ বাধা হৈ দেখা দিছিল বাংলাভাষী চিলেট জিলা। অসমৰ ভাষা-সংস্কৃতি ইতিহাস আৰু ভূগোলৰ লগত কোনোধৰণৰ সম্পৰ্ক নথকা চিলেট অসমৰ পৰা আঁতৰি গ'লেহে অসমীয়া ভাষা-সংস্কৃতিয়ে বিকাশ লাভ কৰিব পাৰিব বুলি অসমীয়া সাহিত্যিক, বুদ্ধিজীৱী আদি নিশ্চিত হৈছিল। অসম উপত্যকাৰ খিলঞ্জীয়া মুছলমান আৰু এই উপত্যকাৰ মুছলমান ৰাজনৈতিক সন্মিলনেও চিলেট বিচ্ছেদ হোৱাটোকে কামনা কৰিছিল। ১৯৩৪ আৰু ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত অসম কংগ্ৰেছে চিলেট বিচ্ছেদক তেওঁলোকৰ মূল লক্ষ্য বুলি ঘোষণা কৰে। এই ঘোষণাক শ্ৰীহট্টৰ কংগ্ৰেছীসকলেও মানি লয়। ১৯৩৭ চনৰ কংগ্ৰেছ বিধায়িনী দলৰ কাৰ্যপন্থা আৰু লক্ষ্য স্থিৰ কৰোঁতে সুৰমা উপত্যকাৰ কংগ্ৰেছীসকলে বিচৰাৰ দৰে অসম উপত্যকাৰ কংগ্ৰেছীসকলেও উত্তৰ কাছাৰক বাদ দি কাছাৰৰ বাকী অংশ চিলেটৰ সৈতে মিলি বংগলৈ যাব লাগে বুলি কৈছিল।

কেবিনেট মিছনৰ গ্ৰুপিং আঁচনিয়ে যি সময়ত অসমীয়া লোকক আতংকিত কৰি ৰাখিছিল সেই সময়ত এই আঁচনিত আটাইতকৈ আপ্লুত হৈছিল চিলেটৰ হিন্দু বঙালীসকল। বংগৰ কিছু নেতাই অকল চিলেটকে বংগত পাবলৈ বিচৰা নাছিল, বিচাৰিছিল অসমৰ আন কিছু বাংলাভাষী অঞ্চলকো। বংগৰ কংগ্ৰেছী বিধায়ক কিৰণ শংকৰ ৰয়ে কাছাৰ আৰু গোৱালপাৰা জিলাকো বংগত সুমুৱাব লাগে বুলি দাবী তুলিছিল। শ্ৰীহট্ট কংগ্ৰেছ কমিটীয়ে বাংলা ভাষা আৰু সংস্কৃতিৰ স্বাৰ্থত এনে এটা দাবী সমৰ্থন কৰিছিল। কেবিনেট মিছনৰ আঁচনিত যে পাকিস্তানৰ সপোনটো লুকাই আছে আৰু আঁচনিখন বাস্তৱায়িত হ'লেই

৭৫ লাখ টকালৈ উঠিব।

১৯৪৮-৪৯ চনৰ ৰাজহৰ অৱস্থা ঃ ৰাজহৰ আয় ১৩,১১,৬২,০০০ টকা, ৰাজহৰ ব্যয় ১৪,৬১,২১,০০০ টকা।

বাজেট মেমৰেণ্ডামত ১৯৪৮-৪৯ চনৰ এই বাজেটখনকে স্বাধীন ভাৰতৰ প্ৰথম বাজেট বুলি কোৱা হৈছে। বাজেট মেমৰেণ্ডামত ব্যাখ্যা কৰি কোৱা হৈছে যে চিলেট বিচ্ছেদৰ ফলত স্বাভাৱিক আয় আৰু ব্যয় সাধাৰণতে হ্ৰাস পাইছে; কিন্তু চলিত বছৰৰ সংশোধিত হিচাপৰ তুলনা কৰি চালে দেখা যায় যে ৬,১৪,৯৭,০০০ টকা আয় আৰু ৬,৯৯,২৯,০০০ টকা ব্যয় বাঢ়িছে। যুদ্ধোত্তৰ পুনৰ্গঠন, আঁচনিৰ বাবে আৰু ১,১৮,৪৬,০০০ টকাৰ নতুন আঁচনি হাতত ল'বলৈ ভাৰত চৰকাৰে দিয়া মঞ্জুৰিয়েই এই বৃদ্ধিৰ কাৰণ। নতুন আঁচনিৰ বাবে দিয়া মঞ্জুৰিৰ পৰা ৮৫,২৬,০০০ টকা পুলিচ বিভাগৰ পুনৰ্গঠন আৰু পুলিচ বিভাগৰ কাৰণে ঘৰ-দুৱাৰ সজা কামত খৰচ কৰা হ'ব।

১৯৪৮-৪৯ চনৰ সাধাৰণ আৰ্থিক পৰিস্থিতি নিম্নোক্ত ধৰণৰ—

আগৰ জমা	৩,২০,৯১,০০০ টকা
মুঠ আদায়	২৪,৩৯,৮৩,০০০ টকা
মুঠ	২৭,৬০,৭৪,০০০ টকা
মুঠ খৰচ	২৫,৫১,৮১,০০০ টকা
ৰাহি	২,০৮,৯৫,০০০ টকা

১৯৪৮-৪৯ চনৰ বাবে অসম চৰকাৰে তলত দিয়াৰ দৰে মঞ্জুৰি দাবী কৰিছে —

যুদ্ধোত্তৰ পুনৰ্গঠন আঁচনি	ঃ ৭,৭১,৬৭,৭০০
শিল্পোন্নতিৰ বাবে মূলধন	ঃ ৩,০০,০০,০০০
পুলিচ বিভাগ	ঃ ১,১২,৮৩,৪০০
চিভিল ৱৰ্কছ	ঃ ১,০০,৮৩,৩০০
শিক্ষা	ঃ ৮২,৩১,৩০০
সাধাৰণ শাসন ব্যৱস্থা	ঃ ৩৯,৮৫,৬০০
চিকিৎসা	ঃ ১৯,০৮,১০০
জনস্বাস্থ্য	ঃ ২০,৫৭,৯০০
কৃষি	ঃ ১০,৬৩,০০০
বন বিভাগ	ঃ ২০,৭৫,০০০
ৰাজহ	ঃ ২২,৬৯,১০০
দুৰ্ভিক্ষ সাহায্য	ঃ ১,০০,০০০

১২ মাৰ্চ ঃ আজি অসম ব্যৱস্থা

চিলেট গৈ বংগৰ সৈতে নহয়, পাকিস্তানতহে সোমাব তাক চিলেটৰ হিন্দু বঙালীসকলে বহু দেৰিকৈ অনুভৱ কৰিলে। এনে এক সংকটৰ সময়ত বঙালী হিন্দুসকলৰ প্ৰয়োজন হৈছিল অসমীয়াৰ সমৰ্থন। সুৰমা উপত্যকাৰ বসন্ত কুমাৰ দাসে অসমৰ নামটো সলাবৰ কাৰণে প্ৰস্তাৱ তুলিছিল, যাতে অসমীয়া লোকে অসমক নিজৰ সম্পত্তি বুলি গণ্য কৰিব নোৱাৰে আৰু বৈদ্যনাথ মুখাৰ্জীয়ে এইক্ষেত্ৰত আগভাগ ল'লে। শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ নিচিনা বংগৰ কিছুসংখ্যক নেতাই অসমৰ সমস্যাটো অনুধাৱন কৰিব পাৰিছিল আৰু গ্ৰুপিংবিৰোধী আন্দোলনৰ সময়ৰে পৰা অসমৰ প্ৰতি নৈতিক সমৰ্থন দিছিল।

বাংলা প্ৰদেশ কমিটীৰ অন্তৰ্ভুক্ত শ্ৰীহট্ট কংগ্ৰেছ কমিটীৰ আগত গণভোটক লৈ ভাবিব নোৱৰা সংকটৰ সৃষ্টি হ'ল। যি সময়ত চিলেটৰ হিন্দুসকলে চিলেটখনক অসমৰ ভিতৰত ৰাখি সম্ভাব্য পাকিস্তানত অন্তৰ্ভুক্ত নোহোৱাৰ বিপদৰ পৰা ৰক্ষা কৰিবলৈ আহ্বান জনালে, সেই সময়ত চিলেটৰ গৰিষ্ঠসংখ্যক মুছলমানে বিচাৰিছিল চিলেটৰ পৃথকীকৰণ। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল জমিদাৰী অত্যাচাৰৰ পৰা নিষ্কৃতি লাভ কৰা তথা এক নিৰাপদ অৰ্থনৈতিক ব্যৱস্থাৰ মাজত জীৱন নিৰ্বাহ কৰাৰ সুযোগ লাভ কৰি চিলেটৰ মুছলমানসকলে এসময়ত অসমখনক আদৰি ল'বলৈ আৰম্ভ কৰিছিল আৰু হিন্দু বঙালীসকলতকৈ এক বিপৰীত দৃষ্টিভংগী লৈছিল। কেবিনেট মিছনৰ বিফলতাৰ পিচত যেতিয়া ধৰ্মৰ ভিত্তিত দেশ বিভাজন নিশ্চিত হৈ পৰিল তেতিয়াই এইসকল চিলেটী মুছলমানে পূৰ্বৰ স্থিতি সলাই অসমৰ পৰা আঁতৰি যোৱাৰ সিদ্ধান্ত ল'লে। অৱশ্যে হিন্দু সংখ্যাগৰিষ্ঠ বংগ প্ৰদেশতকৈ মুছলমান সংখ্যাগৰিষ্ঠ পূব বংগৰ সৈতে চামিল হ'ব খোজা প্ৰৱণতাটোৰ ক্ষেত্ৰত এক ধৰ্মীয় কাৰকো লুকাই আছিল।

মাউণ্টবেটেনৰ ভাৰত বিভাজনৰ পৰিকল্পনাৰ ফলত ১৯৪৭ চনৰ ৬ আৰু ৭ জুলাইত চিলেটৰ গণভোট হোৱা ঘোষণাটোৱে আটাইতকৈ সকাহ

পৰিষদত কেইবাখনো চৰকাৰী বিল উত্থাপন কৰা হয়। সেই বিলবোৰ হৈছে—

(১) অসম ফাইনেঞ্চ বিল ১৯৪৮,

(২) অসম কানি নিবাৰণী সংশোধনী বিল ১৯৪৮,

(৩) মন্ত্ৰীসকলৰ দৰমহা আৰু বানচ বিল, ১৯৪৮,

(৪) স্পীকাৰৰ দৰমহা বিল, ১৯৪৮

(৫) ডেপুটী স্পীকাৰৰ দৰমহা বিল, ১৯৪৮

(৬) অসম আধিয়াৰ বিল, ১৯৪৮

(৭) অসম নতুন মটৰ কাৰ (কণ্ট্ৰ'ল অব্ কমাৰ্চিয়েল ছেলছ) বিল, ১৯৪৮

(৮) অসম শ্বপছ এণ্ড এষ্টাব্লিছমেণ্টছ বিল ১৯৪৮ (বাছনি কমিটীৰ ৰিপ'ৰ্ট),

(৯) অসম লোকেল ব'ৰ্ড নিৰ্বাচনী জৰুৰী ব্যৱস্থা বিল ১৯৪৮।

১৪ মাৰ্চ ঃ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড লুই মাউণ্টবেটেন আৰু লেডী মাউণ্টবেটেনে আজি পুৱা ১১ বজাত দলে-বলে গুৱাহাটীৰ কাঁহিকুছি বিমানকোঠত নামেহি। দুপৰীয়া ১২ বজাত জজ ফিল্ডত হোৱা সম্বৰ্ধনা সভাত গৱৰ্ণৰ জেনেৰেলে ভৱিষ্যদ্বাণী কৰি কয় যে এদিন অসমখন ভাৰতৰ ভিতৰত সবাতোকৈ চহকী প্ৰদেশ হ'ব।

১৮ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদত অসম ফাইনেঞ্চ বিল, লোকেল ব'ৰ্ড নিৰ্বাচনী জৰুৰী ব্যৱস্থা বিল, নতুন মটৰ কাৰ বিক্ৰী (ব্যৱসায়মূলক) বিষয়ক বিল গ্ৰহণ কৰা হয়।

১৯ মাৰ্চ ঃ ভাৰত সংযোগ পথ মুকলি ঃ

অসমক ভাৰতৰ বাকী অংশৰ লগত সংযোগ কৰিবৰ উদ্দেশ্যে বন্ধা আলিবাটেদি আজিৰে পৰা প্ৰথমবাৰৰ বাবে যান-বাহন চলাচল আৰম্ভ হয়। ৩৪খন মিলিটাৰী গাড়ীয়ে শিলিগুৰিৰ পৰা যাত্ৰা আৰম্ভ কৰি এই পথৰ শুভাৰম্ভ ঘটায়। গাড়ীকেইখন ২৪ মাৰ্চত শ্বিলং পোৱাৰ কথা। নতুন পথেদি চলা এই প্ৰথম গাড়ীকেইখনক গৱৰ্ণৰ আৰু প্ৰধানমন্ত্ৰীয়ে সম্বৰ্ধনা জনাব বুলি জানিব পৰা গৈছে।

২২ মাৰ্চ ঃ পমুৱাৰ বাবে অসমৰ

প্ৰদান কৰিছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমবাসীক। চিলেট আঁতৰি যোৱাৰ লগে লগে প্ৰদেশখনত বাংলাভাষীৰ সংখ্যা হ্ৰাস পাব আৰু ভাষাভিত্তিক প্ৰদেশ গঠন হোৱা প্ৰক্ৰিয়াত অসমে অসমীয়া ভাষাক ইয়াৰ মূল ভাষিক ভিত্তি হিচাপে প্ৰতিষ্ঠা কৰিব পাৰি। কেবিনেট মিছনৰ সময়ত গ্ৰুপিং সন্দৰ্ভত অসমীয়াৰ মনত সৃষ্টি হোৱা শংকা আৰু চিলেটক লৈ সৃষ্টি হোৱা শংকাৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছিল। গ্ৰুপিঙৰ সময়ত একপ্ৰকাৰৰ ধৰ্মীয় ভাবাৱেগে ক্ৰিয়া কৰিছিল। ভবা হৈছিল যে যদিহে সংখ্যাগৰিষ্ঠ হিন্দু ধৰ্মাৱলম্বী অসম প্ৰদেশখনক মুছলমান সংখ্যাগৰিষ্ঠ বংগৰ লগত চামিল কৰা হয়, তেন্তে এসময়ত গ্ৰুপিঙৰ কবলত পৰি অসম গৈ পাকিস্তানত সোমাব লাগিব। ইয়াৰ বিপৰীতে কেবিনেট মিছন বিফল হোৱাত অসমীয়াৰ বাবে মূল চিন্তা হৈছিল প্ৰদেশখনক কেনেদৰে বাংলা ভাষাৰ আগ্ৰাসনৰ পৰা মুকলি কৰিব পাৰি। যদিহে চিলেট অসমৰ সৈতে থাকি যায় তেন্তে অসমত বাংলাভাষী লোকৰ সংখ্যা বাঢ়িব আৰু ভাষাভিত্তিক প্ৰদেশ গঠনত ই পিচলৈ বিধি-পথালি দিব। সেয়েহে অসম প্ৰদেশৰ সমূহ কংগ্ৰেছী সাহিত্যিক-বুদ্ধিজীৱী আৰু সাধাৰণ প্ৰজাই চিলেট আঁতৰি যোৱাটোকে মনে-প্ৰাণে কামনা কৰিছিল।

গণভোটৰ দিন যিমানে ওচৰ চাপি আহিল সিমানেই বৰদলৈ তথা কংগ্ৰেছৰ সন্মুখত আন কিছুমান সমস্যাৰ উদ্ভৱ হ'বলৈ ধৰিলে। যি চিলেট বিচ্ছেদৰ বাবে তেওঁলোকে ইমানদিনে তৎপৰ হৈ আছিল, সেই বিষয়টোৱে আন এটা নৈতিক প্ৰশ্নৰ সৃষ্টি কৰিলে। অসমে যদি এই মুহূৰ্তত চিলেট বা চিলেটৰ কিছু অংশক অসমৰ লগত ৰাখিবলৈ যত্ন নকৰে তেনেহ'লে এই অঞ্চলবোৰ পাকিস্তানত অন্তৰ্ভুক্ত হোৱাৰ ক্ষেত্ৰত অসম নৈতিকভাৱে দায়ী হ'ব নেকি— এনে এটা আশংকাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্য তথা গোপীনাথ বৰদলৈৰ মূৰত বাহ পাতিলে। তদুপৰি চিলেটৰ কংগ্ৰেছী সতীৰ্থসকলৰ প্ৰতিও সেই সময়ছোৱাত এক মানৱীয় সহানুভূতিৰ উদ্ৰেক

দুৱাৰ বন্ধ ঘোষণা কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছে নে লোৱা নাই সেই সম্পৰ্কীয় এক প্ৰশ্নৰ উত্তৰ দি ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অসম ব্যৱস্থা পৰিষদত জমিদাৰ, জোটদাৰ আৰু মধ্যৱৰ্তীসকলে চৰকাৰৰ নীতি উলংঘা কৰি বাহিৰৰ মানুহক আৰু নতুন পমুৱাক মাটি বেচিছে বুলি ঘোষণা কৰে। চৰকাৰে অনতিপলমে গোৱালপাৰাৰ জমিদাৰী ইষ্টেটবোৰৰ পৰিচালনাৰ ভাৰ নিজৰ হাতলৈ নিবনে নিনিয়ে তাক লৈও ব্যৱস্থা পৰিষদত প্ৰশ্ন উত্থাপিত হয়।

২৯ মাৰ্চ ঃ অসমত অসমীয়া ভাষাই ৰাষ্ট্ৰভাষা হোৱা উচিত। চিলেট পাকিস্তানলৈ যোৱাৰ পিচত নকৈ গঠিত অসম ব্যৱস্থা পৰিষদত পোন প্ৰথমবাৰলৈ আজি ভাষা সম্বন্ধীয় বিতৰ্কক লৈ চৰকাৰ আৰু বিৰোধী দলৰ মাজত ভোটযুদ্ধ চলে আৰু বিৰোধী দল ৫৫-৩৯ ভোটত পৰাজিত হয়। শিক্ষা শিতানৰ মঞ্জুৰি লৈ তোলা কৰ্তন প্ৰস্তাৱ এটা তোলোতেই এই ভোটপৰ্ব আৰম্ভ হয়। বিতৰ্কৰ উত্তৰ দি প্ৰধানমন্ত্ৰী বৰদলৈয়ে কয় যে অসমত ৰাষ্ট্ৰ ভাষা এটাই হ'ব লাগিব আৰু স্বাভাৱিকতে অসমীয়াই সেই ৰাষ্ট্ৰভাষা হোৱা উচিত।

অসমৰ ৰাষ্ট্ৰভাষা সম্পৰ্কে আজি অসম পৰিষদত গোৱালপাৰা জিলাৰ বঙালী ভাষী সংখ্যালঘুসকলৰ ভাষা ৰক্ষা কৰিবলৈ চৰকাৰ অসমৰ্থ হৈছে বুলি জনাব নজমলে দাঙি ধৰা কৰ্তন প্ৰস্তাৱ সম্পৰ্কত আলোচনা হয়। প্ৰস্তাৱ দাঙি ধৰি নজমলে গোৱালপাৰাত লোকেল ব'ৰ্ডে বঙালী হাইস্কুলে অসমীয়া শিকাব নোৱৰা বাবে উক্ত স্কুলবোৰলৈ মঞ্জুৰি বন্ধ কৰিছে বুলি কয়। তেওঁ চৰকাৰক এই বিষয়ত হস্তক্ষেপ কৰি মঞ্জুৰি পুনৰ দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। ইয়াৰ প্ৰত্যুত্তৰত প্ৰধানমন্ত্ৰী বৰদলৈয়ে কয় যে চৰকাৰে ব'ৰ্ডৰ ওপৰত একো জাপি দিবলৈ নাযায়। লোকেল ব'ৰ্ডবোৰৰ শাসনৰ পূৰ্ণ অধিকাৰ আছে বুলিও তেওঁ দোহাৰে।

অসম পৰিষদত প্ৰথমবাৰলৈ কাছাৰ আৰু কৰিমগঞ্জৰ বঙালী ভাষা-ভাষী সদস্যসকলে পৰিষদৰ

হৈছিল। অৱশেষত পৰিৱৰ্তিত এনে পটভূমিত অসম কংগ্ৰেছৰ নেতাসকলে পূৰ্বৰ স্থিতি সলাবলৈ বাধ্য হয়। ৩ জুনত গুৱাহাটীত বৰদলৈয়ে ৰাজহুৱা বিবৃতি দি চিলেটৰ বিচ্ছেদ নোহোৱাটোকে বিচাৰিলে। গোপীনাথ বৰদলৈয়ে মত প্ৰকাশ কৰিলে যে চিলেটৰ মুছলমানপ্ৰধান অংশ পূব পাকিস্তানত (বৰ্তমান বাংলাদেশ) পৰিলেও হিন্দুপ্ৰধান অঞ্চলকেইটা যেনে— পাথাৰকান্দি, ৰাতাবাৰী, বৰলেখা, কোলাওবা, শ্ৰীমংগাল, কমলগছ থানাবোৰ কাছাৰৰ লগতহে যোগ হ'ব লাগে। এই বিষয়ত বৰদলৈয়ে হাইদৰী আৰু চৰ্দাৰ বল্লভভাই পেটেললৈ লিখিলে তথা গণভোটৰ সময়ত চিলেটক পাকিস্তানৰ হাতৰ পৰা বচাবৰ বাবে প্ৰচাৰ কাৰ্যত নামি পৰিল। বৰদলৈয়ে বসন্ত কুমাৰ দাস, বৈদ্যনাথ মুখাৰ্জীকে ধৰি মন্ত্ৰীসভাৰ চাৰিগৰাকী সদস্যক লৈ চিলেটৰ বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ চলাইছিল।

গণভোট আৰু জমিয়ত-উল-উলেমা

চিলেটৰ গণভোটৰ আগে আগে জিলাখনলৈ বিভিন্ন ঠাইত বাস কৰা প্ৰবাসী চিলেটীসকলৰ আগমন ঘটিল। গণভোটক কেন্দ্ৰ কৰি হিন্দু আৰু মুছলমানৰ মাজত প্ৰচণ্ড মেৰুকৰণ ঘটা পৰিলক্ষিত হ'ল। চিলেটৰ হিন্দুসকলে ইছলাম ধৰ্মাৱলম্বীসকলক প্ৰভাৱিত কৰিবলৈ জমিয়ত-উল-উলেমাৰ সহায় ল'লে। ব্ৰিটিছ সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা জমিয়ত উলেমা-ই-হিন্দ আছিল ধৰ্মনিৰপেক্ষ আৰু সাম্ৰাজ্যবাদবিৰোধী চৰিত্ৰ। ১৮০৮ চনৰ পৰা ১৯১৫ চনৰ ভিতৰত উলেমাসকলে (ইছলামী পণ্ডিত) ভাৰতবৰ্ষত স্বাধীনতাৰ বাবে ব্ৰিটিছৰ বিৰুদ্ধে সংঘবদ্ধ যুঁজ দিছিল। স্বাধীনতাৰ হকে তথা ব্ৰিটিছ সৃষ্ট দাসত্ব বিলোপ কৰাৰ হকে ব্ৰিটিছৰ বিৰুদ্ধে অস্ত্ৰ তুলি লোৱা বিখ্যাত উলেমাসকল আছিল হাজী ইমাদুল্লাহ মোহাজিৰ মাক্কি আৰু তেওঁৰ শিষ্য মৌলানা কাছিম নানোতৱি, মৌলানা ৰছিদ আহমেদ গংগোহি আৰু হাফিজ জমিন শ্বাহিদ। ১৮৫৭ চনৰ বিদ্ৰোহৰ পিচত উলেমাসকল ব্ৰিটিছ

পুৰণি সদস্য কামিনী কুমাৰ সেনৰ নেতৃত্বত বিৰোধী দলৰ কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে ভোটৰ ৰায় দিয়ে আৰু অসমীয়া ভাষা-ভাষী সদস্যসকলৰ লগত একেলগে লবীলৈ খোজ লয়।

১ এপ্ৰিল ঃ আজিৰে পৰা গোটেই অসম প্ৰদেশ জুৰি ১৯৪৭ চনৰ অসম কানি নিবাৰণী আইনখন বলৱৎ হয়।

২ এপ্ৰিল ঃ অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী পাৰ্টিয়ে 'জন গণ মন' গীতটিয়ে ভাৰতৰ জাতীয় সংগীত হ'ব লাগে বুলি মত প্ৰকাশ কৰে। 'বন্দে মাতৰম' আৰু 'জন গণ মন' সংগীত দুটিৰ ভিতৰত কোনটোক ভাৰতৰ জাতীয় সংগীত কৰিব লাগে সেই বিষয়ে পণ্ডিত জৱাহৰলাল নেহৰুৱে অসম কংগ্ৰেছ পাৰ্লিয়ামেণ্টৰ মতামত বিচাৰিছিল। অসমৰ গৱৰ্নৰ ছাৰ আকবৰ হাইদৰীয়ে অসম পাৰ্লিয়ামেণ্টৰী পাৰ্টীৰ মত পণ্ডিত নেহৰুলৈ প্ৰেৰণ কৰে।

৫ এপ্ৰিল ঃ অসমত হাইকৰ্ট স্থাপন ঃ দুপৰীয়া ১ বজাত গুৱাহাটীৰ পুৰণি কমিছনাৰ বঙলাত অসম হাইকৰ্ট উদ্বোধন কৰা হয়। ফেডাৰেল কৰ্টৰ প্ৰথম ভাৰতীয় চীফ জাষ্টিচ ছাৰ হৰিলাল কানায়াই উদ্বোধন কাৰ্য সমাধা কৰে। ইয়াৰ আগতে হাইকৰ্ট প্ৰাংগণত 'জন গণ মন' সংগীত গোৱাৰ পিচত জাতীয় পতাকা উত্তোলন কৰা হয়। ছাৰ হৰিলাল কানায়াই হাইকৰ্টৰ উদ্বোধনী বক্তৃতা দিয়াৰ পিচত অসমৰ গৱৰ্নৰ ছাৰ আকবৰ হাইদৰীৰ পৌৰোহিত্যত অসম হাইকৰ্টৰ প্ৰথম চীফ জাষ্টিচ হিচাপে ছাৰ আৰ এফ লজে শপত গ্ৰহণ কৰে। অসমৰ গৱৰ্নৰ, অসমৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ এডভোকেট জেনেৰেল ফখৰুদ্দিন আলী আহমেদে উদ্বোধনী সভাত একোটিকৈ বক্তৃতা দিয়ে। চীফ জাষ্টিছ ছাৰ লজৰ বক্তৃতাৰ পিচত 'অ মোৰ আপোনাৰ দেশ' সংগীতেৰে হাইকৰ্টৰ উদ্বোধনী উৎসৱৰ সামৰণি পৰে। অসমৰ বিভিন্ন মন্ত্ৰী, পাৰ্লিয়ামেণ্টেৰী ছেক্ৰেটাৰী, চৰকাৰী বিষয়া, উকীল আৰু অন্যান্য নেতৃস্থানীয় ব্যক্তি তথা সাধাৰণ ৰাইজ সভাখনত উপস্থিত থাকে।

৯ মে' ঃ অলিম্পিকত ভাৰতৰ

অত্যাচাৰৰ মূল লক্ষ্য হৈ পৰিছিল। ব্ৰিটিছৰ দৃষ্টিত মৌলবী আৰু বিদ্ৰোহী এক হৈ গৈছিল। ১৮৫৭ৰ বিদ্ৰোহত যি দুই লাখ বিদ্ৰোহী নিহত হৈছিল তাৰে ৫১,২০০জনেই আছিল উলেমা। বিদ্ৰোহৰ পিচত কেৱল দিল্লীতে ৫০০জন উলেমাক ফাঁচি দিয়া হৈছিল। ১৮৬৪ৰ পৰা ১৮৭১ৰ ভিতৰত উলেমাৰ বিৰুদ্ধে পাঁচোটাকৈ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগ অনা হৈছিল আৰু অভিযুক্তসকলক হয় মৃত্যুদণ্ড অথবা যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছিল।

হুছেইন আহমেদ মাদানিয়ে (১৮৭৯-১৯৫৭) দাৰুল উলম দেওবন্দৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু প্ৰায় ১৮ বছৰ কাল মদিনাকে ধৰি বিভিন্ন ঠাইত ধৰ্মীয় শিক্ষা প্ৰদান কৰিছিল। বিদেশত থকা সময়ছোৱাত ব্ৰিটিছবিৰোধী এক ষড়যন্ত্ৰত লিপ্ত থকাৰ অভিযোগত তিনি বছৰৰ বাবে তেওঁক কাৰাদণ্ড বিহা হয়। কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পিচত মাদানিয়ে ভাৰতবৰ্ষলৈ প্ৰত্যাৱৰ্তন কৰি স্বাধীনতা সংগ্ৰামত লিপ্ত হৈ পৰে। উত্তৰ প্ৰদেশ আৰু বিহাৰৰ মুছলমানসকলৰ মাজত জনপ্ৰিয় মাদানি পৰৱৰ্তী সময়ত জমিয়ত-উল-উলেমাৰ সভাপতি হৈছিল আৰু মৃত্যুপৰ্যন্ত সেই পদতে আছিল। জমিয়ত তথা মাদানি আছিল পাকিস্তান গঠনৰ তীব্ৰ বিৰোধী। জাতি অথবা ধৰ্ম নহয় বৰঞ্চ এক গৃহভূমিৰ আধাৰতে দেশ গঠন হ'ব লাগে বুলি মাদানিয়ে বিশ্বাস কৰিছিল।

চিলেটৰ মুছলমানসকলক জমিয়ত-উল-উলেমাৰ ফালৰ পৰা অবিভক্ত অসমৰ হকে ভোট দিবৰ বাবে আহ্বান জনোৱা হৈছিল যদিও প্ৰচাৰ কাৰ্যত মাদানি উপস্থিত নথকাৰ বাবে এই আহ্বানে বৰ বেছি সঁহাৰি লাভ কৰিবলৈ সক্ষম নহ'ল। চিলেটত থকা দুই লাখ চাহ শ্ৰমিকক ভোটাধিকাৰ দিয়াৰ অহোপুৰুষাৰ্থ কৰা হ'ল। অথচ সি কাৰ্যকৰী নোহোৱাত হিন্দুসকলৰ প্ৰচেষ্টাত এক মাধমাৰ পৰিল। চাহ শ্ৰমিকসকলে জমিয়তৰ নেতৃত্বত জিলাখনৰ বিভিন্ন প্ৰান্তত ভোটাধিকাৰৰ পৰা বঞ্চিত কৰাৰ প্ৰতিবাদী সমদল উলিয়ালে। জমিয়ত আৰু কংগ্ৰেছে তীব্ৰ ৰূপত প্ৰচাৰ চলোৱাৰ পিচতো জিলাখনৰ অনুসূচিত

প্ৰতিনিধিত্ব কৰিবলৈ নিখিল ভাৰত ফুটবল ফেডাৰেচনে ১৭জন খেলুৱৈ নিৰ্বাচিত কৰে। এই ভাৰতীয় ফুটবল দলৰ নেতৃত্ব বহন কৰিব অসমৰ নগা পাহাৰৰ টি আৱে।

১২ মে' ঃ গাঁও উন্নয়ন কেন্দ্ৰৰ ব্যাপক আঁচনি বৰদলৈ মন্ত্ৰীসভাৰ দ্বাৰা অনুমোদিত ঃ

অসমত গ্ৰাম্য উন্নয়ন কেন্দ্ৰ প্ৰতিষ্ঠা কৰিবৰ বাবে ব্যাপক আঁচনি এখন বৰদলৈ মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনি অনুসাৰে ২১০০ খন প্ৰাথমিক পঞ্চায়তৰ ব্যৱস্থা থাকিব। ইয়াৰে প্ৰতি ১৫খন পঞ্চায়তৰ কাৰণে এখন গ্ৰাম পঞ্চায়ত থাকিব। এই গ্ৰামোন্নয়ন কেন্দ্ৰৰ উদ্দেশ্য হ'ব— কেন্দ্ৰৰ এলেকাত থকা গাঁৱলীয়া ৰাইজে চৰকাৰৰ সহায়ত তেওঁলোকৰ সৰ্বাংগীণ উন্নতিৰ ব্যৱস্থা কৰা। দহ হেজাৰ জনসংখ্যা বা ৫ মাইল ব্যাসাৰ্ধৰ এটি অঞ্চলেই সাধাৰণতে একোটা কেন্দ্ৰৰ এলেকা হিচাপে নিৰ্ধাৰিত হ'ব। পাঁচ বছৰত অসমৰ ৭১ লাখ গ্ৰামবাসীৰ বাবে প্ৰায় ৭১০টা উন্নয়ন কেন্দ্ৰ খোলা হ'ব।

গাঁও সংগঠন সভাৰ পৰিচালনাৰ বাবে এখন কাৰ্যনিৰ্বাহক কমিটী থাকিব। সভাৰ দ্বাৰা নিৰ্বাচিত ২৫ জনতকৈ অধিক সভ্যৰে এই সমিতি গঠিত হ'ব। সভাত এজন সভাপতি আৰু দুজন যুটীয়া সম্পাদক থাকিব। যুটীয়া সম্পাদক দুজনৰ এজনে তেওঁৰ পদ মৰ্যাদাৰ গুণত কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত কৰ্মী হ'ব। এই যুটীয়া সম্পাদক তথা ভাৰপ্ৰাপ্ত কৰ্মীজনেই চৰকাৰৰ ওচৰত সকলো হিচাপ-নিকাচ আৰু কেন্দ্ৰৰ সা-সম্পত্তিৰ বাবে দায়ী থাকিব। এই ভাৰপ্ৰাপ্ত কৰ্মীসকলক চৰকাৰৰ গ্ৰাম উন্নয়ন বিভাগে নিয়োগ কৰিব।

সাধাৰণতে গ্ৰাম উন্নয়ন কেন্দ্ৰত তলত দিয়া অনুষ্ঠানবোৰ থাকিব—

(১) গাঁওবিলাকত ব্যৱহাৰ কৰিব পৰা উন্নত ধৰণৰ খেতিৰ প্ৰণালী প্ৰদৰ্শন কৰা এখন সৰু আদৰ্শ কৃষি ফাৰ্ম।

(২) গো-সম্পদৰ উন্নতি বিধানৰ বাবে কিছুমান ষাঁড়।

(৩) এখন চিকিৎসালয়।

জনজাতিৰ লোকসকল মুছলিম লীগৰ পক্ষত থিয় দিলেহি। ৬ জুলাইৰ আগদিনাখন বংগ ব্যৱস্থা পৰিষদৰ এক বৃহৎসংখ্যক সদস্যই সুহার্দিৰ নেতৃত্বত চিলেট জিলাত প্ৰৱেশ কৰে। তেওঁলোকৰ লগত আছিল মুছলিম লীগ নেচনেল গার্ডৰ এক বৃহৎসংখ্যক সদস্য।

গণভোটৰ সময়ছোৱাত চিলেট জিলাত ব্যাপকভাৱে হিংসাত্মক কার্য সংঘটিত হ'ল। মুছলিম লীগ নেচনেল গার্ডৰ হাতত কংগ্ৰেছ তথা জমিয়তৰ সদস্যসকলে শাৰীৰিক নির্যাতন পোৱাৰ বাতৰি ওলাল। অসম প্ৰাদেশিক জমিয়ত-উল-উলেমাৰ সভাপতি আব্দুল হামিদে মুছলিম লীগৰ দ্বাৰা তেওঁলোক যে আক্ৰান্ত হৈছে সেই কথা সংবাদ মাধ্যমত ব্যক্ত কৰিলে। এনে অভিযোগৰ বিপৰীতে মুছলিম লীগৰ সদস্যসকলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বিৰুদ্ধে মুকলি প্ৰতি-অভিযোগ আনি ক'লে যে অসমৰ গৃহমন্ত্ৰী বসন্ত কুমাৰ দাসে চিলেটক পূব পাকিস্তানত অন্তর্ভুক্তি নকৰাৰ বাবে খোলাখুলিভাৱে ষড়যন্ত্ৰ কৰিছে। অৱশেষত ১২ জুলাইত অসমৰ ৰাজ্যপাল হাইদৰীলৈ গণভোটৰ যি ফলাফল আহিল সেই অনুসৰি পূর্ব বংগত সোমোৱাৰ পক্ষে ২,৩৯,৬১৯টা (৫৬.৬ শতাংশ) আৰু অসমত থকাৰ পক্ষে আছিল ১,৮৪,০৪১টা (৪৩.৪ শতাংশ)। ৭৭.৩৩ শতাংশ ভোটদান হোৱা এই নিৰ্বাচনত পাকিস্তান পক্ষই ৫৫,৫৭৮টা ভোট অধিককৈ পালে।

চিলেটত বাস কৰা হিন্দুসকলৰ সমস্ত ভাবাৱেগ আৰু অস্তিত্বক তচনচ কৰি দিয়া ভোটৰ ৰায় অৱশ্যে অনাকাংক্ষিত নাছিল। চিলেটৰ হিন্দু বঙালী তথা কংগ্ৰেছীসকলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ পক্ষপাতিত্বমূলক চৰিত্ৰৰ বাবেই তেওঁলোক পাকিস্তানত অন্তর্ভুক্ত হ'ব লাগিল —এনেধৰণৰ অভিযোগ আনিলে। অসম বিধানসভাৰ হিন্দু কংগ্ৰেছী সদস্য ৰবীন্দ্ৰনাথ আদিত্যই তেওঁৰ জীৱন সোঁৱৰণমূলক গ্ৰন্থ *From the Corridors of Memory* শীর্ষক গ্ৰন্থত অসমীয়াৰ প্ৰতি অভিযোগ আনি কৈছিল যে অসম প্ৰদেশৰ নেতাসকলে এখন একেভাষিক ৰাজ্য পাবলৈ ইমানেই ব্যাকুল হৈছিল যে গণভোটৰ

(৪) অঞ্চলটোৰ কাৰণে উপযোগী কুটীৰ শিল্পৰ শিক্ষা দিয়াৰ ব্যৱস্থা।

(৫) এটা পাঠ্যাগাৰ।

(৬) অঞ্চলটোৰ কাৰণে প্ৰয়োজনীয় আৰু পৰিকল্পনা হাতত লোৱা অৱস্থাত স্থিৰ কৰা আন কিছুমান এনেধৰণৰ বয়বস্তু।

১৮ মে' ঃ গুৱাহাটীৰ উজান বজাৰ এলেকাত ৰে'লৰে কৰ্মচাৰী আৰু স্থানীয় ছাত্ৰৰ মাজত সংঘৰ্ষ লগাত ১১ জন লোক আহত হয়। ইয়াৰে ৪ জন পুলিচৰ লোক। এই ঘটনাৰ পিচত গুৱাহাটীত ১৪৪ ধাৰা জাৰি কৰা হয়।

২১ মে' ঃ অসম দৰমহা কমিটীৰ ৰিপৰ্ট আজি এক ইস্তাহাৰ যোগে প্ৰচাৰ কৰা হয়। এই ৰিপৰ্টত মাহিলি ৪০ টকা সৰ্বনিম্ন আৰু ১,৫০০ টকা সৰ্বোচ্চ বেতন ধাৰ্য কৰা হৈছে।

১৩ জুন ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ অধিৱেশনত দেৱেশ্বৰ শৰ্মা অপ্ৰতিদ্বন্দ্বীভাৱে সভাপতি নিৰ্বাচিত হয়।

২২ জুন ঃ ভৱিষ্যতে অসম ব্যৱস্থা পৰিষদত অসমীয়া ভাষা নজনা কোনো লোকেই সদস্য হ'বলৈ অনুমতি পাব নালাগে বুলি কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্য আৰু পশ্চিম বংগৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ডাঃ প্ৰফুল্ল ঘোষে ইয়াত শ্বিলং জিলা কংগ্ৰেছৰ উদ্যোগত হোৱা এক ৰাজহুৱা সভাত কয়। সভাখনত ডাঃ ঘোষে অসমীয়াই অসমত ৰাষ্ট্ৰভাষা হ'ব লাগে বুলি মত ব্যক্ত কৰে।

২৯ জুন ঃ ৰেডিঅ' উদ্বোধনত অসহযোগ ঃ

সন্ধিয়া গুৱাহাটীৰ কাৰ্জন হলত গুৱাহাটী আৰ্টিষ্ট এছ'চিয়েচনৰ সহযোগত অনুষ্ঠিত বিৰাট ৰাজহুৱা সভাত অল ইণ্ডিয়া ৰেডিঅ'ৰ শ্বিলং-গুৱাহাটী শাখা কেন্দ্ৰ দুটাৰ উদ্বোধন উপলক্ষে 'জন গণ মন' গীতটি আৰু সুৰটি ব্যৱহাৰৰ তীব্ৰ বিৰোধিতা কৰি দুটি প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। প্ৰথমত উদ্বোধনী উৎসৱত গীতটি তথা সুৰটি ব্যৱহাৰ কৰিলে সেই উৎসৱত সহযোগ নকৰিবলৈ সভাই সিদ্ধান্ত লয়। দ্বিতীয় প্ৰস্তাৱত অসম ৰেডিঅ' কেন্দ্ৰৰ উদ্বোধনী উৎসৱত

সময়ছোৱাত চিলেটৰ সংখ্যালঘু হিন্দুসকলৰ সুৰক্ষাৰ বাবে তেওঁলোকে একোকে নকৰিলে। গণভোটৰ ফলাফল ঘোষণা হোৱাৰ পিচত গৰিষ্ঠসংখ্যক ভোট পাকিস্তানত পৰাৰ বাবে অসমৰ মানুহে স্বস্তিৰ নিশ্বাসহে পেলালে।

অসমীয়াৰ প্ৰতি চিলেটৰ বঙালী হিন্দুৰ এই আক্ৰোশ চিৰদিনৰ বাবে থাকি গ'ল আৰু অসমৰ সমাজ তথা ৰাজনৈতিক জীৱনৰ বিভিন্ন পৰিঘটনাত তাৰ স্ফুলিংগৰ স্পষ্ট ৰূপত বহিঃপ্ৰকাশ ঘটিল। যি নহওক, মাউণ্টবেটেনৰ পৰিকল্পনা অনুযায়ী সীমা আয়োগে ভাৰতবৰ্ষৰ স্বাধীনতাৰ তিনি দিনৰ পিচত ইয়াৰ সিদ্ধান্ত ঘোষণা কৰিলে। ছাইৰিল ৰেডক্লিফৰ অধ্যক্ষতাত গঠিত এই সীমা আয়োগে দিয়া ঘোষণা অনুযায়ী পাথাৰকান্দি, ৰাতাবাৰী আৰু বদৰপুৰ আৰু কৰিমগঞ্জ থানাৰ আধা অংশহে মাথোঁ অসমৰ লগত থাকিল। চিলেট জিলাৰ বাকী অংশ পাকিস্তানৰ অন্তৰ্ভুক্ত হৈ পৰিল। উল্লেখ্য যে মুছলিম লীগে সীমা আয়োগৰ আগত দাখিল কৰা স্মাৰকপত্ৰযোগে খাছী আৰু জয়ন্তীয়া পাহাৰ, কাছাৰ আৰু গোৱালপাৰা জিলাৰো বৃহৎ অংশ পাকিস্তানৰ অন্তৰ্ভুক্ত হ'ব লাগে বুলি দাবী তুলিছিল। অৱশ্যে গোপীনাথ বৰদলৈৰ তৎপৰতাত এই দাবী কাৰ্যকৰী কৰিব পৰা নগ'ল।

চিলেট বিচ্ছেদ সন্দৰ্ভত মহাত্মা গান্ধী

গান্ধীজীয়ে ধাৰণা কৰি লৈছিল যে ইচ্ছা কৰিলে গোপীনাথ বৰদলৈয়ে গণভোট নাকচ কৰি চিলেটক অসমৰ লগত ৰাখিব পাৰিলেহয়। ১৯৪৭ চনৰ জুলাই মাহত বৰদলৈয়ে যেতিয়া গান্ধীজীক তেওঁৰ আশ্ৰমত লগ ধৰে, তেতিয়া গান্ধীজীয়ে বৰদলৈয়ে কিহৰ বাবে গণভোটত সন্মতি দিলে সেই সম্পৰ্কে প্ৰশ্ন তোলে। বৰদলৈয়ে তেতিয়া তেওঁৰ মন্ত্ৰীসভাৰ বসন্ত কুমাৰ দাসে গণভোটৰ পক্ষে মত দিয়াৰ কথা তথা তাৰ পিচত কেন্দ্ৰীয় কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীয়েও উক্ত সিদ্ধান্তক সন্মতি দিয়াৰ কথা গান্ধীজীক অৱগত কৰিলে। কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ বিৰুদ্ধাচৰণ কৰি এটা সিদ্ধান্ত লোৱা

কৰ্তৃপক্ষই খামখেয়ালি কৰি মুষ্টিমেয় মানুহককে নিমন্ত্ৰণ কৰি অসম তথা গুৱাহাটীবাসীক অসন্মান কৰিছে বুলি সভাই এই কাৰ্যৰ তীব্ৰ নিন্দা কৰে।

গোলকেশ্বৰ গোস্বামীৰ সভাপতিত্বত বহা সভাত জগদীশ মেধিয়ে 'বন্দে মাতৰম' আৰু 'জন গণ মন' গীত দুটিৰ ভিতৰত প্ৰথমটি গানেহে অসমৰ ঐতিহ্যৰ লগত খাপ খায় বুলি মত দাঙি ধৰে। সভাত কালীৰাম মেধি, ৰঘুনাথ চৌধাৰী, সত্যপ্ৰসাদ বৰুৱা, লক্ষ্যধৰ চৌধুৰী, মৌলবী মহিবুদ্দিন আহমদ প্ৰমুখ্যে কেইবাজনো লোকে নিজ অভিমত দাঙি ধৰে। অসম প্ৰাদেশিক মহিলা সমিতিৰ যুটীয়া সম্পাদিকা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে জন গণ মনৰ বিৰোধিতা কৰি পঠোৱা ৰিপৰ্ট এটি সভাত পাঠ কৰা হয়। প্ৰসিদ্ধ শিল্পী-সাহিত্যিক জ্যোতিপ্ৰসাদ আগৰৱালাই এই প্ৰসংগত কয় যে অসমৰ সাংস্কৃতিক জীৱনৰ উৎকৰ্ষ সাধনৰ বাহনস্বৰূপ এই ৰেডিঅ' অনুষ্ঠানটো অসমৰ সাহিত্য-সংস্কৃতি ক্ষেত্ৰৰ সবাতোকৈ অগ্ৰণী ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই উদ্বোধন কৰিবলৈ পাব লাগিছিল। অসমৰ শিল্পী বা গায়কসকলৰ মতামতলৈ বাট নাচাই নিজৰ খেয়ালমতে 'জন গণ মন' গীতটি জাতীয় সংগীত হিচাপে ব্যৱহাৰ কৰাটো আৰু অসমৰ অনিচ্ছুক গায়ক-গায়িকা আৰু শিল্পীসকলৰ ওপৰত সেই সিদ্ধান্ত জাপি দিয়াটো অসহনীয় কথা বুলি আগৰৱালাই দোহাৰে।

শ্বিলঙৰ লাবান অসম ক্লাবত কবি নলিনীবালা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত এক সভায়ো অনুৰূপ প্ৰস্তাৱ গ্ৰহণ কৰে। শ্বিলং-গুৱাহাটী কেন্দ্ৰৰ প্ৰথম দিনৰ অনুষ্ঠানত অসহযোগ কৰিবলৈ সিদ্ধান্ত কৰি গ্ৰহণ কৰা এই প্ৰস্তাৱ চৰ্দাৰ বল্লভভাই পেটেল, অল ইণ্ডিয়া ৰেডিঅ'ৰ ডাইৰেক্টৰ জেনেৰেল আৰু শ্বিলং-গুৱাহাটীৰ ষ্টেচন ডাইৰেক্টৰলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়।

১ জুলাই ঃ অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী-শ্বিলং কেন্দ্ৰ আজি সন্ধিয়া অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে উদ্বোধন কৰে। শ্বিলঙত

যে সেই সময়ৰ পৰিস্থিতিত এক অসম্ভৱ কথা সেয়া জনোৱাত গান্ধীজীয়ে বৰদলৈক কৈছিল— 'মই তোমাক নকৈছিলোনে যে যিকোনো প্ৰকাৰৰ অসৎ আৰু অন্যায় কাৰ্যৰ বিৰুদ্ধে যুঁজ কৰিবলৈ প্ৰস্তুত হ'ব লাগিব। তুমি তাক নকৰিলা কিয় ?'

এচাম অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতাই কিন্তু চিলেট অসমৰ পৰা বিচ্ছেদ হোৱাটো বিচাৰিছিল কাৰণ তেওঁলোকে বৰ্ণহিন্দু নেতাৰ প্ৰভাৱ বঢ়াটো বিচাৰিছিল। দৰাচলতে সেয়াই হৈছিল। চিলেটৰ বিচ্ছেদৰ পিচত কংগ্ৰেছৰ নেতৃত্ব সম্পূৰ্ণভাৱে বৰ্ণহিন্দু নেতাৰ হাতলৈ গৈছিল। চিলেট বিচ্ছেদৰ যোগেৰে কংগ্ৰেছৰ এইচাম নেতাই ছাৰ ছৈয়দ মহম্মদ ছাদুল্লাৰো ৰাজনৈতিক অৱসান হোৱাটো বিচাৰিছিল। ছাদুল্লা কিন্তু পাকিস্তানলৈ নগ'ল। বৰঞ্চ স্বাধীনতাৰ পাচত বিৰোধী দলৰ নেতাহে হ'ল। পাকিস্তানৰ অপ্ৰতিদ্বন্দ্বী নেতা হ'ব পাৰিলেও তেওঁ কিন্তু পাকিস্তানলৈ নগ'ল, বৰঞ্চ ভাৰততে থাকি গ'ল। ১৯৫১-৫২ চনমানলৈকে ৰাজনৈতিকভাৱে সক্ৰিয় হৈ আছিল যদিও ১৯৫২ চনৰ পৰা তেওঁৰ সক্ৰিয়তা কমি আহিল। অৱসৰৰ সময়ছোৱা শ্বিলঙত কটোৱাৰ পিচত ১৯৫৫ চনৰ ৪ জানুৱাৰীত গুৱাহাটীত এই মহান নেতাজনৰ মৃত্যু হয়।

অনুষ্ঠিত এই সভাত সভাপতিত্ব কৰে ছাৰ আকবৰ হাইদৰীয়ে। গুৱাহাটীত ৰেডিঅ' কাৰ্যসূচী আৰম্ভ কৰাৰ আগতে স্থানীয় ৰাইজ আৰু শিল্পীসকলৰ স্বেচ্ছাসেৱকে ষ্টেচনৰ গেটৰ মুখত পিকেটিং কৰি অনুষ্ঠানৰ পৰা উদ্যোক্তাসকলক বিৰত হৈ থাকিবলৈ অনুৰোধ জনায়। চৌহদ বেৰি ধৰি প্ৰায় পাঁচ হেজাৰ লোকে বাৰে বাৰে 'ছেইম', 'বন্দে মাতৰম' 'ডাউন উইথ ৰোহিণী চৌধুৰী', 'ডাউন উইথ মৌলানা আব্দুল তৈয়বুল্লা' প্ৰভৃতি ধ্বনি দিয়ে। শ্বিলঙতো ৰেডিঅ' উদ্বোধনী উৎসৱত শিল্পীসকলে সম্পূৰ্ণৰূপে অসহযোগিতা কৰে। 'জন গণ মন'ৰে উদ্বোধনী কৰাৰ লগে লগে বাহিৰৰ শিল্পী আৰু জনতাই 'জন গণ মন বাদ দিয়ক' বুলি ধ্বনি দি ৰেডিঅ' ষ্টেচনৰ ভিতৰ সোমাই পৰে আৰু 'জন গণ মন' বাদ দিবলৈ দাবী জনায়।

২ জুলাই ঃ গুৱাহাটী অনাৰ্তাৰ কেন্দ্ৰৰ 'গাঁৱলীয়া ৰাইজলৈ' উপলক্ষে বক্তৃতা দিবলৈ আহি অসমৰ প্ৰচাৰ বিভাগৰ মন্ত্ৰী মৌলানা তৈয়বুল্লা চাহাবে শান্তিপূৰ্ণভাৱে পিকেটিং কৰা পুৰুষ আৰু মহিলাসকলক বলেৰে ঠেলি ৰেডিঅ' চৌহদৰ ভিতৰত সোমোৱা কাৰ্যক শিল্পী সংঘৰ অধিৱেশনে গৰিহণা দিয়ে আৰু কুৰি দিনৰ ভিতৰত তেওঁক মুকলিভাৱে ক্ষমা প্ৰাৰ্থনা মাগিবলৈ অসম চৰকাৰ আৰু অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ওচৰত দাবী তোলে। যদি ২২ জুলাইৰ ভিতৰত তৈয়বুল্লা চাহাবে ক্ষমা নোখোজে তেন্তে অহা ১ আগষ্টৰ ভিতৰত অনাৰ্তাৰ কেন্দ্ৰৰ সৈতে অসহযোগ কৰিবলৈ সভাই স্থিৰ কৰে আৰু আন সকলো চৰকাৰী অনুষ্ঠানৰ সৈতে অসহযোগ কৰিবলৈ কৰ্মচাৰীসকলক অনুৰোধ কৰে। এই প্ৰস্তাৱটি গুৱাহাটীত বহা গুৱাহাটী শিল্পী সমাজৰ জৰুৰী অধিৱেশনত গ্ৰহণ কৰা হয়।

৯ জুলাই ঃ বংগীয় সাহিত্য পৰিষদৰ শ্বিলং শাখাৰ সম্বৰ্ধনা সভাত ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে বঙালীসকলক বহিঃপ্ৰাদেশিক আনুগত্যৰ প্ৰতি নতি স্বীকাৰ নকৰিবলৈ আহ্বান জনায়।

স্বাধীনতা

অৱশেষত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ অৱসান ঘটিল আৰু ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষক এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হ'ল। ১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা নতুন দিল্লীৰ সংবিধান সভাত জৱাহৰলাল নেহৰুৰ কণ্ঠেৰে নিগৰিল সেই বিখ্যাত ভাষণ— '...Long years ago we made a tryst with destiny and now the times comes when we shall redeem our pledge... At the stroke of the midnight hour, while the world sleeps, India will awake to life and freedom. A moment comes, which comes but rarely in history, when we step

তেওঁ কয় — 'মই এই কথা অতি স্পষ্টভাৱেই ক'ব পাৰো যে কোনো চৰকাৰেই অসমক আন এখন বংগদেশত পৰিণত কৰিবলৈ এৰি দিব নোৱাৰে। ইউনিয়ন চৰকাৰেও এনে প্ৰচেষ্টাক দেহে-কেহে বাধা দিব। অসম ঐতিহাসিক ক্ৰমোন্নতিৰ পথত আগবঢ়াৰ লগে লগেই ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ বুৰঞ্জীলৈ অসমৰ অৱদান কি তাক সোণালী আখৰেৰে লিখা আছে। অসমৰ উচ্চ আদৰ্শ, সাহিত্য, গীত-মাত আৰু মানৱীয় সহনশীলতাই পৰ্বত-ভৈয়ামক যেনেকৈ আপোন কৰি তুলিছে তেনেকৈয়ে ভৱিষ্যতে এই দেশৰ ভাগ্য নিৰ্ধাৰণো কৰিব। নতুনকৈ অৰ্জন কৰা স্বাধীনতা ৰক্ষা কৰাত আৰু যিকোনো বিপদৰ পৰা অসমক ৰক্ষা কৰিবলৈ ডাঃ মুখাৰ্জীয়ে বঙালীসকললৈ গোহাৰি জনায়।

১৪ জুলাই ঃ অসম চৰকাৰে অসমত ৰেড গাৰ্ড এছ'চিয়েচনৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে।

২৩ জুলাই ঃ উত্তৰ-পূব সীমান্ত ট্ৰেক্টত নিয়াৰিকৈ শাসনকাৰ্য চলাবৰ বাবে অসমৰ গৱৰ্ণৰে শদিয়া ফ্ৰণ্টিয়াৰ ট্ৰেক্টটো দুটা শাসনতান্ত্ৰিক গোটত ভাগ কৰাৰ সিদ্ধান্ত লয়। নতুন গোট দুটাৰ নাম হ'ব আবৰ পাহাৰ জিলা আৰু মিছিমি পাহাৰ জিলা।

১৩ আগষ্ট ঃ ভোটাৰ তালিকাত ভগনীয়াৰ নাম ভৰোৱা বিষয়ে অসম চৰকাৰৰ ইস্তাহাৰ ঃ

অসমৰ ভোটাৰ তালিকাত ভগনীয়াসকলৰ নাম ভৰ্তি কৰা সম্পৰ্কে কেনে পদ্ধতি অৱলম্বন কৰা হ'ব সেই বিষয়ে অসম চৰকাৰে এখন ইস্তাহাৰযোগে ব্যৱস্থা কৰিছে। ইস্তাহাৰখনত কৈছে—'ভগনীয়াসকলে প্ৰকৃততে কিমান দিন বসবাস কৰিছে সেই কথালৈ লক্ষ্য নাৰাখি সংশ্লিষ্ট নগৰ বা গাঁৱত ভগনীয়াসকলে স্থায়ীভাৱে বসবাস কৰিবলৈ সিদ্ধান্ত কৰিব বুলি ঘোষণা কৰিলেই তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পাণ্ডুলিপিত ৰেজিষ্টাৰভুক্ত কৰিবলৈ বৰ্তমানৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ভোটাৰ তালিকা বিষয়ক আইন গৃহীত হোৱাৰ পিছত সেই মতেই যথাসময়ত এনে তালিকাৰ আৱশ্যক হ'লে সংশোধন

out from the old to the new, when an age ends and when the soul of a nation, long suppresed, finds utterance.' (বহু বছৰ আগতে আমি নিয়তিৰ সৈতে এক বুজা-পৰা কৰিছিলো আৰু এতিয়া সেই সময় সমাগত, য'ত আমি আমাৰ প্ৰতিশ্ৰুতিৰ পৰা মুক্ত হ'ম... মাজনিশাৰ এই ঘণ্টাধ্বনিত যেতিয়া সমগ্ৰ পৃথিৱী শুই পৰিছে, ভাৰতবৰ্ষ জীৱন আৰু স্বাধীনতাৰ বাবে সাৰে ৰৈছে। এটি ক্ষণ আহিছে, যি ইতিহাসত তেনেই বিৰলভাৱেহে আহে, যেতিয়া আমি পুৰণিৰ পৰা নতুনলৈ বুলি আগবাঢ়িছোঁ, যেতিয়া এটি পুৰণি যুগৰ অৱসান ঘটিছে আৰু যেতিয়া দীৰ্ঘকালৰ বাবে অৱদমিত হৈ থকা এটা জাতিৰ আত্মাই নিজক ব্যক্ত কৰাৰ সুযোগ পাইছে।)

১৪ আগষ্টৰ মাজনিশাৰ ঘোষণাই সমগ্ৰ দেশতে আনন্দৰ লহৰ অনাৰ নিচিনাকৈ অসমতো স্বাধীনতাৰ আনন্দোল্লাস বিয়পিল। শংখ, ঘণ্টা, তাল আৰু বন্দুকৰ গুলীৰে স্বাধীনতা ঘোষণাৰ মাংগলিক ধ্বনি অসমৰ আকাশে-বতাহে বিয়পি পৰিল। গাঁও-নগৰ আদি সকলোতে ১৪ আগষ্টৰ মাজনিশাৰ পৰা পৰৱৰ্তী দিনলৈ স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলিল। শতিকাজুৰি চলা ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ ওৰ পেলাই দেশবাসীক স্বাধীনতাই প্ৰদান কৰা বিৰল আনন্দ উপভোগ কৰিবলৈ ১৫ আগষ্টৰ দিনাখন সকলো ঠাইতে জনগণ ৰাজপথলৈ ওলাই আহিল। সুদীৰ্ঘকাল পৰাধীন হৈ থকা এটা জাতিয়ে উৎসৱমুখৰ পৰিৱেশত, মাংগলিক ধ্বনি, সাংস্কৃতিক অনুষ্ঠান পৰিবেশন আদিৰ মাজেৰে স্বাধীন ভাৰতৰ প্ৰথম দিনটোক আঁকোৱালি ল'লে। অসমৰ এগৰাকী বিশিষ্ট কংগ্ৰেছ নেতা দেৱেশ্বৰ শৰ্মাই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনটোক তেওঁৰ আত্মজীৱনী *হেৰাই যোৱা দিনবোৰত* এনেদৰে লিপিবদ্ধ কৰিছে— '১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনটোৱেই মোৰ জীৱনৰ শ্ৰেষ্ঠতম দিন বুলি মই সদায় অনুভৱ কৰি আহিছোঁ। যোৰহাটৰ কাছাৰী পথাৰত স্বাধীন ভাৰতৰ প্ৰথম দিনৰ পুলিচ বাহিনীৰ পেৰেড মই পৰিদৰ্শন কৰিবলৈ পাইছিলো আৰু মোৰ পাচে পাচে ইংৰাজ ডেপুটী

হ'ব পাৰিব।'

ভাৰত চৰকাৰে ভগনীয়া শব্দটোৰ ব্যাখ্যা 'গণ্ডগোল হোৱা বাবে নাইবা গণ্ডগোলৰ ভয়ত যি মানুহে এখন প্ৰদেশ নাইবা দেশীয় ৰাজ্যলৈ উঠি আহে' বুলি কৰাৰ পৰিপ্ৰেক্ষিতত যি সকল লোক উক্ত সূত্ৰৰ গণ্ডীত পৰে সেইসকলৰ নাম ভোটাৰ তালিকাৰ পাণ্ডুলিপিত অন্তৰ্ভুক্ত কৰিবলৈ সেই মানুহে সংশ্লিষ্ট গাঁও বা নগৰত স্থায়ীভাৱে বসবাস কৰিবলৈ ইচ্ছুক বুলি ঘোষণা কৰিব লাগিব বুলি ইস্তাহাৰখনত কোৱা হয়। যি অঞ্চলত বাস কৰে সেই অঞ্চলৰ চাৰ্কোল ছাব ডেপুটী কালেক্টৰৰ ওচৰত নিজৰ বিষয়ে ঘোষণা পত্ৰ দাখিল কৰিব লাগিব। কিন্তু আনৰ হৈ ঘোষণা কৰিব নোৱাৰিব।

১৯৪৮ চনৰ ৩০ ছেপ্টেম্বৰৰ দিনালৈকে ভগনীয়াসকলে ঘোষণাপত্ৰ দাখিল কৰিব পাৰিব আৰু ইয়াৰ প্ৰপত্ৰ জিলা আৰু মহকুমাধিপতিৰ আৰু ছাব ডেপুটী কালেক্টৰৰ পৰা বিনামূলো নিব পাৰিব।

৩১ আগষ্ট ঃ কেন্দ্ৰীয় শিক্ষা উপদেষ্টা ব'ৰ্ডৰ পৰামৰ্শমতে এই বছৰৰ আগভাগতে শিক্ষাৰ মাধ্যম সম্পৰ্কে বিবেচনা কৰিবলৈ নিয়োগ কৰি দিয়া কমিটীখনৰ অনুমোদনবোৰক ভাৰত চৰকাৰে গ্ৰহণ কৰিছে। শিক্ষা মন্ত্ৰীদপ্তৰে বিশ্ববিদ্যালয় আৰু প্ৰাদেশিক চৰকাৰবোৰক বিশ্ববিদ্যালয়ৰ মহলাত শিক্ষাৰ মাধ্যম ৰূপে থকা ইংৰাজী ভাষাক ক্ৰমান্বয়ে আঁতৰাই নিবলৈ অনুৰোধ জনাইছে। তাৰ ঠাইত দেশীয় ৰাজ্য বা প্ৰদেশৰ ভাষাকে শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰিবলৈ কোৱা হৈছে। উল্লেখ্য যে শিক্ষাৰ মাধ্যম সম্পৰ্কত অসমত আজি ভালেমান দিনধৰি বাদ-বিবাদ হোৱাৰ পৰিপ্ৰেক্ষিতত এনে সিদ্ধান্তই এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

১৩ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদৰ শৰৎকালীন অধিৱেশন আৰম্ভ। পাকিস্তানৰ গৱৰ্নৰ জেনেৰেল কায়দে আজম জিন্নাৰ বিয়োগত শোক প্ৰদৰ্শনাৰ্থে কাৰ্যসূচীৰ কোনো কাম পৰিচালনা নকৰাকৈ

কমিছনাৰ গৈছিল। কাছাৰী পথাৰত পুলিচৰ কুচ-কাৱাজ আৰু অগণন ৰাইজৰ উপস্থিতিত ভাৰতৰ স্বাধীনতাৰ প্ৰথম পুৱাতে স্বাধীনতাৰ ত্ৰিৰংগ পতাকা পোনপ্ৰথমে মই উত্তোলন কৰি প্ৰণাম কৰিছিলো আৰু পুলিচ ফৌজৰ অভিবাদন গ্ৰহণ কৰিছিলো। ইয়াতকৈ ভাৰতৰ মুক্তিযোদ্ধা এজনৰ নিমিত্তে কি বেছি গৌৰৱৰ বিষয় হ'ব পাৰে।'

স্বাধীনতাই দিয়া এই অভূতপূৰ্ব আনন্দ আৰু জয়োল্লাস অসমৰ মানুহৰ মনত বাৰুকৈয়ে শিপালে যদিও অসমৰ সমাজ আৰু ৰাজনীতি বিভিন্ন ঘটনা-পৰিঘটনাৰে উত্তাল হৈয়ে থাকিল। মূলতঃ চিলেটত হোৱা গণভোটক কেন্দ্ৰ কৰিয়েই স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত অসমৰ সমাজ জীৱন বিভিন্ন ঘটনাৰে অশান্ত হৈ পৰিছিল। গণভোটৰ আগে আগেই গোপীনাথ বৰদলৈয়ে অসম আৰু পূব বংগৰ মাজত সীমাৰেখা ঠিক কৰিবৰ কাৰণে এখন সুকীয়া সীমা নিৰ্ধাৰণ কমিছন গঠন হোৱাৰ দাবী তুলিছিল।

পশ্চিম বংগ আৰু পূব বংগৰ মাজত সীমা নিৰ্ণয় কৰিবলৈ গঠিত কমিছনখনেই যাতে অসম আৰু পূব বংগৰ মাজত সীমা নিৰ্ণয় নকৰে, তাৰ বাবে বৰদলৈয়ে নেহৰুৰ ওচৰত অসমৰ কাৰণে পৃথক কমিছন দাবী কৰিলে।

পূব পাকিস্তান-পশ্চিম বংগ আৰু পূব পাকিস্তান-অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰেখা খৰধৰকৈ সমাপ্ত কৰিবলৈ ব্ৰিটিছ আইনজ্ঞ ছাৰ ছাইৰিল ৰেডক্লিফৰ অধীনত যিখন কমিছন বৰলাট মাউণ্টবেটেনে গঠন কৰি দিছিল, তাৰ প্ৰতি গোপীনাথ বৰদলৈৰ মুঠেও বিশ্বাস নাছিল।

অসমৰ জটিল ভূগোল, সমাজ আৰু সংস্কৃতিৰ ভু নোপোৱা এজন ব্ৰিটিছ আইনজ্ঞৰ হতুৱাই অসম আৰু পূব বংগৰ সীমা নিৰ্ণয় কৰিলে বহুতো আসোঁৱাহ আৰু সমস্যাই দেখা দিব বুলি বৰদলৈয়ে আগৰে পৰা অনুমান কৰিছিল। যিহেতু মাউণ্টবেটেনে সীমা নিৰ্ধাৰণ খৰখেদাকৈ কৰিব বিচাৰিছিল আৰু জৱাহৰলাল নেহৰু অসমৰ সীমা সমস্যা সন্দৰ্ভত একেবাৰে নিস্পৃহ আছিল, সেইবাবে সুকীয়া সীমা কমিছনৰ দাবীটো অস্বীকাৰ কৰা

পৰিষদ স্থগিত ৰখা হয়।

২০ ছেপ্টেম্বৰ ঃ অসম চৰকাৰে অসম জমিদাৰী ৰাষ্ট্ৰীয় দখল বিলৰ সংশ্ৰৱত সৃষ্টি হোৱা অপপ্ৰচাৰত ভোল নাযাবলৈ ৰায়তসকলক এক প্ৰেছনোটযোগে সতৰ্ক কৰি দিয়ে। প্ৰেছনোটত কোৱা হয় যে অসম জমিদাৰী ৰাষ্ট্ৰীয় দখল বিলৰ ব্যৱস্থাৱলী প্ৰকাশিত হোৱাৰ লগে লগে কিছুমান মিথ্যা প্ৰচাৰ হ'ব লাগিছে। ৰায়তসকলে পৰিমিতভাৱে ভোগ কৰি অহা কোনো স্বত্ব এই বিলখনে হৰণ কৰিব খোজা নাই। বৰঞ্চ জমিদাৰী প্ৰণালীৰ অধীনত ৰায়তে যিখিনি স্বত্ব ভোগ কৰিবলৈ পাইছে তাতকৈও বেছি স্বত্ব দিবলৈহে এই বিলখনত প্ৰস্তাৱ লোৱা হৈছে। যদি অসম ভূমি আৰু ৰাজহ বিধান অনুযায়ী মাটি ম্যাদী পট্টনৰ যোগ্য বুলি বিবেচিত হয় তেন্তে ৰায়তে তেওঁৰ মাটিৰ বাবদ একোখন ম্যাদী পট্টা পাব। ম্যাদী পট্টাই ৰায়তক চিৰস্থায়ীভাৱে হস্তান্তৰ আৰু উত্তৰাধিকাৰ কৰিব পৰাৰ ক্ষমতা প্ৰদান কৰিব। মাত্ৰ খেতিয়ক এজনৰ হাতৰ পৰা অখেতিয়ক এজনৰ হাতলৈ মাটি হস্তান্তৰ কৰিব লগা হ'লেহে আগতীয়াকৈ ডেপুটী কমিছনাৰৰ অনুমতি লোৱাটো আৱশ্যক হ'ব।

২১ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত তেৰখন চৰকাৰী বিল গৃহীত হয়। গৃহীত হোৱা বিলকেইখনৰ ভিতৰত আছে— অসম জন শৃংখলা ৰক্ষা সংশোধিত বিল (১৯৪৮), অসম গৰু-ম'হ বেমাৰ সম্পৰ্কীয় বিল (১৯৪৮); অসম প্ৰাইমাৰী শিক্ষা সংশোধিত বিল (১৯৪৮); অসম উত্তমৰ্ণ সংশোধিত বিল (১৯৪৮); অসম কৰ্ট অব্ ৱাৰ্ডছ (দ্বিতীয় সংশোধনী) বিল; অসম ছ'চাইটি ৰেজিষ্ট্ৰেচন (প্ৰথম আৰু দ্বিতীয় সংশোধনী) বিল; ভাৰতীয় মেডিকেল ডিগ্ৰী (অসম, সংশোধিত) বিল; অসম নতুন মটৰগাড়ী বিক্ৰী (ব্যৱসায়মূলক) নিয়ন্ত্ৰণ বিল (সংশোধিত); অসম যান-বাহন দখল আৰু নিয়ন্ত্ৰণ বিল; অসম লেণ্ড ৰিকুইজিচন এণ্ড একুইজিচন বিল আৰু অসম এছেছমেণ্ট অব্ ৰেভিনিউ ফ্ৰি

হ'ল আৰু অসমৰ ভূগোল-ইতিহাসৰ বিষয়ে জ্ঞান নথকা এজন বিদেশীৰ দ্বাৰা অসমৰ সীমা নিৰ্ধাৰণ কৰা হ'ল।

১৯৪৭ চনৰ মে' মাহত লিয়াকত আলী খানে সীমাৰেখা নিৰ্ণয় কৰোঁতে চিলেটৰ উপৰি মুছলমান বসতিৰ দুখন জিলা গোৱালপাৰা আৰু কাছাৰক পূব পাকিস্তানত সোমাব লাগে বুলি দাবী উত্থাপন কৰিছিল। এই দাবীয়ে বৰদলৈৰ মনত উদ্বিগ্নতা বৃদ্ধি কৰিছিল বাবে সীমা কমিছন সন্দৰ্ভত তেওঁ অধিক সতর্ক হোৱা দেখা গৈছিল। যি নহওক, এই তৎপৰতাৰ ফলত স্বাধীনতাৰ তিনি দিনৰ পিচত ৰেডক্লিফ কমিছনে দিয়া ৰায়ত অসমে চিলেট আৰু কৰিমগঞ্জৰ কিছু পাবলৈ সক্ষম হৈছিল।

চিলেটৰ চাকৰিয়ালক লৈ হোৱা সমস্যা

চিলেট জিলাৰ তিনিখন থানা পাথাৰকান্দি, ৰাতাবাৰী আৰু বদৰপুৰৰ লগতে কৰিমগঞ্জ থানাৰ অৰ্ধাংশ অসমত থাকিল। অথচ ভাৰতৰ স্বাধীনতাৰ পিচতে চিলেটৰ বাকী পাকিস্তানত ৰৈ যোৱা হিন্দুসকলৰ ওপৰত মুছলিম লীগৰ সদস্যসকলৰ চলিল অবৰ্ণনীয় অত্যাচাৰ। গণভোটৰ জৰিয়তে আকস্মিকভাৱে নিজৰ দেশ হিচাপে ভাৰতবৰ্ষ হেৰুৱাব লগাৰ শোক হিন্দু বঙালীসকলে সহিব পৰা নাছিল তথা অসমীয়া লোকৰ বাবেই এনে দুৰ্ভাগ্য হ'ল বুলি অপবাদৰ গ্লানি নিক্ষেপ কৰিছিল। চিলেটত চাকৰি কৰি থকা চাকৰিয়াল সন্দৰ্ভত ভাৰত চৰকাৰে গণভোটৰ আগতেই এটা সিদ্ধান্ত লৈছিল। এই সিদ্ধান্ত অনুসৰি চাকৰিয়ালসকলে ভাৰতত থাকিবহি নে পাকিস্তানতে থাকি যাব সেই বিষয়তে নিজাববীয়া বিচাৰ কৰিব পাৰিব। অসম চৰকাৰে যেতিয়া এই কথাটো চিলেটৰ চৰকাৰী চাকৰিয়ালক সুধিলে তেতিয়া তাৰ সকলো হিন্দু চাকৰিয়ালেই ভাৰতত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। ফলত ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনা পাকিস্তান জন্ম হোৱাত পূব বংগ চৰকাৰে পিচদিনাখনেই ভাৰত ডমিনিয়নত থাকিবলৈ বিচৰা সৰু-

ৰাষ্ট লেণ্ড গ্ৰাণ্টছ বিল।

২৩ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত ৰাজহ মন্ত্ৰীৰ অনুপস্থিতিত পাৰ্লিয়ামেণ্টেৰী ছেক্ৰেটাৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে অসম জমিদাৰী ৰাষ্ট্ৰীয় বিলখন (১৯৪৮) উত্থাপন কৰে আৰু ১২জন সভ্যৰে গঠিত বাছনি কমিটীলৈ বিলখন পঠাব লাগে বুলি প্ৰস্তাৱ দাঙি ধৰা হয়। ১৯৪৯ চনৰ ১৫জানুৱাৰীৰ ভিতৰত কমিটীয়ে প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব বুলিও সময়সীমা নিৰ্ধাৰণ কৰা হয়। গোৱালপাৰা, গাৰো পৰ্বত আৰু কাছাৰ জিলাৰ চিৰস্থায়ীভাৱে বন্দৱস্ত হোৱা এলেকাত আৰু অন্যান্য কেতবোৰ ইষ্টেটত জমিদাৰ, পট্টাদাৰ আৰু অন্যান্য স্বাৰ্থপুঞ্জৰ স্বত্ব ৰাষ্ট্ৰই আহৰণ কৰাৰ ব্যৱস্থা এই বিলত ৰখা হৈছে। এই স্বত্ববোৰৰ ভিতৰত বন, বিল, হাট-বজাৰ, ফেৰী, খনি আৰু খনিজ সম্পদতো ৰাষ্ট্ৰৰ কৰ্তৃত্ব সাব্যস্ত কৰা হৈছে।

২৫ ছেপ্টেম্বৰ ঃ অসম ব্যৱস্থা পৰিষদত অসম কানি নিবাৰণ সংশোধনী বিলখন (১৯৪৮) গৃহীত হয়। এই বিল অবৈতনিক কানি নিবাৰণী কমিছনাৰ দণ্ডেশ্বৰ হাজৰিকাই দাঙি ধৰিছিল। আফু খেতি আৰু কানি বেপাৰ নিষিদ্ধ কৰি অসম চৰকাৰৰ কানি নিবাৰণী অভিযান সাফল্যমণ্ডিত কৰিবলৈ ভাৰত চৰকাৰক অসম চৰকাৰে অনুৰোধ কৰিব লাগে বুলি বিজয় চন্দ্ৰ ভাগৱতীয়ে দাঙি ধৰা প্ৰস্তাৱ এটিও সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

১০ অক্টোবৰ ঃ কাছাৰক অসম কংগ্ৰেছৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস কংগ্ৰেছৰ নীতিৰ পৰিপন্থী ঃ

কাছাৰ চিলেটৰ এটা অংশ (যিটো অংশ ভাৰতীয় ইউনিয়নৰ ভিতৰত পৰিছে) অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ অন্তৰ্ভুক্ত কৰিবৰ বাবে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী আৰু অসম চৰকাৰে চেষ্টা চলোৱা বুলি প্ৰকাশ পোৱাত পশ্চিম বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ কাৰ্যনিৰ্বাহক পৰিষদে গভীৰ খেদ প্ৰকাশ কৰি এক প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱটোত কোৱা হয় যে নাগপুৰ কংগ্ৰেছত ভাষাৰ ভিত্তিত প্ৰদেশ গঠন কৰা নীতি সাৰোগত কৰি

ৰৰ সকলো চৰকাৰী কৰ্মচাৰীক কামৰ পৰা বৰ্খাস্ত কৰিলে। অসম চৰকাৰে চিলেটৰ হিন্দু চাকৰিয়ালসকলে তাতে থাকিব বুলি আশা পুহি ৰাখিছিল আৰু এতিয়াৰ এই সিদ্ধান্তই সমগ্ৰ আশাত চেঁচাপানী ঢালিলে। বৰঞ্চ সৃষ্টি হ'ল আন এক সমস্যাৰ। পূব বংগৰ চৰকাৰে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ পিচতে চিলেটৰ প্ৰায় এহেজাৰমান চৰকাৰী কৰ্মচাৰী অসমত নতুন চাকৰি বিচাৰি উপস্থিত হ'লহি। ইয়াৰ চাৰিশমান আছিল কেৰাণী, পঞ্চাশ-যাঠিজন ওপৰ শ্ৰেণীৰ চাকৰিয়াল আৰু বাকীবোৰ নিম্ন শ্ৰেণীৰ কৰ্মচাৰী। অসমৰ নিচিনা সৰু প্ৰদেশ এখনে ইমানবোৰ চাকৰিয়ালক একেলগে সংস্থাপন দিবলৈ অপাৰগ আছিল বাবে সৃষ্টি হ'ল আন এক সমস্যাৰ।

এই সমস্যাটোৰ সমাধানৰ অৰ্থে 'ছেপাৰেচন কাউঞ্চিল'ৰ প্ৰথম সভাখন ১৪ আগষ্টৰ পুৱাৰ ভাগত অনুষ্ঠিত হয়। কাউঞ্চিলৰ সদস্যসকল আছিল— গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অনাথবন্ধু দত্ত, এছ পি দেশাই আৰু কাগতী। ইয়াৰে শেষৰ তিনিজন চৰকাৰী বিষয়া আছিল। কাউঞ্চিলত সিদ্ধান্ত লোৱা হ'ল যে যিবিলাক চৰকাৰী চাকৰিয়ালে চিলেটত চাকৰি কৰিছিল তেওঁলোক তাতেই থাকিব লাগে আৰু তেওঁলোকৰ 'option' যিয়েই নহওক লাগিলে তেওঁলোকক অসমৰ পৰা পাকিস্তানলৈ যাব খোজা চাকৰিয়ালৰ পদত লোৱা নহ'ব। অসম চৰকাৰে পূব পাকিস্তান চৰকাৰকো ১৪ আগষ্টলৈকে চিলেটত চাকৰি কৰি থকা লোকসকলক তেওঁলোকৰ পূৰ্বৰ স্থানত ৰাখিবলৈ অনুৰোধ জনালে। আনহাতে অসমৰ যিসকল চাকৰিয়ালে পূব পাকিস্তানলৈ যাব বিচাৰিলে তেওঁলোককো অসম চৰকাৰে সদ্যহতে এৰি নিদিবলৈ সিদ্ধান্ত ল'লে।

কাউঞ্চিলে লোৱা এই সিদ্ধান্ত ভাৰত চৰকাৰে প্ৰণয়ন কৰা আইনৰ বিপৰীতে গৈছিল। কিয়নো ১৯৪৭ চনৰ ভাৰত (অস্থায়ী সাংবিধানিক) নিৰ্দেশ ৭ (১) অনুচ্ছেদ মতে চিলেটৰ পৰা অহা চাকৰিয়ালসকলে তেওঁলোকৰ চাকৰি নেহেৰুৱাব আৰু একেধৰণৰ চাকৰি অসমতো পাব বুলি নিশ্চিতভাৱে কোৱা হৈছিল। চিলেটৰ

লোৱাৰ পিচৰ পৰাই কাছাৰ আৰু চিলেট বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ অন্তৰ্ভুক্ত হৈ আছে। এই অঞ্চলবোৰ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ অন্তৰ্ভুক্ত কৰিলে কংগ্ৰেছৰ ঘোষিত নীতিৰ বিৰোধী কথা হ'ব। বংগ প্ৰাদেশিক কংগ্ৰেছৰ কাৰ্যনিৰ্বাহকে ইয়াৰ তীব্ৰ প্ৰতিবাদ জনায়।

আন এটা প্ৰস্তাৱত কাৰ্যনিৰ্বাহক পৰিষদে কয় যে কোচবিহাৰ বংগৰ অখণ্ড অংশস্বৰূপে আছে। স্কুলত শিক্ষাৰ মাধ্যম বাংলা আৰু চৰকাৰী ভাষাও বাংলা। সেই বাবে কোচবিহাৰক পশ্চিম বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ অখণ্ড অংশস্বৰূপে ৰাখি জিলাৰ মৰ্যাদা দিব লাগে।

২৭ অক্টোবৰ ঃ শিলচৰৰ নৰসিংহতলাত পূৰ্বাঞ্চলপন্থীসকলে পতা এখন ৰাজহুৱা সভাত পূৰ্বাঞ্চলপন্থী আৰু পূৰ্বাঞ্চল বিৰোধীসকলৰ মাজত মাৰপিট আৰু শিলগুটি দলিয়াদলিৰ ঘটনা সংঘটিত হোৱাত বহুতো মানুহ আঘাতপ্ৰাপ্ত হয়।

১ নৱেম্বৰ ঃ অসমৰ গৱৰ্নৰ ছাৰ আকবৰ হাইদৰীয়ে যোৰহাটত অসমৰ প্ৰথম কৃষি কলেজখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৪ নৱেম্বৰ ঃ অসমলৈ প্ৰায় ২ লাখ ৫০ হেজাৰ ভগনীয়া ইতিমধ্যে আহিছে বুলি এছ'চিয়েটেড প্ৰেছৰ এক বাতৰিত প্ৰকাশ পায়। ইয়াৰ উপৰি দিনে গড় হিচাপত প্ৰায় এশজনকৈ ভগনীয়া আহি আছে বুলিও বাতৰিটোত সদৰী কৰা হয়। এই ভগনীয়াসকলৰ ভিতৰত সামান্যসংখ্যকহে খেতিয়ক শ্ৰেণীৰ লোক। সৰহভাগেই হৈছে গাঁৱলীয়া শিল্পীজীৱী, দোকানী আৰু মধ্যবিত্ত অথবা উচ্চ শ্ৰেণীৰ লোক।

● সদৌ অসম শিল্পী সংঘৰ প্ৰথম অধিৱেশন শিৱসাগৰত অনুষ্ঠিত হয়। সভাৰ সভাপতিত্ব কৰে জ্যোতিপ্ৰসাদ আগৰৱালাই।

১৮ নৱেম্বৰ ঃ অসম আৰু কোচবিহাৰ কংগ্ৰেছ অনুষ্ঠান সম্পৰ্কে কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে গ্ৰহণ কৰা প্ৰস্তাৱটো প্ৰকাশ পায়। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ভিতৰত অসম (কাছাৰ আৰু কৰিমগঞ্জক লৈ), ত্ৰিপুৰা, মণিপুৰ আৰু লুছাই পাহাৰ থাকিব বুলি ৱৰ্কিং কমিটীয়ে সিদ্ধান্ত লয়। অৱশ্যে কাছাৰ

পৰা বৰ্খাস্ত হৈ অসমত প্ৰৱেশ কৰা লোকসকলে অসমত নিশ্চিতভাৱে সংস্থাপন পাব লাগিব ধৰণৰ এটা কথাৰ ফলত অসম উপত্যকাত চাকৰি সন্দৰ্ভত ভালেমান সমস্যাৰ সৃষ্টি হ'ল। নিবনুৱা অসমীয়াতকৈ কৰ্মস্থল হেৰুওৱা বঙালী হিন্দুসকলে অসম চৰকাৰৰ অধীনস্থ বিভাগবোৰত উল্লিখিত ভাৰত চৰকাৰৰ আইন অনুসৰি অগ্ৰাধিকাৰ পাব বুলি বাংলাভাষী লোকে এক ব্যাপক প্ৰচাৰ চলালে আৰু তেওঁলোকৰ ন্যায়সংগত দাবীৰ ক্ষেত্ৰত অসম চৰকাৰে বিধি-পথালি দিছে বুলি এটা অভিযোগ আনিলে।

ইপিনে অসমীয়া জনসাধাৰণ তথা প্ৰচাৰ মাধ্যম Optionৰ বিৰোধী আছিল। চিলেটৰ পৰা অহা ইমানবোৰ মানুহক অসম চৰকাৰে সংস্থাপন দিব লগা হ'লে অসম চৰকাৰৰ বিভাগবোৰত অসমৰ খিলঞ্জীয়া লোকৰ বাবে কোনো স্থানেই নাথাকিব বুলি অসমীয়া লোক তথা বাতৰিকাকতবোৰে চৰকাৰক দোষাৰোপ কৰিলে। ইতিমধ্যে অসমৰ বিভিন্ন চৰকাৰী বিভাগবোৰৰ সংখ্যাগৰিষ্ঠ লোকেই বাংলাভাষী (অসমৰ চৰকাৰী ভাষা বাংলা কৰাৰ সময়ৰে পৰা ব্ৰিটিছ প্ৰশাসনে প্ৰশাসনিক কাম-কাজত বঙালী লোকক নিয়োগ কৰিছিল আৰু পৰৱৰ্তী সময়ত বাংলা ভাষা উঠি যোৱাৰ পিচতো কিন্তু এই প্ৰৱণতা শেষ হোৱা নাছিল। অসমৰ খিলঞ্জীয়া লোকসকলৰ চৰকাৰী চাকৰিৰ প্ৰতি অনীহা, বঙালীৰ তুলনাত আধুনিক শিক্ষাৰ ক্ষেত্ৰত পিচপৰা অৱস্থা আদি কাৰণবোৰৰ বাবে স্বাধীনতাৰ সময়লৈকে অসমৰ চৰকাৰী কৰ্মচাৰীৰ সৰহভাগেই বাংলাভাষী আছিল) লোকৰ সংখ্যাধিক্য থকা হেতুকে নতুন ব্যৱস্থাটোৱে অসমীয়াৰ চাকৰিৰ সম্ভাৱনা নোহোৱা কৰিব বুলি এটা শংকা সৃষ্টি হ'ল। The Assam Tribune নামৰ বাতৰিকাকতখনৰ ১৯৪৭ চনৰ ৬ ছেপ্টেম্বৰৰ সংখ্যাত এনেদৰে কোৱা হ'ল যে বহিৰাগত লোকক চৰকাৰী বিভাগবোৰত নিযুক্তি দিলে কেইবাপুৰুষলৈকে অসমৰ খিলঞ্জীয়াই অসম চৰকাৰৰ চাকৰি নাপাব। বিভাগীয় উচ্চ তথা নিম্ন বৰ্গৰ বিষয়াসকল বাংলাভাষী হ'লে অসমৰ

আৰু কৰিমগঞ্জই নিজৰ কাম বাংলা ভাষাৰ জৰিয়তে চলাব পাৰিব বুলিও এই সিদ্ধান্ত লোৱা হয়।

১১ ডিচেম্বৰ ঃ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ (আৰ এছ এছ) কাৰ্যকলাপ পুনৰ সঞ্জীৱিত কৰাৰ চেষ্টা কৰি গুৱাহাটীৰ চাৰ্চ ফিল্ডত সত্যাগ্ৰহ কৰা ১৮জন সভ্যক সংঘৰ ওপৰত থকা নিষেধাজ্ঞা অমান্য কৰা অভিযোগত সন্ধিয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

২০ ডিচেম্বৰ ঃ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে গুৱাহাটীত প্ৰতিষ্ঠিত অসম আয়ুৰ্বেদ কলেজৰ দুৱাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে কলেজ প্ৰাংগণত হোৱা সভাত অসমৰ কেইগৰাকী মন্ত্ৰী, ডাক্তৰ, কলেজৰ অধ্যাপক, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ সমবেত হয়।

২৮ ডিচেম্বৰ ঃ আজি সন্ধিয়া ৬.০০ বজাত ৰক্তচাপ আৰু বৃক্কজনিত আকস্মিক বিকাৰৰ ফলত মণিপুৰ ৰাজ্যৰ ইম্ফলৰ পৰা ৩০ মাইল নিলগৰ মৃগয়া শিবিৰত অসমৰ গৱৰ্ণৰ ছাৰ আকবৰ হাইদৰীৰ মৃত্যু ঘটে।

ছাৰ আকবৰ হাইদৰীৰ বিয়োগৰ পিচত তেখেতৰ ঠাইত আন এজনক গৱৰ্ণৰ পতাৰ কামটো পিচলৈ ৰাখি অসম হাইকৰ্টৰ চীফ জাষ্টিচ আৰ এফ লজক অস্থায়ীভাৱে অসমৰ গৱৰ্ণৰ পদত নিয়োগ কৰা হয়।

প্ৰাদেশিক স্বায়ত্ততাৰ কথাটো এটা অৰ্থহীন বিষয় হৈ ৰ'ব। অসমীয়াৰ সলনি অসমৰ শাসনতন্ত্ৰ তেতিয়া অনা-অসমীয়াইহে চলোৱা যেন হ'ব। গণভোটৰ সময়ত চিলেটক অসমত ৰাখিব খোজাৰ পৰিণামতে এনে হ'বলৈ পালে বুলি অসম চৰকাৰক বাতৰিকাকতখনে দোষাৰোপ কৰিলে। ১৯৪৭ চনৰ নৱেম্বৰত চৰ্দাৰ বল্লভভাই পেটেলে বৰদলৈক উপদেশ দিলে যে অতিৰিক্ত হৈ পৰা চাকৰিয়ালক 'ৰিট্ৰেনচন' বা হ্ৰাসকৰণত যোৱা বুলি ধৰিবলৈ দি সিবিলাকক পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা আগবঢ়াবলৈ ক'লে। পাকিস্তানলৈ যাব বিচৰা অসমৰ মুছলমান চাকৰিয়ালসকলক সোনকালে যাবলৈ কোৱা হ'ল আৰু তেওঁলোকৰ ঠাইত চিলেটৰ হিন্দু কৰ্মচাৰীসকলক ল'বলৈ পেটেলে উপদেশ দিলে। বৰদলৈয়ে পেটেলৰ নিৰ্দেশ অনুযায়ীয়েই কাম কৰিবলৈ আৰম্ভ কৰিলে আৰু ১৯৪৮ৰ মাজভাগৰ ভিতৰত চিলেটৰ পৰা বৰ্খাস্ত হৈ অহা অধিকাংশ লোককে পুনঃসংস্থাপন দিলে। ইয়াৰ ফলত অসমৰ সমাজ জীৱনত আন এটা ঘটনাৰ সূত্ৰপাত ঘটিল। চৰকাৰী চাকৰিত বহুসংখ্যক অতিৰিক্ত চাকৰিয়াল নিযুক্ত কৰা হ'ল আৰু সদ্যস্বাধীনতাপ্ৰাপ্ত অসমত থলুৱা লোকৰ নিযুক্তিৰ ক্ষেত্ৰত এটা ডাঙৰ প্ৰতিবন্ধকতা সৃষ্টি কৰা হ'ল। শীৰ্ষ বিষয়াসকল বঙালী হোৱা হেতুকে পৰৱৰ্তী সময়ত স্বজন-তোষণৰ মাত্ৰা তীব্ৰ হোৱা দেখা গ'ল আৰু চৰকাৰী চাকৰিত বঙালী লোকৰ আধিপত্য সুদীৰ্ঘ কাল ধৰি চলি থাকিল।

পূৱ পাকিস্তানৰ ভাৰতবিৰোধী কাৰ্য আৰু অসমলৈ হোৱা অবাধ প্ৰব্ৰজন

স্বাধীনতা লাভৰ পিচত অসম চৰকাৰে নিৰৱচ্ছিন্নভাৱে যিটো সমস্যাৰ সৈতে মুখামুখি হ'ব লগাত পৰিছিল সেয়া হৈছে পূব পাকিস্তানৰ দ্বাৰা অসমৰ ভূমি আত্মসাৎ আৰু দেশ বিভাজনৰ পৰিপ্ৰেক্ষিতত অসমলৈ হোৱা ব্যাপক হাৰৰ প্ৰব্ৰজন। ভাৰতৰ ভূমি দখল কৰাৰ প্ৰথম প্ৰয়াস ঘটিল ত্ৰিপুৰাত। ত্ৰিপুৰাৰ মাটি আত্মসাৎ কৰাৰ কথা বৰদলৈয়ে ৰাজ্যপাল ছাৰ আকবৰ হাইদৰী (১৮৯৪-১৯৪৮) আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী বল্লভভাই পেটেলক জনালে আৰু আছাম

১৯৪৯

৬ জানুৱাৰী ঃ আজি গণ পৰিষদে ডাঃ আম্বেদকাৰৰ এটা সংশোধনীসহ পাণ্ডুলিপিৰ ১৪৮ দফাটো গ্ৰহণ কৰে। ডাঃ আম্বেদকাৰৰ সংশোধন অনুযায়ী পৰিষদে থিৰ কৰে যে মাদ্ৰাজ, বোম্বাই, যুক্ত প্ৰদেশ, পূব পঞ্জাব, পশ্চিম বংগ আৰু বিহাৰৰ আইন পৰিষদ দ্বৈত পৰিষদযুক্ত হ'ব আৰু অসম, উৰিষ্যা আৰু মধ্য প্ৰদেশত মাত্ৰ এখন পৰিষদ থাকিব। দ্বৈত পৰিষদযুক্ত ৰাষ্ট্ৰবোৰৰ উচ্চ পৰিষদৰ নাম ব্যৱস্থাপক সভা (লেজিছলেটিভ কাউঞ্চিল) আৰু নিম্ন পৰিষদৰ নাম ব্যৱস্থা পৰিষদ (লেজিছলেটিভ এছেম্বলী) থোৱা হ'ব। যিখন ৰাষ্ট্ৰত মাথোন এখনহে আইন পৰিষদ থাকিব, সেই ৰাষ্ট্ৰৰ পৰিষদক ব্যৱস্থা পৰিষদ বোলা হ'ব।

৭ জানুৱাৰী ঃ প্ৰস্তাৱিত শাসনতন্ত্ৰৰ পাণ্ডুলিপিৰ ১৪৯নং দফা গৃহীত হোৱাৰ পিচত সেই দফা অনুক্ৰমে সাধাৰণ নিৰ্বাচন পাতিবলৈ লোৱাৰ আগতে অসমত নতুনকৈ লোকপিয়ল গ্ৰহণ কৰিব লাগিব বুলি আজি গণ পৰিষদত অসমৰ দুজন সদস্য কুলধৰ চলিহা আৰু গোপীনাথ বৰদলৈয়ে দৃঢ়ভাৱে দাবী জনায়।

৮ জানুৱাৰী ঃ নিম্ন পৰিষদৰ বহু পৰ্যালোচিত ১৪৯নং দফাটো আজি পৰিষদত গৃহীত হয়। সংশোধনীসহ ১৪৯নং দফাৰ এতিয়া বিধান হ'ল এয়ে যে প্ৰাদেশিক ব্যৱস্থা পৰিষদৰ সৰ্বোচ্চ সভ্য সংখ্যা হ'ব ৫০০ আৰু দেশবাসীৰ প্ৰতি ৭৫,০০০জনে ব্যৱস্থা পৰিষদলৈ অনধিক এজন প্ৰতিনিধি নিৰ্বাচিত কৰিব পাৰিব।

১ ফেব্ৰুৱাৰী ঃ আজিৰে পৰা অসমত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আইন প্ৰৱৰ্তন কৰা হয়। অসম চৰকাৰে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন কৰিবলৈ বুলি সম্প্ৰতি ৩০টা অঞ্চল বাছি লৈছে আৰু এই অঞ্চলবিলাক ১৫ মহকুমাৰ প্ৰত্যেকৰ পৰা দুটাকৈ নিৰ্ধাৰিত কৰা হৈছে। বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ এই পৰিকল্পনামতে তৈয়াৰ ১৫টা মহকুমাৰ প্ৰায় ১,৫০,০০০ লৰা ছোৱালীক বাধ্যতামূলক শিক্ষা দিয়া হ'ব। যিবিলাক অঞ্চলত বাধ্যতামূলক শিক্ষা দিয়া হ'ব তাত থকা প্ৰাথমিক স্কুলৰ মুঠ সংখ্যা হ'ল ১১৫০খন। প্ৰাথমিক শিক্ষাৰ

ৰাইফল্‌ছৰ এটা বেটেলিয়ন ত্ৰিপুৰালৈ প্ৰেৰণ কৰিবৰ বাবে প্ৰস্তাৱ দিলে। সময় মতে বেটেলিয়ন ত্ৰিপুৰাত উপস্থিত হোৱাৰ বাবে অসমত হ'ব পৰা সম্ভাব্য বিপদৰ পৰা প্ৰদেশখনে ৰক্ষা পালে। ইফালে পূব পাকিস্তানে সীমাৰেখা আয়োগৰ আগত অসমত পৰা চিলেটৰ কৰিমগঞ্জ চহৰখনো দাবী কৰিছিল আৰু কুশীয়াৰা নৈ সীমাৰেখা কৰাটো শুদ্ধ হোৱা নাই বুলি ক'লে। ইয়াৰ উপৰি প্ৰতিদিনে পূব পাকিস্তানৰ মাজেৰে ৰে'লেৰে (সেই সময়ছোৱাত অসম আৰু বৰ্তমানৰ পশ্চিম বংগৰ মাজত প্ৰত্যক্ষ ৰে'ল আৰু পথ যোগাযোগ স্থাপন হোৱা নাছিল) যোৱা ভাৰতীয় যাত্ৰীৰ ওপৰত বিভিন্ন নিৰ্যাতন চলোৱা হৈছিল। পাকিস্তান জন্ম হোৱাৰ আঁৰত ধৰ্মীয় সাম্প্ৰদায়িকতা লুকাই আছিল বাবে হিন্দু যাত্ৰীসকলক আক্ৰমণৰ স্বাভাৱিক লক্ষ্য কৰি লোৱা হৈছিল। যাত্ৰীসকলক সুৰক্ষা দিয়াৰ স্বাৰ্থত ১৯৪৭ চনৰ ২ অক্টোবৰত অসম চৰকাৰে 'অসম হোমগাৰ্ড জৰুৰী আইন' নামৰ এখন আইন প্ৰণয়ন কৰে আৰু ভাৰত চৰকাৰেও অসমত থকা তেওঁলোকৰ দুটা সামৰিক আৱাস হোমগাৰ্ডসকলৰ বাবে অসম চৰকাৰৰ হাতত গতাই দিয়ে। পূব পাকিস্তানীৰ হাতত কেৱল যে ৰে'লযাত্ৰীসকলহে নিৰ্যাতিত হৈছিল এনে নহয়; খাছীয়া পাহাৰ, দক্ষিণ লুচাই পাহাৰ, চিতাগঙৰ পাহাৰী এলেকা, গাৰো পাহাৰ আদি এলেকাতো পাকিস্তানী দুৰ্বৃত্তৰ অত্যাচাৰ চলিছিল আৰু এই এলেকাসমূহত ভাৰতবিৰোধী প্ৰচাৰ অভিযান চলোৱা হৈছিল।

যিহেতু অসমৰ পৰা হোৱা সমগ্ৰ ৰে'ল যোগাযোগ পূব পাকিস্তানৰ মাজেৰে হৈছিল, সেয়েহে অসমৰ অৰ্থনীতিৰ ওপৰত পাকিস্তানৰ প্ৰভাৱ আছিল প্ৰবল। ১৯৪৮ চনৰ ফেব্ৰুৱাৰীত এনে এক সংকটেই সৃষ্টি হ'ল। অসমলৈ অহা খাদ্য আৰু আন সামগ্ৰীবোৰ কঢ়িয়াবলৈ পূব পাকিস্তানে মালগাড়ীৰ ৱাগন নোহোৱাৰ অজুহাত ল'লে আৰু এই কথাত খাচী পাহাৰত খাদ্য সংকট হোৱাটো নিশ্চিত হৈ পৰিল। বৰদলৈয়ে কেন্দ্ৰক বাৰম্বাৰ অনুৰোধ কৰিছিল কাশ্মীৰৰ লেখীয়াকৈ অসমৰ প্ৰতিও যাতে অলপ কাণসাৰ দিয়ে। কেন্দ্ৰ চৰকাৰ আৰু বিশেষকৈ জৱাহৰলাল নেহৰু অসম সীমান্তৰ প্ৰতি কণমানো সহানুভূতিশীল নহয় বুলি

কাৰণে অসমৰ বিভিন্ন শিক্ষা কেন্দ্ৰৰ মুঠ ৭৫০জন শিক্ষকক ট্ৰেইনিং দিয়া হৈছে।

● পাকিস্তানৰ হাই কমিছ্নাৰ শ্ৰীপ্ৰকাশ অসমৰ ৰাজ্যপাল নিযুক্ত।

৩ ফেব্ৰুৱাৰী ঃ অসম, পূব পঞ্জাব আৰু পশ্চিম বংগৰ আসন নিৰ্দিষ্ট কৰিবৰ বাবে আৰু সমষ্টি নিৰ্ধাৰণৰ কাৰণে এইকেইখন প্ৰদেশত সম্প্ৰদায় অনুসৰি পিয়ল ল'বলৈ আজি পাৰ্লিয়ামেণ্টত ৰোহিণী কুমাৰ চৌধুৰীয়ে এটি বেচৰকাৰী প্ৰস্তাৱ দাঙি ধৰে। সহকাৰী প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ আশ্বাসক্ৰমে পিচত সেই প্ৰস্তাৱ উঠাই লোৱা হয়।

১৬ ফেব্ৰুৱাৰী ঃ অসমৰ গৱৰ্নৰ হিচাপে শ্ৰীপ্ৰকাশে শ্বিলঙৰ দৰবাৰ হলত শপত গ্ৰহণ কৰে। অসম হাইকৰ্টৰ অস্থায়ী চীফ জাষ্টিচ মিঃ জাষ্টিচ বাদানিয়ে নতুন গৱৰ্নৰক শপত গ্ৰহণ কৰোৱায়।

২১ ফেব্ৰুৱাৰী ঃ ভাৰতীয় ডমিনিয়ন পাৰ্লিয়ামেণ্টৰ বৈঠকত ৰে'লৱে বাজেট সম্বন্ধীয় দুদিনীয়া সাধাৰণ বিতৰ্কত অসমৰ ৰে'লৱেৰ দবাবোৰ উন্নতধৰণৰ কৰা আৰু তেজপুৰ-বালিপৰা ৰে'ল লাইন চৰকাৰে হাতত লোৱাৰ দাবী তোলা হয়। জি বি গুহই অসমৰ ৰে'লৱেৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি কয় যে অসমৰ ৰাজধানীত তেওঁ থকা পাঁচ বছৰ কালত তেওঁ কেতিয়াবা ক'ৰবালৈ যাব লগা হ'লে ৰে'লগাড়ীত নগৈ মটৰ-কাৰত গৈছিল, কাৰণ ৰে'লৰ অৱস্থা আছিল পুতৌজনক। অসম ৰে'লসেৱা উন্নত কৰাটো প্ৰতিৰক্ষাৰ বাবেও অত্যন্ত জৰুৰী বুলি তেওঁ কয়।

৩ মাৰ্চ ঃ ভাৰতীয় ডমিনিয়ন পাৰ্লিয়ামেণ্টত ৰে'লৱে সচিবে ১৯৫০ চনৰ আগভাগতে অসম ৰে'ল সংযোগ সমাধা হোৱাৰ আশা আছে বুলি ঘোষণা কৰে।

১২ মাৰ্চ ঃ অসম ব্যৱস্থা পৰিষদত অসম জন শৃংখলা ৰক্ষা আইনৰ সংশোধনী বিল গৃহীত হয়। অসম ব্যৱস্থা পৰিষদত এই বিল আলোচনাৰ বাবে দাঙি ধৰে স্বৰাষ্ট্ৰ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে।

২৫ মাৰ্চ ঃ গুৱাহাটীৰ ৰে'লৱে কলনীত হোৱা এক অগ্নিকাণ্ডত প্ৰায় ১০০টা পৰিয়ালৰ ঘৰ-দুৱাৰ নষ্ট হোৱাৰ লগতে প্ৰায় লক্ষাধিক টকাৰ সম্পত্তিৰ অনিষ্ট সাধন হয়।

বৰদলৈয়ে বিশ্বাস কৰিছিল আৰু তাৰ প্ৰকাশ ঘটিছিল ১৯৪৮ চনৰ ১৬ ফেব্ৰুৱাৰীত বৰদলৈয়ে নেহৰুলৈ লিখা চিঠিৰ কিয়দংশত 'অসম আজি সম্পূৰ্ণৰূপে ভাৰতৰ পৰা শাৰীৰিকভাৱে বিচ্ছিন্ন। যিকোনো এজন মানুহে যদি পূব পাকিস্তান হৈ অসমলৈ আহে তেন্তে তেওঁৰ লগত অনা যিকোনো বস্তুকে অস্ত্ৰ বুলি অনুমান কৰি ততালিকে গ্ৰেপ্তাৰ কৰা হয় ...। পূব পাকিস্তান চৰকাৰৰ কাৰণে কেন্দ্ৰীয় পাকিস্তান চৰকাৰৰ লগত সাগৰেদি আৰু ভূমিৰেদি যোগাযোগ কৰাৰ সুবিধা আছে। পাহাৰীয়া ৰিজাৰ্ভক লৈ হোৱা সামান্য কাজিয়াথনে দেখুৱাইছে আমি কেনেকৈ যাতনা ভুগিব লগাত পৰিছোঁ। যদি এনেবোৰ অব্যাহত থাকে আৰু আমি আমাৰ সীমা ৰক্ষা কৰাত সবলতা দেখুৱাব নোৱাৰোঁ তেনেহ'লে জনসাধাৰণে আত্মবিশ্বাস হেৰুৱাই পেলাব।' পৰৱৰ্তী সময়ত ভাৰত চৰকাৰে তৎপৰতাৰে অসমৰ সৈতে ৰে'ল আৰু পথ যোগাযোগ স্থাপন কৰাৰ ক্ষেত্ৰত বৰদলৈৰ এনেধৰণৰ অভিযোগ-অনুযোগৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল।

অসমলৈ হোৱা পূব বংগীয় ব্যাপক প্ৰব্ৰজনক লৈ গোপীনাথ বৰদলৈ তথা অসম চৰকাৰ চিন্তান্বিত হৈ থকাৰ সময়তো নেহৰু অথবা ভাৰত চৰকাৰে প্ৰব্ৰজনৰ সমস্যাটোক গুৰুত্ব সহকাৰে লোৱা নাছিল। ১৯৪৮ চনৰ ১৪ এপ্ৰিলৰ পৰা ১৯ এপ্ৰিললৈকে কলিকতাত বহা ইণ্টাৰ-ডমিনিয়ন কনফাৰেঞ্চত অসমৰ সমস্যাটো গভীৰভাৱে বিবেচনা কৰা হ'ব বুলি বৰদলৈয়ে ভাবিছিল যদিও কাৰ্যতঃ তাত পশ্চিম বংগ আৰু পূব বংগৰ চৰকাৰৰ সমস্যাবোৰৰহে আলোচনা চলিল। অসমৰ এই কনফাৰেঞ্চত যোগদান আছিল নামমাত্ৰ। ইয়াৰ পিচত অনুষ্ঠিত হ'ব লগা ইণ্টাৰ-ডমিনিয়ন কনফাৰেঞ্চৰ প্ৰতি বৰদলৈৰ আগ্ৰহ ক্ৰমাগতভাৱে কমি আহিবলৈ ধৰিলে আৰু প্ৰব্ৰজনৰ সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত যে ভাৰত চৰকাৰ একেবাৰে নিস্পৃহ সেই সম্পৰ্কে তেওঁ নিশ্চিত হৈ পৰিল। জৱাহৰলাল নেহৰুৱে পশ্চিম পাকিস্তান আৰু ভাৰতৰ মাজত থকা সীমাৰ ক্ষেত্ৰত যিধৰণৰ তৎপৰতা দেখুৱাইছিল তাৰ তুলনাত পূব-পাকিস্তান আৰু ভাৰতৰ মাজত

২৮ মাৰ্চ ঃ অসমৰ জমিদাৰী প্ৰথা উচ্ছেদৰ বাবে উত্থাপিত অসম জমিদাৰী ৰাষ্ট্ৰীয় দখল বিল (১৯৪৮) খন অসম ব্যৱস্থা পৰিষদত বিপুল হৰ্ষধ্বনিৰে গৃহীত হয়। ব্যৱস্থা পৰিষদত আজিৰ দিনটোত অসম ইষ্টেট পৰিচালনা বিলৰ বাছনি কমিটীৰ ৰিপৰ্ট উত্থাপন, অসম কলাজ্বৰ চিকিৎসা বিল আৰু প্ৰাইমাৰী শিক্ষা সংশোধনী বিল উত্থাপিত হয়।

১৮ মে' ঃ জৱাহৰলাল নেহৰুৱে গোপীনাথ বৰদলৈক এক পত্ৰযোগে অসম-পূব পাকিস্তান সীমাত হোৱা প্ৰব্ৰজন ৰোধৰ বাবে পাৰ্মিট ব্যৱস্থাৰ পৰামৰ্শ প্ৰদান কৰে।

২৮ আগষ্ট ঃ কোচবিহাৰৰ ৰজা জগদ্বীপেন্দ্ৰ নাৰায়ণ আৰু ভাৰত চৰকাৰৰ মাজত কোচবিহাৰ অৰ্পণ সম্পৰ্কত চুক্তি স্বাক্ষৰ।

১২ ছেপ্টেম্বৰ ঃ কোচবিহাৰ আনুষ্ঠানিকভাৱে ভাৰত চৰকাৰৰ হাতত গতাই দিয়া হয়। ৰাজ্যখনক 'চি' শ্ৰেণীৰ ৰাজ্য হিচাপে ঘোষণা।

২৫ ডিচেম্বৰ ঃ তিতাবৰত অসম কৃষক সভাৰ কাৰ্যনিৰ্বাহকৰ বৈঠক বহে। মঙলদৈৰ কৃষক সত্যাগ্ৰহ সমৰ্থন কৰি সত্যাগ্ৰহীসকললৈ বিপ্লৱী অভিনন্দন জনোৱা হয়।

৩০ ডিচেম্বৰ ঃ নগাঁৱৰ উপায়ুক্তই ভগনীয়াবিলাকৰ নাগৰিক স্বত্বাধিকাৰ পাবলৈ দিয়া দৰখাস্তৰ তদন্ত কৰে। ধিং চাৰ্কোলত ৬০০জন ভগনীয়াই নাগৰিক স্বত্বাধিকাৰ পাবলৈ দৰখাস্ত কৰিছিল। কেন্দ্ৰৰ পৰা অহা সাহায্যৰ কিছু পৰিমাণো এই চাৰ্কোলত দিবলৈ উপায়ুক্তই সন্মতি জনাইছে।

● ধিং চাৰ্কোলৰ এটি প্ৰতিনিধি দলে স্থানীয় মহকুমাধিপতিৰ বিৰুদ্ধে বে-আইনীভাৱে কিছুমান একচনা মাটি নামজাৰি কৰা আৰু গ্ৰেজিং ৰিজাৰ্ভত কিছুমান মাটি চৰকাৰৰ বিনা হুকুমে তেওঁৰ চাপৰাচি আৰু চকীদাৰক দখল দিয়া, দখল উচ্ছেদ কাৰ্যত গাফিলতি কৰা, পানীয়ে ভঙা অসমীয়া মানুহক উচ্ছেদ কৰি হিন্দুস্থানী কিছুমানক ৰিজাৰ্ভৰ মাটিত দখল দিয়া ইত্যাদিৰ বিষয়ে জিলাধিপতিৰ ওচৰত অভিযোগ দাখিল কৰে। প্ৰতিনিধি দলে পিচদিনাখন নগাঁৱত ৰাজহ মন্ত্ৰীৰ ওচৰতো এই অভিযোগবোৰ দাঙি ধৰে।

থকা সীমাৰ ক্ষেত্ৰত তেওঁ দেখুৱাইছিল একেবাৰে উদাসীন মনোভাব। বল্লভভাই পেটেললৈ লিখা এখন চিঠিত গোপীনাথ বৰদলৈয়ে অসমলৈ হোৱা প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰাৰ স্বাৰ্থত অসম প্ৰদেশক ক্ষমতা প্ৰদান কৰিব লাগে বুলি অভিমত ব্যক্ত কৰিছিল। পিচলৈ প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰিবৰ কাৰণে অসমক বিশেষ প্ৰশাসনীয় ক্ষমতা দিব পৰা যায় বুলি নেহৰুৱে কথাটো উলিয়াইছিল যদিও এই ক্ষমতা কেনেদৰে প্ৰয়োগ কৰা হ'ব, সেই বিষয়ে কোনো চিন্তা-চৰ্চা নচলিল।

স্বাধীনতা লাভৰ পিচতে অসমৰ সামগ্ৰিক উন্নতিৰ স্বাৰ্থত বৰদলৈয়ে নেহৰুৰ আগত ৰে'ল সংযোগ, ৰাস্তাৰ সংযোগ, পাকিস্তানৰ লগত সামগ্ৰী আমদানি অথবা ৰপ্তানি কৰাৰ ক্ষেত্ৰত এক স্থায়ী ব্যৱস্থা লোৱা আদিৰ লগতে প্ৰব্ৰজন সন্দৰ্ভত ভালেমান প্ৰস্তাৱ ৰাখিছিল। অসমৰ সীমান্ত সম্পৰ্কে তথা এখন সীমান্তৱৰ্তী এলেকাৰ প্ৰদেশ হিচাপে অসমে ভুগি অহা সমস্যাবোৰৰ বিষয়ে বৰ বিশেষ গম নোলোৱা জৱাহৰলাল নেহৰুৱে এই অনুৰোধবোৰৰ প্ৰতি বিশেষ কাণসাৰ দিয়া নাছিল। ১৯৪৯ চনৰ মে' মাহত নেহৰুৱে বৰদলৈক এখন পত্ৰযোগে মুছলমান প্ৰব্ৰজনকাৰীৰ আগমনক লৈ বৰদলৈয়ে দেখুওৱা উদ্বিগ্নতাক একপ্ৰকাৰ উপহাস কৰিছিল। পশ্চিম পাকিস্তান আৰু ভাৰতৰ মাজত থকা পাৰ্মিট ব্যৱস্থাৰ লেখীয়া এটা ব্যৱস্থা অসমেও গ্ৰহণ কৰিব পাৰে বুলি নেহৰুৱে বৰদলৈক উপদেশ দিছিল। ১৯৪৯ চনৰ নৱেম্বৰ মাহত গোপালস্বামী আয়েংগাৰ আৰু কেন্দ্ৰীয় বিত্ত সচিবে পূব পাকিস্তানৰ পৰা হোৱা পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ সমস্যাটো অধ্যয়ন কৰিবৰ বাবে অসমলৈ আহে। অসমে পাৰ্মিট ব্যৱস্থা গ্ৰহণ কৰাৰ বিৰুদ্ধে প্ৰথম অভিযোগটো আহিল পশ্চিম বংগ চৰকাৰৰ ফালৰ পৰা। পশ্চিম বংগ চৰকাৰৰ মতে অসমে প্ৰব্ৰজনকাৰীৰ ক্ষেত্ৰত পাৰ্মিট ব্যৱস্থা গ্ৰহণ কৰিলে হিন্দু ভগনীয়াৰে পশ্চিম বংগ ভৰি পৰিব। বৰদলৈয়ে এই যুক্তিৰ বিৰুদ্ধে ১৯৪৯ চনৰ ১৭ নৱেম্বৰত দিয়া এখন পত্ৰত ক'লে যে

১৯৫০

৪ জানুৱাৰী ঃ ডমিনিয়ন পাৰ্লিয়ামেণ্টলৈ অসমৰ পৰা কংগ্ৰেছ মনোনীত প্ৰাৰ্থী আটাইকেইজন নিৰ্বাচিত। প্ৰাৰ্থীকেইজন হৈছে সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই, দেৱকান্ত বৰুৱা, মহেন্দ্ৰ হাজৰিকা, যোগেন্দ্ৰ নাথ হাজৰিকা, মৌলবী ফৈজনুৰ আলী আৰু মৌঃ ৱাজেদ আলী। স্বতন্ত্ৰ প্ৰাৰ্থী চিদানন্দ দাসৰ মনোনয়নপত্ৰখন ডাকযোগে প্ৰেৰিত হোৱা বাবে অসম ব্যৱস্থা পৰিষদৰ ছেক্ৰেটাৰী আৰু মনোনয়নপত্ৰৰ ৰিটাৰ্নিং অফিচাৰ আৰ এন বৰুৱাই অগ্ৰাহ্য কৰে।

৫ জানুৱাৰী ঃ ঢাকাত অনুষ্ঠিত আন্তঃ ডমিনিয়ন সীমা ট্ৰিবিউনেলত পাথৰীয়া পাহাৰী ৰিজাৰ্ভ অঞ্চল অসমৰ পাথাৰকান্দি থানাৰ অংশবিশেষ হোৱা উচিত বুলি ভাৰতীয় পক্ষৰ দাবী ঃ

ঢাকাত অনুষ্ঠিত আন্তঃডমিনিয়ন সীমা বিৰোধ ট্ৰিবিউনেলৰ দ্বিতীয় দিনাৰ বৈঠকত ভাৰতৰ পক্ষ সমৰ্থক উকীল ছাৰ সুধাংশুমোহন বসুৱে পাথৰীয়া পাহাৰী ৰিজাৰ্ভ সম্বন্ধে তেওঁৰ যুক্তি প্ৰদৰ্শন কৰে। বিবদমান অঞ্চলটো চিলেটৰ বাৰলেখা থানাৰ পৰা নিশ্চিতভাৱে বহিৰ্গত অঞ্চল আৰু ই আপোনা-আপুনি অসমৰ পাথাৰকান্দি থানাৰ ভিতৰত পৰা উচিত বুলি তেওঁ দৃঢ়াই কয়। বসুৰ মতে ৰিজাৰ্ভ অৰণ্য অঞ্চল চিলেট জিলাৰ অংশ বিশেষ হোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। ৰেডক্লিফ আয়োগে ৰিজাৰ্ভ অৰণ্য অঞ্চল অসমৰ পাথাৰকন্দি থানাৰ অংশ বিশেষ হিচাপে চামিল কৰাটোকে বিচাৰিছিল আৰু এই বিবেচনা ন্যায়সংগত ভেটিৰ ওপৰত প্ৰতিষ্ঠিত বুলি বসুৱে মত পোষণ কৰে। অসম আৰু পূব পাকিস্তানৰ মাজত পাথৰীয়া পাৰ্বত্য অৰণ্য ৰিজাৰ্ভ সম্বন্ধীয় বিবাদৰ আলোচনা ছাৰ এছ এম বসুৱে মুকলি কৰে।

● ভূতপূৰ্ব মন্ত্ৰী ডাঃ মহেন্দ্ৰনাথ শইকীয়াই নগাঁও জিলা কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰনাথ হাজৰিকাক তপছিলভুক্ত সম্প্ৰদায়ৰ প্ৰাৰ্থী হিচাপে পাৰ্লিয়ামেণ্টলৈ মনোনয়ন দিয়াত অবিলম্বে হস্তক্ষেপ কৰিবলৈ চৰ্দাৰ

পূব পাকিস্তানে 'ইভাকুৱি প্রপার্টী এক্ট' আদি বিধান প্রণয়ন কৰাৰ পিচত পূব বংগত সকলো সম্পত্তি হেৰুওৱাৰ ভয়ত হিন্দুসকলে পশ্চিম বংগলৈ প্রব্রজন কৰাটো কমাই দিছে। এই আইন বিধিৰ জৰিয়তে পূব পাকিস্তানে এবাৰ কোনো লোকে ভাৰতলৈ গ'লে পূব বংগত থকা তেওঁৰ সকলো সা-সম্পত্তি হেৰুৱাব বুলি নিয়ম প্রণয়ন কৰিছিল। অসমৰ পাৰ্মিট ব্যৱস্থাই পশ্চিম বংগত হিন্দু শৰণাৰ্থী কেনেদৰে বৃদ্ধি কৰিব সিহে বৰদলৈৰ বাবে এক সাঁথৰ হৈ থাকিল। অৱশ্যে এই ৰহস্যৰ ভেদ ভাগিবলৈ সৰহ পৰ নালাগিল। পশ্চিম বংগই অসমৰ পাৰ্মিট ব্যৱস্থাৰ বিৰোধিতা কৰাৰ অন্তৰালত আন এটা কাৰণহে লুকাই আছিল। পশ্চিম বংগৰ ভূ-সামন্ত বা জমিদাৰসকলে দেশ বিভাজনৰ পিচতো তেতিয়াও পূব বংগত থকা তেওঁলোকৰ সা-সম্পত্তিবোৰ ভোগ কৰি থকাৰ সুবিধা পাইছিল। যদিহে অসমে পাৰ্মিট ব্যৱস্থা গ্রহণ কৰে তেন্তে পূব বংগয়ো অনুৰূপ ব্যৱস্থা হাতত ল'ব। পূব বংগই এনে ব্যৱস্থা হাতত ল'লে পশ্চিম বংগৰ জমিদাৰসকলে পূব বংগৰ জমিদাৰী চলাই নিব নোৱাৰিব। পশ্চিম বংগৰ জমিদাৰসকলৰ নিহিত স্বাৰ্থত আঘাত পৰিব বুলি শংকা কৰি পশ্চিম বংগৰ তদানীন্তন মুখ্যমন্ত্রী বিধান চন্দ্র ৰয়ে অসমৰ পাৰ্মিট ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰিছিল। এনেধৰণৰ বিৰোধিতাৰ বিৰুদ্ধে গৈ বৰদলৈয়ে আয়েংগাৰৰ ওচৰত দাবী তুলিলে যে অসম চৰকাৰক এনেধৰণৰ ক্ষমতা দিব লাগে, যাৰ জৰিয়তে অবাঞ্ছিত কোনো লোকেই ভাৰতত সোমাব নোৱাৰিব। অৱশেষত বৰদলৈৰ একান্ত প্রচেষ্টাত ১৯৫০ চনৰ ফেব্রুৱাৰীত ইমিগ্রেণ্টছ (এক্সপালশ্যন ফ্রম আছাম) শীৰ্ষক আইনখন জাৰি কৰা হ'ল। আইনখনৰ জৰিয়তে অসম চৰকাৰে সকলো অবৈধ প্রব্রজনকাৰীক অসমৰ পৰা খেদি পঠিওৱাৰ অধিকাৰ পালে, অথচ পৰৱৰ্তী সময়ত জৱাহৰলাল নেহৰুৱে সম্পাদনা কৰা নেহৰু-লিয়াকৎ চুক্তিয়ে আইনখনৰ কাৰ্যকাৰিতা অসাৰ কৰি পেলালে। ১৯৫০ চনৰ ৮ এপ্রিলত নেহৰু-লিয়াকৎ চুক্তি স্বাক্ষৰ হয়। এই চুক্তি মতে ভাৰত আৰু

পেটেল, জৱাহৰলাল নেহৰু, ড° আম্বেদকাৰ আৰু ড° ৰাজেন্দ্ৰ প্ৰসাদলৈ এখন পাঁচশ শব্দযুক্ত তাঁৰ প্ৰেৰণ কৰে।

● ১৯৪২ চনৰ গণ বিপ্লৱৰ আধাৰত শ্ৰীকৃষ্ণা ফিল্মছৰ দ্বাৰা নিৰ্মিত 'বিপ্লৱী' বোলছবিৰ শুভমুক্তি।

৬ জানুৱাৰী ঃ মঃ ছাদুল্লাই কংগ্ৰেছত যোগদান কৰা বুলি প্ৰকাশিত বাতৰি অস্বীকাৰ কৰি এক প্ৰেছ বিবৃতি দিয়ে।

● দেশীয় ৰাজ্য আৰু ট্ৰাইবেল অঞ্চলৰ সহকাৰী উপদেষ্টা আৰ ভি সুব্ৰমণিয়ামক লগত লৈ অসমৰ গৱৰ্ণৰ শ্ৰীপ্ৰকাশে উত্তৰ-পূব সীমান্তৰ সোৱণশিৰি ট্ৰাইবেল অঞ্চলৰ সদৰ কিমিনলৈ যায়। ডফলা আৰু পাটনীসকলক বিদ্যা-বুদ্ধিৰে আগবাঢ়ি যাবলৈ ৰাজ্যপালে উদগনি দিয়ে। দলংমুখলৈ মটৰযোগে গৈ গৱৰ্ণৰে পৰ্বতীয়া মিৰিসকলক লগ ধৰে।

● সদৌ অসম হিমৎসিংকা কাপ প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল অনুষ্ঠিত।

৮ জানুৱাৰী ঃ গুৱাহাটী মহকুমাৰ বেলতলা মৌজা উপদ্ৰুত অঞ্চল বুলি চৰকাৰৰ হুকুমৰ ম্যাদ ৬ জানুৱাৰীৰ পৰা দুমাহৰ কাৰণে বঢ়াই দিয়া হয়।

● অসমলৈ মাল-বস্তুৰ যাতায়াত অব্যাহত ৰাখিবলৈ ভাৰত চৰকাৰৰ ব্যৱস্থা। অসম ৰে'ল সংযোগ নিয়ন্ত্ৰণ কমিটী গঠন।

● ভাৰতৰ বাকী অংশৰ পৰা অসম আৰু ত্ৰিপুৰালৈ পাকিস্তানৰ মাজেদি জলপথ বা ৰে'লপথেদি সকলো ৰকমৰ বস্তু-বাহানি অনাটো পাকিস্তানে বন্ধ কৰি দিয়াৰ পিছত নতুনকৈ নিৰ্মিত অসম সংযোগী ৰে'লপথেদি বস্তু যাতায়াতৰ ওপৰত চকু দিবলৈ আৰু নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰে এখন কমিটী গঠন কৰি দিছে।

● বহিঃৰাষ্ট্ৰ দপ্তৰৰ বি এন চক্ৰৱৰ্তীক সভাপতি আৰু বেংগল-নাগপুৰ ৰে'লৱেৰ ট্ৰেন্সপৰ্ট মেনেজাৰ শ্ৰীযুত বি চি মল্লিক আৰু দেশৰক্ষা দপ্তৰৰ বিগ্ৰেডিয়াৰ খিলনক সদস্য পাতি অসম ৰে'ল সংযোগ নিয়ন্ত্ৰণ কমিটীখন গঠন কৰা হয়।

পাকিস্তান চৰকাৰে দুয়োখন ঠাইতে হিন্দু-মুছলমানৰ সম-নাগৰিকত্ব মানি ল'লে। দুয়োখন দেশে সংখ্যালঘু কমিছন গঠন কৰা আৰু চৰকাৰত সংখ্যালঘুৰে প্ৰতিনিধিত্ব পোৱাৰ ব্যৱস্থাত সন্মতি দিলে। কাৰ্যতঃ ভাৰতলৈ হোৱা হিন্দু ভগনীয়াৰ সোঁত বন্ধ কৰাত এই চুক্তি ব্যৰ্থ হ'ল। নেহৰু-লিয়াকৎ চুক্তি আৰু ১৯৫০ চনৰ অবৈধ প্ৰব্ৰজন আইন কোনোটোৱে অসমলৈ হোৱা প্ৰব্ৰজন ৰোধ কৰাত সামান্যতমো ইতিবাচক ফলাফল দেখুৱাব নোৱাৰিলে। গোপীনাথ বৰদলৈয়ে অসমৰ সুৰক্ষা আৰু অস্তিত্বৰ স্বাৰ্থত মৰণপণ প্ৰচেষ্টা চলালে যদিও ভাৰত চৰকাৰে এক বিধিগত ব্যৱস্থাৰে প্ৰব্ৰজন ৰোধ কৰাৰ আগ্ৰহ সামান্যভাৱেও নেদেখুৱালে। ১৯৫০ চনৰ আগষ্ট মাহত এই দুখক লৈয়ে বৰদলৈৰ মৃত্যু ঘটিল। বৰদলৈৰ অবৰ্তমানতো অসম চৰকাৰৰ প্ৰব্ৰজনবিৰোধী স্থিতি বাহাল থাকিল, অথচ তাত নাথাকিল পূৰ্বৰ দৃঢ় প্ৰত্যয় আৰু প্ৰতিৰোধৰ আপোচবিহীন মনোভাব।

শৰণাৰ্থী সংস্থাপন প্ৰসংগ

অসমৰ খালী হৈ থকা মাটিবোৰত পূব বংগীয় লোকক সংস্থাপন দিয়াৰ ক্ষেত্ৰত ভাৰত চৰকাৰে লোৱা তৎপৰতা আৰু এইক্ষেত্ৰত অসমৰ প্ৰাদেশিক চৰকাৰখনৰ সৈতে আলোচনা নকৰাটো আছিল এটা গুৰুত্বপূৰ্ণ ঘটনা। ১৯৪৯ চনত অসম চৰকাৰে নিজৰ ভূমিহীন লোকৰ বাবে থোৱা মাটিৰ আধাখিনি পূব বংগৰ পৰা অহা শৰণাৰ্থীসকলৰ সংস্থাপনৰ বাবে ভাৰত চৰকাৰে বিচাৰিছিল। অসমৰ ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে এই প্ৰস্তাৱ নাকচ কৰাত কেন্দ্ৰীয় সংস্থাপন মন্ত্ৰী মোহনলাল ছাক্সেনাই অসম চৰকাৰক নোসোধাকৈ সুৰমা উপত্যকাৰ চাহ বাগিচাৰ সৈতে থকা অতিৰিক্ত মাটিত কেইবাশও লোকক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিলে। পৰৱৰ্তী সময়ত ছাক্সেনাক অনুসৰণ কৰি ভাৰতীয় চাহ বাগিচা সংস্থাৰ লগত বন্দৱস্ত কৰি ১২,০০০ পৰিয়ালৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিচাৰ অতিৰিক্ত

• উত্তৰ লখিমপুৰৰ এক ৰাজহুৱা সভাত অসমৰ গৱৰ্নৰ শ্ৰীপ্ৰকাশৰ পঢ়া-শুনাত একান্ত মনে ধৰিব পৰা ছাত্ৰক ফুটবল উপহাৰ দিব বুলি ঘোষণা।

• অসম মন্ত্ৰীসভাৰ দুজন মন্ত্ৰীৰ পদত্যাগ। অসম মন্ত্ৰীসভাৰ দুজনা মন্ত্ৰী মৌলানা মহম্মদ তৈয়বুল্লা আৰু অমিয় কুমাৰ দাসে প্ৰধানমন্ত্ৰী বৰদলৈৰ ওচৰত ইস্তফা পত্ৰ দাখিল কৰে। আবকাৰী দপ্তৰৰ মন্ত্ৰী তৈয়বুল্লা আৰু খাদ্য আৰু বনুৱা দপ্তৰৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী দাসে তেওঁলোকৰ পদত্যাগ পত্ৰ স্বেচ্ছামূলকভাৱে প্ৰদান কৰে।

• ভাৰতীয় শাসনতন্ত্ৰৰ সংবিধানৰ অসমীয়া অনুবাদ কৰিবলৈ অসম চৰকাৰে সূৰ্য কুমাৰ ভূঞাক সভাপতি পাতি বিৰিঞ্চি কুমাৰ বৰুৱা, তীৰ্থনাথ শৰ্মা, দেৱকান্ত বৰুৱা, মোহনচন্দ্ৰ মহন্তক লৈ এখন কমিটী গঠন কৰে।

৯ জানুৱাৰী ঃ অসমৰ লোকেল ব'ৰ্ড নিৰ্বাচনবোৰ ১৯৫০ চনৰ ১০ মাৰ্চৰ ভিতৰত শেষ হৈ যাব বুলি অসম চৰকাৰে ঘোষণা কৰে। অসমত সৰ্বশেষ লোকেল ব'ৰ্ডৰ নিৰ্বাচন হৈছিল ১৯৪৫ চনত।

• পাণ্ডু হেড কোৱাৰ্টাৰত চীফ এডমিনিষ্ট্ৰেটিভ অফিচাৰ শ্ৰীযুত বি বৰাৰ সভাপতিত্বত অসম ৰে'লৰে লোকেল উপদেষ্টা কমিটীৰ ষষ্ঠ তিনিমহীয়া সভা বহে। সভাত আলোচ্য বিষয়বোৰ হ'ল— (১) ৰে'লৰ দবাবোৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, পায়খানা আদি বিজ্ঞানসন্মত কৰা, ষ্টেচনবোৰত জিৰণি ঘৰৰ ব্যৱস্থা কৰা। (২) দুৱাৰ্ছ আৰু কৰিমগঞ্জ শাখাত গাড়ীৰ সংখ্যা বঢ়োৱা। (৩) যাত্ৰীৰ সুবিধাৰ্থে দুৱাৰ্ছ শাখাত ৰে'লৰ সময় পৰিবৰ্তন কৰা, (৪) মালবস্তু অনা-নিয়াৰ কাৰণে অধিক দবা দিয়া। (৫) ৰে'লৰে ষ্টেচনৰ কিতাপৰ দোকানত জনপ্ৰিয় বাতৰি কাকত, আলোচনী আদি বেচাৰ দিহা কৰা ইত্যাদি।

১০ জানুৱাৰী ঃ বিগত কেইটামান মাহত প্ৰায় পাঁচ লাখ অনুপ্ৰৱেশকাৰী পূব পাকিস্তানৰ পৰা অসমত প্ৰৱেশ কৰে। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বিশেষকৈ গোৱালপাৰা, ধুবুৰী-কাচাৰ আদিত

মাটি যোগাৰ কৰা হ'ল। অসম চৰকাৰৰ অজ্ঞাতসাৰে কৰা এনে কাৰ্যৰ প্ৰতিবাদ যেতিয়া কৰা হ'ল, তেতিয়া বিষ্ণুৰাম মেধিয়ে শৰণাৰ্থী সংস্থাপনৰ বাবদ শৰণাৰ্থীৰ কাৰণে কেন্দ্ৰই স্থাপন কৰিব খোজা ঔদ্যোগিক আৰু সমবায় সংগঠনবোৰত কিছু পৰিমাণে স্থানীয় লোকৰ নিযুক্তি হ'ব লাগে বুলি চৰ্ত আৰোপ কৰিলে। তেতিয়া ভাৰত চৰকাৰৰ ফালৰ পৰা কোৱা হ'ল যে প্ৰথমে অসম চৰকাৰে আগতে চহ কৰি থোৱা মাটিত শৰণাৰ্থীবোৰ বহুৱাব লাগিব। অসম চৰকাৰে এই প্ৰতিশ্ৰুতি পালন কৰাৰ পিচতহে থলুৱা লোকৰ নিযুক্তিৰ কথাটো বিবেচনা কৰা হ'ব।

মানৱীয় দৃষ্টিভংগী আৰু ধৰ্মনিৰপেক্ষ মনোভাবেৰে অসম চৰকাৰে ১৯৫০ চনলৈ প্ৰায় ২,৩৫,০০০ শৰণাৰ্থীক সংস্থাপন দিছিল আৰু তাৰে ১০,০০০ লোকে অসমত মাটিও লাভ কৰিছিল। তৎসত্ত্বেও অধিক শস্য উৎপাদনৰ স্বাৰ্থত শৰণাৰ্থীক মাটি প্ৰদান কৰাৰ ক্ষেত্ৰত নেহৰু চৰকাৰ আঁকোৰগোঁজ আছিল। প্ৰাদেশিক গণতান্ত্ৰিক চৰকাৰখন তথা স্থানীয় কৃষকৰ স্বাৰ্থক অৱজ্ঞা কৰি হ'লেও ভাৰত চৰকাৰে অসমৰ খালী হৈ পৰি ৰোৱা ভূমিত শৰণাৰ্থীক সংস্থাপন দিবলৈ বদ্ধপৰিকৰ হৈ পৰা দেখা গৈছিল।

এওঁলোকে ন-বসতি স্থাপন কৰিছে বুলি এচাম লোকে সন্দেহ প্ৰকাশ কৰে।

● ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম-বংগ-উৰিষ্যা অঞ্চলৰ সংগঠক শ্ৰীযুত একবাথজী ৰাণাদে গুৱাহাটীৰ এখন ৰাজহুৱা সভাত সংঘৰ উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰে। মহাত্মা গান্ধীৰ হত্যাৰ দোষ সংঘৰ ওপৰত জাপি দিয়াত তেওঁ দুখ প্ৰকাশ কৰি তেওঁ ইয়াক সংঘৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ বুলি অভিহিত কৰে।

● অসম প্ৰাদেশিক জমিয়ত উলেমাৰ বদৰপুৰত হোৱা অধিৱেশনত মৌলানা ছৈয়দ হুছেইন আহমদ মাদানীয়ে সভাপতিত্ব কৰে। স্বাধীনতাৰ পিচত প্ৰথমবাৰৰ কাৰণে হোৱা এই অধিৱেশনত মুছলমানসকলক কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হ'বলৈ তেওঁ আহ্বান জনায়।

জমিয়ত উলেমাৰ এই অধিৱেশনত মাদানীয়ে কয় যে কংগ্ৰেছ অনুষ্ঠানটো অকল হিন্দুৰে নহয়, ই সকলো সম্প্ৰদায়ৰে। তেওঁ কয় যে ইমান দিন মুছলিম লীগৰ দ্বাৰা ভুল বাটেৰে পৰিচালিত হোৱা মুছলমানসকলে এতিয়া ভাৰতৰ সেৱাত নিয়োজিত হোৱা উচিত, কিয়নো ভাৰতৰ ভাল-বেয়াৰ লগত তেওঁলোকৰ ভাগ্যৰ ঘনিষ্ঠ সম্বন্ধ ঘটিল। অধিৱেশন মুকলি কৰি মৌলানা নুৰুদ্দিন বিহাৰীয়ে সাম্প্ৰদায়িক বিদ্বেষৰ প্ৰচাৰ আৰু দ্বি-জাতি তত্ত্বক তীব্ৰ গৰিহণা দি মুছলমানসকলক পাকিস্তানৰ সপোন পৰিহাৰ কৰি ভাৰতৰ সেৱাত আত্মনিয়োগ কৰিবলৈ কয়। বিহাৰীয়ে আৰু কয় যে মুছলিম লীগৰ কাৰণে দেশখন খণ্ড-বিখণ্ড হ'ল আৰু ওচৰ-চুবুৰীয়াসকল হ'ল শত্ৰু। ভাৰতীয় পাৰ্লিয়ামেণ্টৰ সদস্য হাফিজুৰ ৰহমানেও সভাত বক্তৃতা দিয়ে। সমগ্ৰ অসমৰ প্ৰায় দহ হেজাৰ মুছলমান আৰু অনেক হিন্দুৱে সভাত যোগ দিয়ে। ফখৰুদ্দিন আলী আহমেদ, অসমৰ কৃষি মন্ত্ৰী আব্দুল মতলিব মজুমদাৰ, বৈদ্যনাথ মুখাৰ্জী প্ৰমুখ্যে কংগ্ৰেছ নেতাসকল এই অধিৱেশনত উপস্থিত আছিল।

সংবিধান সভা আৰু অসম

ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ সময়ছোৱাত আকস্মিকভাৱে আৰু অতি ক্ষিপ্ৰতাৰে প্ৰাদেশিক স্বায়ত্ততাৰ বিষয়টোক তল পেলাই এখন অতি কেন্দ্ৰিক ভাৰতবৰ্ষ গঢ়াৰ আৰ্হিটো গঢ়ি তোলা হৈছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনত প্ৰাদেশিক স্বায়ত্ততাৰ প্ৰসংগটোৱে অধিক গুৰুত্ব লাভ কৰিছিল আৰু সেয়েহে সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰদেশবোৰে এই বিষয়টোত অধিক গুৰুত্ব দিব বিচাৰিছিল। ১৯৪৭ চনৰ ৬ জুনত সংবিধান প্ৰস্তুতি সভাৰ (গণ পৰিষদ) কেন্দ্ৰীয় সংবিধান প্ৰস্তুতি সমিতিৰ এখন বৈঠক বহে। এই বৈঠকত সভাপতিত্ব কৰিছিল সমিতিৰ

১২ জানুৱাৰী : অৰ্থনৈতিক সংকট দূৰ কৰিবৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ ওচৰত প্ৰায় এক কোটি টকা ঋণ বিচাৰে। ভাৰত চৰকাৰে অসমক দিব খোজা যুদ্ধোত্তৰ সাহায্য সম্পূৰ্ণভাৱে বন্ধ কৰি দিয়া বাবেই এই ঋণ বিচৰা হৈছে।

১৬ জানুৱাৰী : অল ইণ্ডিয়া ৰেডিঅ'ৰ শ্বিলং-গুৱাহাটী কেন্দ্ৰই 'ভাৰতৰ প্ৰজাতন্ত্ৰ' শিতানত এলানি নতুন আলোচনা আৰম্ভ কৰিবলৈ যো-জা কৰে। ১৮ জানুৱাৰীত 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ' বিষয়ে কৈ অমিয় কুমাৰ দাসে এই আলোচনা মুকলি কৰে।

১৭ জানুৱাৰী : ভাৰত চৰকাৰে পৰিশোধিত আকাৰত 'জন গণ মন' গীতটোক ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰাৰ এক পৰিকল্পনা গ্ৰহণ কৰে। এই পৰিশোধন হ'লে পূৰ্বৰ 'পঞ্জাবসিন্ধু গুৰ্জৰ মাৰাঠা-দ্ৰাবিড় উৎকল বংগ বিন্ধ্য হিমাচল যমুনা গংগা উচ্ছল জলধি তৰংগ'ৰ সলনি নতুনকৈ হ'ব 'কামৰূপ পঞ্জাব মাৰাঠা গুৰ্জৰ দ্ৰাবিড় বংগ উৎকল বিন্ধ্য হিমাচল যমুনা গংগা জলধি তৰংগ'।

- নগা নেচনেল কাউন্সিলৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য এ জেদ ফিজোৰ নেতৃত্বত চাৰিজনীয়া শুভেচ্ছা মিছন এটিয়ে গৱৰ্ণৰ জেনেৰেল চি ৰাজাগোপালচাৰীক সাক্ষাৎ কৰিবলৈ দিল্লীত উপস্থিত হয়।

১৮ জানুৱাৰী : পূব পাকিস্তানৰ ৰে'লপথেদি ভাৰতীয় মাল চলাচল নিষিদ্ধ। ভাৰত অভিমুখে প্ৰেৰিত বস্তু-বাহিনীসহ এহেজাৰ দবা পাকিস্তানত জব্দ। অসমক অৱৰুদ্ধ কৰিবলৈ পাকিস্তানৰ চেষ্টা।

- বৰপেটাৰ ছাব ডিভিজনেল অফিচাৰ এ হুছেইনে অনতিপলমে বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাব বুলি ঘোষণা কৰে।

১৯ জানুৱাৰী : পূব পাকিস্তানৰ পৰা ভাৰতীয় ডমিনিয়নলৈ ১৯-২০ দিন দোভাগ নিশা পাকিস্তানে 'থ্ৰু টিকট' বন্ধ কৰাৰ প্ৰস্তাৱ লোৱাৰ পিচত আৰু পাকিস্তানলৈ বা পাকিস্তানৰ মাজেদি 'থ্ৰু টিকট' নেবেচিবলৈ পাকিস্তানে ভাৰত চৰকাৰক অনুৰোধ

সভাপতি জৱাহৰলাল নেহৰুৱে। বৈঠকত প্ৰস্তাৱ লোৱা হ'ল যে স্বাধীন ভাৰতৰ যিখন সংবিধান হ'ব, সেইখন কেন্দ্ৰীভূত ফেডাৰেল ৰাষ্ট্ৰৰ সংবিধান হ'ব। এই প্ৰস্তাৱটোৱে প্ৰদেশসমূহৰ স্বায়ত্ততাৰ বিষয়টোক প্ৰত্যক্ষভাৱে দুৰ্বল কৰিব বিচাৰিছিল আৰু ইয়াৰ জৰিয়তে স্ব-শাসিত ফেডাৰেল প্ৰদেশবোৰৰ সলনি কেন্দ্ৰৰ দ্বাৰা পূৰ্ণভাৱে নিৰ্দেশিত এটা ব্যৱস্থাৰ ওপৰত জোৰ দিয়া হৈছিল। আমেৰিকান সংঘীয়বাদৰ (আমেৰিকান ফেডাৰেল ব্যৱস্থাটোত দেশখনৰ প্ৰদেশবোৰক নিজাববীয়া সংবিধান ৰচনা কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে। সেই অৰ্থত আমেৰিকা যুক্তৰাষ্ট্ৰক স্বতন্ত্ৰ প্ৰদেশবোৰৰ এটা সংঘ বুলি অভিহিত কৰা হয়) বিপৰীতে এক কেন্দ্ৰ নিৰ্ভৰশীল অৰ্ধ-সংঘীয়বাদৰ বিষয়টোত সৰ্বাধিক গুৰুত্ব দিছিল জৱাহৰলাল নেহৰু প্ৰমুখ্যে কংগ্ৰেছৰ শীৰ্ষ পৰ্যায়ৰ ভালেমান নেতাই। ৬ জুনৰ বৈঠকৰ পিচদিনাখন কেন্দ্ৰ আৰু প্ৰদেশ সংবিধান সমিতিৰ এখন যুক্ত বৈঠক বহিল। ইয়াৰ আগলৈকে প্ৰদেশবোৰৰ সংবিধান ৰচনাৰ বিষয়টোৱে তাৎপৰ্য লাভ কৰি আহিছিল যদিও আকস্মিকভাৱে ৭ জুনৰ যুক্ত বৈঠকত কেন্দ্ৰীয় সংবিধান সমিতিৰ মতকেই প্ৰাদেশিক সংবিধান সমিতিয়ে মানি ল'ব বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। এটা নিশাৰ ভিতৰতে ভাৰতবৰ্ষ এখন কেন্দ্ৰীভূত ফেডাৰেল ৰাষ্ট্ৰ হৈ পৰিল। প্ৰাদেশিক স্বায়ত্ততাৰ সলনি কেন্দ্ৰই সংবিধানৰ বিধিবোৰ এনেভাৱে প্ৰস্তুত কৰিলে— যাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে আইনৰ জৰিয়তে প্ৰদেশবোৰৰ সকলো বিষয়কে নিজৰ হাতলৈ লৈ অনাৰ কৰ্তৃত্ব লাভ কৰিলে। গোপীনাথ বৰদলৈকে ধৰি বহু প্ৰদেশৰ প্ৰাদেশিক নেতাসকলে ভাবিছিল যে কেন্দ্ৰীয় চৰকাৰে বৈদেশিক নীতি, প্ৰতিৰক্ষা আৰু বহিঃবাণিজ্য আদি কেইটামান বিষয়হে নিজৰ হাতত ৰাখিব আৰু বাকী বিষয়বোৰ প্ৰদেশবোৰৰ হাততে এৰি দিব। কেন্দ্ৰীয় বিষয়বোৰৰ বাবে কেন্দ্ৰই ৰাজ্যসমূহৰ পৰা কৰ-কাটল আদি উঠাব বুলি ভবা হৈছিল। কিন্তু বাস্তৱত সেই আশা কাৰ্যকৰী কৰা নহ'ল। সংবিধান প্ৰস্তুতিৰ সময়ত

কৰাৰ পিচত অসম ৰে'লৱেই আজিৰে পৰা থ্ৰু টিকট বন্ধ কৰি দিয়ে। ইতিমধ্যে নতুন সংযোগ পথেদি মালবস্তুৰ সৰবৰাহ আৰম্ভ হোৱা হেতুকে এনে টিকট বন্ধৰ সিদ্ধান্তত অসমৰ ৰপ্তানিত বিশেষ প্ৰভাৱ নপৰিব বুলি অনুমান কৰা হৈছে।

২০ জানুৱাৰী ঃ কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰশ্ন সদায়েই আওকাণ কৰে বুলি মঃ ছাদুল্লাৰ অভিমত ঃ

চীফ জাষ্টিচ মিঃ থাজগিৰ সভাপতিত্বত বহা কটন কলেজৰ অৰ্থনৈতিক এছ'চিয়েচনত নতুন ভাৰতীয় সংবিধান সম্পৰ্কে দিয়া বক্তৃতাত সংবিধান সভাৰ সদস্য মঃ ছাদুল্লাই কয়—'যেতিয়াই অসমৰ প্ৰশ্ন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰা হয়, তেতিয়াই কেন্দ্ৰীয় চৰকাৰে অসমৰ সকলো কথাকে আওকাণ কৰে। যদি অনতিপলমে কেন্দ্ৰীয় চৰকাৰে অসমক আৰ্থিক সাহায্য নিদিয়ে তেনেহ'লে অসমৰ অৱস্থা অতি শোচনীয় হ'ব আৰু যদি ভাৰত চৰকাৰে ইয়াৰ অন্যথা কৰে তেন্তে অসমৰ জনসাধাৰণে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে যাবলৈকো কুণ্ঠিত নহ'ব। ঠিক এনে এটা পৰিস্থিতি উদ্ভৱ হ'লে উত্তৰ-পূব সীমান্তত বাঢ়ি অহা কমিউনিজমৰ জোৱাৰ অসমলৈকো বৈ অহাৰ সম্পূৰ্ণ সম্ভাৱনা আছে।' অসমৰ পৰা চাহ, পেট্ৰ'ল, মৰাপাট আদিৰ যি কৰ উঠে, সেই কৰৰ অংশ অসমে ন্যায্যভাৱে কেন্দ্ৰৰ পৰা নাপায় বুলি ছাদুল্লাই আক্ষেপ কৰে। অসমৰ বুকুত চাহখেতি কৰি সেই চাহ বিক্ৰীৰ আয়কৰ বংগৰ চৰকাৰখনে পোৱাটো এক ঘোৰ অন্যায় বুলি মত পোষণ কৰে তথা অসমৰ চাহৰ বাবে অসমত আয়কৰ দিয়াৰ সপক্ষে মত দাঙি ধৰে।

● লোকেল ব'ৰ্ডৰ নিৰ্বাচন ১০ মে'লৈ পিচুৱাই দিয়া হয়। প্ৰথমতে চৰকাৰে ১০ মাৰ্চৰ আগতে প্ৰদেশৰ সকলো লোকেল ব'ৰ্ড নিৰ্বাচন শেষ কৰিবলৈ সিদ্ধান্ত লৈছিল যদিও সমষ্টি নিৰ্ধাৰণৰ আসোঁৱাহৰ সংশোধনৰ বাবে নিৰ্বাচন পিচুৱাই দিয়া হয়।

●১৯৪৯ চনৰ গৱৰ্নমেণ্ট ইষ্টেটছ আইন অনুসৰি গোৱালপাৰা জিলাৰ

দেশত অৰ্থাভাৱৰ কথাটো মন্ত্ৰালয়বোৰে সঘনে উত্থাপন কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়ে কেন্দ্ৰীয় সংবিধান প্ৰস্তুতি সমিতিক এখন শক্তিশালী কেন্দ্ৰ গঢ়ি তোলাত উদগনি যোগালে। শক্তিশালী কেন্দ্ৰীভূত ফেডাৰেল ব্যৱস্থাটোত প্ৰদেশৰ সকলো প্ৰাকৃতিক সম্পদ কেন্দ্ৰৰ হাতলৈ গ'ল। যি উদ্দেশ্যৰে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলবোৰে এক সাৰ্বজনীন স্বাৰ্থজড়িত আন্দোলনত জঁপিয়াই পৰিছিল সেই উদ্দেশ্যকে সংবিধানখনৰ দফাবোৰে অসাৰ কৰি তুলিলে। প্ৰাকৃতিক সম্পদবোৰ কেন্দ্ৰৰ হাতলৈ যোৱাৰ ফলত ৰাজ্যবোৰে যৎসামান্য ৰয়েল্টী লাভ কৰিলে আৰু এই সম্পদবোৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰভুত্ব নিশ্চিত হৈ পৰিল।

১৯৩৫ চনতে স্বাধীন ভাৰতত কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক কেন্দ্ৰীয় আধিপত্যবাদৰে প্ৰভাৱিত হ'ব বুলি শংকা পুহি ৰখা গোপীনাথ বৰদলৈৰ বাবে এই প্ৰভুত্ব সঁচাকৈয়ে আছিল অতি বেদনাদায়ক। ১৯৪০-৪১ চনতে যোৰহাট কাৰাগাৰত থাকোঁতে গোপীনাথ বৰদলৈয়ে সতীৰ্থসকলৰ সৈতে লগ লাগি ভৱিষ্যতে অসমৰ প্ৰাদেশিক সংবিধানখন কেনে হ'ব সেই বিষয়ে চিন্তা-চৰ্চা কৰিছিল। ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ সময়ছোৱাত প্ৰাদেশিক সংবিধান ৰচনা কৰা প্ৰস্তাৱটোকে জলাঞ্জলি দিয়া হ'ল। তদুপৰি সংবিধানৰ সপ্তম অনুসূচীত থকা সংঘসূচী (Union list), ৰাজ্যসূচী (State list) আৰু সমৱৰ্তীসূচী (Concurrent list) আদিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃত্বক স্বীকাৰ কৰি লোৱা হ'ল। বিশেষকৈ সমৱৰ্তীসূচীত থকা বিষয়বোৰত ৰাজ্য আৰু কেন্দ্ৰৰ উভয়কে বিধি প্ৰস্তুত কৰাৰ ক্ষমতা দিয়া হ'ল যদিও বিধিবোৰৰ সংঘাত হ'লে কেন্দ্ৰীয় বিধিখনৰ কৰ্তৃত্ব বাহাল থাকিব বুলি কোৱা হ'ল। এক সুস্থ সংঘীয়বাদ গঢ়াৰ ক্ষেত্ৰত এনে প্ৰৱণতা নিঃসন্দেহে আদৰণীয় নাছিল।

অসমৰ সমস্যা সম্পৰ্কে জৱাহৰলাল নেহৰু প্ৰথমৰে পৰা উদাসীন আছিল বুলি ক'ব পাৰি। অসমৰ পতিত মাটিত অধিক শৰণাৰ্থীক সংস্থাপন

ছুখন ডাঙৰ জমিদাৰীৰ ভাৰ কৰ্ট অৱ্ ৱাৰ্ডছে গ্ৰহণ কৰে।

• অসমৰ খনিজ সম্পদ নতুনকৈ জৰীপ কৰিবলৈ কুলধৰ চলিহাৰ ভাৰত চৰকাৰক অনুৰোধ ঃ

ভাৰতীয় সংসদৰ সদস্য কুলধৰ চলিহাই ভাৰত চৰকাৰৰ খনি, বিদ্যুৎ আৰু শিল্প মন্ত্ৰী শ্ৰীযুত এন ডি গেদগিললৈ এখন চিঠি লিখি অসমৰ খনিজ সম্পদৰ বিষয়ে ব্ৰিটিছৰ দিনৰ ৰিপৰ্টৰ ওপৰত নিৰ্ভৰ নকৰি নতুনকৈ জৰীপ কাৰ্য চলাবলৈ অনুৰোধ জনায়। অসমৰ পাৰ্বত্য অঞ্চলত কিবা এক ভৌগোলিক পৰিবৰ্তন হোৱা বুলি সন্দেহ প্ৰকাশ কৰি গোটেইবোৰ কথা জিঅ'ল'জিকেল ছাৰ্ভে অৱ্ ইণ্ডিয়াই অধ্যয়ন কৰিব লাগে বুলি চলিহাই গেদগিলক অনুৰোধ কৰে।

২৫ জানুৱাৰী ঃ নতুন অসম ৰে'লৰে সংযোগ পথৰ উদ্বোধন। অসমৰ গৱৰ্নৰে সন্ধিয়া ৬ বজাত আমিনগাঁৱৰ পৰা যাত্ৰা কৰা প্ৰথম যাত্ৰীবাহী ৰে'লখন উদ্বোধন কৰে। কলিকতা আৰু আমিনগাঁৱৰ মাজত চলা এই গাড়ীখনৰ নাম 'আছাম লিংক এক্সপ্ৰেছ'।

২৬ জানুৱাৰী ঃ ভাৰতৰ ইতিহাসত নতুন যুগ সূচনাৰ চিৰস্মৰণীয় দিন গণৰাজ্য দিৱস গুৱাহাটীত পালন ঃ

ৰাইজৰ উলহ-মালহৰ মাজত শ্বিলঙত গণৰাজ্য দিৱস পালন। খাদ্য মন্ত্ৰী অমিয় কুমাৰ দাসে জিলা কংগ্ৰেছ অফিচত আনুষ্ঠানিক পতাকা উত্তোলন কৰে। শ্বিলং ডিষ্ট্ৰিক্ট জে'লৰ পৰা ৩১জন বন্দীক খালাচ দিয়া হয়। চৰকাৰী বাসভৱনত হোৱা এক অনুষ্ঠানত অসমৰ ৰাজ্যপাল শ্ৰীপ্ৰকাশে শপত গ্ৰহণ কৰে। শপত গ্ৰহণ কৰায় অসম উচ্চ ন্যায়ালয়ৰ অস্থায়ী ন্যায়াধিপতি মিঃ জাষ্টিচ মাদানিয়ে। গুৱাহাটীত হাজাৰ হাজাৰ নগৰবাসীৰ আনন্দ-উল্লাস, নৱ উদ্দীপনাৰ মাজেৰে গণৰাজ্য দিৱস পালন কৰা হয়। জজ ফিল্ডত হাজাৰ-বিজাৰ জনগণৰ সমাবেশত 'বন্দে মাতৰম', গোৱাৰ পিচত ঠিক ১০-১৫ মিনিটত কামৰূপৰ ডেপুটী কমিছনাৰ অঘোৰনাথ ভট্টাচাৰ্যই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে আৰু

দিয়াৰ বাদে নেহৰুৱে অসমক লৈ আন একো চিন্তা-চৰ্চা কৰা নাছিল। ১৯৫০ চনত তেওঁ পাকিস্তানক সন্তুষ্ট ৰখাৰ স্বাৰ্থত অসমৰ প্ৰব্ৰজন নিয়ন্ত্ৰণ আইনখন স্থগিত ৰাখিলে। ১৯৪৭ চনৰ পৰা ১৯৫০ চনৰ ভিতৰত অসমৰ প্ৰাকৃতিক সম্পদক আধাৰ কৰি কোনোধৰণৰ উদ্যোগ স্থাপনৰ পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰে নকৰিলে। পৰৱৰ্তী সময়ত প্ৰতিটো উদ্যোগ স্থাপনৰ ক্ষেত্ৰত অসমে আন্দোলন কৰিবলগীয়া হোৱা কথাটোৱে এই ঐতিহাসিক অনাদৰৰ কথাটোকে সাব্যস্ত কৰিছে।

বিত্তীয় সাহায্য অথবা অনুদানৰ ক্ষেত্ৰতো অসম স্বাধীনতাৰ সময়ৰে পৰা বঞ্চিত হ'ব লগা হৈছিল। ব্ৰিটিছ ভাৰতৰ সময়ত অসমৰ দাবী মানি লৈ অসমৰ ঘাটি বাজেট বছৰি ৬৫ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ১৯৩৫-৩৬ বছৰটোৰ বাজেটৰ ওপৰত ভিত্তি কৰি ছাৰ অটো নীমায়েৰ কমিছনে অসমৰ ঘাটিৰ পৰিমাণ বছৰি ৪৭ লাখলৈ কমাই দিলে। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি আয়কৰ ৰপ্তানি শুল্ক আৰু আবকাৰী শুল্কৰ পৰা অহা ৰাজহ কেন্দ্ৰ আৰু প্ৰদেশবোৰৰ মাজত ভাগ কৰিবলৈ ব্যৱস্থা কৰাত অসমে ঘাটি বাজেটৰ পৰিপূৰক হিচাপে পাই অহা ৪৭ লাখ টকা কৰ্তন কৰা হ'ল। ইয়াৰ বিপৰীতে অসমক বছৰি ৩০ লাখ টকা আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল যি সময়ত ভাৰত চৰকাৰে অসমৰ উৎপন্ন সামগ্ৰীৰ পৰা বছৰি ৭ কোটিৰ পৰা ১০ কোটি টকা উপাৰ্জন কৰিছিল, সেই সময়ত অসমে বছৰেকীয়া সাহায্য লাভ কৰিছিল মাথোঁ ৩০ লাখ টকা। একেদৰে অসমৰ খনিজ তেলৰ আবকাৰী শুল্কৰ পৰাই কেন্দ্ৰই বছৰি ২ কোটি টকা লাভ কৰাৰ বিপৰীতে অসমে ৰয়েল্টীৰ বাবদ লাভ কৰিছিল মাথোঁ ৬ লাখ টকা। অসম চৰকাৰে অসমৰ আৰ্থিক ব্যৱস্থা উন্নয়নৰ বাবে স্বৰাজোত্তৰ কালত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল। বৰদলৈ মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি অসমৰ খনিজ তেল আৰু চাহপাতৰ ৰপ্তানি কৰৰ ৭৫ শতাংশ আৰু

জনতাই পতাকাক অভিবাদন জনায়। পতাকা উত্তোলনৰ পিচতে এডিচনেল পুলিচ ছুপাৰিনটেনডেণ্টৰ পৰিচালনাত নেচনেল কেডেট ক'ৰ আৰু পুলিচ বাহিনীয়ে কুচকাৱাজ কৰে তথা পতাকাৰ প্ৰতি সন্মান দৰ্শাবলৈ পুলিচ বাহিনীয়ে কেইবাজাঁই গুলীবৰ্ষণ কৰে। ৰাতিপুৱা গুৱাহাটী জে'লৰ পৰা ১৪১জন বন্দীক মুক্তি দিয়া হয়।

• শ্বিলঙৰ চৰকাৰী ভৱনত মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে শপত গ্ৰহণ কৰে। ৰাজ্যপালে এই অনুষ্ঠান পৰিচালনা কৰে। শপত লোৱা অন্যান্য মন্ত্ৰীসকল হৈছে— বিষ্ণুৰাম মেধি, ৰেভাৰেণ্ড জে জে এম নিকলছ ৰয়, ৰামনাথ দাস, ৰূপনাথ ব্ৰহ্ম, অমিয় কুমাৰ দাস আৰু মৌলানা আব্দুল মতলিব মজুমদাৰ।

• অসমৰ সৈতে ২৫খন খাছী ৰাজ্য চামিল। এই খাছী ৰাজ্যবিলাক আৰু খাছীয়া জয়ন্তীয়া পৰ্বতীয়া জিলা স্বায়ত্তশাসিত অঞ্চল হিচাপে অসমৰ ভিতৰতে থাকিব। এই জিলাৰ নাম হ'ল সন্মিলিত খাছীয়া জয়ন্তীয়া পৰ্বতীয়া জিলা।

• দৈনিক অসমীয়াৰ ভূতপূৰ্ব সম্পাদক হৰেন্দ্ৰনাথ বৰুৱাৰ সম্পাদনাত তিনিদিনীয়া বাতৰি কাকত 'ৰাইজ' প্ৰকাশ।

২৮ জানুৱাৰী ঃ আছাম লিংক এক্সপ্ৰেছৰ দুৰ্ঘটনা। লাইনচ্যুত হোৱাৰ বাবে এজন মানুহৰ মৃত্যু হয় আৰু ১৫ জনে সামান্যভাৱে আঘাত পায়।

৩০ জানুৱাৰী ঃ শ্বিলঙত মহাত্মা গান্ধীৰ দ্বিতীয় মৃত্যুবাৰ্ষিকী পালন। গুৱাহাটীৰ শুক্ৰেশ্বৰঘাটত মহাত্মা গান্ধীৰ মৃত্যুবাৰ্ষিকী পালন উপলক্ষে এখন সভাত সভাপতিত্ব কৰে ৰাজ্যপাল শ্ৰীপ্ৰকাশে।

৩১ জানুৱাৰী ঃ অসমৰ উদ্যোগত ৰাজ্যিক স্বামিত্বৰ নীতি পৰিহাৰ। কাগজৰ কল বহুৱাবলৈ বে-চৰকাৰী উদ্যোগীলৈ আহ্বান ঃ

১৯৪৬ চনৰ আগষ্ট মাহৰ ২৬ তাৰিখৰ ইস্তাহাৰত ঘোষিত অসম চৰকাৰৰ ঔদ্যোগিক নীতি অনুযায়ী সেই ইস্তাহাৰৰ অনুসূচীত উল্লিখিত কাগজ, কাপোৰ, চেনি প্ৰভৃতি কিছুমান উদ্যোগ পূৰাকৈ বা

অসমৰ আনবোৰ সামগ্ৰীৰ পৰা উঠা আবকাৰী শুল্কৰ ৫০ শতাংশ পৰ্যাপ্ত বাৰ্ষিক সাহায্যৰ সৈতে ভাৰত চৰকাৰে অসমক দিব লাগে। এনে কৰিলেহে ৬০,০০০ বৰ্গমাইলজোৰা বৃহৎ অঞ্চলটোৰ প্ৰগতি সম্ভৱপৰ হ'ব।

খচৰা সংবিধানৰ ওপৰত আলোচনা চলি থকাৰ সময়ত তেতিয়া তাৰ এক দফাত (সংবিধানৰ ২৭২নং অনুচ্ছেদত কোৱা হৈছিল যে যিবোৰ কৰ ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰে তথা তাক সংগ্ৰহ কৰে সেইবোৰ কৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত বিতৰণ কৰিব পৰা যাব। এই অনুচ্ছেদটি ২০০০ চনৰ ৮০সংখ্যক সংবিধান সংশোধনৰ জৰিয়তে বিলোপ কৰা হৈছে) কোৱা হ'ল যে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে প্ৰস্তাৱ কৰা ধৰণে শুল্কৰ পৰা অহা ধন কেন্দ্ৰ আৰু প্ৰদেশৰ মাজত বিতৰণ তেতিয়াহে কৰিব পৰা যাব, যদিহে কেন্দ্ৰীয় সংসদে সেই ধৰণে আইন প্ৰস্তুত কৰে। সংবিধান প্ৰস্তুতি সভাৰ এগৰাকী বিশিষ্ট সদস্য গোপীনাথ বৰদলৈয়ে অনুচ্ছেদটোৰ এই ব্যাখ্যাৰ বিৰোধিতা কৰি ক'লে যে এনেধৰণৰ ভাগ-বিতৰণ বাধ্যতামূলক হ'ব লাগিব আৰু ৰাজ্যবোৰে এনে অৰ্থ লাভৰ ক্ষেত্ৰত কেন্দ্ৰীয় সংসদৰ ওপৰত নিৰ্ভৰশীল হ'ব নোৱাৰে। তেওঁ লগতে প্ৰস্তাৱ দিলে যে অনুচ্ছেদটো এনেভাৱে সলনি কৰিব লাগে যাতে পেট্ৰ'লিয়াম আৰু কেৰাচিন উৎপন্ন কৰা প্ৰদেশবোৰে আবকাৰী শুল্কৰ জৰিয়তে সংগ্ৰহ কৰা ধনৰ সত্তৰ শতাংশ লাভ কৰিব পাৰে। একেদৰে মৰাপাট বা মৰাপাটেৰে গঢ়া সামগ্ৰীৰ ওপৰত আৰোপ কৰা ৰপ্তানি শুল্কৰ ৬২ শতাংশ বা ততোধিক উৎপন্নকাৰী প্ৰদেশবিলাকলৈ উভতি যাব লাগে তথা চাহ উৎপাদনকাৰী ৰাজ্যই চাহ ৰপ্তানি শুল্কটো ৭৫ শতাংশ বা ততোধিক লাভ কৰাটো উচিত বুলি বৰদলৈয়ে সংবিধান সভাত নিজৰ মতামত দাঙি ধৰিলে।

১৯৪৯ চনৰ ২১ জুলাইৰ পৰা ২৯ জুলাইলৈকে খচৰা সমিতিৰ সদস্য তথা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ সৈতে বিতৰ্কমূলক বিধানসমূহৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰদেশসমূহৰ মুখ্যমন্ত্ৰীসকলক নিমন্ত্ৰণ জনোৱা হ'ল।

আংশিকভাৱে ৰাজ্যিক স্বামিত্বৰ অধীনলৈ যাব বুলি চৰকাৰে যি নীতি লৈছিল সেই নীতি বিত্তীয় বেমেজালিৰ কাৰণে অসম চৰকাৰে পৰিত্যাগ কৰিবলৈ বাধ্য হয়। চৰকাৰে এই খণ্ডবোৰত ব্যক্তিগত বা বে-চৰকাৰী উদ্যমৰ জৰিয়তে উদ্যোগ স্থাপন হোৱাত উৎসাহ যোগাব বুলি ঘোষণা কৰে। অসম চৰকাৰে সেই উদ্দেশ্যে ন্যায়সংগত সকলো সুবিধা দিবলৈ সাজু আছে বুলি ঘোষণা কৰে।

১ ফেব্ৰুৱাৰী ঃ ১৯৪১চনৰ ১৫আগষ্টৰ পৰা ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ আগভাগলৈ পূব-বংগৰ পৰা প্ৰায় চাৰে চাৰি লাখ মুছলমান পমুৱা আহি অসম সোমাইছে বুলি ভাৰতীয় সংসদত প্ৰকাশ। অসমৰ এই অৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এখন অধ্যাদেশ প্ৰত্যাখ্যান কৰে। প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰুৱে সংসদত এটা প্ৰশ্নৰ উত্তৰত পশ্চিম বংগত লানি নিছিগাকৈ সোমোৱা হিন্দুসকলৰ বিষয়ে পাকিস্তান চৰকাৰক ব্যৱস্থা ল'বলৈ আহ্বান জনাব বুলি সদৰী কৰে।

৩ ফেব্ৰুৱাৰী ঃ অসমৰ সাংসদসকলে ভাৰতৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি অসমক অতিৰিক্ত অন্তৰ্বতী মজুৰি দিবলৈ আৰু সংসদৰ এই অধিৱেশনত এখন বিল উত্থাপন কৰি সংবিধানৰ ব্যৱস্থানুসাৰে অৰ্থ কমিছন গঠন কৰি দিবলৈ আবেদন জনায়। লগতে অসমৰ ন্যায্য আৰু অত্যাৱশ্যকীয় অভাৱ পূৰণৰ সুবিধা দিবৰ কাৰণে দেশমুখ ৰায়ৰ আয়কৰ আৰু মৰাপাট ৰপ্তানি শুল্কৰ বিতৰণ প্ৰস্তাৱ নাকচ কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীৰ আগত আবেদন কৰে।

- ৩ ফেব্ৰুৱাৰীৰ নিশা লামডিং ষ্টেচনৰ ওচৰত দুৰ্বৃত্তৰ দ্বাৰা বদৰপুৰমুখী ১৪৪নং যাত্ৰীবাহী ৰে'লগাড়ীখনত আক্ৰমণ। ১২জন যাত্ৰী আহত।

৫ ফেব্ৰুৱাৰী ঃ অসমৰ পৰ্বতীয়া অঞ্চলৰ ৰাস্তা-পদূলিৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বছৰটিৰ বাবে ৮ লাখ টকা মঞ্জুৰ কৰে। সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত থকা ব্যৱস্থাৱলী অনুসাৰে এই টকা মঞ্জুৰ কৰা হৈছে।

৬ ফেব্ৰুৱাৰী ঃ প্ৰায় ৫০০ ভগনীয়াই

বিত্তীয় বিধিবোৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে এনে এক স্থিতি গ্ৰহণ কৰিলে, যাৰ ফলত প্ৰদেশবোৰৰ দাবীসমূহক একেবাৰে উপৰুৱা দৃষ্টিৰে গ্ৰহণ কৰা এক প্ৰৱণতা উক্ত সভাত স্পষ্ট হৈ পৰিল। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীজনে মৰাপাট ৰপ্তানি শুল্ক মৰাপাট উৎপাদন কৰা প্ৰদেশবোৰৰ সৈতে ভগাই ল'বলৈ অমান্তি প্ৰকাশ কৰিলে। কিয়নো এনে কৰিলে অসম আৰু মাদ্ৰাজে (বৰ্তমানৰ তামিলনাডুৱে) চাহ ৰপ্তানি শুল্কৰ ভাগ লাভ কৰিব। বৰঞ্চ মন্ত্ৰালয়ে উৎপাদন কৰা প্ৰদেশবোৰক নিৰ্দিষ্ট সময়ৰ বাবে ক্ষতিপূৰণ দিয়াৰহে পোষকতা কৰিলে। একেদৰে প্ৰাদেশিক বিক্ৰী কৰ, প্ৰাদেশিক চৰকাৰী স্থাৱৰ সম্পত্তি আদিৰ পৰা কেন্দ্ৰীয় চৰকাৰে পাব পৰা আয় সম্পৰ্কতো অসম চৰকাৰে বিভিন্নধৰণৰ বিৰোধ প্ৰকাশ কৰিলে। সংবিধানৰ এই বিত্তীয় দফাবোৰত ৰাজ্যসমূহৰ কৰ্তৃত্বক নেওচি কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃত্ব স্থাপন কৰাৰ প্ৰয়াস কৰা হৈছিল।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে জলবিদ্যুৎ, বিজুলী, পৰিবহণ, পানী পৰিবহণ, যাতায়াত, নৌ ভ্ৰমণ, জলসিঞ্চন, গৃহ নিৰ্মাণ, ধান-চাউলৰ মিল আদি সকলোতে কেন্দ্ৰীয় কৰ বহুৱাব বিচাৰিছিল আৰু একে সময়তে প্ৰাদেশিক চৰকাৰবোৰৰ কৰ বহুৱাব পৰা ক্ষেত্ৰসমূহৰ সংকোচন ঘটাইছিল। প্ৰাদেশিক চৰকাৰবোৰে অধিক মাত্ৰাত কৰ আৰোপ কৰি যাতে স্ব-নিৰ্ভৰশীল হৈ পৰিব নোৱাৰে তাৰ প্ৰতি ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয় প্ৰতিমুহূৰ্তত সতৰ্ক আছিল আৰু সেইবাবে সংবিধানৰ বিত্তীয় বিধিবোৰ প্ৰস্তুত কৰাৰ সময়ত অতি সতৰ্কতাৰে কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা সাব্যস্ত কৰিছিল। ইয়াৰ ফলত ১৯৫০ চনৰ ভাৰতবৰ্ষৰ সংবিধানে কেন্দ্ৰক ১৯৩৫ চনৰ ভাৰত আইনতকৈও অধিক শক্তিশালী কৰি তুলিলে। খনিজ আৰু বনজ সম্পদেৰে ভৰপূৰ অসমে সৰহভাগ সম্পদৰ কৰ্তৃত্ব কেন্দ্ৰৰ হাতত সপিব লগা হ'ল আৰু বিত্তীয় বিধিবোৰৰ বাবে কেৱল ক্ষতিপূৰণ সদৃশ ৰয়েল্টী লাভ কৰিব পাৰিলে। ১৯৪৮ চনৰ তৈল পথাৰ (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইনখনে

নগাঁও চহৰৰ সদৰ ৰাস্তাবোৰেৰে শোভাযাত্ৰা কৰি জুবিলী বাগিচাত এখন সভা পাতে। সভাত পাকিস্তানৰ হিন্দুবিলাকৰ বিলাই-বিপত্তিৰ এক বিৱৰণ দাঙি ধৰা হয়।

৭ ফেব্ৰুৱাৰী ঃ অসমলৈ পঠোৱা মালবস্তু পূব বংগ চৰকাৰৰ দ্বাৰা আটক। প্ৰায় ৭ লাখ টকাৰ চেনি, আটা আদি দ্ৰব্য মুকলি কৰি দিবলৈ অসম চৰকাৰে পূব পাকিস্তানৰ কৰ্তৃপক্ষৰ ওচৰত প্ৰতিবাদ কৰে। ● সাদিনীয়া কাকত 'নতুন অসম'ৰ ওপৰত অসম লোক নিৰাপত্তা আইনৰ বিধান অনুযায়ী ছমাহৰ বাবে নিষেধাজ্ঞা আৰোপ।

১৩ ফেব্ৰুৱাৰী ঃ অসমৰ পৰা অবাঞ্ছিত বহিৰাগতৰ বহিষ্কাৰ সম্বন্ধীয় বিল ভাৰতীয় সংসদত গৃহীত ঃ

অসমৰ পৰা বহিৰাগত লোকসকলক বহিষ্কাৰ কৰিবলৈ উত্থাপন হোৱা বহিৰাগত বিলক লৈ সংসদত যথেষ্ট উত্তেজনাৰ সৃষ্টি হয়। বিহাৰৰ সাংসদ ৰামনাৰায়ণ সিংহই অসমত অনধিকাৰ প্ৰৱেশ কৰা পাঁচ লাখ বহিৰাগতক বাহিৰ কৰি দিবৰ বাবে ছমাহৰ নিৰ্ধাৰিত সময় দাবী কৰে। শ্ৰীযুত ৰোহিণী কুমাৰ চৌধুৰীয়ে বিলখনৰ ওপৰত চলা বিতৰ্ক স্থগিত ৰাখিবলৈ চেষ্টা কৰি ব্যৰ্থ হয়। তেওঁ কয় যে বে-আইনীভাৱে বহিৰাগতক আশ্ৰয় দিয়া মানুহবোৰৰ মাটিৰ পট্টা বাতিল কৰিব লাগে। চৌধুৰীয়ে সংসদত কয় যে অসমৰ সীমা ৰক্ষা কৰাৰ অৰ্থ হৈছে গোটেই ভাৰতবৰ্ষৰ সীমান্ত ৰক্ষা কৰা। অসম চৰকাৰে পাৰপত্ৰৰ প্ৰথা প্ৰৱৰ্তন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আগৰে পৰা অনুৰোধ কৰিছিল যদিও সেই অনুৰোধক গুৰুত্ব নিদিয়াৰ বাবে অসমত পাঁচ লাখ পাকিস্তানী প্ৰৱেশ কৰাটো সম্ভৱপৰ হৈছে। পাকিস্তানীক প্ৰশ্ৰয় দিয়া লোকৰ সম্পত্তি হস্তান্তৰ কৰিবলৈ ৰোহিণী চৌধুৰীয়ে দিয়া পৰামৰ্শক সংসদত অগ্ৰাহ্য কৰা হয়। বিলখন সংসদত গৃহীত হয় আৰু ইয়াত অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে ফৌজদাৰী

কেন্দ্ৰীয় চৰকাৰক অসমে পাব লগা ৰয়েল্টী নিৰ্ধাৰণ কৰাৰ ক্ষমতা প্ৰদান কৰিলে। ফলত ৰয়েল্টী পোৱাৰ ক্ষেত্ৰত অসমে একো দাবী কৰিব নোৱৰা অৱস্থাৰ সৃষ্টি হ'ল। একেদৰে চাহ কোম্পানীবোৰৰ মুখ্য কাৰ্যালয় অসমত নহৈ কলকাতাত হোৱাৰ ফলত কোম্পানীবোৰে পশ্চিম বংগ চৰকাৰকহে আয়কৰ শোধাব লগা হৈছিল। অসমৰ বৃহৎ খেতিভূমি অধিগ্ৰহণ কৰি গঢ় লৈ উঠা চাহ উদ্যোগটোৰ ফলত অসমৰ যিমান লাভ হৈছিল তাতকৈ বহু বেছি লাভ হৈছিল কলকাতাৰ। ৰাজ্যবোৰে নিজ সম্পদবোৰৰ জৰিয়তে স্বতন্ত্ৰ অৰ্থনীতি গঢ়ি তোলাৰ ক্ষেত্ৰত আটাইতকৈ বৃহৎ প্ৰতিবন্ধক হৈ দেখা দিছিল সংবিধানৰ এই বিশেষ বিত্তীয় বিধিবোৰ। সম্ভৱতঃ সংঘীয়বাদ গঢ়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে এক কেন্দ্ৰীভূত শাসনৰ অধীনত বৃহৎ ভাৰতীয় জাতীয়তাবাদ গঢ়িব বিচৰা জৱাহৰলাল নেহৰুৰ নিচিনা নেতাসকলে এনে এখন সংবিধানৰে পোষকতা কৰি আহিছিল। তেওঁলোকৰ এই আশাক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত প্ৰয়োজন আছিল ৰাজ্যসমূহক আৰ্থিক আৰু ৰাজনৈতিকভাৱে দুৰ্বল কৰা। ১৯৫০ চনৰ সংবিধানখনে ঠিক তাকেই কৰিছিল।

স্বাধীনতাৰ পিচত অসমৰ উন্নয়নমূলক আঁচনিবোৰৰ ক্ষেত্ৰতো ভাৰত চৰকাৰে বৈষম্যমূলক দৃষ্টিভংগী লোৱা পৰিলক্ষিত হৈছিল। অসম চৰকাৰে ১৯৪৮-৪৯ৰ কালছোৱাত বিভিন্ন পৰিকল্পনাৰ বাবে ২ কোটি ৫০ লাখ টকা নিৰ্ধাৰণ কৰিছিল যদিও কেন্দ্ৰই তাৰে আধাও দিবলৈ ৰাজি হোৱা নাছিল। গোপীনাথ বৰদলৈয়ে অধিক ধন পোৱাৰ বাবে প্ৰচেষ্টা হাতত লৈছিল, অথচ ইয়াৰ বিপৰীতে বিত্ত মন্ত্ৰালয়ে অসম চৰকাৰক জনাইছিল যে অসমে ১৯৪৯-৫০ বিত্তীয় বছৰটোৰ বাবে ১ কোটি ৫০ লাখতকৈ কম অৰ্থ লাভ কৰিব আৰু ১৯৫০-৫১ বছৰটোৰ বাবদ একোকে নাপাব। ফলত স্বাধীনতাৰ পৰৱৰ্তী বছৰকেইটাত অসমে অভাৱনীয় আৰ্থিক দুৰ্যোগ বহন কৰিব লগা হ'ল। দুগৰাকী মন্ত্ৰী আৰু তিনিগৰাকী সংসদীয় সচিবক

উপবন্ধৰ ব্যৱস্থা ৰখা হয়। যুক্ত প্ৰদেশৰ বালকৃষ্ণ শৰ্মাই বিলখন আংশিক সমৰ্থন কৰি কয় যে বিলখন কাৰ্যকৰী নহয়, কিয়নো দলে-বলে পমুৱাসকলক বাহিৰ কৰি দিবৰ বাবে কৰ্তৃপক্ষক বিলৰ দ্বাৰা কোনো ক্ষমতা দিয়া হোৱা নাই। সেই মানুহবোৰ এটা এটাকৈ বাহিৰ কৰি থাকিব লাগিব।

• অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত প্ৰেছনোটত ভোটাৰ হ'বৰ যোগ্যতা সম্পৰ্কীয় বিধি প্ৰকাশ। ভোটাৰ তালিকাত নামভৰ্তি কৰিবৰ বাবে কোনো ব্যক্তিয়ে আৱাসৰ প্ৰমাণ দিব লাগিব বুলি প্ৰেছনোটত কোৱা হয়। এই প্ৰেছনোট অনুসৰি ভোটাৰ হ'বলৈ হ'লে কোনো ব্যক্তিয়ে ১৯৪৮ চনৰ ৩১ মাৰ্চত শেষ হোৱা বিত্তীয় বছৰটোত অন্ততঃ ১৮০ দিন ধৰি কোনো স্থান বিশেষত বসবাস কৰিব লাগিব।

১৬ ফেব্ৰুৱাৰী ঃ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতা এম এছ গোৱালকাৰৰ অসম ভ্ৰমণ।

• নগাঁও আৰু কামৰূপ জিলাত পমুৱা উচ্ছেদ কাৰ্য পুনৰ আৰম্ভ। দখলকাৰী পমুৱাৰ সৰহভাগেই মুছলমান সম্প্ৰদায়ৰ বুলি প্ৰকাশ।

• গোৱালপাৰাৰ জমিদাৰী দখল সাময়িকভাৱে স্থগিত ৰাখিবলৈ অসম চৰকাৰে গোৱালপাৰাৰ উপায়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰে।

২১ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰে সৰহ শস্য উৎপাদন অভিযানৰ অংশ হিচাপে খেতিয়কসকলৰ মাজত বিলাই দিবৰ কাৰণে প্ৰায় ছহেজাৰ বিঘা চাহ বাগিচাৰ পতিত মাটি দখল কৰে।

২৩ ফেব্ৰুৱাৰী ঃ ভাৰত চৰকাৰৰ খাদ্য দপ্তৰৰ বিশেষ পদাধিকাৰী ষ্টুকে সাংবাদিকক জনায় যে অসমত এই বৰ্ষত উৎপন্ন হোৱা চাউলৰ ৰাহি হোৱা প্ৰায় ৫০ৰ পৰা ৬০হেজাৰ টনপৰ্যন্ত চাউল ভাৰতৰ খাদ্য শস্যৰ ক্ষেত্ৰত অনাটনত ভোগা ৰাজ্যবোৰলৈ প্ৰেৰণ কৰিব পৰা যাব। ষ্টুকে অসমত বছৰি ডেৰ লাখ টন চাউল ৰাহি হয় বুলি প্ৰকাশ কৰে।

২৪ ফেব্ৰুৱাৰী ঃ সংসদৰ ৰে'লৱে

মিতব্যয়িতাৰ কঠোৰ প্ৰণালীয়ে চুলে আৰু তেওঁলোকে অৱসৰ ল'ব লগা হ'ল। বৰদলৈ মন্ত্ৰীসভাৰ মন্ত্ৰীসকলে স্ব-ইচ্ছাৰে তেওঁলোকৰ মাহেকীয়া দৰমহাৰ পৰা চাৰে বাৰ শতাংশ বৰ্জন কৰিলে। অৱশেষত কেন্দ্ৰৰ পৰা বিশেষ সাহায্য নাপাই বৰদলৈয়ে যুদ্ধোত্তৰ অসমৰ আৰ্থিক দুৰ্যোগ প্ৰশমিত কৰাৰ স্বাৰ্থত কেন্দ্ৰৰ পৰা টকা ধাৰে লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ এই আৰ্থিক দুৰ্যোগ বৰদলৈৰ মৃত্যুৰ (১৯৫০) পিচতো অব্যাহত থাকিল।

বাজেটৰ সাধাৰণ বিতৰ্কত অসমৰ সদস্য সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে অসম ৰে'লৱেৰ সদৰ কাৰ্যালয় স্থানান্তৰ নকৰি অসমতে ৰাখিব লাগে বুলি দাবী তোলে। কিছুমান বিষয়াই এই কাৰ্যালয় ভাৰতৰ আন ঠাইলৈ স্থানান্তৰিত কৰাৰ এক ষড়যন্ত্ৰ ৰচিছে বুলিও তেওঁ সংসদত জনায়।

২৫ ফেব্ৰুৱাৰী : কাছাৰক পাকিস্তানৰ ভিতৰুৱা কৰিবৰ এটা গোপন ষড়যন্ত্ৰ চলোৱা হৈছে বুলি কংগ্ৰেছ কৰ্মী তথা ছাত্ৰৰ এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ। ৪০জন ছাত্ৰ কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ।

২৬ ফেব্ৰুৱাৰী : ১৯৫২ চনৰ পৰা পাব্লিক ছাৰ্ভিচৰ বিষয়া ভৰ্তি কৰোতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ যোগেদিহে বাছনি কৰা হ'ব বুলি অসম চৰকাৰৰ ঘোষণা। এই পৰীক্ষাত প্ৰাৰ্থীসকলে আন আন বিষয়ৰ উপৰি আঞ্চলিক ভাষা আৰু হিন্দী ভাষাত পাছ কৰিব লাগিব।

● জাতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ যোৰহাট শাখাৰ সভাপতি বিদ্যাধৰ শৰ্মাই যোৰহাটৰ চাহ কোম্পানীসমূহত অসমীয়া যোগ্য ডেকা নিয়োগৰ দাবী তোলে। এইক্ষেত্ৰত তেওঁ অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে।

২৭ ফেব্ৰুৱাৰী : ভাৰত চৰকাৰৰ ভগনীয়া পুনঃস্থাপন আঁচনিৰ অধীনত পশ্চিম বংগ চৰকাৰলৈ ভাৰত চৰকাৰে ৩ কোটি ঋণৰ উপৰি ১ কোটি ১০ লাখ টকা মঞ্জুৰ কৰে।

● পশ্চিম বংগ আৰু অসমৰ পৰা যোৱা মুছলমান ভগনীয়াসকলক থাকিবৰ বাবে ব্যাপক আৰ্থিক ক্ষমতা দি এজন সাহায্য আয়ুক্ত নিয়োগ কৰা হ'ব বুলি পূব-বংগৰ প্ৰধানমন্ত্ৰী নুৰুল আমিনে পূব বংগৰ বিধানসভাত ঘোষণা কৰে।

● অসম নন এগ্ৰিকালচাৰেল আৰ্বান এৰিয়াৰ টেনান্সী বিল (১৯৫০) খনৰ মূল ৰচনাখিনি প্ৰকাশ। বিধানসভাৰ আগত অধিৱেশনত বিলখন উত্থাপন কৰিব ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে।

২৮ ফেব্ৰুৱাৰী : কলিকতা অভিমুখী অসম ডাক গাড়ীখনত পূব

গুৱাহাটী বিশ্ববিদ্যালয়

অসমত এখন সুকীয়া বিশ্ববিদ্যালয় পতাৰ গুণা-গঁথা আৰম্ভ হৈছিল বিংশ শতিকাৰ আগডোখৰতে। কাৰণ ১৮৫৭ চনৰে পৰা অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল কলিকতা বিশ্ববিদ্যালয়। সেই সুবাদতে বংগীয় লোকৰ প্ৰৰোচনাত অসমীয়া ভাষাক বাংলা ভাষাৰে এক উপভাষা বুলি গণ্য কৰাৰ প্ৰৱণতা বিংশ শতিকাৰ প্ৰথম সময়খিনিতো মাৰ যোৱা নাছিল। অসমৰ শিক্ষা ব্যৱস্থা বংগৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব লাগে ধৰণৰ আঁকোৰগোজ মনোবৃত্তি বাংলাভাষীসকলে পোষণ কৰিছিল আৰু এয়া অনস্বীকাৰ্য যে ইয়াত সাৰ-পানী যোগাই

পাকিস্তানৰ ছাণ্টাহাৰৰ সমীপত সশস্ত্ৰ জনতাই আক্ৰমণ কৰে। আক্ৰমণত ৮জন লোক নিহত আৰু কেইবাজনো আহত হয়। অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি দেৱেশ্বৰ শৰ্মাই ৰাজ্যখনত সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰাখিবলৈ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনায়।

• পূব বংগৰ পৰা অহা ভগনীয়াসকলৰ হস্তান্তৰ আৰু সংস্থাপনৰ ভাৰ পশ্চিম বংগ চৰকাৰৰ পৰা ভাৰত চৰকাৰে ল'ব লাগে বুলি পশ্চিম বংগৰ ২১টা মহিলা সংঘই প্ৰধানমন্ত্ৰীৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰে।

• পাকিস্তানলৈ যাব খোজা মুছলমানসকলক চৰকাৰে সকলো সুবিধা দিব বুলি খাদ্য মন্ত্ৰী অমিয় কুমাৰ দাসৰ ঘোষণা। শিলচৰত অনুষ্ঠিত এখন সংবাদমেলত দাসে যিসকল লোকে ভাৰতীয় সংঘ (ইউনিয়ন) এৰি পাকিস্তানলৈ যাব খোজে তেওঁলোকৰ ওপৰত চৰকাৰে কোনো বাধা আৰোপ নকৰি বৰঞ্চ সহায়হে আগবঢ়াব বুলি কয়। আনহাতে যিসকলে সংঘত থাকিব খোজে তেওঁলোকক সকলো সহায় আৰু ৰক্ষণাবেক্ষণ দিয়া হ'ব বুলি তথা ৰাজ্য চৰকাৰে ৰাজ্য বিৰোধী কোনো কাৰ্যকলাপ সহ্য নকৰিব বুলি দাসে সাংবাদিকসকলক অৱগত কৰে।

• হাইলাকান্দিৰ লালবজাৰ অঞ্চলত অগ্নি সংযোগৰ ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত হাইলাকান্দিত সান্ধ্য আইন জাৰি।

• ঢাকা অনাতাঁৰ কেন্দ্ৰই ২১ ফেব্ৰুৱাৰীৰ নিশা ৭.৫০ বজাত কৰিমগঞ্জ, বদৰপুৰ আৰু আন ঠাইত ব্যাপকভাৱে মুছলমান হত্যা আৰু প্ৰায় ৪০ হেজাৰজন ভগনীয়া চিলেটলৈ যোৱা বুলি পৰিবেশন কৰা বাতৰিটোৰ সন্দৰ্ভত অসমৰ চৰকাৰে এক প্ৰেছনোট জাৰি কৰে। এই প্ৰেছনোটত অসম চৰকাৰে প্ৰকৃত কথাৰ উহ নোলোৱাকৈ পাকিস্তানে উত্তেজনা বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছে বুলি অভিযোগ তোলে। প্ৰেছনোটত কৰিমগঞ্জ আৰু

আহিছিল সুৰমা উপত্যকাৰ বাংলাভাষী হিন্দু লোকসকলে।

অসমৰ উচ্চ শিক্ষাৰ ব্যৱস্থাটো কলিকতাৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ ফলত অসমীয়াৰ বাবে উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ আছিল তেনেই সীমিত। ১৯০১ চনত স্থাপিত কটন মহাবিদ্যালয়ত বি এছ চি শাখাত আসন আছিল মাত্ৰ ত্ৰিশখন আৰু সেইবাবে আসনৰ অভাৱত বহুসংখ্যক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল। আনহাতে অসম প্ৰদেশৰ বাহিৰত অসমৰ বাবে সংৰক্ষণ কৰা আসনৰ সংখ্যাও আছিল পুতৌজনক। কলিকতা চিকিৎসা মহাবিদ্যালয়ত দুখন, ধানবাদৰ মাইনিং ইঞ্জিনীয়াৰিং কলেজত এখন আৰু বোম্বাইৰ (বৰ্তমান মুম্বাই) ভিক্টোৰিয়া ইনষ্টিটিউটত এখন আসন অসমৰ ছাত্ৰৰ বাবে সংৰক্ষণ কৰা হৈছিল আৰু এই আসনসমূহো লাভ কৰিছিল সেইসকল ছাত্ৰইহে, যিসকলে অসম চৰকাৰৰ পৰা জলপানি লাভ কৰাৰ কৃতিত্ব আহৰণ কৰিছিল। তদুপৰি এই আসনবোৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষিত কৰি ৰাখিবলৈ অসম চৰকাৰে উল্লিখিত প্ৰতিষ্ঠানসমূহক বছৰেকীয়া ভিত্তিত মোটা অংকৰ ধন বৰঙণি হিচাপে দিব লগাত পৰিছিল। খুব কমসংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে নিজাববীয়াকৈ পঢ়া-শুনা কৰাৰ সুযোগ লাভ কৰিছিল। চৰকাৰৰ ফালৰ পৰা দিয়া জলপানিৰ ক্ষেত্ৰতো এক সমস্যাই দেখা দিছিল। যিহেতু এই জলপানি অসমৰ দুয়ো উপত্যকাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সমভাৱে বিতৰণ কৰি দিয়া হৈছিল সেয়েহে তাৰ কুফল ভোগ কৰিব লগা হৈছিল অসম উপত্যকাৰ ছাত্ৰসকলে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাতখন জিলাৰ বিপৰীতে সুৰমা উপত্যকাৰ জিলাৰ সংখ্যা আছিল মাথোঁ এখন। গতিকে উপত্যকা দুটাত সমভাৱে জলপানি বিতৰণ কৰা কাৰ্যই কোনটো উপত্যকাক লাভান্বিত কৰিছিল সি সহজে অনুমেয়।

স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকলে কলিকতা বিশ্ববিদ্যালয়লৈ গৈ আন এক বৈষম্যৰ মুখামুখি হৈছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আসন লাভৰ ক্ষেত্ৰত অসমৰ পৰা যোৱা বাংলাভাষী ছাত্ৰকহে প্ৰাধান্য দিয়া বুলি অভিযোগ উত্থাপন হৈছিল। ইয়াৰ উপৰি কটন মহাবিদ্যালয়ৰ এম এ শ্ৰেণী 'ক' শাখাত অসমীয়া

বদৰপুৰত হোৱা প্ৰাণহানিৰ ঘটনাত মৃত্যুৰ সংখ্যা দুটা সংখ্যাৰ ঘৰ পোৱা নাছিল তথা লুটপাতৰ দ্বাৰা হোৱা ক্ষতি এক লাখৰ সামান্য বেছি বুলি কোৱা হৈছিল।

২ মাৰ্চ ঃ সৰভোগৰ কিছুমান ঘৰত দুৰ্বৃত্তৰ দ্বাৰা অগ্নিসংযোগ। কেইবাটাও ঘৰত লুটপাত। স্থানীয় অধিবাসীসকলৰ আতংকগ্ৰস্ততালৈ লক্ষ্য ৰাখি প্ৰশাসনৰ দ্বাৰা ১৪৪ ধাৰা জাৰি।

৪ মাৰ্চ ঃ অভয়াপুৰীৰ শ্ৰীজনগাঁও (বৰঘোলা) অঞ্চলত পমুৱাৰ দ্বাৰা খিলঞ্জীয়া লোকৰ ওপৰত সশস্ত্ৰ আক্ৰমণ। প্ৰশাসনৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণ।

৫ মাৰ্চ ঃ ভাৰতীয় মুছলমানৰ ত্ৰাণকৰ্তা পাকিস্তান নহয় বুলি গুৱাহাটীৰ মুছলমান ৰাইজৰ সভাত প্ৰস্তাৱ গৃহীত।

৬ মাৰ্চ ঃ অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ কলিকতা যাত্ৰা। কলিকতাত থকা সময়ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰী নেহৰুৰ সৈতে আন বিষয়ৰ লগতে পূব বংগৰ অৱস্থাৰ ফলত অসমত উদ্ভৱ হোৱা সমস্যাৰ বিষয়ে আলোচনা কৰিব বুলি বাতৰি প্ৰকাশ।

৭ মাৰ্চ ঃ অসমৰ বিত্ত মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ভগনীয়াসকলক আশ্বাস দি কয় যে পূব বংগৰ ভগনীয়াসকলৰ দুখ-কষ্ট অনুভৱ কৰি পৈতৃক ভেটিৰ পৰা উচ্ছেদিত এইসকল লোকৰ ক্ষেত্ৰত অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

● অসমৰ ৰোহিণী কুমাৰ চৌধুৰীয়ে সংসদত ভাৰতে পাকিস্তানৰ লগত যুদ্ধ লগাটো বাঞ্ছনীয় বুলি দিয়া বক্তৃতাৰ বিৰোধিতা কৰি পাকিস্তানৰ প্ৰধানমন্ত্ৰী লিয়াকৎ আলীয়ে পণ্ডিত নেহৰুৰ ওচৰলৈ এক টোকা প্ৰেৰণ কৰে।

১০ মাৰ্চ ঃ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নেহৰুৰ ওচৰত অসম, বিহাৰ, উৰিষ্যা আৰু পশ্চিম বংগৰ মুখ্যমন্ত্ৰীয়ে ভগনীয়াসকলক তেওঁলোকৰ নিজ নিজ ৰাজ্যবোৰত সংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান। ৰাজ্য চৰকাৰৰ ধনৰ নাটনি বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱশ্যকীয় ধন পাবৰ আশা পোষণ।

● সংখ্যালঘু সম্প্ৰদায়ৰ লোকক

ছাত্রসকলে ইংৰাজী শিক্ষা গ্ৰহণৰ যি সুবিধা লাভ কৰি আহিছিল তাকো আৰ্থিক সংকটৰ দোহাই দি ১৯৩১ চনৰ পৰা উঠাই দিয়া হৈছিল। একেদৰে আৰ্ল ল কলেজখনো বন্ধ কৰাৰ পৰিকল্পনা চলিছিল।

এনে এক শৈক্ষিক প্ৰেক্ষাপটত অসমৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয়ৰ দাবীটো উঠিছিল ১৯১৬ চনৰ পৰা। ১৯১৬ চনত স্থাপিত অসম ছাত্ৰ সন্মিলনে স্বাধীনতা আন্দোলনৰ সময়ৰে পৰা অসমীয়া ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধিৰ বিষয়টো ইয়াৰ সাংগঠনিক লক্ষ্য কৰি লৈছিল। ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশনত সভাপতিৰ আসন শুৱনি কৰিছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই। সভাপতিৰ ভাষণত তেখেতে অসমত এখন কলা মহাবিদ্যালয় তথা আইন মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰিছিল। তদুপৰি কলিকতা বিশ্ববিদ্যালয়ৰ ছিনেট আৰু ছিণ্ডিকেটত অসমীয়া 'ফেলো'ৰ ব্যৱস্থা থকাৰ কথা তেওঁ বক্তৃতাত কৈছিল। সেই ভাষণতে বেজবৰুৱাদেৱে অসমৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয় লাগে বুলিও মতামত ব্যক্ত কৰিছিল।

১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়খন ভাৰত চৰকাৰৰ অধীনত ৰখাৰ সলনি বংগ চৰকাৰৰ অধীনলৈ অনাৰ প্ৰস্তাৱ তোলা হয়। বিশ্ববিদ্যালয়খন বংগ চৰকাৰৰ অধীনলৈ গ'লে অসমৰ ছাত্ৰ-ছাত্ৰী তথা অসমীয়া ভাষা-সাহিত্য যে আৰু অধিক বিপদাপন্ন হৈ পৰিব— সেই আশংকা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো লোকে অনুভৱ কৰিব আৰম্ভ কৰিলে। 'বাঁহী' আলোচনীত প্ৰকাশিত এটা প্ৰবন্ধত এই প্ৰভাৱৰ বিৰোধিতা কৰি কোৱা হ'ল যে যদিহে কলিকতা বিশ্ববিদ্যালয়ক বংগ চৰকাৰৰ কৰ্তৃত্বৰ অধীনলৈ অনা হয় তেন্তে অসমক বিহাৰৰ নিচিনাকৈ এখন সুকীয়া বিশ্ববিদ্যালয় প্ৰদান কৰিব লাগে। অসমৰ মানুহৰ এই দাবীৰ যথাৰ্থতা বিচাৰ কৰিবলৈ তথা কলিকতা বিশ্ববিদ্যালয়ৰ উন্নয়ন সম্পৰ্কীয় তদন্ত এটাৰ কাৰণে ১৯১৭ চনত ছাৰ মাইকেল ছেদলাৰ অধীনত এখন আয়োগে অসম পৰিদৰ্শন কৰে। ছেদলাৰে গুৱাহাটীৰ কলেজখন আৰু পৰিৱেশটোলৈ চাই অসমত এখন আৱাসিক বিশ্ববিদ্যালয় হ'ব পাৰে বুলি

পশ্চিম বংগ আৰু অসম চৰকাৰে হাৰাশাস্তি কৰা বুলি পুব বংগৰ প্ৰধানমন্ত্ৰী মিঃ নুৰুল আমিনৰ অভিযোগ উত্থাপন। পুব বংগ পৰিষদত দিয়া এক বিবৃতিত তেওঁ কয় যে প্ৰায় ১ লাখ ১৬ হাজাৰ ভগনীয়াই পুব বংগত প্ৰৱেশ কৰিছে।

১১ মাৰ্চ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ সভাপতিত্বত মাৰ্ঘেৰিটাত অসম সাহিত্য সভাৰ একবিংশতিতম অধিৱেশনৰ দুদিনীয়া কাৰ্যসূচী আৰম্ভ। অসমীয়া ভাষাক অসমৰ আঞ্চলিক ৰাজ্যভাষা কৰাৰ দাবী। খাচীয়া, লুছাই, গাৰো পাহাৰৰ স্কুলবোৰক বাদ দি অসমৰ সকলো হাইস্কুলতে মাধ্যম অসমীয়া কৰিব লাগে বুলি দাবী।

১২ মাৰ্চ ঃ পুব পাকিস্তানৰ পৰা হেজাৰ হেজাৰ ভগনীয়াৰ গোলোকগঞ্জ অঞ্চলত প্ৰৱেশ। এসপ্তাহমান আগতে ১২০০ৰাজবংশী পৰিয়ালে অসমত আশ্ৰয় লয়।

১৩ মাৰ্চ ঃ অসম বিধানসভাৰ বাজেট অধিৱেশন ঃ

অসমৰ বিত্ত মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ১৩ মাৰ্চত অসম বিধানসভাত ১৯৫০-৫১ চনৰ বাজেট দাখিল কৰে। বাজেটত সৰ্বমুঠ ৮৬ লাখ ৮৯ হেজাৰ টকাৰ ঘাটি প্ৰদৰ্শন কৰা হয়। আগন্তুক বিত্তীয় বৰ্ষৰ বাবে মূল ৰাজহ ৯ কোটি ১ লাখ ৬৪ হেজাৰ আৰু মূল ব্যয় ৯ কোটি ৮৮ লাখ ৫৩ হেজাৰ টকা ধাৰ্য কৰা হৈছে।

বাজেটৰ কেইটামান বৈশিষ্ট্য ঃ

(১) নতুন কৰ-কাটলৰ কোনো প্ৰস্তাৱ নাই, (২) নিত্যনিয়মিত ৰাজহৰ পৰা ১ কোটি ৪ লাখ টকা ভাৰগ্ৰস্ত কৰা যুদ্ধোত্তৰ আঁচনিবোৰত অব্যাহত হৈ ৰ'ব। (৩) গ্ৰাম্য জল যোগানৰ বাবে সদাহতে ধাৰ্য কৰা ৩ লাখ টকা বঢ়াই নি সদৌ শেষত ৫ লাখ টকা কৰা হ'ব। (৪) পৌৰ নিগমবোৰৰ জলযোগান উন্নতৰ কৰিবৰ বাবে ১০ লাখ টকা ঋণ। (৫) শিক্ষাৰ বাবে ১৯৫০-৫১ বৰ্ষত ব্যয় ১ কোটি ৪৬ লাখ ৮০ হেজাৰলৈ বৃদ্ধি। (৬) ভগনীয়াক সহায় আৰু সংস্থাপিত কৰাৰ বিভিন্ন ব্যৱস্থা আদি।

মতামত ব্যক্ত কৰিলে। ১৯১৭ আৰু ১৯১৮ চনৰ সময়ছোৱাত অসমলৈ অহা ছাৰ আশুতোষ মুখাৰ্জীক অসম ছাত্ৰ সন্মিলনৰ বিষয়ববীয়াসকলে লগ ধৰে আৰু কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত অসমীয়া বিষয়টো অন্তৰ্ভুক্ত কৰাৰ দাবী তোলে। মুখাৰ্জীয়ে সন্মিলনৰ এই দাবী ন্যায্য বুলি মানি ল'লে আৰু তেওঁৰ প্ৰচেষ্টাতে কলিকতা বিশ্ববিদ্যালয়ত অসমীয়াৰ এম এ পাঠ্যক্ৰম আৰম্ভ হ'ল।

১৯১৭ চনৰ পৰা ১৯৩৫ চনপৰ্যন্ত অসম ছাত্ৰ সন্মিলনে অসমৰ বাবে বিশ্ববিদ্যালয় এখনৰ কথা বিভিন্ন প্ৰকাৰে উত্থাপন কৰি থাকিল। ১৯২৮ চনত গুৱাহাটীত বহা একতা সভাৰ বাৰ্ষিক সন্মিলনত দৈৱচন্দ্ৰ তালুকদাৰে অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয়ৰ দাবীটো পুনৰ উত্থাপন কৰে। একেদৰে ১৯৩২ চনত কলিকতাৰ আছাম ষ্টুডেণ্টছ লিটাৰেৰী ক্লাবে (ASLC) অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় অপৰিহাৰ্য বুলি কয় আৰু বিশ্ববিদ্যালয়ৰ বাবে অসমৰ জনগণক জাগ্ৰত কৰি তুলিবৰ বাবে ছাত্ৰ সন্মিলনক আৱেদন জনায়। ক্লাবৰ ফালৰ পৰা ছাত্ৰ সন্মিলনক আহ্বান জনোৱা হয় যে অসমৰ মানুহক বিশ্ববিদ্যালয় এখনৰ প্ৰয়োজনীয়তাৰ কথা অৱগত কৰাৰ বাবে 'সদৌ অসম বিশ্ববিদ্যালয় দিন' পালন কৰিব লাগে। কলিকতাস্থিত 'দ্য আছাম ৱেলফেয়াৰ লীগ'-এ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে এক বিশেষ অধিৱেশন অনুষ্ঠিত কৰে আৰু অসমত এই বিষয়ে জনসচেতনতা গঢ়ি তুলিবলৈ মাধৱচন্দ্ৰ বেজবৰুৱাক অসমলৈ পঠাই দিয়ে।

১৯৩৫ চনত 'দ্য আছাম ইউনিভাৰ্ছিটী এছ'চিয়েচন' শীৰ্ষক এটা সংগঠন গঢ় লৈ উঠিল আৰু সংগঠনটোৰ সম্পাদক হ'লগৈ গোপীনাথ বৰদলৈ। উক্ত বৰ্ষৰ ১ মে'ত গুৱাহাটীত সংগঠনটোৰ এখন সভা অনুষ্ঠিত হ'ল আৰু গোপীনাথ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অসমৰ বাবে এখন বিশ্ববিদ্যালয় লগাৰ দাবীটো জোৰকৈ উত্থাপন কৰা হ'ল। অসম বিধানসভা আৰু পৰিষদত চিলেটৰ প্ৰতিনিধিসকলে বিশ্ববিদ্যালয় সন্দৰ্ভত প্ৰকাশ কৰা নেতিবাচক

চকুৰ পচাৰতে বাজেটখন (হেজাৰ টকাৰ নিৰিখত)			
	১৯৪৮-৪৯ প্ৰকৃত	১৯৪৯-৫০ পৰিশোধিত	১৯৫০-৫১ পৰিকল্পিত
মূল ৰাজহ আয়	৭৬,৩৬৮	৭৪,৭৪২	৯০,১৬৪
মূল ব্যয়	৭৯,৫৬৯	৮০,৬২৮	৯৮,৮৫৩
ঘাটি	৩,২০১	৫,৮৮৬	৮,৬৮৯

১৪ মাৰ্চ ঃ অসম বিধানসভাত ৰাজ্যপালক ধন্যবাদ দিয়া সম্পৰ্কত তুমুল বিতৰ্ক ঃ

কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী পাৰ্টিৰ চীফ হুইপ পূৰ্ণচন্দ্ৰ শৰ্মাই ৰাজ্যপালে সদনত দিয়া বক্তৃতাৰ কাৰণে ধন্যবাদ জনাই মানপত্ৰ যাচিবলৈ দাঙি ধৰা প্ৰস্তাৱটো সম্পৰ্কে অসম বিধানসভাত তুমুল বিতৰ্ক হয়। বিৰোধী দলৰ নেতা মহম্মদ ছাদুল্লাৰ সমৰ্থন অনুসাৰে ইমৰান হুছেইন চৌধুৰীয়ে এটি সংশোধনী দাঙি ধৰি দুখ প্ৰকাশ কৰি কয় যে ৰাজ্যপালৰ দীঘলীয়া বক্তৃতাত সাধাৰণ লোকৰ আৰ্থিক অৱস্থা, অনাটন আৰু খাদ্য সামগ্ৰী-বস্ত্ৰ আদি অপৰিহাৰ্য দ্ৰব্যৰ দৰ-দামৰ কোনো উল্লেখেই নহ'ল। সদনৰ আঠজন সদস্যই এই সংশোধনী বিতৰ্কত অংশ লয় আৰু সংশোধনীটো প্ৰত্যাহাৰ কৰা হয়।

সংশোধনীটো সমৰ্থন কৰি ছাদুল্লাই কয় যে ৰাজ্যপালে সৰ্বসাধাৰণৰ সমস্যা সদৰী কৰিলেও তাত যে চৰকাৰে সাধাৰণ ৰাইজৰ দুখ মোচনৰ ব্যৱস্থা লৈছে সেইবোৰ একোৰে প্ৰকাশ নঘটিল। ওচৰা-উচৰি দুখন ৰাষ্ট্ৰ ভাৰত-পাকিস্তানৰ মাজত লগা আঁৰিয়া-আঁৰিয়ে সাধাৰণ ৰাইজৰ জীৱনত একো প্ৰভাৱ নেপেলায় আৰু ৰাইজে কেৱল জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাহে বিচাৰে বুলি ছাদুল্লাই মত ব্যক্ত কৰে। ছাদুল্লাৰ বক্তৃতাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মতিৰাম বৰা, শৰৎচন্দ্ৰ

মনোভাবৰো চোকা সমালোচনা কৰা হ'ল। ২২ মে'ৰ দিনা অসমজুৰি 'বিশ্ববিদ্যালয় দিৱস' পালন কৰা হ'ল আৰু নাম-কীৰ্তনেৰে মুখৰ এক বিশাল সমদল গুৱাহাটীৰ ৰাজপথত উলিওৱা হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকাত বিশ্ববিদ্যালয় এখনৰ বাবে আন্দোলনে গা কৰি উঠাৰ সময়তে চিলেটত সমান্তৰালভাৱে বিশ্ববিদ্যালয়বিৰোধী আন্দোলন এটা গঢ়ি উঠিল আৰু অসম ব্যৱস্থা পৰিষদত চিলেটৰ কংগ্ৰেছ দলৰ সমৰ্থনতে এই বিৰোধিতা প্ৰকট হ'বলৈ ধৰিলে। সি যি নহওক, ১৯৩৫ চনৰ ২৭ মে'ৰ পৰা আৰম্ভ হ'ব লগা ব্যৱস্থা পৰিষদৰ অধিৱেশনত 'অসম বিশ্ববিদ্যালয় বিধেয়ক' উত্থাপন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। সেই অনুসৰি ৰেভাৰেণ্ড নিকল্‌ছ ৰয়ে প্ৰস্তাৱটো উঠালে যদিও সুৰমা উপত্যকাৰ মুনৱাৰ আলীৰ বাদে আন সকলো সদস্যই ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। তৎসত্ত্বেও অসম চৰকাৰে জে আৰ কানিংহামক (অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত ডি পি আই) বিষয়টো অনুসন্ধান কৰিবৰ বাবে নিয়োগ কৰিলে আৰু বিশেষজ্ঞ কমিটীৰ আগত তেওঁক প্ৰতিবেদন দাখিল কৰিবলৈ ক'লে। কানিংহামৰ কাম আছিল দুয়োটা উপত্যকাৰ বিভিন্ন দল-সংগঠন আদিৰ পৰা বিশ্ববিদ্যালয় সন্দৰ্ভত মতামত সংগ্ৰহ কৰা আৰু সেই মতামতৰ আধাৰত ভিত্তি কৰি প্ৰতিবেদন দাখিল কৰা। অসমত বিশ্ববিদ্যালয় পতাক লৈ চিলেটৰ উকীল সন্থাই তীব্ৰ আপত্তি প্ৰদৰ্শন কৰিলে। উকীল সন্থাৰ দ্বাৰা প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তিটোত (The Statesman, Calcutta, 13 January, 1936) এনেদৰে ক'লে— 'অসমৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয় কেৱল অপ্ৰয়োজনীয়েই নহয়, লগতে এখন সৰ্বস্বান্ত প্ৰদেশৰ বাবে ই মাথোঁ এক ব্যয়বহুল বিলাসহে। একেবাৰে নিম্ন খাপৰ বিশ্ববিদ্যালয় এখন পতাৰ বাবেও প্ৰদেশখনত সম্প্ৰতি সা-সামগ্ৰী পোৱাটো অসম্ভৱ কথা।' বিজ্ঞপ্তিটোত আৰু কোৱা হ'ল যে যিসকলে বিশ্ববিদ্যালয়ৰ দাবী তুলিছে সেইসকলৰ মতলব আন ক'ৰবাতহে। শিক্ষাৰ সম্প্ৰসাৰণ নহয়, বৰঞ্চ ২২ শতাংশ অসমীয়াভাষী থকা প্ৰদেশখনত অসমীয়া মানুহে নিজৰ শ্ৰেষ্ঠত্ব জাহিৰ কৰাৰ ই এক অভিপ্ৰায়

সিংহ, নীলমণি ফুকন আদিয়ে নিজ মন্তব্য দাঙি ধৰে। ছাদুল্লাৰ বক্তৃতাৰ তীব্ৰ সমালোচনা কৰি পূৰ্ণচন্দ্ৰ শৰ্মাই এয়া এক পাকিস্তানৰ সমৰ্থনৰ প্ৰচাৰ কাৰ্যৰ বাদে আন একো নহয় বুলি অভিহিত কৰে।

১৫ মাৰ্চ ঃ সাম্প্ৰদায়িক বিশৃংখলতা ৰোধ কৰি নিত্যনিয়মিত কাম-কাজত যোগ দিবলৈ অসম কংগ্ৰেছৰ প্ৰধান সম্পাদক সিদ্ধিনাথ শৰ্মাৰ বিবৃতি প্ৰদান।

১৬ মাৰ্চ ঃ প্ৰসিদ্ধ বুৰঞ্জীবিদ ছাৰ এডৱাৰ্ট গেইটৰ ৮৩ বছৰ বয়সত লণ্ডনত মৃত্যু।

● অলাগতিয়াল কামত ৰাজহুৱা ধন অপব্যয় কৰাত অসম চৰকাৰে বিশেষ পাৰ্গতালি লাভ কৰিছে বুলি সংসদত পৰিবহণ ৰাজ্যমন্ত্ৰী কে শান্তনমে অসম চৰকাৰক দোষাৰোপ কৰে। অসম চৰকাৰে ২৩০ মাইল দীঘলীয়া শ্বিলং-হাফলং-শিলচৰ-চুৰাইবাৰী ৰোড বা ত্ৰিপুৰা সীমান্ত ৰোড আৰু ১২০ মাইল দীঘল চৌৰীবাৰী আগৰতলা ৰোড নিৰ্মাণ কৰাত ক্ষেত্ৰত বিশেষজ্ঞৰ পৰামৰ্শ নোলোৱাকৈ নিৰ্মাণ কৰিবলৈ আগবাঢ়ি এতিয়া উপায়হীন হৈ শেষত ভাৰত চৰকাৰৰ ওচৰ চপা বুলি শান্তনমে অভিযোগ আনে। অসমৰ সদস্য কুলধৰ চলিহাই অসম চৰকাৰৰ সপক্ষত সংসদত মত দাঙি ধৰি ৰাস্তাটোৰ ব্যৱহাৰ যথাযথভাৱে কৰিব পৰা নাযাব বুলি বিশেষজ্ঞই মত দাঙি ধৰিলে বুলিয়েই দুই কোটি ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পথটি এৰি দিয়া মূৰ্খামি হ'ব বুলি কয়। এই সম্পৰ্কত অসম চৰকাৰৰ অজ্ঞতাৰ বিষয়ে পৰিবহণ ৰাজ্য মন্ত্ৰীজনে ১৯৪৯-৫০ চনৰ ৰিপৰ্টৰ শ্বিলং-হাফলং-শিলচৰ-চুৰাইবাৰী ৰোড আৰু চৌৰিবাৰী আগৰতলা ৰোড সম্পৰ্কীয় তথ্যবোৰ চলিহাক পঢ়ি শুনায়।

১৭ মাৰ্চ ঃ ডিমাপুৰক মিকিৰ পাহাৰ জিলা বা শিৱসাগৰ জিলাত অন্তৰ্ভুক্ত নকৰি নগা পাহাৰ জিলাত ৰাখিবলৈ ডিমাপুৰ বজাৰ অঞ্চলত নগা লোকৰ শোভাযাত্ৰা বাহিৰ।

১৮ মাৰ্চ ঃ সশস্ত্ৰ মুছলমানৰ দ্বাৰা কাছাৰত চাহ বাগিচা আক্ৰমণ।

মাথোঁ। কানিংহামে যি প্ৰতিবেদন দাখিল কৰিলে সিয়ে অসমীয়াৰ আশাত চেঁচাপানীহে ঢালিলে। দুয়োটা উপত্যকাৰ মানুহক সন্তুষ্ট কৰাৰ মানসেৰে তেওঁৰ প্ৰতিবেদনত কটন মহাবিদ্যালয় তথা মুৰাৰিচান্দ মহাবিদ্যালয়ত কিছুসংখ্যক বিষয়ৰ এম এ শ্ৰেণী খোলাৰ পৰামৰ্শ ৰখা হ'ল আৰু এই মহাবিদ্যালয়সমূহৰ পৰীক্ষা কেন্দ্ৰ শ্বিলঙত পতাৰ প্ৰস্তাৱ কৰা হ'ল।

কানিংহামে আগবঢ়োৱা প্ৰস্তাৱ অসমৰ জনসাধাৰণৰ বাবে মুঠেই গ্ৰহণযোগ্য নাছিল বাবে অসমৰ সকলো ঠাইতে কানিংহামৰ প্ৰতিবেদনৰ বিৰুদ্ধে সভা-সমিতি অনুষ্ঠিত হ'ল। ১৯৩৬ চনৰ ২২ মে'ত অসমৰ প্ৰায় সকলো ঠাইতে বিশ্ববিদ্যালয় দিৱস পতা হ'ল। বিশ্ববিদ্যালয় এখন পতাৰ বাবে অসমৰ মানুহে উঠি-পৰি লগাত চৰকাৰে বিষয়টো সম্পৰ্কে এটা সিদ্ধান্ত ল'ব বিচাৰিলে যদিও হেন সময়তে প্ৰাদেশিক স্বায়ত্ততাৰ প্ৰসংগটো বেছি গুৰুত্বপূৰ্ণ হৈ উঠাত বিশ্ববিদ্যালয়ৰ কথাটো তল পৰি ৰ'ল। অসমত এখন বিশ্ববিদ্যালয় পতাৰ কথাটো ছাদুল্লা মন্ত্ৰীসভাৰ সময়ত মুনৱাৰ আলী শিক্ষা মন্ত্ৰী হৈ থাকোঁতে উত্থাপন কৰা হৈছিল আৰু এইমতে কলা বিভাগটো চিলেটত, বিজ্ঞান বিভাগটো গুৱাহাটীত আৰু প্ৰশাসনীয় বিভাগটো শ্বিলঙত বহুওৱাৰ কথা উঠিছিল। ছাদুল্লাৰ প্ৰথম মন্ত্ৰীসভা সৰহদিন টিকি থাকিব নোৱাৰিলে বাবে তেওঁৰ তৃতীয় মন্ত্ৰীসভাতহে (১৭ নৱেম্বৰ, ১৯৩৯-২৫ ডিচেম্বৰ, ১৯৪১) বিষয়টোলৈ পুনৰ চকু দিয়া হয়। ৰোহিণী কুমাৰ চৌধুৰী শিক্ষা মন্ত্ৰী হৈ থকা সময়ছোৱাত ছাদুল্লা চৰকাৰে বিষয়টোত আগভাগ লৈছিল আৰু এইক্ষেত্ৰত আন এটা বিষয়ে ক্ৰিয়া কৰিছিল। বংগৰ মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আঁতৰাই চৰকাৰৰ অধীনলৈ অনাৰ বাবে মাধ্যমিক শিক্ষা সম্পৰ্কীয় এখন বিধেয়ক বংগ চৰকাৰে প্ৰস্তুত কৰি তুলিছিল। ইয়াৰ ফলত অসমৰ বিদ্যালয়সমূহৰ বাবেও এটা সুকীয়া ব্যৱস্থাৰ প্ৰয়োজন হৈ পৰিল আৰু তেতিয়াই চৰকাৰী মহলত বিশ্ববিদ্যালয়ৰ বিষয়টোৱে স্থান লাভ কৰিলে।

ইয়াৰ আগতে গোপীনাথ বৰদলৈৰ প্ৰথম মন্ত্ৰীসভাৰ কালছোৱাত (ছেপ্টেম্বৰ,

বাগিচাৰ বনুৱাসকলে দুৰ্বৃত্তহঁতক প্ৰতিৰোধ কৰে। কেইবাজনৰো মৃত্যু।

● অসামৰিক বিমান যাত্ৰাৰ বাবে যোৰহাটৰ নিকটৱৰ্তী ৰৰৈয়া ঘাটিত বিমান ঘাটি নিৰ্মাণৰ কাম আৰম্ভ।

১৯ মাৰ্চ ঃ গুৱাহাটীত ভগনীয়া শিবিৰ স্থাপনৰ সিদ্ধান্ত।

২০ মাৰ্চ ঃ ৰাজহুৱা ধন অপব্যয় কৰা বুলি অসম চৰকাৰক অভিযুক্ত কৰি পৰিবহণ ৰাজ্যমন্ত্ৰী কে শান্তনমে দিয়া বিবৃতিৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ অসম প্ৰান্তীয় কংগ্ৰেছ কমিটীৰ সভাপতি দেৱেশ্বৰ শৰ্মাৰ সভাপতিত্বত অসম কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বৈঠক অনুষ্ঠিত। অসমৰ কংগ্ৰেছ অনুষ্ঠানটোৰ মৰ্যাদা আৰু প্ৰভাৱ এনে বিবৃতিয়ে হ্ৰাস কৰিব বুলি শংকা ব্যক্ত কৰি কমিটীয়ে শান্তনমৰ যৌক্তিকতা প্ৰতিপন্ন কৰিবলৈ প্ৰধানমন্ত্ৰী আৰু কংগ্ৰেছ সভাপতিক অনুৰোধ কৰাৰ সিদ্ধান্ত লয়।

২১ মাৰ্চ ঃ অসম চৰকাৰৰ বিপক্ষে কে শান্তনমে উত্থাপন কৰা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি বিধানসভাত গড়কাপ্তানি মন্ত্ৰী ৰেভাৰেণ্ড নিকলছ ৰয়ৰ অভিমত জ্ঞাপন।

২২ মাৰ্চ ঃ বিধানসভাত বিত্ত বিল (১৯৫০) ৰ লগতে আন ছখন বিল গৃহীত হয়। এই বিলবোৰ হৈছে—

(১) অসম লোকেল ব'ৰ্ড নিৰ্বাচন জৰুৰী উপবন্ধ বিল (১৯৫০)

(২) অসম আমোদ-পণ্য কৰ সংশোধনী বিল (১৯৫০)

(৩) অসম বিক্ৰীকৰ সংশোধনী বিল (১৯৫০)

(৪) অসম মুদ্ৰাংক (ষ্টাম্প) সংশোধনী বিল (১৯৫০)

(৫) অসম আদালত ফিজ সংশোধনী বিল (১৯৫০)

(৬) অসম মটৰ যান-কৰ সংশোধনী বিল (১৯৫০)

● শান্তনমৰ বিবৃতি সম্পূৰ্ণ ভুল বুলি অভিহিত কৰি গড়কাপ্তানি মন্ত্ৰী নিকলছ ৰয়ে এই বিষয়ত ভাৰত চৰকাৰে দায়ী বুলি বিধানসভাত এঘণ্টাতকৈও অধিক কাল বক্তৃতা

১৯৩৮-নৱেম্বৰ, ১৯৩৯) অসমত বিশ্ববিদ্যালয় এখন পতাৰ বাবে কোনো আঁচনি লোৱা হোৱা নাছিল আৰু এইক্ষেত্ৰত অসম চৰকাৰৰ আৰ্থিক দৈন্যৰ বিষয়টো তেওঁ বিধানসভাত উল্লেখ কৰিছিল। অৱশ্যে বিশ্ববিদ্যালয়ৰ বাবে আন্দোলন তীব্ৰ হৈ উঠা দেখি তেওঁ অসমৰ ছাত্ৰসকললৈ এটা পৰামৰ্শ আগবঢ়ালে। যিহেতু অসম চৰকাৰে আৰ্থিক দৈন্যৰ বাবে এনে এটা বৃহৎ প্ৰকল্প এককভাৱে গঢ়ি তুলিবলৈ অক্ষম, সেয়েহে তেওঁ ছাত্ৰসকলক ক'লে যে যদিহে অসমৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে গাইপতি এক অনাকৈ বৰঙণি দিয়ে তেন্তে ইয়াৰ জৰিয়তে এক বৃহৎ ধন সংগ্ৰহ কৰিব পৰা যাব আৰু এই ধনৰ সহায়ত চৰকাৰে বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিব পাৰিব। ছাত্ৰসকলে বৰদলৈৰ এই উপদেশক স্বাগতম জনালে আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক শৰৎ চন্দ্ৰ গোস্বামীক ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো বিদ্যালয়ত বৰঙণি সংগ্ৰহ কৰিবৰ বাবে 'বিশ্ববিদ্যালয় পুঁজি সংগ্ৰহ সপ্তাহ' ঘোষণা কৰিবলৈ অনুৰোধ জনালে। গোপীনাথ বৰদলৈয়ে আগবঢ়োৱা এই প্ৰস্তাৱত উৎসাহিত হৈ ১৯৩৯ চনৰ ২৪ জানুৱাৰীত কটন মহাবিদ্যালয়ৰ ছাত্ৰসকলে এখন সভা অনুষ্ঠিত কৰে। উমাকান্ত গোস্বামীৰ সভাপতিত্বত হোৱা এই সভাই তিনিজন ছাত্ৰ আৰু কটন মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদকক লৈ এখন সমিতি গঠন কৰি দিয়ে আৰু এই সমিতিয়ে ফেব্ৰুৱাৰী মাহৰ পৰা প্ৰতিজন ছাত্ৰৰ পৰা এক অনাকৈ সংগ্ৰহ কৰাৰ সিদ্ধান্ত লয়।

ইয়াৰ পিচতে ১৯৪০ চনৰ ২ ফেব্ৰুৱাৰীত অসম ছাত্ৰ সন্মিলনৰ ফালৰ পৰা গুৱাহাটীৰ কাৰ্জন হলত এখন সভা অনুষ্ঠিত হয়। অসমত এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ কথা বিশদভাৱে ব্যাখ্যা কৰি আছাম ষ্টুডেণ্টছ ফেডাৰেচনৰ সম্পাদক গৌৰীশংকৰ ভট্টাচাৰ্যই ছাদুল্লা মন্ত্ৰীসভাৰ মন্ত্ৰী মুনৱাৰ আলীয়ে আগবঢ়োৱা বিশ্ববিদ্যালয়ৰ আৰ্হিটোৰ তীব্ৰ সমালোচনা কৰে। এই সভাতে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কয় যে যেতিয়ালৈ চিলেট অসমৰ পৰা বিচ্ছিন্ন নহয়, তেতিয়ালৈ অসমত বিশ্ববিদ্যালয় পাতিব নালাগে। কটন মহাবিদ্যালয়

দিয়ে।

২৪ মাৰ্চ ঃ পাকিস্তানৰ হাই কমিছনাৰ মিঃ মহম্মদ ইছমাইলৰ সৰভোগৰ উপদ্ৰুত অঞ্চল পৰিদৰ্শন কৰিবলৈ ৰাওনা।

২৫ মাৰ্চ ঃ অসম চৰকাৰৰ গাত কালিমা সনাৰ কোনো অভিপ্ৰায় নাছিল বুলি ব্যক্ত কৰি ৰাজ্যমন্ত্ৰী কে শান্তনমৰ গড়কাপ্তানি মন্ত্ৰী জে জে এম নিকলছ ৰয়লৈ পত্ৰ প্ৰেৰণ।

২৯ মাৰ্চ ঃ কামৰূপ, গোৱালপাৰা আৰু কাছাৰ জিলাক উপদ্ৰুত অঞ্চল ৰূপে ঘোষণা।

• গুৱাহাটীৰ ৰিজাৰ্ভৰ ওচৰত ডকাইতি কাৰ্যত লিপ্ত থকাৰ অভিযোগত তিনিজন পুলিচ কনিষ্টবল গ্ৰেপ্তাৰ। পাণবজাৰৰ পৰা যোৱা এজন মানুহক তিনিজন পুলিচে লগ পাই নিজকে চি আই ডি বুলি চিনাকি দি মানুহজনৰ জেপত তালাচী চলায় আৰু আঢ়ৈশ টকা আত্মসাৎ কৰে।

• পূব বংগৰ পৰা অসমলৈ প্ৰায় ডেৰ লাখ ভগনীয়া অহাৰ আশংকা।

৩০ মাৰ্চ ঃ ছ'চিয়েলিষ্ট নেতা ৰামনন্দন মিশ্ৰৰ গুৱাহাটীৰ ৰাজহুৱা সভাত বক্তৃতা প্ৰদান। পাকিস্তানী আৰু দৰিদ্ৰতাক ভাৰতবৰ্ষৰ মূল সমস্যা বুলি তেওঁ অভিহিত কৰে।

• অসমৰ উপদ্ৰুত অঞ্চলবোৰত শান্তি, শৃংখলা ৰক্ষা, শান্তি প্ৰতিষ্ঠা আৰু বিশৃংখলতা দমনৰ বাবে ৰাজ্যপালৰ দ্বাৰা অসম উপদ্ৰুত অঞ্চল অধ্যাদেশ (১৯৫০) জাৰি।

• গুৱাহাটীৰ পানী যোগানৰ বাবে অসম চৰকাৰৰ ৩ লাখ টকা মঞ্জুৰ।

১ এপ্ৰিল ঃ পূব বংগ আৰু অসমৰ সীমান্ত অঞ্চল লৈ উদ্ভৱ হোৱা বিবাদ অৱসানৰ উপায় উদ্ভাৱন। সংশ্লিষ্ট চৰকাৰদ্বয়ৰ আলোচনাৰ সুফল পৰিণতিস্বৰূপে অসম চৰকাৰৰ ইস্তাহাৰ ঘোষণা।

সীমান্ত বিষয়ক সম্বন্ধৰ উন্নতি সাধনৰ অৰ্থে পূব বংগ আৰু অসম চৰকাৰে তলৰ উপায়কেইটা অৱলম্বন কৰিবলৈ সন্মতি জনায়—

(১) বৰ্তমান সীমান্ত অঞ্চলত ঘটনা সম্পৰ্কত অথবা সীমা উলংঘা কৰি বিনা অনুমতিত গণৰাজ্যত প্ৰৱেশ কৰা কাৰণে আটক কৰি

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ফণী তালুকদাৰে এই সভাৰ জৰিয়তে অসমৰ জনগণক পুনৰ 'অসম বিশ্ববিদ্যালয় দিৱস' উদ্‌যাপন কৰিবলৈ অনুৰোধ জনায়।

১৯৪০ চনত শ্বিলঙত অনুষ্ঠিত ছাত্ৰ সন্মিলনৰ বাৰ্ষিক সভাত সভাপতিৰ ভাষণ প্ৰদান কৰি বাগ্মীবৰ নীলমণি ফুকনে কয় যে যিহেতু কলিকতা বিশ্ববিদ্যালয়ক ইতিমধ্যে বংগ চৰকাৰৰ অধীনলৈ অনা হৈছে সেয়েহে অসমৰ বাবে এখন পৃথক বিশ্ববিদ্যালয় আৰু অধিক প্ৰাসংগিক হৈ দেখা দিছে। দ্বিতীয় দিনাৰ সভা ১৯৪০ চনৰ ২০ জুলাইত অধ্যাপক হুমায়ুন কবীৰৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু এই সভাই অসমৰ বাবে এখন পৃথক বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱটো গ্ৰহণ কৰে। এই সন্মিলনে গুৱাহাটীতে বিশ্ববিদ্যালয়খন পতাটো উচিত বুলি কয়।

বিশ্ববিদ্যালয়ৰ স্থান নিৰ্ণয় আদি অনেক সমস্যাৰ মাজতে ১৯৪১ চনৰ ৪ মাৰ্চত ছাদুল্লা মন্ত্ৰীসভাৰ দ্বাৰা ৰচিত 'অসম বিশ্ববিদ্যালয় বিধেয়ক'খন অসম ব্যৱস্থা পৰিষদত উত্থাপন কৰা হয়। এই বিধেয়কখন নিৰ্ণায়ক কমিটীৰ দ্বাৰা পৰীক্ষণ কৰা আৰু তাৰ আধাৰত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ মুকলি কৰি দিয়া হ'ল। নিৰ্ণায়ক কমিটীৰ সৰহভাগ সদস্যক সাম্প্ৰদায়িক ভিত্তিত নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক অৰ্হতা নাছিল বাবে তেওঁলোকৰ দ্বাৰা বিধেয়কখন পৰীক্ষণ কৰাটো এটা অৰ্থহীন কথা হৈ পৰিছিল। তদুপৰি শিক্ষা মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীয়ে বিধেয়কখন সন্দৰ্ভত পোষণ কৰা দৃষ্টিভংগীকো বিভিন্ন মহলে সমালোচনাৰে থকা-সৰকা কৰিছিল। বিভিন্ন বাদ-প্ৰতিবাদৰ মাজত ১৯৪১ চনৰ ১৬ আৰু ১৭ আগষ্টত ব্ৰহ্মপুত্ৰ উপত্যকাত 'অসম বিশ্ববিদ্যালয় দিৱস' আয়োজন কৰা হ'ল। বিধেয়কখনৰ দফাবোৰক লৈ গোপীনাথ বৰদলৈ মুঠেই সন্তুষ্ট হোৱা নাছিল। এখন আদৰ্শ স্বায়ত্তশাসিত বিশ্ববিদ্যালয়ৰ সলনি চৰকাৰী বিধেয়কখনত চৰকাৰৰ দ্বাৰা মনোনীত লোকৰহে সংখ্যাধিক্য ঘটিছিল।

অৱশেষত অনেক বিতৰ্কৰ পিচতো বিধেয়কখনৰ বিষয়ত এক ফলপ্ৰসূ

খোৱা আনটো চৰকাৰৰ চৰকাৰী চাকৰিয়ালসমূহক ৫ এপ্ৰিলৰ দিনা একেলগে দুয়োখন চৰকাৰে খালাচ কৰি দিব।

(২) ভৱিষ্যতে সীমাৰেখা অতি যত্নৰে সৈতে মানি চলিবলৈ দুয়োখন চৰকাৰে তেওঁলোকৰ তলতীয়া চাকৰিয়ালসকলক নিৰ্দেশ দিব।

(৩) সীমান্ত অঞ্চলত যদি কোনো ঘটনা ঘটে বিশেষকৈ যদি কোনো চৰকাৰী চাকৰিয়ালক কোনোখন চৰকাৰে ভৱিষ্যতে সীমান্ত অঞ্চলৰ ঘটনা সম্পৰ্কত আটক কৰি ৰাখে তেন্তে আন্তঃডমিনিয়ন চুক্তি অনুসৰি সেই বিষয়ে সংশ্লিষ্ট দুয়োখন জিলাৰ কৰ্মচাৰীয়ে যুটীয়াভাৱে তদন্ত কৰিব।

৩ এপ্ৰিল ঃ ধুবুৰীৰ এক বাতৰিৰ সূত্ৰ অনুসৰি গাৰো পাহাৰেদি মৈমনসিংহ জিলাৰ পৰা আৰু গোলোকগঞ্জইদি ৰংপুৰৰ পৰা দৈনিক ২৫ হেজাৰ ভগনীয়াৰ অসমত প্ৰৱেশ।

৫ এপ্ৰিল ঃ অসম উপত্যকা জলোদ্যোগ পৰিকল্পনাত এতিয়ালৈকে ৫ লাখতকৈ অধিক টকা ব্যয় হোৱা বুলি কল-কাৰখানা, খনি আৰু বিদ্যুৎ মন্ত্ৰী এন ভি গেদগিলে কয়। সংসদত দেৱকান্ত বৰুৱাই সোধা এক প্ৰশ্নৰ উত্তৰত গেদগিলে এই উত্তৰ দিয়ে।

৮ এপ্ৰিল ঃ নতুন ভগনীয়াৰ সংস্থাপনৰ কাৰণে জিলা কৰ্তৃপক্ষৰ মাজত প্ৰায় দহ লাখ টকা বিতৰণ কৰা হৈছে বুলি ভগনীয়া সংস্থাপন দপ্তৰৰ মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে এক সাক্ষাৎকাৰত প্ৰকাশ কৰে।

১৭ এপ্ৰিল ঃ গুৱাহাটীৰ পৰা আঠমাইল দূৰত থকা এটা পাহাৰৰ গুহাৰ পৰা পুলিচ বাহিনীয়ে বিপ্লৱী দল এটিৰ কিছুমান গোপন বয়বস্তু আৰু কাগজ-পত্ৰ উদ্ধাৰ কৰে।

১৮ এপ্ৰিল ঃ বৰপেটা আৰু গোৱালপাৰাত খেতিয়কৰ মাজত তিনি হেজাৰতকৈ অধিক দ আলতীয়া মাটি বিতৰণ কৰি দিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত। ইয়াৰ ফলত বহুতো ভগনীয়াই সংস্থাপন

সমাধান বাহিৰ কৰিব পৰা নগ'ল। ১৯৪১ চনৰ ৯ ডিচেম্বৰত ৰোহিণী কুমাৰ চৌধুৰীয়ে শিক্ষা মন্ত্ৰীৰ পদ ইস্তফা দিয়ে আৰু ১৯৪১ চনৰ ২৫ ডিচেম্বৰত অসমত ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ ৯৩নং দফা প্ৰয়োগ কৰা হয়। ১৯৪২ চনৰ ২৫ আগষ্টত এই দফা উঠাই লোৱা হয় যদিও পুনৰ ছাদুল্লা মন্ত্ৰীসভা গঠন হোৱাত বিশ্ববিদ্যালয় বিষয়টো তল পৰি ৰ'ল আৰু ১৯৪৪ চনতহে বিশ্ববিদ্যালয়ৰ প্ৰসংগটো পুনৰ সৰৱ হৈ উঠে। ১৯৪৪ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত বিশ্ববিদ্যালয় সম্পৰ্কে এখন আলোচনা অনুষ্ঠিত হয়। বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বছৰটোৰ শেষৰ পিনে গুৱাহাটীত এখন সমাৱৰ্তন পতাৰ প্ৰস্তাৱ লোৱা হয়। এই আলোচনা সভাৰ গুৰি ধৰোঁতা আছিল মাধৱ বেজবৰুৱা আৰু জীৱনৰাম ফুকন। ডিচেম্বৰ মাহত গুৱাহাটীৰ কামৰূপ একাডেমীত অনুষ্ঠিত এই সমাৱৰ্তনত গুৱাহাটীতে অসমৰ বিশ্ববিদ্যালয়খন পতাটো ঠিক কৰা হয় আৰু অৰ্থ সংগ্ৰহৰ বাবে বিশ্ববিদ্যালয় ন্যাস সমিতি নামেৰে এখন ট্ৰাষ্ট ব'ৰ্ড গঠন কৰি গোপীনাথ বৰদলৈক তাৰ সভাপতি পতা হয়। ১৯৪৫ চনৰ ১৫ এপ্ৰিলৰ পৰা ৩০ এপ্ৰিলৰ ভিতৰত সমগ্ৰ অসমতে বিশ্ববিদ্যালয়ৰ বাবে ধন সংগ্ৰহৰ পৰিকল্পনা কৰা হ'ল। ধন সংগ্ৰহৰ এই অভিযানত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনগণে হিয়া উজাৰি বৰঙণি আগবঢ়ালে আৰু জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে এক সাৰ্বজনীন মহান কামত নিজকে ব্ৰতী কৰাৰ সুযোগ লাভ কৰিলে। ১৯৪৬ চনৰ ফেব্ৰুৱাৰীত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হোৱাৰ লগে লগে অসমৰ মানুহৰ দীৰ্ঘদিনীয়া এটা সপোনে যেন বাস্তৱ ৰূপ পোৱাৰ সুযোগ লাভ কৰিলে।

চৰকাৰ গঠন কৰাৰ কিছুদিনৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন চৰকাৰখনৰ মূল কাৰ্যসূচী হৈ পৰিল আৰু শিক্ষা মন্ত্ৰী বৰদলৈয়ে প্ৰসিদ্ধ বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাক 'বিশেষ বিশ্ববিদ্যালয় বিষয়া' হিচাপে নিযুক্ত কৰিলে। ১৯৪৭ চনৰ ১ ছেপ্টেম্বৰত অসম বিধানসভাত গুৱাহাটী বিশ্ববিদ্যালয়

লাভ কৰিব বুলি চৰকাৰৰ আশা পোষণ।

১৯ এপ্ৰিল : অসম বিধানসভাৰ অধ্যক্ষৰ দ্বাৰা অসম বিধানসভাৰ সচিব শ্ৰীযুত আৰ এন বৰুৱাক অসমৰ সংখ্যালঘু কমিছন গঠন সম্পৰ্কীয় নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে ৰিটাৰ্নিং অফিচাৰ হিচাপে নিয়োগ।

২০ এপ্ৰিল : সংখ্যালঘু চুক্তি আৰু আৰু অসমৰ পৰিস্থিতি সন্দৰ্ভত ভাৰতৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ পেটেলৰ সৈতে অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ আৰু বিত্ত মন্ত্ৰী বিষ্ণুৰাম মেধিৰ সাক্ষাৎ।

- গোলাঘাটৰ এখন ৰাজহুৱা সভাত অসমৰ ৰাজ্যপাল শ্ৰীপ্ৰকাশে অসমৰ প্ৰান্তীয় ভাষা অসমীয়া বুলি দৃঢ় মত ব্যক্ত কৰে। আন আন ভাষা-ভাষী সকলোৱে অসমীয়া ভাষা গ্ৰহণ কৰিব লাগিব বুলি তেওঁ কয়।
- ভাৰত চৰকাৰৰ খাদ্যশস্য সংগ্ৰহ অনুসন্ধান সমিতিৰ তিনিজনীয়া সদস্যৰে গঠিত এটি দলৰ অসম ভ্ৰমণ। থিৰুমল ৰাৱৰ নেতৃত্বত অহা এই দলটিয়ে অসমৰ খাদ্য সমস্যা আৰু পাকিস্তানলৈ যোৱা মুছলমানসকলে এৰি যোৱা মাটিত কি ধৰণৰ উৎপাদন হ'ব তাক পৰ্যালোচনা কৰিব।

২৩ এপ্ৰিল : দেশৰ ঘাটি পৰা অঞ্চলবোৰলৈ এতিয়াপৰ্যন্ত অসমে দহ হেজাৰ টন চাউল ৰপ্তানি কৰে বুলি ৰাজ্যৰ খাদ্য বিভাগৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰে।

২৫ এপ্ৰিল : গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ ইউনিয়নৰ ১৯৫০-৫১ চনৰ নিৰ্বাচনত নিৰ্বাচিত সদস্যসকল হৈছে — (১) অতুল শইকীয়া (সম্পাদক), (২) যদুৰ ভূঞা (সাহিত্য সম্পাদক), (৩) নৱকমল ভূঞা (খেল বিভাগৰ সম্পাদক), (৪) শশীধৰ দত্ত (কমনৰুম সম্পাদক) আৰু ভাৰত গগৈ (সুকুমাৰ কলা সম্পাদক)

২৬ এপ্ৰিল : অসমত ভাৰতীয় সংস্থাপনৰ অৱকাশ নাই বুলি ৰতনচাঁদ আগৰৱালাৰ মতামত বংগ দেশৰ পৰিস্থিতি অথৱাক

বিধেয়কখন উপস্থাপন কৰা হ'ল। বিশ্ববিদ্যালয়ৰ সা-সম্পত্তি, কাগজ-পাতি সোনকালে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হাতত অৰ্পণ কৰি দিবৰ বাবে বৰদলৈয়ে ১৯৪৮ চনত জানুৱাৰী মাহৰ শেষৰ ফালে ন্যাস পৰিষদৰ শেষৰখন সভা আৰু তৃতীয় বিশ্ববিদ্যালয় সমাৱৰ্তনখন আহ্বান কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কামত খাটি দিবৰ বাবে ৱাৰ্ধাৰ গান্ধীজীৰ সহকৰ্মী কাকা কালেলকাৰকো আমন্ত্ৰণ কৰি অনা হ'ল। ইতিমধ্যে প্ৰখ্যাত সংস্কৃত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যৰ পদ গ্ৰহণ কৰিব বুলি বৰদলৈক সন্মতি প্ৰদান কৰিছিল। ২৫ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় আইন, ১৯৪৭ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষী সমিতিখন ভংগ কৰি দিয়া হয় আৰু ব'ৰ্ডৰ হাতত থকা সকলো সা-সম্পত্তি, পুঁজি, বেংকৰ পত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হাতলৈ হস্তান্তৰিত কৰা হয়।

১৯৪৮ চনৰ ২৬ জানুৱাৰীত গুৱাহাটীৰ ছুডমাৰ্চন হলত গুৱাহাটী বিশ্ববিদ্যালয় ক'ৰ্টৰ প্ৰথমখন সভা অনুষ্ঠিত হয়। লগে লগে আৰম্ভ হয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী জীৱন। ক'ৰ্টৰ অনুমোদন আৰু চেঞ্চেলাৰৰ শলাগনি ক্ৰমে যোৰহাট জগন্নাথ মহাবিদ্যালয়ৰ অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈক গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য হিচাপে নিয়োগ কৰা হয়। একেদৰে বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ ১৪জন সদস্যৰ ভিতৰত ৯জনক নিয়োজিত কৰা হয়। কাৰ্যবাহী পৰিষদৰ নজন সদস্য হ'ল কটন কলেজৰ অধ্যক্ষ ড° বাণীকান্ত কাকতি, আৰ্ল ল কলেজৰ অধ্যক্ষ শৰৎ কুমাৰ দত্ত, মনোনীত সদস্য হ'ল অমলপ্ৰভা দাস আৰু সূৰ্যকুমাৰ ভূঞা। ইয়াৰ বাহিৰেও আছিল ডাঃ জাকিৰ হুছেইন, মিঃ আৰ আৰ টমাছ, ফখৰুদ্দিন আলী আহমেদ আৰু মিঃ আও। এনেদৰেই আৰম্ভ হৈছিল অসমৰ সমাজ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠানটোৰ শৈক্ষিক পৰিক্ৰমা।

কৰিবৰ বাবে পঞ্জাব কংগ্ৰেছ কমিটীৰ দ্বাৰা প্ৰেৰিত আগৰৱালাই তেওঁৰ অধ্যয়ন কালছোৱাত মত ব্যক্ত কৰে।

২৮ এপ্ৰিল : গুৱাহাটীৰ লোকেল ব'ৰ্ডৰ মুঠ ৩৫টা নিৰ্বাচনী ক্ষেত্ৰৰ ভিতৰত ১১টাতে কংগ্ৰেছ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হৈছে। এইসকল হ'ল— (১) গুৱাহাটী-বুদ্ধিমান বৰদলৈ, (২) বকো-পুনিৰাম বড়ো (ট্ৰাইবেল), (৩) টিহু- জয়চন্দ্ৰ দত্ত, (৪) খাতা - প্ৰফুল্ল গোস্বামী, (৫) পকোৱা - কৰুণা শৰ্মা, (৬) নমাটি বাক্সা - সুৰেন দাস (ট্ৰাইবেল), (৭) নমাটি বাক্সা - প্ৰসন্ন কলিতা, (৮) বৰক্ষেত্ৰী - ধৰ্মেশ্বৰ দাস (অনুসূচিত), (৯) বৰক্ষেত্ৰী - পদ্ম তালুকদাৰ, (১০) বেতনা দিফলী - পূৰ্ণ শইকীয়া, (১১) চমৰীয়া বেকেলি - দেবেন কলিতা। ছ'চিয়েলিষ্টসকলে এই নিৰ্বাচন বৰ্জন কৰে। সীমাবদ্ধ ভোটাধিকাৰত সন্তুষ্ট নহৈ বয়স্ক ভোটাধিকাৰ বিচাৰি তেওঁলোকে এনে বৰ্জন কৰিছিল।

৩ মে' : মে' দিৱসত যোগ দিয়াৰ বাবে তেজপুৰৰ শ্ৰীকল্যাণ ধান আৰু তেল কলৰ ৭০জন বনুৱাক কামৰ পৰা বৰ্খাস্ত। তেজপুৰ ছ'চিয়েলিষ্ট পাৰ্টিৰ কৰ্মকৰ্তাসকলে মালিকৰ এই কাৰ্যৰ প্ৰতি বনুৱা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছে।

- অসমৰ কাছাৰ জিলাৰ চাহ বাগিচাৰ মাটিত ৩,৫০০ ভগনীয়াৰ পৰিয়ালক বহুৱাবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৫ লাখ টকাৰ আঁচনি গ্ৰহণ কৰে। এই ভগনীয়াসকলক ভাৰতীয় চাহ সংঘৰ জৰিয়তে বহুওৱা হ'ব বুলি কেন্দ্ৰীয় পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰীদপ্তৰে ঘোষণা কৰে।

৪ মে' : গুৱাহাটীত লাউড স্পীকাৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ। অসম মিউনিচিপাল এক্টৰ ২৯৭ ধাৰাৰ অধীনত এই হুকুম জাৰি কৰা হয়। মিউনিচিপালিটীৰ বিনানুমতিত লাউড স্পীকাৰ বজালে ৫০ টকালৈ জৰিমনাৰ ব্যৱস্থা। দোকান-পোহাৰ, চিনেমা হল, ৰাজহুৱা প্ৰমোদ গৃহ, বিয়া-সবাহ, উৎসৱ আদি সকলোতে

জাতীয় সংগীত আৰু অসমত বিৰোধিতা

'জন গণ মন' আমাৰ ৰাষ্ট্ৰীয় সংগীত। জৱাহৰলাল নেহৰুৱে সুৰটো ভাল লগা কাৰণে অস্থায়ীভাৱে আৰম্ভ কৰা এই ৰাষ্ট্ৰীয় সংগীতক লৈ আৰম্ভণিৰে পৰা অসমত প্ৰবল প্ৰতিবাদৰ জোৱাৰ উঠিছিল।

অসমৰ সুধী সমাজে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'জন গণ মন'ৰ মূল পাঠ অপৰিৱৰ্তিত অৱস্থাত মানি ল'বলৈ টান পোৱাই নহয় বৰঞ্চ ইয়াৰ পূৰ্ণ বিৰোধিতা কৰি ৰাজপথলৈ ওলাই আহিছিল। স্বৰাজোত্তৰ অসমৰ ৰাজনৈতিক নেতৃবৃন্দয়ো এই জনমতকে প্ৰকাৰান্তৰে সমৰ্থন জনাইছিল।

এই নিয়ম আৰোপ।

● তেজপুৰ লোকেল ব'ৰ্ড নিৰ্বাচনৰ ৩২খন আসনৰ ভিতৰত ১৮খনত কংগ্ৰেছ প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে।

১১ মে' ঃ নগাঁও চহৰৰ পৰা ১৪মাইল দূৰত অৱস্থিত হাওৰাঘাটত বাহৰ পাতি থকা এটি পুলিচ দলক কমিউনিষ্ট পাৰ্টিৰ লোক বুলি সন্দেহ হোৱা ৪০/৫০জনমান দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ফলত দুজন পুলিচ কনিষ্টবল খৰ্গেশ্বৰ তামুলী আৰু নিৰ্মলচন্দ্ৰ বৰাৰ মৃত্যু হয়। দখলকাৰীসকলক উচ্ছেদ কৰাৰ পিচত পুনৰ বন্দৱস্তিৰ কামৰ কাৰণে হাওৰাঘাটত বাহৰ পাতি থকা আধা ফৌজ কনিষ্টবলক দুৰ্বৃত্তই আক্ৰমণ কৰি নিহত কৰাৰ লগতে পুলিচৰ সকলো অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ আদি লুটি লৈ যায়।

১৪ মে' ঃ ঢাকাত বহিবলগীয়া মুখ্যমন্ত্ৰীৰ সন্মিলনত যোগ দিবলৈ ঢাকা অভিমুখে যোৱাৰ আগতে অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে জনায় যে পাক-ভাৰত সংখ্যালঘু চুক্তিৰ ফল অসমত স্পষ্টভাৱে পৰিলক্ষিত হৈছে আৰু দুয়ো পিনৰ পৰা ভগনীয়াসকলৰ অহা-যোৱা কমি আহিছে। অসমত ভগনীয়াৰ সংখ্যা চাৰি লাখতকৈও বহু বেছি যাৰ ২,৬৮,০০০জনক ৰেজিষ্ট্ৰাৰ কৰা গৈছে তথা ক্ষিপ্ৰ গতিৰে সংস্থাপন দিয়া হৈছে। অসমত ভগনীয়া সংস্থাপনৰ বাবে অলেখ মাটি আছে বুলি থকা ধাৰণাক তেওঁ ভুল আখ্যা দিয়ে আৰু অসমে সৰ্বাধিক ভগনীয়াক সংস্থাপন দিব লগাত পৰিছে বুলি তেওঁ জনায়।

১৫ মে' ঃ পাক-ভাৰত চুক্তি সম্পৰ্কে অসম আৰু দুই বংগৰ তিনি মুখ্যমন্ত্ৰীৰ সন্মিলন।

ঢাকাত অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ, পশ্চিম বংগৰ মুখ্যমন্ত্ৰী ডাঃ বিধানচন্দ্ৰ ৰায়, পূব-বংগৰ প্ৰধানমন্ত্ৰী নুৰুল আমিনৰ মাজত এখন ত্ৰিপাক্ষিক সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত পাক-ভাৰত চুক্তি কেনেধৰণে কাৰ্যকৰী কৰিব পাৰি সেই সম্পৰ্কে বিশদ

ৰাষ্ট্ৰীয় সংগীতৰ নিৰ্বাচন কোনো বৈজ্ঞানিক ধৰণে বা কোনো বিশেষজ্ঞৰ মত বিনিময়ৰ মাজেৰে হোৱা নাছিল। বৰঞ্চ 'জন গণ মন' জনপ্ৰিয় হোৱাৰ বহু আগৰে পৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলৰ কাৰণে 'বন্দে মাতৰম' আছিল বেছি জনপ্ৰিয়।

কিন্তু স্বাধীনতাৰ পিচত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ 'জন গণ মন'ৰ সুৰটো বেছি সুন্দৰ লাগিছিল। কিয়নো গানটো সহজ আৰু পশ্চিমীয়া দেশৰ অতিথিসকলৰ সন্মুখত পিয়ানোত বজাব পৰা সুৰ আছিল। সেই কাৰণেই 'বন্দে মাতৰম'ক চেৰাই 'জন গণ মন' ৰাষ্ট্ৰীয় সংগীত হিচাপে স্বীকৃত হৈছিল।

কিন্তু সেয়া কোনোপধ্যে মনঃপুত নহ'ল অসমৰ সুধী সমাজৰ। কাৰণ কবিগুৰুৰ এই গানটোত অসমৰ কোনো উল্লেখ নাছিল।

অসন্তোষৰ উক্‌মুকনিৰ বহিঃপ্ৰকাশ ঘটে ১৯৪৮ চনৰ ২৯ জুনত। সেইদিনাই গুৱাহাটী আৰ্টিষ্ট এছ'চিয়েচনৰ সহযোগত অনুষ্ঠিত এখন বিৰাট ৰাজহুৱা সভাত অল ইণ্ডিয়া ৰেডিঅ'ৰ শ্বিলং-গুৱাহাটী শাখা কেন্দ্ৰ দুটাৰ উদ্বোধনী উপলক্ষে 'জন গণ মন' গীতটো আৰু সুৰটো ব্যৱহাৰৰ তীব্ৰ বিৰোধিতা কৰি দুটা সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

উদ্বোধনী অনুষ্ঠানত গীতটো তথা সুৰটো ব্যৱহাৰ কৰিলে সেই উৎসৱত সহযোগ নকৰিবলৈ সভাই সিদ্ধান্ত লয়। যাৰ ফলত একপ্ৰকাৰ বিবুধিত পৰিছিল অসম চৰকাৰ।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে এই গীতটো ৰজা পঞ্চম জৰ্জক ভাৰত আগমনৰ কালত সম্ভাষণ জনাবলৈ লিখা বুলি বহুতে ক'ব খোজে যদিও গানটোৰ প্ৰতি অসমীয়াই পোষণ কৰা আক্ষেপত তাৰ কোনো সম্পৰ্ক নাছিল।

আনকি স্বাধীনতা সংগ্ৰামৰ কালত অসমীয়াৰ প্ৰিয় 'বন্দে মাতৰম'ক কবিগুৰুৰ মহান গীতটোৱে দ্বিতীয় স্থানলৈ নিয়াৰ বাবে অসন্তুষ্ট হ'লেও 'জন গণ মন'ৰ প্ৰতি অসমীয়াৰ আপত্তি নাছিল যদিহে তাত অসমৰ কিবা উল্লেখ থাকিলহেঁতেন।

তথাপি গোলোকেশ্বৰ গোস্বামীৰ সভাপতিত্বত কাৰ্জন হলত বহা সেই

আলোচনা হয়। চুক্তিখনৰ ৫নং ছেদৰ 'খ' শাখাটোৰ কাৰ্যকাৰিতা সম্পৰ্কত মন্ত্ৰীসকলে বিশেষ মনোযোগ প্ৰদান কৰে। সেই ছেদত স্থানচ্যুতৰ স্থাবৰ সম্পত্তিৰ দখলীস্বত্ব নাইবা অধিকাৰ অক্ষুণ্ণ ৰখাৰ বিষয়ে ব্যৱস্থা দিয়া হৈছে। যদি মাটিৰ গৰাকী নিজে খেতিয়ক বা আনৰ ৰায়ত হয় তেওঁকো মাটি ঘূৰাই দিয়া হ'ব যদিহে তেওঁ ১৯৫০ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰতে আকৌ নিজ ঠাইলৈ ঘূৰি যায়।

● শ্ৰীপ্ৰকাশৰ ঠাইত জয়ৰামদাস দৌলতৰাম অসমৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তিৰ ঘোষণা।

১৬ মে' ঃ অসমৰ জনজাতি পৰিষদ গঠনৰ প্ৰাৰম্ভিক ব্যৱস্থা। সংবিধানৰ ষষ্ঠ (ক) অনুসূচী অনুসৰি ছয়খন স্বতন্ত্ৰ জনজাতি প্ৰদেশত প্ৰদেশ আৰু আঞ্চলিক পৰিষদ গঠনৰ যো-জা। মুখ্যমন্ত্ৰীৰ তত্ত্বাৱধানত জনজাতি পৰিক্ৰমা গঠন। ৰাজ্যপালৰ উপদেষ্টা আৰ ভি সুব্ৰমণিয়ম ছেক্ৰেটাৰী পদত নিয়োগ।

১৯ মে' ঃ নিবাৰক নিৰোধ অধিনিয়মৰ চতুৰ্দশ ধাৰাটো বিধিবহিৰ্ভূত বুলি ভাৰতৰ ছুপ্ৰীম কৰ্টৰ ৰায়। এই ধাৰাটো বিধি বহিৰ্ভূত হ'লেও কেন্দ্ৰীয় নিবাৰক নিৰোধ অধিনিয়মখন বিধিবহিৰ্ভূত নহয় বুলি আদালতৰ ৰায়।

২১ মে' ঃ লোকেলব'ৰ্ড নিৰ্বাচন বৰ্জন কৰা সম্পৰ্কে আলোচনা কৰিবলৈ ছ'চিয়েলিষ্ট পাৰ্টিৰ উদ্যোগত এখন ৰাজহুৱা সভা গুৱাহাটীত অনুষ্ঠিত হয়। লক্ষ্মী প্ৰসাদ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত উপস্থিত থাকে অজিত শৰ্মা, আনন্দেশ্বৰ বৰঠাকুৰ, প্ৰমোদ বৰ্মন আৰু ভুৱনেশ্বৰ বৰ্মন। সভাত লোকেল ব'ৰ্ড নিৰ্বাচন সম্পৰ্কে ছ'চিয়েলিষ্ট পাৰ্টিৰ নীতি বুজাই দিয়া হয় আৰু বয়স্ক ভোটাধিকাৰৰ ভিত্তিত ভোটদান অনুষ্ঠিত নোহোৱালৈকে ভোটদানৰ পৰা ৰাইজক বিৰত থাকিবলৈ আহ্বান জনায়। সুৰেন বক্সী তথা অন্যান্য বন্দীক অতি সোনকালে মুক্তি দিবলৈও সভাই এক প্ৰস্তাৱ

সভাখনত জগদীশ মেধিয়ে 'বন্দে মাতৰম' আৰু 'জন গণ মন' গীত দুটাৰ ভিতৰত প্ৰথমটো গানহে অসমৰ ঐতিহ্যৰ লগত খাপ খায় বুলি মত দাঙি ধৰে। সভাত কালীৰাম মেধি, ৰঘুনাথ চৌধাৰী, সত্যপ্ৰসাদ বৰুৱা, লক্ষ্যধৰ চৌধুৰী, মৌলবী মহিবুদ্দিন আহমেদ প্ৰমুখ্যে কেইবাজনো লোকে অভিমত দাঙি ধৰিছিল।

অসম প্ৰাদেশিক মহিলা সমিতিৰ যুটীয়া সম্পাদিকা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে 'জন গণ মন'ৰ বিৰোধিতা কৰি পঠিওৱা ৰিপ'ৰ্ট এটাও সভাত পাঠ কৰা হৈছিল।

প্ৰসিদ্ধ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰো আছিল একেই অভিমত। অসমৰ শিল্পী বা গায়কসকলৰ মতামতলৈ বাট নাচাই নিজৰ খেয়াল মতে 'জন গণ মন' গীতটো ৰাষ্ট্ৰীয় সংগীত হিচাপে ব্যৱহাৰ কৰাটো আৰু অসমৰ অনিচ্ছুক গায়ক-গায়িকা আৰু শিল্পীসকলৰ ওপৰত সেই সিদ্ধান্ত জাপি দিয়াটো অসহনীয় বুলি আগৰৱালাই দোহাৰিছিল।

ঠিক একে সময়তে শ্বিলঙৰ লাবান অসম ক্লাবত কবি নলিনীবালা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত এখন সভায়ো অনুৰূপ প্ৰস্তাৱ গ্ৰহণ কৰে। শ্বিলং-গুৱাহাটী কেন্দ্ৰৰ প্ৰথম দিনৰ অনুষ্ঠানত অসহযোগ কৰিবলৈ সিদ্ধান্ত লৈ গ্ৰহণ কৰা এই প্ৰস্তাৱ চৰ্দাৰ বল্লভভাই পেটেল, অল ইণ্ডিয়া ৰেডিঅ'ৰ ডাইৰেক্টৰ জেনেৰেল আৰু শ্বিলং-গুৱাহাটীৰ ষ্টেচন ডাইৰেক্টৰলৈ প্ৰেৰণ কৰা হয়।

অসমীয়াৰ মূল আপত্তি আৰু আক্ষেপৰ কাৰণটো হ'ল এই গীতত ভাৰতৰ বহু প্ৰান্তৰ নাম লোৱা হ'ল যদিও তাত অসমৰ কোনো উল্লেখ নাছিল। অসমীয়াই বিচাৰিছিল যাতে গীতটোৰ হিন্দুস্থানী ৰূপান্তৰত 'সিন্ধ'ৰ ঠাইত (যিহেতু সিন্ধু প্ৰদেশ ভাৰতত আৰু নাই) অসমৰ নাম লোৱা হয়। অসমৰ প্ৰস্তাৱ আছিল যে 'সিন্ধ' শব্দ থকা বাক্যশাৰী যদি কামৰূপ, পঞ্জাব, গুজৰাট, মাৰাঠা...' কৰা হয় গীতটোত লয় আৰু সুৰতো ব্যাঘাত নহ'ব।

গ্ৰহণ কৰে।

● জনজাতীয় অঞ্চলত এৰী-মুগা আৰু বয়ন শিল্পৰ প্ৰসাৰ আৰু উন্নতিৰ অৰ্থে অসম চৰকাৰে এখন আঁচনি গ্ৰহণ কৰে। ভাৰত চৰকাৰে এইবাবে তিনি লাখ টকাৰ এক মঞ্জুৰি অসম চৰকাৰক প্ৰদান কৰে। গুৱাহাটী বয়ন বিদ্যালয়ত পঢ়িবৰ কাৰণে দহজন ট্ৰাইবেল ছাত্ৰক অসম চৰকাৰৰ দ্বাৰা বৃত্তি প্ৰদান।

২৩ মে' ঃ অক্সফৰ্ড বিশ্ববিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক স্বীকৃতি দিয়াৰ সিদ্ধান্ত প্ৰকাশ। কোনো ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি আনুষংগিক পৰীক্ষাৰ ফলাফল আৰু সন্তোষজনক উন্নতিৰ প্ৰমাণপত্ৰ উপযুক্ত কৰ্তৃপক্ষৰ পৰা দিব পাৰিলে অস্কফৰ্ড এণ্ট্ৰেন্স বা ৰেছপন্সেছ পৰীক্ষাৰ পৰা তেওঁ ৰেহাই পাব বুলি এক বাতৰি প্ৰকাশ।

● শ্বিলঙত অসম আৰু পূব বংগৰ মুখ্যমন্ত্ৰী দুজনৰ সন্মিলন আৰম্ভ। ভাৰত আৰু পাকিস্তানৰ হাই কমিছনাৰ দুজনাৰো অংশগ্ৰহণ। পাক-ভাৰত চুক্তিৰ কাৰ্যকাৰিতাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সম্পৰ্কে আলোচনা।

২৫ মে' ঃ সংযুক্ত খাছীয়া জয়ন্তীয়া পাহাৰ জিলাৰ উপদেষ্টা পৰিষদখন শ্বিলঙৰ চৰকাৰী দৰবাৰ হলত মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰে দ্বাৰা উদ্বোধন। সভাত পৌৰোহিত্য কৰে অসমৰ বিদায়ী ৰাজ্যপাল শ্ৰীপ্ৰকাশে।

২৬ মে' ঃ অসমৰ ৰাজ্যপাল শ্ৰীপ্ৰকাশৰ বিদায়। তেওঁৰ স্থলাভিষিক্ত হ'ব জয়ৰামদাস দৌলতৰাম।

● গুৱাহাটী লোকেল ব'ৰ্ডৰ নিৰ্বাচনত কংগ্ৰেছে ১৯খন আসন লাভ কৰে। ব'ৰ্ডৰ ৩৬খন আসনৰ ভিতৰত ১১খন আসন কংগ্ৰেছে বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰাৰ পিচত ২০খন আসনত কংগ্ৰেছ প্ৰাৰ্থীয়ে নিৰ্বাচনত স্বতন্ত্ৰ প্ৰাৰ্থীৰ মুখামুখি হ'ব লগাত পৰে। ইয়াৰে ১২খনতে কংগ্ৰেছে স্বতন্ত্ৰ প্ৰাৰ্থীৰ হাতত পৰাজিত হয়।

২৭ মে' ঃ জয়ৰামদাস দৌলতৰামৰ

উল্লেখযোগ্য যে অস্থায়ীভাৱে অসমত ১৯৪৭ চনৰ ১৫ আগষ্টতহে 'জন গণ মন'ক জাতীয় সংগীত ৰূপে ৰাজভৱন আৰু ৰাজ্যপালৰ কাৰ্যালয়ত গোৱা হৈছিল।

১৯৪৮ চনৰ ৩০ মাৰ্চত অসম বিধানসভাৰ কংগ্ৰেছ দলত বিষয়টো আলোচনা হৈছিল আৰু ইয়াত সিদ্ধান্ত লোৱা হয় এইবুলি যে 'জন গণ মন'ক ভাৰতীয় সংগীত ৰূপে গোৱা হ'ব যদিহে 'অসম'ৰ নামটো অন্য প্ৰদেশবোৰৰ সৈতে সংলগ্ন হয় বা অন্য প্ৰদেশৰ নামবোৰো উঠাই লোৱা হয়।

অসমৰ জাতীয় গীত 'অ' মোৰ আপোনাৰ দেশ'ক ৰাজহুৱা সভা বা উৎসৱত দ্বিতীয় স্থান দি গীতটো অনুষ্ঠানৰ সামৰণী গীতৰূপে ল'বলৈ সভাত স্থিৰ কৰা হ'ল।

'জন গণ মন'ৰ হিন্দুস্থানী সংস্কৰণকেই জাতীয় সংগীত স্বৰূপে গোৱা হ'ব বুলি ধৰি লৈ হাইদৰীয়ে গীতটোৰে প্ৰথম অংশটোত অসমৰ নামটো নথকা কথাটোৰ প্ৰসংগত নেহৰুলৈ লিখিলে ঃ 'আমি সেই কাৰণে এই পৰামৰ্শ দিওঁ যে সংলগ্ন পংক্তিৰ অন্ততঃ হিন্দুস্থানী অনুবাদটো এনে হ'ব লাগে যাতে অসমৰ লগতে অন্তৰ্গত নোহোৱা আন প্ৰদেশকেইখনৰ নামো সোমায়।

কবিগুৰুৱে লেখা সেই বিতৰ্কিত পংক্তিটো হ'ল—

'পঞ্জাব সিন্ধু গুজৰাট মাৰাঠা
দ্ৰাবিড় উৎকল বংগ।।

অসমে বিচাৰিছিল—

'পঞ্জাব কামৰূপ গুজৰাট মাৰাঠা
দ্ৰাবিড় উৎকল বংগ।।'

'জন গণ মন'ক জাতীয় সংগীত পণ্ডিত নেহৰুৱে নিজা দায়িত্বত কৰিছিল, প্ৰথমে অস্থায়ীভাৱে আৰু পিছত তাক সাংবিধানিক স্বীকৃতিৰে। তেওঁ মাথোন ৰাজ্যপালসকলৰ লগতহে কথা পাতিছিল আৰু সেইসকলৰ জৰিয়তে আওপকীয়াকৈ মুখ্যমন্ত্ৰীসকলকো কথাটো জানিবলৈ দিছিল।

অসমৰ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ। অসম হাইকৰ্টৰ চীফ জাষ্টিচ এ ভি থাদানিয়ে শপত গ্ৰহণ কাৰ্য সম্পাদন কৰে।

● অসম ৰে'লৰেৰ কাথিৰাৰ-শিলিগুৰি শাখাৰ শিলিগুৰি ষ্টেচনৰ পৰা ২৬ মাইল দূৰৰ অধিকাৰী আৰু গলগলীয়াৰ মাজত পুৱা ৪ বজাত এখন মালবাহী ৰে'ল লাইনচ্যুত হয়। ফলত এজন ফায়াৰ মেনৰ মৃত্যু হয় আৰু তিনিজন চালক আহত হয়।

২৯ মে' ঃ সংবিধানৰ ষষ্ঠ অনসূচীত নিৰ্ধাৰিত কৰি দিয়া অসমৰ জনজাতীয় এলেকাৰ প্ৰতিনিধিৰ বাবে এখন আসন অন্তৰ্বৰ্তী সংসদতো ৰখা হৈছে বুলি ভাৰত চৰকাৰে গেজেটযোগে প্ৰকাশ কৰে। এই জনজাতীয় প্ৰতিনিধিজনক অসমৰ ৰাজ্যপালে মনোনীত কৰিব।

৩০ মে' ঃ আততায়ীৰ গুলীত শিৱসাগৰৰ বিশিষ্ট কংগ্ৰেছ কৰ্মী জীৱকান্ত বৰগোহাঁই নিহত।

● ডিব্ৰুগড়ৰ লোকেল বৰ্ডৰ নিৰ্বাচনত কংগ্ৰেছৰ ১৭খন আসন লাভ। সৰ্বমুঠ ৩১খন আসনৰ ভিতৰত পিপলছ পাৰ্টিয়ে ৫খন আৰু স্বতন্ত্ৰ প্ৰাৰ্থীয়ে ৫খন আসন লাভ কৰে। বাকী চাৰিখন আসনলৈ দুজন চৰকাৰী সভ্য আৰু দুজন বেচৰকাৰী সভ্য চৰকাৰে মনোনীত কৰিব।

৩১ মে' ঃ বহিৰাগতসকলে নিজকে অসমৰ সন্তান বুলি চিনাকি দিয়া উচিত বুলি অসমৰ বিত্ত মন্ত্ৰী বিষুওৰাম মেধিৰ আহ্বান। তেজপুৰৰ নিকটৱৰ্তী বালিপৰাত অনুষ্ঠিত এখন ৰাজহুৱা সভাত তেওঁ এই আহ্বান জনায়।

১ জুন ঃ নিবাৰক নিৰোধ আদেশ আৰু লোক নিৰাপত্তা আইন অনুসৰি কাছাৰ জিলাত গ্ৰেপ্তাৰ কৰা লোকসকলক মুক্তি দিবলৈ অসম চৰকাৰৰ নিৰ্দেশ। গ্ৰেপ্তাৰ কৰা লোকসকলৰ মাজত কেইজনমান কংগ্ৰেছীও আছিল।

২ জুন ঃ পলাতক কমিউনিষ্ট নেতা (আৰ চি পি আই) অমিয়াম বসুমতাৰী আৰু তেওঁৰ পত্নীক গুৱাহাটীৰ পৰা ৮ মাইল নিলগত

নেহৰুৱে কৈছিল যে যেতিয়া জাতিসংঘৰ সাধাৰণ অধিৱেশনকে ধৰি কিছু আন্তৰ্জাতিক অনুষ্ঠানত গীতটোৰ বাদ্যযান্ত্ৰিক পৰিবেশন হৈছিল ই হেনো তেতিয়া বহুল প্ৰশংসা পাইছিল আৰু সেই কাৰণেই হেনো তেওঁ 'জন গণ মন'ক 'বন্দে মাতৰম'তকৈ অধিক মান্যতা দিছিল। নেহৰুৰ দ্বিতীয় যুক্তি আছিল— 'জাতীয় সংগীতৰ আচল গুৰুত্ব নিজৰ দৰ্শকতকৈ বিদেশী দৰ্শকৰ কাৰণেহে।'

'জন গণ মন' বেগুত বজাবলৈ সহজ আৰু বিশেষকৈ জাতীয় সংগীত প্ৰধানকৈ বাহিৰৰ দৰ্শকৰ কাৰণেহে বোলা নেহৰুৱে দিয়া যুক্তিক তেতিয়াৰ সুধী সমাজে মানি লোৱা নাছিল আৰু আজিও মানি লোৱা নাই।

ভাৰতীয় লোকে উৎসাহেৰে জাতীয় সংগীতটো বাদ্যযন্ত্ৰৰ সুৰে সুৰে গাবলৈ ভাল পায় আৰু তাত অসমৰ নাম উল্লেখ নথকা কাৰণে মনে মনে দুখ কৰে।

সেই কাৰণেই ১৯৪৮ চনৰ ১ জুলাইত অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী আৰু শ্বিলং কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত হেজাৰ হেজাৰ লোকে 'জন গণ মন'ৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিছিল।

শ্বিলঙত এই অনুষ্ঠানত ভাগ লয় ৰাজ্যপাল ছাৰ আকবৰ হাইদৰী আৰু মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে। গুৱাহাটীত স্বাভাৱিকতে এই বিক্ষোভ বেছি ডাঙৰ হৈছিল।

প্ৰচাৰ বিভাগৰ মন্ত্ৰী মহম্মদ তৈয়বুল্লাই পিকেটিং কৰি থকা ৰাইজক আওকাণ কৰি অনুষ্ঠান উদ্বোধন কৰা কাৰ্যক প্ৰতিবাদ জনাই বিক্ষোভ আৰু তীব্ৰতৰ হৈ পৰে।

শ্বিলঙত অসমীয়া ছাত্ৰসকলে নলিনীবালা দেৱী আৰু কেশৱনাৰায়ণ দত্তৰ অনুপ্ৰেৰণাত জাতীয় সংগীতৰ প্ৰতি বিক্ষোভ প্ৰদৰ্শন কৰিছিল। মুখ্যমন্ত্ৰীয়ে তাৰ আগতেই বহু প্ৰতিবাদী তাঁৰ বাৰ্তা পাইছিল। কিন্তু অনুষ্ঠানটো সম্পূৰ্ণ কেন্দ্ৰীয় আয়োজন হোৱা কাৰণেই ৰাজ্য চৰকাৰৰ হৈ বৰদলৈয়ে তাৰ বিপক্ষে যাব নুখুজিলে।

গ্ৰেপ্তাৰ। পুলিচে তেওঁৰ পৰা এটা পিষ্টল, এটা ৰিভলভাৰ, এটা বন্দুক আৰু ৭৮টা গুলী জব্দ কৰে।

• ডিব্ৰুগড়ৰ স্পেচিয়েল জজ হলিৰাম ডেকাৰ আদালতত নালীয়াপুল হত্যাকাণ্ডৰ বিচাৰ আৰম্ভ।

৩ জুন ঃ গুৱাহাটীত কংগ্ৰেছ কৰ্মীসকলে পুনৰায় 'কাটাই মণ্ডল' আৰম্ভ কৰে। দিনৌ অলপ সময় সূতা কাটি ৰাইজক বস্ত্ৰ স্বাৱলম্বী কৰাৰ উদ্দেশ্যে এই সূতা কটা পৰ্বৰ সূচনা কৰা হৈছে বুলি কংগ্ৰেছ কৰ্মীসকলে মত প্ৰকাশ কৰে।

৫ জুন ঃ তেজপুৰ ট্ৰাইবেল ছাত্ৰ কংগ্ৰেছৰ প্ৰথম অধিৱেশন আৰম্ভ। অসমৰ বন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাই এই অধিৱেশন মুকলি কৰে।

৬ জুন ঃ ঘিলাধাৰীত ভূমি দখল সত্যাগ্ৰহ ঃ

ঘিলাধাৰী চাহ বাগিচাৰ অধিগ্ৰহণ কৰি লোৱা মাটিৰ বন্দৱস্তি কৰাত চৰকাৰে বিলম্ব কৰাৰ প্ৰতিবাদকল্পে ছ'চিয়েলিষ্ট পাৰ্টিয়ে মে' মাহৰ ২৬ তাৰিখৰ পৰা সত্যাগ্ৰহ আৰম্ভ কৰিছে। বাগিচাৰ দ্বাৰা অধিকৃত মাটিত সত্যাগ্ৰহীসকলে প্ৰৱেশ কৰি ধান খেতিৰ বাবে সেই মাটি আবাদ কৰি লয়। চৰকাৰে বন্দৱস্তি নিদিয়াপৰ্যন্ত অধিগৃহীত মাটিত প্ৰৱেশ কৰাটো নিষেধ কৰি গোলাঘাটৰ ছাব-ডিভিজনেল অফিচাৰে জাৰি কৰা আদেশ অমান্য কৰি সত্যাগ্ৰহীসকলে প্ৰায় ৩০ একৰ মাটি আবাদ কৰে। ওচৰ-চুবুৰীয়া গাঁৱৰ ভূমিহীন অসমীয়া খেতিয়কসকলে এই সত্যাগ্ৰহত অংশ লয় আৰু অংশ লোৱা সত্যাগ্ৰহীসকলৰ ভিতৰত মহিলা খেতিয়কো আছিল। পুলিচে জন নিৰাপত্তা আইন অনুসাৰে ১৬ জন সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰে।

৭ জুন ঃ ঘিলাধাৰী সত্যাগ্ৰহত ৫০ জনক গ্ৰেপ্তাৰ। গ্ৰেপ্তাৰ হোৱা সত্ত্বেও প্ৰায় ৪০০ মান পুৰুষ, মহিলাই পূৰ্ণ উদ্যমত মাটি আবাদী কাৰ্য অব্যাহত ৰাখে।

৯ জুন ঃ অসম চৰকাৰে পূব বংগৰ ভগনীয়াসকলক পুনৰ পিয়ল কৰিব বুলি সাংবাদিক মেল এখনত প্ৰকাশ

অনুষ্ঠানৰ দিনা বাটত বহু বাধা পায়ো তেওঁ কোনো মতে নিৰ্দিষ্ট ঠাই পাইছিলগৈ। যিহেতু সকলো অসমীয়া শিল্পীয়ে অনুষ্ঠানটো বৰ্জন কৰিছিল, সেয়েহে তেওঁ নিজৰ জীয়ৰীকেইগৰাকীকে সভাৰ সামৰণী গীত হিচাপে অসমীয়া জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' গাবলৈ ক'লে।

যিহেতু জাতীয় সংগীত সম্পৰ্কে শেষ সিদ্ধান্তটো তেতিয়ালৈকে সংবিধান সমিতিত লোৱা হোৱা নাছিল, বৰদলৈয়ে ভাবিছিল যে অসমে সেই সময়ত হিংসা প্ৰদৰ্শন কৰিলে ই হয়তো আগন্তুক আলোচনাত অসমক সহায় নকৰিব।

কিন্তু এনে সাৱধানতায়ো নেহৰু বা গণ পৰিষদৰ হৃদয় নুচুলেগৈ। গণ পৰিষদে অসমৰ নাম বাদ দি 'জন গণ মন' গীতটোৰ প্ৰথম পাঁচটা স্তৱকৰ হিন্দুস্থানী সংস্কৰণকহে ভাৰতীয় জাতীয় সংগীত হিচাপে ল'লে।

এই বিতৰ্ক কিন্তু কলিকতাৰ বাতৰিকাকতত বেছ কিছু বছৰ চলি গ'ল। ১৯৫০ চনৰ ১৮ জানুৱাৰীত 'ষ্টেট্‌ছমেন' কাকতত প্ৰবোধ চন্দ্ৰ সেনে প্ৰস্তাৱ দিছিল—

'কামৰূপ পঞ্জাব মাৰাঠা গুৰ্জৰ দ্ৰাবিড় বংগ
উৎকল বিন্ধ্য হিমাচল যমুনা গংগা জলধিতৰংগ।'

তাৰ পিচত 'যুগান্তৰ'ত আহিল আন এটা প্ৰস্তাৱ—

'কামৰূপ পঞ্জাব মাৰাঠা গুৰ্জৰ দ্ৰাৱিড় বংগ
বিন্ধ্য হিমাচল যমুনা গংগা উচ্ছল জলধিতৰংগ।'

পৰৱৰ্তী পৰ্যায়ত কিন্তু এই বিৰোধ স্তিমিত হৈ পৰিছিল আৰু '৫০ৰ দশকৰ আৰম্ভণিৰে পৰাই সাধাৰণ অসমীয়াৰ মনত ক্ষোভ থাকিলেও সেয়া বিক্ষোভৰ আকাৰলৈ ৰূপান্তৰিত হোৱা নাছিল।

কৰে। শ্বিলঙৰ গৱৰ্ণমেণ্ট ভৱনত আজি অনুষ্ঠিত এখন সভাত ভাৰত চৰকাৰৰ বিত্ত কমিটীৰ সংস্থাপন ছাব কমিটীৰ সদস্যসকলে প্ৰকাশ কৰে যে অলপতে ঘটি যোৱা সাম্প্ৰদায়িক বিশৃংখলাৰ পিচত পূব বংগৰ পৰা অসমত সোমোৱা ভগনীয়াসকলক অসম চৰকাৰে নতুনকৈ পিয়ল কৰিব। ইতিপূৰ্বে অসমত সংস্থাপিত কৰিবলৈ লোৱা ১ লাখ ২০ হাজাৰ ভগনীয়াৰ উপৰি অসম চৰকাৰে আৰু এক লাখ ভগনীয়া সংস্থাপিত কৰিবলৈ গাত লৈছে বুলি চৰকাৰী মহলে প্ৰকাশ কৰে।

১০ জুন ঃ শ্বিলঙত অসমৰ প্ৰথমখন বাতৰিকাকত পৰামৰ্শ ব'ৰ্ড গঠন। লক্ষ্মীনাথ ফুকন আৰু পি ই শংকৰক ক্ৰমে ব'ৰ্ডৰ সভাপতি আৰু সম্পাদকৰূপে নিৰ্বাচন কৰা হয়।

১১ জুন ঃ শ্বিলঙত অসমৰ সংখ্যালঘু কমিছনৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। কমিছনৰ সদস্যসকল হ'ল— মতিৰাম বৰা, অজিত নাৰায়ণ দেৱ আৰু মহম্মদ ছাদুল্লা।

১৪ জুন ঃ ভাৰতৰ ৰিভলিউচনাৰী কমিউনিষ্ট (আৰ চি পি আই) পাৰ্টিটোক অসমত বিধি বহিৰ্ভূত বুলি ঘোষণা। প্ৰশাসন, আইন আৰু শান্তি-শৃংখলা ৰক্ষাত বেমেজালি ঘটোৱা তথা সেই হিচাপত দলটো ৰাজহুৱা শান্তিৰ পৰিপন্থী বুলি মত প্ৰকাশ কৰি ১৯০৮ চনৰ ভাৰতীয় দণ্ডবিধি সংশোধনী আইনৰ ১৬ নং ছেদ মতে অসমৰ ৰাজ্যপালজনে অসমত থকা উক্ত ধৰণৰ সকলোবিলাক অনুষ্ঠানকে বিধি-বহিৰ্ভূত বুলি ঘোষণা কৰে।

১৭ জুন ঃ শ্বিলঙত অনুষ্ঠিত এখন সভাত ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে অসমৰ বঙালীসকলক অসমৰ স্বাৰ্থৰ লগত নিজকে মিলাই দিবলৈ আৰু বঙালীসকলক অসমীয়া ভাষাটো ভালদৰে শিকি ল'বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় 'অসমত যিসকল বঙালীয়ে বাস কৰি আছে আৰু যিসকল নৱাগত ভগনীয়া পূব-পাকিস্তানৰ অশান্তিত আতংকিত হৈ অসমলৈ আহিছে তেওঁলোকে নিজকে অসমীয়া বুলি

বৰভূঁইকঁপ

১৯৫০ চনৰ ১৫ আগষ্টৰ সন্ধিয়া অসম তথা তিব্বতত আহিছিল বৰভূঁইকঁপ। সেয়া আছিল ৰিখ্‌টাৰ স্কেল মতে ৮.৬ প্ৰাবল্যৰ আৰু পৃথিৱীৰ ৯টা ভয়ংকৰ ভূমিকম্পৰ এটা বুলি ইয়াক গণ্য কৰা হয়।

অৰুণাচল প্ৰদেশৰ আনজৱ জিলাৰ সীমান্তৱৰ্তী তিব্বতৰ অন্তৰ্গত ৰিমা অঞ্চলত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল আৰু সেই ভূমিকম্পত মুঠ ১,৫২৬জন লোকৰ মৃত্যু হৈছিল আৰু প্ৰায় ৩০,০০০ লোক গুৰুতৰভাৱে আহত হৈছিল।

টেক্‌টনিক প্লেটৰ খুন্দাৰ কাৰণে এই ভূমিকম্প হৈছিল আৰু ইয়াৰ প্ৰাবল্য ইমানেই বেছি আছিল

পৰিচয় দি নিজৰ স্বাৰ্থক অসমৰ স্বাৰ্থৰ লগত মিলাই দিব লাগিব। বঙালী লোকসকলৰ কাৰণে অসমীয়া ভাষা শিকাটো একো টান কথা নহয়, তথাপি অসমীয়া ভাষা-ভাষী লোকসকলৰ মাজত ভাষামূলক মতানৈক্যই কিয় ঠাই পাইছে তাক মই ভাবি নাপাওঁ।' অসমে আৰু ৫-৬ লাখ ভগনীয়া অনায়াসে সংস্থাপিত কৰিব পাৰে বুলি মুখাৰ্জীয়ে মত ব্যক্ত কৰে। সভাত সভাপতিত্ব কৰে ভাৰতীয় সংসদৰ সদস্য ৰোহিণী কুমাৰ চৌধুৰীয়ে।

১৮ জুন ঃ ভাৰত আৰু পাকিস্তানৰ সংখ্যালঘু পৰিক্ৰমাৰ মন্ত্ৰীদ্বয় চাৰুচন্দ্ৰ বিশ্বাস আৰু এ এম মালিকৰ গোৱালপাৰা আৰু বৰপেটা মহকুমাত চাৰিদিনীয়া ভ্ৰমণসূচী আৰম্ভ।

২৩ জুন ঃ ভাৰতৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে ১৯৫০ চনৰ নিবাৰক নিৰোধ বিধিৰ পৰা ১৪নং ছেদটো উঠাই দিবলৈ ব্যৱস্থা দি এখন অধ্যাদেশ জাৰি কৰে।

- মণিপুৰত এহেজাৰ উদ্বাস্তু কৃষিজীৱী পৰিয়ালক মাটি দি পুনঃ বসতিৰ ব্যৱস্থা কৰিবৰ অৰ্থে আৰু কাছাৰ জিলাত এহেজাৰ পাঁচশ উদ্বাস্তু মধ্যবিত্ত পৰিয়ালক গৃহ নিৰ্মাণ আৰু কাৰবাৰ কৰিবলৈ বুলি অনুদান দিবৰ অৰ্থে প্ৰস্তুত কৰা দুখন নতুন আঁচনি ভাৰত চৰকাৰৰ সংস্থাপন মন্ত্ৰী-দপ্তৰে মঞ্জুৰ কৰে। কাছাৰত ভগনীয়া সংস্থাপনৰ বাবে ১৪ লাখ ৫০ হেজাৰ টকাতকৈও অধিক টকা নিৰ্ধাৰণ কৰা হৈছে।

২৪ জুন ঃ অসম চৰকাৰৰ জনজাতীয় ৰাজ্যক্ষেত্ৰৰ ছেক্ৰেটাৰী শ্ৰীযুত আৰ ভি সুব্ৰমণিয়ামে গাৰো পাৰ্বত্য জিলাৰ উপদেষ্টা পৰিষদ উদ্বোধন কৰে।

২৮ জুন ঃ অসম উপত্যকাৰ সমূহ জিলাত অসমীয়া শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তিত ঃ

অসম চৰকাৰে অসম উপত্যকাৰ জিলাসমূহৰ সকলো স্কুলতে প্ৰাথমিক বা নিম্ন বুনিয়াদী মহলাত অসমীয়া মাধ্যমৰ যোগেদি শিক্ষা প্ৰদান কৰা উচিত বুলি এক

যে তিনিদিনলৈকে অসংখ্য সৰু সৰু ভূঁইকঁপ আহিয়ে আছিল।

অৰুণাচলৰ প্ৰায় ৭০খন আবৰ গাঁও এই ভূমিকম্পত ধ্বংস হৈছিল আৰু সোৱণশিৰি নৈখন খহি পৰা মাটিৰে বন্ধ হৈ গৈছিল। ভূমিকম্পৰ ৮ দিনৰ দিনা সেই বান্ধটো বাঢ়ি অহা পানীয়ে ভাঙি দিছিল আৰু সোৱণশিৰিৰ বুকুত উঠা ২৩ ফুট ওখ ঢৌৱে সমগ্ৰ অঞ্চলটোকে টাঁহি-মুহি নিছিল।

এই ভূমিকম্পত ইমানবোৰ গছ উটি-ভাহি আহিছিল যে গুৱাহাটীত ভৰা ব্ৰহ্মপুত্ৰ কাঠৰ কুন্দাত ভৰি দিয়েই পাৰ হ'ব পৰা অৱস্থা হৈছিল।

যদিও এই ভূমিকম্পত ১,৫২৬জন লোকৰ মৃত্যু হোৱা বুলি কোৱা হৈছে কিন্তু দৰাচলতে সেয়া বহু বেছি হ'ব। কিয়নো তেতিয়াৰ নেফা অঞ্চলৰ অটব্য হাবিৰ ক্ষয়-ক্ষতিৰ কথা বিশ্বই গমকে নাপালে। অকল সোৱণশিৰিৰ প্ৰচণ্ড ঢৌৱে আৰু ৫৭৬জন লোকক উটুৱাই লৈ গৈছিল।

এই ভূমিকম্পই অসমৰ সমগ্ৰ পৰিবহণ ব্যৱস্থাটোকেই তচনচ কৰি পেলাইছিল। উজনি অসমত, বিশেষকৈ শিৱসাগৰৰ পূবে অসম ট্ৰাংক ৰোডটোত অসংখ্য ঠাইত ফাট মেলিছিল।

ৰে'লৰ লাইনটো সোণাৰিৰ পৰা তিনিচুকীয়ালৈ কেইবাঠাইতো টুকুৰা টুকুৰ হৈ পৰিছিল। অসমত পৰিবহণ ব্যৱস্থা নিয়মীয়া কৰিবলৈ প্ৰায় ছমাহ সময় লাগিছিল। মুঠ ৪,০০০টা ঘৰ আৰু মন্দিৰ এই ভূমিকম্পত ভাগি পৰিছিল। এই ধ্বংস নগাঁৱৰ পূবে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বেছি হৈছিল।

এক কথাত ক'বলৈ গ'লে অসমৰ মানচিত্ৰই সলনি হৈ গৈছিল এই ভূমিকম্পত। এই ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকু ওপৰলৈ উঠি আহিছিল — সেই দিন ধৰি আজিলৈকে অসমে বানৰ সংহাৰ প্ৰতিবছৰে পাই আহিছে।

এই ভূমিকম্প ১৮৯৭ চনৰ ভূমিকম্পতকৈও বেছি শক্তিশালী আছিল আৰু সেই কাৰণেই ক্ষয়-ক্ষতিৰ পৰিমাণো আছিল বহুগুণে বেছি। অৱশ্যে অসমীয়া মানুহৰ বেছিভাগ ঘৰ বাঁহ-কাঠেৰে সজোৱা কাৰণে মৃত্যুৰ সংখ্যা ভূমিকম্পৰ প্ৰাবল্য হিচাপে কম হৈছিল।

প্ৰেছনোট জাৰি কৰে। যি স্কুলৰ ছাত্ৰৰ ভিতৰত ৪০ জনৰ মাতৃভাষা অসমীয়াৰ পৰা ভিন্ন হয়, সেই স্কুলত তেওঁলোকৰ (অৰ্থাৎ অনা-অসমীয়া ভাষী ছাত্ৰসকলৰ) মাতৃভাষাৰ যোগেদিয়েই এজন শিক্ষক নিযুক্তি দি শিক্ষা দিয়াৰ ব্যৱস্থা কৰা উচিত বুলি প্ৰেছনোটত কোৱা হয়। যি স্কুলত স্কুলীয়া ল'ৰা-ছোৱালীবোৰৰ মাতৃভাষা ভিন্ন হয়, সেই স্কুলত তৃতীয় শ্ৰেণীত আৰু নিম্ন বুনিয়াদী মহলা শেষ হোৱাৰ আগতেই অসমীয়া ভাষা প্ৰৱৰ্তন কৰিব লাগিব আৰু প্ৰাথমিক আৰু নিম্ন বুনিয়াদী মহলাৰ শেষ ভাগত অসমীয়া শিক্ষাৰ মাধ্যম হ'বগৈ লাগিব।

মাধ্যমিক মহলাত শিক্ষাৰ মাধ্যম অসমীয়ালৈ পৰিবৰ্তিত হোৱাটো সুগম কৰিবৰ বাবে প্ৰাথমিক আৰু নিম্ন বুনিয়াদী মহলাৰ পিচত প্ৰথম দুবছৰৰ বাবে মাতৃভাষাতে প্ৰশ্নৰ উত্তৰ দিবলৈ সকলো ছাত্ৰকে সুবিধা দিব লাগিব বুলি চৰকাৰে নিৰ্দেশ দিয়ে।

১ জুলাই ঃ ৰাষ্ট্ৰীয় বৃক্ষৰোপণ সপ্তাহৰ সৈতে সংগতি ৰাখি অসমতো বন মহোৎসৱ আৰম্ভ।

● যুদ্ধৰ দিনৰে পৰা কেইবাবছৰো ধৰি চলি অহা পেট্ৰ'লৰ ৰেচনিং প্ৰথা অসমৰ পৰা প্ৰত্যাহাৰ।

৬ জুলাই ঃ অসম চৰকাৰৰ দ্বাৰা ধানৰ বিনিময়ত টিনপাট বিতৰণ কৰাৰ সিদ্ধান্ত।

৭ জুলাই ঃ অসমৰ সংস্থাপন মন্ত্ৰী মতিৰাম বৰাই এটি সাক্ষাৎকাৰত ভগনীয়া শিবিৰবোৰ অচিৰে বন্ধ কৰি দিয়াৰ সপক্ষে মত দিয়ে। কিছুমান লোকক অনিৰ্দিষ্ট কাললৈ কাম-বন নকৰাকৈ খুৱাই-বুৱাই ৰখাটো টান কাম বুলি মন্তব্য প্ৰকাশ কৰি বৰাই কয় যে অসমৰ পাৰ্বত্য জিলাবোৰৰ পতিত মাটিৰ ওপৰত অসম চৰকাৰৰ একো হাত নাই আৰু সংবিধানে সেই জিলাবোৰৰ অধিবাসীসকলৰ হাতত সকলো ভাৰ ন্যস্ত কৰিছে। সেয়েহে অসমত ভগনীয়া সংস্থাপন কৰিবৰ বাবে চৰকাৰে আৰু একো ব্যৱস্থা হাতত ল'ব নোৱাৰে।

সেইখিনি সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰে বিমান চলোৱা বৈমানিকবোৰে বিভিন্ন ধৰণৰ ভৌগোলিক পৰিবৰ্তনৰ কথা জনাইছিল। ইয়াৰ ভিতৰত আছিল জলাশয়ৰ সৃষ্টি, ভূস্খলন আৰু নদীৰ অস্বাভাৱিক গতি পৰিবৰ্তন।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত সকলোতকৈ বেছি ধ্বংস হৈছিল শদিয়াত। সোৱণশিৰিৰ নিচিনাকৈ লোহিতৰো অসংখ্য সৰু-বৰ উপনৈ এই ভূমিকম্পৰ পৰা হোৱা ভূমিস্খলনবোৰত বন্ধ হৈ গৈছিল আৰু সেইবোৰ এসময়ত ভাঙি যোৱা কাৰণে শদিয়া চহৰৰ ওপৰেৰে বৈ গৈছিল লোহিতৰ পানী, ফলত পুৰণি শদিয়াৰ প্ৰায় চিন-মোকাম একো ৰোৱা নাছিল।

অসম ট্ৰাংক ৰোডৰ সেই অঞ্চলত মাইলৰ পিচত মাইলৰ চিন-চাব নোহোৱা হৈ গৈছিল। শদিয়াৰ লগত বহিৰ্বিশ্বৰ সকলো ধৰণৰ সংযোগেই বিচ্ছিন্ন হৈ গৈছিল।

প্ৰায় এমাহলৈকে সমগ্ৰ ব্ৰহ্মপুত্ৰতে নাও চলাচল বন্ধ হৈ গৈছিল। কিয়নো হাজাৰ হাজাৰ গছ আৰু জীৱ-জন্তু পানীত ভাহি আছিল।

ব্ৰহ্মপুত্ৰৰ বুকুৰে নিগৰিত হোৱা গন্ধকৰ কাৰণে লাখ লাখ মাছ মৰিছিল আৰু প্ৰায় দুমাহলৈ পানী ঘোলা হৈ পৰিছিল।

সেনাবাহিনীয়ে ভাৰতীয় বায়ুসেনাৰ বোমাৰু বিমানেৰে বোমা পেলাই সোৱণশিৰিৰ কৃত্ৰিম বান্ধটো ভাঙিবৰ যো-জা কৰি থাকোঁতেই প্ৰচণ্ড পানীয়ে জলবোমাৰ সৃষ্টি কৰি টাঁহি-মুহি লৈ গৈছিল সোৱণশিৰিৰ তলৰ অঞ্চলসমূহ।

লখিমপুৰ টাউনৰ প্ৰায়বোৰ ঘৰেই ধ্বংস কৰিছিল এই জলবোমাই আৰু ধাননি পথাৰত পেলাই থৈ গৈছিল দুফুট ওখ বোকা। ধ্বংস হৈ গৈছিল খেতি-বাতি।

এই ভূমিকম্পক যদি বৈজ্ঞানিকভাৱে চোৱা হয়, ভূমিকম্পটো আহিছিল ১৫ আগষ্টৰ সন্ধিয়া ৭.৩৯ মিনিটত। গুৱাহাটীৰ জজ খেলপথাৰত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সেইদিনা ৰাজহুৱা শ্ৰাদ্ধৰ আয়োজন কৰা হৈছিল আৰু অভ্যাগতসকল ঠিক ঘৰমুৱা হ'বলৈ ওলাওঁতেই আহিছিল এই

১৬ জুলাই ঃ অসম সাহিত্য সভাৰ আহ্বানমৰ্মে ৰাজ্যজুৰি ৰাজ্যভাষা দিৱস পালন।

১৭ জুলাই ঃ অসম সাহিত্য সভাই অনুষ্ঠিত কৰা ৰাজ্যভাষা দিৱসত অসমৰ ৰাজ্যভাষা অসমীয়া বুলি শীঘ্রে ঘোষণা কৰিব লাগে বুলি অসম চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। কাৰ্জন হল প্রাংগণত কালীৰাম মেধিৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত অসম সাহিত্য সভাৰ সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমক শক্তিশালী কৰি তোলাৰ স্বাৰ্থত অসমৰ সতি-সন্ততিসকলৰ লগতে অনা-অসমীয়াসকলেও নিজকে মিলাব লাগিব বুলি কয়। ভগনীয়াসকলৰ প্রতি সহানুভূতি প্রদর্শন কৰি চৌধুৰীয়ে অসম চৰকাৰ আৰু অসমীয়া লোকক ভগনীয়াসকলৰ প্রতি সহানুভূতিসম্পন্ন হ'বলৈ আহ্বান জনায়।

১৯ জুলাই ঃ মুখ্যমন্ত্রী বৰদলৈৰ দ্বাৰা উত্তৰ কাছাৰ জিলাৰ উপদেষ্টা পৰিষদ উদ্বোধন। গোটেই জনজাতি অঞ্চলবিলাকৰ উন্নয়নার্থে জইণ্ট ষ্টক প্রতিষ্ঠানৰূপে এই উপদেষ্টা পৰিষদ বিলাকক মানি সন্দেহ আৰু অবিশ্বাস ত্যাগ কৰি সহযোগীৰ উদ্যমেৰে কাম কৰি যাবলৈ বৰদলৈয়ে ৰাইজক গোঁহাৰি জনায়।

২০ জুলাই ঃ গুৱাহাটী বেংকে ডিপোজিটৰসকলক আজিৰ পৰা ধন দিয়া বন্ধ কৰিছে। বেংক কর্তৃপক্ষই হাইকৰ্টৰ ওচৰত 'মৰেটৰিয়াম' বিচাৰি আবেদন জনায়। অসম কো-অপাৰেটিভ এপেক্স বেংকৰ লগত গুৱাহাটী বেংক চামিল কৰাৰ অভিপ্রায়ত এনে কৰা হৈছে বুলি প্রকাশ।

- গুৱাহাটী জিলা ছাত্র কংগ্রেছৰ সভাপতি যোগানন্দ চাংকাকতীৰ সভাপতিত্বত বহা ছাত্র কংগ্রেছৰ সন্মিলনে কটন কলেজৰ মাচুল আৰু ছীট ৰেণ্ট বৃদ্ধিৰ প্রতিবাদ কৰে।

২১ জুলাই ঃ গুৱাহাটী জিলা কংগ্রেছ ৱৰ্কিং কমিটীৰ সদস্য প্রবীণ শৰ্মা, হৰেন্দ্রনাথ বৰুৱা, উপেন্দ্রনাথ নবীশ আৰু ৰাধিকাৰাম দাসে ৱৰ্কিং কমিটীৰ সদস্য পদ ত্যাগ কৰে।

কাল ভুঁইকঁপ। বিজ্ঞানীসকলৰ মতে ভূপৃষ্ঠৰ পৰা প্ৰায় ১৫-২০ কিলোমিটাৰ গভীৰত আছিল ইয়াৰ উৎস আৰু অভিকেন্দ্ৰ আছিল ৰিমা।

ব্ৰহ্মপুত্ৰৰ লগতে ব্ৰহ্মদেশৰ মূল নদী ইৰাৱতীকো এই ভূমিকম্পই জোকাৰি গৈছিল আৰু ভূমিকম্পৰ তিনি দিনৰ পিচৰে পৰা প্ৰায় ১৯৫৬ চনলৈকে ইৰাৱতীৰ নীলা পানী বোকাময় হৈ আছিল।

ডিগবৈৰ এজন প্ৰত্যক্ষদৰ্শীৰ মতে উত্তৰৰ পিনে দুটা অতি ডাঙৰ পোহৰ দেখা পোৱা গৈছিল আৰু সেয়া বিজুলীৰ কাৰণে হোৱা নাছিল। সেয়া আছিল কোৱাৰ্জ শিল ঘঁহনি খাই প্ৰায় ৫০০ ভল্টৰ শক্তি নিৰ্গত হোৱাৰ দৰে এক ৰূপহে। ভূমিকম্পৰ সময়ত এইধৰণৰ বিদ্যুৎ আৰু পোহৰৰ নিৰ্গমন জাপান, তাচখণ্ড আৰু ব্ৰাজিলতো দেখা পোৱা গৈছিল।

অসমৰ সেই সময়ৰ সংবাদ জগতত বিক্ষিপ্তভাৱে এই ভূমিকম্পৰ বাতৰি ওলাইছিল যদিও বহলভাৱে ইয়াৰ ধ্বংসযজ্ঞৰ কথা আজিও ক'ব পৰা নগ'ল। কাৰণ বেছিভাগ খবৰ গুৱাহাটী আহি নাপালেই।

১৫ আগষ্টৰ নিশাৰে পৰা অনুভূত এই ভূমিকম্প প্ৰায় দুদিনলৈ ১৫ মিনিট-আধা ঘণ্টাৰ মূৰে মূৰে আহি আছিল।

উত্তৰ লখিমপুৰ, পাচিঘাট, শদিয়া আদি ঠাইত কিছুমান ঠাইৰ মাটি তললৈ বহি গৈছিল আৰু ক'ৰবাত ফাট মেলি বহি গৈছিল। উত্তৰ লখিমপুৰৰ এটা দুৰ্ভগীয়া পৰিয়ালৰ এজনী ন বছৰীয়া ছোৱালী এনে এটা ফাটত সোমাই গৈছিল আৰু লগে লগে জাপ খাই যোৱাত তাইৰ মৃত্যু হৈছিল।

এই ভুঁইকঁপৰ জোকাৰণি ইমানেই শক্তিশালী আছিল যে ভূমিকম্পৰ পিচতেই আলিপুৰ, কোলাবা আৰু পুনেৰ ভূঁইকঁপ নিৰ্ণয় যন্ত্ৰ অচল হৈ পৰিল।

এই ভূঁইকঁপৰ ফলত অসমৰ উত্তৰ আৰু পূব সীমান্ত অৰ্থাৎ অৰুণাচলৰ এক বৃহৎ অঞ্চলকে ধৰি লখিমপুৰ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাতেই বিস্তৰ ক্ষতি হয়।

শদিয়াত এই ভূমিকম্প পূৰ্ণগতিত প্ৰায় ৫ মিনিটমান চলিয়েই আছিল।

২৩ জুলাই ঃ গুৱাহাটীত তিনিগৰাকী বিপ্লৱী কমিউনিষ্ট গ্ৰেপ্তাৰ।

২৪ জুলাই ঃ লুছাই পাহাৰ উপদেষ্টা কমিটীৰ উদ্বোধন ঃ

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদমতে জিলা পৰিষদ গঠিত নোহোৱাপৰ্যন্ত মধ্যৱৰ্তী ব্যৱস্থা স্বৰূপে লুছাই পাহাৰ উপদেষ্টা কমিটীখনৰ উদ্বোধন প্ৰসংগত অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে এই সীমান্ত জিলাখনত আইন-শৃংখলা ৰক্ষা কৰাত সাহায্য কৰিবলৈ লুছাই পাহাৰবাসীলৈ আবেদন জনায়। বৰদলৈয়ে কয় যে ব্ৰিটিছ আমোলত কৰ্মচাৰীসকলে পাৰ্বত্য অঞ্চলৰ সীমা অতি কৌশললেৰে বাহিৰৰ পৰা বিচ্ছিন্ন কৰি ৰাখিবলৈ বিভিন্ন প্ৰচেষ্টা হাতত লৈছিল। সংবিধান তৈয়াৰ কৰোতাসকলে জনজাতীয় লোকসকলক তেওঁলোকৰ স্বতন্ত্ৰ ৰীতি-নীতিসহ দেশখনৰ এটি অপৰিহাৰ্য অংগ হিচাপে লৈ এখন শক্তিশালী ৰাষ্ট্ৰ সংগঠন কৰিবলৈ ব্যৱস্থা লৈছে বুলিও তেওঁ উল্লেখ কৰে। বৰদলৈয়ে উপস্থিত ৰাইজক জনায় যে তিনি বছৰৰ ভিতৰত স্বায়ত্ত শাসন প্ৰৱৰ্তিত জিলাকেইখনত জনজাতীয় লোকসকলৰ উন্নয়নৰ অৰ্থে এখন আঁচনি প্ৰস্তুত কৰি আৱশ্যকীয় ধনৰ সাহায্য বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হ'ব।

২৭ জুলাই ঃ উত্তৰ-পূব সীমান্তত থকা মিছিমি পাহাৰৰ ৭০ বৰ্গমাইল ঠাই ৰাজ্যিক চৰকাৰলৈ হস্তান্তৰিত। এই ঠাইখিনি লখিমপুৰ জিলাত চামিল কৰাৰ সম্ভাৱনা।

৩০ জুলাই ঃ অসম বেচৰকাৰী কলেজ শিক্ষক সন্মিলনৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন অধ্যাপক আৰ আৰ থমাছৰ সভাপতিত্বত শ্বিলঙৰ ছেইণ্ট এডমাণ্ডছ কলেজত অনুষ্ঠিত হয়। অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামে অধিৱেশনখন উদ্বোধন কৰে।

- অধ্যাপক ভবানন্দ দত্তৰ সভাপতিত্বত কাৰ্জন হল প্ৰাংগণত বহা এখন ৰাজহুৱা সভাত গুৱাহাটী কটন কলেজৰ মাচুল-ছীট ৰেণ্ট বৃদ্ধি

জোকাৰণিৰ তীব্ৰতাৰ ফলত শদিয়াৰ চৌকাষে দীঘল দীঘল ফাট মেলিলে। ৰিমা আলি আৰু দিচৈ আলিৰ কিছু অংশ বহি গ'ল। কিছু অংশ ফাট মেলি বোকা-বালিৰে কাষৰ নলা পূৰ হ'ল।

স্কুলৰ ফিল্ডখনৰ মাজে মাজে দুটা ফাট মেলি ফিল্ডখন বালিৰে পূৰাই পেলালে। প্ৰায়বোৰ কুঁৱা ভাগি গ'ল। দমকলৰ পাইপবোৰো ভাগি-ছিগি গ'ল। ফেৰীঘাট সম্পূৰ্ণৰূপে ধ্বংস হ'ল। বেছিভাগ থকা ঘৰ খেৰ-বাঁহেৰে নিৰ্মিত আছিল কাৰণে বৰ ক্ষতি হোৱা নাছিল। অৱশ্যে আছাম ৰাইফল্‌ছৰ বেৰেকবোৰৰ ক্ষতিসাধন হৈছিল।

শদিয়াৰ দক্ষিণপাৰৰ ছৈখোৱাঘাট ষ্টেচন আৰু তাৰ ওচৰৰ গাঁওসমূহ সম্পূৰ্ণৰূপে ধবংস হ'ল। ছৈখোৱাঘাটৰ পৰা চিচিনিঘাটলৈ যিটো বাট আছিল, সেই বাটটো প্ৰায় প্ৰতি ফুটে ফুটে তললৈ গৈছিল বুলিলেও বঢ়াই কোৱা নহয়। তাৰ ওচৰত থকা প্ৰায় ছয়-সাতখন দলঙৰ কোনো চিন-চাব নোহোৱাকৈ ধ্বংস হৈ গৈছিল।

ছৈখোৱা ৰে'ল ষ্টেচনৰ অৱস্থা আছিল ভয়াৱহ। ষ্টেচনটো বহি গ'ল। তাত থকা ৰে'লৰ ইঞ্জিন এটাও বহি গ'ল। ছৈখোৱাঘাটৰ পৰা ৰংদৈঘাটলৈকে ১৪ কিলোমিটাৰ পথৰ একো চিন-চাবেই নোহোৱা হৈ পৰিল।

পাচিঘাটততো ভূঁইকঁপৰ প্ৰতিক্ৰিয়াই সাংঘাতিক মূৰ্তিয়েই ধাৰণ কৰিলে। ভূঁইকঁপৰ জোকাৰণিৰ লগে লগে ওচৰৰ টিলা, পৰ্বতবোৰত বৰতোপৰ গুলীতকৈও বেছি ডাঙৰ শব্দ হ'বলৈ ধৰিছিল। আনহে লোকসকলৰ মতে ভূঁইকঁপৰ প্ৰায় ৪ ঘণ্টামানৰ আগৰে পৰাই এই শব্দবোৰ শুনিবলৈ পোৱা গৈছিল।

ভূঁইকঁপ হোৱাৰ দিনৰে পৰা দিহাং নৈখন শুকাই যাবলৈ ধৰিলে। ১৮ আগষ্টৰ দিনা দিহাঙৰ তলি ওলাল। কিন্তু ১৯ তাৰিখে পাহাৰ খহি বন্ধ হৈ যোৱা দিহাং নদীখনে বান্ধ ভাঙি ৰুদ্ৰমূৰ্তি ধৰি তললৈ নামি আহিল।

এই বানে নিমিষৰ ভিতৰতে পাচিঘাটক ধবংস কৰি থৈ গ'ল। পাচিঘাটৰ সকলো ঘৰকে বুৰাই নৈখন পাচিঘাটৰ ২০০ ফুট ভিতৰলৈ সোমাই আহিল।

আৰু আসন হ্ৰাসকৰণত ৰাইজৰ মতামত আছেনে নাই তাক স্থিৰ কৰিবলৈ দহ দিনৰ ভিতৰত অসম চৰকাৰে গণভোট ল'ব লাগে বুলি দাবী জনোৱা হয়।

৫ আগষ্ট ঃ অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ গুৱাহাটীৰ নিজ ঘৰত মৃত্যু। মৃত্যুৰ সময়ত তেওঁৰ বয়স ষাঠি বছৰ হৈছিল।

৬ আগষ্ট ঃ অসমৰ বিত্ত আৰু ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিক অসম কংগ্ৰেছ সংসদী দলৰ সভা নবহাপৰ্যন্ত অসমৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ প্ৰদান।

৯ আগষ্ট ঃ অসমৰ মুখ্যমন্ত্ৰী হিচাপে বিষ্ণুৰাম মেধিৰ শপত গ্ৰহণ। কংগ্ৰেছ দলৰ সভাপতি স্বৰ্গীয় গোপীনাথ বৰদলৈৰ ঠাইত নতুন দলপতি নিৰ্বাচিত নোহোৱাপৰ্যন্ত বিধানসভাৰ কংগ্ৰেছী দলৰ দলপতি বিষ্ণুৰাম মেধিক ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে অসমৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ ল'বলৈ কয় আৰু তেওঁৰ পৰামৰ্শমতে স্বৰ্গীয় বৰদলৈ মন্ত্ৰীসভাৰ মন্ত্ৰীবৰ্গক ৰাজ্যপালে মন্ত্ৰী হিচাপে নিয়োগ কৰে।

১০ আগষ্ট ঃ ১৯৫১ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হ'ব লগা পিয়লত অসমৰ মাটিহীন লোকসকলৰ সংখ্যা সংগ্ৰহ কৰাৰ সিদ্ধান্ত গ্ৰহণ।

১২ আগষ্ট ঃ অসম প্ৰাদেশিক কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটী আৰু অসম কংগ্ৰেছ সংসদী দলৰ যুটীয়া বৈঠকত সৰ্বসন্মতিক্ৰমে বিষ্ণুৰাম মেধিক অসম সংসদী দলৰ দলপতি নিৰ্বাচিত কৰা হয়।

১৫ আগষ্ট ঃ অসমত বৰ ভূঁইকঁপ। সমগ্ৰ ৰাজ্যতে প্ৰলয় ঃ

অসমৰ বিভিন্ন ঠাইত প্ৰলয়ংকৰী ভূঁইকঁপ অনুভূত হয়। পৃথিৱীৰ অন্যতম সৰ্ববৃহৎ এই ভূঁইকঁপত অসমৰ বিভিন্ন অঞ্চল তথা উজনি অসমত বিস্তৰ ক্ষয়-ক্ষতি হয়। ১৫ আগষ্টৰ নিশাৰে পৰা অনুভূত এই ভূমিকম্প ১৬ আগষ্টলৈ প্ৰতি পাঁচ-দহ মিনিটৰ মূৰে মূৰে সঘনাই অনুভূত হৈছিল। উত্তৰ লখিমপুৰ,

পাচিঘাটৰ প্ৰায় তিনি হাজাৰ মানুহ যিয়ে য'তে পাৰে পলাল।

ডিব্ৰুগড়ৰ খলিহামাৰী, নতুন বজাৰ, আমোলাপট্টিৰ পকী ঘৰ কেইবাটাও খহি পৰে। ৰংঘৰ চিনেমা হলৰ বেৰ এখন খহি পৰাত ২০জন লোক আহত হয় আৰু তাৰে এজনৰ পিচত অসম মেডিকেল কলেজ হাস্পতালত মৃত্যু হয়।

প্ৰথম ভূঁইকঁপৰ দুদিনমানৰ পিচৰে পৰাই ডিব্ৰুগড়ত ভীষণ ধৰণে গৰাখহনীয়া আৰম্ভ হয় আৰু প্ৰায় ১০ দিনৰ ভিতৰত ডিব্ৰুগড়ৰ প্ৰায় ৪০ ফুটমান ভিতৰলৈ ব্ৰহ্মপুত্ৰ সোমাই আহে। ১৪ ছেপ্টেম্বৰত অহা এটা প্ৰবল জোকাৰণিত ইতিমধ্যে দুৰ্বল হৈ থকা গিৰ্জা এটাৰ এছোৱা ভাগি পৰে।

আনহাতে ডুমডুমা চহৰৰ গাতে লাগি থকা বিছাকান্দি বাগিচাৰ কলঘৰটো সম্পূৰ্ণৰূপে ধ্বংস হৈ যায়। আকৌ ছৈখোৱাঘাটৰ কাষৰ হাকাট নামৰ বাগিচাখনৰো প্ৰায় অৰ্ধেক অংশ বালিৰ তলত পোত গৈছিল।

তদুপৰি ডুমডুমাৰ আশে-পাশে থকা হাঁহচৰা, দৈমুখীয়া, চামদাং, কুমচাং, শিলিখা, তালাপ, ডাঙৰী, খোৱাং, বাদলাভাটা আদি বাগিচাবোৰৰ কলঘৰসমূহৰ ক্ষতি হৈছিল।

তিনিচুকীয়া, মাৰ্ঘেৰিটা, লিডু, ছৈখোৱা আৰু শিমলুগুৰিৰ মাজত ৰে'লৰ চলাচল বহু মাহলৈ বন্ধ আছিল। সাপেখাঁতীৰ ওচৰত ৰে'ললাইন প্ৰায় ছমাইলমান ঠাইত বহি যায়।

খোৱাং আৰু বৰবৰুৱাৰ মাজত আছাম ট্ৰাংক ৰোড প্ৰায় তিনিমাইলমান বহি যায় আৰু তাৰ ওপৰেৰে পানী বাগৰাৰ ফলত যাতায়াত বন্ধ হৈ পৰে।

আনহাতে লখিমপুৰত প্ৰায় ৭৫০টামান ঘৰ ধ্বংস হয়। নাৰায়ণপুৰ আৰু লখিমপুৰৰ পথটো কেইবাঠাইতো ফাটি যায়। লখিমপুৰ নগৰলৈ সোমোৱাৰ বাটত পোৱা ৰঙানদীৰ ওপৰৰ প্ৰায় ১,০৪০ ফুট দীঘল প্ৰকাণ্ড দলংখন টুকুৰা-টুকুৰাকৈ ভাগি যায়। সেইখিনি সময়তে দলঙৰ ওপৰেদি চাইকেল চলাই গৈ থকা লোক এজনো মৃত্যুমুখত পৰে।

লখিমপুৰৰ পৰা পথালি পামৰ মাজেদি চাউলধোৱালৈ যোৱা উত্তৰ ট্ৰাংক

শদিয়া, পাচিঘাট আদি কিছুমান ঠাইৰ মাটি তললৈ বহি গৈ ঠায়ে ঠায়ে মাটি ফাটি পানী, বোকা আদি ওলাই তথা জুই লাগি ব্যাপক ক্ষতি হয়। যোৰহাট আৰু শিৱসাগৰত তাৎক্ষণিকভাৱে বানপানী আহে। যোৰহাটৰ বালিঘাট আৰু ফাঁচিআলি অঞ্চলত বিস্তৰ ক্ষতিসাধন হয়। যোৰহাটৰ বিভিন্ন আলি-পদূলি তললৈ বহি যোৱাৰ লগতে অসম ট্ৰাংক ৰোডত কেএগ্ৰাপট্ৰিৰ ওচৰত দীঘল ফাট মেলে। ১৮ আগষ্টৰ পুৱা ৫.১৫ মিনিটত আৰু সন্ধ্যা প্ৰায় ৭.৩০ বজাত পুনৰ সৰুবিধৰ ভূঁইকঁপ আহে। ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ পানী হঠাতে কেঁহেৰাজ বৰণৰ হয় আৰু গন্ধক মিহলি হোৱাৰ দৰে গোন্ধ ওলোৱাত সৰু-বৰ সকলোধৰণৰ মাছৰ নৈৰ পাৰত উজান উঠে। সাতদিন জুৰি হোৱা ভূমিকম্প আৰু বানপানীত ৫০ হাজাৰ লোক গৃহহীন তথা এক লাখৰো অধিক গৰু-ম'হৰ মৃত্যু হয়। ভূঁইকঁপৰ ফলত ব্ৰহ্মপুত্ৰৰ তলি বিভিন্ন অঞ্চলত উঠি আহে আৰু পাণ্ডুৰ দৰে কিছুমান ঠাইত তলি ৩০ ফুট তললৈ নামি যায়। আনহাতে অসমৰ বিভিন্ন ঠাইত নদ-বিল-পুখুৰী আদিৰ জলপৃষ্ঠৰ অদ্ভুত সাল-সলনি ঘটে। তদুপৰি ভূমিকম্পৰ ফলত সৃষ্ট দুৰ্যোগৰ সুবিধা লৈ তথা যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰাৰ ফলত খাদ্যদ্ৰব্যৰ মূল্য ব্যাপক হাৰত বৃদ্ধি পায়। সমগ্ৰ ৰাজ্যজুৰি খাদ্য অনাটনৰ সৃষ্টি হয়। বৰভূঁইকঁপৰ ফলত কেইবাশ লোকৰ প্ৰাণহানিৰ শংকা।

● ৰাজ্যজুৰি স্বাধীনতা দিৱস পালন। শ্বিলঙত ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে লাবান পথাৰত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে জজ ফিল্ডত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

১৬ আগষ্ট ঃ লোকপ্ৰিয় বৰদলৈৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ● অসমৰ বিভিন্ন নদীত বানপানীৰ তাণ্ডৱ।

ৰোডটো প্ৰায় ২২ মাইল বাট ছিৰাঁল ফটা দিয়ে।

পাহাৰ খহি ভেটা দিয়াৰ পিচত সোৱণশিৰি নৈখনো তিনি দিনলৈ শুকাই গৈছিল। কিন্তু তাৰ পিচত অহা কালান্তক বানে লখিমপুৰ চহৰপৰ্যন্ত বুৰাই পেলায়। সোৱণশিৰিৰ ২৫খন গাঁও সমূলঞ্চে ধ্বংস হয়।

একেবাৰে সহজ ভাষাত উজনি অসমৰ এইকেইখন জিলাৰ চেহেৰাই সলনি হৈ গৈছিল এই ভূমিকম্পত আৰু তাৰ কিছু প্ৰভাৱ বছৰেকীয়া বানপানীৰ যোগে আজিও পাই থকা হৈছে।

শিৱসাগৰত শিৱদৌলত ফাট মেলিলে এই বৰভূঁইকঁপৰ পিচত। দেৱীদৌলৰো চূড়া খহি পৰিছিল। ইফালে অতীত গৌৰৱৰ সাক্ষী গড়গাঁৱৰ কাৰেংঘৰৰো ওপৰৰ অংশটো এই ভূমিকম্পত খহি পৰে।

যোৰহাটৰ পৰা পশ্চিমলৈ অৰ্থাৎ নগাঁও, গুৱাহাটী আদিত ভূমিকম্পই বৰ বেছি ক্ষতি কৰিব নোৱাৰিলেও তাৰ পিচত অহা বানপানীয়েহে বেছি সমস্যাৰ সৃষ্টি কৰিছিল।

ভূঁইকঁপৰ পিচত বানপানীয়ে শদিয়া, পাচিঘাট, লখিমপুৰ আদিত যি তাণ্ডৱ মূৰ্তি ধাৰণ কৰিলে তাৰ ফলতহে ক্ষতিৰ পৰিমাণ বেছি হ'ল। খৰালি কালতো আবতৰীয়া বানৰ ঢৌৱে শদিয়া বুৰাই পেলাইছিল।

ভূঁইকঁপৰ পিচত উত্তৰ-পূব অঞ্চলৰ প্ৰায়বোৰ নৈৰে বুকু ওপৰলৈ উঠি যোৱাৰ ফলত তথা মোহনাবোৰ শিল, বালি, কাঠ আদিৰে পোত যোৱাৰ ফলত বানপানীৰ সংহাৰ আজিকোপতি চলি থাকিল।

১৭ আগষ্ট ঃ অসমীয়া ৰাজ্যভাষা কৰা সম্পৰ্কে চৰকাৰে সাৱধানে বিবেচনা কৰিছে বুলি প্ৰেছনোট জাৰি।

১৮ আগষ্ট ঃ আজি পুৱা ৫.১৫ মিনিটত আৰু সন্ধিয়া ৭.৩০ বজাত দুটা সৰু বিধৰ ভূঁইকঁপ আহে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি হৈ বিভিন্ন ঠাইত বানপানীৰ তাণ্ডৱ। ব্ৰহ্মপুত্ৰৰ বুকুত এখন নাও বুৰি ১৮ জন যাত্ৰী নিখোজ।

১৯ আগষ্ট ঃ অনিৰ্দিষ্ট কাললৈ কটন কলেজ বন্ধ। মাচুল বৃদ্ধি সম্পৰ্কত হোৱা বিবাদৰ পৰিপ্ৰেক্ষিতত এই বন্ধৰ ঘোষণা।

২০ আগষ্ট ঃ ভূঁইকঁপৰ জোকাৰণি অসমৰ বিভিন্ন প্ৰান্তত পুনৰ অনুভূত হয়। ১৫ আগষ্টৰ প্ৰথম জোকাৰণিত শুকাই যোৱা দিহিং নৈত আজি হঠাতে বান আহি আবৰ পাহাৰৰ সদৰ ঠাই পাচিঘাট পানীৰে বুৰাই পেলায়। ডুমডুমাত চাৰিজনৰ প্ৰাণহানি। টাটা ন্যাসৰক্ষীৰ ১০ হাজাৰ টকাৰ সাহায্য দান। উজনি অসমৰ বিভিন্ন অঞ্চলৰ লগত ফোন-তাঁৰৰ পুনৰ সংযোগ স্থাপন।

২১ আগষ্ট ঃ ভূমিকম্পত ক্ষতিগ্ৰস্ত লোকৰ সাহায্যাৰ্থে ৰাজ্যপালৰ পুঁজিলৈ দান আগবঢ়াবলৈ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে গোহাৰি প্ৰকাশ কৰে।

২৩ আগষ্ট ঃ অসমৰ কিছুমান প্ৰান্তত পুনৰ ভূমিকম্পৰ দুটা ডাঙৰ জোকাৰণি অনুভূত।

২৪ আগষ্ট ঃ ডিব্ৰুগড়ৰ ওচৰত ব্ৰহ্মপুত্ৰৰ মাজৰ চৰ এটাত ৬০টা মানুহৰ শৱ উদ্ধাৰ। ভূমিকম্পৰ ফলত মৃত্যুবৰণ কৰা এই লোকসকল নৈৰ পানীত উটি অহা বুলি সন্দেহ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ বিভিন্ন অংশত মানুহ আৰু আন জন্তুৰ শ উদ্ধাৰ।

- অসমৰ খাদ্য অনাটন হোৱা অঞ্চলবোৰৰ সাহায্যৰ বাবে পাকিস্তান চৰকাৰে ১০ হাজাৰ মোন চাউলৰ সাহায্য আগবঢ়ায়।

২৫ আগষ্ট ঃ অসমৰ ৰাজ্যপালে ভূমিকম্প পীড়িতক সাহায্য দিবৰ বাবে খোলা সাহায্য পুঁজিলৈ দান আগবঢ়াবৰ বাবে প্ৰধানমন্ত্ৰী

উত্তৰ-পূবৰ পাহাৰীয়া জনগোষ্ঠীৰ মাজত ৰাজনৈতিক অভ্যুত্থান

ভাৰতবৰ্ষ স্বাধীনতাৰ দিশে অগ্ৰসৰ হোৱাৰ সময়ছোৱাত উত্তৰ-পূবৰ ভালেমান জনগোষ্ঠীয়ে ৰাজনৈতিকভাৱে নিজৰ স্থিতি জাহিৰ কৰাৰ প্ৰয়াস দৃশ্যমান হৈছিল। সুদীৰ্ঘ কাল ধৰি চলি অহা বিচ্ছিন্নতা অতিক্ৰম কৰি নিজৰ নৃ-গোষ্ঠীয় ঐতিহ্য আৰু অস্তিত্বৰ স্বাৰ্থত গঢ়ি তোলা এই জনগোষ্ঠীসমূহৰ ৰাজনৈতিক সংগঠনবোৰে অঞ্চলটোৰ ৰাজনৈতিক ক্ষেত্ৰখনত নতুন পৰিৱৰ্তনৰ সূচনা কৰিছিল। পৰৱৰ্তী সময়ছোৱাত অসমৰ পৰা বিচ্ছিন্ন হৈ যোৱা অথবা সুকীয়া সাৰ্বভৌম ৰাষ্ট্ৰৰ দাবী তোলা আদি প্ৰসংগও এনে

নেহৰুৱে সমগ্ৰ দেশবাসীলৈ এক গোঁহাৰি জনায়।

● অসম চৰকাৰে গোটেই ব্ৰহ্মপুত্ৰখনক মহল বুলি ঘোষণা কৰি নিজে খৰি হিচাপে ব্যৱহাৰ কৰিবলৈ নিয়াৰ বাহিৰে আন কোনো লোকক কৰ নিদিয়াকৈ ব্ৰহ্মপুত্ৰৰ সোঁতত উটি অহা কাঠ গোটোৱা নিষেধ কৰে। উটি অহা কাঠৰ কোবত ডিব্ৰুগড় দিচাংমুখত জাহাজ চলাচল বন্ধ।

● ডিব্ৰুগড়ত পুনৰ ভূমিকম্পৰ জোকাৰণি।

২৬ আগষ্ট ঃ সিদ্ধিনাথ শৰ্মাৰ মধ্যস্থতাত কটনিয়ান অনশনকাৰীসকলে ৮৫ ঘণ্টাৰ মূৰত অনশন ত্যাগ কৰে।

২৭ আগষ্ট ঃ ডিব্ৰুগড় আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত পুনৰ ভূমিকম্পৰ জোকাৰণি অনুভূত।

২৯ আগষ্ট ঃ ভাৰত চৰকাৰৰ ভূতত্ত্ব সম্বন্ধীয় উপদেষ্টা ডাঃ ডি এন ৱাডিয়াই অসমৰ ভূঁইকপ সম্বন্ধে বিজ্ঞানসন্মত ব্যাখ্যা দি অসম ভাৰতৰ আটাইতকৈ অস্থিৰ অঞ্চলত অৱস্থিত বুলি মত ব্যক্ত কৰে।

● অসম কংগ্ৰেছৰ সাধাৰণ সম্পাদক সিদ্ধিনাথ শৰ্মাই ৪৪টা ভোটত প্ৰতিদ্বন্দ্বী ৰোহিণী কুমাৰ চৌধুৰীক হৰুৱাই অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়।

● টাউন ক্লাবৰ খেলপথাৰত অনুষ্ঠিত লাহিড়ী মেম'ৰিয়েল শ্বিল্ড প্ৰতিযোগিতাৰ ফাইনেল খেলত ইউনিয়নক ৪-২ গ'লত পৰাস্ত কৰি টাউন ক্লাবৰ শ্বিল্ড লাভ। ■

এক ঐতিহাসিক পটভূমিতে সূচনা হৈছিল। সন্দেহ নাই যে পশ্চিমীয়া ইংৰাজী শিক্ষা, আধুনিকতাৰ সৈতে সংশ্ৰৱ আৰু খ্ৰীষ্টান মিছনেৰীৰ ধৰ্ম তথা শিক্ষা প্ৰচাৰৰ বাবেই পাহাৰীয়া জনগোষ্ঠীবোৰৰ মাজত এই ৰাজনৈতিক ৰূপান্তৰৰ সূত্ৰপাত হৈছিল।

১৯৩৭ চনপৰ্যন্ত উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া জনগোষ্ঠীবোৰ 'পিচপৰা অঞ্চল' (Backward Tracts) নামৰ প্ৰশাসনিক অভিধাটোৰ আলমত মোটামুটিভাৱে বিচ্ছিন্ন হৈ আছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী 'গাৰো পাহাৰ আৰু খাছী জয়ন্তীয়া পাহাৰ' আৰু 'মিকিৰ পাহাৰ' এই জিলা দুখনক 'আংশিকভাৱে বহিৰ্ভূত অঞ্চল' (Partially Excluded Areas) বুলি ঘোষণা কৰা হৈছিল। আনহাতে নাগালেণ্ড, মিজোৰাম আৰু উত্তৰ কাছাৰ পাহাৰ আছিল সম্পূৰ্ণভাৱে 'বহিৰ্ভূত অঞ্চল' (Excluded Areas)। আংশিকভাৱে বহিৰ্ভূত অঞ্চলৰ পৰা ব্যৱস্থা পৰিষদ সভালৈ প্ৰতিনিধি পঠোৱাৰ ব্যৱস্থা আছিল আৰু এই অঞ্চলবোৰ কোনো এজন মন্ত্ৰীৰ অধীনস্থ আছিল। অৱশ্যে ব্যৱস্থা পৰিষদ অথবা মন্ত্ৰীতকৈও এই এলেকাবোৰত গৱৰ্নৰ অথবা ৰাজ্যপালৰহে কৰ্তৃত্ব চলিছিল। ইয়াৰ বিপৰীতে বহিৰ্ভূত অঞ্চলৰ পৰা ব্যৱস্থা পৰিষদলৈ কোনো প্ৰতিনিধি পঠাব পৰাৰ ব্যৱস্থা নাছিল। এই অঞ্চলবোৰৰ প্ৰশাসনিক মুৰব্বী আছিল ৰাজ্যপাল। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী এনে অঞ্চলবোৰত প্ৰাদেশিক অথবা কেন্দ্ৰীয় ব্যৱস্থা পৰিষদৰ সাধাৰণ ক্ষেত্ৰাধিকাৰ (Jurisdiction) প্ৰয়োগ কৰিব পৰা নগৈছিল তথা গৱৰ্নৰৰ ইচ্ছা অথবা নিৰ্দেশ অবিহনে কোনো আইন এনে এলেকাবোৰত প্ৰয়োগ কৰাটো সম্ভৱ নাছিল।

খাছী জয়ন্তীয়া পাহাৰ

এনে এক প্ৰেক্ষাপটত দ্বিতীয় বিশ্বযুদ্ধপৰ্যন্ত খাছী আৰু জয়ন্তীয়া পাহাৰৰ বাদে আন পাহাৰীয়া এলেকাবোৰত বিশেষ ৰাজনৈতিক তৎপৰতা

পৰিলক্ষিত হোৱা নাছিল। খাছী আৰু জয়ন্তীয়া পাহাৰত সৰ্বপ্ৰথম ৰাজনৈতিক সক্ৰিয়তা আৰম্ভ হোৱাৰ প্ৰধান কাৰণ আছিল ইয়াত অসম প্ৰদেশৰ ৰাজধানী স্থাপন। ১৮৭৪ চনত শ্বিলঙত প্ৰাদেশিক ৰাজধানী স্থাপন কৰা হৈছিল। তদুপৰি ব্ৰিটিছ শাসন আৰম্ভ হোৱাৰ প্ৰায় তিনিটা শতিকা আগতেই উক্ত পাহাৰত ৰাষ্ট্ৰ গঠন ধৰণৰ এক ৰাজনৈতিক গতিবিধি আৰম্ভ হৈছিল। ২৫খন ক্ষুদ্ৰ ৰাজ্যৰ মুখিয়ালসকলে এক ৰাজনৈতিক সচেতনতা সৃষ্টি কৰাৰ বাবে তাহানিতে প্ৰয়াস কৰিছিল। আংশিকভাৱে নিৰ্বাচিত আৰু আংশিক উত্তৰাধিকাৰসূত্ৰে হোৱা এই ছিয়েম বা মুখিয়ালসকলৰ ৰাজনৈতিক তৎপৰতা এই কাৰণেই উল্লেখনীয় যে আধুনিক গণতন্ত্ৰ অথবা শিক্ষাৰ সংস্পৰ্শলৈ নহাকৈ এইসকলে একধৰণৰ সংঘীয়বাদৰ কথা ভাবিছিল। এই ৰাজনৈতিক সচেতনতাৰ ফলতে ১৯০০ চনত জয়ন্তীয়া দৰবাৰ, ১৯২৩ চনত খাছী জাতীয় দৰবাৰ (Khasi National Darbar) আৰু ১৯৩৪ চনত খাছী ষ্টেট ফেডাৰেচন (Khasi State Federation)ৰ জন্ম হয়। উল্লেখ্য যে ব্ৰিটিছে প্ৰৱৰ্তন কৰা ভূমিনীতিৰ ফলতে জনজাতীয় সমূহীয়া ভূমি দখল কৰা এক অভিযান আৰম্ভ হৈছিল আৰু যিমানেই ব্যক্তিগত সম্পত্তিকেন্দ্ৰিক ভূমি সংঘাত আৰম্ভ হৈছিল সিমানেই ৰাজনীতিকৰণ প্ৰক্ৰিয়াই ত্বৰান্বিত ৰূপ লাভ কৰিছিল।

১৯৪৫ চনত উত্তৰ-পূবৰ পাহাৰীয়া অঞ্চলবোৰত কেইবাটাও ৰাজনৈতিক সংগঠনৰ জন্ম হয় আৰু স্বাভাৱিকতে বৰ্তমানৰ মেঘালয় ৰাজ্যখনত সেই প্ৰভাৱ হৈ পৰে সৰ্বাত্মক। ১৯৪৬ চনত জন্ম হয় গাৰো নেচনেল কাউঞ্চিল (Garo National Council) বা গাৰো জাতীয় পৰিষদৰ। ১৯৪৭ চনৰ মাজডোখৰত জনজাতীয় বিষয়ত সংবিধান সভাই গঠন কৰি দিয়া বৰদলৈ উপ-কমিটীৰ হাতত এই পৰিষদে এখন খচৰা সংবিধান প্ৰদান কৰিছিল য'ত গাৰো অঞ্চলৰ বাবে স্বায়ত্ত শাসনৰ দাবী কৰিছিল। গাৰো পৰিষদে প্ৰাদেশিক তথা কেন্দ্ৰীয় উভয় চৰকাৰৰ সৈতে

সুসম্পৰ্ক বজাই ৰখাৰ প্ৰস্তাৱ আনিছিল।

খাছী ৰাজনৈতিক জীৱনত ক্ষমতাকেন্দ্ৰিক সংঘাতৰ আৰম্ভণি ঘটে ১৯৪৬ চনত। ১৯৪৬ৰ নিৰ্বাচনত নিকলছ ৰয়ৰ প্ৰধান প্ৰতিদ্বন্দ্বী মেক ডোনাল্ড খৰ-কংগৰে কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰিব নোৱাৰি বিভিন্ন পাহাৰীয়া অঞ্চলৰ প্ৰতিনিধিৰে এটি পাহাৰীয়া ইউনিয়ন আৰম্ভ কৰে। অৱশ্যে খাছী পাহাৰৰ অপ্ৰতিদ্বন্দ্বী নেতা ৰূপে স্বীকৃত নিকলছ ৰয়ৰ বিৰুদ্ধাচৰণ কৰি গঠিত সেই ইউনিয়নৰ প্ৰতি খাছীয়া লোকসকলে বিশেষ সঁহাৰি প্ৰদৰ্শন নকৰিলে। এই ইউনিয়নে ভাৰতৰ ভিতৰতে এখন সুকীয়া পাহাৰীয়া ৰাজ্যৰ দাবী তুলিছিল। ১৯৪৬ চনৰ আগভাগত ছিয়েমসকলৰ পৃষ্ঠপোষকতাত খাছী-জয়ন্তীয়া পলিটিকেল এছ'চিয়েচন (Khasi Jaintia Political Association) ৰ জন্ম হয়। সংগঠনটোৱে এক স্মাৰকপত্ৰযোগে কেবিনেট মিছনৰ আগত খাছীসকলৰ ঐতিহাসিক বিশেষতাৰ কথা উল্লেখ কৰে আৰু কয় যে এই সম্প্ৰদায়টোৰ এক নিৰ্দিষ্ট ঐতিহ্য আছে তথা তেওঁলোকে এক গণতান্ত্ৰিক প্ৰজাসংঘ (Democratic Commune) ব্যৱস্থাত চলি আহিছে। এনে এক ঐতিহাসিক প্ৰেক্ষাপটৰ কথা সুঁৱৰি সংগঠনটোৱে 'সাৰ্বভৌম অসম'ৰ ভিতৰতে খাছী এলেকাবোৰ (ব্ৰিটিছ অন্তৰ্ভুক্ত তথা কাষৰীয়া খাছী বসতিপ্ৰধান এলেকাবোৰক ধৰি) বাবে এক ফেডাৰেচনৰ দাবী তোলে। ছিয়েমসকলৰ নিজাববীয়া উদ্যোগত ১৯৪৬ চনত ছিয়েমসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবোৰ সামৰি এক ফেডাৰেচন গঢ়ি তোলা হয় আৰু ১৯৪৭ চনৰ ১৫ ডিচেম্বৰত ভাৰতবৰ্ষৰ সৈতে সংযোজন হোৱাৰ চুক্তি স্বাক্ষৰ কৰা হয়। ১৯৪৮ চনৰ ১৭ অক্টোবৰত ভাৰতবৰ্ষৰ সৈতে সংযোজন হোৱাৰ সকলো আনুষ্ঠানিকতাৰ সমাপ্তি ঘটে আৰু এই ফেডাৰেচনে ভাৰতবৰ্ষৰ সংবিধান মানি লোৱাৰ পিচত এনে ক্ষুদ্ৰ ৰাজ্যবোৰক পাহাৰীয়া জিলাখনৰ প্ৰশাসনিক ব্যৱস্থাই সামৰি লয়।

নাগালেণ্ডৰ ক্ষেত্ৰত, ১৯১৮ চনত নাগা ক্লাবৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই

ৰাজনৈতিক সচেতনতাৰ অনুশীলনী চলিছিল বুলি ক'ব পাৰি। চৰকাৰী বিষয়া আৰু গাঁৱৰ মুখিয়ালসকলক লৈ নাগা ক্লাবে বিভিন্ন ধৰণৰ সামাজিক আৰু প্ৰশাসনিক সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিছিল। ১৯২৯ চনত নাগা ক্লাবে ছাইমন কমিছনৰ প্ৰস্তাৱিত সংস্কাৰৰ পৰা নাগাসকলক বাদ দিব কৈছিল। নাগা ক্লাবৰ লেখীয়া ৰাজনৈতিক সক্ৰিয়তা সেই সময়ত আন পাহাৰীয়া ৰাজ্যবোৰৰ ক্ষেত্ৰত বিৰল আছিল বুলিয়েই ক'ব পাৰি। ১৯৪৫ চনত নগা পাহাৰ জিলা জনজাতীয় পৰিষদ (The Naga Hills District Tribal Concil) চৰকাৰীভাৱে গঠন কৰা হৈছিল আৰু ইয়াৰ উদ্দেশ্য আছিল বহুভাষিক নাগাসকলক ঐক্যবদ্ধ কৰা তথা যুদ্ধোত্তৰ পৰিস্থিতিত আত্ম-সহায়ৰ (Self-help) জৰিয়তে যুদ্ধৰ দ্বাৰা হোৱা ক্ষতিবোৰ কিছু পৰিমাণে হ'লেও ঠিক কৰা। প্ৰতিষ্ঠা হোৱাৰ এবছৰৰ ভিতৰতে এই অৰ্ধ-চৰকাৰী পৰিষদখনক নকৈ সংগঠিত কৰিব লগা হৈছিল। কেইবাখনো জনজাতীয় পৰিষদ সামৰি নকৈ গঠন কৰা নাগা নেচনেল কাউঞ্চিল (Naga National Council) নামৰ ফেডাৰেচনটোৰ নেতৃত্বত আছিল টি আলিবা ইমটি আও (T Aliba Imti Ao)। কেইবাবছৰো ধৰি এন এন চিৰ (Naga National Council) ফালৰ 'Naga Nation' নামৰ এখন ক্ষুদ্ৰ বাতৰিকাকত প্ৰকাশ কৰা হৈছিল। উল্লেখ্য যে ১৯৪৬ চনৰ ১ নৱেম্বৰত এন এন চিৰ ফালৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনস্থ মেট্ৰিক পৰীক্ষাত আও আৰু আংগামী ভাষাক স্বীকৃতি দিয়াৰ দাবী তোলা হৈছিল। ১৯৪৬ চনৰ জুন মাহত এন এন চিয়ে অসমৰ ভিতৰতে নাগাসকলৰ বাবে স্বায়ত্ত শাসনৰ দাবী তোলে আৰু একে সময়তে কেবিনেট মিছনৰ গ্ৰুপিং আঁচনিৰ বিৰোধিতা কৰে। ইয়াৰ পিচতে পৰিষদৰ দাবীয়ে এক গুৰুত্বপূৰ্ণ মোৰ লয় আৰু ১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহত নাগালেণ্ডৰ বাবে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ দাবী তোলা হয়। পৰিষদৰ পৰা কোৱা হয় যে এই চৰকাৰে দহ বছৰ অতিক্ৰম কৰাৰ পিচত নগাসকলে নিজৰ

ৰাজনৈতিক ভৱিষ্যতৰ কথা নিজাববীয়াকৈ চিন্তা কৰিব।

১৯৪৭ চনৰ পৰা জাতীয় জীৱনত এক ঐতিহাসিক পৰিবৰ্তনৰ সূত্ৰপাত ঘটে আৰু এই পৰিবৰ্তন আহিছিল আংগামী জাপু ফিজোৰ (১৯০৩-১৯৯০) উত্থানৰ জৰিয়তে। কেইবাবছৰো ব্ৰহ্মদেশত কটোৱা ফিজোৰ জাপানী সৈন্যসকলৰ লগত সু-সম্পৰ্ক আছিল আৰু পৰৱৰ্তী সময়ছোৱাত ফিজোৱে বন্ধু চাখ্ৰেৰ লগ লাগি স্বাধীন নাগালেণ্ডৰ দাবী তুলিছিল। ১৯৪৭ চনৰ জুলাই মাহত ফিজোৰ নেতৃত্বত দিল্লীলৈ যোৱা এক নাগা প্ৰতিনিধি দলে মন্তব্য প্ৰকাশ কৰিলে যে ১৯৪৭ চনৰ ১৫ আগষ্টত ব্ৰিটিছে ভাৰত ত্যাগ কৰাৰ লগে লগে নাগালেণ্ড স্বয়ংক্ৰিয়ভাৱে এখন সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ হৈ পৰিব। এনেধৰণৰ এক কথা ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ তথা অসমৰ প্ৰাদেশিক চৰকাৰৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান আছিল বাবে শীঘ্ৰে অসমৰ ৰাজ্যপাল আকবৰ হাইদৰীয়ে কহিমালৈ গৈ নাগা নেতাসকলৰ লগত এক আলোচনাত মিলিত হ'ল। দীৰ্ঘকালীন আলোচনাৰ অন্তত হাইদৰী আৰু এন এন চিৰ মাজত এক ন দফীয়া চুক্তি স্বাক্ষৰিত হয়। দহ বছৰ ধৰি বাহাল থাকিবলগীয়া এই চুক্তি অনুসৰি এন এন চিক ভূমি ৰাজহ, গৃহ কৰ আৰু অন্যান্য কৰ সংগ্ৰহ, নিৰ্ধাৰণ আৰু খৰচ কৰাৰ কৰ্তৃত্ব দিয়া হ'ল। এন এন চিয়ে এই চুক্তিৰ আন এক ব্যাখ্যা আগবঢ়োৱাক লৈ পৰৱৰ্তী সময়ত পুনৰ এক গভীৰ সংকটৰ সৃষ্টি হ'ল। এন এন চিৰ মতে দহ বছৰকাল উকলি যোৱাৰ পিচত তেওঁলোকে এই চুক্তি পুনৰ বাহাল ৰাখিব নে স্বাধীনতাৰ কথা উত্থাপন কৰিব সেই সম্পৰ্কে সিদ্ধান্ত ল'ব পাৰিব। স্বাভাৱিকতে এনে এক ব্যাখ্যাক ভাৰত চৰকাৰে মানি লোৱা নাছিল আৰু তাৰ পৰিণতিত নাগা ৰাজনীতি পুনৰ উত্তপ্ত হৈ পৰিল। আও সভাপতি হৈ থকা সময়লৈকে এন এন চিয়ে কেৱল স্বায়ত্ত শাসনৰ দাবী তুলিছিল অথচ ফিজো ইয়াৰ সভাপতি হোৱাৰ পিচৰে পৰা নাগা আন্দোলনৰ নতুন ৰূপান্তৰ ঘটে। ১৯৪৯ চনত ফিজোৱে এন এন চিৰ সভাপতিৰ

দায়িত্ব লোৱাৰ পিচতে স্বাধীন নাগালেণ্ডৰ দাবী উঠিবলৈ আৰম্ভ কৰে। জিলাখনত তেওঁলোকে একপ্ৰকাৰ সমান্তৰাল চৰকাৰ চলাবলৈ আৰম্ভ কৰে আৰু ১৯৫০ চনৰ ২০ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ স্বাধীনতা সম্পৰ্কত গণভোট লোৱাৰ সিদ্ধান্ত লয়। নাগালেণ্ডৰ স্বাধীনতাৰ প্ৰসংগটো এন এন চিয়ে ইমান দ লৈ শিপাই দিয়ে যে নাগাসকলে ক্ৰমাগতভাৱে ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ অহাৰ দাবীটো এক ন্যায্য দাবী বুলি মানিবলৈ আৰম্ভ কৰে। নাগা জনসাধাৰণৰ এনে ৰাজনৈতিক দৃষ্টিভংগীৰ ফলত ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত নাগাসকল সম্পূৰ্ণভাৱে নিৰ্বাচনৰ পৰা আঁতৰি থাকে। প্ৰাৰ্থীৰ অভাৱত সেই বছৰত নাগালেণ্ডত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নগ'ল। পাচলৈ এনে এক ঐতিহাসিক প্ৰেক্ষাপটৰ আধাৰতে নাগালেণ্ডত সশস্ত্ৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ ভিত্তি অধিক দৃঢ় হৈ পৰিল আৰু সময়ত পৃথক অকা তথা বৃহত্তম নাগালিমৰ নিচিনা অৱধাৰণাও গঢ় লৈ উঠিল।

ইংৰাজী শিক্ষাৰ প্ৰভাৱ আৰু খ্ৰীষ্টান মিছনেৰীৰ প্ৰভাৱত আন পাহাৰীয়া ৰাজ্যবোৰৰ লেখীয়াকৈ মিজোৰামতো এটা মধ্যবিত্ত শ্ৰেণীৰ জন্ম হৈছিল আৰু মিজো জাতীয়তাবাদ ক্ৰমে ঠন ধৰি উঠিবলৈ আৰম্ভ কৰিছিল। ১৯৪৬ চনৰ জানুৱাৰী মাহত মিজোৰামৰ জিলা দণ্ডাধীশে মিজোৰামত এটি জনজাতীয় সংগঠন গঢ়াৰ চেষ্টাৰে মুখিয়াল আৰু সাধাৰণ মানুহৰ এখন প্ৰতিনিধি সভাৰ আয়োজন কৰিছিল যদিও বাস্তৱত এই প্ৰচেষ্টা ফলৱতী নহ'ল। বৰঞ্চ ১৯৪৬ চনৰ এপ্ৰিল মাহত মিজোসকলে স্বতন্ত্ৰ প্ৰচেষ্টাৰে গঠন কৰা মিজো ইউনিয়নহে মিজোসকলৰ মাজত প্ৰভাৱশালী সংগঠন হিচাপে পৰিগণিত হ'ল। ১৯৪৭ চনত জিলা প্ৰশাসনৰ ফালৰ পৰা পুনৰ এক অভিৱৰ্তন আয়োজন কৰাৰ প্ৰচেষ্টা লোৱা হৈছিল যদিও মিজো ইউনিয়নে এই অভিৱৰ্তন পৰিহাৰ কৰাত চৰকাৰী প্ৰচেষ্টা পুনৰ ফলৱতী নহ'ল। ১৯৪৭ চনৰ ২২ এপ্ৰিলত মিজো ইউনিয়নৰ ফালৰ পৰা সংবিধান সভাত এখন স্মাৰকপত্ৰ দাখিল কৰা হয় য'ত মিজোসকলে বসবাস কৰা সকলো

অঞ্চলক সামৰি অসমৰ ভিতৰতে এক সুকীয়া প্ৰশাসনিক গোট গঠনৰ দাবী তোলা হয়। মিজো ইউনিয়নে আৰম্ভণিৰে পৰা মুখিয়ালসকলৰ বিৰুদ্ধাচৰণ কৰিছিল আৰু সামন্ততান্ত্ৰিক মুখিয়ালসকলৰ সৈতে এক মঞ্চ গঠন কৰাতকৈ ভাৰতবৰ্ষৰ সৈতে চামিল হৈ পৰাটো অধিক প্ৰয়োজনীয় বুলি বিবেচনা কৰিছিল। ইয়াৰ বিপৰীতে ব্ৰিটিছ প্ৰশাসনে বিচাৰিছিল মিজো মুখিয়ালসকলৰ নেতৃত্বত এক সুকীয়া ৰাজনৈতিক সংগঠনৰ। মিজো ইউনিয়নৰ বিৰুদ্ধাচৰণ কৰি ১৯৪৭ চনৰ ২০ জুলাইত ইউনাইটেড মিজো ফ্ৰীডম অৰগেনাইজেচন (United Mizo Freedom Organisation) নামৰ আন এক ৰাজনৈতিক সংগঠনৰ জন্ম হয় আৰু এই সংগঠনটোৱে ভাৰতৰ পৰা মিজো বসতিপ্ৰধান এলেকাবোৰ বিচ্ছিন্ন হৈ অহাৰ লগতে ব্ৰহ্মদেশত থকা মিজো বসতিপ্ৰধান এলেকাবোৰ বৃহত্তৰ মিজোৰামত সন্নিৱিষ্ট কৰাৰ দাবী তোলে। অৱশ্যে ভাৰতবৰ্ষৰ স্বাধীনতাপ্ৰাপ্তিৰ আগমুহূৰ্তত অৰ্থাৎ ১৪ আগষ্টত উল্লিখিত দুয়োটা সংগঠনে ভাৰতবৰ্ষৰ সৈতে মিজোৰাম সন্নিৱিষ্ট হোৱা বিষয়ত সন্মত হয়। অৱশ্যে দুয়োটা সংগঠনে দহ বছৰৰ পিচত এই সিদ্ধান্ত পুনৰ্বিবেচনা কৰা হ'ব বুলি মত দাঙি ধৰে।

মিজো ইউনিয়নে প্ৰথমৰে পৰা জনজাতীয় মুখিয়ালসকলে ভোগ কৰা সকলোধৰণৰ সা-সুবিধা যেনে শস্য কৰ, গৃহ কৰ আদি নিৰ্মূল কৰাৰ দাবী তুলি আহিছিল আৰু ১৯৪৭ চনৰ নৱেম্বৰ মাহত মুখিয়ালসকলৰ পৰিষদক এনে সা-সুবিধা সম্পূৰ্ণভাৱে নোহোৱা কৰিবলৈ সময়সীমা বান্ধি দিছিল। স্বাধীনতাৰ পিচতো এনে সুবিধাবোৰৰ বিলুপ্তি নোহোৱাত ১৯৪৮ চনৰ শেষৰ ফালে মিজোৰামত এক অসহযোগ আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ মূল দাবী আছিল মুখিয়ালৰ সা-সুবিধা নাশ কৰি এখন স্থানীয় স্ব-শাসিত জিলা পৰিষদ গঠন কৰা। ১৯৪৯ চনৰ জানুৱাৰী মাহত চৰকাৰীভাৱে প্ৰতিশ্ৰুতি দিয়াৰ পিচতহে এই আন্দোলন উঠাই লোৱা হৈছিল। সামন্ততন্ত্ৰৰ পৰা মুক্ত হৈ স্বাধীন ভাৰতবৰ্ষৰ ভিতৰত মিজো ইউনিয়নে যি

এক গণতান্ত্রিক বাতাবৰণ বিচাৰিছিল সি আকাংক্ষিত ধৰণে সফল হৈছিল আৰু এই ইউনিয়নৰ তৎপৰতাতে বিচ্ছিন্নতাৰ প্ৰসংগটো স্বাধীনতাৰ সময়ত সবল হৈ উঠা নাছিল। অৱশ্যে পিচলৈ মিজোৰামত পুনৰ বিচ্ছিন্নতাবাদী সশস্ত্ৰ বিদ্ৰোহৰ উন্মেষ ঘটিছিল।

অসমৰ মিকিৰ পাহাৰ জিলাত ১৯৪৭ চনত কাৰ্বি দৰবাৰ নামৰ এক ৰাজনৈতিক সংগঠনৰ উদ্ভৱ হৈছিল আৰু ইয়াৰ মূল লক্ষ্য আছিল পাহাৰীয়া জিলাখনত মিকিৰ এলেকাবোৰ লৈ এক সুকীয়া প্ৰশাসনিক গোট গঠন কৰা আৰু জনজাতীয় আচাৰ-ব্যৱহাৰৰ ৰক্ষণাবেক্ষণ দিয়া। এনেদৰে স্বাধীনতাৰ আগৰে পৰা অসমৰ পাহাৰীয়া জিলাবোৰত জনজাতীয় লোকসকলে স্ব-শাসনৰ দাবী তুলিছিল আৰু পিচলৈ এনে আন্দোলনবোৰে ভিন ভিন ৰূপ পৰিগ্ৰহণ কৰিছিল।

ষষ্ঠ অনুসূচী আৰু স্বায়ত্ত শাসন

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুযায়ী পূৰ্বোত্তৰৰ পাহাৰসমূহক Excluded আৰু Partially Excluded Areas —এই দুটা ভাগত ভাগ কৰোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। সংবিধান ৰচনাৰ সময়ত উত্তৰ-পূবৰ এই অঞ্চলবোৰক লৈ ভালেমান আলোচনা, তৰ্ক-বিতৰ্ক আদিৰ সূত্ৰপাত ঘটে। দেশৰ আন প্ৰান্তৰ সৈতে এই ঠাইৰ জনজাতিবোৰে যাতে মিলি যাব পাৰে তথা একে সময়তে তেওঁলোকৰ স্বকীয় বৈশিষ্ট্যৰ যাতে বিলোপ নঘটে সেই উদ্দেশ্যে সংবিধান

সভাই তদানীন্তন অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ নেতৃত্বত Sub-committee on the North-East Frontier (Assam) Tribal and Excluded Areas শীৰ্ষক এখন উপ-কমিটী গঠন কৰি দিয়ে। উপ-সমিতিখনৰ বাকী সদস্যসকল আছিল— (১) জে জে এম নিকলছ ৰয়, (২) ৰূপনাথ ব্ৰহ্ম, (৩) এ ভি ঠক্কৰ, (৪) মাভাং নক্সা (পিচত এওঁৰ ঠাইত আলিবা ইমতি অন্তৰ্ভুক্ত হয়)। এই উপ-সমিতিখনক Advisory Committee on Fundamental Rights, Minorities and Tribal and Excluded Areasৰ অধীনত কাম কৰিবলৈ দিয়া হৈছিল, যাৰ অধ্যক্ষ আছিল বল্লভভাই পেটেল।

উত্তৰ-পূবৰ বিস্তৃত পাহাৰীয়া অঞ্চল ভ্ৰমণ কৰি এই উপ-সমিতিখনে এখন প্ৰতিবেদন প্ৰস্তুত কৰে আৰু ১৯৪৭ চনৰ ২৮ জুলাইত এডভাইজৰী কমিটীৰ হাতত অৰ্পণ কৰে। উপ-সমিতিখনৰ মূল পৰামৰ্শ আছিল পাহাৰী জনজাতিবিলাকৰ কাৰণে পৃথক স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰাটো। যদিও এডভাইজৰী কমিটীৰ হাতত প্ৰতিবেদনখন জুলাই মাহতে দাখিল কৰা হৈছিল তথাপি প্ৰতিবেদনখনৰ ওপৰত ডিচেম্বৰ মাহতহে আলোচনা হয়। কিন্তু ইয়াৰ আগতেই অক্টোবৰ মাহত সংবিধানৰ খচৰা প্ৰস্তুত কমিটীয়ে (Drafting Commitee) সংবিধানৰ প্ৰথমটো খচৰা প্ৰস্তুত কৰে আৰু সেই খচৰাত আলোচনা হোৱাৰ আগতেই বৰদলৈ উপ-সমিতিৰ পৰামৰ্শবোৰ সন্নিৱিষ্ট কৰে। প্ৰথম অৱস্থাত এই পৰামৰ্শবোৰক অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা হৈছিল যদিও খচৰা সমিতিৰ সভাপতি ড° বি আৰ আম্বেদকাৰে অনুসূচীবোৰৰ সূচীখনৰ সামান্য সালসলনি ঘটাই বৰদলৈ উপ-সমিতিৰ পৰামৰ্শ সম্বলিত অনুসূচীখনক ক্ৰমিক নম্বৰ অনুসৰি ৮ৰ পৰা ৬ কৰে। সংবিধানৰ ষষ্ঠ অনুসূচীখনে এনেদৰেই এক ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেৰে জন্মলাভ কৰে। বৰদলৈ উপ-সমিতিৰ প্ৰতিবেদনৰ আলোচনা ১৯৪৮ চনৰ ফেব্ৰুৱাৰী মাহত শেষ কৰি ৪ মাৰ্চত

সেইখনত দুটা সংশোধনী সন্নিৱিষ্ট কৰি সংবিধান সভাৰ সভাপতিলৈ প্ৰেৰণ কৰা হয়। ১৯৪৯ চনৰ ছেপ্টেম্বৰ মাহত সংবিধান সভাই ষষ্ঠ অনুসূচীৰ খচৰা প্ৰস্তাৱৰ বিষয়ে আলোচনা আৰম্ভ কৰে।

এই আলোচনাত মূলতঃ তিনিটা মত উপস্থাপিত হৈছিল। বিহাৰৰ ব্ৰজেশ্বৰ প্ৰসাদে দাবী কৰিছিল যে স্বায়ত্তশাসিত জিলাবোৰৰ প্ৰশাসনৰ ক্ষেত্ৰত ৰাজ্যপাল অথবা প্ৰাদেশিক বিধানসভাৰ কোনো ক্ষমতা থাকিব নালাগে আৰু জিলাবোৰৰ (স্বায়ত্তশাসিত) প্ৰশাসনিক নিয়ন্ত্ৰণৰ দায়িত্ব আৰু কৰ্তৃত্ব কেৱল ৰাষ্ট্ৰপতিৰ হাততহে ন্যস্ত কৰিব লাগে। জনজাতিবিলাকক স্বায়ত্ত শাসন দিয়াৰ বিৰোধিতা কৰি প্ৰসাদে যুক্তি দৰ্শাইছিল যে ভাৰতবৰ্ষৰ সামগ্ৰিক স্বাৰ্থক জনজাতিসকলৰ স্বাৰ্থত বিঘ্নিত কৰাটো উচিত নহয়।

সংবিধান সভাত অসমৰ সদস্যদ্বয় কুলধৰ চলিহা আৰু ৰোহিণী কুমাৰ চৌধুৰীয়ে ষষ্ঠ অনুসূচী আৰু জনজাতীয় স্বায়ত্ত শাসনৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু একে সময়তে এনে ব্যৱস্থা প্ৰৱৰ্তন হ'লেও সেইবোৰ জিলাৰ ওপৰত ৰাজ্যৰ বিধানসভা আৰু ৰাজ্য চৰকাৰৰ পূৰ্ণ কৰ্তৃত্ব থকাটো বিচাৰিছিল। উল্লেখ্য যে চলিহা আৰু চৌধুৰীৰ এই মত আছিল ব্ৰজেশ্বৰ প্ৰসাদৰ সম্পূৰ্ণ বিপৰীত। দেশৰ লোকসভাই প্ৰণয়ন কৰা আইন এখন স্বায়ত্তশাসিত অঞ্চলত বলৱৎ কৰিব নোৱাৰাটো এক অদ্ভুত কথা বুলি অভিহিত কৰি কুলধৰ চলিহাই কৈছিল যে ষষ্ঠ অনুসূচীখনে জনজাতীয় লোকসকলক বাকী জনসাধাৰণৰ পৰা এঘৰীয়া কৰি ৰাখিব আৰু এখন পৃথক 'ট্ৰাইবেলিস্তান'ৰ জন্ম দিব। ইয়াৰ ফলত ট্ৰাইবেলিস্তান এখন কমিউনিস্তানহে হ'ব আৰু তাত কমিউনিষ্টসকলৰ অবাধ ৰাজত্ব চলিব। ষষ্ঠ অনুসূচী বিষয়ত ৰোহিণী কুমাৰ চৌধুৰীৰ মতামত আছিল অধিক গোড়া আৰু আক্ৰমণাত্মক। সংবিধানৰ প্ৰস্তাৱিত ষষ্ঠ অনুসূচী বা স্বায়ত্ত শাসনৰ ব্যৱস্থাটো ইংৰাজ চৰকাৰৰ ভেদনীতিৰ অনুকৰণত কৰা হোৱা

বুলি কৈ তেওঁ কৈছিল যে এই ব্যৱস্থাৰ ফলত ভৈয়ামৰ লোকসকলে ভৱিষ্যতলৈ পাহাৰত কোনোধৰণৰ সা-সম্পত্তিৰ অধিকাৰ লাভ কৰিব নোৱৰা হ'ব; ফলত সংমিশ্ৰণৰ সলনি জনজাতীয় লোকসকল ভৈয়ামৰ লোকৰ পৰা বিচ্ছিন্নহে হৈ পৰিব। তেওঁ আনকি এই বুলিও সকীয়াই দিছিল যে পাহাৰী জনজাতীয় লোকসকলক যদি ষষ্ঠ অনুসূচীৰ জৰিয়তে আঁতৰাই ৰখা হয় তেন্তে তেওঁলোকে ভাৰতৰ পৰা ওলাই গৈ তিববত বা বাৰ্মাৰ সৈতে লগ লাগিবহি।

ইয়াৰ বিপৰীতে গোপীনাথ বৰদলৈৰ স্থিতি আছিল দৃঢ় আৰু গভীৰ। অসমৰ পাহাৰীয়া অঞ্চলবোৰৰ আৰ্থ-সামাজিক, ৰাজনৈতিক অৱস্থা, ইতিহাস, পৰম্পৰা আদিৰ কথা ভালদৰে হৃদয়ংগম কৰা বৰদলৈয়ে বুজিছিল যে এক সাংবিধানিক ৰক্ষাকৱচ নাথাকিলে পশ্চাদপদ আৰু আৰ্থিকভাৱে পিচপৰা পাহাৰীয়া লোকসকলৰ ভূ-সম্পত্তি, সংস্কৃতি আদি আগ্ৰাসী জনজাতিবোৰৰ হাতত লুপ্ত হৈ যাব। যদিহে এই ব্যৱস্থা লোৱা নহয় তেন্তে অতি কম দিনৰ ভিতৰতে ব্ৰহ্মপুত্ৰ উপত্যকাত ঘটা জনগাঁথনিত পৰিবৰ্তনৰ শংকাৰ লেখীয়া এক শংকা পাহাৰীয়া লোকসকলেও ভোগ কৰিব লাগিব বুলি বৰদলৈয়ে অনুভৱ কৰিছিল। ষষ্ঠ অনুসূচী সন্দৰ্ভত ড° আম্বেদকাৰৰো স্থিতি আছিল দৃঢ় আৰু আপোচহীন। তেওঁ যুক্তি দৰ্শাইছিল যে ভাৰতৰ আন ঠাইৰ জনজাতিসকলৰ লগত অসমৰ জনজাতিসকলৰ কোনো মিল নাই। এক সুকীয়া সভ্যতা, সংস্কৃতিৰ সৈতে অভ্যস্ত এইসকল লোকে হিন্দুধৰ্মীয় আচাৰ-আচৰণ গ্ৰহণ কৰা নাছিল বাবে এওঁলোকৰ বাবে এক পৃথক প্ৰশাসনিক গাঁথনিৰ প্ৰয়োজন আছে বুলি আম্বেদকাৰে কৈছিল। অৱশেষত এনে অলেখ বাক-বিতণ্ডাৰ অন্তত সংবিধান সভাত স্বায়ত্ত শাসনৰ বিধিবোৰক স্বীকৃতি দিয়া হ'ল আৰু পৰৱৰ্তী সময়ত উত্তৰ-পূবৰ ভালেমান অঞ্চলত এই অনুসূচী প্ৰয়োগ কৰা হ'ল।

ট্ৰাইবেল বেল্ট আৰু ব্লক

পিচপৰা শ্ৰেণীৰ লোকসকলৰ সামাজিক, আৰ্থিক আৰু সম্পত্তিগত সুৰক্ষাৰ স্বাৰ্থত ১৯৪৭ চনত 'অসম ভূমি আৰু ৰাজহ বিনিয়ম, ১৮৮৬' শীৰ্ষক আইনখনত দশম অধ্যায়টোৰ সংযোজন ঘটোৱা হয়। ১৬০ৰ পৰা ১৭১লৈ অনুচ্ছেদ সন্নিৱিষ্ট এই অধ্যায়টোৰ জৰিয়তে অসম চৰকাৰে কোন কোন জনগোষ্ঠী পিচপৰা শ্ৰেণীত (backward classes) অন্তৰ্ভুক্ত হ'ব তাক নিৰ্দিষ্ট কৰিব পাৰে আৰু কিছুমান নিৰ্দিষ্ট এলেকাত Belt (বেষ্টনী) অথবা Block (সমষ্টি) গঠন কৰিব পাৰে। চৰকাৰে অধিসূচিত (Notified) পিচপৰা শ্ৰেণীৰ সুৰক্ষাৰ বাবে চৰকাৰী ভূমি বন্দৱস্ত কৰাৰ ক্ষেত্ৰত পট্টাদাৰ (Landholder) বা বন্দৱস্ত পট্টাদাৰ (settlement holder) অধিকাৰ বিষয়ত, পট্টাৰ মাটি বদলিকৰণৰ ক্ষেত্ৰত, অবৈধ দখলকাৰীক উচ্ছেদ তথা দেৱানী আদালতৰ (civil court) ক্ষেত্ৰাধিকাৰ (Jurisdiction) আদি বিষয়ত বিশেষ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

অসম চৰকাৰে এই ব্যৱস্থাৰ অন্তৰ্গত ভৈয়ামৰ জনজাতি, পাহাৰীয়া জনজাতি, চাহ বাগিচাৰ জনজাতি, চাওতাল আৰু গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ অনুসূচিত জাতি আৰু খিলঞ্জীয়া কোচ-ৰাজবংশীসকলক পিচপৰা শ্ৰেণী বুলি অধিসূচিত কৰিছিল। ১৯৪৭ চনৰ ৬ ডিচেম্বৰত জাৰি কৰা অধিসূচনাত নেপালী সম্প্ৰদায়ৰ (যিসকলে চৰণীয়া পথাৰবোৰত খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰিছিল) লোকসকলকো পিচপৰা শ্ৰেণী বুলি ঘোষণা কৰিছিল যদিও ১৯৬৯ চনৰ জুন মাহৰ পৰা তেওঁলোকক উল্লিখিত পিচপৰা শ্ৰেণীৰ আওতাৰ বাহিৰত ৰখা হয়। বৃহৎ এলেকাবোৰক বেল্ট আখ্যা দিয়া হৈছিল আৰু ইয়াৰ বিপৰীতে ক্ষুদ্ৰ পৰিসৰৰ অঞ্চলবোৰক ব্লক বুলি নামকৰণ কৰা হৈছিল। ১৯৪৭ চনৰ পৰা ১৯৫১ চনৰ ভিতৰত সৰ্বমুঠ ৩১টা বেল্ট আৰু ব্লক

গঠন কৰা হয় আৰু পিচলৈ পিচপৰা শ্ৰেণীৰ সুৰক্ষাৰ স্বাৰ্থত এই সংখ্যাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। অসম চৰকাৰে ১৯৯০ চনৰ ৩০ অক্টোবৰপৰ্যন্ত সমগ্ৰ অসমতে ৪৭ বেল্ট তথা ব্লক গঠন কৰিছিল।

বেল্ট আৰু ব্লকত প্ৰযোজ্য কিছুমান বিশেষ সুৰক্ষা ব্যৱস্থা হৈছে এনেধৰণৰ—

(১) উল্লিখিত বেল্ট অথবা ব্লকত স্থায়ীভাৱে বসবাস কৰা সুৰক্ষিত শ্ৰেণীৰ লোকসকলৰ (যিসকল বেল্ট/ব্লক গঠন হোৱাৰ আগৰে পৰা সেইবোৰ অঞ্চলত বাস কৰি আহিছে) প্ৰয়োজনবোৰে সৰ্বাধিক অগ্ৰাধিকাৰ লাভ কৰিব।

(২) সুৰক্ষিত শ্ৰেণীৰ অথচ যিসকলে অস্থায়ীভাৱে তেনে বেল্ট/ব্লকত বসবাস কৰি আহিছে (বেল্ট/ব্লক গঠন হোৱাৰ আগৰে পৰা) আৰু যিসকলে বন্দৰস্তি পট্টাদাৰ আৰু ভৰিষ্যতলৈ তেনে অঞ্চলত স্থায়ীভাৱে থাকিব তেনে লোকে দ্বিতীয় অগ্ৰাধিকাৰ পাব।

(৩) সুৰক্ষিত বেল্ট অথবা ব্লকত যদিহে কৃষিযোগ্য অধিক মাটি থাকে তেন্তে তেনে মাটিত বন্দৰস্তিৰ ক্ষেত্ৰত (i) বেল্ট আৰু ব্লক গঠন হোৱাৰ আগৰে পৰা তেনে অঞ্চলত বসবাস কৰি অহা অসুৰক্ষিত শ্ৰেণী (non-protected class) আৰু (ii) ৰাজ্যখনৰ আন ঠাইত বাস কৰা সুৰক্ষিত শ্ৰেণীৰ লোকসকলে তৃতীয় আৰু সৰ্বনিম্ন অগ্ৰাধিকাৰ লাভ কৰিব।

(৪) বেল্ট অথবা ব্লকত বসবাস কৰা এজন বছৰেকীয়া পট্টাদাৰে (annual lease holder) কোনো চৰ্তত মাটি হস্তান্তৰ কৰিব নোৱাৰিব। আনহাতে এগৰাকী পট্টাদাৰে (সাময়িক পট্টাৰ অধিকাৰী) বেল্ট আৰু ব্লকৰ মাটি অসুৰক্ষিত শ্ৰেণীৰ লোকলৈ অথবা উক্ত অঞ্চলত স্থায়ীভাৱে বসবাস নকৰা লোকৰ হাতলৈ হস্তান্তৰিত কৰিব নোৱাৰিব। অৱশ্যে জিলা উপায়ুক্তৰ অনুমতি সাপেক্ষে বেল্ট আৰু ব্লকত স্থায়ীভাৱে বসবাস কৰি

অহা অসুৰক্ষিত শ্ৰেণীৰ লোকলৈ তেওঁ ভূমি হস্তান্তৰ কৰিব পাৰিব।

(৫) কোনো লোকে বেল্ট আৰু ব্লকৰ মাটি হস্তান্তৰ, সালসলনি (exchange) লীজ, বন্দৱস্তি অথবা চুক্তি কৰাৰ ক্ষেত্ৰত উল্লিখিত নিয়মবোৰ ভংগ কৰিব নোৱাৰিব।

(৬) অসম ভূমি আৰু ৰাজহ আইনৰ এই দশম অধ্যায়ৰ বিধিবোৰৰ ক্ষেত্ৰত কোনো দেৱানী আদালতে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিব নোৱাৰিব।

অসম ভূমি আৰু ৰাজহ আইনৰ অধীনত গঠন কৰি দিয়া এই বেষ্টনী অথবা সমষ্টিবোৰে অবৈধভাৱে ভূমি হস্তান্তৰ প্ৰক্ৰিয়াটোক প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল তথা অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহক বহিৰাগত আগ্ৰাসনৰ পৰা কিছু পৰিমাণে হ'লেও সুৰক্ষিত কৰিব পাৰিছিল। দুৰ্ভাগ্যৰ কথা যে পঞ্চাশৰ দশকৰ পিচৰে পৰা এনে সুৰক্ষিত ভূমিৰ ওপৰত কৌশলগতভাৱে ভালেমান আক্ৰমণ আৰম্ভ হ'ল। বিধিগতভাৱে এই ভূমিৰ ওপৰত আগ্ৰাসন সম্ভৱ নাছিল বাবে আমোলাতান্ত্ৰিক প্ৰক্ৰিয়াৰে অসুৰক্ষিত আৰু বহিৰাগত লোকক বেষ্টনী বা সমষ্টিৰ মাটিত উদ্যোগ, কাৰখানা আদি বহুওৱাৰ অনুমতি প্ৰদান কৰা হ'ল। একেদৰে কেইবাটাও বেষ্টনী আৰু সমষ্টিৰ মাটিৰ সংকোচন ঘটোৱা হ'ল। জনজাতীয় লোকৰ শৈক্ষিক পশ্চাদপদতা আৰু সৰলতাৰ সুযোগ লৈ অসমৰ সমাজ জীৱনত জনজাতীয় ভূমিৰ অবৈধ হস্তান্তৰ এনেদৰে অব্যাহত থাকিল। বিধিগত সুৰক্ষাক ভেঙুচালি কৰি আমোলাতান্ত্ৰিক মেৰপেঁচৰ সহায়ত চলা এই ভূমি আগ্ৰাসনক লৈয়ে জনজাতীয় তথা অসমৰ খিলঞ্জীয়া লোকসকলৰ ক্ষোভৰ জুইকুৰা সংগোপনে জ্বলি থাকিল।

ৰাজ্যভাষা বিতৰ্ক আৰু কোচবিহাৰ

১৯২০ চনত অসমীয়া লোকে কংগ্ৰেছৰ স্বাধীনতা আন্দোলনত যোগ দিয়াৰ লগত অসমীয়াৰ দুটা গুৰুত্বপূৰ্ণ জাতীয় লক্ষ্য জড়িত আছিল। ইয়াৰে প্ৰথমটো আছিল চিলেটক অসমৰ পৰা পৃথক কৰা অৰু দ্বিতীয়টো হ'ল অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষাৰ মৰ্যাদা দিয়া। কিন্তু ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামে অসম তথা অসমৰ জনসাধাৰণক আকাংক্ষিত যেন একো ফলকে প্ৰদান নকৰিলে। চিলেট অসমৰ পৰা বিচ্ছেদ হ'ল সঁচা, কিন্তু চিলেটকেন্দ্ৰিক অন্যান্য সমস্যা আৰু এই সকলোতকৈ ভয়াৱহ বঙালী হিন্দুৰ সৰ্বগ্ৰাসী

আধিপত্য অসমৰ চাকৰি-বাকৰি, ৰাজনীতি, সমাজ-সংস্কৃতি আদি সকলোতে থাকি গ'ল। ১৯৪৯ চনৰ মাজভাগত কেন্দ্ৰীয় চৰকাৰে ভাষাৰ ভিত্তিত ৰাজ্য গঠন কৰাৰ নীতি পৰিহাৰ কৰাৰ ফলত অসমীয়া মানুহৰ আশাত চেঁচাপানী পৰিল।

অসমীয়া ভাষাক প্ৰদেশখনৰ ৰাজ্যভাষা কৰাৰ ক্ষেত্ৰত বঙালী হিন্দুসকলে আদিৰে পৰা বিৰোধিতা কৰি আহিছিল। বঙালী হিন্দুসকলে ১৯৩৫ চনত প্ৰতিষ্ঠা কৰা ছেট্‌লাৰ্ছ এছ'চিয়েচনে (Settlers Association) ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীয়ে মিলি যাতে এক উমৈহতীয়া অসমীয়া জাতি গঢ়ি তুলিব নোৱাৰে তাৰ প্ৰতি সদা সতৰ্ক দৃষ্টি ৰাখিছিল। এই সংগঠনটোৰ মূল লক্ষ্য আছিল, ব্ৰহ্মপুত্ৰ উপত্যকাক বঙালী হিন্দুসকলৰ বাবে এক উপনিৱেশ কৰি ৰখা। অসমৰ খিলঞ্জীয়া লোকৰ ভাষা-সংস্কৃতিক উপলুঙা কৰা আৰু বঙালী ভাষা-সংস্কৃতিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰায়েই যেন ছেট্‌লাৰ্ছ এছ'ছিয়েচনৰ সাংগঠনিক লক্ষ্য আছিল। এই লক্ষ্য আগত ৰাখি অনুষ্ঠানটোৱে অসমত স্থাপন কৰিব বিচৰা বিশ্ববিদ্যালয়, উচ্চ ন্যায়ালয়, চাহ ৰপ্তানি কেন্দ্ৰ, অথবা চৰকাৰী পৃষ্ঠপোষকতাত কোনোধৰণৰ ঔদ্যোগিক প্ৰতিষ্ঠান অসমত যাতে গঢ়ি নুঠে তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। প্ৰতিবাৰেই ন ন অনুষ্ঠান গঢ়াৰ প্ৰধান প্ৰতিবন্ধক হৈ দেখা দিছিল চিলেটকেন্দ্ৰিক ছেট্‌লাৰ্ছ এছ'ছিয়েচন তথা উচ্চাত্মিকতাবোধত ভুগি থকা হিন্দু বঙালীসকল।

গণভোটৰ জৰিয়তে চিলেট অসমৰ পৰা পৃথক হৈ পৰাত অসমৰ প্ৰাদেশিক ৰাজনীতিত বঙালী হিন্দুৰ দপদপনি ভালেখিনি কমি গ'ল। বাংলাভাষী হিন্দুসকলে ধৰিলে যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কিছুসংখ্যক অসমীয়া জাতীয়তাবাদীৰ কুটিল ষড়যন্ত্ৰৰ ফলতে চিলেট বিচ্ছেদৰ নিচিনা এক অনাকাংক্ষিত ঘটনা ঘটিবলৈ পালে। প্ৰদেশখনত বাংলাভাষী লোকৰ সংখ্যা হ্ৰাস কৰাৰ বাবেই চিলেটক পৰিকল্পিতভাৱে পূব পাকিস্তানৰ লগত সন্নিৱিষ্ট কৰা হ'ল বুলিও এইসকল লোকে ভাবি ল'লে। সেয়েহে অসমীয়া

বিৰোধী এক ভাবাৱেগ বাংলাভাষী লোকসকলৰ মনত দকৈ শিপালে।

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে ভাষাৰ ভিত্তিত ৰাজ্য গঠন হ'বনে নহয় সেই বিষয়ে পৰ্যালোচনা কৰি থকাৰ সময়তে ১৯৫০ চনৰ মাজভাগত অসম সাহিত্য সভাই ১৬ জুলাই দিনটো ৰাজ্যভাষা দিৱস বুলি পালন কৰিলে। সেই সময়ত খাছী, জয়ন্তীয়া, মিজো আদি সকলো পাহাৰীয়া ৰাজ্য অসম প্ৰদেশৰ অন্তৰ্গত আছিল বাবে আৰু অসমৰ আনটো উপত্যকা সুৰমাত বাংলাভাষীৰ সংখ্যাধিক্য হোৱাৰ বাবে সাহিত্য সভাৰ এনে সিদ্ধান্তই অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি ঘটোৱাৰ বিপৰীতে ইয়াৰ প্ৰসাৰৰ ক্ষেত্ৰখন সংকুচিত কৰিহে আনিলে। অসম সাহিত্য সভাৰ এই সিদ্ধান্তই অন্যান্য জাতি-জনগোষ্ঠীসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলালে আৰু ইয়াকে লৈ কলিকতাৰ বাংলা বাতৰিকাকতবোৰ তীব্ৰ অসম বিদ্বেষত নামি পৰিল। অসমীয়া ভাষাটোক ৰাজ্যভাষা কৰাটো কিমান যুক্তিযুক্ত হ'ব তাক লৈ গোপীনাথ বৰদলৈ প্ৰমুখ্যে ভালেসংখ্যক কংগ্ৰেছী নেতাৰ সংশয় আছিল আৰু এটি ভাষা এনেদৰে ওপৰৰ পৰা জাপি দিয়াৰ সলনি আত্মীকৰণ (Assimilation) প্ৰক্ৰিয়াৰে সকলোৱে অসমীয়া ভাষা-সংস্কৃতি আঁকোৱালি ল'লেহে ভাষাটোৰ প্ৰসাৰ ঘটিব বুলি এইসকল লোকে বিশ্বাস কৰিছিল। বাস্তৱত এই শংকা সঁচা বুলি প্ৰমাণ হ'ল।

অসমীয়া ভাষাক জোৰ-জবৰদস্তি ৰাজ্যভাষা কৰিবলৈ যোৱাৰ ফলত পাহাৰীয়া জিলাসমূহ অসমৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল আৰু গঢ়ি তুলিলে স্বতন্ত্ৰ সত্তা। ৰাজ্যভাষাক লৈ হোৱা বিবাদ পৰৱৰ্তী সময়তো চলি থাকিল আৰু ৬০ দশকৰ আদিভাগত ই আন্দোলনৰ ৰূপ ল'লৈগে।

কোচবিহাৰ

অসম বুৰঞ্জীত কামতাপুৰক সদায় কামতা ৰাজ্যৰ ৰাজধানী হিচাপে উল্লেখ কৰা হৈছে আৰু বেছিভাগ ক্ষেত্ৰতে কামতা আৰু কামৰূপক একেখন

ৰাজ্য হিচাপে বুজোৱা হৈছে। বুৰঞ্জী অনুসাৰে ১৩শ শতিকাত বৰ্তমানৰ উত্তৰ বংগ আৰু অসমৰ পশ্চিম প্ৰান্তৰ কিছু অঞ্চলক সামৰি সন্ধ্যা ৰায়ে কামতা ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ইতিহাসবিদ এন এন আচাৰ্যই তেখেতৰ *A Brief History of Assam* শীৰ্ষক গ্ৰন্থত কামতা ৰাজ্যৰ বিৱৰণ দি কৈছে যে তুঘ্ৰিল খান মালিক ইউজবেগৰ দ্বাৰা কামৰূপ ৰাজ্য আক্ৰমণৰ পিচতে কামৰূপৰ ৰাজধানী সন্ধ্যা ৰজাই কামৰূপ নগৰৰ (বৰ্তমানৰ উত্তৰ গুৱাহাটী) পৰা পশ্চিম প্ৰান্তৰ কামতাপুৰলৈ (কোচবিহাৰ) উঠাই লৈ যায়। সেই সময়ৰ পৰাই কামৰূপ ৰাজ্যক 'কামতা' অথবা 'কামৰূপ-কামতা' বুলি জনা গৈছিল। কামতাৰ শাসকসকলক কামতেশ্বৰ বা কামেশ্বৰ বুলি জনা গৈছিল। অৱশ্যে এই কামতা ৰাজ্য পূৰ্বৰ কামৰূপ ৰাজ্যতকৈ বহু সৰু হৈ পৰিছিল আৰু কামতা ৰাজ্যত বৰ্তমান অসমৰ ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বৰপেটা, নলবাৰী আৰু কামৰূপ জিলা সন্নিৱিষ্ট হোৱাৰ লগতে বৰ্তমানৰ উত্তৰ বংগৰ কিছু অংশ আৰু বাংলাদেশৰ মৈমনসিং আদি ঠাই অন্তৰ্ভুক্ত হৈছিল। ১৩শতিকাৰ পৰা ১৫শতিকাপৰ্যন্ত কামতাপুৰ ৰাজ্য বিভিন্ন বংশৰ শাসকে শাসন কৰে আৰু এইসকলৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্যজন আছিল দুৰ্লভ নাৰায়ণ (১৩৩০-১৩৫০লৈ ৰজা আছিল)। ১৫০০ শতিকাত খান বা খেন বংশীয় ৰজাসকলে কামতাপুৰ শাসন কৰিবলৈ লয় আৰু এই বংশৰ আটাইতকৈ বিখ্যাত ৰজাজন আছিল নীলাম্বৰ।

১৬০০ শতিকাৰ আদিভাগত বিশ্বসিংহই (১৫১৫-১৫৪০) কামতাৰাজ্যৰ ক্ষমতা দখল কৰাৰ পিচতে কামতা ৰাজ্যত কোচবংশীয় ৰজাৰ প্ৰতিপত্তি আৰম্ভ হয় আৰু এইসকল ৰজাৰ শাসন কালছোৱাক কোচ সাম্ৰাজ্য বুলি অভিহিত কৰিবলৈ লোৱা হয়। অৱশ্যে বিশ্বসিংহ বংশীয় বেছিভাগ কোচৰজাই তেওঁলোকৰ ৰাজ্যক কোচৰাজ্য বুলি কোৱাৰ সলনি কামতা ৰাজ্য বুলিহে নামাংকিত কৰিছিল। তেওঁলোকে কামতা ৰাজ্যক নকৈ কোচৰাজ্য বুলি কোৱা নাছিল। প্ৰকৃততে এই প্ৰক্ৰিয়া আৰম্ভ

হয় ব্ৰিটিছ ঔপনিবেশিক শাসনৰ কালছোৱাতহে।

বৰ্তমানৰ কোকৰাঝাৰ জিলাৰ ছিকনাগ্ৰামৰ এজন কোচ মুখিয়াল বিশ্বসিংহই কামতাপুৰত স্থাপন কৰা কোচ বংশীয় ৰাজত্বৰ সময়ছোৱা আছিল অসমৰ ইতিহাসৰ এক সোণালী অধ্যায়। ১৫৪০ চনত বিশ্বসিংহৰ মৃত্যুৰ পিচত নৰনাৰায়ণে সিংহাসন দখল কৰে। নৰনাৰায়ণে তেওঁৰ ভাতৃ শুক্লধ্বজ ওৰফে চিলাৰায়ক সেনাপতি পাতে আৰু আৰম্ভ হয় কোচ সাম্ৰাজ্য বিস্তাৰৰ বৰ্ণিল যাত্ৰা। চিলাৰায়ৰ অদম্য সাহসৰ বলতে কোচ ৰাজ্যৰ বিশাল বিস্তাৰ ঘটিছিল আৰু একেদৰে নৰনাৰায়ণৰ বিদ্যানুৰাগৰ ফলতে মহাপুৰুষ শংকৰদেৱৰ নিচিনা মনীষীয়ে তেওঁৰ ৰাজসভাত স্থান লাভ কৰিছিল। আহোম শাসকৰ অত্যাচাৰৰ বাবে অসমৰ পশ্চিম প্ৰান্তলৈ পলাই যোৱা মহাপুৰুষ শংকৰদেৱক যদি নৰনাৰায়ণে আশ্ৰয় প্ৰদান নকৰিলেহেঁতেন তেন্তে মহাপুৰুষজনৰ সাহিত্য প্ৰতিভাৰ বিকাশ কিমানদূৰ হ'লহেঁতেন সি সন্দেহনীয়। অসমীয়া জাতীয় জীৱন সমৃদ্ধ কৰা এই ঐতিহাসিক ঘটনাৰ বাবে কোচ ৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায়ক অসমৰ লোকে চিৰকালৰ বাবে স্মৰণ কৰিব।

১৭৬৫ৰ পৰা ১৭৮৩ চনৰ ভিতৰত ধ্বজেন্দ্ৰ নাৰায়ণ, ৰাজেন্দ্ৰ নাৰায়ণ আৰু ধৰ্মেন্দ্ৰ নাৰায়ণ কোচ কামতা ৰাজ্যৰ সিংহাসনত অধিষ্ঠিত হয়। এই সময়ছোৱাৰ ভিতৰত ভুটীয়াসকলে সঘনাই কোচ ৰাজ্য আক্ৰমণ কৰি থকাৰ ফলত কোচ ৰজাই ভুটীয়াসকলৰ পৰা পৰিত্ৰাণ পোৱাৰ স্বাৰ্থত ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে এক চুক্তিত স্বাক্ষৰ কৰে। ১৭৭৩ চনৰ ৫ এপ্ৰিলত কোচ ৰজা ধৰ্মেন্দ্ৰ নাৰায়ণে এই চুক্তিত স্বাক্ষৰ কৰাৰ লগে লগে কোচবিহাৰ ব্ৰিটিছ ভাৰতবৰ্ষৰ অধীনস্থ এখন ৰাজ্য হৈ পৰে আৰু ই ১৯৪৭ চনৰ ১৪ আগষ্টপৰ্যন্ত বাহাল থাকে। কোচবিহাৰ ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পিচত ৰংপুৰক কোচ-কামতা ৰাজ্যৰ পৰা উলিয়াই অনা হ'ল। একেদৰে ১৯০০ ৰ পৰা ১৯০৮ চনৰ ভিতৰত জলপাইগুৰি আৰু দাৰ্জিলিঙকো কোচ-

কামতা ৰাজ্যৰ পৰা উলিয়াই আনি ব্ৰিটিছ সাম্ৰাজ্যভুক্ত কৰা হ'ল। এনেদৰে ব্ৰিটিছ অধীনস্থ কোচ কামতা ৰাজ্যৰ ক্ৰমাগত সংকোচন ঘটি থাকিল।

ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ আগদিনাখন অৰ্থাৎ ১৪ আগষ্টত ১৭৭৩ চনৰ চুক্তিখন অকাৰ্যকাৰী হৈ পৰে আৰু ব্ৰিটিছ সংসদত গৃহীত হোৱা ভাৰতৰ স্বাধীনতা আইনৰ অষ্টম অনুচ্ছেদ অনুযায়ী কোচবিহাৰ ৰাজ্যখন পুনৰ সাৰ্বভৌম ৰাষ্ট্ৰ হৈ পৰে। এই আইন অনুযায়ী ব্ৰিটিছশাসিত ভাৰতবৰ্ষৰ সকলো ৰজাশাসিত ৰাজ্যবোৰে সাৰ্বভৌম ক্ষমতা লাভ কৰিব আৰু তেওঁলোকৰ ইচ্ছা অনুযায়ী ভাৰতবৰ্ষ নে পাকিস্তানত যোগ দিব তাক নিৰ্ধাৰণ কৰিব পাৰিব। কোচবিহাৰ সহিত ৫৬৫খন ৰজাশাসিত অঞ্চলে এই একেই মৰ্যাদা লাভ কৰিলে। এই ৰাজ্যবোৰক বিভাজনৰ আওতাৰ মাজলৈ যেনেদৰে অনা হোৱা নাছিল, একেদৰে ১৯৪৭ চনৰ আইন অনুযায়ী এইবোৰ ৰাজ্যক পূৰ্ণ স্বাধীনতাও প্ৰদান কৰা হোৱা নাছিল। ৰাজ্যবোৰে মাথোঁ ভাৰত নে পাকিস্তানত যোগ দিব তাৰ সিদ্ধান্ত লোৱাৰহে অধিকাৰ লাভ কৰিছিল।

১৯৪৯ চনৰ ২৮ আগষ্টপৰ্যন্ত কোচবিহাৰ ভাৰতবৰ্ষৰ ভিতৰতে মহাৰাজাৰ দ্বাৰা এখন শাসিত দেশ হৈ থাকিল। ১৯৪৯ চনৰ ২৮ আগষ্টত মহাৰাজা জগদ্বীপেন্দ্ৰ নাৰায়ণ আৰু ভাৰতবৰ্ষৰ চৰকাৰৰ মাজত কোচবিহাৰ অৰ্পণ কৰাক লৈ এখন চুক্তি স্বাক্ষৰিত হ'ল। চুক্তিখন স্বাক্ষৰ কৰাৰ পাচত ভাৰতবৰ্ষৰ ভিতৰত এই ৰাজ্যখনৰ মৰ্যাদা কি ধৰণৰ হ'ব তাক লৈ মহাৰাজা জগদ্বীপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰশ্ন উত্থাপন কৰিছিল। মহাৰাজাজনে উত্থাপন কৰা এই প্ৰশ্নবোৰৰ উত্তৰত ভাৰত চৰকাৰৰ পৰা জনোৱা হ'ল যে কোচবিহাৰ ৰাজ্যক ভাৰতবৰ্ষৰ সংবিধানৰ ভিতৰত 'চি' ('C' category) শ্ৰেণীৰ ৰাজ্য হিচাপে ৰখা হ'ব আৰু ইয়াৰ প্ৰশাসন পৰিচালনা কৰিব এগৰাকী মুখ্য আয়ুক্তই। এনে এক আশ্বাস লাভ কৰাত ভাৰত চৰকাৰৰ ওচৰত ১২ ছেপ্টেম্বৰত মহাৰাজে কোচবিহাৰখন আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। ভাৰতত সোমোৱাৰ পিচৰে পৰা 'চি' শ্ৰেণীৰ এই ৰাজ্যখনৰ ভৱিষ্যৎ

প্ৰসংগত ভালেমান প্ৰশ্নৰ উদ্ৰেক হ'বলৈ ধৰিলে। পশ্চিম বংগৰ তদানীন্তন মুখ্যমন্ত্ৰী বিধান চন্দ্ৰ ৰয়ে কোচবিহাৰ পশ্চিম বংগ ৰাজ্যত অন্তৰ্ভুক্ত কৰাৰ দাবী তুলিলে। কোচবিহাৰৰ বঙালী হিন্দুসকলেই যিহেতু কোচবিহাৰ কংগ্ৰেছৰ নেতৃত্ব লৈছিল সেয়েহে তেওঁলোকেও এই বিষয়ত এক জনমত গঠন কৰিব বিচাৰিলে যদিও কোচবিহাৰৰ খিলঞ্জীয়া কোচ-ৰাজবংশীসকলে পশ্চিম বংগত চামিল হোৱাৰ মুকলি বিৰোধিতা কৰিলে। কোচবিহাৰ কংগ্ৰেছৰ জনমত গঠনৰ বিফলতাৰ বিপৰীতে 'প্ৰজাহিত সাধিনী সভা'ৰ মঞ্চত সৰহসংখ্যক থলুৱা লোক গোট খালে আৰু এই সংস্থাটোৱে দাবী তুলিলে যে কোচবিহাৰক পশ্চিম বংগ অথবা অসম কোনো এখন ৰাজ্যতে সন্নিৱিষ্ট কৰিব নালাগে। ৰাজ্যখনৰ স্বকীয় সত্তালৈ লক্ষ্য ৰাখি কোচবিহাৰক এখন কেন্দ্ৰীয় শাসিত প্ৰদেশ কৰিহে ৰখা উচিত বুলি সংস্থাটোৱে মত দাঙি ধৰিলে। বিধান চন্দ্ৰ ৰয়ে চৰ্দাৰ বল্লভভাই পেটেললৈ প্ৰেৰণ কৰা এখন পত্ৰত কোচবিহাৰক পশ্চিম বংগত সন্নিৱিষ্ট কৰিব পাৰিলে নিৰ্বাচনকেন্দ্ৰিক (১৯৪৯ চনৰ ১২ জুনত নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছিল) লাভ আদায় কৰিব পৰা যাব বুলি কৈছিল আৰু এনে কৰিলেহে দক্ষিণ কলিকতাৰ আসনখনত শৰৎ চন্দ্ৰ বসুক পৰাজিত কৰিব পাৰিব বুলি নিশ্চয়তা দিছিল। কোচবিহাৰ পশ্চিম বংগত চামিল কৰাৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ বসুৰ (এওঁ সুভাষ চন্দ্ৰ বসুৰ ভাতৃ আছিল) কোনো কৃতিত্ব নাই বৰঞ্চ এই কৃতিত্ব পশ্চিম বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰহে প্ৰাপ্য এনে এক প্ৰচাৰ কাৰ্য চলাব পাৰিলে নিৰ্বাচনী ৰণত কংগ্ৰেছ লাভান্বিত হ'ব পাৰিব বুলি বল্লভভাই পেটেল সৈমান হৈছিল। এনে এক প্ৰস্তাৱ কোচবিহাৰৰ জনগণৰ ইচ্ছা-বিৰুদ্ধ বুলি জানিও পেটেলে বিধান চন্দ্ৰ ৰয়ৰ ৰাজনৈতিক কৌশলৰ বিৰুদ্ধাচৰণ কৰা নাছিল। অসমৰ ৰাজ্যপাল হাইদৰীয়েও কোচবিহাৰ পৰিদৰ্শন কৰি ৰাজ্যখনত বঙালীসকল যে সংখ্যালঘু তাক উপলব্ধি কৰিছিল আৰু জোৰকৈ অঞ্চলটোক পশ্চিমবংগত চামিল কৰিলে খিলঞ্জীয়া লোকসকল অসন্তুষ্ট হ'ব বুলি অনুভৱ কৰিছিল। ইতিমধ্যে পশ্চিম বংগত চামিল কৰাৰ

বিৰুদ্ধাচৰণ কৰি খিলঞ্জীয়া কোচ-ৰাজবংশীসকলে অসমৰ সৈতে চামিল হোৱাৰ ইচ্ছা প্ৰকট কৰিছিল। এইক্ষেত্ৰত অসমৰ সৈতে ঠাইখনৰ থকা ঐতিহাসিক, সামাজিক আৰু সাংস্কৃতিক সম্পৰ্কৰ কথা উনুকিওৱা হৈছিল আৰু একেখিনি কথা গোপীনাথ বৰদলৈয়ে জৱাহৰলাল নেহৰুক জনাইছিল। বৰদলৈয়ে ভাবিছিল যে কোচবিহাৰৰ থলুৱা লোকসকলৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি নেহৰু অথবা পেটেলে কোচবিহাৰৰ ক্ষেত্ৰতো গণভোটৰ আয়োজন কৰিব আৰু গণভোটেহে কোচবিহাৰৰ ভাগ্য নিৰ্ণয় কৰিব। কিন্তু নেহৰু-পেটেল উভয়ে কোচবিহাৰৰ জনসাধাৰণৰ আশা-আকাংক্ষাক হৃদয়ংগম কৰিব নোৱাৰিলে আৰু একমাত্ৰ পশ্চিম বংগৰ কংগ্ৰেছীসকলক সন্তুষ্ট কৰাৰ স্বাৰ্থত ১৯৫০ চনৰ ১ জানুৱাৰীত কোচবিহাৰক পশ্চিম বংগৰ সৈতে চামিল কৰা হ'ল। অঞ্চলটোৰ মানুহৰ স্বতন্ত্ৰতাক উপলুঙা কৰি কোচবিহাৰক পশ্চিম বংগৰ এখন জিলা হিচাপে গঠন কৰা হ'ল আৰু পৰৱৰ্তী সময়ত এই ঐতিহাসিক অৱজ্ঞা আৰু উপেক্ষাৰ আধাৰতে কামতাপুৰ আন্দোলনৰ পটভূমি গঢ় লৈ উঠিল। উল্লেখ্য যে ১৯৫৫ চনত পশ্চিম বংগ চৰকাৰে নিজৰ আগ্ৰাসী স্বভাৱৰ পৰিচয় দাঙি ধৰি অসমৰ গোৱালপাৰা জিলাকো পশ্চিম বংগত চামিল কৰিব লাগে বুলি দাবী তুলি ধৰিছিল।